# A:NÉ BILLAM

## MÉ:PA: POTIN

**MISING BA:NÉ KÉBANG**

**35[né] Bahphola Mirum Kébang**

**20, 21, 22 éla: 23 Mars, 2014**

**Mo:ying Pe:gu Lotta**

**Bahphola, Jorhat**



Nébíng : Nileswar Pe:gu

বাঃনৗ কৗবাং

# A:NÉ BILLAM

## Mé:pa potin

MISING BA:NÉ KÉBANG
35 Bahphola Mirum Kébang
Mo:ying Pe:gu Lotta
Bahphola, Jorhat
20, 21, 22 éla: 23 Mars, 2014

Lo:pé,
…………………………………………………………………………………………………
…………………………………………………………………………………………………

A:né Billam: A souvenir of Mising Ba:né Kebang, 35th General Session, Bahphola, Jorhat, Edited by Nileswar Pegu, Published by Reception Committee
. Published in March, 2014.

# EDITORIAL BOARD -

**Advisor**

Khagen Pegu
Tarason Pegu Dipak Kr. Doley
Dr. Jayanta Madhab Dutta

**President**

Bhimlal Doley

**Editor** :

Nileswar Pegu

**Members**

Manuj Kr. Mili, Bonshi Daw, Rongili Doley Pegu, Haren Richong, Pranjal Pegu, Dilip Pegu, Ramanandan Bora, Sourov Deuri.

**Cover Design**

Dhiraj Boruah & Dulu Borah

Price: 100/- only
Printed : Rituraj Printers, Near Head Post Office Road, Jorhat-1

# উছৰ্গা

## মিচিং বাঃনী কৌবাং

৩৫ সংখ্যক বাঁহফলা, যোৰহাট অধিবেশনৰ স্মৃতিগ্ৰন্থ প্ৰকাশৰ বাবে বিত্তীয় সাহায্য আগবঢ়োৱা শ্ৰীমতী সাবিত্ৰী কুলিৰ স্বামী, সমাজকৰ্মী, প্ৰয়াত বলীন চন্দ্ৰ কুলিৰ লগতে মিচিং সমাজৰ প্ৰয়াত বিশিষ্ট সমাজকৰ্মী বৰেণ্য ব্যক্তিসকলৰ নামত স্মৃতি গ্ৰন্থ আঃনী বিল্লাম উছৰ্গা কৰা হ'ল।

সম্পাদনা সমিতি –
স্মৃতিগ্ৰন্থ, আঃনী বিল্লাম

# কৃতজ্ঞতা

মিচিং বাঃনৗ কৗবাং ৰ ৩৫ সংখ্যক সাধাৰণ অধিবেশনখনি যোৰহাট জিলাৰ বাঁহফলাত পঃচুম যঃয়িং পেগু লত্তাত আয়োজন কৰিবলৈ থলী আগবঢ়োৱাৰ বাবে উদাৰ ব্যক্তি সকলক, অধিবেশনৰ স্মৃতি গ্ৰন্থ প্ৰকাশৰ বাবে বিশেষভাৱে আৰ্থিক সাহাৰ্য প্ৰদান কৰা সমাজকৰ্মী প্ৰয়াত বলীন কুলিৰ পত্নী শ্ৰীযুতা সাবিত্ৰী কুলি আৰু পুত্ৰ-কন্যা, বিভিন্ন দিহা পৰামৰ্শৰ লগতে আৰ্থিক সাহাৰ্য আগবঢ়োৱা মিচিং স্বায়ত্ত শাসিত পৰিষদ, যি সকল অনুষ্ঠান প্ৰতিষ্ঠানৰ ব্যক্তিয়ে আৰ্থিক বৰঙনি আগবঢ়াই অধিবেশনৰ আৰ্থিক সংকট জোৰা মৰাৰ ক্ষেত্ৰত সহায় কৰিলে, সেই সকলোলৈকে আমি আমাৰ শ্ৰদ্ধামিশ্ৰিত কৃতজ্ঞতা জনালো। তদুপৰি যোৰহাট জিলা প্ৰশাসন আৰু জিলাখনৰ বিভিন্ন জাতি-ধৰ্ম, বৰ্ণ-গোষ্ঠী নিবিশেষে দলে বলে যোগদান কৰি অধিবেশন খনি সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সকলোলৈকে অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

অভ্যৰ্থনা সমিতি

**Mg.Paramananda Chayengia**
President,
Mising Ba:ne Kebang.
Chairman,
Mising Autonomous Council
Cell: 9854037538
E-mail ID: paramachavengia@gmail.com

Ménggésunam Nebing,

Mising Ba:né Kéba: fying aum kolang angngoné Mirum Kéba:dé Jurhat jila ara:lo, Bahphola amo:lok Po:sum Mo:ying Pe:gu Lottado ba:likpé émna ru:sektung. Édé Mirum keba:dém mépa:ya:rtinam légangé A:né Billam émnam mé:pa potinko la:lenyé émnamdé ai:ru:pé mé:po:pénamé.

Mising réngamsok ngasod ngayod kídí:dém mopusunam légangé mising réngamlok takamé relekpé lékorém korpa:yé. Ayirsok lédilo ijo-ilabla gimin-la:minmilopag ngoluk mengkampé mising réngamsém kingginé réngampé badmola:ye,

Inamé, airu pé mé:dirpénam agomé, kébang inam légangé silig-siya:danna nérkékpé ager gerné midumé pí ramdung. Aiyé lagliksuma:pé ammém lulig-lu:ané taniye abaya:dung. Mé:miyem, mising réngamsé sé mo:di amo:so turjola:yelang émna:sin leko leko méngkandak! Appingé o:ripe mengkilai.

Bahphola Mirum Kéba:dé mé:patí:yarpénam keba:pé itoka émna ngo a:pí ara:sokki mé:ligge:la ru:né-pí:némé kumpa:lígdung. Appingém asin asengko segligdung.

Longki: 11/03/2014. Sa aipai

(POROMANONDO SAYENGIA)
Kébang Abu, Mising Ba:né Kebang

# Nébingké lupénam

Réngam ager gernamdém bottéya:né ageré kamang. Rengam agerém atéré gerra:mang.Odo ajoném jonsupa:yé. Réngam ngasodém sido réngam ager émtung.Édé ngasod kidi:dé takamlok ngasodé. Atékpélang lékopé ainé réngam ager gerra mo:píso amin lénman léga:pé taniyé se:ko gerbanla:yeji,se:ko gerpitpo:yeji émna dukka:minsudung.Ngoluk attiya:n ngasod kidi:dok ako annyiko sémbulum sutkanna: do. Édébulu ko:kang porinam, poyirnam ager, agom dírbi,dungko- dakko,pu:mi asirago ko:nam,okum danggod daggod,dogod tinggod,kinma:pé mé:tinsunam (ondha biswash), dodgang punam odokké atí atí ilod gilod kidi:dé. Édémbulu atéré gerpidla:ma:nam ngasodé. Édémbulum réngamlokké lomdanna la:pagla:mang. Sémbulum réngam ara:lokkém la:pakpé kinné- pa:ne odokké sí:sang opeyé gilenpa:yé, appingé gipumsula ru:supa:yé.Gibadné ope:lokké édé ngasod kidi:dok léga:pé kíngginé mibangé du:pomdung.Ngoluk mé:tinsunam kinggíné odokké abiya:né kéba:dé Ba:né Kéba:sé.Ba:né kébang ba:lendokké bulusuapé ainé réngam agerém gertila gidung.Emdaggom gerpenam agré supaksin bojeko du:da. Odok léga:pé Mising réngamé kéba:sém asinang ola aine milígém ki:ni kéba:lo:pé mélíkpé lagidag. Tolignam milig kidingé lékola réngam ngasod kidi:dém balenna gerpo:pénam ngasod agerém gerpa:yé.Su:pakpésin ngolukké aipé bottapé porinéla: migom ager gerné midumé pi:ramdung.Odok légangé Mising ommangé porinam odokke poyirnam agerém Mising

do:lung iskul kidido aipé gerpé lagidung.Sukké longésok Mising do:lung ommangé porinam odokke poyirnamé aima:pé inamém ka:pa:dung.Abayang ané abu porikinmang.Odokki bulu porinam lega:pé aipé méngkimmang. Édém anpa:la poyirné ope:lok akke bulum yaddung.Digla poyirné ayyopé kamang. Poyirne opeyé akke gidido gimang,akke gikankuma:dapé iskullém mége:la gidakku. Poyirli:ma:n kidi:dé traibel ommangé porikinmang,okumlo ané abbo ka:sí mosí:mang émna lugé:dung. Édésin arro,émdaggom aya:la poyirmilo ngoluk ommangésin porikima:pé imang. Aiké Mising poyirne kidingé se:ko édiko aipé poyirnam agerém gerdu:n?Poyirnam odokké porinam agerdém ka:si:dopé kébang kidingé lékola ru:seggém ru:pé lagiyé. Odokkésin Bising-ginmur po:lo pínyi ara:dok ao ommang ankang bidi ayirdo dodgang,po:rag,gi:di sípí ila poriné ope:lokképé ngasotpé idung. Porinamdém ima:pé dodgang punamdém opan mirém kinma:pé se:ko idiko bottapé pula:yeji émna sumka:minsudung. Odokté:pésin butu o:la tani: domonam,morumola tani: mokenam émna mé:nam ngasod kidi:dé pongkog pongkoglo lenna ko:kangé pésola iskullo gima:dung. Be:j gogla ríbí pagmokolo, tabij momokolo murkongém pitpagdung. Édé ngasod kidi:dé réngam ara: lok atéro: la:pagla:ma:nam aima:n bottan ngosodé. Édébulum la:pakpé Ba: ne kébangé daggésula Misi:lok takam kébangém jonsula kapé imilo aiyeji ru:supé lagidag. Appingé porila kinsuma: takamém édémpiné ngosod kidí: dé réngam ara:lokké yogma:yé.

Mé:pa: potin la:lenné ope:sok kébang abu odokké Mising Agom Kéba:lok po:péké kibang abu oi Bhimlal Dole:bi kébang ager gerra du:dag pongkogdo sipagla bik gerténg agré dupakkang Bik gerténg agerém gerbomkunam légangé abu kungke:dém anguru:pé léngge:la ngo furyir operyém kétinsula potinsém la:lennam agerém gerpitto.

Bahphola mo:tag kekon kesakpé leke lokkebo Bornoi a:nélang abung bannyi baumko bitpattila dungai. Odok akedém gétumla assé pínkang.Édé a:né kídí:dokki tolo bolopé lekkem ollungki giyigisa:dungai odokké ongo ising pa:dungai. Édé lekeké agom kidi:dém mé:pa:la Borig kébangé mé:pa: potinsok aminém "A;né Billam" émtag. Mé:pa potinsém la:lendodo potin la:lenné ope: odokké kinné pa:né takamlok asin ayangkola: luyirko pa:dungai. Odok léga:pé buluk takamlo:pé asin asé:dung. Yumé longé kinma:pé kene:pé ager gerbiné Rituraj printer lok ru:tum odokke gerjon takamlo:pésin asin mé:poko toligdung.

Adnam binam takamém potinso liga:la:ma: la adné kidingém umpa sudung. Mé:pa: potinso adman agomkidí:dé adné kidí:dok aiké agomélang aiké malenna Cangkumsunam attaré. Édé adman kidi:dok léga:pé o:kai lukerka:minsunamko odokké ati ngasotko lenilo édém potin la:lenné opeyé togésuma:ye. Potinsém la:lendodo ngoluk kinma:pé du:pagné admur adyar germur geryar léga:pésin appingém mé:yinsulangka émna kumpa:dung.Sa édébong. Barné kébang irroi, Mising réngam írroi.

Carung - সূচীপত্ৰ

-

# অসমীয়া প্ৰবন্ধ

পৰিবৰ্তিত সমাজ ব্যৱস্থাত মিচিং জনগোষ্ঠী এটি পৰ্যালোচনা / ভীমলাল দলে ১
স্বায়ত্তশাসনৰ নামত প্ৰৱঞ্চনাহে নেকি / ড° বসন্ত কুমাৰ দলে ৪
মিচিং বাঃনৗ কৗবাং ঃ এক ঐতিহাসিক পটভূমি / ডাঃ জৱাহৰ জ্যোতি কুলি ৬
"মোৰ প্ৰিয়ত্বম স্বামী প্ৰয়াত বলীন চন্দ্ৰ কুলিৰ সোঁৱৰণত/ সাবিত্ৰী কুলি (পত্নী) ১৫
অসমী আই & মনিকংকনা পেগু ১৬
মিচিং নাৰীৰ ঐতিহ্য আৰু বৈশিষ্ট্য / ইছমাইল হোছেইন ১৭
মিচিং সমাজত নাৰী শিক্ষাৰ অতীত আৰু বৰ্তমান/ শাবন্তী পেগু ২১
দঃলুং কীবাং আৰু ইয়াৰ কাৰ্যাৱলী/ পৱিত্ৰ কুমাৰ পেগু ২৪
কাৰগিল /মনালিছা পেগু ২৬
জনজাতি সমাজৰ অন্ধবিশ্বাস আৰু ডাইনী প্ৰথা/ নৃপেন দেউৰী ২৭
মিচিং সমাজ আৰু সংস্কৃতি /খগেন পেগু ৩০
অসমৰ গোষ্ঠীদ্বন্দ্ব আৰু বিছিন্নতাবাদ / বিজু বৰি ৩৬
যন্ত্ৰণা/ অৰবিন্দ পেও ৩৮
৯০ বছৰত মিচিং বাঃনৗ কৗবাং / দীপক কুমাৰ দলে ৩৯
দবুৰ পূজা / বলীন চন্দ্ৰ কুলি ৪৩
মিচিং সকলৰ শৱদাহ পদ্ধতি, মৃত্যু আৰু পৰলোক সম্পৰ্কে ধাৰণা এক চমু আলোকপাত /কালিনাথ পাংগিং ৪৭
মিচিং আৰু নেপালী জন গোষ্ঠীৰ সমন্বয়/ কৃষ্ণবাহাদুৰ ছেত্ৰী ৫৪
জ্যোতিপ্ৰসাদৰ জয়মতী প্ৰথম ভাৰতীয় ৰাজনৈতিক ছবি/ ড° জয়ন্ত মাধৱ দত্ত ৫৭
মিচিং সমাজৰ প্ৰচলিত আপুৰুগীয়া সম্পদ আৰু আ-অলংকাৰ /মানিক চন্দ্ৰ দাৱ ৬০
'মিবু'-মিচিং ধৰ্ম্ম আৰু লোক-বিশ্বাসৰ অবিচ্ছেদ্য অংগ /ৰাতুল বৰা ৬৫
বাঁহফলা বাকৰিত বাঃনৗ কৗবাং ৰ এভূমুকি/ দিলীপ পেগু ৬৭
বিৱৰ্ত্তনৰ পথত মিচিং সভ্যতা-সমাজ আৰু মিচিং সায়ত্ব শাসিত পৰিষদ (এম.এ.চি) / দেবেন্দ্ৰ নাথ দলে ৭০
মিচিং ভাষা সাহিত্যত ওমলা গীতৰ (কঃনিনাম) ৰেঙনি / মিনতি পেগু (দলে) ৭২
"গণতান্ত্ৰিক দেশত ছাত্ৰ-ছাত্ৰী আৰু ৰাজনীতি" / বীৰেন দলে ৭৪
নগৰীয়া মিচিং সমাজ আৰু সংস্কৃতি/ মনোজ কুমাৰ মিলি ৭৭
অন্ধবিশ্বাস, বিশ্বাস আৰু বিজ্ঞান/ জ্যোতি প্ৰসাদ কামান ৮০
মিচিং সমাজত বহাগ বিহু / ইন্দিৰা পাৱ গগৈ ৮৩
মিচিং সমাজ আৰু সংস্কৃতিক উজ্বলাই ৰাখিব বিচৰা এজন ব্যক্তি প্ৰয়াত ভীমলাল দলে (দেউতা) ৰ সোৱৰণত / ৰঙিলী দলে পেও ৮৫

প্ৰকৃতিপ্ৰেমৰ অনন্য নিদৰ্শন 'ভাৰতৰ অৰণ্য মানৱ' যাদৱ পায়েং/ ক্ষীৰধৰ বৰুৱা ৮৮
অনুসূচিত জনজাতি ঃ প্ৰাপ্যৰ সন্ধানত ভূমিসন্তান &/ দেবব্ৰত শৰ্মা ৯২
সুখ-দুখ আৰু অনুভৱৰ কিছু কথাৰে &/ দীপক কুমাৰ পেগু ১০৪
মিচিং সংস্কৃতিৰ গতিধাৰা /সুৰুজ কুমাৰ পাতিৰি ১০৭
মিচিং জনগোষ্ঠীৰ পৰম্পৰা সাজপাৰ আৰু লোকবাদ্যৰ ডুখৰীয়া ছবি &/ মিগাং বিৰিঞ্চি পেগু ১১১
"কনেঙৰ চিন্তা"/ জয়ন্তী বালা বৰা (সঃশিঃ) ১১৬
MOMAN NI: TOM/ Kesob Pait ১১৭
তোমাক বিচাৰে মনে/ কৰিশ্মা পেগু ১১৯
"মিছিং সমাজত নাৰীৰ স্থান" & বিজয়া দলে ১২০
মিচিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যলৈ শদিয়াৰ মুকলি চিঠি বিষয় : স্বায়ত্ত পৰিষদ সন্দৰ্ভত এক নতুন চিন্তাধাৰা &/ হিৰণ্য কুমাৰ টায়ে ১২২
মিচিং জনজাতিৰ চমু ইতিবৃত্ত / বাচাৰাম দলে ১২৪
ডাৰেয়ী &/ জ্যোতি প্ৰসাদ পেগু ১২৯
মিচিং বাঃনৗ কৌবাং ইতিহাস আৰু কুলাজান বাঃনৗ কৌবাং ৰ ৰেঙণি/ ৰূপনাথ পেগু ১৩০
মাতৃভাষাৰ যোগেদি বিজ্ঞান শিক্ষা/ বিষ্ণু পেগু ১৩৫
'দক্ৰিপ'ল' মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাৰ ইতিহাস / দেহিৰাম পেগু ১৩৬
মিচিঙৰ প্ৰয়াত বৰেণ্য ব্যক্তিৰ ব্যক্তিত্বত এভুমুকি/ দেৱীচৰণ ৰেগন ১৩৮
বাঁহফলা গাঁৱৰ নামৰ উৎপত্তি আৰু মঃ য়িং সেও / মনোজ পেগু ১৪০

## অসমীয়া কবিতা শিতান -

অতিথি &/ জীৱন নহৰ ১৪১
কবিতা এটা কাহিনী/ বিমান কুমাৰ দলে ১৪২
যাত্ৰাৰ শেষ স্তৰত / মনোজ কমাৰ পাঠৰি ১৪২
অনিশ্চিত/ নিপা মৰাং লইং ১৪৩
টালি / গান্ধীৰাম বৰি ১৪৩
সপোন &/ নিপন লইং ১৪৪
ভাল লাগে মোৰ/ মিগাং হিৰণ্য কুমাৰ টায়ে ১৪৪
বাহফলা &/ মামনি বৰা ১৪৫
বাহফলা/ মীনাৰাণী ঘোষ ১৪৫
প্ৰাঞ্জল সাতোলাৰ সোঁৱৰণত/ মামনী মিলি ১৪৬
- তোমাৰ মৰম ও প্ৰেৰনাৰে" &/ ৰঞ্জিতা পেগু দলে১৪৬
আই / ডা : মনোমোহন গগৈ ১৪৭
স্বাগতম বাঃনৗ কৌবাং/ মালবীকা পেগু মিলি। ১৪৮

## – মিচিং প্ৰবন্ধ শিতান

Miglunémpé Kéné Asin / Mg. Tulesor Pegu ১৪৯
KA PO KANGANÉ NGOLUK DO:LUNGÉ/ Diptirani Pe:gu, Doley ১৫১

Nyi:mang /  Rupkonwar Mili ১৫২
Mising agom éla dírbi-dirlamé Réngam ara:lo kapé idu:n? /Jawaharlal Mili ১৫৪
Aro Kusere:/ Tamalai Sudbong ১৫৬
Lí:né Lé:tom Bhobo Dole: ১৫৮
Po:raglok ager Ajon /Nilesor Pe:gu ১৬১
Asinang Onamsém Joya Dole:১৬২
MISING BA:NÉ KÉBANG Mg. Bongsi Daw ১৬৩

## — মিচিং কবিতাৰ শৰাই

Ngo Misingém Tagla-Ngunna Ngunbeg Kupéma:yé?/ Triranjan Taíd ১৬৭
Me:yam  Tamoli/ Swarnalata Yeain ১৬৮
Mé:ya:nam Tamoli Swarnalata Yein Kébangko Bato & M. K. Mili ১৬৯
Lambé Gonesh Gonji Pe:gu ১৭০
JÉ:YIT PO:PID... &/ MG. TANI TAKAR PE GU ১৭১
Mé:jíg & Horen Dole: ১৭২
Si:sangN.L. Pe:gu ১৭৩
Ménggésunam Ginmur Po:lo No & Kolpona Dole: ১৭৪
Sirki Na:né 18 Disembor, 2013 Dipok Kr. Dole: ১৭৫
Ni:tom Atin Dole: ১৭৬
No Idé Mo:dí:sog kapé aokan Subash Doley ১৭৭
GINMUR PO:LO Premolota Daw ১৭৮
Ni:tom Sonaton Gowala ১৭৯
Ka:ma:nam ika:bong Pranjal Pe:gu ১৮০

## - English Section-

CULTURAL HISTORY OF THE RIVERINE MISHINGS AND THE MIGHTY TAI-AHOMS: THEN AND NOW A- COMPARATIVE STUDY ১৮১
THE MISHING FOLK CULTURE AND ITS RELEVANCE IN TOURISM Pronab Pathori ১৮৮
Swahid Kamala Miri - A Freedom Fighter of India Freedom Struggle Chittaranjan Doley ১৯৭
Mising women in Kébangs in addition to domestic works /Kamaleswar Pegoo ২০০
Rediscovery of the Mising Traditional and Cultural Values /Rev. Fr.Khagen Doley ২০৩
You are capable of doing /Mousum Pegu ২০৭
BREIF REPORT ON ASSAM COMMUNITY SEMINAR ২০৮
About two Friends / Digbijay Kaman ২১১
যোৰহাটৰ এটি স্মৃতি-ৰোমন্থন &/ পদ্মলাল পাতিৰি ২১৫
চমুকৈ আমাৰ গাওঁখন লক্ষ্মীনাথ টায়ে অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদকৰ প্ৰতিনেদন ২১৮

# অসমীয়া প্ৰবন্ধ

# পৰিবৰ্তিত সমাজ ব্যৱস্থাত মিচিং জনগোষ্ঠী এটি পৰ্য্যালোচনা

& ভীমলাল দলে
যোৰহাট

প্ৰকৃতিৰ ৰম্য ভূমি অপৰূপা সৌন্দৰ্যৰে ভৰা এই অসম ভূমি। নানা জাতি উপজাতিৰ সংমিশ্ৰণৰ বাসভূমি। অসমৰ বিভিন্ন জনগোষ্ঠীৰ ভিতৰত মিচিংসকল অন্যতম। তেওঁলোকৰ স্বকীয় বৈশিষ্ট্যৰে ভৰা কৃষ্টি-সংস্কৃতি আছে। অতীজৰ পৰাই অসমীয়া জাতীয় জীৱনৰ লগত একাত্ম বোধ, আবেগ-অনুভূতি আৰু ঐক্য সম্প্ৰীতিৰে বসবাস কৰি আহিছে। অসমৰ প্ৰতিটো জনগোষ্ঠীৰে নিজৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক সচেতনতা জাগি উঠিছে। সেই সচেতনতাই পৰিবৰ্তন হোৱাত সহায় কৰিছে সমাজ জীৱন ।

বৰ্তমান বিজ্ঞানৰ সহায়ত একেকীকৰণ সংস্কৃতি গা কৰি উঠিছে। কম বেছি পৰিমানে হ'লেও পৃথিবীৰ সকলো দেশতেই সামাজিক আৰু অৰ্থনৈতিক দিশত পৰিবৰ্তন হোৱাটো স্বাভাৱিক কাৰণ হৈ পৰিছে। পৰিবৰ্তিত সমাজ ব্যৱস্থাত পৰ্বত-ভৈয়ামৰ সমন্বয় ৰক্ষাকাৰী মিচিংসকল কেনেকৈ বিবৰ্তনৰ পথত অগ্ৰসৰ হৈছে এই সম্পৰ্কে পৰ্যালোচনা কৰি চোৱাৰ প্ৰয়োজন। কিন্তু তাৰ আগতে তেওঁলোকৰ পুৰণি ইতিহাস জানি লোৱাটো বৰ আৱশ্যক। ইতিহাসে গৰকা অসমৰ অতীত আৰু বৰ্তমান ফহিয়াই চাব লাগিব। সঠিক তথ্য ভিত্তি অভাৱ হ'লেও তেওঁলোকৰ কিংবদন্তি, শংকৰীযুগৰ সাহিত্য, আহোম বুৰঞ্জী আৰু ইংৰাজৰ বুৰঞ্জী সাহিত্য সমূহৰ পৰা কিছু আভাস পাব পাৰি।

তেৰ শতিকাৰ অগাপিছাকৈ আবৰ (আদী), পাহাৰৰ চিয়াং উপত্যকাৰ পৰা কেতবোৰ মিচিং ফৈদ নামি আহি শদিয়াৰ উত্তৰে থকা ৰয়িং পাহাৰৰ পাদভূমিত বসবাস কৰিছিল বুলি বিভিন্ন সূত্ৰৰ পৰা ঠাৱৰ কৰা হৈছে। প্ৰায় একে সময়তে চুতীয়াসকলেও শদিয়াত ৰাজত্ব কৰিছিল বুলি গ্ৰেইটৰ “A History of Assam” বুৰঞ্জীত উল্লেখ আছে। পিছে, চুকাফাৰ বংশধৰ স্বৰ্গদেউ চুহুংমুং দিহিঙীয়া ৰজাই ১৫২৩ খ্ৰীষ্টাব্দত শদিয়া দখল কৰাৰ পিছৰে পৰাহে মিচিংসকল বা ভৈয়ামৰ মিৰিসকল আহোমসকলৰ সম্পৰ্কলৈ  আহে আৰু আহোম বুৰঞ্জীত ঠাই পায়। তেওঁলোকক বুৰঞ্জীত শদিয়াল মিৰি বুলি জনা যায়। চুতীয়া ৰাজ্যৰ বাসিন্দা হিচাপে চুতীয়া মিৰি বুলিও উল্লেখ কৰা আছে। প্ৰায় এশ বছৰৰ পিছত স্বৰ্গদেউ প্ৰতাপ সিংহই (১৬০৩-১৬৪১ খ্ৰীষ্টাব্দ) পৰ্বতীয়া মানুহ বিলাকৰ পৰা আক্ৰমন ৰোধ কৰিবৰ বাবে মিচিংসকলক পাহাৰ আৰু ভৈয়ামৰ সীমান্তত দুৱৰী বা কটকী অথবা মধ্যস্থতাকাৰী বা দুভাষী হিচাপে নিয়োগ কৰিছিল। ড° লক্ষী দেৱীৰ “আহোম ট্ৰাইবেল ৰিলেশ্বচন”ত উল্লেখ আছে। ১৬৭১ খ্ৰীষ্টাব্দত বিখ্যাত শৰাইঘাটৰ যুদ্ধত মিৰি সন্দিকৈ বা মিৰি বৰুৱাৰ নেতৃত্বত মিচিংসকলক ধেনুকাৰী সৈন্য হিচাপে মোগলৰ লগত যুদ্ধ কৰাৰ নজিৰ আছে।

পঞ্চদশ শতিকাৰ “অমুল্য ৰত্ন” নামৰ গ্ৰন্থত শংকৰদেৱৰ শিষ্য সৰ্ম্পকে এনেদৰে বৰ্ণনা কৰা আছে

“পৰমানন্দ মিৰি কুলে জন্মিলন্ত

জয়ৰাম ভেটিকুলত ভৈলন্ত”

অৰ্থাৎ মিৰি কুলত জন্মলাভ কৰা পৰমানন্দ আতৈক বৈষ্ণৱ ধৰ্মত দীক্ষিত কৰা হৈছিল (১৪৪৯ - ১৫৬৯ খ্ৰীষ্টাব্দ)। মিচিংসকলৰ দেওধাই গীত (মিবু আবাং) সমূহতো অতীতৰ বাসস্থানৰ কথা উল্লেখ কৰিছে। মিচিংলোকে নিজকে স্বৰ্গৰ পৰা অৰ্থাৎ ৰেগু ৰেগাম ঠাইৰ পৰা সোণ-ৰূপ জখলাৰে নামি অহা বুলি মন্তব্য কৰে যদিও সমসাময়িক বুৰঞ্জী নিমাত । অন্যতম ভাষাতত্ববিদ ড° সুনীতি কুমাৰ চেট্ৰাজীৰ “কিৰাত জনকীৰ্তি” নামৰ পুথিত ভাষাতাত্বিক দিশৰ পৰা পৰ্যালোচনা কৰি মঙ্গোলীয় গোষ্ঠীৰ তিৰ্ব্বত-বৰ্মী ভাষাৰ “উত্তৰ অসম শাখা”ৰ ভাষাৰ পৰিয়ালত মিচিংসকলক অন্তৰ্ভূক্ত কৰিছে।

আহোমৰ ৬০০ বছৰীয়া ৰাজত্বকালত মিচিংসকলে অসমৰ ভৈয়াম অঞ্চলত উৰ্বৰা মাটি বিচাৰি বিশেষকৈ নদ-

নদী, উপ-নদীৰ দুয়োপাৰে বসতি বিস্তাৰ কৰি অন্যান্য জাতিৰ লগত সামাজিক সম্পৰ্ক ৰাখি বসবাস কৰে। বৰ্তমান অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, শোণিতপুৰ, লক্ষীমপুৰ জিলাৰ উপৰিও অৰুণাচল প্ৰদেশৰ কিছু ঠাইত বসবাস কৰি আছে।

এতিয়া মূল বিষয়টোলৈ আহিছো । প্ৰশ্ন হয় মানুহৰ সমাজ জীৱন কেনেকৈ পৰিৱৰ্তন হয় ? উত্তৰত এনেকৈ ক'ব পাৰি যে মানুহৰ সমাজ জীৱন মানুহেই পৰিৱৰ্তন কৰি ল'ব পাৰে। মানুহৰ সমাজ জীৱন পৰিৱৰ্তনশীল। সমাজৰ বিভিন্ন দিশৰ পৰিবৰ্তনকে সামাজিক পৰিবৰ্তন বোলে। মানুহৰ সামাজিক পৰিবৰ্তন হ'বলৈ কেইটামান দিশ মন কৰিবলগীয়া ।

(১) মানুহৰ চিন্তাধাৰা, মূল্যবোধ আৰু বিশ্বাসৰ পৰিবৰ্তন হ'ব লাগিব। (২) মানুহে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সহায়েৰে অৰ্থনৈতিক প্ৰগতি, জীৱন-যাপনৰ পদ্ধতি, আচাৰ- ব্যৱহাৰ আদি পৰিবৰ্তন কৰি ল'ব পাৰে। (৩) যোগাযোগ আৰু যাতায়তৰ সা-সুবিধাই মানুহৰ সংস্কৃতিৰ জীৱন সলনি কৰিব পাৰে ।

মিচিং জনগোষ্ঠীৰ বিৱৰ্তন বা পৰিবৰ্তনকো একে আধাৰতে আলোচনা কৰিব পাৰি। মানুহৰ জীৱন, প্ৰাকৃতিক পৰিবেশ আৰু ভৌগলিক অৱস্থাই বহু পৰিমানে নিৰ্ভৰ কৰে । মিচিংসকলে পাহাৰত থাকোতে তেওঁলোকে ঝুমখেতি কৰি জীৱন নিৰ্বাহ কৰিছিল। সঘনাই খেতিৰ মাটি সলনি কৰি জটিল সমস্যাৰ সন্মুখীন হৈছিল। গতিকে উৰ্বৰা মাটিৰ অনুসন্ধানত তেওঁলোকে ভৈয়ামলৈ প্ৰবজন হৈছে। পূৰ্বৰ কৃষি পদ্ধতি সলনি কৰি ভৈয়ামত ধানখেতি কৰিবলৈ যত্নপৰ হয় । এইদৰে বছৰৰ পাছত বছৰ ধৰি খাদ্যৰ অভাৱ পুৰ হ'ল আৰু নন বিষয়ত প্ৰৱণতা বাঢ়িল। বিজ্ঞানৰ অৱদান মাটি চহাবলৈ টেক্টৰ, পাৱাৰ টিলাৰ, পানী যোগান ধৰিবলৈ পাৱাৰ পাম্প, উন্নত জাতৰ ধানৰ বীজ, ৰসায়নিক সাৰ, কীট-নাশক ঔষধ আদি ব্যৱহাৰ কৰি যথেষ্ট স্বাৱলম্বী হ'বলৈ শিকিলে। পেটৰ ভোকৰ যান্ত্ৰনাই যেতিয়া কিছু সকাহ পালে তেতিয়াই জ্ঞান- বিজ্ঞানৰ চিন্তাচৰ্চাৰ দিশত অগ্ৰসৰ হ'ল। এনেধৰনে তেওঁলোকৰ জীৱন পদ্ধতি সলনি কৰি উন্নত সমাজৰ দৰে আত্মনিৰ্ভৰশীল হৈছে।

বিভিন্ন সমাজ তথা জাতিৰ সংমিশ্ৰন আৰু সম্বন্বয়ৰ ফলত সামাজিক জীৱন পৰিবৰ্তন হয়। কোনো এখন সমাজৰ সামাজিক ব্যৱস্থাত তাৰ ওচৰ চুবুৰীয়াৰ সংস্কৃতিৰ পৰিবেশৰ প্ৰভাৱৰ পৰা মুক্ত নহয়। অতীতৰ বিভিন্ন সময়ত চুতীয়া, আহোম, মান আৰু ব্ৰিট্ৰিছৰ লগত সংঘৰ্ষৰ জৰিয়তে সম্বন্বয় গঢ়ি উঠাত মিচিংসকলৰ সমাজ ব্যৱস্থাত বিশেষ পৰিবৰ্তন ঘটিছে। মানৰ আক্ৰমনৰ সময়ত বহুতো অনামিচিং আৰু মিচিংসংমিশ্ৰন হোৱাৰ ফল স্বৰূপে মিচিং সমাজত বিভিন্ন খেল বা গোত্ৰৰ উৎপত্তি হয়। মিচিংসকলৰ জাতীয় জনজীৱনৰ লোকসংস্কৃতিলৈ চালে অনেক বিচিত্ৰতা পৰিলক্ষিত হয়। জনজীৱনৰ অভিন্ন তথা একাত্মাবোধেৰে আবেগিক ঐক্যৰ নেদেখা এনাজৰীৰ বান্ধোনেৰে বান্ধি ৰখাৰ অন্যতম উপাদন হৈছে পৰস্পৰৰ মাজত সংস্কৃতিৰ বিনিময়। তাহানিৰ আহোম ৰজাৰ পৃষ্ঠপোষকতাত ৰংপুৰৰ ৰংঘৰ বাকৰিত “সাত বিহুৰ মেলা” উল্লেখযোগ্য। সেই জাতীয় সাত বিহুৰ মেলাত মিৰি বিহু বা মিচিং বিহুনাচ বৰ জনপ্ৰিয় আছিল। মিচিংসকলক অধিকভাৱে প্ৰভান্বিত কৰা সংস্কৃতিটো হৈছে অসমীয়া জাতীয় উৎসৱ বিহু। অসমীয়া জাতিৰ তিনিটা বিহু পালন কৰি থলুৱা আচাৰ- অনুষ্ঠানবোৰ গ্ৰহণ কৰি অসমীয়া হুচৰী গাবলৈও শিকিলে। আজিও মিচিংৰ গীত-মাত, ঢোলৰ চেও আৰু মিচিং ডেকা- গাভৰুৰ নাচত সুকীয়া বৈশিষ্ট্য বিৰাজমান। মিচিং বিহুনাচ বুলি ক'লে বোধহয় কোনেও বেয়া নাপায়। বিংশ শতিকাৰ দুই দশকৰ পৰাই মিচিংসকলে ঐনিতম, আধুনিক গীত-মাত ৰচনা কৰি লগতে আধুনিক বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰি আকাশবাণী গুৱাহাটী-ডিব্ৰুগড় অনাতাৰ কেন্দ্ৰৰ যোগেদি গীত-মাত প্ৰচাৰ কৰি শ্ৰোতাৰ মন আকৰ্ষন কৰিব পৰা হৈছে। মিচিং সমাজৰ উৎসৱ ‘আলি আয়ে লৃগাং', ‘পৰাগ’ বা নৰাচিগা বিহু আদি প্ৰধান। মিচিংসকলৰ মাজত ঐনিতমৰ জৰিয়তে “গোমৰাগ” নৃত্যৰ প্ৰদৰ্শন কৰে। ঐনিতমৰ ছন্দ, লয় আৰু এক সুৰীয়া মাতে মানুহৰ মন আপ্লুত কৰে।

মিচিংসকলৰ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল সাজপাৰ। গাদো বা মিৰিজিম তেওঁলোকৰ হস্তশিল্পৰ উৎকৃষ্ট নিদৰ্শন। পুৰনি ‘গাপা’ নামৰ মেখেলা আজিকালি কোনেও নিপিন্ধে। তাৰ ঠাইত ‘মচানাম এগে' (ফুলাম মেখেলা) আৰু ৰিঃ বিগাছ মিচিং জীয়ৰীক শুৱনী কৰি তুলিলে। ইয়াতো তেওঁলোকৰ কাপোৰৰ ৰং আৰু ফুলৰ চানেকী সলনি নহ'ল। পুৰুষৰ বাং মিবুগালোক আৰু গঃনৰ উগন তেওঁলোকৰ উৎসৱ-পাৰ্বনত ব্যৱহাৰ হোৱা দেখা যায়।

স্বকীয় ভাষা সাহিত্যৰ বিকাশে মিচিংজনগোষ্ঠীৰ মানসিক উৎকৰ্ষ সাধন কৰাত সহায় কৰিছে। ভাষাবিহীন কোনো জনগোষ্ঠীয়ে নিজৰ জাতিসত্বাৰ পৰিচয় দিব নোৱাৰে। সাম্প্ৰতিক কালত কথিত মিচিং ভাষাই লিখিত ৰূপত এক মান বিশিষ্ট মান্য ভাষালৈ উন্নীত হৈছে। মিচিং ভাষা সাহিত্য বিকাশৰ ক্ষেত্ৰত মিচিং আগম কৌবাং তথা মিচিং সচেতন ৰাইজৰ উল্লেখযোগ্য ভূমিকা আছে। মিচিং ভাষা সাহিত্য বিকাশে অসমীয়া ভাষা সাহিত্যকো চহকী হোৱাত ইন্ধন যোগাব। ই ধ্ৰুৱ সত্য।

সামজিক পৰিবৰ্তনৰ প্ৰধান আহিলা হ'ল শিক্ষা। শিক্ষা সংস্কৃতিৰ বাহক। পৰম্পৰাগত ভাবধাৰাই যদি সামাজিক বিকাশত বাধাপ্ৰদান হ'লে শিক্ষাইহে মুখ্য ভূমিকা গ্ৰহণ কৰে। পিছপৰা সমাজ এখনৰ অন্ধবিশ্বাস, কুসংস্কাৰ আদি কু-প্ৰথাবোৰ শিক্ষাৰ যোগেদিহে সংস্কাৰ সাধন কৰিব পাৰি। নৈপৰীয়া মিচিংসকলে প্ৰতিকুল অবস্থাতো শিক্ষাক আগবঢ়াই নিছে। ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়তো চৰকাৰৰ উচ্চ পদবীত অধিষ্ঠিত হৈছে। আনকি মিচিং মহিলাসকলেও মহাবিদ্যালয়ৰ অধ্যাপিকা, আৰক্ষী বিষয়া, ডাক্তৰ, ইঞ্জিনিয়াৰ পদবীত অধিষ্ঠিত হৈছে। তেওঁলোকে জাতীয় গৌৰৱ বৃদ্ধি কৰাত অৰিহনা যোগাইছে। মানুহৰ নৈতিক আৰু আধ্যাত্মিক দিশত পৰিবৰ্তন অনাত সহায় কৰে কোনো মহাপুৰুষৰ ধৰ্মই। মিচিংসকলৰ উপাস্য দেৱতা হ'ল "চন্দ্ৰ" আৰু "সূৰ্য্য"। চন্দ্ৰক পিতৃ আৰু সূৰ্য্যক মাতৃ হিচাপে গন্য কৰে। তেওঁলোকে চন্দ্ৰ সূৰ্য্যৰ পৰা সকলো জীৱ-জন্তু কীট-পতঙ্গ সৃষ্টি হৈছে বুলি ধাৰণা কৰি পূজা আৰ্চনা কৰে। আজিৰ শিক্ষিত মিচিংসমাজে অন্যধৰ্মত দীক্ষিত হ'লেও চন্দ্ৰ সূৰ্য্যক সৃষ্টিকৰ্তা হিচাপে উচ্চাৰণ কৰে। পৰৱৰ্তী সময়ত মিচিংসকলে তান্ত্ৰিক পন্থাৰ উপৰিও বৈষ্ণৱ পন্থা গ্ৰহণ কৰিছে। আজি মিচিং গাঁৱে গাঁৱে মাটিৰ নামঘৰ প্ৰতিষ্ঠা হোৱাতো অতি প্ৰাসংগিক হৈছে।

অন্যান্য উন্নত সমাজ ব্যৱস্থাৰ সৈতে মিচিং জনগোষ্ঠীয়ে বহুদুৰ আগুৱাই আহিছে বুলি গৌৰৱ বোধ কৰিলেও কিছু ক্ষেত্ৰত তেওঁলোকে হাবু-ডুবু খাব লগা হৈছে। বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি যোৱাৰ প্ৰৱণতা বাঢ়িছে। কিন্তু বিশ্বায়নৰ যুগত এইখিনি যথেষ্ট হৈছে বুলি ক'ব নোৱাৰি। ইয়াৰ কাৰণ কেইটামান উল্লেখ কৰিলো প্ৰথমতে অৰ্থনৈতিক দিশত মিচিং সমাজ অতি পিছপৰা। নৈৰ পাৰে পাৰে বসবাস কৰা কাৰণে প্ৰতিবছৰে প্ৰাকৃতিক দুৰ্যোগত কষ্ট ভোগকৰিবলগীয়া হয়। একালত লোণ-তেলৰ বাদে একোৰে অভাৱ নাছিল। স্থায়ী মাটিবাৰী আৰু ঘৰদুৱাৰৰ অভাৱত মিচিংসকল বেছিকৈ জুৰুলা । আজি আধুনিক সমাজৰ মানদণ্ড নিৰ্ভৰ কৰে অৰ্থনৈতিক উন্নতিৰ ওপৰত। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সহায়েৰে উন্নত হোৱাৰ সমলবোৰ পাবপৰা সামৰ্থ হোৱা নাই। পিছপৰা শ্ৰেণীক আগবঢ়াই নিয়াত চৰকাৰৰ আঁচনি আছে যদিও এক দালাল শ্ৰেণীয়ে আত্মসাৎ কৰি মিচিংসমাজক শোষিত আৰু প্ৰাপ্যৰ পৰা বঞ্চিত কৰা দেখা যায়।

দ্বিতীয়তে আদিম মিচিংসমাজত কৌবাংৰ (মহাসভা) জৰিয়তে গামে যি পদ্ধতিৰে আইন-শৃঙ্খলা বজাই ৰাখিছিল সেই আইন-কানুন আজিৰ সমাজত অৰ্থহীন হৈছে। আধুনিক সমাজ ব্যৱস্থাত ৰাজনৈতিক কুট-কৌশলৰ প্ৰভাৱত লুটি- বাগৰ খাই মিচিংসমাজ বিপদগ্ৰস্ত হৈ পৰিছে।

তৃতীয়তে মিচিংসকল কৃষিজীৱি মানুহ যদিও কৃষিক উদ্যোগ হিচাপে গঢ়ি তুলিব পৰা নাই। তেওঁলোকে বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে আৰু সেই অৰ্থনৈতিক প্ৰতিযোগিতাত মিচিং সমাজ হাৰ মানিছে। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগিক ক্ষেত্ৰত সমানে আগুৱাব নোৱাৰাৰ বাবে অতীতৰ সুখ-শান্তি আৰু স্বাৱলম্বী জীৱন বিপদগ্ৰস্ত হৈছে। একেখন সমাজত ধনী-দুখীয়া দৰিদ্ৰ শ্ৰেণীৰ সৃষ্টি হৈছে। ৰাজনৈতিক শক্তিয়ে মিচিংসমাজক কিছু সৱল কৰি তুলিব পাৰিব বুলি আশা কৰিব পাৰি। সমতাৰ অধিকাৰ, সমমৰ্যদা আৰু আত্মনিয়ন্ত্ৰণৰ অবিহনে মিচিংসমাজ উন্নতি হোৱাতো কষ্টকৰ হ'ব। সদ্যহতে মিচিং স্বায়ত্বশাসিত পৰিষদ গণতান্ত্ৰিক পদ্ধতিৰে গঠন হৈছে। মিচিং স্বায়ত্ব শাসিত পৰিষদে কিমানদূৰ মিচিংসমাজক আগুৱাই নিব পাৰিব তেওঁলোকৰ কাৰ্যপন্থাই নিৰ্ণয় কৰিব ।

সদৌ শেষত দেখা গ'ল মিচিংসকলে প্ৰকৃতিৰ লগত সংগ্ৰাম কৰি উন্নত সমাজ আৰু সভ্যতাৰ শিখৰত উপনীত হ'বলৈ প্ৰচেষ্টা চলাইছে। বিভিন্ন স্তৰত বিভিন্ন ধৰনে মানৱৰ ক্ৰমবিকাশ হোৱাৰ দৰে মিচিং জনগোষ্ঠীয়েও শ শ বছৰ ধৰি প্ৰতিবেশীৰ লগত ঐক্য সম্প্ৰীতিৰে খোজ মিলাই সামাজিক জীৱন পৰিবৰ্তন হৈ আহিছে। গতিশীল সমাজ ব্যৱস্থাই মিচিংসকলক কিমানদুৰ বিকাশ ঘটাব এইয়া সময়ে ক'ব।

# স্বায়ত্তশাসনৰ নামত প্ৰৱঞ্চনাহে নেকি !

ড° বসন্ত কুমাৰ দলে

অনসূচিত জনজাতীয় লোকসকল অন্য অজনজাতীয় লোকসকলতকৈ আপেক্ষিকভাৱে পিচপৰি থকাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত জনজাতীয় লোকসকলৰ উন্নয়ন সাধনাৰ্থে এক সুকীয়া পৰিকল্পনা আৰম্ভ কৰিলে। তাৰ নাম ৰখা হ'ল 'জনজাতীয় উপ-পৰিকল্পনা' (Tribal Sub- plan) চমুকৈ টি এছ পি । প্ৰতিখন ৰাজ্যৰ জনগাঁথনিৰ ওপৰত ভিত্তি কৰি এই উপ-পৰিকল্পনা ৰূপায়িত কৰাৰ দায়িত্ব ৰাজ্য চৰকাৰৰ হাতত ন্যস্ত কৰা হ'ল। এই উপ-পৰিকল্পনাৰ অধীনত কেন্দ্ৰীয় চৰকাৰে বিশেষ কেন্দ্ৰীয় অৰ্থ সাহায্য (Special Central Assistance) আৰু কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাৰ আঁচনিৰ (Centrally Sponsored Scheme) বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যুটীয়া পুঁজি আবণ্টনৰ ব্যৱস্থা ৰখা হ'ল। অসমত এই ব্যৱস্থাৰ লক্ষ্য হিচাপে কোৱা হৈছে- The main objective of the Tribal Sub-Plan is to emphasise all round development of Scheduled Tribes (Plains) within the shortest possible time. অৰ্থাৎ যিমান দূৰ সম্ভৱ অতিকম সময়ৰ ভিতৰতে ৰাজ্যখনৰ সমতলীয় অনুসূচিত জনজাতীয় লোকসকলৰ সৰ্বাংগীন উন্নয়ন সাধন কৰাটোৱেই এই উপ-পৰিকল্পনাৰ মূল লক্ষ্য। কিন্তু মন কৰিবলগীয়া বিষয় এই যে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত এই উপ-পৰিকল্পনা সাধাৰণ পৰিকল্পনাৰ যোগাত্মক ৰূপত ৰূপায়ন কৰা হৈ আহিছে। সাধাৰণ পৰিকল্পনাৰ সমান্তৰাল ৰূপত ৰূপায়ন কৰা হয়। অন্য ৰাজ্যৰ লক্ষ্য অনুসৰি যিহেতু অনুসূচিত জনজাতীয় লোকসকল অন্য অজনজাতীয় লোকসকলতকৈ পশ্চাৎপদ, সেয়েহে সাধাৰণ পৰিকল্পনাৰ পুঁজিৰে জনজাতি-অজনজাতি সকলোকে সামৰি লোৱা হয় আৰু তাৰ লগত উপ- পৰিকল্পনাৰ পুঁজিৰে জনজাতীয় উন্নয়নৰ আঁচনিসমূহ যোগ দিয়া হয়। কিন্তু অসমৰ বেলিকা সেয়া কৰা নহয়। সাধাৰণ পৰিকল্পনাৰ পুঁজি জনজাতীয় উন্নয়ন আঁচনিত ব্যয় কৰা নহয়, বৰং জনজাতীয় উপ-পৰিকল্পনাৰ পুঁজিহে সাধাৰণ পৰিকল্পনাৰ শিতানত ব্যয় কৰা হয়, যদিও কোৱা আছে - Diversion of TSP fund Non-TSP is not allowed.

অন্য এক মন কৰিবলগীয়া বিষয় এই যে অসমত জনজাতীয় উপ-পৰিকল্পনাৰ পুঁজি নিৰ্ধাৰণ কৰা হয় এক বিশেষ পদ্ধতিৰে। ৰাজ্যখনৰ কাৰণে সাধাৰণ পৰিকল্পনাত যিমান পুঁজি ধাৰ্য কৰা হয় তাৰে অতি বেছি দহ শতাংশ ... জনজাতীয় উপ-পৰিকল্পনাৰ বাবে আছুতীয়াকৈ ৰখা হয়। অৰ্থাৎ জনজাতীয় লোকৰ আঁচনি বা প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি উপ-পৰিকল্পনাৰ পুঁজিৰ পৰিমাণ নিৰ্ধাৰণ কৰা নহয় । বৰং ই ৰাজ্যখনৰ বাবে কিমান পুঁজি ধাৰ্য কৰা হৈছে তাৰ ওপৰতহে নিৰ্ভৰ কৰে। আনহাতে সাধাৰণ পৰিকল্পনাৰ পুঁজি ধাৰ্য কৰা হয় প্ৰয়োজন ভিত্তিক আঁচনিৰ ওপৰত নিৰ্ভৰ কৰি। যিহেতু জনজাতীয় উপ-পৰিকল্পনাৰ পুঁজি কোনো প্ৰয়োজনভিত্তিক পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰি ধাৰ্য কৰা নহয় সেয়েহে পুঁজিসমূহ ভূৱা আঁচনিৰ যোগেদি অপব্যয় আৰু আত্মসাৎ কৰা হয়। দশকৰ পাচত দশক ধৰি এই ব্যৱস্থা চলি আহিছে যদিও কোনো এজন জনজাতীয় বিধায়ক বা মন্ত্ৰীয়ে এই ব্যৱস্থাৰ সলনিৰ দাবী বিধানসভাৰ মজিয়াত উত্থাপন কৰা আজিৰ তাৰিখলৈকে নজিৰ নাই অথবা কোনো জনজাতীয় সংগঠনে এই ব্যৱস্থাৰ সলনিৰ দাবীত আন্দোলন কৰা চকুত পৰা নাই।

এইটো চৰম লজ্জাৰ বিষয় যে জনজাতীয় উপ- পৰিকল্পনাৰ সামান্য পৰিমাণৰ পুঁজিকে ভাগ-বাটোৱাৰা কৰি ৰাভা, মিচিং তিৱা, সোণোৱাল কছাৰী, দেউৰী ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মাজত ৰাজ্য চৰকাৰে কিঞ্চিৎ কিঞ্চিতকৈ বিতৰণ কৰে। স্বায়ত্তশাসনৰ নামত ই এক প্ৰৱঞ্চনাহে মাথোন। স্বায়ত্তশাসন প্ৰৱৰ্তনৰ পূৰ্বে ৰাজ্য চৰকাৰৰ প্ৰশাসন যন্ত্ৰই যিবোৰ আঁচনিৰ নামত পুঁজি আত্মসাৎ কৰিছিল সেই একেখিনি আচনিকে ৰূপায়ন কৰিবলৈ স্বায়ত্তশাসিত পৰিষদ গঠন কৰা হ'ল। অৰ্থাৎ জনজাতীয় উপ-পৰিকল্পনাৰ পুঁজিৰ ওপৰত লোলুপ দৃষ্টি ৰখা চৰকাৰী বিষয়াৰ উপৰি এচাম জনগোষ্ঠীয় মধ্যভোগী তৈয়াৰ কৰা হ'ল যাৰ কাৰণে জনজাতীয় উন্নয়নৰ পৰিবৰ্তে অৱনমিত নিশ্চিত কৰা হ'ল। এই সত্য আজি পৰিষ্কাৰ ৰূপত প্ৰতিষ্ঠিত হ'ব ধৰিছে। এসময়ত জাতি-ভাষা-সংস্কৃতি ৰক্ষাৰ নামত জনগণক হিংসাশ্ৰয়ী পথলৈ আগবঢ়াই নিয়া জনজাতীয় নেতাসকলে দৃষ্টিকটুভাৱে হেতা-ওপৰাকৈ ক্ষমতা লাভ কৰি নিঃসকোচে পুঁজি আত্মসাৎ কৰাত ব্ৰতী হৈ পৰিল। স্বায়ত্তশাসিত পৰিষদসমূহলৈ আবণ্টিত পুঁজি উলিয়াই নিবৰ বাবে দিছপুৰৰ এটা মহলক কোটি কোটি টকাৰ উৎকোচ দিব লাগে। সেই ধন ঠিকাদাৰৰ পৰা সংগ্ৰহ কৰি সংশ্লিষ্ট কৰ্তৃপক্ষই ৰাজধানীৰ অন্দৰ মহলত জমা দিব লাগে। তাৰ বিনিময়ত লাভ কৰা পুঁজিৰ সিংহভাগ ঠিকাদাৰক ভূৱা আঁচনি ৰূপায়ণৰ দ্বাৰা পৰিশোধ কৰি অৱশিষ্ট অংশেৰে সৰুসুৰা অনুদান বিতৰণৰ যোগেদি নিজৰ উদৰ পূৰণ কৰা হয়। অসম চৰকাৰে বিভিন্ন জনগোষ্ঠীৰ নামত স্বায়ত্তশাসিত পৰিষদ গঠন কৰি দি দায় দায়িত্ব সামৰাৰ যি নীতি গ্ৰহণ কৰিছে সি চৰকাৰখনৰ ভাৱমূৰ্তিকেই যে ম্লান কৰি থৈ আছে সেয়া সেয়া নক'লেই হ'ব। স্বায়ত্তশাসন ব্যৱস্তাক গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ পথ হিচাপে সদিচ্ছাৰে ৰূপায়ন কৰাৰ পৰিৱৰ্ত্তে ৰাজ্য চৰকাৰে এচাম লুতুৰা লোকৰ লুণ্ঠনৰ যন্ত্ৰৰূপে গঢ়ি তোলাৰ প্ৰয়াস কৰাহে দেখা গৈছে।

এইদৰে আমি কিমানদূৰ বাছি থাকিম? আজি জাতিৰ প্ৰতি দায়বদ্ধ কৰ্তব্যনিষ্ঠাসম্পন্ন নেতৃত্বৰ অভাৱ সকলো ক্ষেত্ৰতে। ছাত্ৰ আন্দোলনৰ নেতৃত্বৰ পৰা আৰম্ভ কৰি ৰাজনৈতিক, বৌদ্ধিক, শৈক্ষিক সাংস্কৃতিক আদি সকলো দিশতে হঠাকাৰিতাৰ দৌৰাত্ম্য। জাতিৰ নামত, ভাষাৰ নামত, ধৰ্মৰ নামত, কেৱল প্ৰবঞ্চনা আৰু প্ৰতাৰণা। নতুন প্ৰজন্মক সঠিক পথ দেখুৱাব পৰা নেতা আজি অসমত নাই বুলি ক'লেও অত্যুক্তি কৰা নহয়। কোনোৱে সাংস্কৃতিক কৰ্মত নেতৃত্ব দিবলৈ প্ৰয়াস কৰিছে যদিও তেওঁৰ নাই সাংস্কৃতিক মন, কোনোৱে ৰাজনৈতিক ক্ষেত্ৰত নেতৃত্ব দিব বিচাৰিছে কিন্তু তেওঁ অপৰাধী, কোনোৱে প্ৰশাসনীয় দিশত নেতৃত্ব দিছে কিন্তু তেওঁ দুৰ্নীতিকাৰী। এনেবোৰ নেতাৰ পৰা নৱপ্ৰজন্মই কি শিক্ষা ল'ব? আচলতে আমি চেতনাৰ সেই স্তৰলৈ উত্তৰণ কৰিবই পৰা নাই। য'ত জাতীয় সভ্যতা- সংস্কৃতি সুদৃঢ় কৰিবৰ বাবে প্ৰতিজন নাগৰিকে ন্যস্ত দায়িত্ব সামাজিক দায়বদ্ধতাৰে সম্পন্ন কৰে। গতিকে সময় থাকোতেই আমি প্ৰত্যেকে নিজক সুধি চাঁও মই মোৰ জাতিটোলৈ কি বৰঙণি আগবঢ়াইছো?

- পুনঃমুদ্ৰণ।

একোটা মহৎ কামৰ বাবে জীৱনটো উৎসৰ্গা কৰা ।
পৰিবৰ্তনৰ অবিহনে প্ৰগতি অসম্ভৱ।
বয়স নহয়, সামৰ্থ্যইহে জ্ঞান অৰ্জনৰ সীমাৰেখা নিৰ্ধাৰণ কৰে।

# মিচিং বাঃনৗ কৗবাংঃ এক ঐতিহাসিক পটভূমি

**ডাঃ জৱাহৰ জ্যোতি কুলি**

বৃটিছ শাসনৰ সময়ত কিছু সংখ্যক মিচিং যুৱক শিক্ষা-দীক্ষাত আগবাঢ়ি উন্নত সভ্য সমাজৰ বহু আদৰ্শ অনুকৰণ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। পিছপৰা মিচিং সমাজক সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত আগবঢ়াই নিবলৈ তেওঁলোকে এক জাতীয় মঞ্চৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। এই কাম কাৰ্যকৰী কৰিবৰ বাবে এসময়ত তেওঁলোক একগোট হৈ সভা পাতি সদৌ অসম মিৰি সন্মিলনৰ জন্ম দিছিল। সেই শুভদিনটো আছিল ১৯২৪ চন, স্থান উজনি মাজুলীৰ, গেজেৰা গাঁও। উক্ত সন্মিলনত সভাপতিত্ব কৰিছিল তেতিয়াৰ গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামীয়ে। সন্মিলনৰ উদ্যোক্তাসকলৰ ভিতৰত আছিল চাৰু চন্দ্ৰ দলে, মুহিচন্দ্ৰ মিৰি, কাকচন্দ্ৰ দলে, পদ্মধৰ পেগু, বিমলা দলে আদি অগ্ৰণী চিন্তাশীল সমাজসেৱী লোকসকল। নানা ঘাত-প্ৰতিঘাত তথা বাধা-বিঘিনিৰ মাজেদি এই সন্মিলনখনি আগবাঢ়ি আহি সমাজৰ পৰা নিৰক্ষৰতা দূৰীকৰণ, নিজৰ সংস্কৃতি বজাই ৰখা, অৰ্থনৈতিকভাৱে স্বচ্ছলতাৰ বাবে চেষ্টা কৰা, সামাজিক ৰীতি-নীতি মানি শৃংখলাবদ্ধভাৱে জীৱন নিৰ্বাহ কৰা আদি বিষয়বোৰক আগস্থান দি আহিছিল। স্বাধীনতাৰ পিছৰ পৰ্যায়ত ১৯৫৫ চনত সৰ্বসম্মতিক্ৰমে সংগঠনটিৰ নামকৰণ সদৌ মিচিং বাঃনৗ কৗবাং কৰা হয় আৰু এই নামেৰে কীবাংখনি সমাজ সভ্যতাৰ আটাইতকৈ পুৰণি সংগঠন হিচাবে বৰ্তি আছে।

এই বাঃনৗ কৗবাংঙৰ সহযোগ আৰু প্ৰচেষ্টাৰ অংশ হিচাবে ১৯৩৬ চনত মাতমৰাত প্ৰতিষ্ঠাপিত হ'ল সদৌ অসম মিৰি হাইস্কুল যিখন বিদ্যালয় মিচিং ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ এক প্ৰধান কেন্দ্ৰ হৈ পৰিছিল। মিচিং সমাজত শিক্ষাৰ পোহৰ বিলোৱা উচ্চ বিদ্যালয়ৰ ক্ষেত্ৰত এই বিদ্যালয়খনৰ অৱদান অনন্য বুলিয়েই ক'ব পাৰি। তাৰোপৰি বহুতো ছাত্ৰীয়ে এইখন মহাবিদ্যালয়ত শিক্ষা লাভ কৰি সমাজলৈ আদৰ্শ তথা প্ৰেৰণা আগবঢ়াই আহিছে।

বাঃনৗ কৗবাংঙৰ বাৰ্ষিক অধিৱেশনবোৰত কীবাঙে অসম তথা ভাৰত চৰকাৰৰ উচ্চ পদস্থ নেতাক নিমন্ত্ৰণ কৰি আনি মিচিং সমাজৰ বিভিন্ন সমস্যাবোৰ অৱগত কৰাই সেইবোৰৰ সমাধানৰ বাবে সময়ে সময়ে প্ৰস্তাৱ সহকাৰে দাবী জনাই আহিছে। ইয়াৰ ভিতৰত ১৯৫৮ চনত গড়ছিগা অধিৱেশনত তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা, ১৯৫৯ চনৰ মোৱামাৰী অধিৱেশনত ভাৰত চৰকাৰৰ জনজাতি কমিচনাৰ শ্ৰীশ্ৰীকান্ত আদিৰ উপস্থিতি উল্লেখযোগ্য। ১৯৬৬ চনৰ কুলাজান অধিৱেশনখনিয়েই বাঃনৗ কৗবাংঙৰ আজি পৰ্যন্ত অনুষ্ঠিত অধিৱেশনসমূহৰ ভিতৰত সফল আৰু তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত। সেই অধিৱেশনত ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে কীবাঙৰ আমন্ত্ৰণ ৰক্ষা কৰি কুলাজান অধিৱেশন ক্ষেত্ৰ শুৱনি কৰি ভাষণ প্ৰদান কৰিছিল। তেতিয়াৰ প্ৰধানমন্ত্ৰীৰ উপস্থিতিয়ে মিচিং সমাজক ৰাষ্ট্ৰীয় পৰ্যায়ত এক নিত্যৰূপত চিনাকি দিব পাৰিছিল। ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত অসম ৰাজ্যৰ মিচিংসকলো যে এক স্বকীয় কলাকৃষ্টিৰে সমৃদ্ধ এক জনগোষ্ঠী সেয়া প্ৰধান মন্ত্ৰীৰ পদাৰ্পণে বাস্তৱৰূপ দিছিল। পৰৱৰ্তী অধিৱেশনবোৰত মুখ্যমন্ত্ৰী প্ৰমুখ্যে অসমৰ বহুকেইজন মন্ত্ৰীয়ে উপস্থিত থাকি মিচিং ৰাইজৰ অভাৱ অভিযোগ তথা বিভিন্ন আৰ্থ- সামাজিক, সাংস্কৃতিক আদি সমস্যাসমূহ সমাধানত সহায়-সহযোগিতা আগবঢ়াই আহিছে। এইদৰে মিচিং বাঃনৗ কৗবাংঙৰ মিচিং জনগোষ্ঠীক সভ্যতাৰ দিশত আগবঢ়াই নিয়াত সক্ৰিয় তথা বলিষ্ঠ পদক্ষেপ অতীতৰ পৰাই গ্ৰহণ কৰি আহিছে। ১৯২৪ চনৰ পৰা ১৯৯২ চন পৰ্যন্ত এই কীবাঙৰ মুকলি অধিৱেশনৰ তালিকা তলত দিয়া হৈছে। (তথ্য মুগলুং, ১৯৯২, বিহপুৰীয়া)

## সদৌ অসম মিৰি সন্মিলনৰ ১৯৩৯ চনৰ ২০ ডিচেম্বৰত গৃহীত নিয়মাৱলী

সন্মিলনৰ আগকথা : মিৰি সমাজৰ যাতে শিক্ষা বিস্তাৰ হৈ ৰাজনীতি, অৰ্থনীতি আদি সকলো বিষয়তে উন্নতি হ'ব পাৰে আৰু ওচৰ চুবুৰীয়া হিন্দু মুছলমান ভাইসকলৰ লগত সমানে সকলো বিষয়তে উন্নতি হৈ মাতৃ ভূমিৰ সেৱা কৰিবৰ উপযুক্ত হ'ব পাৰে আৰু ইয়াৰ লগে লগে মিৰি সমাজত আজি পুৰুষানুক্ৰমে চলিত কিছুমান কু- বিশ্বাস আৰু কু-ৰীতি-নীতি দূৰ হ'ব পাৰে তাৰ কাৰণে আজি কেইবা বছৰৰ পৰা কিছুমান উদ্যোগী মিৰি ডেকাই মিৰি গাঁৱে-ভূঞে অনেক কষ্ট আৰু অপমান সহ্য কৰি সৰু সুৱাকৈ কেইবাখনো সভা-সমিতি পাতি আহিছে। এই সভা সমিতিবোৰে মিৰি সমাজক বিশেষ উপকাৰ কৰিব নোৱাৰিলেও অন্ততঃ তেওঁলোকৰ অন্তৰত কিছু জাগৰণ আনি দিছে। ইয়াৰ ভিতৰত ১৯২৪ চনত সমাজ সেৱক চাৰু চন্দ্ৰ দলে, বি এ, দেৱৰ নেতৃত্বত এখন উল্লেখযোগ্য সভা গেজেৰা গাঁৱত পতা হয়। সেই সভাত যদিও সভাৰ নিয়ম মতে প্ৰস্তাৱাদি গ্ৰহণ কৰা নাছিল তথাপি গোস্বামী প্ৰভুৰ বক্তৃতাই মিৰি সমাজত এটি নতুন জাগৰণৰ সৃষ্টি কৰিছিল।

১ম অধিৱেশন : ১৯২৭ চনৰ ৭ আৰু ৮ মে'তাৰিখে মি.এ.চি, টলষ্টয়ৰ সভাপতিত্বত নৰ গাম, গম্ভীৰাম দলে, কাকচন্দ্ৰ দলে এম.এল.এ., গুণাৰাম দাং, বাদুৱা পেগু আদি কেইজনমান উদ্যোগী ডেকাৰ উৎসাহত ভেকেলীমুখত সদৌ অসম মিৰি সন্মিলনৰ প্ৰথম অধিৱেশন নাম দি এখন সভা পতা হয়। সমাজসেৱক চাৰু চন্দ্ৰ দলে বি এ দেৱে উক্ত সভাৰ গুৰিয়ালৰ কাম কৰিছিল। সেই সভাত সভাৰ সকলো নিয়ম পালন কৰি প্ৰস্তাৱ আদি গ্ৰহণ
কৰিছিল।

২য় অধিবেশন : ১৯২৮ চনৰ ৯ আৰু ১০ এপ্ৰিলত মাননীয় ৰজনীকান্ত বৰদলৈৰ সভাপতিত্বত প্ৰিয়বৰ মুহিচন্দ্ৰ মিৰি, বি.এচ. ফৰেষ্ট ই এ.ছি. দেৱে গুৰিয়াল হৈ কৰ্জ্জুন পেগু, কাৰ্ক চন্দ্ৰ দলে এম.এল.এ. আদি কেইজনামন মিৰি উদ্যোগী ডেকাৰ সহযোগত দ্বিতীয় অধিৱেশন ডিব্ৰুগড় অঞ্চলৰ নামঘৰীয়া গাঁৱত পতা হয়। সেইজন উদ্যোগী ডেকা কৰ্মী মিৰি দেৱক ২৯/৯/৩৯ তাৰিখে শনিবাৰে পুৱা ৪ বজাত মাত্ৰ ৩৫ বছৰ বয়সত গোলাঘাটত কাল ধুমুহাই অকালতে মিৰি সমাজৰ বুকুৰ পৰা উৰুৱাই লৈ গ'ল।

৩য় অধিবেশন : ১৯৩১ চন ২২ আৰু ২৩ এপ্ৰিলত উত্তৰ লখিমপুৰৰ মহকুমাধিপতি মৌঃ মুহিবুদ্দিন আহমেদৰ সভাপতিত্বত কাৰ্ক চন্দ্ৰ দলে এম.এল.এ. গুণাৰাম দলে, মনধন দলে, দৰ্জিবাম পেগু আদি কেইজনমান মিৰি ডেকাৰ সহযোগত উত্তৰ লখিমপুৰ অঞ্চলৰ জামুগুৰিত তৃতীয় অধিৱেশন পতা হয়। উক্ত সভাৰ সম্পাদকৰ কাম কাৰ্ক চন্দ্ৰ দলে, এম,এল,এ, দেৱে কৰিছিল।

৪ৰ্থ অধিবেশন : ১৯৩৩ চনৰ ২২ আৰু ২৩ অক্টোবৰ দিনা উত্তৰ লখিমপুৰ অঞ্চলৰ তাবুৰ (বৰ্তমান গোগামুখৰ ওচৰত) গাঁৱত মাননীয় সৰ্বেশ্বৰ বৰুৱা, বি.এল. দেৱৰ সভাপতিত্বত ৪ৰ্থ অধিৱেশন পতা হয়। পশুৰাম দলে, মনটান দলে, দামোদৰ পেগু, ফণীধৰ পেগু, মাউলা পেগু, গণেশ চন্দ্ৰ দলে, কালোৰম দলে, চন্দ্ৰকান্ত কামান, ভৃগুৰাম টায়িদ, হুকুচন চুংক্ৰাং, টুক্ কুট্ পেগু, পদু গাঁওবুঢ়া, বজিৰ পেগু, লম্বোকান্ত দলে আদি উদ্যোগী কৰ্মীৰ সহযোগত কাকচন্দ্ৰ দলে, এম, এল, এ, দেৱে সভাৰ গুৰিয়াল হৈ কাৰ্য সমাধান কৰে।

৫ম অধিবেশন : ১৯৩৪ চনৰ ফেব্ৰুৱাৰী মাহত পৰম পূজ্যপাদ গড়মূৰীয়া সত্ৰাধিকাৰ গোস্বামী প্ৰভুৰ সভাপতিত্বত বেবেজীয়াত ৫ ম অধিৱেশন পতা হয়। বিশেষকৈ মাননীয় বিলাসৰায় খেমানী, মালং পেগু, ঠিকাদাৰ আৰু বাপাৰাম পায়াং দেৱৰ উদ্যোগত উক্ত অধিৱেশন পতা হয়। সভাৰ সকলো কাৰ্য একেজন সম্পাদকেই সমাধা কৰিছিল।

৬ষ্ঠ অধিৱেশন : ১৯৩৬ চনৰ ২৭ ফেব্ৰুৱাৰীৰ দিনা ৬ষ্ঠ অধিৱেশন উত্তৰ লখিমপুৰ অঞ্চলৰ মাতমৰা গাঁৱত মাননীয় নীলমণি ফুকন বি এ দেৱৰ সভাপতিত্বত মহাসমাৰোহেৰে সমাধা কৰা হয়। উক্ত সভাৰ উদ্যোগী কৰ্মী। আছিল বিমলা দলে, বেথাৰাম পেগু, লীলাকান্ত গোপীত, ললিসিং দলে, কলামণি লাগাছু, বিষ্টুৰাম দলে, লচিৰাম দলে, পশুৰাম দলে, মধুৰাম পেগু, বাপাৰাম পেগু, টাকুৰাম দলে, পিনাদ পেগু, পশুৰাম গাঁওবুঢ়া।

৭ম অধিবেশন : ১৯৩৭ চনৰ ৯ এপ্ৰিলত মাননীয় প্ৰধান মন্ত্ৰী ছাৰ মহম্মদ চাদুল্লা চাহাবৰ সভাপতিত্বত

গোলাঘাট অঞ্চলৰ সোৱণশিৰি মুখত ৭ম অধিৱেশন হয়। উক্ত সভাৰ উদ্যোগী কৰ্মী আছিল নুমলীয়া গাম, ভৃগুৰাম মিৰি, গুণাৰাম দাং, বলীন্দ্ৰনাথ পেগু, বংশীধৰ কুম্বাং মুহিৰাম গাম, বাপীৰাম বৰুৱা, দৰ্জিৰাম পেগু, বাপুধৰ পেগু, নৰ গাম আৰু নগৰাম গাঁওবুঢ়া। ইয়াতো একেজন সম্পাদকেই সভাৰ কাম সমাধা কৰে।

**৮ ম অধিবেশন** : ১৯৩৯ চনৰ ১১ এপ্ৰিলত পূজনীয় ইন্দিৰা মিৰিৰ সভানেত্ৰীত্বত ৮ম অধিৱেশন গোলাঘাট অঞ্চলৰ মহুৰামুখত সম্পন্ন হয়। এই সভাৰ কৰ্মী আছিল নুমলীয়া গাম, নামেশ্বৰ পেগু, চেনীৰাম দলে, বিমলাকান্ত দলে আৰু জেঠুকা গাঁওবুঢ়া।

**শাখা সন্মিলন** : সদৌ অসম মিৰি সন্মিলনৰ বাহিৰেও শাখা স্বৰূপে কেইবাখনো মিৰি ৰায়ত শাখা সন্মিলন আছে। সমাজ সেৱক পদ্মধৰ পেগুৰ নেতৃত্বত আৰু গান্ধিৰাম দলে আৰু গৰখীয়া দন্দায়, আমিধৰ দলে, কেশৰাম দলে, ৰামেশ্বৰ গাঁওবুঢ়া লম্বোকান্ত পেগু, চ'লে পেগু আদি উৎসাহী কৰ্মীৰ সহযোগত আজি কেইবা বছৰৰ পৰা মাজুলী ৰায়ত মিৰি সন্মিলনে মাজুলীৰ মিৰি গাঁৱে- ভূঞে, সভা-সমিতি পাতি শিক্ষা-দীক্ষা ৰীতি-নীতি, বয়ন- কৃষি আদি সকলো বিষয় প্ৰচাৰ কৰি আহিছে।

এইদৰে ঘূণাসুঁতি আৰু সোৱণশিৰিৰ মিৰি ৰায়ত সন্মিলনে উৎসাহী কৰ্মী চন্দ্ৰকান্ত কামান, ৰবিচন্দ্ৰ কামান, কমলাকান্ত গোপীত আদিৰ অক্লান্ত পৰিশ্ৰমৰ ফলত উক্ত অঞ্চলৰ মিৰি ৰায়তক নতুন জাগৰণ দি আহিছে।
উদ্যোগী ডেকা লম্বোকান্ত দলে, কৰ্জুন পেগু, মহেশ্বৰ পেগু, গম্ভীৰ পায়িত, আৰ্মিত্ত পণ্ডিত আদিৰ চেষ্টাত বুঢ়ীসুঁতি মিৰি ৰায়ত সন্মিলনে উক্ত অঞ্চলৰ মিৰি ৰায়তসকলক উন্নতিৰ বাটলৈ আগবঢ়াইছে।

উদ্যোগী কৰ্মী কুলাৰাম মিলি আৰু গৰসিং নৰৰ চেষ্টাত দক্ষিণ মিৰি ৰায়তসকলক জাগৰণ দিছে। ১৯৩৫ চনৰ ১৫ মাৰ্চত মাননীয় কুলধৰ চলিহা দেৱৰ সভাপতিত্বত মাজুলী মাজৰ চাপৰিত নামনি মিৰি ৰায়ত সভা পতা হয় । উক্ত সভাপতিদেৱে শুৱলা বক্তৃতাৰে সৈতে মিৰি ৰায়তক বৰ্তমান মিৰি ৰায়তৰ কৰ্তব্য কি তাক ভালকৈ বুজাই কয় আৰু তেতিয়াৰ পৰা এই অঞ্চলৰ মিৰি ৰায়তৰ উন্নতিৰ আশাৰ সঞ্চাৰ হয়।

**১। জাতীয় ভঁৰাল সম্বন্ধে আঁচনি** : (ক) প্ৰতি পৰিয়ালৰ পৰা প্ৰতি বছৰে ১০ অনা হিচাপে চান্দা সংগ্ৰহ কৰি এটা জাতীয় ভঁৰাল স্থাপন কৰা হ'ব। এটা চান্দা সংগ্ৰহ কৰিবৰ কাৰণে কেন্দ্ৰই বা মৌজাই মৌজাই একোজন কৰ্মচাৰী নিয়োগ কৰা হ'ব। কৰ্মচাৰীজনক শতকৰা ৫ (পাঁচ) টিকা হিচাপে কমিচন দিয়া হ'ব।

(খ) উক্ত ভঁৰালৰ হিচাব পত্ৰ ৰাখিবৰ কাৰণে ৯ (ন) জন সভ্যৰে এজন সভাপতি আৰু এজন সম্পাদক নিৰ্বাচন কৰিব লাগিব ।

(গ) উক্ত কমিটীৰ উপদেশ বা নিৰ্দেশ মতেহে টকা-পইচা খৰচ কৰিব পাৰিব।

( ঘ) উক্ত ভঁৰালৰ টকা মিৰি সমাজৰ উন্নতিৰ অৰ্থে বিশেষকৈ শিক্ষা বিস্তাৰৰ অৰ্থে খৰচ কৰা হ'ব।

(ঙ) কোনো লোকে উক্ত ভঁৰালৰ টকা উচিতমতে কমিটীয়ে খৰচ কৰা হোৱা নাই বুলি বিবেচনা কৰিলে মূল সভাৰ কাৰ্যনিৰ্বাহক সমিতিলৈ আপত্তি জনাব পাৰিব। উক্ত সমিতিৰ মীমাংসাই শেষ বুলি ধৰি ল'ব লাগিব।

**কমিটিৰ সভ্য নিৰ্বাচন** : (ক) কমিটিৰ সভ্যসকল প্ৰতি বছৰে নতুনকৈ নিৰ্বাচিত হ'ব লাগিব। একেজন মানুহেই ক্ৰমান্বয়ে কেইবা বছৰো নিৰ্বাচিত হোৱাত আপত্তি নাথাকিব। আৰু তেওঁৰ ওপৰত আস্থা থাকিলে নিৰ্বাচনত উঠিব পাৰে।

(খ) কমিটিৰ সভ্য সদৌ মিৰি সন্মিলনেহে নিৰ্বাচন কৰিব পাৰিব। মূল সভাৰ, বিষয় বাছনি সভাত কমিটিৰ সভ্য নিৰ্বাচন কৰিব পাৰিব আৰু বিষয় বাছনিৰ প্ৰতিনিধিসকলৰ ভোট দিবৰ ক্ষমতা থাকিব ।

**৩। মিৰি বিশ্ৰাম ঘৰ** : মিৰি সমাগম হোৱা নগৰবোৰত একোটা বিশ্ৰাম ঘৰ সাজিবলৈ ১৯৪০ চনৰ পৰা হাতত লোৱা হ'ব। সেই কাম কাৰ্যত পৰিণত কৰিবৰ কাৰণে কেইজনমান চান্দা সংগ্ৰহকাৰী কৰ্মী নিয়োগ কৰা হ'ব। আৰু চান্দা সংগ্ৰহকাৰীসকলক শতকৰা ১০ টকা হিচাপে কমিচন দিয়া হ'ব। এই পুঁজিৰ হিচাপ-পত্ৰ ৰাখিবৰ কাৰণে এখন কমিটী ৭ জন সভ্যৰে গঠন কৰা হ'ব। উক্ত কমিটিৰ তত্বাৱধানত ঘৰবোৰ ৰখা হ'ব।

**৪। চান্দা সংগ্ৰহ ৰচিদ বহী** : ওপৰোক্ত দুই পুঁজিৰ কাৰণে চান্দা সংগ্ৰহ বহীত সমিতিৰ সভাপতিৰ চহী আৰু

সদৌ মিৰি সন্মিলনৰ চাব মোহৰ থাকিব লাগিব। সভাপতিৰ চহী আৰু সদৌ মিৰি সন্মিলনৰ চাব মোহৰ নথকা বহীত কোনো দাতাক চান্দা দিবলৈ বা চান্দা সংগ্ৰহকাৰী সকলে চান্দা তোলা নিষেধ।

কাৰ্যনিৰ্বাহক সমিতিৰ সভ্যসকলৰ নাম

**শদিয়া** ঃ বৃকোদৰ গাম, মতিৰাম মিলি, অহিৰাম বৰি।

**উত্তৰ লক্ষীমপুৰ** ঃ মনধন দলে, দৰ্জিৰাম পেগু, অক্ষয় দলে, কলিয়া পেগু, বিমলা কান্ত দলে, বাপাৰাম পায়াং, হুকুচন চুংক্ৰাং, কমলাকান্ত গোপীত, বলোৰাম মিৰি, মহৰি গাম, দামোদৰ পেগু, কেশৰাম দলে, দুৰ্গচন্দ্ৰ চুংক্ৰাং, কানুৰাম মিলি, গোলাম পাতি, গগৈ গাঁও বুঢ়া, গণেশ চন্দ্ৰ দলে, কমল চন্দ্ৰ পায়েং, ধনপুৰ গাম।

**ডিব্ৰুগড় মহকুমা** ঃ বৰ্মতা নৰহ, কৰ্জুন বৰুৱা পেগু, ধনীৰ হলদাৰ, ৰামধন দলে, বলোৰাম কুলি, কুলাই মিলি, লম্বুকান্ত দলে।

**শিৱসাগৰ মহকুমা** ঃ গৰখীয়া দন্দাই, গৰসিং মিৰি, মামল গাঁওবুঢ়া।

**যোৰহাট মহকুমা** ঃ গান্ধীৰাম দলে, লম্বোধৰ পেগু, বেথাৰাম পেগু, দেবীৰাম গাঁওবুঢ়া, মহৰি গাম, অমিধৰ দলে, ৰামেশ্বৰ দলে, নৰহ গাম, জংকিৰ দলে, সেবিৰাম মিথুন, চঃলে পেগু, পাগৰাম পেগু।

**গোলাঘাট** : নুমলীয়া গাম, জেতুকা গাঁওবুঢ়া, গজালি মহলদাৰ, বাপীৰাম বৰুৱা, মতি মিৰি।

**তেজপুৰ** : নগৰাম গাঁওবুঢ়া, বাদুৰা গাম, মন্তম পাটগিৰি ।

**ছাত্ৰৰ ফালৰ পৰা** : চেনীৰাম দলে, নামেশ্বৰ  পেগু।

**সভাৰ সভাপতি** : কাৰ্ক দলে।

**সহঃ সাধাৰণ সম্পাদক** : চন্দ্ৰ কামান।

**সাধাৰণ সম্পাদক** : পদ্মধৰ দলে।

**মিচিং বাঃনৌ কৌবাং ৰ মুকলি অধিবেশনৰ তালিকা**

| অধিবেশন | চন | তাৰিখ | স্থান | সভাপতি |
|---|---|---|---|---|
| ১ম | ১৯২৪ | _ | গেজেৰা | শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামী |
| ২য় | ১৯২৭ | ৭/৯ মে' | ভেকেলীমুখ | মিষ্টাৰ এ, চি, টলষ্টয় |
| ৩য় | ১৯২৮ | এপ্ৰিল | নামঘৰীয়া | ৰজনীকান্ত বৰদলৈ। |
| ৪থ | ১৯৩১ | এপ্ৰিল | উঃ লঃ জামুগুৰি | মঃ মুহিবুদ্দিন আহমেদ- |
| ৫ম | ১৯৩৩ | অক্টোবৰ | লঃ, তাকুৰ | সৰ্বেশ্বৰ বৰুৱা |
| ৬ষ্ঠ | ১৯৩৪ | ফেব্ৰুৱাৰী | বাসুদেউ বেবেজীয়া | গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ |
| ৭ম | ১৯৩৬ | ফেব্ৰুৱাৰী | মাতমৰা, ঢকুৱাখনা | বাগ্মীবৰ নীলমণি ফুকন |
| ৮ম | ১৯৩৭ | ৯/১০ এপ্ৰিল | গোলাঘাট, সোৱণশিৰি | "মহম্মদ চাৰ চাদুল্লা |
| ৯ম | ১৯৩৮ | ২১/২২ এপ্ৰিল | গোলাঘাট, মহুৰামুখ | ইন্দিৰা মিৰি |
| ১০ম | ১৯৪০ | - | মাজুলী বনৰীয়া চাপৰি | চকভাল কাগয়ুং |
| ১১তম | ১৯৪৫ | - | তেজপুৰ, তামুলীছিগা | চকভাল কাগয়ুং |
| ১২তম | ১৯৫০ | - | ধেমাজি, কুলি গাঁও | চকভাল কাগয়ুং |
| ১৩তম | ১৯৫১ | - | খেৰকটা, মাতমৰা | লক্ষ্যনাথ দলে |

৯

| সভাপতি | চন | তাৰিখ | স্থান | অধিবেশন |
|---|---|---|---|---|
| ১৪তম | - | - | - | - |
| ১৫তম | - | - | - | - |
| ১৬তম | - | - | - | - |
| ১৭তম | - | - | - | - |
| ১৮তম | ১৯৫৫ | ২৫ ফেব্ৰুৱাৰী | তেজপুৰ, পিচলামুখ | কুলধৰ চলিহা |
| ১৯তম | ১৯৫৫ | ২৯/৩০ অক্টোবৰ | গেজেৰা | মালচন্দ্ৰ পেগু |
| ২০তম | ১৯৫৮ | - | গড়ছিগা | " |
| ২১তম | ১৯৫৯ | ১৫ এপ্ৰিল | মোৱামাৰী | " |
| ২২তম | ১৯৬১ | ১৫ এপ্ৰিল | মলোৱাৰ | " |
| ২৩তম | ১৯৬৬ | ৪/৫/৬ ফেব্ৰুৱাৰী | কুলাজান | তৰুণ চন্দ্ৰ পামেগাম |
| ২৪তম | ১৯৭২ | ২৯/৩০ নৱেম্বৰ | মইনাপাৰা | ললিত কুমাৰ দলে |
| ২৫তম | ১৯৭৫ | ২৭/২৮ এপ্ৰিল | বামুনদলনি | মাল চন্দ্ৰ পেগু |
| ২৬তম | ১৯৭৮ | ২৫ মাৰ্চ | যোৰহাট, বাঁহফলা | পুষ্পধৰ পেগু |
| ২৭তম | ১৯৮১ | ১/২ মাৰ্চ | ঘুনাসুতী | মাল চন্দ্ৰ পেগু |
| ২৮তম | ১৯৮৫ | ২৯/৩০ জানুৱাৰী | বকুলগুৰি | " |
| ২৯তম | ১৯৮৭ | ২১/২২ ফেব্ৰুৱাৰী | পাথৰীচুক | ইন্দ্ৰেশ্বৰ পেগু |
| ৩০তম | ১৯৮৯ | ২১/২২/২৩ এপ্ৰিল | মিংমাং- | " |
| ৩১তম | ১৯৯২ | ২০/২১/২২ এপ্ৰিল | বদতী (বিহপুৰীয়া) | গোলাপ চন্দ্ৰ দলে |
| ৩২তম | ১৯৯১ | | বিলমুখ | পূৰ্ণকান্ত পেগু |

**(উক্ত অধিৱেশনত সভাপতিৰূপে নিৰ্বাচিত হৈছিল দুনেশ্বৰ মদি)**

| | | | | |
|---|---|---|---|---|
| ৩৩তম | ২০০৫, মাৰ্চ | | সোৱণশিৰী | দেৱেশ্বৰ পেগু |
| ৩৪তম | ২০১০ মাৰ্চ | | লক্ষীপথাৰ ধেমাজি | হৰিনাথ টায়ে |

## বিশেষ অধিৱেশন

| | | |
|---|---|---|
| ১৯৭৫ | জেংৰাই চাপৰি, মাজুলী | মালচন্দ্ৰ পেগু |
| ১৯৭৮ | জনাই | মালচন্দ্ৰ পেগু |
| ২০০২ | গোগামুখ | পদ্মধৰ টাইদ |

**পৰবৰ্তী অধিৱেশনসমূহৰ তথ্যসমূহ জনা ব্যক্তিৰ পৰা যোগাযোগৰ আশা কৰিলোঁ। — লেখক**

মিচিং বাঃনৗ কৌবাংঙৰ ২৯তম পাথৰিচুক অধিৰেশনৰ ৪ নং প্ৰস্তাৱ যোগে মিচিংসকলে চৰকাৰী মাটি ভোগ দখল অনুপাতে প্ৰতি পাঁচ (৫) জনক এটি পৰিয়াল হিচাপে গণ্য কৰি মাটিৰ পট্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলি জনোৱা দাবী আজি পৰ্যন্ত কাৰ্যকৰী নকৰাত ক্ষোভ প্ৰকাশ কৰি পুনৰ নিম্নোক্ত প্ৰস্তাৱটি গ্ৰহণ কৰে

১। অসমৰ জনজাতীয় গোষ্ঠীসমূহৰ অন্যতম গোষ্ঠী মিচিংসকলে যুগে যুগে মাটি ভোগদখল কৰি থকা সত্বেও ভূমিপটনৰ ক্ষেত্ৰত ব্যাপক লোকৰ মাটিৰ পট্টা আজিও নাই। ম্যাদী পট্টা একেবাৰে নায়েই বুলিব পাৰি। দখলি মাটিৰ জৰীপ নাই, আনকি একচনীয়া পট্টাৰ ব্যৱস্থাও অতি নগণ্য বুলিব পাৰি। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে অসম ভূমি ৰাজহ ৰেগুলেচানৰ দশম অধ্যায় অনুসৰি গঠিত জনজাতি বেল্ট, ব্লক আদিতো মিচিংসকলকে ধৰি বিভিন্ন গোষ্ঠীৰ জনজাতি কৃষক ৰাইজৰ স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰতো দীৰ্ঘকাল ধৰি চৰকাৰৰ আওকণীয়া মনোভাৱে সমগ্ৰ জনজাতীয় কৃষিজীৱী ৰাইজৰ লগতে মিচিংসকলকো ক্ষোভিত কৰি তুলিছে।

সেয়ে মিচিং বাঃনৗ কৌবাংঙৰ এই ৩০তম অধিৰেশনে ৰাজ্য চৰকাৰৰ ওচৰত ভূমি সমস্যাৰ সন্দৰ্ভত তলৰ দাবীসমূহ দাঙি ধৰি প্ৰস্তাৱ গ্ৰহণ কৰা হয় ।

১। (ক) অসম ভূমি ৰাজহ বিধিৰ দশম অধ্যায়টো যথাযথভাৱে কাৰ্যকৰী কৰক।

(খ) যুগ যুগ ধৰি ভোগদখল কৰি খেতি আৰু ভেটিৰ জৰীপ নোহোৱা মাটি তৎকালে জৰীপ মাটিৰ পট্টন দিয়ক আৰু একচনা থকাসকলক বিনা প্ৰিমিয়ামে ম্যাদী পট্টা দিয়াৰ ব্যৱস্থা কৰক। তদুপৰি নগৰত প্ৰযোজ্য তিনি বিঘা মাটিৰ ওপৰত ম্যাদী হ'ব নোৱৰা নিয়ম শিথিল কৰি পট্টাত থকা সমূহৰ মাটি নগৰৰ নিৰ্ধাৰিত মূল্য প্ৰিমিয়ামৰ ৭৫ শতাংশ ৰেহাই মূল্যৰ প্ৰিমিয়ামৰ ম্যাদীকৰণৰ ব্যৱস্থা আদি শীঘ্ৰে কৰক।

(গ) মিচিং লোকক কৃষিৰ মাটি পট্টনৰ বাবে জনজাতীয়লোকক লৈ জনজাতীয় ভূমি বন্দোবস্তী উপদেষ্টা সমিতি গঠন কৰক।

(ঘ) ৰাজ্যৰ সকলো অঞ্চলতে ভূমিহীন মিচিং কৃষকে বহু বছৰ ধৰি ভোগ দখল কৰি থকা বনাঞ্চলৰ মাটি সংৰক্ষণ মুক্ত কৰি দখলী কৃষকৰ পট্টন দিয়াৰ ব্যৱস্থা কৰক ।

(ঙ) মিচিং কৃষকে দখল কৰি থকা চৰকাৰী মাটি, ভি জি আৰ, পি জি আৰ আদিত সকলোধৰণৰ উচ্ছেদ বন্ধ কৰক ।

।

২। মিচিং বাঃনৗ কৌবাং ৩০ তম অধিৰেশনে গভীৰ উদ্বেগেৰে লক্ষ্য কৰিছে যে প্ৰতি বছৰে ব্ৰহ্মপুত্ৰ, সোৱণশিৰিকে ধৰি অন্যান্য নৈৰ প্ৰৱল বানে অসমৰ জনজীৱনত, বিশেষকৈ শ শ বছৰে বসবাস কৰি থকা নৈপৰীয়া মিচিং কৃষিজীৱী জনগণৰ ব্যাপকভাৱে খেতি-বাতি নষ্ট কৰাৰ উপৰিও ঘৰবাৰী, ভঁৰাল, বিদ্যালয় প্ৰভৃতি ধ্বংস কৰি মিচিং লোকৰ সমাজ জীৱন দুৰ্বহ কৰি তুলিছে। এনে পৰিস্থিতিত অসমৰ স্থায়ী বান নিয়ন্ত্ৰণৰ বিষয়টোৱে ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰ পোৱা উচিত বুলি মিচিং বাঃনী কীবাঙে অভিমত পোষণ কৰে।

সেয়ে বান আৰু গৰাখহনীয়া প্ৰতিৰোধৰ নিমিত্তে প্ৰধানকৈ মিচিং অধ্যুষিত অঞ্চলবোৰত ব্ৰহ্মপুত্ৰ, সোৱণশিৰি আৰু অন্যান্য নৈবোৰৰ বৰ্তমানৰ মথাউৰিবোৰ আৰু ওখ আহল-বহল কৰি আৰু অন্ততঃ নদীবোৰৰ আৰম্ভণিৰ পৰা শেষলৈকে (অসমৰ নতুন পথসহ বান্ধ (অস্ত্ৰস্ত শুন্তল্প সন্ধাপ্ৰঙ্গৰ্দ্ধয় স্থায়ীভাৱে নিৰ্মাণ কৰিবৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উভয়কে অনুৰোধ জনায়।

(৩) আজি বহু বছৰ ধৰি কেন্দ্ৰীয় চৰকাৰক সংবিধানত সন্নিবিষ্ট কৰা 'মিৰি' শব্দৰ পৰিৱৰ্তে 'মিচিং' শব্দ সন্নিবিষ্ট কৰিবৰ বাবে কীবাঙে বাৰম্বাৰ অনুৰোধ কৰা সত্বেও অদ্যপৰিমিত সংশোধন নকৰাত খেদ প্ৰকাশ কৰে আৰু কীবাঙৰ এই ৩০ তম অধিৰেশনে পুনৰ দোহাৰি অসম চৰকাৰৰ জৰিয়তে ভাৰত চৰকাৰক 'মিৰি'ৰ পৰিৱৰ্তে 'মিচিং' শব্দটো অনতিপলমে সংবিধানত সন্নিৱিষ্ট কৰিবলৈ টানি অনুৰোধ জনায়।

(৪) যদিও অনুসূচিত জনজাতিৰ বাবে চাকৰি নিয়োগ আৰু পদোন্নতিৰ ক্ষেত্ৰত সংৰক্ষণৰ আইনগত ব্যৱস্থা আছে তথাপিও ৰাজ্য চৰকাৰে উক্ত আইনৰ যথোচিতভাৱে কাৰ্যকৰী কৰা দেখা নাযায়। বৰঞ্চ কিছুমান পৰিপন্থীমূলক কামহে কৰা পৰিলক্ষিত হৈছে।

সেয়ে মিচিং বাঃনৗ কৌবাং ৩০ তম কঠালগুৰি অধিৱেশনে ৰাজ্য চৰকাৰৰ এনে জনজাতিক প্ৰাপ্যৰ পৰা বঞ্চিত কৰা কাৰ্যৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু



বিধি অনুযায়ী বঞ্চিত হৈ থকা বিষয়াসকলক অনতিপলমে পদোন্নতি দি ওপৰত উল্লেখিত আইনৰ যথাযথ ৰূপায়ণ কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনায়।

৫। কেন্দ্ৰীয় চৰকাৰে জনজাতিৰ বাবে সংৰক্ষিত কৰি ৰখা পদসমূহত উপযুক্ত প্ৰাৰ্থীৰ অভাৱ হ'লে সেই পদ উপযুক্ত জনজাতিৰ প্ৰাৰ্থী নোহোৱা পৰ্যন্ত পূৰণ নোহোৱাকৈ সংৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা কৰিছে। তদ্ৰূপ অসম চৰকাৰ সংৰক্ষিত পদসমূহত জনজাতিৰ উপযুক্ত প্ৰাৰ্থী নোলোৱা পৰ্যন্ত জনজাতিৰ বাবে সংৰক্ষিত পদসমূহ খালি কৰি ৰখাৰ ব্যৱস্থা কৰি জনজাতিৰ দ্বাৰাই পূৰণৰ ব্যৱস্থা কৰিব লাগে যাতে বেকলগৰ পৰিধি বাঢ়ি নাযায়।

৬। যিহেতুকে মীন মহল বন্দৰস্তীৰ ক্ষেত্ৰত প্ৰকৃত মাছমৰীয়া বৃত্তিধাৰী অনুসূচিত জাতিৰ লোককহে বন্দৰস্তী দিয়াৰ প্ৰচলিত বিধান আছে, অন্যহাতেদি মিচিং লোকৰ মাজতো সম্প্ৰতি মাছ মৰাটো বৃত্তি হিচাপে লোৱা লোক বহুতো আছে, সেয়ে মাছ মৰাটো বৃত্তি হিচাপে গ্ৰহণ কৰা মিচিং লোককো পোনপটীয়া মীন মহল বন্দৰৰ্স্তী দিয়াৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক ৩০ তম অধিৱেশনে টানি অনুৰোধ জনায়।

৭। যিহেতু অসমত অদ্যপৰিমিত স্থাপন হোৱা দূৰদৰ্শন কেন্দ্ৰসমূহে মিচিং অধ্যুষিত অঞ্চলসমূহ সামৰিব পৰা নাই, সেই হেতু মিচিং লোকসকলো ৰাষ্ট্ৰীয় কাৰ্যক্ৰমৰ পৰা উপকৃত হ'ব পৰাকৈ মিচিং অধ্যুষিত সকলো অঞ্চল সামৰিব পৰাকৈ লক্ষীমপুৰ জিলাৰ বৰ্তমান (ধেমাজি জিলা) গোগামুখত এটা দূৰদৰ্শন কেন্দ্ৰ স্থাপন কৰিবলৈ অসম চৰকাৰৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰক আজিৰ কঠালগুৰি অধিৱেশনে অনুৰোধ জনায়।

৮। যদিও ভাৰতৰ সংবিধানে অনুসূচিত জনজাতিক ৰক্ষণাবেক্ষণৰ ব্যৱস্থা ৰাখিছে তথাপিও সুৰক্ষা দিব পৰা নাই। বৰঞ্চ তেওঁলোকক প্ৰবঞ্চনা, প্ৰতাৰণা কৰি প্ৰাপ্যৰ পৰা বঞ্চিত কৰাহে দেখা গৈছে। এনে পৰিকল্পিত প্ৰবঞ্চনা, প্ৰতাৰণা আৰু বঞ্চিত কৰাত অসমৰ জনজাতিসকল অসন্তুষ্ট আৰু ক্ৰোধান্বিত হৈছে যাৰ ফলস্বৰূপে অসমৰ বড়ো জনজাতি প্ৰমুখ্যে অন্যান্য জনজাতিসকলে পৃথক ৰাজ্য স্বায়ত্তশাসিত ৰাজ্য, স্বায়ত্তশাসিত জিলা আদিৰ দাবী তুলি সংগ্ৰাম কৰিবলৈ বাধ্য হৈছে। বিশেষকৈ বড়োলেণ্ডৰ দাবীত বড়োসকলে আন্দোলন কৰাত বড়ো অধ্যুষিত এলেকাসমূহত আইন শৃংখলাৰ অজুহাতত যি জোৰ জুলুমৰ সন্মুখীন হৈ সাধাৰণ লোকৰ শান্তিপূৰ্ণ জীৱনযাত্ৰা ব্যাহত হৈছে, আজিৰ ৩০তম অধিবেশনে তেওঁলোকৰ প্ৰতি গভীৰ সহানুভূতি প্ৰকাশ কৰে ।

বাঃনৗ কৌবাং এই কথা দৃঢ়তাৰে দোহাৰে যে গণতান্ত্ৰিক আন্দোলন আৰু আলাপ আলোচনাৰ মাধ্যমেৰে যিকোনো সমস্যা সমাধান কৰাত বিশ্বাস কৰে আৰু বড়োলেণ্ড দাবীত উদ্ভৱ হোৱা সাম্প্ৰতিক দৃশ্যপটত পুলিচী দমন নীতি পৰিহাৰ কৰি আন্দোলনকাৰীৰ লগত চৰকাৰে সৌহাৰ্দ্যপূৰ্ণ আলোচনা কৰি সমস্যাৰ সমাধান ঘটাই শান্তিশৃংখলা ঘূৰাই আনিবৰ বাবে চৰকাৰ আৰু আন্দোলনকাৰী উভয়কে আহ্বান জনায়।

১০। মিচিং বাঃনৗ কৌবাং ঐতিহাসিক ৩০ তম কঠালগুৰি অধিৱেশন অনুষ্ঠিত হোৱা মিংমাং অঞ্চলটো প্ৰায় ৩০ (ত্ৰিশ) হাজাৰৰো অধিক জনজাতি সম্প্ৰদায়ৰ ঘন জনবসতিপূৰ্ণ অঞ্চল। আজি প্ৰায় ৩৬ বছৰ ইয়াত বসবাস কৰা ৰাইজৰ মাজত প্ৰতি বছৰে বিভিন্ন ৰোগত আক্ৰান্ত হৈ পঙ্গু তথা মৃত্যু মুখত পৰা সত্বেও বৰ্তমানলৈকে এই অঞ্চলত উপযুক্ত চিকিৎসাৰ কাৰণে কোনো চৰকাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন হোৱা নাই। অতি পৰিতাপৰ বিষয় যে মিংমাঙত স্থাপন কৰা একমাত্ৰ উপস্বাস্থ্য কেন্দ্ৰটো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নীত কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ জৰিয়তে চৰকাৰলৈ আজি কেইবা বছৰো দফে বিদফে আবেদন-নিবেদন জনোৱা সত্বেও আজি পৰ্যন্ত কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই।

গতিকে উক্ত উপস্বাস্থ্য কেন্দ্ৰটো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ অনতিপলমে উন্নীত কৰিবলৈ অধিৱেশনে প্ৰস্তাৱ গ্ৰহণ কৰে।

১০। অসমৰ মিচিং জনজাতি সমাজৰ কৃষ্টি- সংস্কৃতি বৃহত্তৰ অসমীয়া সমাজৰ এৰিব নোৱৰা অঙ্গ। কিন্তু এই কৃষ্টি-সংস্কৃতিৰ অস্তিত্ব জীয়াই ৰাখিবলৈ আৰু বিভিন্ন সময়ৰ উৎসৱ-পাৰ্বণ উদযাপন কৰিব পৰাকৈ নগৰবোৰত যথোচিত স্থান নোহোৱাৰ বাবে কৃষ্টি সংস্কৃতিৰ উন্নতিত যথেষ্ট বাধাৰ সৃষ্টি হৈছে।

গতিকে অধিৱেশনে প্ৰস্তাৱ কৰা হওক যে মিচিং অধ্যুষিত অঞ্চল যেনে জোনাই, ধেমাজি, উত্তৰ লক্ষীমপুৰ,

মাজুলী, যোৰহাট, ডিব্ৰুগড়, গোলাঘাট, শিৱসাগৰ, গুৱাহাটী আদি নগৰ অঞ্চলত একো একোটা কৃষ্টিঘৰ সজাই দিবলৈ অসম চৰকাৰক টানি অনুৰোধ জনোৱা হওক।

১১। মিচিং বাঃনী কৌবাং ২৯তম অধিৱেশনে মিচিং লোকসকলৰ বাবে মিচিং অধ্যুষিত অঞ্চলৰ মহকুমা সদৰ ঠাইবোৰত তেওঁলোকৰ মৃতব্যক্তিক ৰীতি অনুযায়ী পুতিবলৈ আচুতীয়া ঠাই নথকাত বহুতো অসুবিধাৰ সন্মুখীন হোৱাৰ কথা উল্লেখ কৰি মিচিং লোকৰ বাবে আচুতীয়া ব্যৱস্থা কৰি দিবলৈ অসম চৰকাৰক অনুৰোধ জনোৱা সত্বেও আজি প্ৰায় তিনি বছৰেও কোনো ব্যৱস্থা নোলোৱাত কীবাঙৰ ৩০ তম কঠালগুৰি অধিৱেশনে গভীৰ উদ্বেগ কৰাৰ লগতে ক্ষোভ প্ৰকাশ কৰে আৰু মৰিশালিৰ বাবে মাটি অসমৰ নগৰে চহৰে মিচিং লোকৰ বাবে আচুতীয়াকৈ ৰাখিবৰ বাবে পুনৰ অসম চৰকাৰৰ ওচৰত দাবী জনায়।

১২। যিহেতু মিচিং অধ্যুষিত অঞ্চলসমূহত বহুতো মিচিং লোকে ভোগ দখল কৰি থকা প্ৰায়বোৰ মাটি তৌজিবাহীৰ, তেনে তৌজিবাহীৰ মাটিৰ খাজনা প্ৰকৃত দখলকাৰী খাজনাতকৈ মণ্ডল আৰু মৌজাদাৰৰ যুটীয়া অভিসন্ধিক্ৰমে অতিৰিক্তভাৱে আদায় কৰা অভিযোগ উঠিছে আৰু তেনে মাটিৰ পৰা লোৱা খাজনাৰ ৰচিদ অথবা কোনো প্ৰমাণ পত্ৰ নি দিয়াৰ বাবে চৰকাৰে তেনে ৰাজহৰ পৰা বঞ্চিত হৈছে। এনেধৰণৰ অভিসন্ধি উত্তৰ লক্ষীমপুৰ মহকুমাৰ তেলাহী মৌজাত কৰা বুলি আটাইতকৈ বেছি অভিযোগ উঠিছে।

৩০তম অধিৱেশনে দাবী কৰে যে উক্ত খেলিমেলি আঁতৰাবৰ কাৰণে সেই অঞ্চলৰ উপপ্ৰতি সমাহৰ্তাৰ কাৰ্যালয়ৰ পৰা তৌজিবাহী মাটিৰ খাজনা আদায়ৰ পোনপটীয়া প্ৰমাণপত্ৰ বা ৰচিদ দিয়াৰ ব্যৱস্থা কৰিব লাগে। অধিৱেশনে এই বুলিও সমূহ মিচিং ৰাইজক আহ্বান জনায় যে বিনা প্ৰমাণপত্ৰত (যিকোনো) খাজনা দিয়া কাম যেন বন্ধ কৰে।
৩০তম অধিৱেশনে এই কথাও উল্লেখ কৰে যে উপৰিউক্ত প্ৰস্তাৱটি পাথৰিচুকত অনুষ্ঠিত হোৱা কীবাঙৰ ২৯তম অধিৱেশনেও গ্ৰহণ কৰি চৰকাৰক কাৰ্যকৰী কৰিবলৈ চৰকাৰৰ লগত কীবাঙে আলোচনা কৰা সত্বেও অন্যপৰিমিত ইয়াৰ কোনো কাৰ্যকৰী ব্যৱস্থা নোলোৱাত অসন্তুষ্টি প্ৰকাশ কৰে।

১৩। যিহেতু মিচিং সমাজৰ দ্ৰুত উন্নয়নৰ কাৰণে মিচিং অধ্যুষিত অঞ্চলৰ যোগাযোগ আৰু সংযোগী পথসমূহৰ উন্নয়ন সাধন কৰাটো অতীব প্ৰয়োজন বুলি আজিৰ অধিৱেশনে গভীৰভাৱে উপলব্ধি কৰে। উদাহৰণস্বৰূপে লক্ষীমপুৰ জিলাৰ মিচিং বসতিপূৰ্ণ বিভিন্ন ঠাইসমূহৰ লগত মাজুলী মহকুমাৰ বিভিন্ন ঠাইৰ সংযোগ স্থাপন কৰিবলৈ উত্তৰ লক্ষীমপুৰ আৰু কমলাবাৰী পথ সংযোগ উন্নয়ন সাধন কৰিবলৈ খাবুলি আৰু লোহিত নদীৰ ওপৰত দলং নিৰ্মাণ, বদতিঘাটৰ পৰা গড়মূৰ জেংৰাই হৈ ঢকুৱাখনা, ধেমাজিয়েদি জেংৰাইৰ পৰা বকুলগুৰি, মাতমৰা, চিচিকলঘৰ, দেউৰী ঘাট কুলাজান হৈ ধেমাজি অসামৰিক চিকিৎসালয়লৈকে উত্তৰ লক্ষীমপুৰৰ পৰা ঘূণাসুঁতি হৈ ঢকুৱাখনাক সংযোগ কৰি লোহিত সোৱণশিৰি ঘাটৰ পৰা ৰাওনামুখ পাকিন গৰৈমাৰী হৈ বিশ্বনাথ চাৰিআলিলৈকে পথ সুগম কৰাটো অতি প্ৰয়োজন ।

সেয়ে (১) উক্ত পথবোৰৰ ওপৰত প্ৰয়োজনীয় স্থায়ী দলং নিৰ্মাণ কৰি সেই সেই মিচিং অধ্যুষিত অঞ্চলবোৰৰ যাতায়াত উন্নয়ন সাধন কৰা (২) বদতিঘাটৰ পৰা গড়মূৰ জেংৰাই হৈ জোনাইলৈ যোৱা সংযোগ পথৰ উন্নয়ন সাধিবলৈ উৰিয়া সুঁতিৰ ওপৰত স্থায়ী দলং তৎকালীনভাৱে নিৰ্মাণ কৰিবলৈ চৰকাৰক অনুৰোধ জনোৱা হওক।

দুৰ্ভাগ্যৰ কথা যে উক্ত প্ৰস্তাৱ ২৯ তম চাপৰিচুক অধিৱেশনতেই গ্ৰহণ কৰি চৰকাৰক কাৰ্যকৰী ব্যৱস্থা ল'বলৈ আলোচনাত উপনীত হোৱাৰ পিছতো অদ্যপৰিমিত কোনো ব্যৱস্থা লোৱা নাই। সেয়েহে ৩০ তম অধিৱেশনে গভীৰ উদ্বেগ প্ৰকাশ কৰে।

১৪। মিচিংসকল অসমৰ প্ৰকৃত ভূমি পুত্ৰ আৰু যুগ যুগ ধৰি মিচিংসকলে সোৱণশিৰি, ব্ৰহ্মপুত্ৰ আৰু বিভিন্ন নদ-নদীৰ পাৰে পাৰে বসবাস কৰি আহিছে। কিন্তু প্ৰাকৃতিক দুৰ্যোগৰ ফলত মিচিংসকলে ঘৰ-বাৰী হেৰুৱাই আজি অঘৰীৰ দৰে নিজা বাসভূমিতে ঘূৰি ফুৰিবলগীয়া হৈছে। ফলত মিচিংসকলৰ জনসংখ্যা সঠিকভাৱে নিৰ্ণয় কৰিব পৰা নাই।

গতিকে ১৯৫০ চনৰ আগতে যত মিচিংসকল বসবাস কৰিছিল তাৰ এটি চিত্ৰ জনসংখ্যাৰ সৈতে সম্পূৰ্ণ তথ্যপাতিসহ মিচিং বাঃনী কৌবাং সহযোগত প্ৰকাশ কৰি দিবলৈ অধিৱেশনে অসম চৰকাৰক টানি অনুৰোধ জনায়।

১৫। লোহিত খাবলি ঘাট মিচিং জনজাতি অধ্যুষিত অঞ্চলত অৱস্থিত। মধ্য অসমত ব্ৰহ্মপুত্ৰৰ দক্ষিণ উত্তৰপাৰৰ পাৰাপাৰৰ একমাত্ৰ সংযোগ পথ হৈছে উত্তৰ লক্ষীমপুৰ কমলাবাৰী ঘাট। কিন্তু মিচিং অধ্যুষিত অঞ্চল মাজুলীবাসীকে আদি কৰি এই বৃহৎ পিছপৰা এলেকাৰ ৰাইজে বহুত দিনৰে পৰা দফে বিদফে আবেদন তথা দাবী কৰি থকা সত্বেও খাবলি ঘাটত দলং নিৰ্মাণ কৰি এই পিচপৰা অঞ্চলৰ উন্নতি সাধন নকৰাত কঠালগুৰি অধিৱেশনে গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে ক্ষোভ প্ৰকাশ কৰে। এই পিছপৰা চৰবাসী মিচিং জনজাতি এলেকাৰ উন্নতিকল্পে উল্লেখিত দলং দুখনৰ অত্যাৱশ্যকীয়। প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি লোহিত আৰু খাবলি ঘাটৰ ওপৰত অতি শীঘ্ৰে স্থায়ী দলং নিৰ্মাণ কৰিবলৈ পুনৰ চৰকাৰক অনুৰোধ জনায়।

১৬। আজি কেইবা বছৰৰ পৰা ঐতিহাসিক কুলাজান অঞ্চলত মিচিং বাঃনৌ কৌবাং ২৩ তম কুলাজান অধিৱেশনৰ উদ্বোধনী অনুষ্ঠানত তেতিয়াৰ ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰাগান্ধীৰ যোগদান কৰা উপলক্ষে তেখেতৰ স্মৃতিৰ বাবে ‘প্ৰিয়দৰ্শিনী ইন্দিৰাগান্ধী স্মৃতি হস্পিতাল' নামেৰে এটি হস্পিতাল স্থাপন কৰিবৰ বাবে বাঃনৌ কৌবাং অন্যতম পথ প্ৰদৰ্শক আৰু মুক্তিযোদ্ধা মিগাং বিমলাকান্ত দলেদেৱে ভাৰত চৰকাৰ আৰু অসম চৰকাৰক যোগাযোগ কৰি থকাৰ কথা ৩০ তম মুকলি অধিবেশনে উল্লেখ কৰে আৰু আজি পুনৰ ২৩-৪-৮৯ তাৰিখে কঠালগুৰিত অনুষ্ঠিত ৩০ তম অধিবেশনে ইতিমধ্যে কুলাজানত বিভাগীয় কৰ্তৃপক্ষই উক্ত হস্পিতালৰ নামত সংৰক্ষণ কৰি ৰখা ঠাইত 'প্ৰিয়দৰ্শিনী ইন্দিৰা গান্ধী মেম'ৰিয়েল হস্পিতাল' নামেৰে এটি ১০০ খন বিছনাযুক্ত কেন্দ্ৰীয় চিভিল হস্পিতাল স্থাপন কৰিবৰ বাবে ভাৰত চৰকাৰক অসম চৰকাৰৰ জৰিয়তে পুনৰ অনুৰোধ জনায়।

১৭। অসম আৰু অৰুণাচল প্ৰদেশৰ উত্তৰ অঞ্চলৰ সীমাৰ সন্দৰ্ভত সঘনে ঘটি থকা বিৰোধ আৰু ভিন ভিন ধৰণৰ সংঘাতে সীমামূৰীয়া ৰাইজৰ বিশেষকৈ মিচিং  জনজাতি ৰাইজৰ অনেক প্ৰকাৰৰ ক্ষতি কৰিছে। তদুপৰি চুবুৰীয়া ভাতৃ প্ৰতিম দুয়োখন ৰাজ্যৰ মাজত ভুল বুজাবুজি, সন্দেহ আৰু উদ্বেগজনক উপাদান সমূহে আমাৰ ৰাষ্ট্ৰীয় ঐক্য সংহতিৰ প্ৰক্ৰিয়াতো আউল লগাইছে বুলি মিচিং বাঃনৌ কৌবাং গভীৰভাৱে বিশ্বাস কৰে।

গতিকে অসম আৰু অৰুণাচল প্ৰদেশৰ সীমা সন্দৰ্ভত দুয়ো ৰাজ্যৰ সাংবিধানিক সীমাৰেখা কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত সুস্পষ্টভাৱে নিৰ্ধাৰিত হ'ব লাগে। সীমান্তৰ যি যি অঞ্চলত ভৌগোলিক সীমা এতিয়াও নিৰ্ণীত হোৱা নাই সেই সেই এলেকাত কৰ্তৃপক্ষৰ হতুৱাই সীমা নিৰ্ধাৰণ কৰি দুয়োখন ৰাজ্যৰ বিশেষকৈ জোনাই, ধেমাজি আৰু উত্তৰ লক্ষিমপুৰ মহকুমাত চলি থকা সীমা বিবাদসমূহ মীমাংসা কৰি সাংবিধানিক দায়বদ্ধতা যথাযথভাৱে পালন কৰিবলৈ মিচিং বাঃনৌ কৌবাং এই অধিৱেশনে ভাৰত চৰকাৰৰ ওচৰত দাবী জনায় আৰু এই বিষয়ত ৰাজ্য চৰকাৰেও তৎপৰতাৰে নিজৰ ভূমিকা পালন কৰিবৰ বাবে বাঃনৌ কৌবাঙে আহ্বান জনায়।

৮। মিচিং বাঃনৌ কৌবাং গভীৰভাৱে লক্ষ্য কৰিছে যে অসমৰ জনজাতীয় গোষ্ঠীসমূহৰ ভাষা, কৃষ্টি-সংস্কৃতিৰ ৰক্ষা কৰা আৰু বিকাশ সাধন কৰাৰ লগতে জনজাতীয় জনগোষ্ঠীসমূহৰ পৰম্পৰাগত বসবাসৰ এলেকাসমূহত স্বায়ত্ত শাসনৰ দাবীত ৰাজ্যব্যাপী তীব্ৰতৰ আন্দোলন সংগঠিত হৈছে। এই আন্দোলনসমূহে নিপীড়িত জনজাতীয় গোষ্ঠীসমূহৰ ক্ৰমবৰ্ধমান আত্মসজাগতাৰ পৰিচয় দাঙি ধৰিছে আৰু ইয়াত আশা আকাংক্ষাৰ স্পৃহা প্ৰকাশ পাইছে। সেয়েহে কাৰ্বি, ডিমাচা, বড়ো, ৰাভা, মিচিং, তিৱা, (লালুং), দেউৰী আদি জনগোষ্ঠীসমূহৰ আত্মপ্ৰতিষ্ঠা আৰু বিকাশৰ প্ৰতি মিচিং বাঃনৌ কৌবাং  আদৰণি জনায়।

মিচিং বাঃনৌ কৌবাং ৰ এই অধিৱেশনে মত পোষণ কৰে যে অসমৰ জনজাতীয় গোটসমূহক পৃথক পৃথকভাৱে স্বায়ত্তশাসনৰ অধিকাৰৰ স্বীকৃতি দিয়াৰ মাজেদি অসমৰ ঐক্য আৰু সংহতি দুৰ্বল নহয়, বৰং জনগণৰ স্বেচ্ছামূলক ঐক্য সংহতি প্ৰক্ৰিয়া শক্তিশালীহে হ'ব।

মিচিং বাঃনৌ কৌবাংৰ এই অধিৱেশনে এই কথাত দৃঢ়তাৰে মত পোষণ কৰে যে ভৈয়ামৰ জনজাতি বিশেষকৈ মিচিং সম্প্ৰদায়ৰ আৰ্থিক, সামাজিক, শিক্ষা, কলা-সংস্কৃতি আৰু ৰাজনৈতিক উন্নয়নৰ বাবে অসম চৰকাৰ তথা ভাৰত চৰকাৰে প্ৰচেষ্টা লোৱা সত্বেও মিচিং জাতিৰ লোকসকল অন্যান্য জাতিৰ তুলনাত বহুতো পিছপৰি থকা পৰিলক্ষিত হৈছে।

সেয়েহে এই ৩০ তম কঠালগুৰি অধিৱেশনে গভীৰ আৰু বিশদভাৱে মিচিং জাতিৰ দ্ৰুত উন্নয়নৰ বাবে আলোচনা কৰি মিচিংসকলে আত্মনিয়ন্ত্ৰণ কৰিব পৰাকৈ মিচিং অধ্যুষিত অঞ্চলক লৈ ৰাজ্যখনৰ ভিতৰতে এখন স্বায়ত্তশাসিত ৰাজ্য গঠন কৰি দিবলৈ এই অধিৱেশনে ৰাজ্য চৰকাৰৰ জৰিয়তে ভাৰত চৰকাৰক দাবী জনায়।

# "মোৰ প্ৰিয়ত্বম স্বামী প্ৰয়াত বলীন চন্দ্ৰ কুলিৰ সোঁৱৰণত"

**সাবিত্ৰী কুলি (পত্নী)**
**জীৱন ফুকন নগৰ, ডিব্ৰুগড়**

জন্ম আৰু মৃত্যু প্ৰকৃতিৰ চিৰন্তন নীতি। এই চিৰন্তন সত্য কোনেও ৰোধ কৰিব নোৱাৰে। এই মায়াময় সকলো মায়াৰ বন্ধন চিঙি পত্নী পুত্ৰ-কন্যা, জোঁৱাই নাতি-নাতিনী পৰিয়াল পৰিজন সকলোকে এই সংসাৰত অকলশৰীয়া কৰি এৰি থৈ গুছি যায়। কোনোবা অনন্ত চিৰশান্তি ধামলৈ। তথাপিও হিয়া ঢাকুৰি কান্দো প্ৰিয়জনৰ মৃত্যুত। বিষাদ বেদনাত হৃদয় ফাটি চিৰাচিৰ হয়। তথাপিও আমি শান্তনা লভো। ধীৰে ধীৰে লাহে লাহে সৃষ্টিকৰ্ত্তা ভগৱানৰ দয়া আৰু কৃপাত । ই যে নিয়তিৰে বিধান। প্ৰকৃতিৰ নিয়ম। সাঁচি থওঁ মাথো হৃদয়ৰ মনিকোঠাত স্মৃতিৰ সফুৰা এটি।

মোৰ শহুৰ দেউতা আছিল " শ্ৰদ্ধেয় সোমেশ্বৰ কুলি আৰু শাহু আই শ্ৰদ্ধেয় আনন্দ কুলি। শ্ৰদ্ধেয় শহুৰ দেউতা আছিল এজন আদৰ্শবান শিক্ষক। স্বাধীনোত্তৰ আগৰ পৰাই তেখেত সকলো আমাৰ পিছপৰা মিছিং সমাজত হাবি জংঘলৰ মাজেদি ৰাস্তা ফালি ১০/১২ গাঁৱৰ মাজত প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰি সকলো কষ্ট নেওচি শিক্ষাৰ পোহৰ বিলাইছিল। তেখেত বৰ ভগৱান ভক্ত আৰু শান্তি প্ৰিয় সহজ সৰল লোক আছিল।

আমাৰ তেখেত আছিল পৰিয়ালৰ ডাঙৰ পুত্ৰ। B. A পাচ কৰিয়েই পিছপৰা মিছিং সমাজৰ শিক্ষা বিস্তাৰৰ বাবে দেউৰীঘাট অঞ্চলৰ 'ডিব্ৰুগড় মিছিং হাইস্কুলখনৰ হেড মাষ্টৰ হিচাবে দায়িত্ব লবৰ বাবে অঞ্চলৰ কেইজনমান গণ্য- মান্যব্যক্তিয়ে অনুৰোধ জনায়। এই দায়িত্ব অতি নিষ্ঠাৰে সততাৰে বহুত দুখ-কষ্টৰে মূৰ পাতি লৈ সুখ্যাতিৰে ১৯৬৩ চনৰ পৰা ১৯৭৬ চনৰ জুন মাহলৈ কাৰ্যকাল সম্পূৰ্ণ কৰে। এই কালছোৱাত স্কুলখনৰ পৰা বহুতো ছাত্ৰ-ছাত্ৰী সুখ্যাতিৰে প্ৰৱেশিক্ষা পৰীক্ষা পাচ কৰি ওলাই যায়। স্কুলখনৰ পৰা পিছলৈ বহুতো শিক্ষিত লোক স্কুল-কলেজত চাকৰি কৰাৰ উপৰিও বহুতো বিভাগত প্ৰশাসনীক বিষয়া হিচাবেও কাম  কৰি আছে। বহুত অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীয়ে তেখেতক খুউব ভাল পাইছিল আৰু জীয়াই থকা দিনলৈকে য'তে ত'তে লগ পালেও সন্মান কৰিছিল।

১৯৭৬ চনৰ জুলাই মাহত তেখেত A. P. S. C পৰীক্ষাত উত্তীৰ্ণ হৈ তিনিচুকীয়াত Excise Inspec tor হিচাপে কামত যোগদান কৰে। চৰকাৰী চাকৰিয়াল হিচাবে দায়িত্ব লৈ নিষ্ঠাতে দায়িত্ব পালন কৰি ২০০০ চনৰ ৩১ মাৰ্চত Excise Superintendent হিচাবে গোলাঘাটৰ পৰা অৱসৰ গ্ৰহণ কৰে।

তেখেত অভিভাৱক আৰু পিতৃ হিচাবে বৰ উদাৰ আৰু কোমল মনৰ আছিল। বাহ্যিক ভাৱে নিয়মানুবৰ্ত্তিতা আদিৰ ক্ষেত্ৰত কঠোৰ আছিল যদিও অন্তৰখন বৰ মৰমীয়াল আছিল। নিজৰ মাক-দেউতাকক বৰ ভক্তি কৰিছিল। ভাই- ভনী সকলোকে দেউতাকক বৰ ভক্তি কৰিছিল। ভাই-ভনী সকলোকে শিক্ষা-দীক্ষাৰে সু-পাত্ৰ আৰু সু-পাত্ৰীৰ লগত বিয়া পাতি দিছিল। আনকি গাঁৱৰ পৰিয়ালৰ কেইবাজনী ভনী ছোৱালীক নিজে পচন্দ কৰি সু-পাত্ৰত বিয়া বাৰু কৰাই দিছিল। নিজৰ সন্তানৰ ক্ষেত্ৰতো কাৰো মত নোলোৱাকৈ নিজৰ মতেই পুতেক- -জীয়েক বোৰক ধনী-দুখীয়াৰ ভেদভাৱ নাৰাখি সু- পাত্ৰ, সু-পাত্ৰীৰ লগত বিয়া-বাৰু কৰাই দিছিল। নিজৰ ভাই- ভনী আৰু নিজৰ সন্তান সকলৰ পৰিয়ালৰ সকলোকে মিলাপ্ৰীতিকে একতাৰে ৰাখিবলৈ যত্ন কৰিছিল। তেখেতে খুউব পৰিপাটী চাফ-চিকুন হৈ থাকিবলৈ ভাল পাইছিল। খোৱ-বোৱা ক্ষেত্ৰত বনৰীয়া শাক-পাচলিৰ পৰা আৰম্ভ কৰি সকলো ধৰণৰ খাদ্যকে জুতি লগাই খাবলৈ ভাল পাইছিল। ঘৰৰ জীয়ৰী বোৱাৰী সকলোকে জুতি লগাকৈ ৰান্ধি খাবলৈ উপদেশ দিছিল।

গাঁৱৰ পৰা অহা মানুহবোৰকো ধনী, দুখীয়া প্ৰভেদ নাৰাখি সকলোকে সমানে মৰম শ্ৰদ্ধা, জনাইছিল । আলহী

শুশ্ৰূষা কৰিছিল। বিপদত পৰি কেনোৱেসহায় বিচাৰিলে শক্তি অনুসৰি সহায় কৰিছিল। কাকো বিমুখ নকৰিছিল। সামাজিক জীৱনত নিজৰ মিছিং জাতিৰ উন্নতিৰ কাৰনে বহুত চিন্তা কৰিছিল। কৃষ্টি সংস্কৃতি ভাষা আদি উন্নত কৰিবলৈ মিছিং ভাষাৰ ব্যাকৰণ পুথি এখন লিখিবলৈ যত্ন কৰিছিল। গাঁৱৰ বয়সস্থ লোকৰ পৰা সমাজৰ সকাম নিকাম- যেনেঃ দবুৰ পূজা, পৰাগ উৎসৱ আদিৰ বিষয়ে আলোচনা কৰি লিখিত আকাৰে উলিয়াবলৈ যত্ন কৰিছিল। কিন্তু নিয়তি কুটিল গতিত সকলো কাম আধৰুৱা কৰি জীৱনটো আধৰুৱা কৰি গুছি গ'ল।ৰাজনীতি ক্ষেত্ৰত থাকি সমাজখন সেৱা কৰিবলৈ তেখেতৰ খুউব আগ্ৰহ আছিল। এইমতে বহুতো লোকৰ সহাঁৰিত ৰাজনীতি ক্ষেত্ৰত আগবঢ়া সময়তেই কেইজনমান ৰাজনীতিক নেতা আৰু সদস্যৰ কুটিল ৰাজনীতিৰ বলি হব লগাত মনত বৰ কষ্ট পাইছিল। তাৰ পৰিণতিতেই কোনো দিনে অসুখ নোহোৱা মানুহজন অসুখ হৈ সকলো কাম আধৰুৱা কৰি চিৰদিনলৈ ২০০৪ চনৰ ২ অক্টোবৰৰ ৰাতি ৮ বজাত সকলোকে কন্দুৱাই চিৰ জীৱনৰ বাবে মেলানি মাগিলে। তেখেতৰ আত্মাই যতেই আছে চিৰশান্তি লাভ কৰক। ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ লিখা সামৰিলো।

## <u>অসমী আই</u>

**মনিকংকনা পেগু কাৰেং**
**চাপৰি গাঁও**

**আই তুমি মহান**
**তুমি সৃষ্টিৰ অধিকাৰী**
**তুমি মহান শক্তিমান**
**তোমাৰ বিশাল সৃষ্টিৰ অবিহনে**
**এই জগত শূন্য।**
**আই তুমি অবলা**
**নৰ পিশাচৰ অত্যাচাৰ নিৰ্যাতনক**
**বিনা প্ৰতিবাদে উচুপি উচুপি**
**শৰ বিদ্ধ হৰিণৰ দৰে**
**অসহায়.**
**হে, অসমী আই**
**হে, মহান আই,**
**তোমাৰ ঔৰসত জন্ম দিয়া**
**নৰ পিশাচৰ অত্যাচাৰ, নিৰ্যাতনক**
**মষিমূৰ কৰিব পৰা শক্তিক**
**জাগ্ৰিত কৰা**
**তোমাৰ কোমল অন্তক,**
**যত পিশাচৰ ধ্বংস হয়**
**যত মানৱতাৰ জয় গান গোৱা**
**আই তুমি সৃষ্টি কৰা**
**অজস্ৰ বীৰংগনা, অসুৰক নিধনেৰে**
**যত উৰিব শান্তিৰ কপৌজাক।।**

**(বিঃদ্ৰঃ - অসমৰ নিৰ্যাতিত নাৰীৰ সমবেদনাৰে )**

# মিচিং নাৰীৰ ঐতিহ্য আৰু বৈশিষ্ট্য

**ইছ্‌মাইল হুছেইন**

যিকোনো সমাজৰ ঐতিহ্য পৰম্পৰা সংস্কৃতিৰ সুৰক্ষা তথা সমৃদ্ধিত নাৰীৰ বিশেষ ভূমিকা থাকে। নাৰীয়ে যিদৰে ঐতিহ্যৰ জন্ম দিব পাৰে, ঠিক তেনেদৰে ঐতিহ্যৰ পৰিৱৰ্তন ঘটাই নতুনত্বৰ আমদানিও কৰিব পাৰে। সমাজত নাৰীক 'অৰ্ধ-আকাশ' বুলি কলেও তাতোকৈ উৰ্ধত নাৰীৰ স্থান। বিশেষকৈ ভাৰতীয় নাৰীয়ে সমাজত যি ভূমিকা পালন কৰে তাৰ পৰা ধাৰণা কৰিব পাৰি যে বিভিন্ন অধিকাৰৰ পৰা বঞ্চিত হ'লেও নাৰীয়ে স্ব-প্ৰণোদিতভাৱে সমাজ আৰু গৃহত পুৰুষতকৈ বহুগুণে সক্ৰিয় ভূমিকা পালন কৰে। ভাৰতীয় জনজাতি নাৰীসকলৰ ভূমিকা এই ক্ষেত্ৰত অতি সবল ।

ভাৰতবৰ্ষৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সমাজ পৰিচালনাৰ ক্ষেত্ৰত দুইধৰণৰ ব্যৱস্থা চলা দেখা যায়। তাৰে এটা হ'ল পিতৃতান্ত্ৰিক বা পুৰুষতান্ত্ৰিক ব্যৱস্থা আৰু আনটো হ'ল মাতৃতান্ত্ৰিক বা নাৰীতান্ত্ৰিক ব্যৱস্থা। ভাৰতৰ বেচিভাগ সমাজেই পুৰুষতান্ত্ৰিক যদিও জনজাতি সমন্বিতে পাহাৰীয়া জনগোষ্ঠী কিছুমানৰ মাজত নাৰীতান্ত্ৰিক সমাজ ব্যৱস্থাৰ প্ৰচলন আছে। তেনে নাৰীতান্ত্ৰিক সমাজৰ নাৰীসকল সকলো নিশতেই স্বাৱলম্বী নহ'লেও গৃহ-জীৱনত স্বাধীন আৰু স্ব- নিৰ্ভৰশীল। কিন্তু পুৰুষতান্ত্ৰিক সমাজত নাৰীসকলে গৃহ-পৰিচালনা, কৃষি-অৰ্থনীতি, বয়ন-শিল্প ইত্যাদিৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰিলেও তেওঁলোক সম্পূৰ্ণৰূপে স্বাধীন নহয়। বেছিভাগ নাৰীয়েই পৰিচালিত হয় পুৰুষৰ দ্বাৰা । সেইবাবে দেখা যায় যে সৰ্বদিশত উপযুক্ত আৰু শ্ৰেষ্ঠ হ'লেও নাৰীসকলে ভবামতে নিজকে পৰিচালনা কৰাৰ অধিকাৰ নেপায়।

অসমৰ পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত বিভিন্ন নাৰীৰ তুলনাত মিচিং নাৰীসকল কিছু ব্যতিক্ৰম। অনা-মিচিং সমাজত নাৰীয়ে যদিহে পুৰুষৰ সৈতে যিকিভাগ ভূমিকা সমাজ বা গৃহ পৰিচালনাৰ ক্ষেত্ৰত পালন কৰিব পাৰে তেনেহ'লে মিচিং নাৰীয়ে আধাভাগ বা আধলিভাগ পাৰে। সেইবাবেই অসমৰ সমাজ জীৱনত মিচিং নাৰীৰ ঐতিহ্য কিছু ভিন্ন ।

যিকেইটা দিশত মিচিং নাৰীৰ ঐতিহ্যৰ গুৰুত্ব লাভ কৰিব পাৰে তাৰে অন্যতম হ'ল- লোক জীৱনৰ পৰম্পৰা আৰু সংস্কৃতিৰ সুৰক্ষা। বয়ন শিল্পত উৎকৰ্ষতা, ঘৰুৱা, অৰ্থনীতি আৰু কৃষি জীৱনৰ পৰিচালনা, অতিথি পৰায়নতা ইত্যাদি। এইবোৰ দিশত মিচিং নাৰীৰ ঐতিহ্য কেৱল ব্যতিক্ৰমেই নহয় গৌৰৱ গাঁথাৰেও চহকী।

মিচিং সমাজত নাৰীৰ গৌৰৱ গাঁথাৰ এক কিংবদন্তী হ'ল- য়াকা মিৰেমৰ কাহিনী। মান সেনাই ধৰি নিয়াৰ পিছত মানদেশৰ পৰা নিজ গাঁৱলৈ অহাৰ ৰোমাঞ্চকৰ কাহিনী মিচিং সমাজৰ ৰাইজৰ মুখে মুখে প্ৰচলিত। সেই কাহিনীৰ পৰা জানিব পাৰি যে মিচিং নাৰীসকল অতীজৰে পৰা দুৰ্দ্দান্ত সাহসী আৰু পৰিশ্ৰমী। আনকি মিচিং নাৰীয়ে যুদ্ধক্ষেত্ৰতো মহান ভূমিকা পালন কৰিছিল বুলি জনা যায়।

মিচিং নাৰীক লোক-সংস্কৃতিৰ কৰ্ণধাৰ বুলি ভৱা হয়। অসমৰ জনজাতীয় সাংস্কৃতিৰ পৰম্পৰা আৰু ঐতিহ্যৰ মাজত মিচিং সংস্কৃতি অন্যতম আৰু বহু উপাদানেৰে সমৃদ্ধ । মিচিং নাৰীসকল হ'ল এই উপাদানসমূহৰ সুৰক্ষক। বিশেষকৈ মিছিং সাংস্কৃতিক জীৱনৰ সৈতে জড়িত বয়ন শিল্প, আ- অলঙ্কাৰ, নাচ-গীত-মাত, অতিথি আপ্যায়ন ইত্যাদিৰ ক্ষেত্ৰত মিচিং নাৰীৰ শ্ৰেষ্ঠতা অনস্বীকাৰ্য্য। মিচিং নাৰীসকল কিশোৰী আৰু গাভৰু কালৰে পৰা বয়ন শিল্পৰ সৈতে কিদৰে জড়িত হৈ আহিছে তাৰ গৌৰৱময় উদাহৰণ ঐনিতমত আছে। যেনেঃ-

"এগে চুম কিন্‌ুযামূল মিচিং মৃৰ মাং
মিচিং আগম কিন্‌মামূল মিচিং য়াঃমে মাং।
(তাঁতশালত মেখেলা ব'ব নাজানিলে মিচিং গাভৰু নহয়)

মিচিং ভাষা ক'ব নাজানিলে মিচিং ডেকা নহয়। এই ঐতিহ্যক বহন কৰি দূৰ অতীতত মিচিংসকল পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহিছিল আৰু কপাহৰ সুতা কাটি

মিৰিজিমৰ দৰে অগতানুগতিক আৰু অদ্বিতীয় বস্ত্ৰ তৈয়াৰ কৰিছিল। মিচিং ঐনিঃতমত কপাহৰ পৰা সুতা কাটি বস্ত্ৰ তৈয়াৰ সম্পৰ্কে পোৱা যায়।

"কাজে আজান গৃকাবয়, আদিয়েনো তায়েঃতপ

চূঃপাগ্ আৰ্গ ইগেলা, ৰিঃ বি গাচেং চুমগেলা,

আলি আঃয়ে পঃৰাগল গালে অইয়া বমনাঃপা

( ব'লা মোৰ চেনাই ঐ পাহাৰৰ ওপৰলৈ গৈ কপাহৰ খেতি কৰোঁগৈ কপাহৰ পৰা সুতা কাটি ৰিঃবি গাচেং বৈ, আলি আঃয়ে লৃগাং আৰু পঃৰাগত নাচোঁগৈ, আপোন পাহৰা হৈ।)

এইযে ভৈয়ামৰ পৰা পাহাৰলৈ গৈ কপাহৰ খেতি কৰি তাৰপৰা সুতা উৎপাদন আৰু ৰিঃ বি-গাচেং বৈ লোৱাৰ কথা- এয়া মিচিং সমাজৰ বয়ন শিল্পত এক গৌৰৱময় পৰম্পৰা আছিল৷ আজিকালি পাহাৰৰ সৈতে মিচিংসকলৰ সম্পৰ্ক কমি আহিলেও এই সমাজৰ নাৰীয়ে ঘৰতেই সুতা- কাটি ৰিঃ বিঃগাচেং, এগে-গাচৰ, গনৰী-উগন, মিবু-গালুক, দুঃমীৰ, য়াঃস্ব আদি বস্ত্ৰ তৈয়াৰ কৰি লয়। আনকি মিচিং মহিলাই তৈয়াৰ কৰা মিৰিজিম নামৰ বস্ত্ৰবিধ বয়ন-কৌশল অদ্বিতীয় শিল্পকলাৰ নিদৰ্শন। মিচিংসকলে পৃথিৱীৰ হস্ত বয়ন- শিল্পৰ ক্ষেত্ৰত ফেৰ মাৰিব পৰাকৈ যদিহে কিবা আছে তেনেহলে সেয়া হ'ল মিচিং নাৰীকৃত মিৰিজিম। সেয়ে মিৰিজিমক মিচিংসকলৰ অন্যতম সাংস্কৃতিক পৰিচয় বুলি কোৱা হয়।

মিচিং নাৰীসকলক সৰুৰে পৰাই তাঁতশালত বহি কাপোৰ ব'বলৈ শিকোৱা হয়। অৰ্থনৈতিক দিশত স্বচ্ছল নহয় বাবে মিচিং কিশোৰী, গাভৰু আৰু বোৱাৰীসকলে পোহনীয়া জীৱ-জন্তু, হাঁহ-কুকুৰা গাহৰি আদি বিক্ৰী কৰি সুতা কিনে আৰু সেই সুতাৰে বিভিন্ন বস্ত্ৰ তৈয়াৰ কৰি তাৰে কিছুমান ঘৰুৱা জীৱনত ব্যৱহাৰ কৰে। কিছুমান উৎসৱ-পাৰ্বণত পিন্ধে, কিছুমান আলহী-অতিথিক উপহাৰ দিয়ে আৰু কিছুমান বিক্ৰী কৰি অৰ্থনৈতিক স্বাৱলম্বিতা আনে। সেয়ে মিচিং নাৰীয়ে ঘৰ পৰিচালনা ক্ষেত্ৰত নিজে স্বাৱলম্বী হোৱাৰ উপৰি পুৰুষসকলকো সহায় কৰে ।

মিচিং নাৰীসকল লোকগীত আৰু লোকনাচত অতিকৈ পাকৈত । মিচিং জীয়ৰী-গাভৰু আৰু নাৰীৰ নাচত হেনো মিচিং গাঁওসমূহৰ ফুল, গছ-লতা আৰু চৰাই-চিৰিকটিয়েও আনন্দত উতলা হয়। বিশেষকৈ গুমৰাগ চঃমান আৰু লোকগীত অইনিঃতমৰ প্ৰাণসঞ্চাৰী আবেদনে যিকোনো সম্প্ৰদায়ৰ লোকৰেই প্ৰাণ হৰি নিয়ে। মিচিং-ঐতিহ্যৰ সকলোখিনিয়েই যেন মিচিং নাৰীয়েই ঐনিতমৰ মাজত বান্ধি ৰাখে। গুমৰাগ নাচি নাচি ঐনিতম গাঁওতে মিচিং নাৰীয়ে বয়নশিল্প তথা মিৰি জিমৰ ঐতিহ্যক এনেদৰে তুলি ধৰে।

"ৰ্গু আৰ্গ  ৰ্চনদ চ্পাগ আৰ্গ  মলাঃপী

অগুন্ গীলা পুল্লাঃপী গাদু অন্ন মলাঃপী।"

(আহুধানৰ পথাৰৰ সীমাত কপাহৰ খেতি কৰিম হোৰাত তুলি আনি সুতা কাটি জিম কাপোৰ ব'ম)

মিচিং নাৰীৰ বয়ন শিল্পই গঢ়ি তোলা সৌন্দৰ্যৰ বাবেই আলি আয়ে লৃগাং, পঃৰাগ্ আদি লোক- সাংস্কৃতিক উৎসৱৰ সময়ত ৰং বিৰঙৰ পোছাকেৰে সজ্জিত হৈ মিচিং ডেকা (য়াঃমী) আৰু গাভৰু (মৃবৃৰ সকলে এক নান্দনিক। পৰিৱেশৰ সৃষ্টি কৰে। এই সন্দৰ্ভত মিচিং ঐনিঃতমত পোৱা যায় ।

"যুমী কীমন দঃমূৰত কাৰপুপুলি তাকৰী;

মিচিং দলু ৰীঙামচী চূঃচাং মৃবৃৰ য়াঃমেয়ী।"

(আন্ধাৰ আকাশত যিদৰে তৰাফুল জিলিকে;

মিচিং গাঁৱতো তেনেদৰে ডেকা-গাভৰু জিলিকে)

মিচিং গাভৰু আৰু নাৰীসকলৰ এই উৎসৱপ্ৰিয়তাই তেওঁলোকৰ মন সদায় ৰঙীন কৰি ৰাখে। সেইবাবেই কোৱা হয় যে কোনো ধৰণৰ আনুষ্ঠানিক শিক্ষা ৰং বা সুতা সম্পৰ্কীয় বিদ্যায়তনিক জ্ঞান আদি নোহোৱাকৈ কেৱল মনৰ কল্পনা আৰু চকুৰ দৃষ্টিৰে মিচিং নাৰীসকলে তেওঁলোকৰ সাংস্কৃতিক পৰম্পৰাক বয়ন শিল্পৰে ৰঙীন কৰি তুলিব পাৰে। এনে দক্ষতাৰ বাবেই মিচিং নাৰীসকল ৰং সৌন্দৰ্য্যৰ স্বভাৱজাত খনিকৰ। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে বৃন্দাবনী বস্ত্ৰ তৈয়াৰ কৰোঁতে হালধীয়া ৰঙা সেউজীয়া নানা বৰণৰ তাৰে কিয়দংশ তেওঁৰ মিচিং শিষ্য পৰমানন্দ মিৰিৰ মিচিং নাৰীৰ পৰা আয়ত্ব কৰিছিল বুলি জনা যায়। কাৰণ বৃন্দাৱনী বস্ত্ৰৰ ৰংকেন্দ্ৰীক শিল্প সুষমা মিচিং বয়ন-শিল্পৰ নিচেই ওচৰ চপা।

ৰং বয়ন-শিল্প, নাচ, গীত-মাত আদিক কেন্দ্ৰ কৰি মিচিং নাৰীৰ এক ৰঙীন মন আৰু মানসিকতা গঢ়ি উঠা বাবে তেওঁলোক অতিথি পৰায়ণতাৰ ক্ষেত্ৰত বিশেষ বৈশিষ্টতাসম্পন্ন বুলি পৰিচিত হৈছে। আনকি তেওঁলোকৰ



এনে ৰঙীন মানসিকতাৰ বাবেই বান্ধোনৰ পৰা মুক্ত হৈ আলি আছে লিগাং, ৰঙালী বিহু, আদিত নাচ-গাই সাংস্কৃতিক নেতৃত্ব ল'বলৈ সক্ষম হৈছে। মিচিংসকলৰ অতিথি আপ্যায়নৰ অন্যতম খাদ্য উপকৰণ হ'ল- 'আপং আপিন'। ভাতৰ সৈতে ভজা-পোৰা, ডালি, কুকুৰা বা গাহৰিৰ মাংসৰ উপৰি ঘৰত তৈয়াৰ কৰা সাজপানী আপং। মিচিং সমাজত আলহীক 'মিনম্' বুলি কোৱা হয়। সেয়ে তেনে মিনমক নাৰীয়ে 'আপং আপিন' পৰিৱেশন কৰি সেৱা শুশ্ৰূষা জনোৱাৰ পিছত কোনোৱাই সেইবোৰ গ্ৰহণ নকৰিলে তেওঁলোক বেয়া পায় । ভিন্ন খাদ্যাভাসৰ বাবে কোনোৱাই তেনে খাদ্য গ্ৰহণ নকৰিলেও যদিহে হাতেৰে বাচন বাটি ধুই ধন্যবাদ জনায় তেনেহ'লে তাতেই মিচিং নাৰী সন্তুষ্ট হয়। মিচিং নাৰীৰ অতিথি-পৰায়ণতাৰ এনে নিদৰ্শন মিচিং গাঁৱলৈ নগ'লে কল্পনা কৰিব নোৱাৰি। সেয়ে ক'ব পাৰি যে মিচিং নাৰীয়ে অতিথি আপ্যায়নৰ ক্ষেত্ৰত পৃথিৱীৰ নাৰী সমাজত বিশেষ স্থান নিশ্চিতভাৱে লাভ কৰিব ।

মিচিং নাৰী যে পৰিশ্ৰমী আৰু ৰঙীন মানসিকতাৰ অধিকাৰী সেই কথা ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে। খেতি পথাৰ আৰু প্ৰকৃতিৰ সৈতে সম্পৰ্কৰ বাবেই মিচিং নাৰীয়ে জ্ঞানে মানসিকতাৰ অধিকাৰী হ'বলৈ সক্ষম হৈছে। মাছমৰা, নাওচলোৱা, সাঁতোৰা আদিৰ দৰে কামৰ ক্ষেত্ৰতো মিচিং নাৰীয়ে পুৰুষৰ সৈতে সমানে ফেৰ মাৰিব পাৰে। আনকি কিছুমান ক্ষেত্ৰত পুৰুষতকৈ মিচিং নাৰী অধিক পাৰদৰ্শী। মিচিং পুৰুষসকল প্ৰকৃতিৰ সৈতে জড়িত হৈ থাকিলেও তেওঁলোক প্ৰকৃতিৰ সৌন্দৰ্য্যৰ শিল্পৰ ৰূপক সংৰক্ষণ কৰাত নাৰীতকৈ বহুগুণে পিছপৰা। উদাহৰণস্বৰূপে ক'ব পাৰি যে মিচিং নাৰীয়ে বয়ন-শিল্পত যি ন-ন বিষয়ৰ সমাহাৰ ঘটায় সেইবোৰ প্ৰকৃতিৰ পৰাই আহৰণ কৰে। সেইবাবেই দেখা যায় যে মিছিং নাৰীয়ে প্ৰকৃতিৰ অনেক দৃশ্যৰাজি আৰু ভাস্কৰ্যক ফুলৰ চানেকি তুলি নতুন ৰূপ দিয়ে। মিচিং ভাষাত তেনে ৰূপক 'মিমাং' বুলি কোৱা হয়। নতুন প্ৰজন্মই তেনে মিমা চায়েই বয়ন শিল্পৰ কৌশল আয়ত্ব কৰে। সেইবাবেই মিচিং নাৰীৰ উপৰি কিশোৰী আৰু গাভৰুসকলক আজন্ম শিল্পী বুলি কোৱা হয়। তদুপৰি মিচিং গাভৰু আৰু নাৰীসকল হ'ল একো একোগৰাকী উৎকৃষ্টমানৰ শিল্পী। তমুহূৰ্ত্তে উৎকৃষ্ট লোক-কবিতা অইনিঃতমৰ জন্ম দিব পৰাটো মিচিং নাৰীৰ এটা বিশেষ বৈশিষ্ট্য। নিৰক্ষৰ বা আনুষ্ঠানিক শিক্ষিতা নোহোৱা স্বত্বেও মিচিং গাভৰু বা নাৰীসকলে যি উপমাধৰ্মী। ঐইনিঃতমৰ জন্ম দিয়ে সেয়া পৃথিৱীৰ যিকোনো লোক- সাহিত্যৰ ক্ষেত্ৰতেই বিৰল । যিসকলে মিচিং ঐনিঃতমৰ অন্তঃভাগৰ সাৰমৰ্ম আৰু মহত্ব উপলব্ধি কৰিব পাৰিছে তেওঁলোকৰ মিচিং নাৰীৰ কাব্যিক বা সংগীতিম মানসিকতাৰো উমান পাইছে।

চমু পৰিসৰত মিচিং নাৰী সম্পৰ্কীয় ঐতিহ্য আৰু বৈশিষ্ট্যৰ আলোচনা কৰাৰ পিছত আমি তেওঁলোকৰ অনগ্ৰসৰতা কিছুমান দিশো চুই যাবলৈ চেষ্টা কৰিম। সৰ্বস্তৰৰ লোকেই স্বীকাৰ কৰিব যে মিচিং গাঁও সমূহ লোক সমৃদ্ধ আৰু সৌন্দয্যময় হ'লেও তেওঁলোকৰ শৈক্ষিক, আৰ্থিক, স্বাস্থ্যজনিত দিশ আদি সন্তোষজনক নহয়। সেইবাবেই গড় হিচাপে মিচিং মহিলাসকল আন সম্প্ৰদায়ৰ মহিলাতকৈ এইবোৰ দিশত পিছপৰি আছে ।

মিচিং গাঁৱসমূহত শিক্ষাৰ প্ৰসাৰ কম বাবে নাৰীসকলো বিভিন্ন দিশত পিছপৰি আছে। যিকোনো উন্নতিৰ আধাৰ যিহেতু শিক্ষা, সেয়ে নাৰীৰ উন্নয়নৰ ক্ষেত্ৰতো শিক্ষাৰ গুৰুত্ব অপৰিসীম। শিক্ষাহীনতা বাবেই মিচিং সমাজৰ বেছিভাগ নাৰী মানসিক জড়তাত ভোগা দেখা যায়। মিচিং নাৰীৰ স্বাস্থ্যহীনতা আৰু নিৰক্ষৰতাৰ মূল কাৰনো শিক্ষা। সেইবাবেই দেখা যায় যে শিক্ষাহীনতাৰ বাবেই বহু ক্ষেত্ৰত মিচিং নাৰীসকলে সমাজৰ কিছুমান দিশত নেতৃত্ব ল'বলৈ অপাৰগ হয়। নিৰক্ষৰ হোৱা বাবে বহুতে ইচ্ছা কৰিয়েই মিচিং নাৰীসকলক সামাজিক কাম আৰু প্ৰাপ্য অধিকাৰৰ পৰা আঁতৰাই ৰাখে। বহু সময়ত তেওঁলোক পুৰণিকলীয়া পৰম্পৰাৰো বলি হয়। উৎসৱ-পাৰ্বনত পুৰুষৰ সৈতে সমানে অংশ গ্ৰহণ কৰিলেও কিছুমান বিষয়ত মিচিং নাৰীক আঁতৰাই ৰখা হয়। অসমৰ মুষ্টিমেয় সত্ৰত নাৰীসকলৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ দৰে মিচিংসকলৰ ধৰ্মীয় কাম-কাজতো মিচিং নাৰীৰ প্ৰৱেশ নিষিদ্ধ কৰা হয়। উদাহৰণ স্বৰূপে মাঙ্গলিক কাৰ্যৰ 'বৃঃচুংৰ কথাকে ক'ব পাৰি। মিচিং ঘৰৰ ঘাইখুঁটাৰ পৰা আগৰ অংশক 'ৰৃঃচুং' আৰু পাছৰ অংশক 'ককতগ' বুলি কোৱা হয়। মিচিং সমাজৰ মাঙ্গলিক কাৰ্যবোৰ বৃঃচুঙত কৰা হয় বাবে ঠাইখিনি চাফ-চিকুনকৈ ৰখা হয়। আনহাতে 'ককতগ' বাচন-বৰ্তন, মাছ-মাংস আদি ৰখাৰ উপৰি আপং ৰখা হয়।

১৯

ৰংচুঙৰ গৃহস্থৰ উপৰি আলহী অতিথিক বহিবলৈ দিয়ে যদিও তাত নাৰীক বহিবলৈ দিয়া নহয়। অৱশ্যে শিক্ষাৰ প্ৰসাৰৰ লগে লগে মিচিং সমাজত এনে বৈষম্য নাইকিয়া হ'বলৈ ধৰিছে।
মিচিং নাৰীসকলৰ অৰ্থনৈতিকভাৱে পিছপৰি থকাৰ অন্যতম কাৰণ হ'ল তেওঁ লোকৰ সম্পত্তিৰ অধিকাৰ নাই । মিচিং সমাজত পিতৃৰ সম্পত্তিৰ ভাগ উত্তৰাধিকাৰীসূত্ৰে কেৱল ল'ৰা সন্তানে পায়। ল'ৰা সন্তান নাথাকিলেহে তেনে পৰিয়ালত বাধ্যকতামুলকভাৱে সম্পত্তিৰ অধিকাৰ কন্যা সন্তানলৈ যায়। এনে ব্যৱস্থা থকাৰ বাবেই ল'ৰা-সন্তান থাকা ঘৰৰ মিচিং নাৰীসকল অৰ্থনৈতিক স্বাধীনতাৰ পৰা বঞ্চিত হৈছে। পুৰুষৰ সহায় অবিহনে তেওঁলোক শিক্ষা, ব্যৱসায় আদিৰ ক্ষেত্ৰতো অগ্ৰসৰ হ'বপৰা নাই। আনকি সমাজৰ কেবাং বা বিচাৰ সভাতো মিচিং নাৰী থকাৰ কোনো অধিকাৰ নাই। তেনে সভাত মিচিং নাৰীৰ প্ৰতিনিধিও নিৰ্বাচন কৰাৰ অধিকাৰ নাই। সমাজত মিচিং নাৰী সম্পৰ্কীয় কিবা বিচাৰ বহিলে তাত নাৰীসমাজ উপস্থিত থাকি তেওঁলোকৰ মতামত প্ৰকাশ কৰাৰ ব্যৱস্থা বা বিচাৰ সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণ কৰাৰো নিয়ম নাই। সেইবাবেই দেখা যায় যে সমাজ পৰিচালনা বা সিদ্ধান্ত গ্ৰহণৰ পৰা নিলগত ৰখাৰ বাবেই মিচিং নাৰীৰ আত্মবিশ্বাস কমি যায়। তেওঁলোক নিৰক্ষৰতা আৰু অজ্ঞতাৰ বাবে হীনমন্যতাত ভোগে।
মিচিং সমাজৰ নাৰীৰ ঐতিহ্য আৰু গৌৰৱ-গাঁথাৰ সুৰক্ষাৰ উপৰি তেওঁলোকৰ অনগ্ৰসৰতাৰ কাৰক সমুহ নাইকিয়া কৰিব পাৰিলে কৰ্মদক্ষতা, শিল্প-চিন্তা আৰু প্ৰকৃতি- প্ৰেমৰ বাবে এই সমাজৰ হোজা-সৰল নাৰী সমাজ পৃথিৱীৰ অন্যতম বৈশিষ্ট্যসম্পন্ন নাৰীত পৰিণত হ'ব। তাৰ বাবে এই সমাজত শিক্ষিত সকলে কেবাং বা গাঁওসংগঠনসমূহৰ জৰিয়তে মিচিং নাৰীৰ উন্নয়ন সম্পৰ্কীয় কিছুমান পথ-নিৰ্দেশনা দিব লাগিব। তদুপৰি পৌৰাণিক কিছুমান নিয়ম নীতিৰ শিথিলকৰণেৰে মিচিং নাৰীক সামাজিক কামত পুৰুষ সমাজৰ সৈতে সমান অংশ গ্ৰহণৰ সুবিধা প্ৰদান কৰিব লাগিব । মিচিং নাৰীৰ যিটো দিশত সবাতোকৈ গুৰুত্ব প্ৰদান কৰিব লাগিব সেইটো হ'ল শিক্ষাৰ প্ৰসাৰ। মিচিং নাৰী শিক্ষিত হ'লে তেওঁলোকৰ মাজত অতি কম বয়সতে বিয়া হৈ মাতৃ হোৱাৰ পৰম্পৰা নাইকিয়া হ'ব, স্বাস্থ্য সজাগতা বাঢ়িব, জন্ম নিয়ন্ত্ৰণৰ গুৰুত্ব বাঢ়িব আৰু তাৰ লগে লগে মিচিং গাঁওসমূহত আৰম্ভ হ'ব এক নৱ নাৰী-জাগৰণ। মিচিং সমাজৰ শিক্ষিত সমাজ আৰু সামাজিক সাংস্কৃতিক সংগঠনসমুহে এই ক্ষেত্ৰত নেতৃত্ব লোৱা উচিত। ০

## *আঁচৰিত কিন্তু সঁচা :-*

১। পাৰ চৰাইৰ বাহিৰে আন কোনো চৰায়েই ঠোঁটটো পানীত ডুবাই পানী খাই থাকিব নোৱাৰে। চৰায়ে সাধাৰণতে ঠোঁটৰ ভিতৰত পানী থৈ পিছত মুখখন ওপৰলৈ কৰিহে পানী গিলি থয়। কিন্তু পাৰ হ'ল ইয়াৰ ব্যতিক্ৰম। ইহঁত ঠোঁটতো পানীত ডুবাই থৈয়েই পানী খাই থাকিব পাৰে।
২। পৃথিৱীত কোটি কোটি মানুহ আছে যদিও পৃথিৱীৰ কোনো মানুহৰ আঙুলিৰ চাপ একে নহয়। আনকি সদৃশ যমজ দুটি সন্তানৰো আঙুলি চাপ ইজনৰ লগত সিজনৰ নিমিলে।
৩। জিৰাফৰ মূৰত শিং থকা বুলি সাধাৰণতে কোৱা হয় যদিও সেই দুটা আচলতে নোমেৰে ঢকা কোমল অংশহে।

# মিচিং সমাজত নাৰী শিক্ষাৰ অতীত আৰু বৰ্তমান

শাৰন্তী পেগু
জোনাই

ভাৰতীয় সমাজখন স্ত্ৰীশিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে উপলব্ধি কৰিব পৰা নাছিল ১৮ শ শতিকাৰ শেষ ভাগলৈকে, সেইকালৰ কোনো সৎ চিন্তাৰ ব্যক্তিয়ে স্ত্ৰীশিক্ষাৰ গুৰুত্বক উপলব্ধি কৰিব পাৰিলেও সেই সময়ত ৰক্ষণশীল সমাজ ব্যৱস্থাৰ পৰিধি ভাঙি নিজৰ কন্যা সন্তানৰ শিক্ষা লাভৰ বাবে বিদ্যালয়লৈ পঠোৱাৰ দুঃসাহস কৰিব পৰা নাছিল। আনকি ইংৰাজ শাসন কালতো শাসন কাৰ্যৰ সুবিধাৰ অৰ্থে শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা তীব্ৰৰূপত অনুভৱ কৰা হৈছিল যদিও ভাৰতীয় সামাজিক ব্যৱস্থাত থকা ৰক্ষণশীল মনোভাৱে স্ত্ৰীশিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত পৰিপন্থী ৰূপে থিয় দিছিল। আগবাঢ়িব পৰা নাছিল আশাপ্ৰদ ৰূপে । আনকি বিশ্বৰ উন্নত দেশ সমূহে নাৰীশিক্ষাৰ বিস্ফোৰণ ঘটাই মহাকাশত বিচৰণ কৰাৰ দৰে উল্লেখযোগ্য সাফল্য অৰ্জন কৰিলেও মাথোন দুটামান দহকৰ আগলৈকে আমাৰ দেশৰ স্ত্ৰীশিক্ষাৰ তেনেই পুতৌ লগা আছিল।

তেতিয়াৰ দিনত এপাচি কচু শাকত এটি জালুকৰ দৰে আঙুলিৰ মূৰত গণিব পৰা যি দুই এগৰাকী ছোৱালীয়ে মৰসাহ কৰি শিক্ষা লাভৰ নামত বিদ্যালয়মুখী হৈছিল, সেইসকলেও সমাজৰ পৰা পাব লগা হৈছিল অনেক লাঞ্চনাগঞ্জনা কৰ্কথনা। সমাজে অনুভৱ কৰিব পৰা নাছিল শিক্ষাৰ গুৰুত্বতা নাইবা স্ত্ৰীশিক্ষাৰ মূল্য।

স্বাভাৱিকতেই মিচিং সমাজখনো এনেবোৰ কু- সংস্কাৰৰ পৰা মুক্ত নাছিল। স্ত্ৰীশিক্ষাৰ ওপৰত সমাজৰ বিচাৰধাৰা অতিকে দুখলগা। সমাজখনে এসময়ত নাৰী শিক্ষাক গন্য কৰিছিল এক অপৰাধ ৰূপেই। কেৱল শিক্ষাৰ ক্ষেত্ৰতেই নহয় তেতিয়াৰ নাৰীয়ে ৰক্ষণশীল সমাজৰ বহুতো বাধানিষেধৰ মাজেদিহে নিজৰ জীৱন চলাই নিব লগা হৈছিল । নাৰীৰ চলন-ফুৰণ, আচাৰ-ব্যৱহাৰ আনকি জীৱনধাৰণ পৰ্যন্ত কৰিব লগা হৈছিল সমাজৰ ইচ্ছাৰেহে নাৰীৰ ব্যক্তিগত অধিকাৰবোৰ ন্যস্ত আছিল সমাজৰ হাতৰ মুঠিত।

উদাহৰণস্বৰূপে উল্লেখ কৰিব পাৰি যে নাৰীয়ে অভিনয় জগতত প্ৰৱেশ কৰা কাৰ্য্যৰ প্ৰতি দুৰ্ঘোৰ বিৰোধী আছিল সৌ সিদিনালৈকো ।

ছোৱালীয়ে চাইকেল এখন যোগাৰ কৰি লৈ দূৰৰ বিদ্যালয়লৈ অহা-যোৱা কৰাৰ দৰে সামান্য কথায়ো সমাজত সৃষ্টি কৰিছিল ভীষন আলোড়নৰ। আচলতে সেই কালত ছোৱালীয়ে চাইকেল চলোৱা কথাক, নাইবা অভিনয় কাৰ্য্যক এক লজ্জাৰ বিষয় ৰূপেই গন্য কৰিছিল সমাজে। আনকি নিজৰ কন্যা সন্তানক শিক্ষা প্ৰদানৰ বাবে আগ্ৰহী পিতৃকো কটু সমালোচনাৰ পৰা ৰেহাই দিয়া নাছিল সমাজে।

আকৌ কোনোৱা ইচ্ছুক নাৰীয়ে উচ্চ শিক্ষা লাভৰ প্ৰয়োজনীয়তাত পৰি ঘৰৰ পৰা এখোজ আগবাঢ়ি গৈ আঁতৰত থাকি শিক্ষা গ্ৰহণ কৰিব লগা হ'লেও সন্মুখীন হ'ব লগা হৈছিল সামাজিক বাধাৰ শিক্ষাৰ নামত ঘৰৰ পৰা ওলাই গৈ দূৰত থকা ছোৱালীক সমাজে চাইছিল ভীষম ভাৱে সন্দেহৰ চকুৰে । সমুখীন হ'ব লগা হৈছিল বিকৃত সমালোচনাৰ নানান অপবাদ ।

আনকি যেতিয়া পঢ়া-শুনা সমাপ্ত কৰি সংস্কাৰৰ নিয়ম মানি নতুন ঘৰ এখনত (বিয়াৰ নামত) ভৰি দিব লগা হৈছিল তেতিয়াও নতুন ঘৰখনৰ লগতে ঠাইখনৰ মানুহৰ সন্দেহ পূৰ্ণ চাৱনিৰ পৰা মুক্ত হ'ব পৰা নাছিল নাৰী। 'পঢ়া- শুনা নামতে কামলৈকো পিঠিদি এলাগী হৈ পৰাৰ লগতে স্বভাৱ-চৰিত্ৰৰ দিশতো অধঃপতনে যোৱা বুলিয়েই পুৰামাত্ৰাই সন্দেহ পোষন কৰিছিল সমাজে। এই ক্ষেত্ৰত নিজৰ কন্যা সন্তানক শিক্ষা লাভৰ বাবে অৰিহণা যোগোৱা নাইবা অনুমতি প্ৰদান কৰা পিতৃ-মাতৃকো কঠোৰ সমালোচনাৰ পৰা পৰিত্ৰান দিয়া নাছিল। কুণ্ঠবোধ কৰা নাছিল পিতৃ-মাতৃ সমন্বিতে কন্যা সন্তানক গৰিহনা দিবলৈ। অবিশ্বাস্য যেন লাগিলেও সত্য কথা যে সেইবোৰ সময়ত পঢ়া-শুনা কৰা ছোৱালীক এক প্ৰকাৰে অস্পৃশ্য হিচাপে গন্য কৰিছিল সমাজখনে।

অৱশ্যে সময়ৰ আহবানক সমাজে স্বীকাৰ কৰিব লগা হ'ল অচিৰেই। স্ত্ৰীশিক্ষাৰ ওপৰত সমাজে চলোৱা বাধা আৰোপবোৰ ভুল বুলি প্ৰতিপন্ন কৰি তুলিলে সময়ে। অৱশেষত যুগৰ আহবানক বেচি দিনলৈ অস্বীকাৰ কৰাৰ সাধ্য নাথাকিল সমাজৰ। ক্ষীণকৈ হলেও শিক্ষাৰ জিলিঙণি আহি পৰিল মিছিং সমাজখনলৈকো ।

যি নহওক ভাৰতলৈ ব্যাপ্তিষ্ট মিচনেৰী সকলৰ আগমনৰ পিচত তেওঁলোকৰ প্ৰধান উদ্দেশ্য খৃষ্ট ধৰ্ম প্ৰচাৰৰ বেলিকা স্ত্ৰীশিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা পদে পদেই উপলব্ধি কৰিব ধৰিলে। এই ক্ষেত্ৰত মিচনেৰী সকলে ৰুগীয়া আৰু দৰিদ্ৰলোকৰ মাজত প্ৰাথমিকচিকিৎসা সেৱা আৰু শিক্ষাৰ আদি পাঠ দিবলৈ আহোপুৰুষাৰ্থ চেষ্টা চলাব ধৰিলে। তেওঁলোকে অতিকে ভিতৰুৱা গাঁও অঞ্চল আৰু পাহাৰীয়া দুৰ্গম ঠাই সমূহকো ভেদ কৰি চিকিৎসা আৰু প্ৰাথমিক শিক্ষা প্ৰদানৰ কেন্দ্ৰ হিচাপে বাচি লৈছিল। তেনেদৰে ব্যাপ্তিষ্ট মিচনেৰী সকলে খৃষ্ট ধৰ্ম প্ৰচাৰৰ বাবে নিয়োজিত কৰা কৰ্মী মহিলা সকলেই অসমৰ নাৰী সমাজৰ আভ্যন্তৰত প্ৰৱেশ কৰি শিক্ষাৰ গুৰুত্ব সম্পৰ্কে একোটা ধাৰণা দিবলৈ প্ৰয়াস কৰে। তেওঁলোকৰ তেনে সদিচ্চাত সেই সময়ত ইংৰাজ শাসক সকলেও সহায়ৰ হাত আগবঢ়াইছিল।

পিছে এনে উপায়েৰেও ১৮ শতিকাৰ শেষ ভাগলৈকো স্ত্ৰীশিক্ষাৰ প্ৰতি সম্পূৰ্ণ সহাৰি জনোৱা নাছিল কু-সংস্কাৰপূৰ্ণ আমাৰ সমাজখনে বিচাৰ কৰিলে দেখা যায়, ভাৰতৰ বহুতো সম্প্ৰদায়ত তেতিয়াৰ প্ৰচলিত আছিল 'বাল্য- বিবাহ' প্ৰথা। নিজৰ কন্যা সন্তানক জন্মৰ দুটামান বছৰতেই আনৰ হাতত গটাই দিব পৰাই আছিল তেতিয়াৰ অভিভাৱকৰ প্ৰধান ধৰ্ম আৰু কৰ্তব্য। সেয়ে সেইবোৰ সময়ত কন্যা সন্তানক শিক্ষা দান কৰা অবান্তৰ কথা মাথোন আছিল।

আনহাতে মিছিং সমাজখনেও কন্যা সন্তানক বিবেচনা কৰি আহিছে অবাঞ্চনীয় সন্তান ৰূপেই। পুত্ৰ সন্তানক প্ৰয়োজনীয় শিক্ষাদীক্ষাৰে উপযুক্ত নাগৰিক ৰূপে গঢ়ি তোলাৰ পৰিবৰ্তে কন্যা সন্তানক বেলিকা অপ্ৰয়োজনীয় বিষয় ৰূপেই গন্য কৰে শিক্ষা প্ৰদানৰ ক্ষেত্ৰত । নিজৰ ছোৱালীক কোনো ৰকমে দুটামান বিদ্যা শিকাই আনৰ ঘৰলৈ উলিয়াই দিব পাৰিলেই কন্যা সন্তানৰ প্ৰতি পালন কৰিব লগা দায়িত্ব আৰু কৰ্তব্য শেষ বুলি বিবেচনা কৰি আহিছে মিছিং সমাজখনে। 'পঢ়িব লাগে পঢ়াব লাগে' এনে কথা সমাজৰ প্ৰয়োজনৰ বাহিৰৰে কথা আছিল সৌ সিদিনালৈকেও ।

এয়া আমাৰ স্ত্ৰীশিক্ষাৰ অনগ্ৰসতাৰ বেলিকা সামান্য উদাহৰণ মাথোন। এনেদৰে সমাজৰ কু-সংস্কাৰ, আৰ্থিক দৈন্যতা, বিদ্যালয়ৰ অভাৱ, যাতায়তৰ প্ৰতিবন্ধকতা, অভিভাৱকৰ সচেতনতাৰ অভাৱ, কন্যা সন্তানৰ প্ৰতি থকা অৱহেলাৰ মনোভাৱ, স্ত্ৰীশিক্ষাত অহেতুক সংশয় আৰু ভুলধাৰণা আদি অনেক উপসৰ্গই স্ত্ৰীশিক্ষাৰ প্ৰগতিত অন্তৰায় ৰূপে থিয় দিছিল সৌ সিদিনালৈকেও।

প্ৰকৃততে দেশে স্বাধীনতা লাভ কৰাৰ কেইবাদশকৰ পাছতহে দেশত স্ত্ৰীশিক্ষাৰ এক জাগৰণ পৰিলক্ষিত হয়। দেশত স্ত্ৰীশিক্ষাৰ অনুষ্ঠান, প্ৰতিষ্ঠানবোৰ গঢ়ি উঠিল ঠায়ে ঠায়ে। ফলত স্ত্ৰীশিক্ষাৰ প্ৰসাৰ ঘটিল লক্ষনীয়ভাৱেই, সাম্প্ৰতিক কালত কোনো দিশতেই পিছপৰি থকা নাই নাৰী সমাজ। আজিৰ নাৰীয়ে প্ৰতিটো দিশতে নিজক প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে। নিজৰ উপযুক্ততাৰ প্ৰমাণ দিবলৈ। কলা-বাণিজ্য, আইন, কাৰিকৰী সকলোদিশতেই পুৰুষৰ সমানেই আগবাঢ়ি গৈছে আজিৰ নাৰী। সৈন্য বাহিনী, বৈজ্ঞানীক, গৱেষক এইবোৰ সকলো দিশতেই অব্যাহত আছে নাৰীৰ জয়যাত্ৰা।

অতীতৰ জন্মৰ দুটিমান বছৰতে আনৰ হাতত গটাই দিয়াৰ পৰিৱৰ্তে আজিৰ অভিভাৱকে নিজৰ ছোৱালীক উচ্চ শিক্ষাৰে শিক্ষিত কৰি এগৰাকী প্ৰতিষ্ঠিত নাৰী ৰূপে গঢ়ি তোলাৰ অহৰহ প্ৰচেষ্ঠাবোৰ সততেই পৰিলক্ষিত হৈছে। পৰিলক্ষিত হৈছে ল'ৰা সন্তানৰ দৰেই কন্যা সন্তানকো সাহিত্যিক, সাংবাদিক, অধিবক্তা, প্ৰৱৰ্ত্তা ৰূপে পৰিচয় কৰাই দি গৌৰৱ অৰ্জন কৰিবলৈ।

এই ক্ষেত্ৰত নাৰী সমাজৰ সজাগতা, সচেতনতা আৰু নাৰী জাগৰণৰ কথা বিশেষ ভাৱেই উল্লেখনীয়। অতীতৰ দৰে অলপ ডাঙৰ হলেই আনৰ ঘৰলৈ যাবলৈ প্ৰস্তুত হোৱাৰ পৰিবৰ্তে আজিৰ ছোৱালীয়ে তৎপৰ হৈ পৰিছে শিক্ষা দীক্ষাৰে উপযুক্ত হৈ নিজৰ কেৰিয়াৰ গঢ়িবলৈ, নিজৰ ৰুচি মতে শিক্ষা আহৰণ কৰি এক স্বাচ্ছন্দ্য জীৱন যাপন সম্ভৱ কৰি তুলিবলৈ । ভয় সংকোচবোৰ ক'ৰবাতেই নিলগাই থৈ নিজকে ব্যক্তিত্বপূৰ্ণ ভাৱে আত্মপ্ৰত্যয়েৰে আগুৱাই যাবলৈ অতিকে তৎপৰ আজিৰ নাৰী সমাজ। আজিৰ ছোৱালীয়ে দেশে-বিদেশে

বিচৰণ কৰিবলৈ, দেশ-বিদেশৰ বিভিন্ন কৰ্মস্থলিত নিযুক্তি লভিবলৈ সক্ষম হৈছে। মহানগৰীত ফ্লেট কিনি, নিজে গাড়ী চলাই নাইবা বাইক দৌৰাই নিজৰ কৰ্ম ক্ষেত্ৰলৈ ঢাপলি মেলা দৃশ্য বৰ্তমানে সাধাৰণ দৃশ্যহে। দেশৰ সৰ্বোচ্চ খাপৰ বিষয়াৰ পৰা ৰাজনীতিজ্ঞ হৈ দেশৰ গুৰি ধৰোতা হোৱালৈকে, পৰ্বত আৰোহণত, খেল জগতত আনকি মহাকাশত বিচৰণ কৰালৈকে নিজৰ যোগ্যতা প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে আজিৰ নাৰী। সক্ষম হৈছে কবি, শিল্পী প্ৰযোজক, পৰিচালক অভিনেত্ৰী হ'বলৈ। যোগ্যতা অৰ্জন কৰিছে দেশৰ লগতে আন্তৰাষ্ট্ৰীয় সন্মান লাভ কৰিবলৈ। মৰ্যদা কঢ়িয়াই আনিছে নিজৰ লগতে দেশলৈকো । বৃদ্ধি কৰিছে দেশৰ গৌৰৱ । আগুৱাই গৈছে প্ৰতিযোগিতামূলক মনোভাৱেৰে, আত্ম প্ৰত্যেয়েৰে।

মাথোন দুটিমান দশকৰ আগলৈকেও য'ত মটৰ চাইকেল চলোৱাৰ দৰে সামান্য কথাকে সমাজে বৰ বুলি ভাবিছিল, য'ত অভিনয় কৰাৰ অপৰাধতে সমাজৰ পৰা বহিস্কাৰ কৰি জীৱন দুৰ্বিসহ কৰি তুলিছিল আজি সেই নাৰীয়েই হৈছে দেশৰ কাণ্ডাৰী, লৈছে দেশ শাসনৰ বাঘজৰী, বিজ্ঞানৰ উচ্চ শিখৰত আহোৰণ কৰি বিচৰণ কৰিছে মহাকাশত । কোনো দিশতে পিছ পৰি থকা নাই আজিৰ নাৰী।

পিছে এইখিনিতে এটি বিচাৰ্য্যৰ বিষয় যে সমগ্ৰ বিশ্বৰ স্ত্ৰীশিক্ষাই দোপত দোপে উন্নতিৰ উচ্চ শিখৰত আহোৰণ কৰাৰ বিপৰীতে তুলনামূলক ভাৱে আজি স্থবিৰ হৈয়েই ৰৈছে মিছিং সমাজৰ স্ত্ৰীশিক্ষা। আজিৰ মিছিং ছোৱালীয়ে দেখাক দেখি কোনো ৰকমে চাৰ্টিফিকেট এখন সংগ্ৰহ কৰিব পাৰিলেও গুণগত দিশত তেনেই তথৈবচ অৱস্থাহে পৰিলক্ষিত হৈছে। তথাকথিত শিক্ষিতৰ সংখ্যা বৃদ্ধি হৈছে যদিও পাৰদৰ্শিতাৰ হাৰ বঢ়া নাই। পাৰদৰ্শিতা অবিহনে শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য নিশ্চয় সম্পূৰ্ণ হ'ব নোৱৰে । শিক্ষিতৰ হাৰ বৃদ্ধিৰ অনুপাতে ৰাজ্যিক বা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিষয়া বা নেত্ৰী আজিও ওলোৱা নাই লক্ষণীয়ভাৱেই। প্ৰতিযোগিতামূলক পৰীক্ষা সমূহত বহাৰ যোগ্যতাৰ অভাৱ নাইবা বহিলেও উৰ্ত্তীণৰ হাৰ আশাপ্ৰদ নহয় ।

এনেবোৰ সমীক্ষাই প্ৰমাণ কৰে যে মিছিং সমাজত শিক্ষাৰ অগ্ৰগতি আজিও সন্তোষজনক নহয়। এইক্ষেত্ৰত সমাজখনৰ প্ৰতি চিন্তাশীল ব্যক্তিয়ে নাৰী শিক্ষাৰ কেৰুণ সমূহ আৰু প্ৰতিকাৰৰ উপায়বোৰ ফঁহিয়াই চাই উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা নিতান্তই বাঞ্চনীয়। অন্যথাই আজিৰ আধুনিক বিশ্বত মিছিং নাৰীয়ে কিমান দিনলৈ পঙ্গু হৈ ৰ'ব লাগিব তাৰ কোনো নিশ্চয়তা নাথাকিব। স্ত্ৰীশিক্ষাৰ এনে অধোগতিয়ে সমাজখনত সুদূৰ-প্ৰসাৰী প্ৰভাৱ পোলোৱাৰ আশংকাও নিশ্চয় নুই কৰিব নোৱাৰি।

উক্ত প্ৰবন্ধটি কবি সাহিত্যিক খগেন পেগুৰ পৰা সংগ্ৰহ কৰা হৈছে।

## মহৎ লোকৰ বাণী

- আমি যাক সৃষ্টি কৰিব নোৱাৰো তাক ধ্বংস কৰাৰ অধিকাৰ আমাৰ নাই। =গুৰু নানক

সত্যৰ কাৰণে সকলো ত্যাগ কৰিব পাৰি। কিন্তু কোনো কাৰণতে সত্যক ত্যাগ কৰিব নোৱাৰি =- স্বামী বিবেকানন্দ

- যদি সুখী হ'বলৈ বিচাৰা তেনেহলে ক্ষমা কৰিবলৈ শিকা। = মাদাৰ টেৰেছা

# দঃলুং কীবাং আৰু ইয়াৰ কাৰ্যাৱলী

**পৱিত্ৰ কুমাৰ পেগু**
**ডিব্ৰুগড়**

"দঃলুঙ"ৰ অৰ্থ হৈছে গাঁও। 'দঃ'ৰ অৰ্থ হৈছে থকা বা বাস কৰা, 'লুঙ' ৰ অৰ্থ হৈছে সমষ্টি, কেইবাটাও একে লগ হোৱা (দঃনাম+আলুং=দঃলুং) উদাহৰণ স্বৰূপে দিঃবাং আলুং=বাঃলুং, অচুং আলুং চ্ঃলুং, আগ' আলুং গলুং আদি । এই শব্দৰ পৰাই বুজিব পাৰি যে অতীত কালৰে পৰা মিচিংসকলে গাঁও পাতি বাস কৰিছিল। পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহোঁতে নদীৰ গতি পথৰ লগত সামঞ্জস্য ৰক্ষা কৰি নদীৰ পাৰে পাৰে পূৱা-পশ্চিমাকৈ চাংঘৰ সাজি গাঁও পাতি বাস কৰি আহিছে। উনৈশ পঞ্চাছ চনৰ আগলৈকে মিচিং গাঁওবোৰ নদীৰ পাৰে পাৰে শাৰী শাৰীকৈ বিয়াগোম বিয়াগোম আকাৰৰ চাং ঘৰেৰে ভৰি আছিল । আগফালে নদী, পিচফালে জংঘল আৰু কিছু দূৰত শস্য শ্যামলা বিশাল ধাননি পথাৰ। বাৰিষা আহে গাঁওখনক ধুই নিকা কৰি যায়। শস্যৰ পথাৰত নতুন পলস পেলাই যায়। পিছৰ বছৰৰ খেতিৰ বাবে মাটি অধিক সাৰুৱা হৈ পৰে। অভাৱ অনাটন বুলিবলৈ প্ৰায়ে নাছিল। ভঁৰালত মেটমৰা ধান, নদী, বিলবোৰত মাছৰ পয়োভৰ, হাবিত তাজুক, তাকুক, অম্বে অয়িং অৰ্থাৎ জংঘলী শাক । গাখীৰৰ বাবে ম'হ খুটি, গৰু খুটি আদি । এই উভৈনদী মিচিং গাঁওবোৰে ৰং ৰহইচ কৰিবলৈ বছৰি আলি আঃয়ে লৃগাং, পঃৰাগ, আম্ৰাগ আদি উৎসৱ অনুষ্ঠিত কৰিছিল। গাঁৱৰ এই সামাজিক কামবোৰ দঃলুং কীবাংবোৰে সম্পন্ন কৰিছিল। দঃলুং কীবাংবোৰৰ স্থিতি ভৌগোলিক আৰু সামাজিক পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি গঠন হৈছিল। এইবোৰৰ বিশেষ লিখিত নিয়ম-নীতি বা সংবিধান নাছিল। যদিও পৰম্পৰাগত কিছুমান নিয়ম নীতিৰ আধাৰত পৰিচালিত হৈছিল। এই পৰম্পৰাগত নিয়ম-নীতিবোৰ দঃলুং কীবাংবোৰৰ অলিখিত সংবিধানস্বৰূপ। এই বোৰৰ সাংগঠনিক, প্ৰশাসনিক, ন্যায়িক আৰু আৰ্থিক দিশবোৰ আলোচনা ইয়াত কৰা হৈছে।

দঃলুং কীবাংৰ সাংগঠনিক ব্যৱস্থা : কেইবাটাও • চুবুৰি লগ লাগি এখন গাঁও হয়। এই গাঁওবোৰতে একোখনকৈ দঃলুং কীবাং থাকে। কেবাখনো গাঁও সামৰি এজন "গাঃম" নিৰ্বাচন কৰিছিল। সমাজত কথা ক'ব পৰা, সমাজক সংগঠিত কৰিব পৰা আৰু ন্যায় বিচাৰ কৰিব পৰা এগৰাকী পুৰুষক গাঃম হিচাপে নিৰ্বাচন কৰিছিল। সেই 'গাঃম' পদৰ ওপৰত প্ৰশাসনিক আৰু ন্যায় ক্ষমতা প্ৰদান কৰা হৈছিল। দঃলুং কীবাংঙৰ লগত সামঞ্জস্য ৰক্ষা কৰি গাঃমে গাঁও পৰিচালনা কৰিছিল। অৱশ্যে চৰকাৰী গাঁওবুঢ়া নিয়োগ কৰাৰ পিছত পুৰণি গাঃমবোৰ নিষ্কৰ্মা হৈ পৰিল ।
অতীত কালৰে পৰাই মিচিং সমাজত দঃলুং কীবাং প্ৰথা আছিল; যদিও ঠাই অনুসৰি ইয়াৰ নীতি-নিয়মবোৰ বেলেগ বেলেগ আছিল । দঃলুং কীবাংঙৰ মুৰব্বীজনক 'মিগম' নাম দিয়া হৈছিল। আহোম ৰাজত্বৰ সময়ত সলনি হৈ 'মিগম বৰা'নাম হৈছিলগৈ। মিগম বৰা জন গাঁৱৰ বিভিন্ন সামাজিক কামত নেতৃত্ব দিব পৰা লোককহে বচা হৈছিল। দঃলুং অৰ্থাৎ গাঁৱৰ সকলো লোকৰে মতামত সাপেক্ষে মিগম বৰা নিৰ্বাচন কৰা হৈছিল। কিছুমান ঠাইত 'মিগম বৰাৰ ঠাইত 'ডেকা বৰা' বুলিও কোৱা হৈছিল। গাভৰুসকলৰ পৰাও এগৰাকী "তিৰি বৰা" পাতি লৈছিল। কিছুমানে তিৰি বৰা গৰাকীক 'বৰাণী' বুলিও কৈছিল। এইবোৰৰ উপৰিও বিভিন্ন কামৰ বাবে বেলেগ বেলেগ বিভাগত পদবী দিয়া হৈছিল। বিশেষকৈ পঃৰাগ উৎসৱৰ সময়ত ডেকা-গাভৰুবোৰৰ মাজৰপৰা বিভিন্ন পদবী সৃষ্টি কৰি কামবোৰ ভগাই লৈছিল। উদাহৰণস্বৰূপে 'বাক', 'টেকেলা বৰা', 'ৰেমি' আদি পদবীও গাঁৱৰ ৰাইজে দিছিল। গাভৰুসকলক পৰিচালনা কৰিবলৈ কিছুমান গাঁৱত 'অগৃং' (গাভৰুৰ টেকেলা) পদবী দিছিল। এই পদবীবোৰ লৈ এক কাৰ্যক্ষম দঃলুং কীবাং গঠন কৰা হৈছিল। কিন্তু আহোম প্ৰশাসনৰ সময়ত আহোম সাম্ৰাজ্যৰ শাসন প্ৰণালীৰ প্ৰকোপত দঃলুং কীবাংবোৰৰ গঠন প্ৰণালীও পৰিৱৰ্তন ঘটিল।

**দঃলুং কীবাঙৰ প্ৰশাসনিক ব্যৱস্থা** : অতীততে মিচিং সমাজত দঃলুং কৌবাংবোৰৰ ওপৰত শক্তিশালী প্ৰশাসনিক ক্ষমতা ন্যস্ত কৰা হৈছিল। এই প্ৰশাসন যন্ত্ৰ পৰিচালনা কৰিবলৈ আৰু মুকলি আলোচনা কৰিবলৈ গাঁৰৰ এমূৰত মুকলি পথাৰত মূৰং ঘৰ সাজি লৈছিল। গাঁৰৰ প্ৰশাসনিক বিষয়বোৰৰ সভাত গাঃম বা মিগম বৰা পৌৰাহিত্যত অনুষ্ঠিত হৈছিল। দঃলুং কীবাঙৰ সভাত গাঁও ঘৰ নিৰাপত্তা, বেমাৰ-আজাৰ, মাৰি মৰক বিষয়ক আলোচনা হৈছিল আৰু গাঁৰৰ সকলোৰে মত সাপেক্ষে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল ।

আলি আঃয়ে লৃগাং, পঃৰাগ, বিহু আদি কেনেদৰে উদ্‌যাপন কৰা হ'ব, কাৰ ঘৰৰ পৰা গুম্বাগ, বিহু গোৱা আৰম্ভ কৰিব ইত্যাদি বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰা হয়। পঃৰাগ পাতিবলৈ প্ৰায় তিনি বছৰৰ আগৰে পৰাই প্ৰস্তুতি আৰম্ভ কৰিব লগা হয়। প্ৰশাসনিক দিশত কাক কেনে ধৰণৰ দায়িত্ব প্ৰদান কৰা হ'ব এই সকলোবোৰ বিষয় দঃলুং কীবাঙত আলোচনা কৰা হয়। কৌবাঙৰ সিদ্ধান্ত অনুসৰি পৰৱৰ্তী কামবোৰ সম্পাদন কৰা হয়। দঃলুং কীবাঙৰ নিজা সামাজিক কামবোৰৰ উপৰিও কোনোবা পৰিয়ালৰ মিদাং (বিয়া), দদ্‌গা (দহা), কুঃচাক আদি কামবোৰো সামাজিক ভাৱে গাঁৰৰ ৰাইজে সম্পাদন কৰি দিয়ে। দঃলুং কীবাঙে গাঁওখনৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে কাম কৰিব লাগে। গাঁৰৰ ভিতৰৰ ৰাষ্টা পদূলি নিৰ্মাণ, ইখন গাঁৰৰ পৰা সিখন গাঁৰলৈ যাবলৈ হাবি কাটি ৰাস্তা বনোৱা, মুৰং ঘৰ নিৰ্মাণ কৰা, গলুং (মৰিশালী) নিৰ্মাণ কৰা, মানুহ মৰিলে সামাজিক প্ৰথাৰে সমাধি দিয়া আদি বিভিন্ন কামত দঃলুং কীবাঙে কাম কৰি আহিছে।

**দঃলুংকীৰাঙৰ ন্যায়িক ক্ষমতা** ঃ দঃলুং কৌবাংবোৰৰ ওপৰত ন্যায়িক ক্ষমতাও ন্যস্ত আছিল । গাঃম বা মিগম বৰাই গাঁৰৰ কিছুমান বিষয়ত ন্যায় বিচাৰ কৰি সমাজদ্ৰোহী লোকক আৰু সমাজৰ নীতি-নিয়ম মানি নোলোৱা নিয়ম ভঙ্গকাৰীক সমাজচ্যুত কৰিব পাৰিছিল ।

গাঁৰত দুজনৰ মাজত মনোমালিন্য ঘটিলে নাইবা বাদ-বিবাদ হ'লে গাম বা মিগম বৰাই বিচাৰ কৰি মীমাংসা কৰে। এইবোৰ ৰজনী কান্ত বৰদলৈয়ে "মিৰি জীয়ৰী" পুথিত এইদৰে উল্লেখ কৰিছে— 'বাৰে গাম'ৰ হুকুম লৰচৰ নহয়। এই চূড়ান্ত সিদ্ধান্ত লোৱাৰ পিছত জংকী পানৈক নদীত পেলাই হত্যা কৰা হৈছিল। কিন্তু বাস্তৱ ক্ষেত্ৰত দোষীক শাৰীৰিক শাস্তি বিধান দিয়াতো প্ৰায় কম আছিল। সাধাৰণ দণ্ড হিচাপে নগদ ধন কুকুৰা, আপং লোৱা প্ৰথা আছিল। "মিচিং সংস্কৃতিৰ আলেখ্য" পুথিত পঃৰাগ শীৰ্ষক ৰচনাত নন্দেশ্বৰ পামেগামে এইদৰে উল্লেখ কৰিছে –

"There are no courts of law, no punish- ment, no jails. The only penalty is public disapraval. A man who rebels against customs will be isolated and considered as "outsider" or "out casts"," , This is a sort of social boycott."

মিচিং সমাজত মাটিৰ বিবাদ, চুৰি কাৰ্য্য, অবৈধ বিবাহ আদিৰ ক্ষেত্ৰত দঃলুং কীবাঙে বিচাৰ কৰে। গাঃম বা মিগম বৰাৰ পৌৰহিত্যত এইবোৰ বিচাৰ কৰা হয়। গাঁৰত সমাজ বিৰোধী কাৰ্যত লিপ্ত হোৱা লোকক কীবাঙলৈ মাতি আনি বিচাৰ কৰা হয়; বিচাৰত নিষ্পত্তি নহ'লে নাইবা ৰাইজৰ ৰায় মানি নল'লে দোষী ব্যক্তিজনক লগতে ঘৰখনক যত্‌পাক অৰ্থাৎ সমাজচ্যুত কৰা হয় ।

পূৰ্বে উল্লেখ কৰি অহা হৈছে যে দঃলুং কীবাঙৰ স্থিতিবোৰৰ কোনো লিপিবদ্ধ তথ্য পোৱা নাযায়, সকলোবোৰ কাৰ্য মৌখিকভাৱে সম্পাদন কৰি গৈছিল। এখন গাঁৰৰ লগত অন্য এখন গাঁৰৰ কাজিয়া হ'লে নিষ্পতিৰ বাবে কেইবাখনো গাঁৰৰলোকে গোট খাই মীমাংসা কৰিছিল। এই মহামেল বা সভাক "বাঃনী কৌবাং" বুলি কোৱা হৈছিল।

১৯২৪ চনত মিচিং সমাজৰ কেইগৰাকীমান সচেতন ব্যক্তিৰ উদ্যোগত মাজুলীৰ গেজেৰা গাঁৰত "মিৰি সন্মিলন" নামে এখন জাতীয় সংগঠন জন্ম হৈছিল। এই মিৰি সন্মিলনকে পিছলৈ "মিচিং বাঃনী কৌবাং" নামকৰণ কৰা হয়। অতীতৰ এই মিচিংবাঃনী কৌবাং গঠন প্ৰণালীত দঃলুং কৌবাং সমূহত অন্তৰ্ভূক্ত কৰিছিলেনে নাই, দঃলুং কৌবাং সমূহক কি স্থানত ৰাখিছিল জানিব পৰা নাযায়। অৱশ্যে আৰ্থ সামাজিক, ৰাজনৈতিক ভাৱে এই বাঃনৗ কৌবাং সংবিধান আছে। সাম্প্ৰতিক কালৰ মিচিং বাঃনৗ কৌবাং সংবিধানখনত দঃলুং কৌবাং সমূহক শাখা হিচাপে লোৱা প্ৰত্যক্ষ হোৱা নাই । কিন্তু সকলো মিচিং অধ্যুষিত অঞ্চলত বাঃনৗ কৌবাং শাখা সমিতি (বাংকে) গঠন কৰা আছে। গাঁৰৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত মিচিং বাঃনৗ কৌবাং লগত

দঃলুং কৌবাংঙৰ প্ৰত্যক্ষ সম্পৰ্ক থকা দেখা পোৱা নাযায়। সেয়েহে দঃলুং কীবাংবোৰে মিচিং বাঃনী কৌবাংঙৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব লগা নহয় ।

২৫

প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণতেই হওক বা আৰ্থিক অনাটনৰ কাৰণতেই হওক দঃলুং কীবাঙৰ অস্তিত্ব বৰ্তমান মিচিং গাঁওবোৰত প্ৰায় নাইকিয়া হৈ পৰিছে। সংগঠিত ৰূপত ফলপ্ৰসূ কাৰ্যকৰী ব্যৱস্থা নথকাৰ বাবে দঃলুং কৌবাংবোৰ মৰহি গৈছে। ইয়াৰোপৰি আলি আই লৃগাং, পঃৰাগ উৎসৱ আদিও অতীতৰ প্ৰথাৰে উদযাপন হৈ থকা নাই, যাৰ বাবে দঃলুং কীবাংবোৰৰ সজীৱতা নাইকিয়া হৈ পৰিছে।

চৰকাৰৰ পঞ্চায়তৰাজ নীতি আৰু বিভিন্ন আঁচনিবোৰেও দঃলুং কৌবাং বিলুপ্ত হোৱাত ইন্ধন যোগাইছে। উন্নয়নমূলক আঁচনিবোৰ চৰকাৰৰ ওপৰ মহলাৰ পৰা জাপি  দিয়া হয়। গাঁও স্তৰৰ পৰা আঁচনিবোৰ গ্ৰহণ নকৰাৰ ফলত পৰম্পৰাগত ৰীতি-নীতি, প্ৰথাবোৰ অকালতে মৃত্যু হোৱা পৰিলক্ষিত হৈছে।

মিচিং বাঃনী কৌবাংঙক পুনৰ গঠন প্ৰণালীৰে দঃলুং কীবাংবোৰ পুনৰ সজীৱ কৰিব পৰা যাব। কেইবাখনো দঃলুং কীবাং লগ-লাগি বাংকে কীবাং আৰু বাংকে কৌবাং লগ লাগি বাংগ কৌবাং, আৰু কেবাখনো বাংগ কীবাঙৰ প্ৰতিনিধিৰে বাঃনী কেবাং গঠন কৰিব পাৰি। এই পৰ্য্যায়ত মিচিং বাঃনী কৌবাংঙক পুনৰ গঠন কৰিলে দঃলুংবোৰৰ লগত সম্পৰ্ক গঢ়ি উঠিব আৰু দঃলুং কৌবাঙবোৰো পুনৰ প্ৰাণ পাই উঠিব।

# কাৰগিল

মনালিছা পেগু
কাৰেং চাপৰি গাঁও

লুইতৰ বুকুৰ এটা চাপৰি
নাম 'কাৰগিল'
ৰূপ-গুণ, সেউজীয়া ঝাওবনেৰে ভৰি
যান্ত্ৰিকতাৰ আৱেগক পৰাজিত কৰি ।
কাৰগিলৰ কাষতে মোৰ ‘কাৰেং গাঁওখনি'
জনম লভি কৈশোৰ পাৰ কৰিছো,
আত্মীয়তা গঢ়িছিল কঁহুৱা বনবোৰৰ সৈতে
লুকা-ভাকু খেলি সমনীয়াৰ সৈতে
সাজিছিলোঁ বালিঘৰ ।
কিন্তু
মুক্ত আকাশৰ জোনাকৰ তলত
আইতাৰ মুখে শুনিছিলোঁ
কাৰগিলখনিলৈ হেনো সঘনে আহে
যখিনী ছোৱালী।
অজানিতে ভুল গৈছিলোঁ
কিন্তু, কিয় ।
হয়, শৈশৱৰ স্মৃতি ৰোমন্থন কৰি
হৈ পৰিছো নষ্টালজীয়া ।

# জনজাতি সমাজৰ অন্ধবিশ্বাস আৰু ডাইনী প্ৰথা

নৃপেন দেউৰী
যোৰহাট

জনজাতি সমাজৰ অন্ধবিশ্বাস বিশেষকৈ ডাইনী প্ৰথা সম্পৰ্কে এই প্ৰবন্ধটোত আলোচনা কৰিবলৈ ওলাইছো। বৰ্তমান জনজাতি সমাজত শান্তি, শৃংখলা, সুখ সম্পদৰ অভাৱ আৰু অন্ধবিশ্বাসহে বিশেষভাৱে আগবাঢ়িব ধৰিছে। সমাজৰ বৰ্তমান পৰিস্থিতি আৰু নানা সমস্যাৱলীৰ সূত্ৰ বিচাৰি পোৱা যায়নেকি তাৰেই যথোপযুক্ত চেষ্টা কৰা হৈছে।

জনজাতি সমাজৰ অন্ধবিশ্বাস আৰু ডাইনী প্ৰথা সম্পৰ্কে আলোচনা কৰিবলৈ হলে প্ৰথমে বিবেচনা কৰিব লাগিব সমাজ কি? প্ৰকৃততে অন্ধবিশ্বাসনো কি? ডাইনী নো কি? এই বিষয়ে অনুধাৱন কৰিবলৈ হ'লে তলত উল্লেখ কৰাৰ নাৰে কৰিব পাৰি।

সৃষ্টিৰ শ্ৰেষ্ঠ জীৱ মানুহেই। এই সৃষ্টিত মানুহেই একছত্ৰীভাৱে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। মানুহৰ সমাজ অতি আপোন, অতি মৰম আৰু অতি চেনেহৰ। সমাজক বাদ দি মানুহ জীয়াই থাকিব নোৱাৰে। সমাজক বাদ দিলে মানুহৰ জীৱন অচল হৈ পৰে। এই 'সমাজ' শব্দৰ ধাতুগত অৰ্থ হৈছে সম+অজ ধাতু। সম মানে সম্যকভাৱে, অজ মানে গামন কৰা বা যোৱা অৰ্থাৎ সম্যকভাৱে যোৱা। সমাজ হৈছে- "Inter interested body of people who are held together by Ideal Centric love and mutual activ service."- Sri Sri Thakur

ব্যক্তি লৈয়ে সমষ্টি, সমষ্টি লৈয়ে সমাজ, সমাজ লৈয়ে জাতি, জাতি লৈয়ে দেশ, দেশ লৈয়ে ৰাষ্ট্ৰ। ব্যক্তিৰ দ্বাৰা সমাজ গঢ়া যায়। কিন্তু সমাজ দ্বাৰা ব্যক্তি গঢ়া নাযায় । ব্যক্তিৰ উন্নতি অধোন্নতিৰ ওপৰত সমাজৰ উন্নতি আধোন্নতি। ব্যক্তি সুন্দৰ হলেহে সুন্দৰ সমাজ আৰু জাতি গঢ়ি উঠিব। মানুহে গঢ়িছে সমাজ, সৃষ্টি কৰিছে জাতি   সমাজত ভাল মানুহ থাকিলে সমাজৰেই মঙ্গল আৰু সমাজত বেয়া মানুহ থাকিলে সমাজৰেই ক্ষতি। ব্যক্তি আৰু সমাজ উভয়ে উভয়ৰ ওপৰত নিৰ্ভৰশীল। এখন সুস্থ সবল সমাজ গঢ়ি তোলাত প্ৰত্যেক ব্যক্তিৰেই এটা মহান দায়িত্ব আৰু কৰ্তব্য আছে।

'**অন্ধবিশ্বাস**'— শব্দৰ অভিধানি অৰ্থ হৈছে কনাৰ দৰে, অৰ্থাৎ বিবেচনা নকৰাকৈ কৰা বিশ্বাস। কোনো যুক্তিসিদ্ধ আৰু বৈজ্ঞানিক ভিত্তি নথকা বিশ্বাস। বিবেচনা শূন্য, জ্ঞানান্ধ। অন্ধবিশ্বাসে ধৰ্মকো অধৰ্ম বোলে ।
'ডাইনী' শব্দৰ অৰ্থ হৈছে পিশাচ, বদমাচ লোক-A very wicked person. ভূতৰ স্বভাৱ লগা তিৰোতা, মায়াবিনী।

'**জনজাতি**'—ট্ৰাইবেল- মানে হীন নহয়। ট্ৰাইব ইংৰাজী শব্দ। ট্ৰাইব মানে -জাতি বা শ্ৰেণী। পিচপৰা জাতিসমূহ বা শ্ৰেণীসমূহক একেলগ কৰি বিশেষণ কৰিলে ট্ৰাইবেল হয়।

জনৰ পৰা জাতি। গতিকে এটা জাতিৰ প্ৰত্যেক জনৰ প্ৰথমে জাতীয় চেতনা থাকিব লাগিব। চেতনা অবিহনে জাতিৰ উন্নতি আশা কৰা মিছা। ইয়াৰ পাছত প্ৰয়োজন সামাজিক সচেতনতা। সামাজিক সচেতনতা নাথাকিলে সমাজ ব্যৱস্থাও ঠিক পথত যাব নোৱাৰে। এই বিশ্লেণৰ পৰা দেখা যায় যে তুলনামূলকভাৱে জনজাতি সমাজ পিছ পৰি আছে।

বৰ্তমান যুগ বিজ্ঞানৰ যুগ। বিজ্ঞান মানে বিশেষ জ্ঞান। বিজ্ঞান হৈছে বাস্তৱ জ্ঞান। বিজ্ঞান মানে নাজানি নাজানি জীয়াই থকাতকৈ জানি জানি জীয়াই থকাকে বিজ্ঞান বোলা হয়। বিজ্ঞানৰ প্ৰগতিয়ে বহুতো নজনা কথাৰ ৰহস্যৰ

ভেদ ভাঙি বহুতো অসম্ভৱক সম্ভৱ কৰি তুলিছে। এনে বিজ্ঞানৰ চৰম বিকাশৰ যুগত জনজাতি সমাজত অন্ধবিশ্বাস আৰু ডাইনী প্ৰথাই সমাজখনক অক্টোপাচৰ দৰে আগুৰিব ধৰিছে। বৰ্তমান জনজাতি সমাজৰ অন্ধবিশ্বাস আৰু ডাইনী প্ৰথা এটা বৰ স্পৰ্শকাতৰ বিষয়। অন্ধবিশ্বাস সমাজৰ বৰ বিহ। It is opium of the people.

অন্ধবিশ্বাসৰ ফলত সমাজৰ বহু লোক মৃত্যুক সাৱতিব লগা হৈছে। ই জাতিৰ বাবে অতি লজ্জাজনক কথা । সমাজৰ অন্ধবিশ্বাস আৰু ডাইনী প্ৰথাৰ নামত হোৱা ব্যভিচাৰ আৰু অত্যাচাৰৰ অভিজ্ঞতায়ো কিছুলোকৰ মনত এক বিৰাগ আৰু অনীহাৰ ভাবো সৃষ্টি নকৰাকৈ থকা নাই। এই কুসংস্কাৰ অন্ধবিশ্বাস আৰু ডাইনী প্ৰথাই সমাজখনক আগবঢ়াত বাধা সৃষ্টি কৰিছে। আমাৰ সমাজ একেবাৰে পচি গৈ◌েছে। অন্ধবিশ্বাসে সমাজৰ বান্ধ ভাঙি দিছে। ব্যক্তিজীৱনৰ পৰা আৰম্ভ কৰি সমাজ যেন এক অচলা অৱস্থাৰ সৃষ্টি হৈছে আৰু উপস্থিত হৈছে মহা সংকটকাল। মানুহ আজি নানা সমস্যাত জৰ্জৰিত, বিধ্বস্ত, ক্ষত-বিক্ষত আৰু বিভ্ৰান্তিৰ চৰম পৰিণতিত ভুগিছে । সমাজৰ বুকুত দেখা দিছে মতভেদ, দলাদলি, বিশৃংখল, অনাচাৰ, ব্যভিচাৰ,অত্যাচাৰ, অশান্তি আৰু উৎপীড়ন। গণজীৱনত আজি দেখা দিছে সুখৰ পৰিৱৰ্তে এক চুৰান্ত আতংক।

বৰ্তমান গোটেই সমাজৰ আকাশে-বতাহে অন্ধবিশ্বাস আৰু ডাইনী প্ৰথাই আৰ্ত মানুহৰ মাজত হাহাকাৰ আৰু কান্দোনৰ ধ্বনি - প্ৰতিধ্বনি হৈছে। ঘৰে ঘৰে আজি অশান্তিৰ জুই জ্বলি মানুহক পুৰি জৰ্জৰিত কৰি পেলাইছে। বাতৰি কাকত, টি.ভি, ৰেডিঅ' আদিৰ মাধ্যমেদি প্ৰতিদিনে অপ্ৰীতিকৰ ঘটনা, কিমান মাৰপিট, খুন আদিৰ খবৰ ওলাইছে। হিংসা প্ৰতিহিংসাৰ বিষত সমাজ বিষাক্ত হৈ পৰিছে। অন্ধবিশ্বাসে আমাৰ সমাজত এক বৈষম্যৰ ভয়াবহ ৰূপে দেখা দিছে। সমাজৰ পৰিৱেশ বিষাক্ত হৈছে আৰু ফলস্বৰূপে সমাজত স্নেহ শ্ৰদ্ধাহীন, বিশৃংখল পৰিস্থিতি সৃষ্টি হৈছে। আজিৰ অন্ধবিশ্বাসৰ পাৰিপাৰ্শ্বিকতাই গাওঁবাসীৰ জীৱন, জাতীয় জীৱনক বিছিন্ন কৰি তুলিছে। মানুহৰ মাজত ভাতৃবোধ, ঐক্য, সংহতি নষ্ট হৈছে। সমাজ তিলতিলকৈ অন্ধবিশ্বাসৰ জুইত দগ্ধ হৈ এচামে মৃত্যুক সাৱটি লব লগা হৈছে। ইয়াৰ বাবে আমি সকলোৱেই দায়ী। জনজাতীয় সমাজত বিশ্বাস আৰু ডাইনী প্ৰথাত মানুহৰ মূল্যবোধ চৰম বিপৰ্যয়। অন্ধবিশ্বাসৰ টনা আজোৰাত মানুহ আজি বিভ্ৰান্ত আৰু দিশাহাৰা হৈছে।

আজি দ্ৰুতগতিত জনজাতিসকলৰ সমাজৰ পিচত অন্ধবিশ্বাসৰ সমস্যা সৃষ্টি হৈছে। অন্ধবিশ্বাসেৰে ভূত-পিশাচৰ পূজা চলিছে। যাৰ ফলত কিছু গাওঁ ধ্বংসৰ পথত আগুৱাই চলিছে। এই অন্ধবিশ্বাস আৰু ডাইনী প্ৰথাৰ বিভীষিকা দেখি সমাজৰ সমাজবাদী লোকৰ চিতান্বিত হৈ পৰিছে। সমাজ খন বচাবলৈ সঠিক পথ দিব লাগিব। আজি বিবৰ্তমান গতিশীল জগতত জনজাতীয় সমাজখন অদৃশ্য ৰাজ্যত প্ৰবৃত্তি আৰু ব্যতিক্ৰম চলনত গৈ গৈ কি কৰিবলৈ, কলৈ গৈছে, কি হ'বলৈ গৈছে আৰু কি পাব একো ঠাৱৰ কৰিব নোৱাৰাকৈ জীৱনটো অসম্পূৰ্ণ অৱস্থাত অদৃশ্যৰ হাতত এৰি দিব লাগিব ।

আদিম যুগত মানুহে জন্তুলৈ ভয় কৰিছিল আৰু নিৰাপদে থাকিবলৈ সমাজ পাতি লৈছিল। কিন্তু আজিৰ যুগত মানুহে মানুহলৈ বেছি ভয় কৰিবলগীয়া হৈছে। আজিৰ যুগত মানুহেই মানুহৰ প্ৰধান শত্ৰু। সমাজ দিনক দিনে বিশৃংখল গতিত যাব ধৰিছে। পূৰ্বৰ সেই সমাজ ব্যৱস্থা ছিন্ন-বিচ্ছিন্ন হৈ যাব ধৰিছে । মানুহ আজি অস্থিৰ। প্ৰবৃত্তিৰ পথত চয়তানৰ ৰাজত্ব আৰু নিবৃত্তিৰ পথত ঈশ্বৰ প্ৰাপ্তি ।

বেশনধাৰী দলৰ যড়যন্ত্ৰৰ কবলত পৰি এক শ্ৰেণী মানুহ আজি বিপদগ্ৰস্থ । ধৰ্মৰ নামত চলিছে অন্যায়-ত্যাচাৰ। চয়ন্ত ভগৱান, কৃষ্ণ, নাৰায়ণ, ব্ৰহ্মা, লক্ষ্মী আদিৰ ছত্ৰছায়াত সৰ্বসাধাৰণ ৰাইজ নিচিন্তমনে বসবাস কৰিব পৰা নাই । আজি সুন্দৰ সমাজ ব্যৱস্থাৰ বুকুত আঘাত আহি পৰিছে। সমাজত দুজনৰ অবাধ ৰাজত্ব চলিছে আৰু ক্ৰমে ক্ৰমে গৈ গোটেই সমাজ খনকে ৰাহুৱে গ্ৰাস কৰাৰ নিচিনাকৈ গ্ৰাস কৰি পেলাইছে। অন্ধবিশ্বাসৰ মায়াজালৰ পিঞ্জৰাত আৱদ্ধ হৈ কিছুলোক দিশাহাৰা হৈছে। বৰ্তমান সময়ত সমাজত এই অন্ধবিশ্বাসৰ চৰিত্ৰটোৱে স্পষ্ট হৈ পৰিছে। ভগৱানৰূপী

স্বাৰ্থপৰ আৰু অসৎ চৰিত্ৰৰ লোকসকলে কিছুলোকৰ সৰলতাৰ সুযোগ লৈ ক্ৰমে ক্ৰমে অন্ধবিশ্বাস আৰু ডাইনী প্ৰথাৰ আধিপত্য বিস্তাৰ কৰিছে।

আজি আমি নিজকে শিক্ষিত বুলি কবলৈ ওলাইছো যদিও আমাৰ সমাজ জীৱনত অশিক্ষিতৰ কৰ্ম-কাণ্ডহে বেছি বৃদ্ধি পাব ধৰিছে। বৈজ্ঞানিক দৃষ্টিভংগীৰে সবল হোৱাৰ বিপৰীতে তন্ত্ৰ মন্ত্ৰ আদিৰ দৰে ভিত্তিহীন ধাৰণাবোৰেহে আমাৰ সমাজত গা কৰি উঠিছে। ডাইনীৰ সন্দেহত অত্যাচাৰ, নহত্যাৰ নিচিনা ঘটনা চলিব ধৰিছে। ইয়াৰ মূল কাৰণ হ'ল-অন্ধবিশ্বাস। বিভিন্ন ধৰণৰ ধাৰণাবোৰে আকৌ জন্ম দিছে অন্ধবিশ্বাসৰ। এনেকুৱা কিছুমান ধাৰণাই কিছুলোকৰ মনবোৰক অতিকৈ দুৰ্বল কৰি দিয়ে। যাৰ ফলত তন্ত্ৰ-মন্ত্ৰৰ দৰে ভিত্তিহীন ধাৰণাত হৈ পৰে অন্ধবিশ্বাসী। কোনোবা এজন তান্ত্ৰিক, বেজ, বাবা, দেওধনী আদিয়ে কোৱা কথাবোৰক বিশ্বাস কৰিবলৈ লয়। তেওঁলোকৰ কথাবোৰ বেদৰ বাণী হ'ব নোৱাৰে । অন্ধবিশ্বাসৰ কোনো ভিত্তি নাই । অন্ধবিশ্বাসৰ ফলত সমাজত ব্যাপক হাৰত অঘটন হব ধৰিছে।

গতিকে বৰ্তমানে এই ভয়াবহ পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰয়োজন সমাজ ভাতৃত্বৰ। এই সমাজ ভাতৃত্বৰ পৰা সূচনা হ'ব জাতিৰ শান্তি। মানুহেই জীৱশ্ৰেষ্ঠ। বৰ্তমান সময়ত ধৰ্মৰ পথৰ পৰা আতৰি অহা বাবেই নানা দুৰ্নীতি ভ্ৰষ্টাচাৰত লিপ্ত হোৱা দেখা গৈছে। জাতিৰ, সমাজৰ মেৰুগুস্বৰূপ যুৱ সমাজৰ নৈতিক স্খলন তথা অধপতনৰ কথা সকলোৱে নিতৌ দেখি শুনি আছে। শাস্ত্ৰৰ বাক্য নেওচা দি দিনক দিনে এক অন্ধকাৰ ভৱিষ্যতলৈ যুৱ-সমাজ গতি কৰিছে। ইয়াৰ ফলস্বৰূপে আমাৰ ভৱিষ্যত সমাজলৈ কি যে এক ভয়াবহ অৱস্থা আহি পৰিব ভাবিলেও অন্তৰ কঁপি উঠে।

সমাজক কল্যাণকামী নেতাসকলে যদি প্ৰকৃততে সমাজৰ বুকুত শান্তি স্থাপন কৰিব খোজে তেতিয়া হ'লে তেওঁলোকে ধৰ্মীয় চলনত চলিব লাগিব। সমাজৰ অন্ধবিশ্বাস আৰু ডাইনী প্ৰথা দূৰ কৰি শান্তি স্থাপন কৰিব লাগিব । সমাজত শান্তি স্থাপন কৰিব বিচাৰিলে মানৱ ধৰ্মই একমাত্ৰ পথ। যাক আশ্ৰয় কৰি চলিলে অন্ধবিশ্বাসৰ শংকা নাথাকে। ইয়াৰ অন্যথাই নিতৌ নতুন আইন বলবৎ কৰি কেৱল ভাষণৰ দ্বাৰাই সমাজলৈ শান্তি-শৃঙ্খলা আহিব নোৱাৰে।

বিজ্ঞানৰ চৰম উন্নতিৰ দিনটো আজি জনজাতি সমাজ অন্ধবিশ্বাস আৰু ডাইনী প্ৰথাৰ বিষাক্ত পৰিৱেশৰ চাপত পৰি আছে। আজি জনজাতি সমাজ বিশৃংখল গতিত যাব ধৰিছে। পূৰ্ব্বৰ সেই সমাজ ব্যৱস্থা ছিন্ন-ভিন্ন হ'ব ধৰিছে। সমাজৰ যিকোনো ঠাইত ঘূণে ধৰিলে গোটেই সমাজখনেই বিপদত পৰিব পাৰে৷ জনজাতি সমাজৰ এই অন্ধবিশ্বাস আৰু ডাইনী প্ৰথাৰ ভয়াবহ অৱস্থাৰ পৰা সমাজ আৰু জাতিক উদ্ধাৰ কৰিবলৈ চিন্তাশীল ব্যক্তি তথা জাতীয় সংগঠনসমূহৰ দায়িত্ব আৰু কৰ্তব্য। বৰ্ত্তমান সমস্যাসঙ্কুল অন্ধবিশ্বাস আৰু ডাইনী হত্যাই গোটেই সমাজখনক কলুষিত কৰিছে। জনজাতি সমাজত এই অন্ধবিশ্বাসৰ বিপৰীতে বিশেষ কোনো বাৱস্থা লোৱা হোৱা নাই। অৱশ্যে বিশেষকৈ ঘটনা হোৱা অঞ্চলত কোনো সচেতন সংগঠন, শিক্ষিত ব্যক্তিয়ে অন্ধবিশ্বাসৰ ফলত হোৱা ডাইনী হত্যাৰ প্ৰতিবাদ কৰা দেখা যায়।

আজিৰ নপুৰুষ যুৱচামেই ভৱিষ্যতৰ পৰিচালক, সমাজ আৰু জাতিৰ সংগঠক। আমাৰ সমাজৰ অন্ধবিশ্বাস আৰু ডাইনী হত্যা আঁতৰ কৰিব লাগিব সমাজৰ শিক্ষিতচাম আৰু সংগঠনসমূহে। জনজাতি সমাজৰ অন্ধবিশ্বাস আৰু ডাইনী প্ৰথাৰ বিত্তিহীন মানসিকতা নাইকীয়া কৰাৰ সময় আহি পৰিছে। সচেতন নাগৰিক, শিক্ষিতলোক, বুদ্ধিজীৱী সকল, বিভিন্ন জাতীয় সংগঠন আৰু যুৱচামে নিজা কাযপন্থা লব লাগিব। আমাৰ সমাজৰ পৰা কুসংস্কাৰ আৰু অন্ধবিশ্বাস আঁতৰাই সমাজত প্ৰকৃত বিশ্বাস, সংস্কাৰমুখী চিন্তা আৰু ভাবৰ ঠাই দিব লাগিব। আদৰ্শক সন্মুখত ৰাখি প্ৰতি প্ৰত্যেকে আজি আগবাঢ়ি আহিব লাগিব জ্ঞানত, ধৰ্মত, শিক্ষাত আৰু সংস্কৃতিত । তেতিয়াহে সাৰ্থক হ'ব জনজাতিসকলৰ প্ৰগতি, সাৰ্থক হব জনজাতিসকলৰ উন্নতি, সাৰ্থক হ'ব জনজাতিৰ সকলো অভিযান । ধন্য হ'ব সমাজ আৰু জাতি।

# মিচিং সমাজ আৰু সংস্কৃতি

**খগেন পেগু**

**মিৰি বা মিচিং** : ইংৰাজ বুৰঞ্জীবিদ ই এ গেইটৰ মতে Miri means go between. ড° লক্ষমী দেৱীৰ ‘অসম বুৰঞ্জীত তাকে অনুবাদ কৰি কোৱা হৈছে, মিৰি মানে মাজৰ মানুহ। তিব্বতী ভাষাত ‘মি' মানে মানুহ আৰু ‘ৰি’ মানে পাহাৰ। অৰ্থাৎ মিৰি শব্দৰ অৰ্থ হ'ব পাহাৰীয়া মানুহ । আকৌ বহুতৰে ধাৰণা, ‘মিৰ্’ অৰ্থাৎ একশ্ৰেণীৰ দেওধাই শব্দৰ পৰাও মিৰি হ'ব পাৰে । ডাং নোমল পেগুৱে তেখেতৰ The Mishings of the Brahmaputra Valleys fag The proposition that the word Miri is derived from the improper intonation of the word 'Miri' - an ambigous term denoting the socio-reli- gious functions prevalent among the Pasi-Minyongs, the Padams, the ' হলেও ‘মিৰি' শব্দটো নিজা নহয়। এইয়া লোকে দিয়া নাম বুলি বহুতেই ক'ব বিচাৰে, কিয়নো ভৈয়ামৰ মিৰিসকলে নিজকে মিচিং বুলিহে পৰিচয় দিয়ে।

অৱশ্যে ‘মিচিং’ কেনেকৈ হ'ল এই লৈয়ো মত পাৰ্থক্য আছে। সাধাৰণতে পাহাৰত বাস কৰা লোকসকলৰ গাৰ বৰণ প্ৰায় বগা । তাৰ উপৰি নিজকে স্বাভাৱিকতে শ্ৰেষ্ঠ বুলি ভৱা এটা স্বভাৱ সকলোৰে থাকে। সেয়ে কিছু লোকে কৰা অনুমানৰ ওপৰত ভিত্তি কৰি তৰুণ চন্দ্ৰ পামেগামে মত পোষন কৰিছে। ‘মি' ‘য়াচং’অৰ্থাৎ আমি (মানুহ)-য়াচ্ং (বগা বা ভাল) = ‘মিচুং' বা ভাল মানুহ আৰু অনা মিচিং মাত্ৰেই হ’ল ‘মি’‘কৃপাগ' অৰ্থাৎ আমি (মানুহ) + কৃপাগ (লেখত ল'ব নোৱাৰা) = মিপাগ বা লেখত নপৰা মানুহ । ‘মচুং’(নিজৰ ফালে আনি ভালকৈ ৰখা) শব্দৰ পৰাও ‘মিচুং’ হোৱা বুলি কিছুমানে কয়। কিন্তু মিচিং সকলৰ সামাজিক জীৱন শান্তিপূৰ্ণ । তেওঁলোক স্বাভাৱিকতে শান্তিপ্ৰিয় বা শান্ত প্ৰকৃতিৰ। গতিকে আমি (মানুহ) + আন্চং (শান্ত প্ৰকৃতিৰ =মিচুং নতুবা আন্চুঃনী মিচূঙী' (শান্তিপ্ৰিয় মিচিং) হোৱা বুলি বৰ্তমান বহুতেই মত পোষণ কৰিছে। এতিয়া ‘অ' ধ্বনিৰ অভাৱত অন্য ভাষাত মিচুং শব্দটো মিচিঙলৈ অপ্ৰভ্ৰংশ হৈছে।

**বাসস্থান** : অসমৰ যোৰহাট, গোলাঘাট, ধেমাজি, লক্ষীমপুৰ, শোনিতপুৰ, শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া, কামৰূপ মেট্ৰ' আদি জিলাত আৰু অৰুণাচলৰ প্ৰায় ৩০খন গাঁও বা অঞ্চলত মিচিং লোকৰ বসতি আছে। বৰ্তমান ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰে অৰুণাচল সীমান্তৰ কেমিৰ পৰা জীয়া ভৰলীৰ পশ্চিমত অৱস্থিত মানচিৰি অৱবাহিকালৈ আৰু দক্ষিণে শদিয়াৰ পৰা গুৱাহাটীলৈ বিয়পি থকা মিচিংসকলে সাধাৰণতে নৈৰ পাৰত বাস কৰে। ব্ৰহ্মপুত্ৰ নৈৰ বাহিৰেও সোৱণশিৰি, ধনশিৰি, দিখৌ, দিচাং, জাঁজী, দিহিং, জীয়া ভৰলী, মানচিৰি আদি বহুতো উপনৈৰ পাৰে পাৰে মিচিং গাঁও দেখা যায়। নৈৰ পাৰত বাস কৰে কাৰণে বাৰিষা নৈৰ পানীৰ পৰা ৰক্ষা পাবলৈ তেওঁলোকে চাং ঘৰত থাকে। অৱশ্যে বিভিন্ন জীৱ-জন্তু সাম্ভাব্য আক্ৰমনৰ পৰা হাত সাৰিবলৈও নিৰাপত্তাজনিত কাৰণত চাংঘৰেই বেছি অনুকূল।

যি বিলাক মিচিং মানুহ হাবি-বন পুৰি পাহাৰত অন্যান্য খেতিৰ লগতে ‘চূঃপাগ্’ অৰ্থাৎ কপাহৰ খেতি কৰি কাপোৰ বোৱা-কটা বেছিকৈ কৰিছিল তেওঁলোক ভৈয়ামত চুঃপাগ্ৰ নামেৰে পৰিচিত হ'ল। যিসকলে শদিয়াৰ পৰা ভটিয়াই গৈ ভৰলীৰ পৰা আকৌ উজাই আহি সোৱণশিৰি নৈৰ পাৰত বা অন্যান্য কিছুমান ঠাইত থাকিবলৈ ল'লে তেওঁলোকৰ চাঃলাত বা চাঃয়াং নামেৰে জনা গ'ল। যিসকলে দীলু বা দক্ষিণ পাৰে ব্ৰহ্মপুত্ৰৰ পাৰত থাকিবলৈ ল'লে সেইসকলক দীলু অৰ্থাৎ দক্ষিণ বুলি কোৱা হ'ল। মঃয়িং নামৰ ঠেক ঠাইত বাস কৰা কাৰণে মঃয়িং নামৰ উৎপত্তি হ’ল। মিঞং পাহাৰেদি ‘অয়ানা গুইলা’ অৰ্থাৎ পিঠি পিছলাই হেলনীয়াকৈ ভৈয়ামলৈ নামি অহা বাবে অয়াম বা অয়ান নাম পালে। দাম্ৰসকলৰ পৰা ফালি আহি ভৈয়ামত নতুনকৈ

মঃবুগ' (আমং আবুগ) অৰ্থাৎ মাটি এডোখৰ বিচাৰি আহি ঘৰ-বাৰী পতা বাবে দাম্বুগ হ'ল। টেমাক নৈৰ পাৰত যিসকলে যিসকলে গাঁও পাতি বাস কৰিলে তেওঁলোক তেমাৰ বা তামাৰ নামেৰে জনাজাত হ'ল।

বৰ আবৰৰ দুটা দলৰ মাজত সংঘৰ্ষ চলি থাকোতে এৰাতি এটা দলে ভুলতে নিজৰ স্ত্ৰী আৰু ল'ৰা-ছোৱালীকে কাটি শেষ কৰিলে। সেয়ে মনৰ বেজাৰতে তেওঁলোকৰ পুৰুষসকলে স্ত্ৰী বা ল'ৰা-ছোৱালী নোহোৱকৈ ভৈয়ামলৈ নামি অহাত তেওঁলোকক আমি (মানুহ)+আংঙাৰাং (শুদা বা ল'ৰা-ছোৱালী নোহোৱা) = মিৰাং বুলি কোৱা হ'ল। সম্ভৱতঃ মুষ্টিমেয় তেওঁলোকে ভৈয়ামনৈ নামি আহি ইয়াৰ অনা মিচিং সম্প্ৰদায়ৰ লগত প্ৰথমে সান্নিধ্য লাভ কৰিছিল। আৰু তেওঁলোকৰ লগত সঘনে ভাৱৰ আদান-প্ৰদান হোৱাত কথিত ভাষা প্ৰায় পাহৰি পেলালে । তেওঁলোকৰ যিসকলে ডিব্ৰুগড় হৈ শিৱসাগৰ চামগুৰিত বসবাস কৰিবলৈ ল'লে তেওঁলোকক চামগুৰীয়া বা চামুগুৰীয়া বুলি কোৱা হ'ল। বৰ্তমানে তেওঁলোকে অসমীয়াতেই কথা বতৰা পাতে যদিও সামাজিক আৰু সাংস্কৃতিক ভাৱে অন্যান্য সকলো বিষয়ত মিচিংসকলৰ লগত মিল আছে। বিহু পাদ্ৰিত সোণ কমোৱা অথবা বিহৰ তূনৰ ওপৰত বহা বাবে বিহিয়া হোৱা সকলো বহুদিনৰ আগৰ পৰাই মিচিং হ'ল।

এনেকৈ বাসস্থান আৰু অন্যান্য কাৰণত মিচিংসকলৰ মাজত কেইবাটাও খেলৰ সৃষ্টি হ'ল যদিও এটা খেলৰ একে গোত্ৰ মানুহ আন এটা খেলটো দেখিবলৈ পোৱা যায়। যেনে - ‘বমি’ গোত্ৰৰ মানুহ পাগ্ৰ, চাঃয়াং আৰু মঃয়িং খেলত দেখা যায়। চঃব গোত্ৰৰ মানুহ পাগৰ খেলতো আছে, অন্য এটা খেলতো আছে। সেইদৰে মিয়ঃ পাংকং গোত্ৰৰ মানুহ অয়ান খেলতো দেখা যায়, দাগ খেলতো দেখা যায়। মিচিংসকলৰ মাজত একে গোত্ৰৰ ভিতৰত চন্দ্ৰ-সূৰ্য থাকে মানে কেতিয়াও বিয়া হ'ব নোৱাৰে। একে গোত্ৰ বা একে জাতৰ মানুহৰ মাজত সদায়ে ভাই-ককাই সম্বন্ধ। পেঃগুৱে পেঃগুক, পায়ীঙে পাওয়ীঙক যুগ যুগ পাৰ হৈ গলেও কেতিয়াও বিয়া কৰাব নোৱাৰে। মিচিংসকলৰ মাজত কন্দাৰ, চঃব, লংগৃং, লঃইং, বমিঃ, মিয়ঃ পাংকং, চুংগা-চুঃৰাং, জত্বৰ আদি বহুতো গোত্ৰ আছে যাৰ লেখ দিয়া সহজ সাধ্য নহয়। সেইদৰে বিভিন্ন গোত্ৰৰ পেঃগু, দলেঃ, পাঃয়াং, নৰ, পাৰ দাৰ, তাৰ, পীমেঃ পাঃদুন, কুলি, কুতুম, টাত্মদ আদি বহুতো জাত বা উপাধি মিচিংসকলৰ মাজত আছে।

**উৎপত্তি আৰু প্ৰব্ৰজনৰ ইতিহাস** : মিচিংসকলে নিজকে চন্দ্ৰ-সূৰ্যৰ বংশধৰ চিনাকি দিয়ে। তেওঁলোকে চন্দ্ৰক পিতৃ আৰু সূৰ্যক মাতৃৰূপে গণ্য কৰে। সেইকাৰণে যিকোনো ধৰ্মীয় অনুষ্ঠান বা উৎসৱ-পাৰ্বনত তেওঁলোকে ‘আনী দঃঞ্জি’ (মাতৃ সূৰ্য) আৰু আবু পঃল' (পিতৃ চন্দ্ৰ) বুলি পোন প্ৰথমেই উচ্চাৰণ কৰি লয়। কিংবদন্তি মতে, মিচিংসকলৰ আদি বাসস্থান আছিল ‘কিঃলং কাংগেঃ আৰু তাৰ পৰাই তেওঁলোকে ৰীগৃঃ ৰংগামলৈ নামি আহি দক্ষিণলৈ আগবাঢ়ে । হয়তো ম্যানমাৰ পৰ্যন্ত। দ্বিতীয় বৰ্মযুদ্ধত পেঃগু আৰু প্ৰমেঃ নামৰ দুটা অঞ্চল ব্ৰিটিছসকলে দখল কৰি নিজৰ হাতলৈ অনাৰ উল্লেখ পোৱা যায় । বৰ্তমান ম্যানমাৰত আনকি পেঃগু, মেঃগু আদি পৰ্বতৰো আদি পৰ্বতৰো অস্তিত্ব পোৱা যায়। তাৰ পিছত হয়তো তেওঁলোকে অসমৰ শদিয়া অঞ্চললৈ ঘূৰি আহে । নতুবা তেওঁলোক আহোমসকল থাইলেণ্ডৰ পৰা প্ৰব্ৰজন কৰাৰ দৰে ম্যানমাৰৰ পৰাই হয়তো শদিয়া হৈ ভৈয়ামলৈ নামি আহে।

প্ৰবাদ আছে যে তেওঁলোকে পাহাৰৰ পৰা নামি আহোতে বাটতে দুয়োপাৰে ওখ আৰু থিয় গঢ়াৰ এটা প্ৰকাণ্ড কাল পাইছিল। সেই খাল ’মাঃয়িং আৰু মাংকং নামৰ দুডাল লতাৰ ওপৰেদি বগাই পাৰ হৈছিল। লতা দুডালৰ এডাল সোণবৰণীয়া আৰু আন ডাল ৰূপ বৰণীয়া আছিল। সৰলচিতীয়া মিচিংসকলে খুব সম্ভৱ পাহাৰকে স্বৰ্গ আৰু লতা দুডালকে সোণ-ৰূপৰ জখলা বুলি অভিহিত কৰিছে।

**দেহৰ গঠন** : মিচিংসকলে মঙ্গোলীয় আৰু তিব্বত -বৰ্মীয় জনগোষ্ঠীৰ লোক। তেওঁলোকৰ শাৰীৰিক গঠন অন্যান্য মঙ্গোলীয় জাতিৰ লগত প্ৰায় মিলে। তেওঁলোক বৰ ওখ ও নহয়, বৰ চাপৰো নহয়। শুদ্ধ বগা নহলেও তেওঁলোকৰ দেহৰ বৰণ

প্ৰায় বগা। হাত-ভৰি নোদোকা আৰু শৰীৰ হৃষ্ট-পুষ্ট। নাক সাধাৰণতে চুটি আৰু চকুবোৰ চেপেটা । সৰুকালৰ পৰা কঃবাং বা জখলাত উঠা-মনা কৰা কাৰণে তেওঁলোকৰ ভৰিৰ কলাফুলবিলাক শকত।

**ঘৰুৱা আৰু সামাজিক জীৱন** : মিচিংসকল বৰ শান্তিপ্ৰিয়। তেওঁলোকৰ ঘৰৰ মূৰব্বীক কেন্দ্ৰ কৰি একেটা ঘৰতে বংশৰ কেইবাটাও পৰিয়াল একেলগে থাকে। ঘৰৰ



সকলো মানুহ মুৰব্বী বা মুখিয়ালৰ দিহা মতে চলে। ঘৰৰ সকলো আয়-ব্যয় মুখিয়ালৰ পৰামৰ্শতেই কৰা হয় যদিও ঘৰত তিৰোতাসকলে কুকুৰা-গাহৰি পুহি সেইবিলাক বিক্ৰী কৰি বেলেগে বেলেগে নিজৰ নতুবা নিজৰ পৰিয়ালৰ যাৱতীয় খৰছ উলিয়াই লয় । পুৰুষসকলেও ঘৰৰ সমূহীয়া কাম খতি নকৰি আজৰি সময়ত 'ৰুক্‌চাং' বা বেলেগ ধান, মাহ, সৰিয়হ আদিৰ খেতি কৰি নিজৰ লাগতীয়াল খৰছ উলিয়াই লয়। মিচিং মহিলাসকল পুৰুষতকৈ বেছি পৰিশ্ৰমী। পুৱাৰ পৰা গধুলিলৈকে ঘৰুৱা কামত ব্যস্ত থাকিও তেওঁলোকে নিজে বৈ কাটি নিজৰ পিন্ধা-উৰা কাপোৰ যোগাৰ কৰে। মিচিং পুৰুষ আৰু তিৰোতা উভয়ে অধিক পৰিশ্ৰমী হোৱা হেতুকে মিচিং মানুহ এতিয়ালৈকে ভিক্ষাৰী হোৱা নাই। নতুবা মিচিং সমাজত ভিক্ষা বৃত্তি নাই বুলি কলেও বঢ়াই কোৱা নহব ।

মিচিংসকলৰ সামাজিক জীৱনো শান্তিপূৰ্ণ । ঘৰখনৰ মানুহে যেনেকৈ ঘৰৰ মুখিয়ালজনক সন্মান কৰে তেনেকৈ বয়োেজষ্ঠসকলকো সমাজে সন্মান কৰে। গাঁৱত হাই-কাজিয়া হ'লে নতুবা কোনোবাই দায়-জগৰ লগালে গাঁৱৰ সমাজ গোট খাই কীবাং পাতে । অতীতত গাঃম সকলেই সমাজৰ মূৰব্বী আছিল। আজিকালি গাঁৱৰ গাঁওবুঢ়া নতুবা বয়োজ্যেষ্ঠসকলেই বিচাৰ কৰি ৰায় দিয়ে।

**যৌথ কৰ্ম বা পাৰস্পৰিক সহযোগিতা** : যৌথ কৰ্ম বা পাৰস্পৰিক সহযোগিতা মিচিং সমাজৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। উদাহৰণ স্বৰূপে গাঁৱৰ ধনী-দুখীয়া নিৰ্বিশেষে 'ৰুগ্ধ গগ্‌নাম' আৰু দ্বাগলীগ গৃনাম কৰাটো তেনে যৌথ কৰ্মৰ ভিতৰুৱা কাৰ্য। ঘৰ বনোৱা আদি কামত গাঁৱৰ প্ৰায় প্ৰতিঘৰৰ মানুহে একোটা ঘৰক সহায় কৰাটো হ'ল 'ৰগ' আৰু ধান কটা বা হালবোৱা কামত পাৰিশ্ৰমিক দি ৰাইজক লগোৱাটো 'গাগলৃগ' বা 'দাগ্‌গ্লীগ'।

**বিবাহ প্ৰথা** : মিচিং সমাজত একে মাজত চন্দ্ৰ-সূৰ্য থাকে মানে কেতিয়াও বিয়া নহয়। একে গোত্ৰ বা একে জাতৰ ভিতৰত সদায় ভাই-ককাই সম্বন্ধ। পেঃগুৱে পেঃগুকবা দলেয়ে দলেঃক, পাঃয়াঙে পাঃয়ীঙক যুগ যুগ পাৰ হৈ গলেও বিয়া পাতিব নোৱাৰে । তাৰ পৰিবৰ্তে দলেয়ে পেগুক, পেগুৱে দলে, কুলি-কুতুম আদিক, পায়ীঙে মৰাঙক বিয়া কৰাব পাৰে ।

মিচিং সমাজ পিতৃ প্ৰধান। ইয়াত বাপেক বা পিতৃৰ বংশই লৰা-ছোৱালীৰো নিজৰ বংশ। সেয়ে ল'ৰা-ছোৱালীয়ে মাক বা মাতৃৰ উপাধি গ্ৰহণ নকৰি পিতৃৰ উপাধি গ্ৰহণ কৰে । মিচিং সমাজত দাস প্ৰথা নাই। সকলোৱে সমানে খোৱা- লোৱা কৰিব পাৰে। তেওঁলোকৰ সমাজত দুগ্‌লা লাঃনাম (পলুৱাই নি বিয়া কৰা অথবা গন্ধৰ্ব প্ৰথাৰে বিয়া কৰা), মিদা মলা লাঃনাম (সজাই পৰাই বিয়া কৰা), 'কুম্‌পাঃচুল লাঃনাম ' (আশাবাদ লৈ বিয়া কৰা) আদি বিবাহ প্ৰথা আছে। এটা সময়ত 'চলা লাঃনাম' (বল পূৰ্বক টানি বিয়া পতা) প্ৰথাও মিতিৰৰ সন্মতি সাপেক্ষে আছিল। আজিকালি কিন্তু এই অগণতান্ত্ৰিক প্ৰথা একেবাৰে উঠি গৈছে। মিচিং বিবাহ প্ৰথাৰ উল্লেখযোগ্য বৈশিষ্ট হ'ল, ইয়াত যৌতুক প্ৰথাৰ কোনো বাধ্য বাধকতা নাই ।

**আচাৰ ব্যৱহাৰ** : মিচিংসকল স্বভাৱতে শান্ত প্ৰকৃতিৰ। উৎসৱ আদিত নাচ-বাগ কৰি তেওঁলোকে ভাল পায়। তেওঁলোকৰ পুৰুষ-তিৰোতা উভয়ে একেলগে নাচ- বাগ কৰিব পাৰে। আনন্দৰ কাৰণেই তেওঁলোকে নাচ-ধেমালি কৰে। সেই নাচ-ধেমালি কোনো কলুষতা নাই। তেওঁলোকৰ বাবে নাচ-ধেমালি এটা অহৈতুকী আনন্দ।

মিচিংসকল পৰিশ্ৰমী আৰু অতিথি পৰায়ণ । তেওঁলোকে ভাতেৰে 'আপং" অৰ্থাৎ ঘৰুৱা পানীয় তৈয়াৰ কৰে আৰু তাৰেই সকলো সময়তে অতিথি শুশ্ৰূষা কৰে। অৱশ্যে আজিকালি চাপানী আৰু মিঠাইৰেও অতিথি সৎকাৰ কৰে ।

**ধৰ্ম বিশ্বাস আৰু পূজাসেৱা** : অতীতত মিচিংসকলৰ ধৰ্ম বিশ্বাসৰ পৰম্পৰা কেনে আছিল এইয়া ঠিৰাং নহয়। তেওঁলোক হিন্দু ধৰ্ম বা খৃষ্টান ধৰ্ম গ্ৰহণ কৰিছে যদিও তেওঁলোকৰ কিছুমান নিজা পুজা-সেৱা আৰু উৎসৱো আছে। গাঁৱত তেওঁলোকে পালন কৰা বৈষ্ণৱ ধৰ্মক কেৱলীয়া বা কাল-সংহতি ধৰ্ম বুলি কোৱা হয়। গাঁও বা নগৰত প্ৰায়ভাগে এক শৰণ ভাগৱতী ধৰ্ম অথবা শ্ৰীমন্ত শংকৰদেৱ সংঘ আদিত সোমাই বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছে আৰু কিছুমানে খৃষ্টান ধৰ্ম ও গ্ৰহণ কৰিছে। কাল সংহতি বা কেৱলীয়া ধৰ্মত বিশ্বাস কৰা সকাম-নিকাম বা পূজা সেৱা কৰোতে মাছ, মাংস আৰু আপ ব্যৱহাৰ কৰে। এই বিলাকৰ উপৰিও মিচিংসকলে তালীং উহ (ওপৰ দেৱতা) বুলি দঃমুগ, দংকাং, আচাৰ, পীদং, মুগ্ং, য়াৰিঃ (মেঘ, বতাহ, বৰষুণ, ব্ৰজ, বিজুলী), দঃঞ্জি- পঃল (চন্দ্ৰ-সূৰ্য) আদিক পূজা কৰে । উৰম তচাগ (নপুৰুষীয়া সকাম) আচি উহ (জলদেৱতা), পাঁজাব উই (হাঁহ দেৱতা),



য়ুমৰাং উহ (বন দেৱতা), অকুম ডাঙৰীয়া (ঘৰ ডাঙৰীয়া), কাঃৰাগ (ৰিষ্ট বা গ্ৰহদোষ), য়াল' বাঃমৃদ বা য়াল' গগনাম (জীৱ মাতা), দৰ উহ (আত্মশুদ্ধি আৰু জীপাল পৃথিৱী শস্য-শ্যামলা হ'বৰ বাবে পতা পূজা বিশেষ) আদি পূজাও তেওঁলোকে পাতে। মিচিং সমাজৰ পূজা-সেৱাত মিবু বা মিৰু (দেওধাই)ৰ ভূমিকা উল্লেখযোগ্য। মঙ্গল চোৱা আৰু তাৰ বিধান দিয়াটো মিবু বা মিৰ কাম। মিচিংসকলে 'চিনী মঃব' অৰ্থাৎ মৃত আত্মাৰ তৃপ্তি আৰু সদ্গতিৰ বাবেও উৰুম আপিন' (আদ্যশ্ৰাদ্ধ), দদ্গাং (শ্ৰাদ্ধ) আদি পাতে। আজিকালি অৰুণাচলৰ আদী জনগোষ্ঠীৰ প্ৰভাৱত কিছুমানে দঃঞ্জি পঃল' নামৰ এটা ধৰ্মও গ্ৰহণ কৰা দেখা গৈছে।

**উৎসৱ-পাৰ্বন** : কৃষিজীৱি মিচিংসকলৰ বিভিন্ন উৎসৱ-পাৰ্বনৰ ভিতৰত আলিঃ আঃয়ী লৃগাং, দবুৰ পূজা, পঃৰাগ, আঃাগ আদি অন্যতম। ফাগুন মাহৰ প্ৰথম বুধবাৰৰ দিনা আলিঃ আঃই লৃগাং উদ্যাপন কৰা হয়। আলিঃ আঃই লৃগাঙৰ অৰ্থ শস্যৰ বীজ বা গুটি সিঁচিবলৈ আৰম্ভ কৰা। ৰাজহুৱা দৰ পূজা বছৰৰ জেঠ মাহৰ ১৫ তাৰিখে অনুষ্ঠিত কৰা হয়। ইয়াৰ উদ্দেশ্য হ'ল আত্মশুদ্ধি, বেমাৰ-আজাৰ, বিপদ-বিঘিনী মুক্ত আৰু শস্য-শ্যামলা পৃথিৱীক পোক-পৰুৱা উপদ্ৰৱৰ পৰা ৰক্ষা কৰিবলৈ উপাস্য দেৱতাক আহ্বান জনোৱা। মিচিংসকলে কাতিবিহু, মাঘবিহু আৰু বহাগ বিহু পালন কৰাৰ উপৰিও কাতি-আঘোণ মাহত ধান চপাই `আঃগ দগদ্' (ন-খোৱা), আঃমৰাগ্ (সৰু নৰা ছিগা উৎসৱ), পৰাগ (ডাঙৰ নৰা-ছিগা উৎসৱ) আদি পাতে।

**গীত-মাত** : মিচিংসকলৰ অনেক মৌখিক গীত- মাত বা লোকগীত আছে যি বিলাকৰ অইনিঃতম, আঃবাং, কাবান আদি অন্যতম। মিচিং লোকগীত হিচাপে অই নিঃতমৰ জনপ্ৰিয়তা সৰ্বাধিক। অইনিঃতম মিচিং ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয়, আবেগ-অনুভুতি, আশা-নিৰাশা, বেজাৰ-আনন্দ, মিলন-বিচ্ছেদ আৰু সুখ-দুখ প্ৰকাশৰ পাৰম্পৰিক এটা মাধ্যম। ইয়াৰ ভাষা কথিত আৰু প্ৰচলিত ভাষাৰ ওপৰত নিৰ্ভৰশীল। যুগ যুগ ধৰি অই নিঃতমৰ বিভিন্ন স্বভাৱ কবিৰ দ্বাৰা ৰচনা হৈ আহিছে বাবে ইয়াৰ কোনো ৰচক নাই। হোজা- বেলীয়া কবিৰ বাবে ইয়াৰ ভাষাও প্ৰাঞ্জল। অইনিঃতম কোনো গায়ক-গায়িকাৰ মুখত চলি আহিছে আৰু সময়ে সময়ে বিভিন্ন ঘটনা বা পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱত ইয়াৰ ভাৱ, ভাষা, সুৰ আদিৰ সলনি হৈ আহিছে কাবান বিলাক একোটা বিননিগীত। হৃদয়ত যেতিয়া বব নোৱাৰা দুখ-বেদনা থুপ খায় তেতিয়া বহুদিন সঞ্চিত হোৱা অব্যক্ত মনৰ বেদনাই কেতিয়াবা গীতিময় আবেগেৰে প্ৰকাশ পায়। বিভিন্ন ব্যক্তিৰ মুখত প্ৰকাশ পোৱা এই ধৰণৰ গীতবিলাককে ‘কাবান' বুলি কোৱা হয়।

আঃবাং সমূহ কিছুমান পৌৰাণিক গীত। ইয়াৰ ভাষা প্ৰাচীন আৰু সৰ্বসাধাৰণ মানুহে সেইবোৰ বুজিব নোৱাৰে। যিসকল ব্যক্তিয়ে 'মিবু' আৰু 'মিৰুৰ লগত সংস্পৰ্শ ৰাখি তেওঁলোকৰ ভাষা আহৰণ কৰিছে তেওঁলোকেহে অঃবাঙৰ ভাষা বুজি পায়। আঃবাং সমূহেৰে মিবুৱে সৃষ্টিৰ আদি পাতনিৰ পৰা আৰম্ভ কৰি গছ-গছনি, চৰাই-চিৰিকতি, পৰ্বত-পাহাৰ, পোক-পৰুৱা, মানুহ আৰু জীৱ-জন্তুৰ জন্ম কাহিনী ব্যক্ত কৰে। সৃষ্টিৰ আৰম্ভণি, ইয়াৰ বিকাশ আৰু বিকাৰ, বিভিন্ন খেল, পৰিয়ালৰ গোত্ৰ বা বংশ-পৰম্পৰাৰ বুৰঞ্জী আঃবাং সকলৰ যোগেদি মিবুয়ে ব্যক্ত কৰে।

অই নিঃতম, আঃবাং, কাবানৰ উপৰিও বৃঃগ নিঃতম (ঋতু উৎসৱৰ গীত) লুপ'নিঃতম (কথোপকথনমূলক গীত), মিদাঃ নিঃতম বা জঃয়ঃ নিঃতম (বিয়াগীত), মমান (খেল-ধেমালিৰ গীত), কঃ নিঃনাম (নিচুকনি গীত), বিভিন্ন লোককথা আৰু প্ৰৱচনৰো মিচিং সমাজত প্ৰচলন আছে।

**লোকনৃত্য** : বিষয়-বস্তু আৰু পৰিবেশন ৰীতিৰ ওপৰত নিৰ্ভৰ কৰি মিচিং ন্যত্যক প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি । যেনেঃ ধৰ্ম মূলক (Ritual), কৃষি উৎসৱমূলক (Agricultural Festival), বিশ্ৰামমূলক (Recre ational)

**ধৰ্মমূলক নৃত্য** : ধৰ্মীয় লোক বিশ্বাস, পূজা-পাতল আদি বিষয়ক কেন্দ্ৰ কৰি যিবোৰ নৃত্য পৰিবেশন কৰে। সেইবোৰক ধৰ্মমূলক নৃত্যৰ শ্ৰেণীত ধৰিব পাৰি। 'মিবু'আৰু "মিৰ্'নামৰ পুৰোহিতসকলৰ নেতৃত্বত নচা নাচবোৰক ধৰ্মীয় নৃত্য বুলিব পাৰি। মিবুয়ে 'য়ক্‌চা' নামৰ দীঘল তৰোৱাল লৈ নচা কাৰ্যক 'মিবু দাগনাম' আৰু কোনো ব্যক্তি বা পৰিয়ালৰ বেমাৰ-আজাৰ, অপায়-অমংগল হ'লে, তাৰ কাৰণ বিচাৰি নিৰাময়ৰ কাৰণে মিয়ে নৃত্য-গীত কৰি মংগল চোৱা কাৰ্যক 'মি দাগ্‌নাম' বা মিৰু চুম্‌াম' বুলি কয় ।

**কৃষি উৎসৱমূলক নৃত্য** : শস্য ৰোপণ, উৎপাদন আৰু বৃদ্ধিৰ বাবে আনুষ্ঠানিক ক্ৰিয়া কৰাৰ পিছত যিবোৰ



নৃত্য কৰা হয় সেইবোৰক কৃষি উৎসৱমূলক নৃত্য বুলিব পাৰি । আলিঃ আই লৃগাং, মঃপুন, আৰ্গ দৰ আদিত নচা নৃত্য কৃষি উৎসৱমূলক। এনে নৃত্য কৰাৰ সময়ত মিচিং ডেকা- গাভৰু তথা ল'ৰা-বুঢ়াই ৰিঃবৃ গাচাং, মচাঃনাম এগে-গে, গন্ উগন, দুমীৰ, গালুগ (ৰিবি-গাচেং, বাৰে ৰহনীয়া ফুল বচা মেখেলা, চাদৰ, ধুতি, গামোচা, (চোলা) আদি পৰিধান কৰি দুদুম, লুঃপি, তুঃতগ-তাপুং, গুংগাং, দেন্দুন, দেতুলুগ (ঢোল, তাল, বাঁহী, পেঁপা, গগনা, বাঁহেৰে তৈয়াৰী আৰু দুবিধ ঢোল) আদিৰ লগত তাল মিলাই বিভিন্ন ধৰণে নাচে । এইবিলাকত লীঃলঃ-মাবাং নামৰ দুবিধ পুৰণিকলীয়া বাদ্য- যন্ত্ৰও থাকে। আলিয়াই লিগাঙত ডেকা-গাভৰুৱে বৃত্তাকাৰে ঘূৰি কৰা নৃত্যক 'গুমৰাগ চঃমান' কৰে আৰু গুমৰাগ চঃমানৰ পিছত অই নিঃতম গাই বিভিন্ন ধৰণে নাচি ফূৰ্তিও কৰা হয়।

**বিশ্ৰামমূলক নৃত্য** ঃ অৱসৰ বিনোদনৰ কাৰণে মাজে সময়ে কৰা নৃত্যবোৰক বিশ্ৰামমূলক বা অৱসৰ বিনোদনৰ নৃত্য বুলিব পাৰি। মিচিংসকলে বিহু, আলিয়াই লৃগাং, পঃৰাগ আদিৰ বাদেও কেতিয়াবা কাৰোবাৰ ঘৰত বিয়া-সবাহ পতাৰ সময়ত, ক'ৰবাত ভোজ-ভাত খাওঁতে অইনিঃতম আদি গাই কৰা নৃত্য বিশ্ৰামমূলক নৃত্যত পৰিব। বিয়া-সবাহ বা শ্ৰাদ্ধ আদিৰ সময়ত ঘৰৰ বা পৰিয়ালৰ জী-জোঁৱাই সকলে লগ খাই ফটা টিন কোবাই আইনিঃতম আদি গাই কৰা ৰাতুব মনাম' নৃত্যও ইয়াৰ ভিতৰুৱা ।

**লোক বিশ্বাস** : মিচিং সমাজৰ কিছুমান লোক বিশ্বাস আছে। ঘৰৰ পৰা ক'ৰবালৈ যাত্ৰা কৰোতে বাটত হঠাৎ মেকুৰীয়ে জাপ মাৰি দৌৰি পাৰ হৈ গ'লে এইয়া অশুভ সংকেত, কুকুৰাই যদি কাণে কাণে কথা পতাৰ নিচিনা কৰি থাকে তেতিয়া আলহী আহিব বুলি তেওঁলোকে বিশ্বাস কৰে । অকলশৰীয়া ঘৰৰ মূধচত কপৌৱে ৰুণ দিলে সেই ঘৰৰ কোনোবা উপৰিপুৰুষৰ আত্মাই কপৌ ৰূপ ধৰি কন্দা বুলি ভাৱে। ৰাতি বাটত কোনো মানুহ নেদেখাকৈয়ো কুকুৰে বিশেষ ধৰণে ভুক্ ভুক্ কৰিলে ভুতে অহা-যোৱা কৰা বুলি ভাৱে। ভৰালত ঘনচিৰিকা চৰাই নাথাকিলে কিবা বেমাৰ- আজাৰ হোৱাৰ আশঙ্কা কৰে। এনেদৰে মিচিং সমাজত অসংখ্য লোক বিশ্বাস বা অন্ধ বিশ্বাস আছে।

**মিচিং ভাষা** : মিচিংসকলে নিজকে মিচিং বুলি পৰিচয় দিয়াৰ লগতে তেওঁলোকে ব্যৱহাৰ কৰা কথিত ভাষাক 'মিচিং আগম'অৰ্থাৎ মিচিং ভাষা বুলি কয়। এই মিচিং ভাষাৰ কেবাটাও উপভাষা আছে। এইবোৰ ক্ৰমে পাগ্ৰ, দীলু, চাঃয়াং, অয়ান, দাম্বুগ আৰু মঃয়িং। ৰূপতাত্বিক বিচাৰত পাগ্ৰ, দীলু, দাগ আৰু অয়ান উপভাষা প্ৰায় একে। তেনেকৈ চাঃয়াং আৰু মঃয়িঙৰ সম্পৰ্কও কিছু ওচৰ। চমুকৈ অসমীয়া 'কি' অব্যয়ক পাগ্ৰ-দীলু-দাম্বুগ-আয়ান উপগোষ্ঠী, অক' বা অক্ক (অক+অ= অক্ক) বুলি কয় আৰু মঃয়িং উপগোষ্ঠীয়ে আদীসকলৰ দৰে অংক বুলি কয়। অৱশ্যে আদীসকলৰ কিছুমানে অক' শব্দই ব্যৱহাৰ কৰে ।

বহুদিন ধৰি মিচিং ভাষা কথিত অৱস্থাতে আছিল । কিন্তু ১৯৭২ চনত মিচিং আগম কৌবাং অৰ্থাৎ মিচিং ভাষা সংস্থা গঠন হোৱাত ইয়াক লিখিত প্ৰকাশ কৰাৰ প্ৰচেষ্টা বৰ্তমান পূৰ্ণগতিত চলি আছে। মিচিং ভাষাৰ ধ্বনিসমূহ অসমীয়া আৰু ৰোমান লিপিৰে বহুদিন পৰীক্ষা-নিৰীক্ষা কৰাৰ পিছত ১৯৮০ চনৰ খেৰকটা মুখত অনুষ্ঠিত মিচিং আগম কীবাঙৰ চতুৰ্থ বাৰ্ষিক অধিবেশনত মিচিং ভাষাৰ বাবে ৰোমান লিপি গ্ৰহণ কৰাৰ প্ৰস্তাৱ লোৱা হয় আৰু ১৯৮১ চনৰ জেংৰাইমুখত অনুষ্ঠিত পঞ্চম বাৰ্ষিক অধিবেশনত তাকেই কাৰ্যকাৰী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। গতিকে তেতিয়াৰে পৰা সংশোধিত ৰোমান হ'ল মিচিং লিপি।

১৯৮০ চনৰ পৰা মিচিং ভাষাৰ বাবে ৰোমান লিপি দিব লাগে আৰু মিচিং ভাষাক স্কুলত প্ৰবৰ্তন কৰিব লাগে বুলি চৰকাৰক দাবী জনাই অহা হৈছিল। কিন্তু তাৰ কাৰ্য ব্যৱস্থা লোৱা পলম কৰাত ১৯৮৬ চনত গোগামুখত মিচিং বাঃনী কৌবাং, মিচিং আগম আৰু তাকাম মিচিং পৰিন কৌবাং লগ খাই মিচিং আগম মিমাগ কীবাং অৰ্থাৎ ভাষা সংগ্ৰাম পৰিষদ গঠন কৰা হয় আৰু ভাষা আন্দোলন তীব্ৰতৰ কৰি তোলা হয় । তাৰ পৰিণতি স্বৰূপে ১৯৮৬ চনৰ ২৫ জুলাইত যোৰহাট আৰ্বত ভৱনত মিচিং বাঃনী কৌবাং, মিচিং আগম কীবাং আৰু মিচিং আগম মিমাগ কীবাঙৰ অসম চৰকাৰৰ লগত এক ঐতিহাসিক চুক্তি সম্পাদন হৈ যায়। এই চুক্তি অনুযায়ী ১৯৮৬-৮৭ শিক্ষা বৰ্ষৰ পৰা মিচিং ভাষাক ঐশ্চিক বিষয় হিচাপে প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে। বৰ্তমান প্ৰাথমিক বিদ্যালয়ত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীত ইংৰাজী ভাষা শিক্ষাও প্ৰবৰ্তন কৰাত লিপি সমস্যাই ল'ৰা-ছোৱালীৰ মনত খেলি মেলিৰ



সৃষ্টি কৰিব পাৰে বুলি ভাবি ২০০০ চনৰ মে' মাহত শিৱসাগৰত অনুষ্ঠিত কৰা মিচিং আগম কৌবাঙৰ বিশেষ অধিবেশনত লিপি সমস্যা পৰ্যালোচনা কৰি মিচিং ভাষা শিক্ষা প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ ঠাইত দ্বিতীয় শ্ৰেণীৰ পৰা আৰম্ভ কৰিব লাগে বুলি অসম চৰকাৰৰ ওচৰত দাবী জনোৱা হৈছে।

**ৰাজহুৱা গাঁও সভা আৰু অন্যান্য অনুষ্ঠান** : মিচিং সমাজৰ ৰাজনৈতিক গঠন গণতান্ত্ৰিক। অৰুণাচলৰ আদী অৰ্থাৎ পাঃচি, পাঃচাং, দাম্ আৰু মিঞংসকলৰ দৰে মিচিং গাঁওবিলাকতো দঃলুং কৌবাং আছে। আগত কোৱাৰ দৰে গাঁৱত হাই-কাজিয়া হ'লে নতুবা কোনোবাই দায়জগৰ লগালে গাঁৱৰ সমাজ 'মুৰং অকুম' বা মিচিংসকলৰ ৰাজহুৱা সভাকক্ষ আৰু সাংস্কৃতিক কেন্দ্ৰত কীবাং পাতে। অতীতত গাঃম সকলেই সমাজৰ মুৰব্বী আছিল। আজিকালি গাঁৱৰ গাঁওবুঢ়া নতুবা বয়োজ্যেষ্ঠসকলে বিচাৰ কৰি ৰায় দিয়ে আৰু দোষীক শাস্তি প্ৰদান কৰে।

দঃলুং কৌবাংঙক উপৰিও গাঁৱত উৎসৱমূলক যিকোনো কাৰ্যৰ বাবে ডেকা-গাভৰু বা তৰুণ তৰুণীহঁতৰ বেলেগ কিছুমান লৃগাং কীবাং বা বিহু অনুষ্ঠান থাকে। এইবোৰৰ যোগেদি তেওঁলোকে আলিয়াই লৃগাং বা বিহু আদিত নাচ-গান কৰি বৰঙণি সংগ্ৰহ কৰে আৰু গাঁৱৰ উন্নয়ণমূলক কাম কৰাৰ লগতে ভোজ ভাতো খায় ।

বৰ্তমান মিচিং সমাজত বহুতো কৌবাং বা অনুষ্ঠান গঢ়ি উঠিছে। সেইবিলাক : মিচিং বাঃনী কৌবাং (মিচিং মহাসভা), মিচিং আগম কৌবাংঙক (মিচিং ভাষা সংস্থা), মিচিং দুৰ্ব্ব কীবাং (মিচিং সাংস্কৃতিক সন্থা), তাকাম মিচিং পৰিন কৌবাং (সদৌ মিচিং ছাত্ৰ সন্থা), তাকাম মিচিং মিমী কৌবাং (সদৌ মিচিং মহিলা সমিতি), তাকাম মিচিং আগম পয়ি কৌবাং (সদৌ মিচিং ভাষা-শিক্ষক সন্মিলনী) আদি । ইয়াৰ উপৰিও আছে মিচিং মিমাগ কৌবাং (মিচিং সংগ্ৰাম সমিতি)। অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন নগৰ-চহৰত 'মিচিং কৌবাং) বুলিও এটা অনুষ্ঠান আছে। সেইবিলাকক দঃলুং কৌবাং বা গাঁও সভাৰ আৰ্হিতে নগৰৰ মিচিং চাকৰিয়াল, ব্যৱসায়ী তথা ছাত্ৰ-ছাত্ৰীসকলে গঠন কৰা মিচিং নাগৰিক সভা বুলি ক'ব পাৰি ।

পৰিশেষত, ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰে অসমৰ নৈ-উপনৈ বিলাকৰ পাৰে পাৰে বসতি কৰা মিচিংসকলৰ বাসস্থানৰ কোনো ভোগৌলিক পৰিসীমা নাই যদিও ১৯৯৫ চনৰ পৰা তেওঁলোকৰ এখনি স্বায়ত্ব শাসিত পৰিষদ গঠন হৈছে। আমাৰ আশা, বিচিত্ৰতাৰে ভৰা মিচিং সমাজ আৰু সংস্কৃতিৰ উত্তৰণে ভৱিষ্যতে বৰলুইতৰ দুই পাৰ উজ্জ্বলাই তুলিব।

**প্ৰসঙ্গ নিৰ্দেশনা** ঃ

(ক) মিচিং ভাষা-শিক্ষা আৰু পদ্ধতি' শীৰ্ষক খগেন পেগুৰ নিবন্ধ, পৃষ্ঠা নং-১ (মিচিং আগম কৌবাং লুচাৰ, সম্পাদক – প্ৰতাপ চন্দ্ৰ পাৱ')

(খ) 'মিৰি বা মিচিং' শীৰ্ষক তৰুণ চন্দ্ৰ পামেগামৰ প্ৰবন্ধ (মিচিং সংস্কৃতিৰ আলেখ্য, সম্পাদক — ভৃগুমুনি কাগয়ুং)

(গ) মিচিং ভাষা নোকোৱা মিচিং' শীৰ্ষক টংকেশ্বৰ লইঙৰ প্ৰবন্ধ (মিচিং সংস্কৃতিৰ আলেখ্য, সম্পাদক — ভৃগুমুনি কাগয়ুং)

(ঘ) মিচিং লোকগীত' শীৰ্ষক নাহেন্দ্ৰ পাদুনৰ প্ৰবন্ধ (মিচিং সংস্কৃতিৰ আলেখ্য, সম্পাদক – ভৃগুমুনি কাগনয়ুং)

(ঙ) মিচিং লোক-নৃত্য' শীৰ্ষক নাহেন্দ্ৰ পাদুনৰ প্ৰবন্ধ' (মিচিং সংস্কৃতিৰ আলেখ্য, সম্পাদক – ভৃগুমুনি কাগয়ুং)

(চ) 'মিচিং সমাজৰ খেল বিভাজন' নামৰ ড° বসন্ত কুমাৰ দলেৰ প্ৰবন্ধ (মিচিং আগম কীবাং লুচাৰ, সম্পাদক- খগেন পেগু )

(ছ) 'অই নিঃতম' শীৰ্ষক খগেন পেগুৰ মিচিং লোকগীতৰ সংকলন।

(মিচিং সাহিত্য সভা, গোলাঘাট শাখাৰ গমাৰীগুৰি, গোলাঘাটত অনুষ্ঠিত অধিবেশন উপলক্ষে আয়োজি 'মিচিং সমাজ আৰু সংস্কৃতি' শীৰ্ষক আলোচনাচক্ৰত উপস্থাপন কৰা এই লেখকৰ নিবন্ধ)

৩৫

# অসমৰ গোষ্ঠীদ্বন্দ্ব আৰু বিছিন্নতাবাদ

**বিজু বৰি**

সন্ধিক্ষণত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিৰ জাতিসত্ত্বা নিৰাপত্তাৰ সমস্যাই জনগোষ্ঠীসমূহৰ প্ৰথম আৰু প্ৰধান সমস্যা ৰূপে চিহ্নিত হৈছে। ভাৰতে স্বাধীনতা লাভৰ পাছৰ পৰাই অসমীয়া মাতব্বৰী সকলৰ একক ভাষাৰ প্ৰচলন ব্যবস্থাই পশ্চাৎপদ ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীয় ভাষাসমূহ হেৰাই যোৱাৰ উপক্ৰম ঘটিছে। সমান্তৰালভাৱে আধিপত্যবাদী বৰ্ণ হিন্দুপ্ৰধানৰ একক কৰ্তৃত্বই মংগোলীয়। গোষ্ঠীৰ বংশধৰ সকলক পৰিকল্পিতভাবে ধমন্তিকৰণেৰে আৰ্য-ব্ৰাহ্মাণ্য সমাজবৃত্তটোৰ ভিতৰত আৱদ্ধ ৰাখি এখন আৰ্য- ব্ৰাহ্মাণ্য সমাজৰ কামনা কৰি অহা দৃষ্টিগোচৰ হৈছে। যিটো কাৰণত অতি সম্প্ৰতি এক গোষ্ঠীদ্বন্দ্বয়ে মূৰ দাঙি উঠিছে।

প্ৰাকৃঐতিহাসিক কালতে চীনদেশৰ দক্ষিণ অঞ্চলৰ পৰা ভাৰতভূমিলৈ প্ৰবজন হৈ অহা মংগোলীয় গোষ্ঠীক বৈদিক আৰু সংস্কৃত সাহিত্যত কিৰাট নামেৰে পৰিচিত। এই কিৰাট সকলে উত্তৰ-পূব ভাৰতৰ প্ৰাচীনতম জাতি আৰু জনগাঁঠনি হিচাপেও তাৎপৰ্য্যপূৰ্ণ স্থান অধিকাৰ লাভ কৰি আহিছিল। কিন্তু সংখ্যালঘু জনসমষ্টিয়ে পশ্চিমৰ পৰা অহা আৰ্যীয় সংস্কৃতিৰ সৰল টোৱে অনাৰ্য কিম্বা অধিক আৰু | কিৰাট সংস্কৃতিৰ লগত ভিতৰি ভিতৰি অন্তদ্বন্দ্বৰে গা কৰি উঠিছিল যদিও প্ৰকাশ্যে দেখুৱাব পৰা নাছিল । কিয়নো কিৰাটসকলে সেই সময়ত ৰাজকীয় ক্ষমতাৰো অধিকাৰী হৈছিল। কিৰাট জনগোষ্ঠীৰ প্ৰজাৰ নিৰাপদ আশ্ৰয় লৈ ক্ৰমশঃ কিৰাট কিম্বা মংগোলীয় বংশধৰ সকলক ধৰ্মান্তকৰণেৰে আৰ্য- ব্ৰাহ্মণ্য সংস্কৃতিৰ গণ্ডিৰত ৰাখিবলৈ যত্নবান হৈছিল। কাৰণ প্ৰাক্ ঐতিহাসিক দিনৰ পৰাই বৌদ্ধিক জগতত তেওঁলোকে স্থান আগত ৰাখিব পাৰিছিল আৰু নিৰ্দিষ্ট ভূ-খণ্ডত বিশেষ প্ৰভাৱ বিস্তাৰ কৰি আহিছিল। যিটো কাৰণত ব্ৰিটিছে উচ্চ বৰ্ণ হিন্দু অভিজাতসকলৰ এচাম লোককেই প্ৰশাসনৰ সহযোগীৰূপে নিয়োগ কৰাত স্বাভাৱিককতাত ধৰা দিছিল । প্ৰশাসনিক ক্ষমতাত অংশীদাৰ হোৱাৰ সুবাদতে সেই অভিজাতসকলেই, ব্ৰিটিছৰ গাতে ভেজা দি অসমীয়া জাতিব আধাৰত মধ্যবিত্ত শ্ৰেণীৰূপে জনসমাজত আত্মপ্ৰকাশ কৰে। এই মধ্যবিত্ত শ্ৰেণীটোৱেই বৰ্ণ আৰু জাতিক একাকাৰ কৰি বৰ্ণহিন্দু লোকসমষ্টিকহে অসমীয়া জাতিৰ চাৰিবেৰৰ ভিতৰত সামৰি লৈছিল। জাতিৰ আধাৰত উদ্ভৱ হোৱা উচ্চ বৰ্ণহিন্দু মধ্যবিত্ত শ্ৰেণীটোৱে থলুৱা জনগোষ্ঠীয় লোকসকলক অসমীয়া জাতিৰ ভিতৰত সামৰি লোৱাত ভিতৰি ভিতৰি অসন্তোষ কৰিছিল। কিন্তু তাৰ বিপৰীতে কিৰাট কিম্বা অনাৰ্যমূলীয় নৃপতি বৰাহীৰজা মহামাণিক্যই খ্ৰীঃ চতুদৰ্শ শতিকাত কবিৰাজ মাধৱ কন্দলীক কিৰাট গোষ্ঠী বা জনজাতীয়

ভাষাত ৰামায়ণ পদবন্ধে অনুবাদ কৰিবলৈ নিদি অসমীয়া ভাষাত ৰচনা কৰিবলৈ নিৰ্দেশ দিয়াৰ অৰ্থ আছিল অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰা আৰু এক উদাৰ মনৰ উমান দিয়া। তেনেদৰে নৃপতি মহান নৰনাৰায়ণ আৰু তেওঁৰ পৰৱৰ্তী কোচ নৃপতিসকলৰ সাংস্কৃতিক অৱদানেৰে অসমীয়া সংস্কৃতি চিৰ ভাস্কৰ হৈ আছে। (উৎসঃ অসম সাহিত্য সভাপত্ৰিকা, নৱেম্বৰ, ১৯৯৯ চন, প্ৰবন্ধ কিৰাট সংস্কৃতি আৰু অসম, পৃ. ২৪ ডা নবীন চন্দ্ৰ শৰ্মা) এনেদৰে ভূমিপুত্ৰ ক্ষুদ্ৰ জনজাতি জনগোষ্ঠী কোচসকলে নিজস্ব জনজাতীয় সত্তাৰ আওকাণ কৰি বৃহৎ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত উল্লেখনীয় দৃষ্টান্ত আছে। ইতিহাস অধ্যয়নে স্পষ্টকৈ উমান দিয়ে যে, কোঁচসকল কোনো নিৰ্দিষ্ট সময়ৰ টৌৰত আগ্ৰাসী ৰূপত আত্মপ্ৰকাশ কৰা জাতি নাছিল। সেয়ে গেইট্, চাহাবে কোঁচসকলৰ বিষয় এনেদৰে মন্তব্য দিছে যে, 'The nam (koch) in Assam is no Longer that of tribe, but rather of a Hindu caste into which all converts to Hindus from the different tribes - Kachari, Garo, Hajong, Lalung, Mikir ets, are admitteed conver- sion.' আকৌ ১৮৯৯ চনত লোকপিয়লৰ বিশেষ মন্তব্যত



গেইট্ চাহাবে কৈছে — Whatever may have been the racial affinites of orijinal koch tribe, there can be no doubt that the present Koch of Assam belongs to the Maongloid rather that to the Dravidian stock' অসমীয়া মাতব্বৰী সকলে সংখ্যালঘুত পৰিণত হোৱাৰ আশংকাত অনাৰ্যসকলৰ বংশধৰসকলক কেনেদৰে আৰ্য্যাকীকৰণ কৰি লৈছিল তাক কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ উক্তি প্ৰণিদানযোগ্য। ৰাভাই লিখিছিল ‘কিৰাট বংশৰ যিয়ে ৰজা হৈছিল অভিষেকৰ পাছত আৰ্য্য ব্ৰাহ্মণসকলে তেওঁক ব্ৰাত্যক্ষত্ৰিয়ত দীক্ষিত কৰি বড়ো জনসাধাৰণৰ পৰা পৃথক কৰিছিল। নৰকৰ ৰজাসকলক আৰ্য্যকীকৰণেৰে বেলেগ কৰি অভিষিক্ত কৰা হৈছিল ... কৌটিল্য অৰ্থশাস্ত্ৰ জন্ম হোৱাৰ পাছৰ ৰজাক আৰ্য্যকৰণ ব্ৰাত্যক্ষত্ৰীয় আদি কৰাৰ নিয়ম প্ৰচলিত হয়।' উৎসঃ গোষ্ঠী সংঘাতত বিপৰ্য্যস্ত অসমীয়া জাতি সত্ত্বা, পৃঃ ২৯. খগেশ্বৰ পেগু। এতিয়া কথা হ'ল বৃহৎ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত যদি ভূমিপুত্ৰ ক্ষুদ্ৰ-ক্ষুদ্ৰ জাতি জনগোষ্ঠীসমূহে নিজস্ব জাতিসত্ত্বাৰ এধানমানো বিসৰ্জ্জন নিদিলে। ১৯৪৭ চনত স্বাধীন অসমৰ শাসনৰ বাঘজৰী বৰ্ণ হিন্দু প্ৰধানেই কুক্ষিগত কৰিলে। অথচ স্বাধীনতাৰ নামত বহুজন জনগোষ্ঠীয় লোকে শ্বহীদ বৰণো কৰিলে । সেয়ে ক্ৰমশঃ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন কিৰাটমূলীয় জনগোষ্ঠীৰ মাজত ক্ৰমান্বয়ে আন্তঃসম্পৰ্কৰ একপথ মুকলি হৈছিল।

বিক্ষিপ্ত ঘাট-প্ৰতিঘাটৰ মাজেৰে অসমীয়া মাতব্বৰী একক কতৃত্বৰ পৰা স্বতন্ত্ৰতা বিচাৰি এক জনগোষ্ঠীয় আৱেগেৰে ক্ৰমান্বয়ে মূৰ দাঙি উঠিছিল। পশ্চাৎপদ জনগোষ্ঠীয়সমূহৰ ভিতৰতো মধ্যশ্ৰেণীয়ে গণতান্ত্ৰিক অধিকাৰ প্ৰতি থকা স্ব-অধিকাৰ চেতনাৰে উদ্‌বুদ্ধত আৰ্যমূলীয় অসমীয়া মাতব্বৰীয়ে কৰা অৱজ্ঞা, অৱহেলা আৰু অসহিষ্ণুতা বিৰুদ্ধে এক সংঘাটত পৰিণত হৈছে। ফলশ্ৰুতিত ১৯৬০ চনত ভাষা আন্দোলনৰ পৰিপ্ৰেক্ষিততেই জনগোষ্ঠীয় পৃথকতাবাদী চেতনাৰ অধিক উন্মেষ ঘটে। ভাষা আন্দোলনৰ গুৰি ধৰোঁতাই বৰ্ণ হিন্দু প্ৰধান অসমীয়া মধ্যশ্ৰেণীৰ স্বাৰ্থকেই সমগ্ৰ অসমৰ স্বাৰ্থ বুলি আত্মপ্ৰৱঞ্চনা কৰাত অনুন্নত জনজাতি জনগোষ্ঠীসমূহে ক্ষুন্ন হৈ পৰে। ফলশ্ৰুতিত খাচী, জয়ন্তীয়া, মণিপুৰী আৰু অৰুণাচলীসকল বৰ অসমৰ পৰা আঁতৰি যায় । ইফালে ভৈয়াম জনজাতিসকলৰ মাজতো ক্ষোভৰ দহণ দাও- দাওকৈ জ্বলি উঠিছিল। ফলশ্ৰুতিত উদয়াচল আৰু নীলাচল নামেৰে স্বায়ত্ত অঞ্চলৰ দাবী উত্থাপিত হৈছিল। ১৯৭২ চনৰ বিশ্ববিদ্যালয়ৰ মাধ্যম সংক্ৰান্তত অসমীয়া ভাষাক বলপূৰ্বক প্ৰচলন আদিৰ ঘটনাই ভয়ংকৰ ভাষিক গোষ্ঠীদ্বন্দ্ব এটা সৃষ্টি কৰিলে। এনে ভাষিক গোষ্ঠীদ্বন্দ্ব উন্মেষৰ সময়ত ৰাজনৈতিক নেতৃত্বই সৰ্বজন গ্ৰাহ্য কাৰ্য কৰি নীতিয়ে পৰিস্থিতি মোকাবিলা কৰিব নোৱাৰিলে। তাৰে সুযোগ গ্ৰহণ কৰি অসমীয়া ভাষী মধ্যবিত্তই নিজকে উচ্চ বৰ্ণ সম্প্ৰদায় বুলি আত্মপ্ৰবঞ্চনা মনোভাৱে যি ঔপনিৱেশিক দৃষ্টিভংগীৰ বাহাল ৰাখিব বিচাৰিলে, তেনে পৰিণতিতেই আজি জনজাতি জনগোষ্ঠী সকলক বিচ্ছিন্নতাবাদী

প্ৰৱণতাই মূৰ দাঙি উঠি ৰ সাৰ-পানী যোগালে। অথচ '৪২ ৰ ভাৰত ত্যাগ' আন্দোলনৰ সময়ত কুশল কোঁৱৰ, কমলা মিৰি, ৰাওতা কছাৰী, হেমৰাম পাতৰ আৰু নিধানু ৰাজবংশী দৰে জনজাতি লোকে দেশৰ কাৰণে শ্বহীদ হোৱাৰ দৃষ্টান্ত আছিল। তথাপিও অসমীয়া মধ্যবিত্ত উগ্ৰজাতীয়তাবাদৰ চৰিত্ৰই বড়ো সমাজৰ সন্মুখত এক বিৰাট প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল। সমান্তৰালভাৱে ৰাজ্য চৰকাৰৰ চূড়ান্ত দমন পীড়নৰ বলি হৈছিল বহুজন বড়ো ছাত্ৰ-ছাত্ৰী। তেনে সন্ধিক্ষণতে অসমৰ সাহিত্য সভায়ো বড়োবিদ্বেষী অৱস্থান গ্ৰহণ কৰাটোৱেই আছিল জনজাতি সমাজক প্ৰতাৰণা কৰা উজ্জ্বলতম নিদৰ্শন। তাৰে ফলশ্ৰুতিত বড়ো বিচ্ছিন্নতাবাদক শক্তিশালী কৰি তুলিলে। তেনে শোষণ, দমনৰ বিৰুদ্ধে অসমৰ বিভিন্ন জনজাতি-জনগোষ্ঠীয়ে অসমীয়া মধ্যবিত্ত উগ্ৰ জাতীয়তাবাদৰ বিদ্বেষ গুৰুত্বভাৱে বিস্ফোৰণমুখী হৈ পৰিছে।

নৃতাত্ত্বিক তথা সমাজ তাত্ত্বিক পণ্ডিতসকলে স্বীকাৰ কৰিছে যে আৰ্যসকলৰ আগমনৰ পূৰ্বেই অসমত আৰ্যভিন্ন অৰ্থাৎ অনাৰ্যমূলীয় জনজাতি জনগোষ্ঠীৰ বসতি আছিল। তাৰে ভিতৰত মংগোলীয় কিম্বা কিৰাট জনগোষ্ঠাৰে গৰিষ্ঠ আছিল। অৰ্থাৎ আৰ্য আৰু অনাৰ্যমূলীয় সংমিশ্ৰণ আৰু আত্মীকৰণ প্ৰক্ৰিয়াৰ ফলতেই অসমীয়া জাতি আৰু সংস্কৃতি গঢ় লৈ উঠিছিল। আপাত দৃষ্টিত জনগোষ্ঠীয় নেতৃবৃন্দ প্ৰৱাহমান উন্মেষণৰ বাস্তৱিক ভিত্তিত যুক্তি যুক্ততাৰ হেতুকে সম্প্ৰতি অসমত বিভিন্ন জনগোষ্ঠীয় সুকীয়া ৰাজ্যৰ দাবীও উত্থাপিত কৰিছে। যিটো কাৰণত অসমীয়াত্বৰ সংমিশ্ৰণ আৰু



আত্মীকৰণৰ প্ৰক্ৰিয়াও ব্যাহত হৈছে। যিটো কাৰণত অতি সম্প্ৰতি জাতীয়তাবাদী শিবিৰ উদ্ভ্ৰান্ত হৈ আত্ম-অস্তিত্ব প্ৰতিপন্ন কৰিবৰ বাবে বিভিন্ন ৰূপত আত্মপ্ৰকাশ কৰিছে। এই বিছিন্নতা মূলত : অসমীয়া মাতব্বৰী একক আধিপত্য মানসিকতা, সংকীৰ্ণ দৃষ্টিভংগী আৰু অৰ্থশূন্য উচ্চাত্মিতাবোধৰ স্পষ্ট আত্মঘাতীৰ ফচল। গতিকে অসমীয়াত্ব বজাই ৰাখিবলৈ হ'লে উগ্ৰতাৰ, নীচাত্মিকতা, আধিপত্যবাদী মানসিকতা আৰু ধৰ্মীয় গোড়ামি আদি ত্যাগ কৰিব লাগিব আৰু সমান্তৰালভাৱে থলুৱা জনজাতিসকলৰ ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচিত অন্তৰ্গত স্বায়ত্ত্ব শাসন আৰু আত্মীকৰণ আদি প্ৰক্ৰিয়াৰ দ্বাৰা দায়বদ্ধতা প্ৰকাশ কৰিব লাগিব। কিন্তু অতি সম্প্ৰতি একাংশৰ গোপন অভিসন্ধিত জনগোষ্ঠীয় সকলক সাংবিধানিকপ্ৰদত্ত অধিকাৰ আৰু সুৰক্ষা প্ৰদানৰ বিৰোধিতা কৰি অহাহে দৃষ্টিগোচৰ হৈছে। এইয়া কোনো সভ্য লোকৰ কৰ্তব্যত নপৰে। কিয়নো বহুজাতিক বহুভাষিক জনজাতিপ্ৰধান অসমত আৰ্যমূলৰ একক আধিপত্যত অচল আৰু অবাঞ্চনীয়। কিয়নো অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাসৰ লেখক ড° প্ৰফুল্ল মহন্ত ছাৰৰ ভাষাত এই অসমখন জনজাতিৰ প্ৰাকৃতিক গৃহভূমি। সেয়ে আৰ্যবৰ্ণ গোষ্ঠীয়ে অসমৰ আৰ্যভিন্ন কিম্বা অনাৰ্য সকলৰ লগত সহমত স্থাপন কৰি ৰাজনৈতিক ক্ষমতাতো সমবিতৰণ কৰিবলগীয়া। কিয়নো বিশ্বত যিমানবোৰ জাতি জনগোষ্ঠীৰ আন্তঃগাঁঠনিৰ বিকাশ ঘটিছে সকলোখিনি শাসক পক্ষত থিয় দিয়া| বৃহৎ জাতি সমূহে ৰাজনৈতিক ক্ষমতাৰে উন্নতি সাধিবলৈ সক্ষম হৈছে। কিন্তু ৰাজনৈতিকভাৱে আৰু প্ৰশাসনত অংশগ্ৰহণ কৰিব নোৱাৰা সকলো জনগোষ্ঠীয়ে সকলো দিশতে বঞ্চিত আৰু শোষিত হ'বলগীয়া হৈছে। যিটো কাৰণত ৰাজনৈতিক আৰু অৰ্থনৈতিকভাৱে আত্ম ৰক্ষাৰ কাৰণে বিভিন্ন সময়ত বিক্ষিপ্ত ৰূপত পশ্চাৎপদ জাতিসমূহৰ আত্মপ্ৰকাশ ঘটিছে বিছিন্নতাবাদৰ অন্য এক নামেৰে। সেয়ে আমাৰ আহ্বান বৰ অসমৰ ঐক্য-সম্প্ৰীতি আৰু অখণ্ডতাক ৰক্ষা কৰিবলৈ হ'লে বিকাশমান জাতি আৰ্যবৰ্ণ সকলে অসমৰ সকলো পশ্চাৎপদ ক্ষুদ্ৰ-ক্ষুদ্ৰ জাতি-জনগোষ্ঠীসমূহক সমমৰ্যদাৰে বৰজাপিৰ তলত সামৰি ল'ব পাৰিব লাগিব প্ৰকৃত আত্মীয়তাৰে। অন্যথা অসমক বিভাজনৰ মুখৰ পৰা উদ্ধাৰ কৰিবলৈ কোনো শক্তি নোলাব।

# যন্ত্ৰণা

**অৰবিন্দ পেগু**

**যৌৱনৰ আদিম পুৱাতে**

**জীৱনৰ সপোন সাৱতি**
**তোমালৈ পঠালো মৰম (বতৰা)**
**হৃদয় পূৰ্ণ কৰি**
**অলপো কৃপনালি নকৰি**
**তাক জানো তুমি**
**সাৱতি ল'বা।**
**মাথো বাস্তৱত বিচাৰিছো তোমাক**
**যৌৱনৰ হিয়া জুই নুমুৱাই**
**হোৱা জানো মোৰ**
**জীৱন সঙ্গিনী।**
**ফাগুনৰ পছোৱা বতাহ**
**তোমালৈ মোৰ অসীম হেপাহ**
**তুমি বুজিও নুবুজা।**
**হোৱা যদি তুমি**
**জীৱনৰ সপোন লগৰী**
**মোৰ কাণে কাণে**
**কৈ যোৱাহি**
**তুমি ভালে আছানে?**
**মইও সাঁচি ৰাখিছো তোমাক**
**মোৰ হৃদয়ৰ একোণত ।।**



## ৯০ বছৰত মিচিং বাঃনী কীবাং

**দীপক কুমাৰ দলে**

মিচিং সম্প্ৰদায়ৰ প্ৰথম বি.এ. চাৰু চন্দ্ৰ দলেদেৱ যেতিয়া মাজুলী চাৰ্কোলৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক আছিল, তেতিয়া তেখেতে মাজুলীৰ বিভিন্ন স্থানৰ বিদ্যালয়বোৰক পৰিদৰ্শন কৰি ফুৰিছিল। তেনেকৈ পৰিদৰ্শন কৰি ফুৰোতেই এবাৰ খেৰকটা পাৰৰ উজনি মাজুলীৰ গেজেৰা গাঁৱত ৰাইজৰ মাজত মিচিং সকলৰ উন্নতিৰ বাবে এখন ডাঙৰ সভা পাতি ৰাইজক শিক্ষাৰ ফল কি তেখেতে তাক বুজাই দিব বিচাৰিছিল। তেখেতৰ কথা মতেই শদিয়াৰ পৰা বুৰৈ- ভৰলীলৈ থকা মিচিং ৰাইজক একগোট কৰাৰ উদ্দেশ্যেৰে এখন সভা পাতিবৰ বাবে গেজেৰা বাসী ৰাইজ সদলবলে ওলাই আহিছিল।

১৯২৪ চনৰ শীতকাল। স্থান- গেজেৰা গাঁও, মাজুলী। খেৰকটা পাৰৰ এডোখৰ ওখ বালিময় ঠাই । বাঁহ, খেৰ, কঁহুৱাৰে এখন বিয়াগোম সভাগৃহ। আশা কৰামতেই শদিয়াৰে পৰা ভৰলীৰ মিচিং ৰাইজৰ প্ৰতিনিধিৰ সমাগম। সমাৱেশৰ নাম 'সদৌ অসম মিৰি সন্মিলন'। সিংহভাগে খোজ কাঢ়ি, কিছুমানে নাৱেৰে হিলদল ভাঙি আহি সন্মিলনত অংশ গ্ৰহণ কৰিছিল। সভাপতিত্বৰ বাবে হাতীত উঠি আহিছিল গড়মূৰ সত্ৰৰ তেতিয়াৰ সত্ৰাধিকাৰ মানৰ দৰদ উদাৰ পুৰুষ প্ৰভু শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামীদেৱ। সভাপতিৰ আসনৰ পৰা শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামীদেৱৰ প্ৰগতিৰ হকে দিয়া উদাত্ত ভাষণ আৰু অন্যতম আহ্বায়ক চাৰু চন্দ্ৰ দলেদেৱৰ ৰসাল পৰিৱৰ্তনকামী বক্তব্যই সন্মিলনখনক সোণত সুৱগা চৰাই অধিক সফল কৰি তুলিছিল। অনগ্ৰসৰ মিচিং সমাজক অগ্ৰসৰতাৰ বাটেৰে আগবঢ়াই নিয়াৰ বাবে প্ৰথম প্ৰতিশ্ৰুতিত পৰিণত হৈছিল ১৯২৪ চনৰ সদৌ অসম মিৰি সন্মিলন। বহুতে এই সন্মিলন খনকে প্ৰথম বাঃনী কীবাং অধিবেশন আখ্যা দিয়ে।

সদৌ অসম মিৰি সন্মিলনৰ সলনি পৰৱৰ্তী কালত ইয়াৰ নামকৰণ কৰা হ'ল মিচিং বাঃনৌ কৌবাং । প্ৰথমাৰম্ভাত মিচিং বাঃনৌ কৌবাং স্থায়ী সভাপতি ৰখাৰ প্ৰথা নাছিল। কীবাঃ নীবৃং বা সম্পাদকজন সভা আহ্বান কৰাৰ দায়িত্বত আছিল। বহু বছৰ ধৰি এই দায়িত্ব নিষ্ঠাৰে পালন কৰাৰ বাবে মিচিঙৰ প্ৰথম এম.এল.চি. কাৰ্ক চন্দ্ৰ দলেদেৱ সমাজত 'কীবাঃ নীবৃং'নামেৰে পৰিচিত হৈছিল। শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত পিছ পৰা সমাজক শিক্ষাৰে শিক্ষিত কৰা, নৈ-পৰীয়া ৰাইজক গৰা- খহনীয়াৰ পৰা উদ্ধাৰ কৰি সংস্থাপন দিয়া, সমাজৰ পৰা কু- প্ৰথাবোৰ আঁতৰাই সমাজখনক চাফ-চিকুণকৈ ৰখা, উঠি অহা ল'ৰা-ছোৱালীবোৰক পঢ়াশালিলৈ পঠিওৱা আদিবোৰেই আছিল সেই সময়ৰ বাঃনৌ কৌবাং মূল লক্ষ্য। খেৰকটামুখৰ সমাজপ্ৰেমী বিমলা দলেয়ে মিচিং গাঁওবোৰক চাফ-চিকুণকৈ ৰখাৰ বাবে নিজে হাতত ঝাড়ু লৈ বাট-পথ, চাং তলবোৰ সাৰি ফুৰিছিল। তেখেতক অনুসৰণ কৰি বহুতে ঝাড়ু ধৰি সেই কাম কৰিবলৈ লৈছিল। মিচিং সমাজত বিমলা দলেদেৱ 'ঝাড়ুধৰা বিমলা' নামেৰে জনপ্ৰিয় আছিল।

মিচিং বাঃনৌ কৌবাং ইতিহাস খুচৰি চালে আৰম্ভণিৰ অধিবেশনবোৰ অনন্য গৌৰৱৰ অধ্যায় হৈ ৰ'ব। চাৰু চন্দ্ৰ দলে, বিমলা দলে, কাৰ্ক চন্দ্ৰ দলে, মহী চন্দ্ৰ মিৰি, চকভাল কাগয়ুঙৰ দৰে সুযোগ্য মিচিং সন্তানে প্ৰতিনিধিত্ব কৰা মিচিং বাঃনৌ কৌবাং প্ৰথম, দ্বিতীয়, চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ অধিবেশনবোৰত পৌৰোহিত্য কৰিছিল বৰেণ্য অমিচিং ব্যক্তিয়ে। তেখেত সকলক স-সন্মানে অধিবেশনৰ সভাপতিৰ আসন শুৱনি কৰিবলৈ আদৰি অনা হৈছিল। তেনেকৈ অধিবেশনত অংশগ্ৰহণ কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰা অমিচিং ব্যক্তি সকলৰ ভিতৰত মিঃ ক্ৰেকেৰা চাহাব (তেখেতে বাঃনৌ কৌবাং নামত ১৯৩৯ চনৰ কাৰ্যনিৰ্বাহক সভাত ৫০ (পঞ্চাশ) টকা আগবঢ়াইছিল), ১৯৫৮ চনৰ অধিবেশনত তদানীন্তন অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা, ১৯৫৯ চনৰ অধিবেশনত ভাৰত চৰকাৰৰ জনজাতি কমিচনাৰ শ্ৰীকান্ত, ১৯৬৬ চনৰ অধিবেশনত তদানীন্তন ভাৰতৰ প্ৰধান



মন্ত্ৰী ইন্দিৰা গান্ধী আছিল অন্যতম। কলাগুৰু বিষ্ণু ৰাভা আৰু সুধাকণ্ঠ ভূপেন হাজৰিকাদেৱৰ অংশ গ্ৰহণেও মিচিং বাঃনৌ কৌবাংক স্ব-মহিমাৰে মহিমামণ্ডিত কৰি ৰাখিব ।

মিচিং বাঃনৌ কৌবাংৰ যত্নতেই মিচিং সমাজৰ পৰা চামে চামে পৰৱৰ্তী কালত শিক্ষিত ব্যক্তি ওলাই আহিবলৈ লয়। মিচিং বাঃনৌ কৌবাংৰ প্ৰস্তাৱ মৰ্মে মাতমৰাত স্থাপন কৰা সদৌ অসম মিৰি হাইস্কুল বিশেষ ভাৱে মিচিং ৰাইজৰ বাবে আশীৰ্বাদস্বৰূপ। এইখন বিদ্যালয়ৰ পৰাই ডাঃ নুমল পেগু, ৰমেশ মোহন কুলি, লক্ষ্যনাথ দলে প্ৰমুখ্যে বহু গৰাকী সুযোগ্য মিচিং সন্তানে উচ্চ শিক্ষাৰ জখলাৰে সফলতা অৰ্জন কৰি দেশ মাতৃৰ চৰণত সেৱা আগবঢ়াবলৈ সক্ষম হোৱাৰ লগতে পৰৱৰ্তী কালৰ ছাত্ৰ-ছাত্ৰী সকলৰ অনুপ্ৰেৰণাৰ উৎস হৈছিল।

সাংস্কৃতিক পথাৰখনলৈকো মিচিং বাঃনৌ কৌবাংৰ অৱদান মন কৰিব লগা । বাঃনৌ কৌবাংৰ অধিবেশনক লক্ষ্য কৰি নিজ নিজ অঞ্চলত সাংস্কৃতিক দলবোৰে মিচিং লোক নৃত্যকে আদি কৰি সৃষ্টিৰ পথাৰলৈ দৃষ্টি ৰাখিছিল। বাৰে ৰহনীয়া সাংস্কৃতিক দলক ৰাইজৰ হৃদয় জয় কৰিবলৈ নিপুণ কৰি তুলিছিল অয়ানৰ পৰা অইৰাম বৰিয়ে, গন্ধীয়াৰ পৰা জীৱন মিপুনে, মাজুলীৰ পৰা তৰুণ চন্দ্ৰ পামেগামে, দিচাংমুখৰ পৰা বিক্ৰমচিং য়েইনে আৰু ঘুণাসুঁতিৰ পৰা নন্দেশ্বৰ পায়েঙে । তেখেত সকলৰ উপৰিও ব্যক্তিগত ভাৱে মুহিধৰ পেগু, অই আব্দুন গণেশ পেগু প্ৰমুখ্যে শিল্পী সকলে নানা ৰঙৰ নিঃতম সৃষ্টি আৰু পৰিৱেশন কৰি অধিবেশন তলীক ৰঙে ভৰা কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা পৰিলক্ষিত হৈছিল। বিশেষকৈ অইৰাম বৰি, জীৱন মিপুন আৰু বিক্ৰমচিং য়েইনদেৱৰ কৃষ্টি দলে পৰৱৰ্তী কালত মিচিং নৃত্যৰ পৰিচয় প্ৰদান কৰাই নহয়, মিচিং কৃষ্টিৰ মনোলোভা কঠীয়া ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত ৰোপণ কৰিবলৈ সক্ষম হৈছিল

১৯৫৫ চনত মাল চন্দ্ৰ পেগুদেৱৰ নেতৃত্বত অনুষ্ঠিত ১৯ তম গেজেৰা অধিবেশনত কেইটামান গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। উক্ত অধিবেশন অত্যন্ত গুৰুত্বপূৰ্ণ অধিবেশৰূপে কেবাটাও দিশৰ পৰা স্মৰণীয় হৈ ৰ'ব। অধিবেশনৰ প্ৰস্তাৱবোৰৰ ভিতৰত আছিল-

ক) বাঃনৌ কৌবাংৰ এগৰাকী স্থায়ী সভাপতি নিযুক্তি।

খ) আলি-আঃয়ে লিগাং উৎসৱ সমগ্ৰ মিচিঙে ফাগুন মাহৰ প্ৰথম বুধবাৰে পালন কৰা ।

গ) 'সদৌ অসম মিৰি সন্মিলন'ৰ পৰিৱৰ্তে কৌবাঙৰ নাম 'মিচিং বাঃনৌ কৌবাং” ৰখা ।

মিচিং বাঃনৌ কীবাঙক ৰাজ্যিক গণ্ডীতে আৱদ্ধ নাৰাখি ৰাষ্ট্ৰীয় প্ৰেক্ষাপটলৈ নিয়াৰ বাবে যত্ন কৰা মহান সন্তান সকলৰ ভিতৰত ললিত কুমাৰ দলেদেৱ অন্যতম আছিল। বাঃনৌ কৌবাংৰ ২৩ ত্বম ৪-৬ ফেব্ৰুৱাৰী,১৯৬৬ কুলাজান, ধেমাজিত অনুষ্ঠিত অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ নায়ক লিটল নেহৰু ললিত কুমাৰ দলেদেৱৰ যত্নতে তেতিয়াৰ ভাৰতৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ অংশ গ্ৰহণ আছিল বাঃনৌ কৌবাঙৰ সৰ্বকালৰ স্মৰণীয় অধিবেশন। সভাপতি তৰুণ চন্দ্ৰ পামেগামৰ পৌৰোহিত্যত অনুষ্ঠিত অধিবেশনত অসম- অৰুণাচলৰ উপৰিও উত্তৰ-পূৰ্বাঞ্চলৰ বহু গৰাকী নেতাই অংশ গ্ৰহণ কৰিছিল। ৰাজনীতিৰ নেতাৰ পৰা সাংস্কৃতিক জগতৰ স্বনামধন্য শিল্পী সকলৰ অংশ গ্ৰহণে আজিও মিচিঙৰ হিয়া সুখ-আনন্দৰ গৌৰৱেৰে মহীয়ান কৰি তোলে। অই আপুন গণেশ পেগুৰ সপোনপুৰী স্বৰূপ ১৯৬৬ চনৰ কুলাজানত অনুষ্ঠিত বাঃনৌ কৌবাংৰ অধিবেশনে আজিও মিচিঙৰ মন- প্ৰাণ কাঢ়ি নিব পাৰে । অমোচনীয় স্মৃতিৰ সাক্ষী বহন কৰে। লাহে লাহে মিচিং বাঃনৌ কৌবাঙৰ ভিতৰ চ'ৰালৈ শিক্ষিত যুৱ চামৰ আগমণ আৰু আকৰ্ষণ বাঢ়ি আহিবলৈ আৰম্ভ হয়। ১৯৭৫ চনৰ ১৩ এপ্ৰিল তাৰিখে বাঃনী কীবাঙে ৫০ বছৰ পূৰ্ণ কৰা উপলক্ষে লক্ষীমপুৰৰ বামুণদলনিত মাল চন্দ্ৰ পেগুদেৱৰ সভাপতিত্বত ইয়াৰ ২৫ ত্বম অধিবেশনক সোণালী জয়ন্তী বৰ্ষ ৰূপে পালন কৰে। এই অধিবেশনতে বাঃনৌ কৌবাঙৰ নিয়মাৱলীখনক সংশোধন কৰি 'সংবিধান' নাম দিয়া হৈছিল। মাল চন্দ্ৰ পেগুদেৱৰ নেতৃত্বত ১৯৮৫ চনৰ ২৮-৩০ জানুৱাৰীত বকুলগুৰিত অনুষ্ঠিত কীবাঙৰ ২৮ ত্বম অধিবেশনত বাঃনৌ কৌবাঙৰ আমূল পৰিৱৰ্তন বিচাৰি শিক্ষিত যুৱ চামে 'খচৰা প্ৰস্তুত উপসমিতি' গঠন কৰি সংবিধানখনৰ সৰ্বাত্মক সংশোধনৰ পোষকতা কৰে।
ইন্দ্ৰেশ্বৰ পেগুদেৱৰ নেতৃত্বত ১৯৮৮ চনৰ ৩০ ত্বম মিংমাং কঠালগুৰি অধিবেশনৰ উল্লেখযোগ্য দিশ আছিল। বাঃনৌ কৌবাঙৰ মজিয়াত প্ৰথম বাৰৰ বাবে ৰাজনৈতিক বিষয়ৰ আলোচনা আৰু প্ৰস্তাৱ গ্ৰহণ। প্ৰস্তাৱ মৰ্মে বাঃনৌ কৌবাঙৰ মিচিং সকলৰ আত্ম নিয়ন্ত্ৰণৰ বাবে স্বায়ত্ব শাসনৰ দাবী উত্থাপন কৰে।



গোলাপ দলেদেৱৰ সভাপতিত্বত ১৯৯২ চনৰ ৩১ ত্বম বদতি অধিবেশনৰ উল্লেখযোগ্য দিশ আছিল মিচিঙৰ অন্যান্য জাতীয় সংগঠনবোৰৰ লগত বাঃনৌ কৌবাংৰ মতবিৰোধ আৰু আধবেশন বৰ্জন।
১৯৯৫ চনৰ ৩২ ত্বম বিলমুখ অধিবেশনৰ সভাপতি আছিল পূৰ্ণ কান্ত পেগু । এই অধিবেশনত মিচিঙৰ অন্যান্য জাতীয় সংগঠনবোৰৰ লগত বাঃনৌ কৌবাংৰ সংঘাত তুংগত উঠে। এই অধিবেশনতে নৰেশ টাইদ, বগা মেদক আৰু অঞ্জনা পেগুৱে পুলিচৰ গুলিত প্ৰাণ হেৰুৱায়। এই অধিবেশনত দুনেশ্বৰ মদি বাঃনৌ কৌবাংৰ সভাপতি নিৰ্বাচিত হৈছিল যদিও আন আন জাতীয় মিচিং সংগঠনবোৰৰ লগত বাঃনৌ কৌবাংৰ সংঘাত বহুদিন ধৰি অব্যাহত হৈ আছিল।
২০০২ চনত গোগামুখত মিচিং বাঃনৌ কৌবাংৰ পুনৰ গঠনৰ সভা পদ্মনাথ টাইদদেৱৰ নেতৃত্বত অনুষ্ঠিত হয় ।
এই সভাতে মিচিং বাঃনী কীবাং পুনৰ গঠন কৰি দেৱেশ্বৰ পেগুদেৱক সভাপতিৰূপে নিৰ্বাচত কৰা হয় ।
২০০৫ চনৰ ২৪-২৭ মাৰ্চত বাঃনৌ কৌবাংৰ ৩৩ ত্বম অধিবেশন সোৱণশিৰিৰবৰ্ষামুখত দেবেশ্বৰ পেগুদেৱৰ সভাপতিত্বত অনুষ্ঠিত হয়। উক্ত অধিবেশনতে পৰমানন্দ চায়েঙ্গীয়াক সভাপতি ৰূপে নিৰ্বাচিত কৰা হয়। পৰৱৰ্তী কালত মিচিং বাঃনী কীবাঙে মিচিং মিমাগ কীবাঙৰ লগ লাগি কংগ্ৰেছ দলেৰে মিত্ৰতা কৰি মিচিং স্বায়ত্ব পৰিষদৰ দায়িত্ব গ্ৰহণ কৰে ।
মিচিং বাঃনৌ কৌবাংৰ শেহতীয়া ৩৪ ত্বম অধিবেশন দ্বিতীয় বাৰৰ বাবে যোৰহাটৰ বাঁহফলাত আয়োজন কৰা হৈছে। এই অধিবেশনলৈ দেশৰ বহু গৰাকী নেতাক আমন্ত্ৰণ জনোৱা হৈছে। আশা কৰো এই বাৰৰ অধিবেশনখন সৰ্বাংগসুন্দৰ হ'ব।

মিচিং বাঃনৌ কৌবাংৰ অধিবেশনবোৰৰ সংখ্যা, তাৰিখ, স্থান আৰু সভাপতি সকলৰ নাম উল্লেখ কৰা হ'ল –

| | | | |
|---|---|---|---|
| ১ম | শীতকাল, ১৯২৪ | গেজেৰা, মাজুলী | শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী |
| ২য় | ৭, ৮ মে, ১৯২৭ | ভেকেলী, মাজুলী | এ.চি. টলষ্টল |

| | | | |
|---|---|---|---|
| ৩য় | ৯, ১০ এপ্ৰিল, ১৯২৭ | নামঘৰীয়া, ডিব্ৰুগড় | মহীচন্দ্ৰ মিৰি |
| ৪ৰ্থ | ২২, ২৩ এপ্ৰিল, ১৯৩১ | জামুগুৰি, লক্ষীমপুৰ | মঃ মুহিবুদ্দিন আহমেদ |
| ৫ম | ২২, ২৩ অক্তোবৰ,১৯৩৩ | পথালিপাম, লক্ষীমপুৰ | সৰ্বেশ্বৰ বৰুৱা |
| ৬ষ্ঠ | ফেব্ৰুৱাৰী, ১৯৩৪ | মৰনৈ বেবেজীয়া, লক্ষীমপুৰ | শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী |
| ৭ম | ২৭ ফেব্ৰুৱাৰী,১৯৩৬ | মাতমৰা, লক্ষীমপুৰ | বাগ্মীবৰ নীলমণি ফুকন |
| ৮ম | ৯ এপ্ৰিল, ১৯৩৭ | সোৱণশিৰি, গোলাঘাট | ছাৰ চৈয়দ চাদুল্লা |
| ৯ম | ১১ এপ্ৰিল,১৯৩৮ | মহুৰামুখ, গোলাঘাট | ইন্দিৰা মিৰি |
| ১০ম | ১৯৪০ | বনৰীয়া চাপৰি, মাজুলী | চকভাল কাগয়ুং |
| ১১ ত্বম | ১৯৪৫ | তামুলিছিগা, শোণিতপুৰ | কাৰ্ক চন্দ্ৰ দলে |
| ১২ত্বম | ১৯৫০ | কুলি গাঁও, ধেমাজি | কাৰ্ক চন্দ্ৰ দলে |
| ১৩ত্বম | ১৯৫১ | খেৰকটা, মাতমৰা | লক্ষ্যনাথ দলে |
| ১৪ত্বম | সবিশেষ পোৱা নগ'ল | | |
| ১৫ত্বম | সবিশেষ পোৱা নগ'ল | | |
| ১৬ত্বম | সবিশেষ পোৱা নগ'ল | | |
| ১৭ত্বম | সবিশেষ পোৱা নগ'ল | | |
| ১৮ত্বম | ২৫ ফেব্ৰুৱাৰী, ১৯৫৫ | লোহিতমুখ, গহপুৰ | কুলধৰ চলিহা |
| ১৯ত্বম | ২৯-৩০ অক্তোবৰ, ১৯৫৫ | গেজেৰা, মাজুলী | মাল চন্দ্ৰ পেগু |
| ২০ত্বম | ১৯৫৮ | গড়ছিগা, লক্ষীমপুৰ | মাল চন্দ্ৰ পেগু |
| ২১ ত্বম | ১৫ এপ্ৰিল, ১৯৫৯ | মোৱামাৰী, মাজুলী | মাল চন্দ্ৰ পেগু |
| ২২তম | ১৫ এপ্ৰিল, ১৯৬১ | মলোৱাৰ, মাজুলী | মাল চন্দ্ৰ পেগু |
| ২৩ ত্বম | ৪–৬ ফেব্ৰুৱাৰী,১৯৬৬ | কুলাজান, ধেমাজি | তৰুণ চন্দ্ৰ পামেগাম |
| ২৪ ত্বম | ২৯-৩০ নৱেম্বৰ ১৯৭২ | মইনাপৰা, ধেমাজি | ললিত কুমাৰ দলে |
| ২৫ ত্বম | ২৭ এপ্ৰিল, ১৯৭৫ | বামুণদলনি, লক্ষীমপুৰ | মাল চন্দ্ৰ পেগু |
| বিশেষ অধিবেশন,১৯৭৫ | | জেংৰাই চাপৰি, মাজুলী | মাল চন্দ্ৰ পেগু |
| ২৬ ত্বম | ২৫ মাৰ্চ, ১৯৭৮ | বাঁহফলা, যোৰহাট | পুষ্পধৰ পেগু |
| বিশেষ অধিবেশন, | ২৭ অক্তোবৰ, ১৯৭৮ | জোনাই, ধেমাজি | মাল চন্দ্ৰ পেগু |
| ২৭ ত্বম | ২৮ ফেব্ৰুৱাৰী, ১২ মাৰ্চ, ১৯৮১ | ঘৃণাসুঁতি, লক্ষীমপুৰ | মাল চন্দ্ৰ পেগু |
| ২৮ ত্বম | ২৮-৩০ জানুৱাৰী, ১৯৮৫ | বকুলগুৰি, ঢকুৱাখানা | মাল চন্দ্ৰ পেগু |
| ২৯ ত্বম | ২০-২২ জানুৱাৰী, ১৯৮৭ | পাতৰিচুক, লক্ষীমপুৰ | ইন্দ্ৰেশ্বৰ পেগু |
| ৩০ ত্বম | ১৯৮৮ | কঠালগুৰি, মিংমাং | ইন্দ্ৰেশ্বৰ পেগু |
| ৩১ ত্বম | ১৯৯২ | বদতি, মাজুলী | গোলাপ চন্দ্ৰ দলে |
| ৩২ ত্বম | ১৯৯৫ | বিলমুখ, ঢকুৱাখানা | পূৰ্ণ কান্ত পেগু |
| বিশেষ অধিবেশন, ২002 | | গোগামুখ, ধেমাজি | পদ্মনাথ টাইদ |
| ৩৩ ত্বম | ২৪-২৭ মাৰ্চ, ২০০৫ | সোৱণশিৰি,বৰ্ষামুখ | দেবেশ্বৰ পেগু |
| ৩৪ ত্বম | ২০-২৪ মাৰ্চ, ২০১৪ | বাঁহফলা, যোৰহাট | পৰমানন্দ চায়েঙীয়া |

চাওঁতে চাওঁতে ১৯২৪ চনতে উজনি মাজুলীৰ গেজেৰা গাঁৱত জন্ম লাভ কৰা মিচিং বাঃনী কৌবাং ৯০ বছৰীয়া হ'ল। পূৰ্বৰ তুলনাত মিচিং সমাজখনেও বহু পৰিৱৰ্তন লাভ কৰিছে। আধুনিক শিক্ষাৰে শিক্ষিত হৈ বহু গৰাকী মিচিং সন্তানে দেশ মাতৃৰ সেৱা কৰিবলৈ সক্ষম হৈছে। শান্তি প্ৰিয় জনজাতি হিচাপে আজিও মিচিং সমাজ পৰিচিত হৈ আছে। বাঃনী কৌবাংৰ উপৰিও ভাষা-সাহিত্যৰ বাবে আগম কৌবাং, সংস্কৃতিৰ বাবে দুৰব্ কৌবাং, সংগ্ৰামৰ বাবে মিমাগ কৌবাং, মহিলা সমস্যাৰ বাবে মিমী কৌবাং, ছাত্ৰ সংগঠন তাকাম মিচিং পৰিন কৌবাং আদি জাতীয় সংগঠনেৰে যিকোনো সমস্যাৰ মোকাবিলা কৰিবলৈ আজি মিচিং সমাজ বৰ্তি আছে। কিন্তু  অন্য সমাজৰ বা সময়ৰ তুলনাত সমাজখনে যিমান আগবাঢ়িব লাগিছিল, সিমান আগ বঢ়া নাই। বিপৰীতে ভাষা-সাহিত্যৰ ক্ষেত্ৰত ভয়াবহ ভাৱে বিপন্ন হৈ গৈ আছে। মিচিং সকলক একত্ৰিত কৰি উন্নতিৰ বাটেৰে আগবঢ়াই নিয়াৰ সপোন ৰচোঁতা চাৰু চন্দ্ৰ দলে, মহী চন্দ্ৰ মিৰি, বিমলা দলে, কাৰ্ক চন্দ্ৰ দলে, চকভাল কাগয়ুং প্ৰমুখ্যে স্বনামধন্য সু-সন্তান সকলৰ সপোনক বাস্তৱত ৰূপ দিবলৈ আকৌ এবাৰ অতীত আৰু বৰ্তমানৰ সাঁকোখনক নিৰ্মাণ কৰি আধুনিক মিচিং সমাজখনক ন-কৈ গঢ়ি তোলাৰ সময় আজি সমাগত। আগন্তুক বাঃনী কৌবাংৰ ৩৪ তম বাঁহফলা অধিবেশনে দিয়ক তাৰেই বলিষ্ঠ নতুন সু-সন্ধান।



# দবুৰ পূজা

**বলীন চন্দ্ৰ কুলি**
**ডিব্ৰুগড়**

**পাতনি** ঃ মিচিং সকলে উদ্‌যাপন কৰি অহা জাতীয় পূজাবোৰৰ প্ৰাচীন কালৰে পৰা ধৰ্মীয় বিশ্বাসক আধাৰ হিচাপে লৈ পৰম্পৰাগতভাৱে সেইবোৰ পূজা উদ্‌যাপন কৰি আহিছে। সেইবোৰৰ ভিতৰত বৈশিষ্ট্যপূৰ্ণ আৰু প্ৰাচীনতম দৰ পূজা ।

এই দবুৰ পূজাৰ ইতিবৃত্ত কোনো এখন সাধুকথা উপাখ্যান, নীতি-শাস্ত্ৰ, গল্প, উপন্যাসৰ কিতাপতে উল্লেখ কৰা পোৱা নেযায়। কাজেই এই পূজা মিচিং জাতিৰ উত্তৰায়নৰ লগত জড়িত আৰু ই আদিম যুগৰ পৰাই উদ্‌যাপন কৰি অহা যজ্ঞ বা পূজা।

মিচিং সমাজে উদ্‌যাপন কৰা অন্য পূজাৰ নিয়ম- নীতি আৰু পদ্ধতিবোৰ উদ্দেশ্যমুখী হলেও প্ৰতীকধৰ্মী নহয়। আনহাতে দবুৰ পূজা উদ্‌যাপন কৰা কাৰ্য্য উদ্দেশ্যমুখী হোৱাৰ উপৰিও প্ৰতীকযুক্ত (প্ৰতীক ধৰ্মী)।

প্ৰাচীন কালত সমাজত ৰোগ-ব্যাধি চিকিৎসা কৰাৰ বাবে কোনো ধৰণৰ চিকিৎসালয় বা চিকিৎসক নাছিল। তেনে পৰিস্থিতিত মানুহবোৰে বেজ, জ্ঞানী, পুৰোহিত হিচাপে জনাজাত আৰু দিব্যদৃষ্টি আৰু দৈবিক জ্ঞান আয়ত্ব কৰিব পৰা হিচাপে বিবেচিত মিবুৰ ওচৰলৈ চিকিৎসাৰ বাবে গৈছিল। মিবুয়ে নামত ৰোগীজনৰ শৰীৰ পৰীক্ষা কৰি আৰোগ্য লাভৰ বাবে প্ৰয়োজনবোধ কৰা বনৌষধিও দিহা-পৰামৰ্শ আদি দিছিল।

মিচিংসকলে বিশ্বাস কৰে যে, মানুহৰ আত্মা অমৰণ । আন আন মৃতাত্মাবোৰৰ দৰে নিজ বংশ পৰিয়ালৰ গোঃমন- চঃয়িং, পূৰ্বপুৰুষ, আত্মীয়-স্বজন সকলৰ মৃতাত্মাবোৰো চিন্তনী মীঃবত (চেদিয়ত/মৃত্যুলোকত, কল্পিত যমৰাজ্যত ) বাস কৰি থাকেহি।

মৰ্ত্তবাসীসকলে নিজৰ নিজৰ গোঃমিন চঃয়িং, পূৰ্বপুৰুষ, আত্মীয়-স্বজন সকলৰ মৃতাত্মাবোৰক নিয়মীয়াকৈ পূজা-অৰ্চনা কৰি পন্য-দ্ৰব্যাদি পিণ্ড আগবঢ়াই সন্তুষ্ট কৰি ৰাখে। বিনিময়ত মৃতাত্মাবোৰৰ পৰা ৰক্ষণবেক্ষণ আৰু মঙ্গল কামনা কৰে আৰু সেইমতেই সন্তুষ্টত থাকে মৃতাত্মাবোৰে অপ্ৰত্যাশিতভাৱে শত্ৰুৰ আক্ৰমণৰ পৰা ৰক্ষা কৰি থাকেহি।

দবুৰ পূজা উদ্‌যাপন কৰাৰ কাৰণসমূহ ঃ বহুতদিন ধৰি মৃতাত্মাবোৰে মৰ্ত্তত থকা নিজ বংশ পৰিয়াল, নীপ্ৰতি- পৰিনাতি সকলৰ পৰা নিয়মীয়াকৈ পূজা-অৰ্চনা, পন্য-দ্ৰবাদি (পিণ্ড) পোৱাৰ পৰা বঞ্চিত হৈ থাকিলে মৰ্ত্তত থকা আত্মীয়- স্বজনৰ ওপৰত অসন্তুষ্ট হয় আৰু মৰ্ত্ত্যলোকলৈ আহি অদৃশ্য ৰূপত বিচৰণ কৰি নিজ বংশ পৰিয়ালৰ সন্তান-সন্ততি, নাতি- পবিনাতিসকলে পূজা আগনবঢ়োৱাৰ কাৰণসমূহ অধ্যয়ন কৰে। অকাৰণতে অনিচ্ছুক, অৱহেলা ও নিজ আহৰিত ধন- দৌলতকলৈ গৰ্বিত ও অহংকাৰী হোৱা দেখিবলৈ পাই অসন্তুষ্ট হয় আৰু নৃতাত্মাবোৰ চিঃনীঃ মীঃবলৈ পুনৰ উলটি যায়গৈ আৰু মৰ্ত্তবাসীসকলক ৰক্ষণা-বেক্ষণ দিয়াৰ পৰা বিৰত থাকেগৈ।

সমাজৰ বিশ্বাস যে, গোঃমিন-চঃয়িং ও উপৰিপুৰুষ, আত্মীয় স্বজন সকলৰ দুষ্কৃতিকাৰী ভূত-প্ৰেতবোৰে ভয় আৰু ভক্তি কৰি থাকে। তেনে মৃতাত্মাবোৰে মৰ্ত্তবাসীসকলক ৰক্ষণাবেক্ষণ দি থাকিলে একোধৰণৰ অনিষ্টাদি সংঘটিত কৰিবলৈ সাহস নকৰে।

কিন্তু অসন্তুষ্ট হৈ মৰ্ত্তৰ পৰা মৃতাত্মাবোৰে চিনী- মীঃবলৈ পুনৰ উলটি যোৱা গম পাই সুযোগ-সন্ধানী দুস্কৃতিকাৰী ভূত-প্ৰেতবোৰে ঘৰবোৰৰ সুৰুঙা, বাঁহৰ চোঙা, মুখ-খুলি ৰখা টেকেলী, বাঁহ-বেতৰ পতুম আদিত সোমাই গোপনে লুকাই থকাৰ পৰা ওলাই আহি সক্ৰিয় হৈ ইহঁতৰ দুষ্কৃতিকাৰ্য্যৰে নানা সংঘটিত কৰি মানুহক ব্যতিব্যস্ত কৰি তোলে।

ফলস্বৰূপে গাঁওবাসীৰ মাজত নানাধৰণৰ অচিন ৰোগ-ব্যাধি, কটা-মৰা, সংঘৰ্ষ, সাধাৰণ কথাতে দ্বন্দ- হাইকাজিয়া, আকস্মিক দুৰ্ঘটনা, তেজ ওলোৱা, অগমনত গমন কৰা, জ্যেষ্ঠজনক অৱমাননা কৰা ইত্যাদি ধৰণৰ



অসামাজিক কাৰ্য সংঘটিত হয় আৰু অশান্তি আৰু অমঙ্গল উৎপত্তি হোৱাৰ ফলত জীৱন ধাৰণ কৰা অসহনীয় কৰি তোলে।

ইয়াৰোপৰি প্ৰকৃতিৰ দৃশ্য-অদৃশ্য শক্তিবোৰ যেনে ঃ দঞ্রি, পঃলঃ, এচাৰ পীঃদং, দঃমৃন-য়াৰি, কঃজীঃ-য়াংগ, লগতে উপৰিপুৰুষ গোঃমৃঃন চঃয়িং, আৰাধ্য দেৱ-দেৱীসকল, আত্মা-মৃতাত্মাবোৰে কিবা অজানিতে কাৰণত কু-প্ৰভাৱ সৃষ্টি কৰি এপৰোক্ত অশান্তিময় ঘটনাবোৰ সংঘটিত কৰাৰ উপৰিও কৃষিজীৱি ৰাইজৰ কৃষিজাত সামগ্ৰীৰ উৎপাদন খৰাং বতৰৰ বাবে, অতিপাত বৃষ্টি হোৱাৰ ফলত, অপ্ৰত্যাশিতভাৱে পোক-পৰুৱা উদ্ভৱ হৈ খেতিৰ ফচলাদি নষ্ট কৰাৰ কাৰণে দুৰ্ভিক্ষৰ দৰে পৰিস্থিতি উৎপত্তি হৈ মানুহৰ জীৱন-যাপন কৰা অশান্তিময় আৰু অসহনীয় কৰি তোলে।

এনেধৰণৰ অনাকাংক্ষিত অবাঞ্চিত ঘটনাবোৰ অপ্ৰত্যাশিতভাৱে সৃষ্টি হৈ জনসাধাৰণৰ মন আতঙ্কিত কৰি তোলে আৰু তোলে আৰু সুচল জীৱন-যাপন প্ৰবাহ আশাতীত হৈ পৰে।

ফলত আতঙ্কিত হৈ গাঁওবাসীৰ কেইবাজনো জ্যেষ্ঠলোকে মিবুজনৰ ওচৰলৈ গৈ ঘটনাবোৰ সংঘটিত হোৱাৰ কাৰণসমূহ জ্ঞাত হ'বৰ কাৰণে ও সেইবোৰৰ পৰা উৎপত্তি হৈ সংঘটিত হোৱা অবাঞ্চিত ঘটনাপ্ৰবাহৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় বিচাৰে। মিবুজনে সকলোবোৰ ৰোগ- ব্যাধিৰ কথা, প্ৰকৃতিৰ কু-প্ৰভাৱৰ ফলত সৃষ্টি হোৱা খৰাং বতৰ, অতিপাত বৃষ্টি, আকাল-অনাটন আদি শুনাৰ পিছত প্ৰতিকূল পৰিস্থিতিৰ পৰা অনুকূল ফল পাবলৈ বনৌষধিৰ লগতে দৰ পূজা উদ্‌যাপন কৰি অপ্ৰীতিকৰ অসামাজিক পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ আতঙ্কিত ৰাইজক নিৰাশ নহ'বলৈ দিহা-পৰামৰ্শ দিয়ে আৰু অতি সোনকালে অসন্তুষ্ট হৈ থকা মৃতাত্মাবোৰক দৰ পূজাৰ জৰিয়তে সিহঁতৰ প্ৰাপ্য পূজা-পাৰ্বন ও পন্য-দ্ৰব্যাদি আগবঢ়াই পুনৰ সন্তুষ্ট কৰিবগৈ নোৱাৰিলে আৰু বেছিকৈহে ৰোগ-ব্যাধি আৰু অপ্ৰীতিকৰ অসামাজিক ঘটনা সংঘটিত হৈগাঁওবাসীৰ জীৱনমময় কৰি তুলিব।

মিবুজনৰ এনেধৰণৰ মন্তব্যত ভীতি-বিহ্বল হৈ নিৰক্ষৰ আৰু অন্ধবিশ্বাসী গাঁওবাসীয়ে যিমান সোনকালে সম্ভৱ হয়- দবুৰ পূজা উদ্‌যাপন কৰিবলৈ স্থিৰ কৰে।

**দবুৰ পূজাৰ প্ৰকাৰ** : এই দবুৰ পূজা কেইবাটাও প্ৰকাৰত উদ্‌যাপন কৰা হয়। যেনেঃ (ক) দঃলুং দৰ পূজা, (খ) বংশকেন্দ্ৰিক দবুৰ পূজা (বুৰতীঃদবুৰ), (গ) পৰিয়ালকেন্দ্ৰিক (অঃৰাং দবুৰ) দবুৰ পূজা ।

**১। দঃলুং দবুৰ পূজা** : গাঁওবাসীয়ে সমজুৱাভাৱে আলাপ আলোচনা কৰি দঃলুং দৰ পূজা উদ্যাপনাৰ্থে সিদ্ধান্ত গ্ৰহণ কৰে। এনে ধৰণৰ দৰ পূজাই গাঁৱৰ সকলোকে (পৰিয়ালক) সামৰি লয় আৰু প্ৰতিজনলোকেই সক্ৰিয় হৈ উদ্‌যাপন কৰা কাৰ্যত অংশ গ্ৰহণ কৰে।

**২। বংশকেন্দ্ৰিক দবুৰ পূজা** : এটা বংশৰ লোকৰ দ্বাৰাইহে এই নামৰ দবুৰ পূজা উদ্‌যাপন কৰে। বংশটোৰ প্ৰতিজন ব্যক্তিয়েই সক্ৰিয় হৈ পূজাত অংশ গ্ৰহণ কৰে। এনে ধৰণৰ উদ্‌যাপন কৰা বংশকেন্দ্ৰিক পূজাক বুৰ্তীঃ দবুৰ উই নামেৰে জনাজাত ।

**৩। পৰিয়ালকেন্দ্ৰিক** : এই পৰিয়ালকেন্দ্ৰিক দৰ পূজা পৰিয়ালটোৰ মাজতহে সীমাবদ্ধ। অকল পৰিয়ালৰ মাজতহে আলোচনা কৰি এই পূজা উদ্‌যাপন কৰে। এনেধৰণেৰে পতা পূজাক অঃৰাং দবুৰ উহ নামেৰেও জ্ঞাত।

উল্লেখনীয় যে, পূজা উদ্‌যাপন কৰা পদ্ধতি ও পূজাৰ সামগ্ৰীবোৰ দঃলুং দবুৰ পূজাৰ লগত একেই ধৰণৰ ।

**দবুৰ পূজাৰ বৈশিষ্টতা ঃ**

(ক) এই দবুৰ পূজা ঘৰৰ ভিতৰত বা



চোতালত নেপাতে। গাঁৱৰ বয়োজ্যেষ্ঠ সকলে নিৰ্ণয় কৰা গাঁৱৰ সীমা মুৰলিত এটা সুবিধাজনক স্থানত অস্থায়ীকে পূজা মণ্ডপ নিৰ্মাণ কৰে আৰু তাৰ লগতে এই পূজা উদ্যাপন কৰে।

( খ) দুয়োবিধ আপং যেনে নগিন আৰু পঃৰঃ আপ বনাবৰ কাৰণেও গাঁওখনৰ প্ৰতি ঘৰৰ পৰা উৎকৃষ্ট চাউল সংগ্ৰহ কৰে আৰু ৰাহি হোৱা চাউল বিক্ৰী কৰে।

(গ) সমজুৱাৰ নামত পূজাত উচৰ্গা কৰিবলৈ এজনী গাহৰি চেউৰী (প্ৰজননৰ প্ৰতীক হিচাপে বিবেচিত) ৰঙা মতা কুকুৰা এটা আৰু বগী মাইকী চেউৰী কুকুৰা এজনী ক্ৰয় কৰি ৰাখে।

(ঘ) গাঁৱৰ নিপুন বয়োজ্যেষ্ঠ সকলে বাঁহ-বেতে পঃবৰ টঃচুক এটা শঙ্খ আকৃতিৰ হোৱাকৈ নিৰ্মাণ কৰে ।

(ঙ) পূৰঠ ভলুকা বাঁহ এডাল আৰু পূৰঠ খাগৰি ২০/৩০ ডাল চাঁচি ফুলাম কৰি ৰাখে ।

(চ) কোনো মহিলাই পূজাস্থানত উপস্থিত হৈ থাকিব নোৱাৰে।

(ছ) য়ৰিদেৰে (ৰিমি বিম্পি-এবিধ ঢেকীয়াপতীয়া সদৃশ শকত জৰিৰে) দুটা সৰ্পিল ড্ৰেগন বেনী গোঠাৰ দৰে গুঠি ৰাখে। মুখদুখন আৰু চকুকেইটা ডাঙৰকৈ মেলি থকাকৈ সাজি উলিয়ায়।

(জ) গাঁওখনৰ প্ৰতিঘৰত আঃজেং (দায়-জগৰৰ বাবে জৰিমনা) বিচাৰি বাঁহ বা বেতেৰে বা লাঠিৰে ঘৰৰ চাৰিওফালে কোবাই সুৰুঙা হৈ থকা বাঁহৰ, কলহৰ মুখত সোপা দি দুষ্কৃতিকাৰী ভূত-প্ৰেতবোৰক ভয় খুৱাই কেদি পাঠায়। এনেকৈ সংগীত খাদ্য-সামগ্ৰীবোৰ পূজাস্থানলৈ লৈ যায় আৰু পূজাৰ কামত ব্যৱহাৰ কৰে ।

(ঝ) পূজাৰ দিনা পূজা আৰম্ভ হোৱাৰ পৰা সমাপ্ত নকৰালৈকে কোনো যাত্ৰা বা যান-বাহনকেই গাঁৱৰ মাজেদি পাৰ হৈ যাবলৈ নিদিয়ে। এনেধৰণৰে বাধা প্ৰদান কৰাৰ চিহ্ন হিচাপে পূজাৰ উচৰ্গিত পশু-পক্ষীৰ নখ, মুখ, কাণ, পাখি আৰু চকু আদি ফুলামকৈ চাঁচি ৰখা খাগৰিবোৰত সিঙি বাটৰ মাজতে থিয়কৈ গুজি ৰাখে ।

(ঞ) উচৰ্গিকৃত পশু-পক্ষীবোৰ ফুলামকৈ চাঁচি থিয় হোৱাকৈ পুতি ৰখা ভলুকা বাঁহডালত কোবাই কোবাই তেজ মৃত্যু ঘটায়।

(ট) পূজাত উপস্থিত থকা সকলোৱে পাৰ্যমানে পুজাৰ পণ্য-দ্ৰব্য ভক্ষণ কৰিব পাৰে কিন্তু ঘৰলৈ লৈ যোৱাটো নিষিদ্ধ।

দবুৰ পূজা অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি গ্ৰহণ ঃ দবুৰ পূজা উদ্‌যাপন কৰা সম্পৰ্কে স্থিৰ কৰাৰ পিছত গাঁৱৰ বয়োজ্যেষ্ঠসকলে পূজাৰ স্থানৰ বাবে অনতিদূৰত অৱস্থিত নদ-নদীৰ পাৰ বা বৃহৎ গছৰ তল বা হাবি-জঙঘলেৰে আবৃত নিৰিবিলি ঠাইৰ চাৰিওফালৰ পৰিৱেশ নিৰীক্ষণ কৰি পূজাৰ স্থান নিৰ্ণয় কৰে। সেইমতেই গাঁৱৰ ডেকাল'ৰাবোৰে দা, কুঠাৰ, কোৰ আদিৰে ঠাইডোখৰ হল-বহল আৰু চাফ-চিকুণ হোৱাকৈ কোৰ মাৰি চাফা কৰে আৰু বাঁহৰ খুটা পুতি নল- খাগৰিৰে অস্থায়ীকৈ চাঙি এটা বান্ধি উলিয়াই পূজা কৰে ।

পূজাৰ দিনলৈ এমাহ থাকোতেই গাঁৱৰ প্ৰতি ঘৰৰ পৰা এটা নিৰ্দিষ্ট পৰিমাণত উৎকৃষ্ট চাউল পুনৰ সংগ্ৰহ কৰি শুচি আৰু নিৰোগী মহিলাসকলৰ দ্বাৰা পঃৰঃ আপং ও নগিন আপং চাৰি কলহ (ডাঙৰ) বনাই সংৰক্ষিত কৰি ৰাখে । উক্ত আপং চাৰিকলহ পূজাত সমজুৱাৰ ভাগ হিচাপে উচৰ্গা কৰে ।

মিচিংসকলে নিজৰ গোঃমৃঃন - চঃয়িং, পূৰ্বপুৰুষ আত্মীয়-স্বজনৰ মৃতাত্মাবোৰক ও আৰাধ্য দেৱ-দেৱীসকলক পিণ্ড দিওঁতে আৰু সকলোবোৰ সামাজিক ও মাঙ্গলিক ৰীতি- নীতিৰ কামবোৰত এই দুয়োবিধ আপঙকেই অপৰিহাৰ্য হিচাপে ব্যৱহাৰ কৰে। এই চাৰিকলহ আপঙৰ উপৰিও অৱশিষ্ট চাউলখিনিৰে আৰু আপং বনাই ৰাখেহি ।

পূজাৰ দিন-বাৰ ওচৰ চাপি অহাৰ লগে লগে গাঁৱৰ ডেকাল'ৰাবোৰে শুকানখৰি, কৌপাত আৰু তৰাপাত হোৱাকৈ সংগ্ৰহ কৰি মজুত কৰে।

গাঁৱৰ প্ৰতিঘৰৰ পৰা এটা নিৰ্দিষ্ট পৰিমাণৰ ধন সংগ্ৰহ কৰি (ক) সম্পূৰ্ণ কলা বৰণৰ চেওৰী গাহৰি এজনী, (খ) মতা ৰঙৰ কুকুৰা এটা আৰু (গ) বগী চেওৰী কুকুৰা এজনী গাঁওবাসীয়ে সমজুৱাৰ ভাগ হিচাপে ক্ৰয় কৰি ৰাখে ।

মিবু এজন তামোলপাণ ও পঃৰঃ আপং এটোম শৰাই হিচাপে আগবঢ়াই পূজাটোৰ বাবে নিমন্ত্ৰণ কৰি ৰাখে ।

পূজাৰ নিৰ্দিষ্ট দিনা গাঁওখনৰ বয়োজ্যেষ্ঠ ও ডেকাল'ৰাবোৰে হাতে হাতে বাঁহ-বেতৰ মাৰি গাঁওবুঢ়াৰ ঘৰৰ পৰা আৰম্ভ কৰি ঘৰখনৰ চাৰিওফালে আগুৰি লাঠিৰে ঘৰটোৰ চাং আৰু বেৰবোৰত কোবাই কোবাই মানুহঘৰৰ পৰা দায়- জৰিমনা ৰাইজক উলিয়াই দিবলৈ আহ্বান জনায়। আৰু ঘৰত থকা বাঁহৰ চোঙা খুলি থকা কলহৰ মুখ, বাঁহ বেতৰ পতুমবোৰত লুকাই থকা ভূত-প্ৰেতবোৰ খেদি উলিয়াই সেই



সুৰুঙা আৰু চোঙাবোৰৰ মুখত কাপোৰ বা অন্য বস্তুৰে সোপা লগায় যাতে ভূত-প্ৰেতবোৰ পুনৰ ঘূৰি আহি সেইবোৰত সোমাই লুকাই থাকিবগৈ নোৱাৰে। পূজাৰী ৰাইজৰ উচ্চস্বৰে আহ্বান জনোৱামতে শুনি পূৰ্বৰ পৰাই সাজু কৰি ৰখা এটা গাহৰি বা কুকুৰা, এচোম বা একলহ গোটা আপং, চাউল, বিভিন্ন শাক-পাচলি, নিমখ, জলকীয়া, খৰি, কৌপাত, হালধি- মছলা ইত্যাদি ঘৰৰ আগবাৰান্দালৈ উলিয়াই নি উচ্চস্বৰে কয় আজি গাঁৱত দবুৰ পূজা অনুষ্ঠিত কৰিবলৈ লৈছে। তাৰ কাৰণে শক্তি চাই পূজাৰ প্ৰয়োজনীয় পণ্য-দ্ৰব্য আগবঢ়াইছো যাতে সিমানতে আৰাধ্য দেৱতাই সন্তুষ্ট হৈ গাঁওখনৰ পৰা মাৰি-মৰক, অসামাজিক কাৰ্যকলাপ, অপ্ৰীতিকৰ ঘটনাবোৰৰ সমাপ্তি কৰায় আৰু গাঁওবাসীয়ে শান্তি-সম্প্ৰীতি ও ধনে- ধানে নিৰ্বিঘ্ন হৈ ঘৰ-সংসাৰ কৰি যাব পাৰে ।

প্ৰতিঘৰত উপৰোক্ত ধৰণেৰে আগবঢ়োৱা সংগৃহীত সামগ্ৰী পৰ্যাপ্ত পৰিমাণৰ হয় আৰু সকলোবোৰ একত্ৰিত কৰি মিবুজনক লগত নি পূজাৰ স্থানলৈ ৰাওনা হয়।

সকলোৱে পূজা স্থানত গৈ পোৱাৰ লগে লগে কেইজনমান ডেকাল'ৰাই পূজাৰ বেদী আৰু ফুলামকৈ চাঁচি ৰখা ভলুকা বাঁহডাল ৰিমি-ৰিম্পিৰে গাঁঠি ৰখা সাপদুডাল বাঁহডালত বান্ধি বাঁহডাল মজবুতকৈ বাকীকেইজন ডেকাল'ৰাই ভাত সিজোৱা তৰকাৰীবোৰ কাটি সিজোৱা দুয়োবিধ আপঙকেই টাচুকবোৰত চাকি ডাঙৰ কলহত ভৰোৱা আদি কাৰ্যবোৰ কৰি যায়।

পূজাস্থানত উপস্থিত থকা সকলোলোকেই মিবুজনৰ লগতে উচ্চস্বৰে ৰীঃবাত ও পেতম পেকী কৰি প্ৰথমে সমজুৱা চেওঁৰী গাহৰীজনী, ৰঙা মতা কুকুৰাটো আৰু বগী মাইকী কুকুৰাজনী ফুলাম আৰু ড্ৰেগনৰ দৰে বান্ধি দিয়াৰ ভলুকাডালত মৰিয়াই মৰিয়াই তেজ উলিয়াই মৃত্যু ঘটায় ।

এই উচৰ্গা কৰা কাৰ্য আৰম্ভ হোৱাৰ পূৰ্বে-য়ৰিদেৰে (ৰিমি-ৰিম্পিৰে) বেনী গোঠাৰ দৰে সাপ দুডালৰ আকৃতি হোৱাকৈ গুঠি ভলুকা বাঁহডালৰ পিঠিয়েদি ওপৰলৈ উঠি যোৱাকৈ মতা সাপডাল মাইকী সাপডালৰ ওপৰত উঠি সঙ্গম কাৰ্যত ব্যস্ত হৈ থককৈ একত্ৰিত কৰি মজবুতকৈ বান্ধে। সাপ- দুডালৰ চাৰি চকুও মুখদুখন বহলকৈ মেলি প্ৰতিটো মুখত

একোটাকৈ কণী কামুৰি লৈ থকাকৈ নিৰ্মাণ কৰা হয় আৰু সেই সাপ দুডালৰ পিঠিতেই উচৰ্গিত পশু-পখীবোৰক মৰিয়াই মৃত্যু ঘটায় উচৰ্গা কৰে।

তেনেকৈয়ে গাঁৱৰ প্ৰতিঘৰৰ পৰা উচৰ্গা পশু- পক্ষীবোৰ ভলুকা বাঁহডালত বন্ধা সাপ দুডালৰ পিঠিত কোবাই মৃত্যু ঘটায় উচৰ্গা কৰে।

উচৰ্গা কাৰ্য শেষ হোৱাৰ লগে লগে পশু-পক্ষীৰ কটা-চিঙাৰকাম আৰম্ভ কৰি মূৰ, পাখি, ঠেং, নখ, নেজবোৰক কাটি পূৰ্বৰ পৰাই ঠিক কৰি ৰখা ফুলাম খাগৰিবোৰত চিঙি কেইজনমান ডেকাল'ৰাই তত্বাৱধানত গাঁওখনৰ মাজেদি পাৰ হৈ যোৱা ৰাজহুৱা ৰাস্তাবোৰৰ দুইমূৰত থিয়কৈ পুতি ৰাখে যাতে কোনো যাত্ৰীয়েই সেই ৰাস্তাবোৰেদি গাঁওখন পাৰহৈ অহা-যোৱা কৰিব নোৱাৰে। এই নিষিদ্ধকৰণ কাৰ্য পূজা আৰম্ভ হোৱাৰ পৰা সমাপ্ত হোৱালৈকেহে বলবৎ হৈ থাকে।

পূজাৰ পন্য-দ্ৰব্যাদিবোৰ সিদ্ধ হোৱা আৰু আপংবোৰ শোধন কৰি শেষ কৰাৰ লগে লগে পূজাৰ বেদীৰ ওপৰত খাদ্য-দ্ৰব্যৰে পূজাৰ ভাগ সজাই দি সমস্বৰে উচ্চস্বৰত প্ৰাৰ্থনা জনায়।

সেই ধৰণেৰে পূজা সমাপ্ত কৰি লেনং মাৰবাঙত কোবাই গাঁওবাসীক পূজা সমাপ্ত হোৱাৰ বিষয়ে অৱগত কৰে আৰু লাহে-ধীৰে মিবুজনক লগত লৈ সকলোৱে গৃহাভিমুখী হয়গৈ আৰু ভূত-প্ৰেতবোৰ ক'ৰবাত লুকাই থকা বুলি সন্দেহ কৰি যাঠি, জোং, ধনুকাড় লৈ ঢোল পিটি ওচৰৰ হাবি জঙ্ঘলত চিকাৰ কৰি খেদি পঠায় আৰু সেইদিনা গেনা মানে।

পিছৰ অৰ্থাৎ দ্বিতীয় দিনা সামান্য ধৰণেৰে প্ৰতিঘৰে য়ত্নাম, যৎলেন (পৃঃদে) কাৰ্য সমাপন কৰে আৰু পূৰ্বৰ দৰে শান্তি-সম্প্ৰীতিৰ দিন যোৱাৰ হোৱাৰ আশাৰে প্ৰতিজন গাঁওবাসীয়ে নিজ নিজ কাৰ্যত ব্যস্ত হয়গৈ।

এয়াই হ'ল – মিচিং সমাজে উদ্যাপন কৰা দৰ পূজাৰ বিশ্লেষণাত্মক বিৱৰণ /



# মিচিং সকলৰ শৱদাহ পদ্ধতি, মৃত্যু আৰু পৰলোক সম্পৰ্কে ধাৰণা এক চমু আলোকপাত

**কালিনাথ পাংগিং**

বিশ্বৰ প্ৰায়ভাগ জনগোষ্ঠীয়েই মানুহৰ জন্ম আৰু মৃত্যুক ঐশ্বৰিক শক্তিৰ দ্বাৰা কৃত এক চিৰন্তন প্ৰাকৃতিক প্ৰক্ৰিয়া বুলি বিবেচনা কৰি আহিছে। এই প্ৰক্ৰিয়া মানুহৰ আয়ত্বৰ বাহিৰত আৰু ই শ্বাশত সত্য। মানুহৰ জন্ম যেনেকৈ এক গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া, মৃত্যুও তেনেকৈ এক অতি গুৰুত্বপূৰ্ণ সন্ধিক্ষণ। জন্ম-মৃত্যুৰ সেই দুৰ্বোধ্যতাক লৈ বিশ্বৰ মানৱ গোষ্ঠীয়ে ব্যক্তি বিশেষৰ জন্মক্ষণ আৰু মৃত্যুক্ষণত নিজা নিজা লোক-বিশ্বাস আৰু পৰম্পৰাৰ আধাৰত বহুতো নীতি-নিয়ম আৰু ক্ৰিয়া-কৰ্ম কৰা দেখা যায়। মানুহ মৃত্যু হোৱাৰ পিছত মৃতকৰ শৱ সৎকাৰ কৰা নীতি প্ৰতিটো জাতি-গোষ্ঠীৰেই এক এৰাব নোৱাৰা সংস্কৃতি পৰম্পৰা। কম বেছি পৰিমানে বিশ্বৰ প্ৰতিটো জাতি জনগোষ্ঠীৰেই মৃতকৰ শৱ সৎকাৰৰ লগত মৃত্যু আৰু আত্মাৰ ধাৰণাৰ ওপৰত এক এৰাব নোৱাৰা লোক বিশ্বাস নিহিত হৈ থাকে। সেই লোক বিশ্বাসেই আচলতে শৱ সৎকাৰৰো ঘাই ভেটি। সেয়েহে বিভিন্ন জাতি-গোষ্ঠী বা ধৰ্মাৱলম্বী সমাজৰ শৱ সৎকাৰ পদ্ধতিও বেলেগ বেলেগ। উদাহৰণ স্বৰূপে খ্ৰীষ্টিয়ান সকলে আৰু মুছলিম সকলে কবৰ দিয়া, বৌদ্ধ সকলে টুকুৰা-টুকুৰ কৰা, হিন্দু সকলে দাহ কৰা, মিচিং আৰু আদী সকলে কবৰ দিয়া নীতি-পদ্ধতি বিলাক নিজৰ নিজৰ লোক বিশ্বাসৰ ভেটিত গঢ় লৈ উঠা পৰম্পৰা।

এই টোকাটিত মিচিং সকলৰ মাজত প্ৰচলিত শৱ সৎকাৰ পদ্ধতি, মৃত্যু আৰু পৰলোক সম্পৰ্কে থকা ধাৰণাৰ ওপৰত চমু আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে। নৃঃগোষ্ঠী হিচাপে মিচিং সকল মংগোলীয় বংশোদ্ভৱ বৃহত্বৰ তানী জনগোষ্ঠীৰ এটি প্ৰশাখা জনগোষ্ঠী, লোকাচাৰ আৰু ধৰ্মীয় আচৰণত তেওঁলোক দেও পূজক (Animism)) দঃঞি পঃল (সূৰ্য্য-চন্দ্ৰ) ধৰ্মত বিশ্বাসী। তেওঁলোকৰ ধৰ্ম বিশ্বাসৰ মূল ভেটি হৈছে-সৃষ্টি আৰু ধ্বংসৰ গৰাকী দঃঞি-পঃল দৰ্শন। অৱশ্যে হিন্দু ধৰ্মৰ সংস্পৰ্শলৈ অহাৰ পিছত বহুতেই হিন্দু ধৰ্মৰ ধৰ্মীয় দৰ্শনৰ লগত বিশ্বাসী হৈ উঠিছে। বিশেষভাৱে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নৱ-বৈষ্ণৱ ধৰ্মৰ কেৱলীয়া কালসহংতি পন্থত বিশ্বাসী। বিশ্বৰ ভিন্ ভিন্ জনগোষ্ঠীয়ে নিজা-নিজা লোক-বিশ্বাস আৰু

পৰম্পৰাৰ আধাৰত নিজৰ প্ৰথা-পদ্ধতিৰে মৃতকৰ শৱ সৎকাৰ কৰাৰ দৰে মিচিং সকলেওঁ তেওঁলোকৰ নিজা লোক বিশ্বাস আৰু পৰম্পৰাৰ আধাৰত মৃতকৰ শৱ সৎকাৰ পৰম্পৰা তাহানিৰে পৰা পালন কৰি আহিছে। মিচিং সকলে সাধাৰণতে মৃতকক মাটিত পুতি শৱ সৎকাৰ কৰে। এজন প্ৰাপ্ত বয়স্ক স্বাভাৱিক মৃতকক ঘৰৰ কগ্ তগ্ বা কগদাঙত (শোওঁতে ভৰিৰ পথান ফালৰ অংশ) পশ্চিমা পূৱাকৈ শোৱাই থয়। এই অৱস্থাটোক য়ুমকুৰৰা মীনাম বুলিও কোৱা হয়। তাৰ পাছত গা-পা ধোৱাই নতুন কাপোৰ পিন্ধাই শ্মশানলৈ নিব পৰাকৈ সাজু কৰি ৰাখে। নতুন কাপোৰ পিন্ধোৱাৰ ওপৰিও শৱক এখন নতুন কাপোৰেৰে মেৰিওৱা হয় যাক “গায়েদ” বুলি জনা যায়। মিচিং সকলৰ বিশ্বাস যে মানুহ মৃত্যু হোৱাৰ পিছত তেওঁৰ “ইজি-



য়াল” অৰ্থাৎ আত্মাই আমাৰ পৃথিৱীৰ পৰা বিপৰীতমুখী হৈ গতি কৰে আৰু আচৰণো সচৰাচৰ আমাৰ পৃথিৱীৰ মানুহে কৰা আচৰণৰ উলোটা আচৰণহে কৰে। সেয়েহে মৃতকক সাজ-পাৰ পিন্ধাওতেও উলোটাকৈহে পিন্ধোৱা হয় । অৰ্থাৎ চোলাৰ সমুখফাল পিছফাল কৰি, পিছফালক সমুখফাল কৰিহে পিন্ধোৱা হয়। মৃতকক ঘৰৰ পৰা উলিয়াই নিওঁতে ঘৰৰ মুখ্য দুৱাৰেদি উলিয়াই নানি ঘৰৰ ভৰি পথানৰ ফালৰ বেৰ এচলা গুচাই লৈহে শৱ উলিয়াই অনা হয়। এনেদৰে মৰাশ উলিয়াই নিবলৈ নতুনকৈ উলিয়াই লোৱা দুৱাৰখনকেই “গয়াব” বুলি কোৱা হয়। এনে কৰাৰ অন্তৰালত লোক বিশ্বাসটি হল- ঘৰৰ মূল দুৱাৰ মানুহৰ ব্যৱহাৰৰ বাবেহে কোনো ভূত-প্ৰেত বা অপদেৱতাৰ বাবে নহয়। মানুহ এজন মৃত্যুৰ মহূৰ্তৰ পৰাই তেওঁৰ আত্মাই উৰম বা প্ৰেতাত্মাত বিলিন হয়। অৱশ্যে নতুনকৈ মৃত্যু হোৱা মৃতকৰ আত্মাক “ৰমনু” আৰু পুৰণি হৈ গলে “ৰমকু” বুলি কোৱা হয়। সেয়েহে মানুহে ব্যৱহাৰ কৰা সম্পদৰ ওপৰত প্ৰেতাত্মাৰ অধিকাৰ থাকিব নোৱাৰে। অৱশ্যে সৰু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত ঘৰৰ বেৰ কাটি শৱ উলিয়াই নিয়াৰ পৰম্পৰা বাধ্যতামূলক নহয় । আজি কালি অৱশ্যে সময়ৰ পৰিৱৰ্তনত স্থায়ীকৈ থকা ঘৰ সজোৱাৰ বাবে ঘৰৰ মূল দুৱাৰেদিও মৃতকৰ শৱ উলিয়াই অনা পৰম্পৰা গঢ় লৈ উঠিছে।'

মৃতকক নতুন কাপোৰ পিন্ধোৱাৰ পিছত শৱটো ঢাৰি এখনেৰে মেৰিয়াই বাহঁৰ সাঙীত চাৰিজন আত্মীয় ব্যক্তিয়ে কান্ধত তুলি শ্মশানলৈ লৈ যোৱা হয়। মৃতক ঘৰৰ মুৰব্বী হ'লে শৱ উলিয়াই নিওঁতে চাংঘৰৰ তলচতিৰ এডাল বীনীৰো টানি উলিয়াই মৃতকৰ লগত শ্মশানলৈ লৈ যায় যাতে মৃতকৰ অপুৰণীয়া আশাই ঘৰখনত কেলেক বা পুহকৰ নলগায়। মৃতকক শ্মশানলৈ লৈ যোৱা সময়ত অত্যন্ত জৰুৰী নহলে মহিলা আৰু সৰু লৰা-ছোৱালীক সাধাৰণতে শ্মশানলৈ লৈ যোৱা নহয় যদিও বাধা নাই। ঘৰৰ পৰা শৱ উলিয়াই নিওঁতে তেনে কোনো ধৰ্মীয় ক্ৰিয়া-কৰ্ম কৰা দেখা নাযায় । অৱশ্যে কেৱলীয়া ধৰ্মত দীক্ষিত ভকত ব্যক্তিৰ ক্ষেত্ৰত তেওঁলোকৰ ধৰ্মাচৰণ মতে চাকি-শলিতা জ্বলাই নাম-পদ গাই শ্মশান যাত্ৰা কৰা দেখা যায়। ঠাই বিশেষে বয়োজ্যেষ্ঠ ব্যক্তিৰ শৱ নিওঁতে ঘৰৰ পৰা মৰিশালিলৈ বাটত কেঁচা সুতা টুকুৰা টুকুৰ কৰি আগোৱাই গৈ থাকে আৰু মৰিশালিত শেষ টুকুৰাটো কৰে । ইয়াৰ অৰ্ন্তনিহিত অৰ্থটো হ'ল মৃতকৰ আয়ুস ইমানতেই শেষ হৈছে। কবৰস্থান পোৱাৰ লগে লগে মৃতকৰ ঘৰৰ চোতালত সচৰাচৰতে ধৰা জুই টুকুৰাৰ পৰাই জুই ধৰাই লৈ অনা জুমুঠী কুৰাৰে প্ৰথমে সম্ভাব্য কবৰ স্থানৰ

আশে- পাশে একুৰা জুই ধৰা হয় যাক "গপাৰ" বুলি জনা যায়। তাৰ পিছত মৃতকৰ জোখ লৈ নিৰ্দিষ্ট মাটি ডোখৰত কবৰ খন্দা কাম আৰম্ভ কৰে। কবৰ খন্দাৰ আগমূহূৰ্তত মৃতকৰ শৱ স্থাপন কৰিবৰ বাবে ৰূপ এটকামান দি "কিনী নাংনী বা কেদেং আনী" অৰ্থাৎ ধৰতী মাতৃৰ পৰা মাটি এছিকটা কিনি (?) লোৱা হয়। কবৰ সাধাৰণতে পাঁচফুটমান দ'কৈ খন্দা নিয়ম যাতে হাবিৰ মাংসহাৰী জীৱ-জন্তুৱে সহজতে শৱ খান্দি উলিৱাব নোৱাৰে। কবৰ খন্দা শেষ হোৱাৰ পিছত একুৰা জুই গাতটোৰ ভিতৰ অংশৰ চাৰিওফালে ঘূৰাই বিশুদ্ধ কৰণ (?) কৰা হয়। ইয়াৰ পিছত গাঁতটোৰ তলিত বাহৰ কামী বা কাঠৰ তক্তা পাৰি শৱটো গাতত স্থাপন কৰা হয়। তাহানিতে গোটা কাঠৰ পৰা কাটি উলিওৱা কফিন সদৃশ বাকচ "ৰুংকুং"তহে শৱটো ভৰাই গাঁতত স্থাপন কৰাৰ পৰম্পৰা বৰ্তি আছিল । জীৱিত কালত মৃতকে ব্যৱহাৰ কৰা প্ৰায়বিলাক সম্পদ মৃতকৰ লগত পুতি দিয়া হয় যাতে পৰলোকতো তেওঁ এনেবোৰ লাগতিয়াল সম্পদবোৰৰ অভাৱ অনুভৱ নকৰে। শৱটো গাতত স্থাপন কৰাৰ পাছতো বাঁহৰ কামী বা কাঠৰ তক্তা পাৰি শৱটো সম্পূৰ্ণৰূপে ঢাকি দিয়াৰ পাছত শ্মশান থলিত উপস্থিত ব্যক্তি সকলে মাটিৰ চপৰা বাওঁ হাতেৰে কবৰস্থানলৈ ছটিয়াই মৃতকক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মাটি ঢালি শৱটো পুতি পেলোৱা হয়। এই খিনিতে উল্লেখ কৰিব পাৰি যে সাময়িকভাৱে এয়া মৃতকক জনোৱা শেষ শ্ৰদ্ধাঞ্জলি যদিও মৃতকৰ "দদগাং" বা শ্ৰাদ্ধ নপতা পৰ্যন্ত মৃতকৰ প্ৰতি কৰা শ্ৰদ্ধাঞ্জলি তৰ্পণ প্ৰক্ৰিয়া চলি থাকে। দূৰ দূৰণিৰ পৰা কোনোবা আত্মীয় স্বজনে সময় সুবিধা অনুযায়ী মৃতকৰ পৰিয়ালৰ ঘৰলৈ আহি সম্পূৰ্ণ নীতি নিয়মৰ মাজেদি মৃতকৰ নামত এগছি চাকি-শলিতা জ্বলাই সাধু সাতোলা সহিতে শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে যাক "চিয়াং দুক্কাং চাকি বাংনাম" বুলি কোৱা হয়। মৃতকৰ দদগাওঁৰ পিছত কিন্তু এই প্ৰক্ৰিয়া বৰ্তি নাথাকে। সেয়েহে কোৱা হয়-মিচিংসকলৰ পৰম্পৰাত দদগাওঁেই মৃতকৰ প্ৰতি যঁচা শেষ শ্ৰদ্ধাঞ্জলি। ক্ষেত্ৰ বিশেষে মৃতকৰ আত্মাই জিৰাবৰ বাবে এখনি মৰিশালিও সাজি দিয়ে।



মৰিশালিটোৰ চালখন চাওতেও খেৰৰ আগ অংশ ওপৰফালে অৰ্থাৎ উলোটাকৈহে চালি দিয়ে। আকৌ কোনো অঞ্চলত এঢলীয়াকৈ খন্দা গাঁতটোৰ হেলনীয়া অংশটোৰ বিপৰীতফালে হেলনীয়া অংশটোত খাপ খোৱাকৈ গাঁতৰ ভিতৰ অংশত মৰিশালি দিয়াও দেখা যায়। অৱশ্যে আজি কালি টিনপাত বা কংক্ৰিটেৰেও মৰিশালি সজাই দিয়া পৰম্পৰা আৰম্ভ হৈছে। মৰিশালি ভেটিটোৰ চাৰিওফালে বাঁহৰ জেওৰা দিয়া হয় আৰু সেই জেওৰাটোৰ বাঁহৰ কামী কেইটাও উলোটাকৈ গুজিয়াই দিয়া হয়। জীৱিত কালত মৃতকে ব্যৱহাৰ কৰা ঘটি, বাতি, দা, কটাৰী আদিও শৱটোৰ লগত পুতি দিয়ে। কোনো কোনো অঞ্চলত ঘটি বাতি আদি পাত্ৰবোৰ ফুটা কৰি লৈহে পুতি দিয়ে । এনে কৰাৰ অন্তৰালত লোক বিশ্বাসটি হ'ল-উম বা প্ৰেতাত্মাই ফুটা বা উৰুঙাৰ মুখেদিহে খাদ্য গ্ৰহণ কৰে; যদিও এয়া চোৰে সম্পদবোৰ যাতে চুৰ কৰি নিনিয়ে তাৰেই এক পৰোক্ষ ব্যৱস্থাহে যেন লাগে। মৰিশালিত জেওৰা আদি দিয়াৰ পিছত এখনি শুধু বগা চাদৰ এখনেৰে কবৰ স্থানৰ মূলভেটি ঢাকি বা পৰিস্কাৰকৈ সাৰি মচি ৰখা হয়। এইদৰে কবৰ দিয়া কাৰ্য সমাপন কৰাৰ অন্তত শ্মশান থলিত উপস্থিত ব্যক্তি সকলে শাৰী পাতি কবৰস্থানৰ চাৰিওফালে বাওঁদিশ হৈ পাঁচবাৰ চক্ৰাকাৰে ঘূৰি মৃতকৰ শান্তি কামনাৰ লগতে জীৱিত সকলৰ মংগলৰ আশীৰ্বাদ বিছাৰি পিছফালে ঘূৰি নোচোৱাকৈ ঘৰমুৱা হয়। ঘৰলৈ ঘূৰি অহাৰ পিছত মৃতকৰ ঘৰৰ চোতালত জ্বলাই থোৱা জুইকুৰাত সকলোৱে হাত ভৰি সেকে। আজি কালি অৱশ্যে সুদ সাতোলাৰ জৰিয়তে শান্তি পানী ছটিয়াই বিশুদ্ধকৰণ কৰা হয় । কোৰ, দা, কটাৰী আদি অৰ্থাৎ যিবোৰ বস্তু মৰাশালি খান্দোতে ব্যৱহাৰ কৰিছিল সেই সকলো বিলাকক বাহিৰত এচুকীয়াকৈ ৰাখি থয় আৰু "মদেহ" বা শুচি নকৰা পৰ্যন্ত পুনৰ ব্যৱহাৰলৈ নানে। শৱদাহ সমাপন কৰাৰ পিছত গাৱঁৰ অভিজ্ঞ ব্যক্তিৰ হতুৱাই জুইশাল নিৰিক্ষণ কৰিবলৈ দিয়া হয়। ঘৰৰ পৰা শৱ উলিয়াই নিয়াৰ সময়ত সাৰি মুচি পৰিস্কাৰ কৰি ৰখা জুইশালত কোনোবা জীৱৰ খোজৰ চিহ্ন দৃষ্টি গোচৰ হৈছেনেকি তাক নিৰিক্ষণ কৰি বিধান দিয়ে। কোনো কোনো অঞ্চলত মৌৰামটো লিপি মচি বাতি এটা উবুৰিয়াই ঢাকি ৰাখিও মংগল চোৱা পৰম্পৰা আছে। মীৰাম অৰ্থাৎ জুইশালৰ এনে মঙ্গল চোৱাৰ জৰিয়তে মৃতকৰ আত্মাই

কেনে গতি পাব বা নিকট ভৱিষ্যতত ঘৰত কিবা অঘটন ঘটিব নেকি তাক নিৰিক্ষণ কৰিব পাৰে বুলি তেওঁলোকে বিশ্বাস কৰে । ঠিক এই একেই ধাৰণাৰ ভেটিত মৰিশালিৰ পৰীক্ষা কৰা পৰম্পৰাও মিচিং সমাজত প্ৰচলিত আছে। মৃতকক কবৰ দিয়াৰ দ্বিতীয় দিনা দোকমোকালি পুৱাতেই গাৱঁৰ দুজনমান অভিজ্ঞ ব্যক্তিয়ে কবৰস্থানৰ ভেটি নিৰিক্ষণ কৰে। কবৰস্থানৰ মূল ভেটিত পাৰি অহা বগা চাদৰখনৰ ওপৰত বা সাৰি মচি অহা ভেটিটোৰ ওপৰত কোনো প্ৰাণীৰ খোজৰ ছাপ পৰিছেনেকি বা মৰিশালিত এৰি থৈ অহা সম্পদ সমূহ অক্ষত অৱস্থাত আছে নে নাই এইবোৰ নিৰিক্ষণ কৰি মৃতকৰ আত্মাৰ গতিৰ দিশ, স্বাভাৱিক মৃত্যু নে শত্ৰুৰ দ্বাৰা ঘটোৱা অপ্ৰাকৃতিক মৃত্যু তাক নিৰ্ণয় কৰিব পাৰে বুলি তেওঁলোকে বিশ্বাস কৰে । মিচিং সকলে মৃতকৰ আত্মাৰ সদ্‌গতি কামনা কৰি আৰু মৃতকক সন্মান জনাই মৃত্যুৰ পিছ দিনা গাৱঁৰ সমূহ ৰাইজে এদিন গেনা ৰাখে । মানুহ মৃত্যুৰ সময়ত সম্বন্ধীয়ই আনুষ্ঠানিক ব্ৰত পালন কৰাৰ পৰম্পৰা মিচিং সমাজত নাই। অৱশ্যে আজি কালি প্ৰায়েই পালন কৰা দেখা যায়। মৃত্যুৰ তিনিদিনৰ পিছত শুচি বা তিলনি পাতে যদিও দহ দিনত দহাকাজ বোলাৰ দৰে তেনে কোনো ধৰা বন্ধা নিয়ম নাই। শ্ৰাদ্ধ বা দদগাং এবছৰৰ পিছতো পাতিব পাৰে। তেওঁলোকৰ বিশ্বাসমতে মৃতকৰ আত্মাহীন শৰীৰ গেলি-পচি ভূমিত বিলিন নোহোৱাকৈ দদগাং বা শ্ৰাদ্ধ পতাটো পৰম্পৰাৰ বিৰুদ্ধ ।

মৃত্যু আৰু শৱদাহৰ লগত সম্পৰ্কিত আৰু এটি পৰম্পৰা মিচিং সমাজত প্ৰচলিত আছিল যাক "মাঃবৃ গীনাম" বুলি কোৱা হৈছিল। এই পৰম্পৰা অনুসৰি কোনো ব্যক্তিৰ অকাল মৃত্যুত মৃতকৰ সম্বন্ধীয়ই (পুৰুষ) এজনে মৃতকক শ্মশানলৈ নিয়াৰ আগত পৰম্পৰামতে কতগত শোৱাই থোৱা মৃতকৰ মূৰ শিতানত বহি ওৰেটো নিশা পহৰা দিব লাগে। মৃতকক শ্মশানলৈ নিয়াৰ সময়ত অন্য ব্যক্তিয়ে সহযোগ দিলেও "মাঃবৃ গীনী" ব্যক্তি জনেহে সকলো কামৰ আঁত ধৰিব লাগে। তেওঁলোকৰ লোক বিশ্বাস মতে এনে কৰাৰ অৰ্থ হৈছে মৃত্যু দেৱতাৰ লগত প্ৰত্যাহ্বান জনোৱা যাতে এই পৰিয়ালত দুনাই এনে অনাকাংঙ্খিত ঘটনা সংঘটিত হ'ব নোৱাৰে। এই পৰম্পৰা মতে "মাঃবৃ গীনী" ব্যক্তিজনে তেওঁৰ দুঃসাহসিক আৰু শৱ সৎকাৰৰ দৰে পূণ্যৰ কাম কৰাৰ বাবে মৃতকৰ সম্পত্তিৰ এক নিৰ্দিষ্ট অংশ বা দাবীদাৰ



নাথাকিলে সমস্ত সম্পত্তি পোৱাৰ অধিকাৰ য়াকে যাক "মাঃৰী" (শৱ মূল্য) বুলি কোৱা হয়। এই পৰম্পৰা অৱশ্যে বিলুপ্তিৰ পথত

মিচিং সকলৰ লোক বিশ্বাসত মৃত্যু আৰু আত্মাৰ ধাৰণা এক জটিল বিষয়। লিখিত দস্তাবেজ নথকা জাতি-জনগোষ্ঠী এটাৰ বাবেতো আৰু দুৰ্বোধ্য বিষয়। বিভিন্ন জনগোষ্ঠীয়ে বিশ্বাস কৰাৰ দৰে মিচিং সকলেও মৃত্যুক এক শ্বাশত আৰু অবধাৰিত প্ৰক্ৰিয়া বুলি বিশ্বাস কৰে। জন্ম হলে মৃত্যু হবই ই চিৰ শ্বাশত সত্য। তথাচ স্বাভাৱিক মৃত্যুক বাদ দি অকাল আৰু অস্বাভাৱিক মৃত্যুৰ প্ৰায়ভাগ কাৰকেই অমাংগলিক ভূত-প্ৰেতৰ কুপ দৃষ্টিৰ ফলতেই ঘটে বুলি মিচিং সকলে বিশ্বাস কৰে। মাংগলিক দেৱ-দেৱী বা পৰমাত্মাত বিলিন হোৱা পূৰ্ব পুৰুষ সকলৰ জৰিয়তে অমাংগলিক দেৱ- দেৱীক নিয়মিত পূজা-পাতল দি সন্তুষ্ট কৰি ৰাখিব নোৱাৰাৰ মূলতে হ'ল মাৰি-মৰক, পৰিয়াল-পৰিজনৰ অপায়-অমঙ্গল, শোক-তাপ, আৰু অঘটন। জীৱন-জীৱিকাৰ দৈনন্দিন কৃত কৰ্মৰ লগত কৰণীয় সকাম-নিকাম, বা পূজা-সেৱা সমূহ নিয়মিত ভাৱে কৰি থাকিলে অপায় অশুয়া আদিৰ পৰা পৰিত্ৰাণ পাই থাকিব পাৰে বুলি তেওঁলোকে গভীৰভাৱে বিশ্বাস কৰে ।

মানুহৰ মৃত্যুৰ উপলক্ষত মিচিং সকলৰ লোক- সাহিত্য বা কিংবদন্তিৰ কাহিনী ধূসৰ যদিও মানৱ জাতিলৈ মৃত্যু কেনেকৈ আহিল এই সম্পৰ্কে তানী জনগোষ্ঠীত প্ৰচলিত লোক কথাটিক ভেৰিআৰ এলউইনে তেওঁৰ A new book of tribal fiction (1963) নামৰ গ্ৰন্থত লিপিবদ্ধ কৰিছে। লোক কিংবদন্তিটি এনে ধৰণৰ মানুহ মৰণশীল হোৱাৰ আগত পৃথিৱীত অতি মাত্ৰাত জনসংখ্যা বৃদ্ধি হব ধৰিলে। ফলত পশু-পক্ষী আৰু মৎস্যকুল বিপাঙত পৰিল । কাৰণ মানৱ জাতিটোৰ জীৱিকাৰ ঘাই সম্বলেই হৈছে পশু-পক্ষী আৰু মৎস্য চিকাৰ। এনে সমস্যাৰ পৰিত্ৰাণৰ উপাই বিছাৰি সমূহ পশুপক্ষী আৰু মৎস্যকুলৰ উদ্যোগত এখনি সভা বহিল। সভাত উয়ুৰ দ্বাৰা মানুহক মৃত্যু ঘটাই মানুহক মৰণশীল কৰি তুলিবলৈ ঠিৰাং কৰা

হ'ল আৰু উয়ুক অনুৰোধ জনাবলৈ তেওঁলোক উয়ু (মৃত্যু দেৱতা ?)ৰ ওচৰলৈ আহিল। যি সময়ত তেওঁলোক উয়ুক লগ ধৰিবলৈ গ'ল, সেই সময়ত উয়ুৰ বাওঁ শৰীৰৰ পৰা দুটি কেঁচুৱাৰ জন্ম হোৱাত অশুচি গেনা পালন কৰি আছিল। গেনা শেষ হোৱাৰ পিছত তেওঁলোক পুনৰ উয়ুক লগ ধৰি তেওঁলোকৰ সমস্যাৰ সমাধানৰ বাবে উয়ুক খাটনি ধৰিলে। উয়ুৱে তেওঁলোকক আশ্বাস দি কলে যে মানৱ প্ৰজাতিক বধ কৰিব পৰা জীৱ তেওঁৰ বাওঁ শৰীৰৰ পৰা ইতিমধ্যে জন্ম লাভ কৰিছে, আৰু তেওঁলোক এতিয়া নিচেই সৰু হৈ আছে। ডাঙৰ হোৱাৰ পিছত সময়ত সিহঁত দুয়োক মানুহ বধ কৰিবলৈ নিশ্চয় পঠিয়াব। সেই কেচুৱা হালেই আছিল পৃথিৱীত পদাৰ্পন কৰা প্ৰথম সৰ্পকুল আৰু সিঁহত দুয়োৰ নাম আছিল বৃনজা আৰু বৃন্দাক ।

সেই সময়ত আবৃং মিবুৰ একমাত্ৰ সন্তানটি জন্ম হৈছিল আৰু আবৃং মিবুৱে সন্তানটিক খুউব মৰম কৰিছিল। এদিনাখন আবৃং মিবুৱে কেচুৱাটো বাহিৰত ৰ'দত শোৱাই ঘৰুৱা কামত ব্যস্ত আছিল। সেই সময়তেই বৃনজা আৰু বৃন্দাক আহি কেচুৱাটিক খুটিলে। কেঁচুৱাৰ কন্দা শুনি মিবুৱে লৰালৰিকৈ আহি দেখে কেচুৱাটিৰ ওচৰৰ পৰা এহাল সাপে বগাই আতৰি গৈছে। কেঁচুৱাটো ইতিমধ্যে মৃত্যু মুখত পৰিছে। অলপো সময় নষ্ট নকৰি পুতেকৰ মৰাশৰটো লৈ মিবুৱে কমাৰ শালৰ দেৱতা “য়াদ যগ্‌ম” (বিশ্বকৰ্মা?) ৰ ওচৰলৈ গ'ল। আবৃং মিবুৱে যাদ য়মৰ ওচৰ পাই তেওঁৰ মৃত কেঁচুৱাটি পুণৰজীৱিত কৰি তুলিবলৈ য়াদ যগমক কাকুতি কৰিলে। য়াদ য়মই এনে কাৰ্য তেওঁৰ আয়ত্বৰ বাহিৰত, সেয়েহে চিট্‌কিং কেংদেং অৰ্থাৎ পাতালপুৰীত থকা কুমাৰ দেৱতাৰ ওচৰলৈ যাবলৈ পৰামৰ্শ দিলে। কথামতে আবৃং মিবুৱে পৃথিৱীত ফুটা এটা কৰি পাতালপুৰীৰ কুমাৰ দেৱতাৰ ওচৰলৈ ৰাওনা হ'ল। পাতাল পুৰীত পাই মিবুৱে কুমাৰ দেৱতাক তেওঁৰ মৃত সন্তানটিৰ জীৱনদান দিবলৈ মিনতি জনালে। কুমাৰ দেৱতাই মৃত সন্তানটিক থৈ পাঁচ দিনৰ পিছত আবৃং মিবুক ঘুৰি আহিবলৈ কলে। মিবুক এইটোও সোঁৱৰাই দিয়া হ'ল যে সি যিটো ফুটাইদি ইয়ালৈ আহিছিল সেই ফুটাটো যেন বন্ধ কৰি যায়।

কুমাৰ দেৱতাৰ কথামতে আবৃং মিবুৱে দুখ আৰু আকাংক্ষাত মৃত সন্তানটো তাতে থৈ দুখ মনেৰে ঘুৰি আহিল। ঘুৰি অহাৰ বাটত তেওঁ এজন উয়ুৰ কবৰস্থান লগ পালে। তাত এজোপা ধপাতৰ গছ লহপহকৈ গজি থকা দেখিলে। কেইবাদিনো ভোকে লঘোণে অনাই বনাই থকাৰ পিছত ক্ষুধা



নিবাৰণৰ বাবে ধপাত গছটোৰ পৰা পাত কেইখিলামান চিঙি আনি মিবুৱে চো বাব ধৰিলে । মিবুৰ গাত অলপ শক্তি পোৱা যেন হ'ল যদিও ধপাত কেইখিলা চোবাই দিয়াৰ পিছত তেওঁ নিজৰ মৃত সন্তানটিৰ কথা সমুলঞ্চে পাহৰি পেলালে। সিফালে কুমাৰ দেৱতাই আবৃং মিবুৰ মৃত সন্তানটিক জীৱন দান দি পুনৰ্জীৱিত কৰি তুলি। কিন্তু বহুদিন অপেক্ষা কৰাৰ পিছতো যেতিয়া পিতৃয়ে ল'ৰাটো আনিবলৈ ন'গল, কুমাৰ দেৱতাই তেওঁৰ পৰিয়ালৰেই এজন সদস্য হিচাপে ল'ৰাজনক অন্তৰ্ভূক্ত কৰিলে আৰু ল'ৰাটো চিৰকালৰ বাবে উয়ু হৈয়েই থাকিল। সেই তেতিয়াৰ পৰাই মানুহৰ মৃত্যু প্ৰক্ৰিয়া আৰম্ভ হ'ল।

তানী সমাজত মৃত্যু সম্পৰ্কে প্ৰচলিত আন এটা কিংবদন্তি যোগেন্দ্ৰ নাথে তেখেতৰ Cultural Heri - tage of Tribal socities. গ্ৰন্থত লিপিবদ্ধ কৰিছে। এই লোক কথা মতে মিচুম মিয়াং এণ্ড তাকাৰৰ ব্যক্তি। মিচুমমিয়াঙৰ সময়লৈকে মানুহৰ মৃত্যু প্ৰক্ৰিয়া আৰম্ভ হোৱা নাছিল। এদিন মিচুম মিয়াঙে কিনী নাঃনীৰ ওচৰলৈ যাওঁতে হঠাতে কৃৱাত নামৰ বিষাক্ত নিগনিজনীয়ে মিচুম মিয়াঙক কুটিলে আৰু মিচুম মিয়াং মৃত্যু মুখত পৰে। এইটোৱেই মানৱ সমাজলৈ মৃত্যুৰ আৰম্ভ আৰু জন্ম হলে মৃত্যু হবই প্ৰক্ৰিয়া চলি থাকিল।

মিচিং সকলে আত্মাৰ অৱস্থিতিক স্বীকৃতি দিয়ে, যাক তেওঁলোকে “ইজিয়াল” বা ইগিয়াল” বুলি কোৱা হয়। মানৱ শৰীৰৰ পৰা ইজিয়াল আতঁৰি যোৱা অৱস্থাটোৱেই মানুহজনৰ মৃত্যু। অৰ্থাৎ প্ৰাণবায়ু স্বৰূপ ইজিয়ালই যেতিয়া শীৰৰৰ লগ এৰে তেতিয়াই মানুহজনৰ মৃত্যু হৈছে বুলি কোৱা হয়। সেই ধাৰণাকেই সাৰোগত কৰি অমাংগলিক দেৱ-দেৱী বা ভূত - প্ৰেতৰ কুপ দৃষ্টিৰ ফলত ইজি-য়াল যাতে স্ব-শৰীৰৰ পৰা আতঁ ৰি নেথাকে তালৈ লক্ষ্য ৰাখি ইজিয়ালক অটুট ৰাখিবলৈ “যাল গগ্নাম” (আত্মা আনয়ন) “দলং” বা “লৌয়” আদি আত্মা সম্পৰ্কীয় সকাম পতাৰ পৰম্পৰা মিচিং সমাজত প্ৰচলিত আছে । তাৰোপৰি কোনোবা

ব্যক্তিয়ে কিবা কাৰণত হঠাৎ চখখালে বা ভয় খালে ইজি-য়াল আঁতৰি নেযাবলৈ আক্ৰান্ত ব্যক্তি জনক “পৰগ্ বাঃমৃদ (কুকুৰাৰ দ্বাৰা কৰা গুৰু সকাম) বা “য়াল বাঃমৃদ” নামৰ- আত্মা সম্পৰ্কীয় পূজা-সকাম কৰি দিয়াৰ পৰম্পৰা মিচিং সমাজত তাহানিৰ পৰা প্ৰচলিত আছে। এজন প্ৰাণবন্ত মানুহৰ গাত থকা আত্মাক ইজি-য়াল” বা “ইজি-য়াল” বুলি অভিহিত কৰিলেও যিটো মূহূৰ্তত মানুহ মৃত্যু হৈ ইজি-য়াল মানৱ শৰীৰৰ পৰা উলাই গৈ উয়ু আমঙত থিতাপি লয় তৎমূহূৰ্তৰ পৰাই ইজি-য়ালক “উম” বুলি গণ্য কৰা হয়। মিচিং সকলৰ লোক বিশ্বাস মতে বিশ্ব ব্ৰহ্মাণ্ড পাঁচটা স্তৰেৰে গঠিত। এই পাঁচটা স্তৰ হৈছে দং আমং (পৃথিৱী বা মৰ্ত্য) উয়ু আমং (দেৱ-দেৱী বা দেৱতাৰ স্থান) মাঃঞীং আমং (সপোনপুৰী বা স্বৰ্গ) তালীং আমং (আকাশ) আৰু য়িঃপং আমং (অমাংগলিক ভূত-প্ৰেত আৰু অকালত মৃত্যু হোৱা লোকৰ আত্মাৰ স্থান) আদি।

মিচিং সমাজৰ লোকজীৱনত এই পাঁচটা স্তৰৰ ধাৰণাৰ ভেটিত বহুতো আচাৰ আচৰণ পৰিচালিত হোৱা দেখা যায়। যেনে- মিচিং সকলৰ পাঁচ তৰপীয়া চাং ঘৰ, জখলা পাঁচ খলপাকৈ কটা, পাঁচদিনীয়া গেনা পালন আদি পৰম্পৰাবোৰ প্ৰকৃততে পাঁচ স্তৰৰ গূঢ়াৰ্থৰ ভেটিতেই গঢ় লৈ উঠা পৰম্পৰা। মিচিং সকলৰ লোক বিশ্বাসৰ স্তৰ বিভাজন হিন্দু দৰ্শনৰ স্বৰ্গ, মৰ্ত্য আৰু পাতালৰ লগত সামঞ্জস্য নাথাকিলেও হিন্দু দৰ্শনৰ পঞ্চভূত যেনে- ক্ষিতি, অপ, তেজ, মৰৎ আৰু ব্যোম আৰ্থাৎ মাটি, পানী, বায়ু, তাপ আৰু আকাশৰ লগত অন্তৰ্নিহিত ধাৰণাৰ কিঞ্চিৎ সাদৃশ্য বিদ্যমান৷ অৱশ্যে অবিকল ধাৰণা নহয়। মানুহ মৃত্যু হোৱাৰ পিছত মৃতকৰ অশৰীৰি আত্মাই উয়ু আমং নামৰ স্তৰটোত থিতাপি লয় বুলি বিশ্বাস কৰে। অৱশ্যে দুৰ্ঘটনা বা আত্মহত্যাৰ দৰে অকালতে মৃত্যু বৰণ কৰা ব্যক্তিৰ মৃতত্মাই য়িঃপং আমং স্তৰত থিতাপি লৈ বুলি বিশ্বাস কৰে। অকালত মৃত্যু হোৱা ব্যক্তিৰ জীৱনায়ুসৰ অন্তিম বিন্দুত উপনীত নোহোৱা পৰ্যন্ত মৃতকৰ আত্মাই এলাই এথানি হৈ য়িঃপং আমঙত বিচৰণ কৰি থাকে । মিচিং সমাজতো আত্ম হত্যাক মহা অপৰাধ বুলি বিবেচনা কৰে।

মিচিং সমাজৰ লোক বিশ্বাস মতে মৃত্যু হোৱা পূৰ্বপুৰুষ বা সম্বন্ধীয় সকলৰ আত্মাই পৰলোকৰ “উয়ু আমঙতএকে লগে অৱস্থান কৰে, যাক “পিতৃলোক” বুলিও অভিহিত কৰিব পাৰি। সেই পিতৃলোকৰ পৰাই মৃত্যু বা দং আমঙত থকা নিজৰ আত্মীয় কুটুম্বক নিৰীক্ষণ তথা তদাৰক কৰি থাকে। সেই ধাৰণাকেই সাৰোগত কৰি মিচিং সকলৰ প্ৰায়বিলাক ঘৰুৱা পূজা-সকামতেই দঃঞি পঃল আৰু গুঃমৃন চঃয়িনৰ লগতে নিজা নিজা বংশ গোত্ৰৰ নাম আৰু পূৰ্ব পুৰুষ



সকলৰ নাম স্মৰণ কৰি তেৰা সবৰ সেৱা সৎকাৰ কৰি আশীৰ্বাদ বিচৰাৰ পৰম্পৰা মিচিং সমাজত প্ৰচলিত আছে। সেই একেই বিশ্বাসৰ আধাৰতেই মিচিং সকলো তাহানিতে নাৰী-পুৰুষ নিৰ্বিশেষে কাণ ফুটা কৰা পৰম্পৰা বাধ্যতামূলকভাৱে প্ৰচলিত আছিল। ফুটা কৰা কাণত তেওঁলোকে অলংকাৰো পৰিধান কৰিছিল। নাৰীয়ে পৰিধান কৰা কৰ্ণ অলংকাৰ বিদক “কেন্তু” আৰু পুৰুষে ব্যৱহাৰ কৰা বিদক “তাপৰ” বুলি কোৱা হৈছিল। কাণ ফুটা কৰাৰ লোক- বিশ্বাসটি হ'ল যদিহে কোনো ব্যক্তিয়ে কাণ ফুটা নকৰে তেন্তে মৃত্যুৰ পিছত পৰলোকত নিজৰ সম্বন্ধীয় মৃত্যাত্মাই তেওঁক চিনি নেপাব আৰু কোনেও তেওঁক আকোৱালী নলব ফলস্বৰূপে স্থিতিবিহীনভাৱে তেওঁৰ আত্মাই অৱস্থান কৰিব লাগিব। সেয়েহে তাহানিতে কোনো ব্যক্তিয়ে যদি কাণফুটা কৰাৰ আগতে মৃত্যু বৰণ কৰে তেন্তে মৃত্যুৰ পিছতো কাণ ফুটা কৰিহে কবৰ দিয়া পৰম্পৰা প্ৰচলিত আছিল। ঠিক এনে লোক বিশ্বাসৰ ভেটিতেই মিচিং সকলে কেচুৱা জন্মৰ ক্ষণত অমাংগলিক ভূত-প্ৰেতৰ কুপ দৃষ্টিৰ পৰাৰ আগতেই কেঁচুৱা ভুমিষ্ট হোৱাৰ লগে লগে নৱজাতকৰ ভৰিত “লীজিন” (ভৰিত বান্ধনী দিয়া এবিধ সূতাৰ ৰচী বিশেষ) আৰু হাতৰ মনিবন্ধনত “লাগ্ জিন” (হাতৰ মণিবন্ধনত বন্ধা এবিধ সুতাৰ ৰচী বিশেষ) বান্ধী দিয়া পৰম্পৰা মিচিং সমাজত প্ৰচলিত আছিল। লীজিন বা লাগজিন নবন্ধা পৰ্যন্ত স্বগোত্ৰৰ পূৰ্বপুৰুষ বা গুঃমৃন চঃমিন (ঘৰ ডাঙৰীয়া) সকলে কেঁচুৱাক চিনি নেপাই তদাৰকি নকৰিব বুলি বিশ্বাস কৰে । লীজিন লাগজিন বান্ধিলেহে কেচুৱা নিৰাপদ বুলি ভৱা হয়। এই লোক বিশ্বাসটি মিচিং সকলৰ লোকগীতত

ফুটি উঠে এনেদৰে- “লীজিন জিনকল জিনয়ুৰ তনীয়া, লাগজিন জিনকল জিনয়ুৰ তনীয়া ।। মা, চলাগ গাগ্দল গাৰ তনীয়া।। এয়েহে মিচিং সমাজৰ লোক পৰম্পৰাত মানুহৰ জন্ম আৰু মৃত্যুৰ ক্ষণক অতি গুৰুত্বপূৰ্ণ ক্ষণ হিচাপে বিবেচনা কৰে।

অন্যান্য ধৰ্মাৱলম্বীৰ ধৰ্মদৰ্শনৰ দৰে মিচিং সকলেও পৰলোক বা মৃত্যুৰ পিছৰ স্তৰটোক আনন্দ, সুখ, শান্তি আৰু সকলোফালে পৰিতৃপ্তিৰে পৰিপূৰ্ণ এক স্বৰ্গীয় লোক বুলি বিবেচনা কৰে নে নকৰে এইয়া ধূসৰ। পূৰ্বপুৰুষ সকলৰ পৰমত্মাই, সুখ-শান্তিত বিৰাজ কৰিলেও কেতিয়াবা মৰ্তলৈ আহি সম্বন্ধীয়ৰ ঘৰৰ মুধচত কিবা আকাশত কপৌ চৰাইৰ ৰূপ লৈ ৰুণ দিয়ে বুলি ভৱা হয় আৰু তেনেকৈ ৰুণ দিয়া কপৌ চৰাইক গৃহস্থই এমুঠি চাউল আৰু এবাটি পানী বাহিৰত ছটিয়াই দিয়া পৰম্পৰা আছে। য়াক “উম পিনাম” বুলি কোৱা হয়। তাৰোপৰি সম্বন্ধীয় প্ৰেতাত্মাই অতৃপ্ত মানসেৰে কোনোৱা শৰীৰি সম্বন্ধীয়ক পেট বিষ বা মূৰ কামোৰণি ঘটাই বুলি বিশ্বাস কৰে যাক “উম কাঃনাম” বুলি কোৱা হয় । এনে পীড়াৰ পৰা নিস্তাৰ পাবলৈও “উৰম পিতনাম” পদ্ধতি অৱলম্বন কৰে। মিচিং সকলৰ লোক বিশ্বাসত পুনৰজন্মৰ ধাৰণাৰ উপস্থিতি সৱল নহয় যদিও মৃত্যু অভিজ্ঞতাৰ কথা শুনা যায়। কিছুমান তেনে মৃত্যু অভিজ্ঞতাৰ কাহিনী অন্য ধৰ্মালম্বৰী মানুহৰ মৃত্যু অভিজ্ঞতাৰ কিঞ্চিৎ সাদৃশ্যও নথকা নহয়। এয়া অৱশ্যে অন্য ধৰ্মলম্ববী মানুহৰ সংস্পৰ্কৰ অনুৰণনো হ'ব পাৰে। শংকৰ বৰুৱাই তেওঁৰ “আত্মা” নামৰ প্ৰবন্ধত (আমাৰ অসম, ৯ মে, ২০১২) এজন বিশ্ব বিখ্যাত মনোবিজ্ঞানী ডাঃ ৰেমণ্ড মুডীয়ে সংগ্ৰহ কৰা প্ৰায় ১৫০জন মান পুণৰ্জীৱিত ব্যক্তিৰ মৃত্যু অভিজ্ঞতাৰ কেইৱাটাও ঘটনা তুলি ধৰিছে। তাৰে পৰলোক সম্পৰ্কে মিচিং লোক বিশ্বাসত মিল থকা মৃত্যু অভিজ্ঞতা এটি এনে ধৰণৰ ”. তেওঁ যেন আন্ধাৰ সুৰুঙাৰে অতি বেগেৰে গৈ আছে, এনে ভাৱ হয়। ইয়াৰ পিছত তেওঁৰ এনে এটা ভাৱ হয় তেওঁ যেন নিজৰ শৰীৰৰ পৰা বেলেগ হৈ ওলাই আহিল । তেওঁ নিজকে এইবাৰ তেওঁ মৃত্যু হোৱা কোঠালিটোৰ চিলিঙিৰ তলত উপঙি থকা যেন লাগে। তেওঁৰ যেন কোনোও জনেই নাই। তেওঁ নিজৰ শৰীৰটো দূৰৰ পৰা দেখে। তেওঁৰ সম্বন্ধীয় মানুহবোৰ তেওঁৰ শৰীৰটোক পুনৰ্জীৱিত কৰিবলৈ চেষ্টা কৰি থকা দেখে। তেওঁ মানুহবোৰক কিবা কলেও নুশুনে, কাৰোবাৰ হাতত ধৰি বাধা দিব খুজিলেও তেওঁ ধৰিব নোৱাৰে । আনকি তেওঁক কোনেও নেদেখেও। তেওঁ জানে যে তেওঁৰ এটা নতুন শৰীৰ আছে। শৰীৰটো ডাৱৰৰ দৰে বা কুৱলীৰ দৰে বা স্বচ্ছ আইনাৰ দৰে। তেওঁ এৰি অহা শৰীৰটো দেখে আৰু ভাৱে এইটো তেওঁৰ শৰীৰ তাতে পৰি আছে। তেওঁ বুজে যে তেওঁ মৰিল । তেওঁ অসহায় অৱস্থাত পৰে। অলপ পিছত তেওঁ দেখে যে তেওঁক সহায় কৰিবলৈ আগতে মৃত্যু হোৱা তেওঁৰ পৰিয়ালৰ লোকসকল আহিছে। তেওঁলোকে আনন্দ কৰে- যেন এটা ভাল কামহে হৈছে। তেওঁ যেন ঘৰলৈ উলটি আহিছে। তেওঁ নিজেও এটা বিমল আনন্দত সুখ আৰু পৰিতৃপ্তি অনুভৱ



কৰে। তেওঁ এটা পোহৰ দেখে। পোহৰটো চকুত নধৰে, নুপুৰেও। ই আনন্দদায়ক। পোহৰটো তেওঁৰ লগত কথা পাতে। কিন্তু শব্দৰে নহয়, ভাৱ বিনিময়ৰেহে । ইয়াত উল্লেখ কৰা “অলপ পিছত তেওঁ দেখে যে তেওঁক সহায় কৰিবলৈ আগত মৃত্যু হোৱা তেওঁৰ পৰিয়ালৰ লোক সকল আহিছে।” বোলা ধাৰণাৰ লগত যেন মিচিং সকলৰ ধাৰণাৰ সম্পৰ্কৰ মিল দেখিবলৈ পোৱা যায়। আন এজন পুনৰ্জীৱিত ব্যক্তিক সাক্ষাৎ লওঁতে ডা° মুডীক কৈছিল “তেওঁ (মৃতক) এখন শীত উঠি নৈ পাৰ হৈ যাব লাগে। নৈখনৰ সিপাৰে আগতে মৃত্যু হোৱা তেওঁৰ পৰিয়ালৰ লোক সকল আৰু বন্ধু-বান্ধৱক দেখিছিল। তেওঁলোকে তেওঁক আগ্ৰহেৰে নৈখন (বৈ তৰণী নৈঃ) পাৰ হৈ আহিবলৈ মাতিছিল। তেওঁ পিছে ঘূৰি আহিল।” মিচিং সকলৰ লোক বিশ্বাস মতেও আগতে মৃত্যু হোৱা আত্মীয় সকলৰ মৃত্যাত্মাই পৰলোকত একে লগ হৈ কিৰণ কৰে আৰু কোনোবা আত্মীয়ৰ মৃত্যুৰ বেলিকা আত্মীয় জনৰ মৃত্যাত্মাক তেওঁলোকে পৰলোকলৈ বাট দেখুৱাই লৈ যায়। এই লোক-বিশ্বাসৰ ভেটিতেই মিচিং সকলৰ পৰম্পৰাত ইতিপূৰ্বে উল্লেখিত কাণ ফুটা কৰা পৰম্পৰা গঢ় লৈ উঠিছিল। ইয়াৰোপৰি তেওঁলোকে বিশ্বাস কৰে যে মৃত্যাত্মাই পৰলোক গমন কৰোঁতে সকবৰ কেইবাটাও নদী পাৰ হৈ যাব লাগে। মিচিং সকলৰ দেওধাই গীতেৰে মিবুৰ দ্বাৰা “মিবু দাগনাম”

বা “মিবু চুমনাম” (দেওধাইৰ দ্বাৰা মঙ্গল চোৱা কাৰ্য্য) ৰ যোগেদি কোনোবা অসুস্থ ব্যক্তিৰ আত্মাৰ অৱস্থানৰ বিষয়ে নিদিক্ষণ কৰোঁতে পৰলোকৰ নদ-নদী বোৰৰ বিষয়ে উল্লেখ কৰা শুনা যায় আৰু কোৱা হয় যি আত্মাই অন্ততঃ পাঁচখন নদী পাৰ হৈ গৈছে তেনে আত্মাক মৰ্তলৈ ঘূৰাই অনাটো অসম্ভৱ। এই সম্পৰ্কে সাহিত্য একাডেমীৰ “ভাষা সম্মান বঁটা প্ৰাপক আগম মিগাং টাবু টাইদ মহোদয়ে তেখেতৰ একুকি নিৰন্ধ” পুথিত উল্লেখ কৰিছে- “ৰোগত ভূগি ৰোগী সংকটাপন্ন অৱস্থাত পৰিলে “য়াল” শৰীৰৰ পৰা লাহে এখন নদীৰ পিছত আন এখন নদী পাৰ হৈ আঁতবালৈ গৈ থাকে। এনে সংকটময় অৱস্থাত “য়ালক” মিচিং সমাজৰ পুৰোহিত হিৰোহে ঘূৰাই আনিব পাবে। পাঁচখন নদী পাৰ হ'লেই “য়াল” গৈ "য়াল আমং” বা উই আমং” (দেৱলোক) পায়গৈ আৰু অনন্তকালৰ বাবে “উ” বাউই” (প্ৰেতাত্মা বা অশৰীৰি সত্তা) হয়, অৰ্থাৎ মৃত্যু হয়। এইখিনেয়ে আৰু এটা বিশ্বাসৰ কথা উল্লেখ কৰিব পাৰি- এয়া হৈছে “লংয়িদ কাঃনাম (প্ৰতিচ্ছায়ামুৰ্ত্তি দেখা)। কোনোবা ব্যক্তিয়ে ৰোগত ভুগি থকা ব্যক্তিজনৰ লংয়িদ বা প্ৰতিচ্ছায়ামুৰ্ত্তি দেখে তেন্তে ৰোগীজনৰ মৃত্যু অনিবাৰ্য বুলি ভৱা হয়। এনে ধাৰণাবোৰৰ পৰা এইটো স্পষ্ট হয় যে ওপৰত উল্লেখ কৰা ডাং মুডীয়ে বিশ্লেষণ কৰা মৃত্যু অভিজ্ঞতাৰ লগত সুবহু মিল নাথাকিলেও মিচিং সকলৰ পৰলোকৰ ধাৰণা কৰবাত নহয় কৰবাত যেন উপনৈ সমূহ মুখ্য নদীত মিল হোৱাৰ দৰে অন্যান্য ধাৰণাৰ কিঞ্চিত মিলৰ ছিটিকনিৰ উমান পোৱা যায় যদিও মিচিং সকলৰ লোক বিশ্বাস সমূহ অন্য কোনো ধৰ্ম বা আচৰণৰ প্ৰভাৱত সৃষ্টি হোৱা সংস্কৃতি পৰম্পৰা নহয় । কাৰণ মিচিং সংস্কৃতি বা লোক পৰম্পৰা সৃষ্টি হৈছে শ শ বছৰৰ অভিজ্ঞতা আৰু সমীক্ষাৰ অন্তত বাহিৰৰ সংস্কৃতিৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হোৱাৰ সময়তেই। শেষত এইটো কব পাৰি যে মিচিং লোক- সংস্কৃতি নিজেই এক সুকীয়া সংস্কৃতি । অৱশ্যে বিৱৰ্তমান সময় চক্ৰৰ পৰিবৰ্তনৰ তাগিদাত সংস্কৃতিৰ ধাৰা পৰিৱৰ্তন হোৱাৰ দৰে মিচিং সংস্কৃতি পৰম্পৰাৰো পৰিৱৰ্তন ঘটিছে। বৰ্তমানৰ বিজ্ঞান প্ৰযুক্তিৰ প্ৰত্যক্ষ প্ৰভাৱ, আধুনিক শিক্ষা ব্যৱস্থাৰ দ্বাৰা গঢ় লৈ উঠা মানসিকতা, সভ্য জাতিখ্যাত আগবঢ়াজাতিৰ সংস্কৃতিৰ প্ৰভাৱ, পৰম্পৰাৰ প্ৰতি দেখুৱা অনীহাৰ মানসিকতা আদি বিভিন্ন কাৰকে আজি মিচিং জাতিৰ সাতামপুৰুষীয়া ঐতিহ্য পৰম্পৰাৰ দ্রুত গতিত পৰিৱৰ্তন ঘটাইছে। আধুনিকতাৰ দোহাই দি আগ-পিছ নুগুনি যদি পৰিৱৰ্তনৰ চাকনৈয়াত আমি উঠি ভাহি যাওঁ তেন্তে নিশ্চয়কৈ আমি এদিন আমাৰ উপৰি - পুৰুষ সকলে শ শ বছৰ ধৰি গঢ় দিয়া স্ব-গৰিমাৰ মহিমামণ্ডিত ঐতিহ্য পৰম্পৰাখিনি হেৰুৱাই পেলাম ই নিশ্চিত।।0

সহায়ক গ্ৰন্থপঞ্জীঃ


১/ Varrier Win A new book of Tribal fiction.

2/ Jogendra Nath Cultural Heri –
tage of Tribal socities.

৩। টাবু টাইদ- একুকি নিৰন্ধ ।




# মিছিং আৰু নেপালী জন গোষ্ঠীৰ সমন্বয়


কৃষ্ণবাহাদুৰ ছেত্ৰী
অৱসৰ প্ৰধান শিক্ষক
ধনখুলৈ, যোৰহাট


মিছিং আৰু নেপালী জনগোষ্ঠীৰ মাজত অতিতৰ পৰাই মধুৰ সমন্বয়ৰ সম্পৰ্ক আছে। যিহেতু দুয়োটা জনগোষ্ঠীৰ মাজত আৰ্থ সামাজিক ৰীতি-নীতিৰ বহু ক্ষেত্ৰত মিল দেখা যায় । এতিয়া আহো মিছিং সকল ক'ৰ পৰা অসমলৈ আগমন হৈছিল, এই সম্পকে চমু বিৱৰণ দাঙি ধৰিলো। খৃঃপূঃ ১৫০০ বছৰৰ আগতেই ভাৰতবৰ্ষত বুদ্ধ ধৰ্মই জন্মলাভ কৰাৰ আগতেই পশ্চিম চীন দেশৰ হালধীয়া নদীৰ উপত্যকাৰ পৰা প্ৰব্ৰজন, আৰম্ভ কৰি ব্ৰহ্মদেশ, ভূটান আদি পাৰ হৈ উত্তৰ পূৱ ভাৰতত

অনুপ্ৰবেশ কৰি হিমালয়ৰ নিম্ন পৰ্বত বিলাকে পূৰে ব্ৰহ্মপুত্ৰৰ উৎপত্তি স্থলৰ পৰা আৰম্ভ কৰি উত্তৰৰ উপত্যকা বিলাকত পশ্চিমে বুৰৈ ভৰুৰি নদীৰ উপত্যকা পৰ্যন্ত অতীতৰ অৰ্বাচীন কালৰে পৰা পূৰ্বৰ অবিভক্ত অসম দেশত বাস কৰিবলৈ লোৱা মিছিং সকল পাহাৰীয়া জনজাতি লোক। পাহাৰৰ পৰা অসমৰ ভৈয়াম অঞ্চলৈ আহি বসবাস কৰিবলৈ লোৱাৰ পাছত ভৈয়াম মিছিং জনজাতি হিচাবে স্বীকৃতি লাভ কৰে।

মিছিং সকলৰ আৰাধ্যা দেৱতা হল দঃঞি (সূৰ্য্য) পঃল হ'ল (চন্দ্ৰ) গতিকে মিছিংসকল সূৰ্য্য, চন্দ্ৰৰ উপাসক। সকাম নিকাম আৰম্ভ কৰা পূৰ্বে দঃঞি পঃল দেৱতাক স্মৰণ কৰাৰ পাছতেই শুভ কাৰ্য্য আৰম্ভ কৰে। দঃঞি, পঃলৰ বাহিৰেও অন্যান্য দেৱ-দেৱী যেনে শিৱ, গণেশ, দূৰ্গা, সৰস্বতী আদি দেৱ-দেৱীক পূজা অৰ্চনা কৰে। গাঁৱত অপায়-অমঙ্গল হলে সমজুৱা ভাবে হৰি কীৰ্ত্তন কৰি কল পটোৱাৰ নাওঁ সাজি নাওখনত ধূপ দীপ, প্ৰসাদ ভাগে ভাগে সজাই কল পটোৱাৰ শোলত ভাগে ভাগে অৰ্পন কৰি উক্ত নাওখন মাঙ্গলিক ধ্বনিৰে বোৱতী নদীত উটোৱাই দিয়ে। ইয়াৰ দ্বাৰা গাঁওখনত হোৱা অপায় অমঙ্গলবোৰ নৈত উটি যায় বুলি বিশ্বাস কৰে।

এইবাৰ নেপালী জনগোষ্ঠীৰ ভাৰতবৰ্ষ আৰু অসমলৈ ক'ৰ পৰা প্ৰব্ৰজন হল তাৰেই এটি চমু বিৱৰণ দাঙি ধৰিলো। নেপালী জনগোষ্ঠীৰ লোক সকল মূলত :- আৰ্য্য আৰু মংগোলীয় বংশ দুটা শ্ৰেণীত বিভক্ত। আৰ্য বংশোদ্ভৱ সকলৰ ভিতৰত ব্ৰাহ্মমন আৰু ক্ষেত্ৰিয় সম্প্ৰদায়ৰ লোক সকলেই প্ৰধান। তেনেদৰে ৰাই, লিম্বু, তামাং, শ্বেৰ্গা আদি সম্প্ৰদায়ৰ লোকসকল তিব্বতো মংগোলীয় বংশোদ্ভৱ অন্তৰ্গত।

গতিকে আৰ্য বশোদ্ভৱ নেপালী লোকসকলৰ সভ্যতা সংস্কৃতি ৰীতি-নীতি পৰম্পৰা আদি সকলোতে ভাৰতীয় আৰ্য হিন্দুৰ প্ৰভাৱ দেখা যায়। ভাৰতীয় আৰ্য ভাষা অন্তৰ্গত লিপি আৰু শব্দাৱলীৰ সৈতে নেপালী ভাষাৰ মিল দেখা যায়। আৰ্য বংশোদ্ভৱ নেপালী বিশেষকৈ ব্ৰাহ্মান, ক্ষেত্ৰিয় আৰু শৰ্ম্মা সকলৰ শাৰীৰিক গঠন, মুখাবয় আদিত আৰ্য লক্ষন যুক্ত। লোক সংস্কৃতিৰ ক্ষেত্ৰত তেওঁলোকে সকলো মাংগলিক উৎসৱ-পাৰ্বন আদি বৈদিক নিয়মানুসাৰে পালন কৰে। আৰ্য হিন্দু সকলৰ দ্বাৰা পালিত মাংঙ্গলিক কাৰ্য যেনে- জাতকৰ্ম, নামকৰণ, অন্নপ্ৰসন্ন, চুড়াকৰণ, উপনয়ন, বিবাহ, ৰাজস্বলা আৰু মৃতকৰ অন্ত্যেষ্ঠি ক্ৰিয়া আদি তেওঁলোকে নিৰ্দিষ্ট বিধি বিধান অনুসাৰে সম্পন্ন কৰে।

অসমত বসবাস কৰা আৰ্য বংশোদ্ভৱ নেপালী সম্প্ৰদায়ৰ লোক সকলে স্বকীয় ৰীতি-নীতিৰে বৈশাখ সংক্ৰান্তি, "তীজ", "দশই", "তিহাৰ", নাগ পঞ্চমী, মকৰ সংক্ৰান্তি অথাৎ মাঘ বিহু আৰু শ্ৰী পঞ্চমী বা সৰস্বতী পূজা আদি প্ৰতি বছৰে পালন কৰে। মংগোলীয় বংশোদ্ভৱ নেপালী সকলেও অনুৰূপ ভাৱে তেওঁবিলাকৰ উৎসৱ সমূহ প্ৰতি বছৰে পালন কৰে। বছৰটোৰ প্ৰথম মাহ হিচাবে আৰ্য আৰু মাংগোলীয় উভয় মূলৰ নেপালী লোকসকলে বহাগ বা বৈশাখ সংক্ৰান্তি পালন কৰা অতি প্ৰাচীন। এই সময়ছোৱাত ঘৰ গৃহস্থীয়ে, সন্তান- সন্ততি সকলৰ মংগল কামনা কৰি ঘৰ লিপা ম'চা কৰি গোমূত্ৰ ছটিওৱা আদি কাম কৰে। গোমূত্ৰক নেপালী সকলে বিভিন্ন মাংগলীক কৰ্ম আৰু মৃতকৰ দহা বাৰ্ষিক পিতৃ শ্ৰাদ্ধ কাৰ্যত ব্যৱহাৰ কৰে।

দশৈ অৰ্থাৎ দূৰ্গা পূজাত চিৰা, দৈ,চেনি, গুৰ কল, খাচি মাংস, ভাত আদি দশৈ উৎসৱৰ খাদ্য সম্ভাৰ। "তিহাৰত" অথাৎ দ্বিপাৱলীত বিশেষকৈ ছেল কটি (ঘূৰণীয়া চাউলৰ পিঠাৰে তৈয়াৰ কৰা এবিধ ৰুটি) মাংস দৈ ক্ৰীম নানা বিধ মিঠাই আয়োজন কৰে। মাঘ বিহুত লাড়ু, তিলৰ তিল পিঠা, চিৰা-মুড়ী দৈ, ক্ৰীম, কাঠ আলু, মিঠা আলু আদিয়ে মাঘ বিহুত খাদ্য সম্ভাৰ। মাঘ বিহুৰ তিলৰ খৰিৰে মেজি সাঁজি মেজিত হোমাঅগ্নি কৰা আগমূহূৰ্ত্বত ঘী, চন্দন, ন-চাউল অৰ্পন কৰা পাছত সমূহীয়া ভাৱে সেৱা জনাই মেজিত অগ্নি সংযোগ কৰে।



অসমবাসী নেপালী সকল জীৱিকা অৰ্জনৰ মূল উৎস হিচাপে পশু পালন আৰু কৃষি। পশু হিচাপে গৰু ম'হ পালনৰ জৰিয়তে গাখীৰ অসমবাসী নেপালী সকলৰ এসময়ত একচেতিয়া ব্যৱস, য আছিল। বৰ্তমান উন্নত জাতৰ অধিক গাখীৰ দিয়া জাৰ্চি গৰু বিজ্ঞান সন্মত ভাৱে প্ৰতিপালন কৰি অসমৰ থলুৱা নেপালী সকল আৰ্থিক দিশত লাভৱান হৈছে। ইয়াৰওপৰি ছাগলী, হাঁহ, পাৰ পুহি ইয়াৰ জৰিয়তেও কিছু আৰ্থিক আহৰণ কৰে।

কৃষিজীৱি হিচাপে নেপালী সম্প্ৰদায়ে ধান, আলু, মাহ, সৰিয়হ, তিল, মটৰ, ৰহৰ দাইল, কচু, ফল-মূল আদিয়ে প্ৰধান খেতি। খেতি কাৰ্যত নেপালী জনসাধৰণৰ পুৰুষ মহিলাই সমানে পৰিশ্ৰম কৰে। প্ৰায় শতকৰা ৯৫% ভাগ অসমবাসী নেপালী খেতিৰ লগত জড়িত। কৃষি কাৰ্য্যৰ লগত জড়িত লোক সকল অতীতৰ পৰাই পুঁজিপতিৰ শোষন আৰু প্ৰাকৃতিক দুৰ্যোগৰ পৰা সাৰি যাব পৰা নাই, কাৰণে কৃষক সকলৰ আৰ্থিক অৱস্থা শোচনীয়। যিহেতু অসমৰ চৰ-চাপৰিত অঞ্চল সমূহত বাস কৰা মিছিং নেপালী জনগোষ্ঠীৰ অৱস্থা বানপানী আৰু গড়াখহনীয়াত সৰ্বস্বান্ত হয়। এই দুয়োটা জনগোষ্ঠীৰ বসবাস কৰা প্ৰতিবছৰে

গড়াখহনীয়াত হেজাৰ হেজাৰ খেতিৰ মাটি নদীৰ বুকুত বিলীন হয়। চৰকাৰ ফালৰ পৰাও কেন্দ্ৰীয় আৰু অসম চৰকাৰৰ হাতত অসমৰ নৈ সমূহৰ পৰা গড়াখহনীয়া ৰোধ কৰিবলৈ সদিচ্ছা নাই।খেতিৰ সজুলি হিচাপে নেপালী আৰু মিছিং জনগোষ্ঠীৰ একে ধৰণৰ কৃষি উৎপাদন কৰা সজুলি সমূহ দেখা যায় যেনে - নাওঁল, যুৱলি, মৈ-টকা, মৈ, ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, কুৰ, হাত দা, হাবি কটা দা, কপিদা, কটাৰি ব্যৱহাৰ কৰে। বিশেষকৈ খেতিৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ বাবে ব্যৱসায় বাণিজ্যত নেপালী আৰু মিছিং দুই জনগোষ্ঠীৰ এই ক্ষেত্ৰত বিশেষ আগ্ৰহী নহয়। কৃষিজীৱি হিচাপে কৃষিৰ লগত জড়িত নেপালী সকলৰ কৃষি মুখী হিচাবে বছৰৰ খেতি আৰম্ভ কৰা আগমূহূৰ্তত ডেকা গাভৰুৰ প্ৰেম প্ৰীতিৰ নৃত্য কলা প্ৰদৰ্শন কৰি বছৰৰ প্ৰথম আৰম্ভনিত কৃষি উৎসৱ পালন কৰে। এনে ধৰণৰ উৎসৱ আদিত লোক আৰু আধুনিক নৃত্য হিচাপে নেপালী জনগোষ্ঠীৰ ২৭ বিধ লোক নৃত্য আছে।

কাতি মাহৰ উল্লেখযোগ্য উৎসৱ "তিহাৰ" নেপালী লোক সকলে ভাতৃ-ভগ্নী সম্পৰ্ক অটুত ৰখা উদ্দেশ্য ভাই তিহাৰ পালন কৰে। ভাই তিহাৰ দিনা বাই-ভনী সকলে নিজৰ নিজৰ ভাই ককাই সকলক মঙ্গলঘট, ফুল তুলসীৰে পূজা কৰি কপালত চাউলৰ গুৰি পিঠা ওপৰত সাত বিধ ৰঙৰ সৰু সৰু আকাৰৰ ফোঁট দি ফুলৰ মালা পিন্ধাই বছৰটো বাবে নিজৰ ভাই ককাই সকলৰ মঙ্গল কামনা কৰে। বিনিময়ত ভাই-ককাই সকলে বাই ভনীয়েকক বিভিন্ন ধৰণৰ উপহাৰ আগবঢ়ায়।

উল্লেখযোগ্য যে বহাগ বিহুৰ হুঁচৰি গোৱাৰ দৰে তিহাৰত নেপালীসকলে ঘৰে ঘৰে গৈ "দেওচি আৰু ভৈলী" খেলে। গাভৰু যুৱতী আৰু ডেকা সকলে বেলেগে বেলেগে তিহাৰ উৎসৱত নাচ গান কৰে। নেপালী সকলৰ উপাস্য দেৱতা হ'ল, সূৰ্য্য, চন্দ্ৰ, বৰুণ, ব্ৰহ্মা, বিষ্ণু মহেশ্বৰ আদিক পুজা কৰে । অপায় অমঙ্গল হ'লে এই সকল দেৱতাক বৈদিক ভাৱে স্মৰণ কৰি পুজা কৰে।

**ধৰ্মীয় দিশ** ঃ- নেপালী সম্প্ৰদায়ৰ গাওঁ সমূহত বিষ্ণু মন্দিৰ হৰি মন্দিৰ, শিৱ মন্দিৰ, দূৰ্গা মন্দিৰ, গনেশ মন্দিৰ আদি স্বকীয় ভাৱে ৰাইজৰ পৰা দান বৰঙণি তুলি লগতে ধৰ্মপ্ৰাণ ব্যক্তিৰ পৰা ভূমি দান হিচাপে লৈ মঠ মন্দিৰ সমূহ প্ৰতিষ্ঠা কৰে । উক্ত মন্দিৰ সমূহত নিয়মীয়াকৈ পুৱা, আবেলি এজন শাত্তিক পূজাৰীৰ দ্বাৰা ধূপ, দীপ নিবেদন কৰি প্ৰাৰ্থনা কৰাৰ ব্যৱস্থা প্ৰচলিত হয় । অৱশ্যে বৰ্তমান কিছু কিছু গাঁৱত মহাপুৰুষ শঙ্কৰদেৱৰ আৰ্হিৰে বৈষ্ণৱ নামঘৰ প্ৰতিষ্ঠা কৰি নাম কীৰ্তন কৰাৰ নিয়ম প্ৰৱৰ্তন হৈছে ।

**খেল-ধেমালী** :- খেল ধেমালীত নেপালী জনসাধাৰণ সিমান আগ্ৰহী নহয় যদিও বৰ্তমান ঠাই বিশেষে ফুটবল, ভলীবল, কেৰম · ক্ৰিকেট আদি খেলৰ প্ৰতি নেপালী যুৱক যুৱতী আকৰ্ষিত হৈছে ।

নেপালী জনগোষ্ঠীৰ মাজত ক্ষেত্ৰিয়, ব্ৰাহ্মন,শমা উপাধি থকাৰ দৰে মিছিং জনগোষ্ঠী মাজতো দলে, পেগু কুটুম, পাতিৰ, টায়েং, চিন্তে, মৰাং, পায়েং,পাইট আদি উপাধি আছে । অসমৰ মিছিং সকলৰ প্ৰধান জীৱিকাৰ পথ হ'ল খেতি আৰু পশুপালন । ব্যৱসায় বাণিজ্যত মিছিংসকল অতীতৰ পৰাই কম মনোযোগী। অৱশ্যে বৰ্তমান শিক্ষিত যুৱক যুৱতীয়ে আধুনিক বাতাবৰণৰ লগত খাপ খোৱাকৈ ব্যৱসায় বাণিজ্যত মনোনিৱেশ কৰিছে । বছৰটোৰ ফাগুন মাহত উদ্যাপিত আলিঃআয়ে লিগাংৰ দিনটোত শস্যৰ বীজ ভূমিত সংযোগ কৰাৰ আগমূহূৰ্তত নিজৰ ইষ্টদেৱতাক স্মৰণ কৰি খেতি কৰা উৎসৱ আলিঃআয়ে লিগাং আৰম্ভ কৰে । কৃষি হিচাপে মিছিং সকলে শালি ধান, বড়ো ধান, বাওধান আহু ধানৰ খেতি কৰে। অন্যান্য শস্যৰ ভিতৰত মাটি মাহ , সৰিয়হ আলু, কচু, মটৰ মাহ, কলা মাহ, মচুৰ দাইলৰ লগতে পাচলি জাতিয় শস্য মিছিং সকলে যথেষ্ট পৰিমানে কৰে যেনে লাই শাক, বন্ধা কবি, ফুল কবি ওল কবি ,ধনীয়া, গাজৰ তিতা কেৰেলা, বেঙেনা, ৰঙালাও জাতিলাও, ভেণ্ডি, মুলা, আদি কৰি পাছলি খেতিৰ জৰিয়তে বৰ্তমান ব্ৰহ্মপুত্ৰৰ দক্ষিণ পৰীয়া মিছিংসকল যথেষ্ট আৰ্থিকভাৱে



লাভৱান হৈছে। তেওঁবিলাকে বৰ্তমান উন্নত মানৰ বীজ আৰু আধুনিক পদ্ধতি আৰু কৌশল প্ৰয়োগ কৰি বন্ধা কবি, ফুল কবি, ধনিয়া, বেঙেনা আৰু মটৰ মাহৰ খেতিৰে প্ৰায় সকলৰ আৰ্থিক দিশ শক্তিশালী কৰি তাৰ পৰা লাভ কৰা ধনেৰে আধুনিক আৰ্হি প্ৰয়োগ কৰি ঘৰ-দুৱাৰ, ভড়াল ঘৰ সাজি গাঁওবোৰৰ বাতাবৰণ সুন্দৰ কৰি তুলিছে, জাতিটোৰ বাবে ই এটা শুভ লক্ষণ ।

পশু পালনতো মিছিং জনগোষ্ঠী অতীতৰ পৰাই বিশেষভাৱে মনোযোগী । গৰু,মহ, ঘোঁৰা,হাতী, গাহৰি, ছাগলী,কুকুৰা হাঁহ পাৰ তেওঁবিলাকে পোহপাল কৰে । ব্ৰহ্মপুত্ৰৰ পাৰত গৰু মহৰ খুটি সাজি তাত গৰু মহ পুহি গাখীৰ উৎপাদন কৰি তাৰ জৰিয়তে অসমৰ নগৰ সমূহলে গাখীৰ যোগান ধৰে । ইয়াৰোপৰি গেৰা মহ, দমৰা গৰু বিক্ৰী কৰি তাৰ জৰিয়তে যথেষ্ট অৰ্থ আহৰণ কৰে ।মিছিং জনগোষ্ঠী পশু প্ৰাণী সমূহৰ হিতকাৰী।

সামাজিক দিশ এই জনগোষ্ঠীৰ অতি উন্নত দেখা যায় । যিহেতু তেওঁবিলাকৰ সামাজিক বিচাৰ বিবেচনা সমূহ অতি সৎ । যিকোনো সামাজিক বা বিচাৰ সমূহ ৰাইজৰ দ্বাৰা গঠিত বিচাৰক মণ্ডলীৰ দ্বাৰাই নিষ্পতি কৰে । বিচাৰক মণ্ডলীৰ দ্বাৰা

মিমাংসা কৰিব নোৱাৰা বিচাৰ বোৰহে কৰ্ট আদালতলৈ প্ৰেৰণ কৰা দেখা যায় । ধৰ্মীয় ক্ষেত্ৰত মিছিং সকলৰ প্ৰায়বোৰ গাৱত নামঘৰ আছে । নামঘৰ বোৰত তেওঁবিলাকৰ সামাজিকভাৱে ইষ্ট দেৱতাক ধ্যান ধাৰণা কৰা পৱিত্ৰ স্থান হিচাবে ব্যৱহাৰ কৰে । মাজে সময়ে উক্ত নামঘৰ বোৰত হৰি কীৰ্তনো কৰে ।

কৃষিজীৱি জনগোষ্ঠী মিছিং সকল নিজৰ জাতিয় উৎসৱ সমূহ অতি ৰং ৰহস্যৰে পালন কৰে । তেওঁবিলাকৰ প্ৰধান উৎসৱ সমূহ হ'ল কাতি বিহু, মাঘ বিহু আলিঃ- আয়ে লিগাং আৰু ব'হাগ বিহু । মাঘ বিহুত তেঁওবিলাকে শিমলুৰ খৰিৰে সুন্দৰকৈ মেজি সাজে । মাঘ বিহুৰ গোটেই ৰাতি মেজিত থাকি পুৱতি নিশাৰ ৩ বজাত মেজিত তামোল পান, ধূপ-ধুনা জ্বলাই সমূহীয়াভাৱে সেৱা কৰাৰ পাছত মেজিত অগ্নি সংযোগ কৰে। ইয়াকে কৃষি কাৰ্য আৰম্ভ কৰা উৎসৱ বুলি ভাৰতীয় দৰ্শনত উল্লেখ আছে ।

বিশেষকৈ মিছিং সকলৰ আনন্দ উৎসৱ বিহু কেইটা হ'ল আলি-আয়ে লিগাং আৰু বহাগ বিহু। এই দুয়ো বিহুত মিছিং সকলৰ ডেকা গাভৰুৱে বহাগ বিহুত ঘৰে ঘৰে হুচৰি মাৰে। এই বিহুতবোৰত নানা ধৰণৰ খাদ্য সম্ভাৰ হিচাপে বৰাধানৰ সান্দহ গুৰি, আপং, ভাত, গাহৰিৰ, কুকুৰা মাংসই প্ৰধান খাদ্য। বহাগ বিহুত ঢোল, পেপা, গগনা আৰু তালৰ তালে তালে গাভৰু ছোৱালী বোৰে মনোমোহা বিহু নৃত্য কৰে। প্ৰতি ঘৰ মিছিং মানুহৰ ডেকা-গাভৰুৱে বহাগ বিহুৰ হুচৰিত অংশ গ্ৰহন কৰে। হুচৰি মৰাৰ বিনিময়ত গৃহস্থই আপং, শৰাইত নতুন গামোছা উপৰিও অৰ্থ পান-তামোল শৰাইত সজাই বিহুৱান সকলৰ পৰা গৃহস্থই সেৱা জনাই আশিৰ্বাদ লয় ।

উল্লেখ কৰা দুয়োটা জনগোষ্ঠীৰ আৰ্থ সামাজিক আধ্যত্মিকতা সমূহৰ পৰা ধাৰণা কৰা যায় যে মিছিং আৰু নেপালী জনগোষ্ঠীৰ মাজত যথেষ্ঠ সমন্বয়ৰ ক্ষেত্ৰ আছে। দুয়োটা জনগোষ্ঠীৰ মাজত অতীতৰ পৰাই মিলা প্ৰীতিৰে অসমৰ বিভিন্ন অঞ্চলত ওচৰা ওচৰিকৈ বসবাস কৰি আছে। দুয়োটা জনগোষ্ঠীৰ মাজত অতীতৰ পৰা বৰ্তমানলৈকে কোনো ধৰনৰ সাম্প্ৰদায়িক বিবাদ নাই বুলিয়েই ক'ব পাৰি। দুয়োটা জনগোষ্ঠীয়েই পশুপালনৰ ক্ষেত্ৰত অতি আগ্ৰহী আৰু গৰুৰ গাখীৰ, দমৰা গৰু, গেৰা ম'হ বিক্ৰী কৰি আৰ্থিক আয়ৰ আহৰণ কৰাত দুয়োটা জনগোষ্ঠী একেই । দুয়োটা জনগোষ্ঠী কৃষি আৰু ব্যৱসায়ৰ জৰিয়তে বৰ্তমান আৰ্থিক দিশত আগবাঢ়িছে। অৱশ্যে নেপালী জনগোষ্ঠীতকৈ মিছিং সকল বিভিন্ন দিশৰ পৰা যেনে অসম চৰকাৰে প্ৰদান কৰা স্বায়ত্ব পৰিষদ দিয়াত জাতিটোৰ দুখীয়া লোক সকলে আৰ্থিক দিশত যথেষ্ঠ সুবিধা পাইছে। অন্যহাতেদি চৰকাৰি চাকৰিৰ ক্ষেত্ৰটো সংৰক্ষণ ব্যৱস্থা থকাত জাতিটোৰ শিক্ষিত নিবনুৱা যুৱক যুৱতী সকলে কৰ্ম সংস্থাপন পাইছে।

কিন্তু নেপালী সকলৰ বাবে তেনে সংৰক্ষণ ব্যৱস্থা নথকাত চাকৰিৰ নিযুক্তিৰ ক্ষেত্ৰত একেবাৰে নগণ্য । অন্যহাতেদি দুয়োটা জনগোষ্ঠী যেন নদীয়ে উটুৱাই অনা খৰি, খেৰ, ইকৰা, সাগৰি পশুপালন আদিৰ সুবিধা ভোগ কৰা অৰ্থে শতকৰা ৮০ ভাগ মানুহে অতীতৰ পৰা নদী পাৰত আৰু চৰ-চাপৰি অঞ্চলত গাঁও পাতি বসবাস কৰি আছে। সেই বাবে দুয়োটা জনগোষ্ঠী প্ৰতি বছৰে বান পানীৰ কৱলত পৰি ধন-জন খেতি পথাৰৰ মাটি শস্য নদীৰ বুকুত বিলিন হয়। ১৯৫০ চনৰ ভুইকপৰ পাছৰ পৰা বৰ্তমানলৈকে কিমান নেপালী আৰু মিছিং
মানুহৰ গাঁৱৰ ভূমি গড়াখহনীয়া জাহ গ'ল ইয়াৰ খতিয়ান চৰকাৰ হাতত আছেনে ? এনেবোৰ প্ৰাকৃতিক দুৰ্যোগ প্ৰতি বছৰে ভোগাৰ বাবে উভয় জনগোষ্ঠীৰ জনমূৰি আয় শূন্য।

কলা -সংস্কৃতিত নেপালী আৰু মিছিং সকল চহকী। দুয়োটা জনগোষ্ঠীৰ উচ্চ মানদণ্ডৰ কলা সংস্কৃতি লগতে অসমৰ থলুৱা কলা-সংস্কৃতিৰ প্ৰতিও দুয়োটা জনগোষ্ঠী আগ্ৰহী। সামাজিক - বৈশিষ্ট দুয়োটা জনগোষ্ঠীৰ মাজত পৰম্পৰা ৰক্ষা কৰি আহিছে। অনাগত দিনটো নৱ প্ৰজন্মই স্বকীয় বৈশিষ্ট সমূহ ৰক্ষা কৰি চলিব বুলি আমাৰ বিশ্বাস বৈশিষ্ঠ ভংগ কৰাটো জাতিৰ বাবে হানিকৰ । যিহেতু ফুলনি বাৰীত আনন্দ কৰিব পাৰো সেই বুলি ফুল চিঙাৰ আমাৰ অধিকাৰ নাই। বিয়া বাৰু সকাম নিকামত উভয় জনগোষ্ঠীৰ মাজত সহযোগিতা আৰু সহায় সহানুভূতি আছে।

মিছিং অটনামাচ Council ৰ অন্তৰ্গত স্থায়ী ভাৱে বসবাস কৰা নেপালী সকলকো নিজৰ ভাই-ককাই', বাই- ভনী, দেউতা - আই গণ্য কৰি মৰমৰ চকুৰে চায়, তেন্তে ভৱিষ্যতে দুয়োটা জনগোষ্ঠীৰ মাজৰ সমন্বয়ৰ সেঁতু অধিক মজবুত হৈ উঠিব আৰু এই আদৰ্শ অনান্য জনগোষ্ঠী সকলৰ বাবেও উদাহৰণ হৈ ৰ'ব। এই প্ৰৱন্ধত আৱঞ্চিতে কিবা ভূল ত্ৰুটি থাকিলে শ্ৰদ্ধাৰ জ্ঞানী গুণি সকলে কৃপা কৰি আঙুলিয়াই দিলে পৰম কৃতাৰ্থ হ'ম।



# জ্যোতিপ্ৰসাদৰ জয়মতী : প্ৰথম ভাৰতীয় ৰাজনৈতিক ছবি

**ড° জয়ন্ত মাধৱ দত্ত**

২০১৩ চনৰ অক্টোবৰ মাহত প্ৰকাশিত 'Front- line'ৰ ভাৰতীয় চলচ্চিত্ৰ শতবৰ্ষৰ বিশেষ সংখ্যাত প্ৰথিতযশা ভাৰতীয় চলচ্চিত্ৰ পৰিচালক আদুৰ গোপালকৃষ্ণনে কৈছে যে তেওঁ ভাৱে ভাৰতীয় চলচ্চিত্ৰ সত্যজিত ৰায়ৰ 'পথে পাঁচালি'ৰ সৈতেহে আৰম্ভ হৈছে। প্ৰকৃতাৰ্থত ভাৰতীয় চলচ্চিত্ৰ দাদা চাহেব ফাল্কেৰ ৰাজা হৰিশচন্দ্ৰৰ পৰা আৰম্ভ হোৱা নাই। তেওঁৰ ভাষাত "I do not think Indian cinema began with Phalke in the true sense. It began with Pather Panchali and Satyajit

Ray, who was the first com- plete film maker to choose to work in cinema. All those before him were mere storytellers. Phalke was in- spired to make films after he saw the Life of Christ. A major influence on his films was Raja Ravi Varma, who was his guru and guide. The paintings of Ravi Varma, were about certain dramatic moments in our my- thology; there is an innate drama in everything he painted and an entertaing narrative too. "" ভাৰতীয় চলচ্চিত্ৰৰ শতবৰ্ষত এগৰাকী ধীমান, অতি ছিৰিয়াছ, ছবি নিৰ্মাতাৰ এই কথাখিনি যথেষ্ট গুৰুত্বপূৰ্ণ । আদুৰ গোপালকৃষ্ণনৰ দৰে আমিও ব্যক্তিগত ভাৱে সত্যজিত ৰায়ৰ অসামান্য চলচ্চিত্ৰীয় প্ৰতিভাক সদায়েই স্বীকাৰ কৰি আহিছো আৰু তেওঁৰ প্ৰায়খিনি ছবিকেই ৰসাস্বাদ কৰিবলৈ চেষ্টা কৰিছো। ৰায়ৰ ‘পথেৰ পাঁচালিত ভাৰতবৰ্ষৰ জীয়া বাস্তৱক অনুভৱ কৰিব পাৰি। দৰিদ্ৰতাই পিষ্ট কৰা জীৱন, ভাৰতবৰ্ষৰ গ্ৰাম্য জীৱন, মানুহৰ প্ৰেম, প্ৰকৃতি আৰু শৈশৱৰ আনন্দৰ লগতে হতভগীয়া দুখৰ নিৰ্মম আঘাত আৰু এই সকলোবোৰৰ সৈতে সহবাস কৰি জীয়াই থকাৰ প্ৰাত্যাহিক সংগ্ৰাম। ৰায়ে এই ছবিৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ জগতত নিজকে এজন অসামান্য চলচ্চিত্ৰ পৰিচালক হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। ভাৰতীয় চলচ্চিত্ৰলৈ সত্যজিত ৰায়ৰ অৱদানৰ গুৰুত্ব অপৰিসীম আৰু ৰায়ৰ অৱদানক সকলোৱে স্বীকাৰ কৰিছে। এক কথাত কবলৈ গ'লে সত্যজিত ৰায় যে ভাৰতীয় চলচ্চিত্ৰ তথা বিশ্বচলচ্চিত্ৰৰে এজন গ্ৰেট মাষ্টাৰ সেই সম্পৰ্কে কোনো সন্দেহ নাই।

কিন্তু এজন সামান্য চলচ্চিত্ৰ অনুৰাগী আৰু চলচ্চিত্ৰ সংগঠক হিচাপে আদুৰ গোপালকৃষ্ণনৰ উল্লেখিত মন্তব্যই

আমাৰ মনতো কেতবোৰ প্ৰশ্ন জগাই তুলিছে। আমি আদুৰ গোপালকৃষ্ণনৰ এই মন্তব্যৰ প্ৰতি যথাযথ সন্মান প্ৰদৰ্শন কৰি এনেদৰে ভাবো যে কাৰিকৰী ভাৱে ভাৰতীয় চলচিত্ৰৰ শুভাৰম্ভ হৈছিল ১৯১৩ চনত দাদা চাহেব ফাল্কেৰ ‘ৰাজা হৰিশচন্দ্ৰ'ৰ জৰিয়তে আৰু চলচ্চিত্ৰ কলাক দায়বদ্ধ আৰু সামাজিক পৰিৱৰ্তনৰ বাবে প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল অসমৰ জ্যোতি প্ৰসাদ আগৰৱালাই 'জয়মতী'ৰ জৰিয়তে



১৯৩৫ চনত । প্ৰথম সবাক ছবি ‘আলম আৰা' ১৯৩১ চনত মুক্তি পাইছিল আৰু আমাৰ জ্যোতিপ্ৰসাদৰ 'জয়মতী'য়ে মুক্তি পাইছিল ১৯৩৫ চনত। ১৯৩১ চনৰ ‘আলম আৰাৰ' পৰা ১৯৩৫ চনৰ ‘জয়মতী'লৈকে সমগ্ৰ ভাৰতবৰ্ষৰ হিন্দীকে ধৰি অন্যান্য আঞ্চলিক ভাষা বিলাকত মুঠ ৬১২ খন ছবি নিৰ্মাণ হৈছিল। কিন্তু ৬১২ খন ছবিৰ ভিতৰত ‘জয়মতী' আছিল অনন্য। কিয়নো সেই সময়লৈকে নিৰ্মিত গৰিষ্ঠ সংখ্যক ছবিৰে উদ্দেশ্য আছিল ধন আহৰণ কৰা অৰ্থাৎ ব্যৱসায় কৰা। চলচ্চিত্ৰৰ নিচিনা এটা শক্তিশালী কলাক দায়িত্বশীলভাৱে সমাজৰ মংগলৰ অৰ্থে ভাৰতীয় চলচ্চিত্ৰত প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল অসমৰ জ্যোতিপ্ৰসাদে। কলিকতাত পঢ়ি থাকোতেই (১৯২১-২২) জ্যোতিপ্ৰসাদে নতুনকৈ জন্ম হোৱা এই শিল্পৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল । বন্ধু পৰশুৰাম বৰুৱাৰ সৈতে ‘আঁধাৰে আলো'নামৰ এখন বঙালী বায়স্কোপ চাইছিল আৰু ওভতাৰ পথত বন্ধুক জ্যোতিপ্ৰসাদে কৈছিল - ‘ছবি এখন কৰিব পাৰিলে; নিশ্চিতভাৱে জ্যোতি প্ৰসাদে এখন ছবি নিৰ্মাণ কৰিলে যিখন ছবি ভাৰতীয়

চলচ্চিত্ৰৰ প্ৰথমখন ৰাজনৈতিক ছবি আৰু ছবিখনৰ কেন্দ্ৰীয় চৰিত্ৰটো হৈছে এগৰাকী নাৰী। ১৯৩৫ চনলৈকে কোনো ভাৰতীয় ছবি নিৰ্মাতাই এখন ৰাজনৈতিক (political film) ছবি নিৰ্মাণ কৰাৰ সাহস কৰা নাছিল। ইতিমধ্যে ভাৰতবৰ্ষৰ স্বীধানতা আন্দোলনৰ লগত জড়িত থকাৰ বাবে বৃটিছ চৰকাৰে জ্যোতিপ্ৰসাদক দুবাৰ কাৰাৰুদ্ধ কৰিছিল আৰু কাৰাগাৰৰ ভিতৰতে জ্যোতি প্ৰসাদে 'জয়মতী'ৰ চিত্ৰনাট্য লিখি উলিয়াইছিল। 'জয়মতী'ৰ চৰিত্ৰটোত জ্যোতিপ্ৰসাদে বিচাৰি পাইছিল সমসাময়িক ভাৰতীয় স্বাধীনতা আন্দোলনৰ এক প্ৰতিবাদী ৰূপক হিচাপে । আচলতে পৰাধীন ভাৰতবৰ্ষত 'জয়মতী' নিৰ্মাণৰ আঁৰত জ্যোতি প্ৰসাদৰ এক সক্ৰিয় ৰাজনৈতিক চেতনা আছিল। পিছৰ জীৱনত এইকথা তেওঁ গণশিল্পী হেমাংগ বিশ্বাসক এনেদৰে কৈছিল – "সিদিনা বহুতে ভাৱিছিল মই ৰাজনৈতিক সংগ্ৰামৰ পৰা অৱসৰ লৈ চিনেমা জগতৰ ৰঙীন আৰ্ট বিলাসিতাৰ বাটকেই বাছি লৈছোঁ। কিন্তু মই আৰ্টক সংগ্ৰামৰ পৰা বেলেগকৈ কোনো দিনেই দেখা নাই। অশিক্ষিত ভাৰতৰ গণমানসৰ ৰূপান্তৰত আৰ্টৰ এটি প্ৰধান ভূমিকা আছে। সেই প্ৰেৰণাই মোক চিনেমাৰ বাটত নমালে।" এই কথাই সন্দেহাতীত ভাৱে প্ৰমাণ কৰে যে এক উদ্দেশ্য লৈহে জ্যোতিপ্ৰসাদে ছবি নিৰ্মাণ কৰিছিল, কোনো বিশুদ্ধ শিল্প চৰ্চা অথবা বজৰুৱা বিনোদনৰ বাবে কৰা নাছিল ।

'জয়মতী'ৰ অভিনয়ৰ ক্ষেত্ৰতো জ্যোতি প্ৰসাদে বাস্তৱিক দৃষ্টিভংগী গ্ৰহণ কৰিছিল। বঙালী আৰু হিন্দুস্থানী ছবিবোৰৰ অভিনয়শৈলীৰ প্ৰতি জ্যোতি প্ৰসাদৰ স্পষ্ট অভিযোগ আছে। এই ক্ষেত্ৰত তেওঁ এনেদৰে কৈছে : "সাধাৰণতে বঙালী আৰু হিন্দুস্থানী কথা ছবিবোৰ বৰ অস্বাভাৱিক। মঞ্চাভিনয় আৰু চিত্ৰাভিনয়ৰ পাৰ্থক্য আনকি বিখ্যাত বঙালী ফিল্ম আৰু হিন্দুস্থানী ফিল্ম ডিৰেক্টৰ সকলেও কৰিব নোৱাৰা যেন দেখা যায়। যিসকলে ইংৰাজী আৰু হিন্দী ফিল্ম ৰিজাই চাইছে তেওঁলোকে নিশ্চয় এই কথা বুজে। মঞ্চাভিনয় হৈছে কৃত্ৰিম (artificial) আৰু চিত্ৰাভিনয় হৈছে স্বাভাৱিক (natural)। সেইদৰে ফিল্মৰ পৰিবেশো হ'ব লাগিব স্বাভাৱিক। কিন্তু আনকি আজিলৈকে বঙালী আৰু হিন্দুস্থানী ফিল্ম আচল ফিল্ম অভিনয়ৰ শাৰীলৈ আহিব পৰা নাই।" জ্যোতি প্ৰসাদৰ যে চলচ্চিত্ৰ সম্পৰ্কে গভীৰ জ্ঞান আছিল এই কথা তেওঁৰ চলচ্চিত্ৰ সম্পৰ্কে থাকা দৃষ্টিভংগীৰ পৰাই বুজিব পাৰি। 'জয়মতী' ছবিখন পৰিচালনা কৰোতে তেওঁ অভিনয়ৰ ক্ষেত্ৰত বাস্তৱ সন্মত (realis- tic) হ'বলৈ চেষ্টা কৰিছে। জয়মতীক যদিওবা তেওঁ প্ৰতিবাদৰ এক ৰূপক হিচাপে গ্ৰহণ কৰিছে কিন্তু অভিনয়ৰ ক্ষেত্ৰত জয়মতীক উগ্ৰ আৰু শ্লোগানধৰ্মী বক্তৃতা দিওৱাৰ পৰা পৰিচালক বিৰত আছে। জ্যোতিপ্ৰসাদে সমসাময়িক অসমীয়া সমাজৰ এগৰাকী বোৱাৰীয়ে কিদৰে আচৰণ কৰে জয়মতীৰ হতুৱাই তেনে আচৰণেই কৰাইছে। ছবিখনত জয়মতীয়ে ক'তো উগ্ৰ জ্বালামুখী ভাষণ দিয়া নাই। যদি জয়মতীয়ে শ্লোগানধৰ্মী উগ্ৰ জ্বালামুখী ভাষণ দি অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ গ'লহেঁতেন তেনেহ'লে ছবিখন বাস্তৱসম্মত নহ'লহেঁতেন। জ্যোতিপ্ৰসাদে এইক্ষেত্ৰত এনেদৰে কৈছে- "সেই কাৰণে মোৰ 'জয়মতী'য়ে ৰাজসভাত বক্তৃতা দি আন ঠাইত নানা ভাৱ প্ৰৱন বক্তৃতাৰে গোৰোহনি মৰা নাই। ধৈৰ্যশীলা, অল্প ভাষিণী অসমীয়া সম্ভ্ৰান্ত বোৱাৰীয়ে নিজৰ কাৰ্য্যৰে মৌনভাৱে য'ত কথা ক'ব লাগে মাত্ৰ তাতহে মাতি আৰু ঘটনাৰ মাজেদি নিজৰ কৰ্ম্মৰ দ্বাৰাই চৰিত্ৰবল দেখুৱাই যায়, সেইদৰেই 'জয়মতী'কো আঁকা হৈছে।"



মুঠতে অসাধ্য সাধন কৰি ১৯৩৫ চনত ভাৰতৰ উত্তৰ পূব অঞ্চলত অৱস্থিত আওঁহতীয়া সকলোধৰণৰ তাৰিকৰী সা-সুবিধাৰ পৰা বঞ্চিত অসমৰ নিচিনা এখন ৰাজ্যত জ্যোতিপ্ৰসাদ আগৰৱালাই প্ৰথমখন অসমীয়া ছবি আৰু প্ৰথমখন ভাৰতীয় ৰাজনৈতিক ছবি নিৰ্মাণ কৰিছিল। জ্যোতিপ্ৰসাদ ছবিখনৰ কেৱল পৰিচালকেই নহয় প্ৰযোজকো আহিল। কিন্তু দুখৰ কথা এয়েই যে যি আগ্ৰহ আৰু হেঁপাহেৰে জ্যোতিপ্ৰসাদে অসমীয়া দৰ্শকৰ বাবে এই ছবি নিৰ্মাণ কৰিছিল। জ্যোতিপ্ৰসাদৰ সেই আশা পূৰ্ণ হোৱা নাছিল। ছবিখন নিৰ্মাণত চ হৈছিল প্ৰায় পঞ্চাশ হাজাৰ টকা আৰু লোকচান হৈছিল। প্ৰায় ত্ৰিশ হেজাৰ টকা। ইমান লোকচানৰ পিছতো জ্যোতিপ্ৰসাদে আৰু এখন অৰ্থাৎ দ্বিতীয়খন ছবি 'ইন্দ্ৰমালতী' নিৰ্মাণ কৰিলে। কিয়নো জ্যোতি প্ৰসাদে বিশ্বাস কৰিছিল। চলচ্চিত্ৰৰ জৰিয়তে নিজৰ সভ্যতা, কৃষ্টি-সংস্কৃতি, সংগীত, ভাষা আৰু সামাজিক আদৰ্শক সযতনে

আৰু নিৰাপদে ৰক্ষা কৰিব পাৰি। জ্যোতিপ্ৰসাদৰ ভাষাৰেই "অসমীয়া ফিল্মৰ ভবিষ্যত নায়েই। কিন্তু তথাপি অসমীয়াই ফিল্ম উলিয়াব নোৱাৰিলে অসমীয়াৰ ৰক্ষা নাই, পৰিত্ৰাণ নাই। যেনেকৈ এসময়ত লোকচান ভৰি হ'লেও বা সঁচাকৈয়ে ভৰিয়েই অসমীয়া মাহিলী, সাদিনীয়া কাকত- অসমীয়াই উলিয়াই অসমীয়াৰ কৃষ্টি, সভ্যতা, সাহিত্য, ভাষা আৰু সংগীত বিদেশী আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ দৃঢ়মনেৰে লাগি আৰু লগে লগে সেই বাতৰি কাকতবোৰৰো নিজৰ উপৰোক্ত বিষয়বোৰৰ উন্নতিৰ ব্যৱস্থা কৰিছিল, আজিও অসমীয়াই অন্ততঃ অহা ১০ বছৰলৈ অসমীয়া ফিল্ম সেই spirit উলিয়াবলৈ ল'বই লাগিব। নহ'লে অসমৰ নিজা গৱৰ্ণমেণ্টেই হওক বা বিশ্ববিদ্যালয়েই হওক, অসমীয়াই অসমীয়াৰ সুকীয়া সভ্যতা, কৃষ্টি, সংগীত, ভাষা আৰু সামাজিক আদৰ্শক নিৰাপদে ৰাখিব নোৱাৰিব।" গভীৰ প্ৰজ্ঞাৰ এই কথাখিনিত লুকাই আছে জ্যোতিপ্ৰসাদৰ সামাজিক দায়িত্ববোধ। জ্যোতিপ্ৰসাদে কলাক কেতিয়াও বিশুদ্ধ চৰ্চাৰ বাবে বুলি ভৱা নাছিল। তেওঁ গভীৰ ভাৱে অনুভৱ কৰিছিল ক'লা সমাজৰ হিতৰ বাবে। আমি ব্যক্তিগত ভাৱে আশাকৰোঁ অসমৰ বৰ্তমান চলচ্চিত্ৰ নিৰ্মাণৰ লগত জড়িত ব্যক্তিয়ে জ্যোতিপ্ৰসাদৰ এই আকুল আহ্বান শুনি দায়বদ্ধ ভাবে ভাল ছবি নিৰ্মাণ কৰি সমাজৰ উত্তৰণৰ পথ দেখাব।

আমি দৃঢ় ভাবে বিশ্বাস কৰোঁ যে চলচ্চিত্ৰই মানুহৰ জীৱন আৰু সমাজক গভীৰভাৱে প্ৰভাৱিত কৰাৰ ক্ষমতা আছে। সেয়ে এই শিল্পক ইয়াৰ লগত জড়িতসকলে খুবেই সচেতন আৰু দায়িত্বশীলভাবে ব্যৱহাৰ কৰিব লাগে। চলচ্চিত্ৰ কেতিয়াও সঞ্জীয়া বিনোদনৰ আহিলা হ'ব নোৱাৰে। অসমৰ লগতে ভাৰতবৰ্ষৰ প্ৰায়বোৰ আঞ্চলিক ভাষাৰ ছবিৰেই আজিৰ তাৰিখত অবস্থা ভাল নহয়। ইয়াৰ দুটা প্ৰধান কাৰণ আছে। এটা হৈছে ভাল ছবিৰ দৰ্শক সৃষ্টি কৰিব নোৱাৰাটো আৰু দ্বিতীয়তে বলীউদী ছবিৰ আগ্ৰাসন। ইয়াৰ আঁৰৰ কাৰকবোৰ ইয়াত বহলকৈ আলোচনা নকৰিও ইয়াকে কওঁ যে আজিৰ তাৰিখত ভাল ছবিৰ দৰ্শক সৃষ্টি কৰাতো চলচ্চিত্ৰ সংগঠনসমূহৰ আৰু ছবি নিৰ্মাতাসকলৰ প্ৰধান দায়িত্ব। ছবি নিৰ্মাতাসকলে মানবীয় সমস্যা, সামাজিক-ৰাজনৈতিক সমস্যা বা বিষয় সম্পৰ্কীয় ছবি নিৰ্মাণ কৰি দৰ্শকৰ ৰুচিৰ পৰিবৰ্ত্তন কৰিব লাগিব। এইটো তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্য। শিল্পীৰ দায়িত্ব হৈছে সমাজৰ অশুভ শক্তিৰ বিৰুদ্ধে জনতাক সচেতন কৰি দিয়া। যিবোৰ অপশক্তিয়ে সমাজক গিলিব ধৰিছে সেই অপশক্তিবোৰক প্ৰতিহত কৰিবলৈ মানুহক সদা জাগ্ৰত কৰি ৰখা। ছবি নিৰ্মাতা এজন হৈছে শিল্পী আৰু সেয়ে তেওঁ জনতাক তেওঁৰ শিল্প কৰ্মৰ সৈতে সামাজিক- ৰাজনৈতিক ভাৱে সচেতন কৰি ৰাখিব লাগিব।

শেষত চলচ্চিত্ৰৰ কিম্বদন্তী পুৰুষ চাৰ্লি চেপলিনৰ ভাষাৰেই কওঁ ঃ

"You, the people, have the power to make this life free and beautiful- to make this life a wonderful adventure. Then in the name of democracy - let us use that power - let us all unite. Let us fight for a new world - a decent world that will give men a chance to work - that will give youth a future and old age a security-Let us fight for a world of reason a world where science and progress will lead to the happiness of us all" (Charles Chaplin, in The Great Dictator) -

আশাকৰোঁ অসমীয়া ছবি তথা ভাৰতীয় আঞ্চলিক ছবিলৈ ভাল দিন আহিব।

**Email:jayanta_ind786@yahoo.co.in**



# মিচিং সমাজৰ প্ৰচলিত আপুৰুগীয়া সম্পদ আৰু আ-অলংকাৰ

**& মানিক চন্দ্ৰ দাৱ**

প্ৰাচীন কালৰে পৰাই মিচিং সকলৰ সমাজত কিছুমান আপুৰুগীয়া সম্পদ আৰু আ-অলংকাৰ প্ৰচলন হৈ থকা যেন দেখা যায়। সম্পদসমূহ হৈছে লেন-মাৰবাম আৰু য়কচা গামখাৰু আৰু দী তাদ্গা। আদিম মানৱ সমাজৰ পৰা বৰ্তমান সময়লৈকে মিচিং সমাজ জীৱনৰ লগত এনেভাৱে সংপৃক্ত হৈ আহিছে যে ইয়াৰ মূল্যাংকন কৰাই টান । যুগ যুগ ধৰি

মিচিং জনজীৱনৰ সামাজিক, সাংস্কৃতিক আৰু পৰম্পৰা ধৰ্মৰ লগত এই কেইবিধ সম্পদে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সম্পদসমূহৰ ব্যৱহাৰিক দিশ সম্পৰ্কে সম্যক আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ল।

প্ৰাকক্ষণত এটা কথা স্পষ্ট কৰি থোৱা ভাল যে লেন্-মাৰবাং, য়কচা আৰু দী-তাদ্‌গ এই কেইবিধ সম্পদ বৃহৎ মঙ্গোলীয় জনগোষ্ঠীৰ অন্তৰ্গত চীন তিব্বতৰ পৰিয়ালৰ। তিব্বত ধৰ্মীয় আৰু উত্তৰ অসম গোটৰ কেন্দ্ৰস্থল বৰ্তমানৰ অৰুণাচল প্ৰদেশ। মিচিং, হ্রচ মিচিমি, আদী, নিচি, আপাতনি আদি জনগোষ্ঠীয়লোকৰ মাজত অতি আদৰ, সম্ভ্ৰম আৰু প্ৰিয় বস্তু। তেওঁলোকৰ সামাজিকউৎসৱ পূজা-পাৰ্বন, বিবাহ, গৃহ শান্তিৰ লগতে সমগ্ৰ মানৱ জাতিৰ মঙ্গলৰ অৰ্থে য়কচা, দী- তাদ্ আৰু লেন্-মৰাবাং ব্যৱহাৰ কৰা হয়। আনহাতে গাম খাৰু অসমৰ সকলো জনগোষ্ঠীয় লোকৰ মাজত প্ৰচলন হৈ আহিছে। ইয়াক কোনেও নিজাকৈ দাবী কৰিব পৰা অৱস্থাত নাই। মিচিং সমাজলৈ এইবিধ সম্পদ নৱতম সংযোজন বুলি ক'লে হয়তো ভুল নহ'ব। সম্ভৱতঃ প্ৰাক্ আহোম আৰু আহোম ৰাজত্বৰ সময়তে মিচিংসকলে চুতীয়া, মৰাণ, বৰাহী, মটক আদি জনগোষ্ঠীয় লোকৰ সংস্পৰ্শত এইবিধ সম্পদ আহৰণ কৰাৰ থল নথকা নহয় । সেয়ে হ'লেও পৰৱৰ্তী সময়ত গাম খাৰু মিচিং সমাজৰ মাজত এনেদৰে সমাদৃত হ'বলৈ ধৰিলে যে ইয়াক আন কাৰোবাৰ বুলি ভাবিবই নোৱাৰি। এক কথাত মিচিংসকলৰ চাংঘৰৰ পৰা ননমাই হ'ল।

**লেন্-মাৰবাং (প্ৰাক্কথন)** : আপাত দৃষ্টিত লেন্- মাৰবাং একে যেন লাগিলেও প্ৰকৃততে একেটা বস্তু নহয়। লেন্ এটা বস্তু আৰু মাৰবাং আন এটা বস্তু। ইয়াৰ আকাৰ একে নহয়। ব্যৱহাৰিক দিশতো উভয়ৰ সংকেত ধ্বনি বেলেগ। কিন্তু মানুহে দুয়োটা বস্তুকে উচ্চাৰণ কৰোঁতে একাকাৰ কৰি পেলায়। আনহাতে লেক বহুতে লেলং বোলে। উভয় সম্পদ আৰু য়কচা Cruston জাতীয় ধাতুৰে নিৰ্মিত। আদিম মিচিং - পূৰ্বপুৰুষ সকলে প্ৰব্ৰজনৰ সময়ত দক্ষিণ- পূৱ চীনৰ ইউনান অথবা তিব্বত অঞ্চলৰ পৰা এই কেইবিধ সম্পদ আহৰণ কৰাৰ থল আছে। একেদৰে দী-তাদ্‌গ আৰু নানান মণি-মুকুতা একে সময়তে আহৰণ কৰিছিল বুলি ঠাৱৰ কৰিব পৰা যায়। কাৰণ খ্ৰীষ্টীয় জন্মৰ আগৰ পৰা তিব্বত চীনদেশৰ লগত ভাৰত আৰু পশ্চিমীয়া ইউৰোপীয় বণিকগোষ্ঠীৰ এক বৃহৎ বাণিজ্য কেন্দ্ৰ গঢ়ি উঠিছিল বুলি পণ্ডিতসকলে মত পোষণ কৰে।

মানৱ ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে পৃথিৱীৰ সকলো জনগোষ্ঠীয় লোকে পূৰ্বতে পৰ্বতত বাস কৰিছিল। তেওঁলোকে গছৰ ফল, মাটিৰ তলৰ আলু, কচু, জীৱ-জন্তুৰ মঙহ খাই জীৱন-যাপন কৰিছিল। মানৱ সভ্যতাৰ আদিম স্তৰত জুই আৱিষ্কাৰ হোৱাৰ পিছত তেওঁলোকৰ জীৱন ধাৰণ প্ৰণালী সলনি হ'বলৈ ধৰিলে। শৈল সভ্যতাৰ পিছত লোৰ অস্ত্ৰ তৈয়াৰ কৰি জীৱ-জন্তু বধ কৰিবলৈ ধৰিলে। দলগতভাৱে কেতিয়াবা এককভাৱেও বনৰীয়া জন্তু বধ কৰি তাৰ মাংস খাই আনন্দ স্ফূৰ্তি কৰিছিল। সেই সময়ত মিচিংসকলে য়কচা (মিট দা) চিকাৰৰ আহিলা আৰু লেন্- মাৰবাং বাদ্যযন্ত্ৰ হিচাপে ব্যৱহাৰ কৰাৰ সম্ভাৱা দেখা যায়। তদ্রুপ আদিম মানৱ যুগত প্ৰায়ে গোষ্ঠীগত সংঘৰ্ষৰ সূত্ৰপাত হোৱা কাহিনীও শুনিবলৈ পোৱা যায়। তেনেদৰে বনৰীয়া জীৱ-জন্তুৰ আক্ৰমণৰ পৰা আত্মৰক্ষা কৰিবলৈও য়কচা (মিট দা) মৰণাস্ত্ৰ আৰু লেন্-মাৰবাং কেতিয়াবা ঢাল ৰূপে ব্যৱহাৰ



কৰাৰ সম্ভাৱনা নথকা নহয় । কাৰণ বৰ্তমান সময়লৈকে মিচিং মিবুসকলে মিবু-স্তুতিগীতত য়কচা - আত্মৰক্ষা আৰু চিকাৰৰ আহিলাৰূপে ব্যৱহাৰ কৰা দেখা যায়। তেনেদৰে আমাৰ চুবুৰীয়া জনগোষ্ঠা কাৰ্বি আৰু তিৱাসকলৰ মাজতে মাৰবাং আকৃতিৰ অথচ সৰু ঢাল আৰু য়কচা জাতীয় ছুটি তৰোৱাল বা যুদ্ধৰ আহিলাৰূপে ব্যৱহাৰ কৰা দেখা যায় যি কি নহওঁক পৰিৱৰ্তিত পৰিস্থিতিত মিচিং সমাজ জীৱনৰো আমুল পৰিৱৰ্তন হ'বলৈ ধৰিলে। তেওঁলোকৰ আদিম মানৱৰ আপুৰুগীয়া সম্পদসমূহক যুগৰ লগত খাপ খুৱাই ব্যৱহাৰ হ'বলৈ ধৰিলে।

**লেন্ (লেলং)** : আমি আগেয়ে উল্লেখ কৰি আহিছো ধাতুৰে নিৰ্মিত মধ্যমীয়া জাপি আকৃতিৰ । আদিম মিচিং সমাজৰ মচুপ (ডেকা চাঙত) এইবিধ সম্পদ ৰখা হৈছিল। গাঁৱত কোনো বহিঃ শক্তিৰ আক্ৰমণৰ সম্ভেদ পালে নাইবা প্ৰাকৃতিক দুৰ্যোগ অপায়-অমঙ্গলে দেখা দিলে গাম- মিগমৰ নিদেৰ্শত লেন বজোৱা হৈছিল। ইয়াৰ মাত শুনাৰ মাত্ৰে পুৰুষ-মহিলা নিৰ্বিশেষে যি য'তেই নাথাকক অতি শীঘ্ৰে চুপত উপস্থিত হ'ব লাগিছিল। ঘটনাৰ গুৰুত্ব অনুসৰি উপস্থিত লোকসকলে গাম-মিগম (মুখিয়াল)ৰ পৰামৰ্শ অনুসৰি জৰুৰী কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছিল। গাঁৱৰ কোনোবা পৰিয়ালৰ লোকৰ স্বাভাৱিক মৃত্যু হ'লেও এই বাদ্য বজাই ৰাইজক জাননী দিয়া হৈছিল। লেনংৰ মাত শুনাৰ লগে লগে গাঁও তথা অঞ্চলৰ ৰাইজে কাণ থিয় কৰি ঘটনাৰ গুৰুত্ব অনুধাৱন কৰিছিল পুৰুষ-মহিলা নিৰ্বিশেষে হাতৰ কাম-বন এৰি মৃতকৰ ঘৰত উপস্থিত হৈ শোক প্ৰকাশ কৰাৰ লগতে অন্ত্যোষ্টিক্ৰিয়াত অংশগ্ৰহণ কৰিছিল। মৃতকৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে সমগ্ৰ অঞ্চলত ৰাজহুৱা শোক পালন কৰি দিনটোৰ কাম-কাজ বন্ধ ৰখা মিচিং সমাজৰ সামাজিক পৰম্পৰা আছিল।

পুৰণি কালত মিচিং সমাজত লেন বাৰ্তাবাহক বা সংকেত ধ্বনি হিচাপে ব্যৱহাৰ কৰা হৈছিল। আঁহযুক্ত অকাঠি কাঠৰ ডাল বা কঠোৰ অংশ মিহিকৈ চুচি মূৰৰ অংশত কাপোৰ মেৰিয়াই মৃদুভাৱে টোকৰ মাৰিলেই গহীন শব্দ নিগৰিত হয় । এই শব্দ বহুদূৰলৈকে শুনা যায়। লেন্ গহীন মৃদু সুৰ-ধ্বনি শুনাৰ লগে লগে গাঁৱত নিশ্চয় কাৰোবাৰ অঘটন ঘটা বুলি পতিয়ন গৈছিল। তাহানিকালত আজিৰ দৰে বাট-পথ, যান- বাহন, দূভাষ যন্ত্ৰ আৱিষ্কাৰ হোৱা নাছিল। বিপদগ্ৰস্ত পৰিয়ালে ঘৰে ঘৰে গৈ মানুহ মাতিবও নেলাগিছিল। তেনে অৱস্থাত মিচিং সমাজত লেনংৰ দ্বাৰা সেইবোৰ অভাৱ বহুখিনি পূৰণ কৰা হৈছিল ।

**মাৰবাং**ঃ প্ৰাচীন কালৰ পৰা মিচিং সমাজত প্ৰচলিত আনবিধ সংকেত ধ্বনি বা বাদ্যযন্ত্ৰ হ'ল মাৰবাং। আকাৰত লেনংতকৈ সৰু। মাজ অংশ চেপেটা আজিকালি পঢ়াশালিত ব্যৱহাৰ কৰা বেল বা ঘণ্টা আকৃতিৰ । কিন্তু চাৰিওবেৰ আঢ়ে- তিনি ইঞ্চি ভাঁজখোৱা। ইয়াৰ মাত মিহিসুৰীয়া আৰু ধ্বনিবৰ্ধক। আদিম মিচিং সমাজত এইবিধ বস্তুক বাদ্যযন্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল যেন অনুমান হয়। সম্ভৱতঃ ঢোল-তাল ব্যৱহাৰ কৰা বহু আগৰ পৰাই মিচিং সকলৰ সামাজিক ধৰ্মীয় উৎসৱত এইবিধ বাদ্যযন্ত্ৰ বজাই ৰং-ৰহস্য কৰিছিল। পৰৱৰ্তী সময়য়ত পঃৰাগ উম আমৰাগ, আঃলি আঃয়ে লৃগাং আদি উৎসৱত ঢোল-তালৰ লগতে মাৰবাং মাঙ্গলিক বাদ্যৰূপে সংগত হ'বলৈ ধৰিলে। আজিকালি বহুঠাইত এইবিধ বাদ্যযন্ত্ৰৰ অভাৱত সামাজিক অনুষ্ঠানত লেনং বজোৱা দেখা নাযায়। কিন্তু গুমৰাগ নাচৰ লগত মাৰবাং(সংগত) তাল তালে কৰা নৃত্যই পৰিৱেশ গাম্ভীৰ্যপূৰ্ণ কৰি তোলে। বাদ্যযন্ত্ৰৰ গুঞ্জনে মানুহৰ হৃদয়ত ভাৱ-ভক্তি বিৰাজ কৰে। সেইবোৰ মাঙ্গলিক উৎসৱ আজিৰ মিচিং সমাজত দুষ্প্ৰাপ্য হৈ পৰিল । বিপৰীতে ক'ৰবাত যদি আছেও ইয়াৰ ব্যৱহাৰিক মৰ্যদা বুজি নাপায় । অনাদৰ অৱহেলিত হৈ আছে। লেন্-মাৰদাং ডেকা-গাভৰুৰ হাঁহি-ধেমালি পাতলীয়া অনুষ্ঠানত ব্যৱহৃত হ'বলৈ ধৰিছে। আদ্ ধাতুৰে নিৰ্মিত সম্পদসমূহ পুনঃ নিৰ্মাণ কৰা সম্ভৱ নহয়। সেইবাবে বহুত সম্পদ ফটা-ছিটা পেলনীয়া বস্তুত পৰিণত হ'বলৈ ধৰিলে আন বহুতে আৰ্থিক দৰিদ্ৰতাৰ দোহাই দি অতি কম মূল্যতে বেচি-কিনি শেষ কৰি পেলালে। পূৰ্ব-পুৰুষসকলে যিবোৰ



সম্পদ শ্ৰদ্ধা-ভক্তি আৰু মান-সম্ভ্ৰমৰ বুলি সমাজত এখন স্থান লাভ কৰিছিল। আজিৰ প্ৰজন্মই তেনে সম্পদসমূহৰ মূল্যাঙ্কন কৰিব নোৱাৰে বা নেজানে। তেনে কাৰ্য মিচিং জাতিৰ অস্তিত্বৰ প্ৰতি ভাবুকি স্বৰূপ।

**য়কচাঃ** লোৰে নিৰ্মিত দুই ফুটমান দীঘল অস্ত্ৰবিধক মিচিং ভাষাত য়চা বোলা হয়। মিচিং সমাজৰ মিবু (দেওধাই) সকলেহে এইবিধ সম্পদ ব্যৱহাৰ আৰু ৰাখিব পাৰে । প্ৰচলিত লোকবিশ্বাস অনুসৰি এই অস্ত্ৰ অলৌকিক গুণ সম্পন্ন আৰু ঈশ্বৰ প্ৰদত্ত। কিংবদন্তি মতে তেওঁলোকৰ সৃষ্টিকৰ্তা পিতৃ- মাতৃ দঞ্জি-পল (সূৰ্য - চন্দ্ৰ)। সূৰ্য আৰু চন্দ্ৰ বংশীয়

লোকসকলক অপশক্তি পৰা ৰক্ষা কৰিবৰ কাৰণে আৱতানিয়ে সোৱণশিৰি নদীৰ গৰ্ভৰ পৰা মিবু গুণসম্পন্ন লোকক এই পাত অস্ত্র প্রদান কৰিছিল। কথিত আছে, তেনেলোক মাতৃগৰ্ভত স্থিতি গৰহণ কৰিবৰ সময়ৰ পৰাই মাতৃগৰাকীয়ে কিছু অলৌকিক চাল-চলন দেখিবলৈ পায়। সন্তান জন্মৰ ৩- . ৪ বছৰৰ পৰাই ল'ৰাজনক অপমিন্-মিজিং (বন দেৱতাই সময়ে সময়ে হাবিৰ মাজত ৰাখি মিবু শিক্ষাহ দিয়ে। উপযুক্ত বয়সত দৈৱিক শিক্ষা সম্পন্ন কৰি এইবিধ অস্ত্ৰ নদীগৰ্ভৰ পৰা বিশেষকৈ অৱনৰি (সোৱণশিৰি)ত য়কচা প্রদান কৰিছিল। ৰোগ-ব্যাধি, মাৰি-মৰক, অপায়-অমঙ্গল ধ্বংস কৰি মিচিং জাতিৰ কল্যাণৰ কাৰণে জলদেৱতাৰ হতুৱাই য়কচা প্ৰদান কৰিছিল।

বাহ্যিক দৃষ্টিত ধাতুৰে নিৰ্মিত মিট দাৰ দৰে, ধাৰ নাথাকে। কেৱল পূজা-পাৰ্বনৰ বাহিৰে অন্য কামত ব্যৱহাৰ নিষেধ। ধৰ্মীয় নীতি-নিয়মৰ মাজতহে ব্যৱহাৰ কৰা হয়। অন্যথা অপায়-অমঙ্গল ঘটে বুলি লোকবিশ্বাস আছে। পূজাৰ সময়ৰ প'ৰ (ছাই-আপং) আপং-আৰোগ (লেটা) আৰু আগপানী য়কচাখনত ধাৰ দিয়ে। দঞ্জি পলক স্মৰণ কৰি য়কচাখনক ৰেপ দি আগৰ পৰা গুৰিলৈকে দীঘলকৈ লেপ দি স্তুতি কৰিব লাগে। ইয়াৰ লগে লগে কূটা এড়ালো নাকাটিব যেন লগা অস্ত্ৰপাত তীক্ষ্ণ ধাৰ ধাৰণ কৰে। পূজাত উৎসৰ্গিত গাহৰি-কুকুৰাৰ ডিঙিত ৰেপ দিয়াৰ মাত্ৰে অনায়াসে কটা যায়। হাতেৰে ধৰা অংশ তৰোৱালৰ দৰে সুবিধাজনক। মুঠিয়াৰ ওপৰত দুই তিনিটা আঙুঠি সংযোগ কৰা থাকে। প'ৰাগ, উৰম- আমৰাগ্ আদি ধৰ্মীয় সাংস্কৃতিক উৎসৱত মিবুৰে য়কচা লৈ দৈব্য নৃত্য কৰা দেখা যায়। আন সময়ত য়কচাখন কাঠৰ ফাঁকত মন্ত্ৰপুত কৰি থয়। তেনেদৰে থোৱা য়কচাখন আন দহজন লোকেও টানি উলিয়াব নোৱাৰে। কিন্তু কথিত আছে প্ৰকৃত অলৌকিক গুণসম্পন্ন মিবুৰে স্তুতি প্ৰাৰ্থনা কৰি মাত্ৰ ফু মাৰি দিলে তৰোৱালখন অনায়াসে ওলাই পৰে।

মিবু গৰাকীৰ বৃদ্ধ অৱস্থাত তেওঁৰ মনে মিলা কোনো মিবু গুণ সম্পন্ন লোকৰ হাতত য়কচাখন চমজাই দিব লাগে। তেনে নকৰিলে মৃত্যুৰ পিছত পৰিয়ালৰ লোকে শ্ৰদ্ধা আৰু ভক্তিভাৱে সোৱণশিৰি নদীত উচৰ্গা কৰিব লাগে বুলি লোকবিশ্বাস আছে।

**আ-অলংকাৰ** ঃ পুৰণি কালৰ পৰা মিচিং সমাজত প্ৰচলিত গহনা-গাঠৰিসমূহক দুভাগত ভাগ কৰিব পাৰি। জৈৱিক আৰু অজৈৱিক। অজৈৱিক সম্পদসমূহৰ ভিতৰত দী তাদ্গ, কেন্ত, কেৰু (থুৰিয়া) গামখাৰু।

**দগনী তাদগ** : ই এবিধ মূল্যবান মণি-মুকুতা। প্ৰবাল জাতীয় ৰঙা, নীলা, কলপতীয়া আৰু হালধীয়া বৰণৰ ৰঙীণ মণি। তেওঁলোকৰ ধৰ্মীয় উৎসৱ-পাৰ্বণত পৰিয়ালৰ জ্যেষ্ঠজনে আৰু তেওঁৰ পৰিবাৰে এই মণিধাৰ পৰিধান কৰি অংশগ্ৰহণ কৰা বাধ্যতামূলক। মিবুসকলেও উক্ত মণি পৰিধান কৰি মাঙ্গলিক পূজা কাৰ্য পৰিচালনা কৰিব লাগে। মিচিং সমাজত জনবিশ্বাস যে পৰিয়ালৰ কোনো লোকৰ টান জ্বৰ, বেমাৰ হ'লে, কোনো দুৰ্ঘটনাত পতিত হৈ ভয় খালে, বনৰীয়া জীৱ-জন্তুৰ আক্ৰমণৰ পৰা ভয় খালে লোকজনৰ গাত দী -তাদগ পিন্ধাব লাগে। তেনে কৰিলে অপশক্তিয়ে ৰুগীয়াজনৰ কাষ চাপিব নোৱাৰে। মহিলাসকলে আপং তৈয়াৰ কাৰ দৰৱ অপব (পিঠা) প্ৰস্তুত কৰোঁতে সেইবোৰৰ ৰক্ষণাবেক্ষণৰ



কাৰণে দগনী দি ৪-৫ দিনলৈকে ৰ'দ আৰু ধোঁৱাচাঙত শুকাব লাগে। মুঠৰ ওপৰত মিচিং সমাজত এইবিধ মণি অমূল্য সম্পদ বিৱেচিত হৈ আহিছে।

আহোম ৰাজত্ব কালত আহোম আৰু মিৰি যুদ্ধৰ সময়ত দী তাদগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। যুদ্ধত পৰাজয় আৰু সন্ধিৰ ক্ষেত্ৰত অন্যান্য মূল্যবান সামগ্ৰীৰ লগতে মিৰিসকলে দগ্ী উপঢৌকন দিব লাগিছিল। আহোম ৰাজ দৰবাৰত এইবিধ সামগ্ৰীৰ বৰ আদৰ আছিল। তেওঁলোকে ইয়াক হালধীয়া মণি বুলিছিল।

**কেন্ত** : মিচিং পুৰুষ-মহিলা উভয়ে পৰিধান কৰা এবিধ কাণত পিন্ধা অলংকাৰ । অতীত কালত মিচিং সমাজত পুৰুষসকলে দীঘল চুলি ৰখা আৰু কাণত অলংকাৰ পৰিধান কৰা সামাজিক পৰম্পৰা আছিল কুঁহিলা জাতীয় পদাৰ্থৰে নিৰ্মিত অলংকাৰ সন্মুখৰ ভাগত কেৰুৰ দৰে বাখৰ খটোৱা থাকে। অসমৰ অন্যান্য জনগোষ্ঠীৰ মাজত ইয়াক জাংফাই বোলে। মহিলাসকলে পৰিধান কৰা কেন্ত (জংফাই) পুৰুষসকলে ব্যৱহাৰ কৰাতকৈ আকাৰত ডাঙৰ। পূৰ্বতে মিচিংসকলে উত্তৰ-পূৱ ভাৰতৰ পৰ্বত-পাহাৰত বসবাস কৰি থকা সময়ৰ পৰাই পুৰুষসকলে কাণত অলংকাৰ পৰিধান কৰা আৰু চুলি দীঘলকৈ ৰাখি খোপা বন্ধা প্ৰচলন আছিল । কালৰ কুটিল পৰিস্থিতিত তেওঁলোকৰ একাংশ লোকে ভৈয়ামলৈ প্ৰব্ৰজিত হ'ল। আহোম ৰাজ শাসনৰ অধীনত জীৱন নিৰ্বাহ কৰিবলগীয়া হোৱা স্বত্বেও তেওঁলোকে সমাজৰ পৰম্পৰা ৰক্ষা কৰিছিল। কন্যা সন্তানৰ নিচিনাকৈ সৰুতে পুত্ৰ সন্তানকো কাণ ফুটাই দিছিল। মিচিং সমাজত বিংশ শতিকাৰ পঞ্চাশৰ দশকলৈকে একাংশ পুৰুষে চুলি দীঘল কৰি ৰাখিছিল। কোনো কোনো পৰিয়ালৰ পুত্ৰ সন্তানক কাণ ফুটা কৰা হৈছিল। ১৯৫০ চনৰ বৰ ভূঁইকপৰ পাছত জন্মগ্ৰহণ কৰা এই লেখক আৰু ভাতৃৰ কাণ ফুটা কৰা সময়তেই সম্ভৱতঃ আধুনিক মিচিং সমাজৰ শেষ প্ৰচেষ্টা। দেউতাই শৈশৱতে সোণাৰিৰ ঘৰত দুয়োকে ৰূপৰ কাণফুলি গঢ়াই দিছিল। আইতাই মূৰত হাত বুলাই দঞ্জি-পঃল (সূৰ্য-চন্দ্ৰ স্মৰণ কৰি পূৰ্ব পুৰুষক স্তুতি কৰি দুয়োকে কাণফুলি পিন্ধাই দিছিল। "কৈছিল – আমাৰ পূৰ্বপুৰুষৰ বংশধৰসকল শদিয়াৰ ফালে পাহাৰত থাকি আহিল। ভৱিষ্যতে তেওঁলোকক ভাই বংশ বিচাৰি আহিব। এনেকৈ কাণত গহনা (অলংকাৰ) পিন্ধা দেখিলে স্ব-গোত্ৰীয় বুলি চিনিব পাৰিব"। লগতে পূৰ্ব পুৰুষৰ শৌৰ্যবংশ মৰ্যদা ৰক্ষা কৰিবলৈ আমাৰ মূৰত থু ঘঁহি হিয়া উবুৰিয়াই আৰ্শীৰ্বাদ দিছিল। বিদ্যালয়ত তিনি শ্ৰেণীমানলৈকে কাণফুলি পিন্ধিয়েই অহা-যোৱা কৰিছিলো। কিন্তু লগৰ কোনেও কাণ ফুটোৱা নাছিল। সকলোৱে আমাক ছোৱালীয়েহে কাণফুলি পিন্ধে বুলি কয়। লাজতে আইক কৈ সোলোকাই থ'লো। ককা-দেউতাৰ কেন্ত (জংফাই) পিন্ধা আৰু নহ'ল ।

**গামখাৰু** ঃ ইতিহাসে ঢুকি নোপোৱা কালৰ পৰা মিচিং সকল শৃংখলাবদ্ধ সমাজ ব্যৱস্থাৰ মাজত জীৱন-যাপন কৰিছিল। যোগ্যজনে সমাজৰ নেতৃত্ব বহন কৰা পৰিলক্ষিত হৈছিল। তেনেলোকক গাম বোলা হৈছিল। তেওঁলোকে বিশেষ ধৰণৰ সাজ-পোছাক, আ-অলংকাৰ পৰিধান কৰিছিল । ডিঙিত মূল্যবান মণি-মুকুতা, কাণত জংফাই, মূৰত দীমেৰ, গাত মিগম গালোক আৰু হাতত সোণ বা ৰূপৰ বিশেষ খাৰু পিন্ধিছিল। সেইবিধ খাৰুক পৰৱৰ্তী সময়ত গামখাৰু ৰূপে জনাজাত হ'ল। প্ৰকৃততে গামে পৰিধান কৰা বাবে সম্ভৱতঃ গামখাৰু বোলা হ'ল।

গামখাৰু দুই প্ৰকাৰৰ। এবিধ আকাৰত বহল। আনবিধ সামান্য সৰু। বহল বিধৰ ওপৰখন পিঠিয়া মাছ বা বনৰৌৰ বাকলিৰ দৰে খাজ কটা। ছয় শাৰী শিলিখা খচিত তাৰ মাজত ফুলৰ চানেকি অঙ্কিত। ৰূপৰ তৈয়াৰী আৰু সোণপানী চৰোৱা । এই অলংকাৰবিধ বিশেষকৈ মহিলাৰ বাবে তৈয়াৰ কৰা হয়। মিচিং ভাষাত এইবিধ অলংকাৰক আনচ মৰা বোলে। গামখাৰু নহয়। প্ৰকৃততে পুৰুষ বা গামে পৰিধান কৰা ৰূপ বা সোণৰ খাৰু বিধকহে মিচিং সমাজত গামখাৰু বোলা হয়। ই যুক্তিযুক্ততা। কিন্তু আজিকালি সমগ্ৰ আসমতে বিহু উৎসৱ-পাৰ্বনত আচল নকল কাগজৰ যি গামখাৰু প্ৰচলন হৈ আছে সেয়া মিচিং ভাষাত আনচৰ মৰাহে। দুয়োবিধ অলংকাৰ সচেতন মিচিং পৰিয়ালত আজিও সংৰক্ষিত হৈ আছে।

**কেৰু (থুৰীয়া)** ঃ সুদূৰ অতীতৰ পৰা অসমৰ গ্ৰাম্য চহা সমাজত প্ৰচলিত এফাঁকি বিহুগীতে আজিও আমাৰ দেহ- মন ৰাই-জাই কৰে।

**কেৰু মণি থুৰীয়া তুমি আমাৰ যুৰীয়া**
**ব'হাগতে পাতি যাওঁ বিয়া।**

শদিয়াত চুতীয়া ৰাজত্বকালত পাহাৰ আৰু ভৈয়ামৰ সীমান্তৱৰ্তী এলেকাত বসবাস কৰা মিৰি (মিচিং) সকলৰ



মাজত বেহা-বেপাৰ আৰু সাংস্কৃতিক আদান-প্ৰদান হৈছিল । সম্ভৱতঃ তেনে সময়ৰ পৰাই মিচিং সমাজত কেৰুমণি কাণত পিন্ধিবলৈ লৈছিল। মাদলি, গেজেৰা, জোনবিৰি, গলপতা আদি নানান তৰহৰ আ-অলংকাৰসমূহ পৰৱৰ্তী সময়ত মিচিং সমাজৰ আপুৰুগীয়া সম্পদৰূপে পৰিগণিত হ'বলৈ ধৰিলে । তেওঁলোকৰ সামাজিক উৎসৱ-পাৰ্বণ, বিয়া-সবাহ আদিত জীয়ৰী-বোৱাৰীহঁতে কাণত কেৰু আৰু ডিঙিত মাদলী পৰিধান কৰা দেখা যায়। গাভৰু ছোৱালী বিয়া দিওঁতে এযোৰ কেৰু, ডিঙিত এটা মাদলী লগত নানা ধৰণৰ আ-অলংকাৰ পিন্ধাই উলিয়াই দিয়া সামাজিক পৰম্পৰা । পৰিয়ালৰ বোৱাৰী গৰাকীয়ে মাকৰ ঘৰলৈ

যাওঁতে নাইবা মিতিৰ, বন্ধু-বান্ধৱৰ ঘৰত আলহী খাবলৈ যোৱা অৱস্থাত কাণ আৰু ডিঙিত গহনা অবিহনে সমাজত বংশ-পৰিয়ালৰ মান-মৰ্যদা জড়িত হৈ থাকে ।

প্ৰাক্‌ঐতিহাসিক কালৰ পৰা মিচিং সমাজৰ মহিলাসকলৰ মাজত প্ৰচলিত আন এবিধ জৈৱিক অলংকাৰ তাপ' আৰু তামি-তামাং। অসমৰ হাবি-জংঘলত সহজলভ্য কাঠ বা বাঁহৰ অংশ মিহিকৈ চাঁচি মহিলাসকলে কেৰুৰ দৰে ব্যৱহাৰ কৰিছিল। সাধাৰণতে বোৱাৰী আৰু বয়সীয়া মহিলাসকলে ঘৰৰ কামৰ উপৰিও পথাৰৰ কাম-বনত অংশগ্ৰহণ কৰে। জাৰ-জহ সকলো ঋতুতে পথাৰত ধান দোৱা, ৰোৱা, মাছ ধৰা, খৰি-খেৰ, শাক-পাচলি যোগাৰ কৰা কামত এইবিধ অলংকাৰ পৰিধান কৰিলে অকণো অসুবিধা নহয় । জৈৱ প্ৰজাতিৰ হোৱা বাবে ইয়াৰ কোনো পাৰ্শ্বক্ৰিয়াও নাই। কিবা কাৰণত হেৰালে নাইবা ভাগিলেও চিন্তা কৰিবলগীয়া নহয়। ইয়াকে মিচিং সমাজত তাপ' বোলে। এসময়ত গ্ৰাম্য মহিলাসকলৰ মাজত বৰ আদৰৰ আছিল। সম্প্ৰতি বজাৰত কল-কাৰখানাত নিৰ্মিত সস্তীয়া জকমকীয়া কৰ্ম অলংকাৰে তাপ'ৰ দৰে আপুৰুগীয়া সম্পদটিক মৃত্যু মুখলৈ ঠেলি দিলে। অৱশ্যে আজিৰ সময়তো কোনো কোনো গাঁৱৰ মহিলাৰ মাজত এইবিধ সম্পদে কাণ শুৱনি কৰি আছে।

**তামি-তামাং (তাপি)** : আমি আগেয়ে উল্লেখ কৰি আহিছো যে পুৰণি কালত মিচিং সকলে পুৰুষ-মহিলা উভয়ে কাণ ফুটা কৰি অলংকাৰ পৰিধান কৰা সামাজিক পৰম্পৰা আছিল। সেইবাবে কৈশোৰ অৱস্থাতে সন্তানৰ কাণ বিন্ধা কৰিছিল। এনে কৰাৰ ফলত কাণৰ বিন্ধা ডাঙৰ হোৱাত সুবিধা হয়। কাণ ফুটা কৰিয়েই উলুখেৰৰ টান অংশ সুমুৱাই দিয়া হৈছিল। ইয়াৰ পাছৰ পৰ্যায়ত বহুদিনলৈ তৃণ জাতীয় উদ্ভিদ খেৰণিৰ মাজত সাধাৰণতে পোৱা টান আৰু মিহি গা অংশ কাণৰ ফুটা ডাঙৰ কৰিবলৈ ব্যৱহাৰ কৰিছিল। এইবিধ খেৰ জাতীয় উদ্ভিদক মিচিং ভাষাত তামি-তামাং বোলে। এই তামি- তামাংৰ পৰ্যায় ক্ৰমে দুই-তিনিডালকৈ কাণৰ ফুটাত ভৰাই বিন্ধা ডাঙৰ কৰা হৈছিল তাৰ পিছতহে তাপ' বা কেৰু আৰু একেবাৰে শেষত জাংফাই পিন্ধিব পৰা হৈছিল।

আমি আজি পাহৰি গৈছো যে মিচিং সকলৰ প্ৰথম আৰু প্ৰধান কাণৰ অলংকাৰ আছিল তামি-তামাং (তাপি)।

ঊনবিংশ শতিকাৰ সভ্যতা মানৱ জাতিৰ বাবে আৰ্শীবাদ হ'ল। এই সময়ছোৱাতে পশ্চিমীয়া দেশৰ বণিকসকলে জল আৰু স্থল পথেৰে কৰা বেহা-বেপাৰ সম্প্ৰসাৰণ কৰিবলৈ ধৰিলে। উক্ত সময়তে ভাৰতবৰ্ষৰ জনসাধাৰণে ইংৰাজ শাসন ওফৰাই জাতীয় গণতান্ত্ৰিক চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ল। চৰকাৰে গাওঁ, চহৰ-নগৰ, বাট- পথ স্বাস্থ্য,শিক্ষা আদি জনকল্যাণ দিশত গুৰুত্ব দিবলৈ ধৰিলে । বজাৰত ঘৰ সজা সামগ্ৰী,কাপোৰ বোৱা সূতা, কপাহ, খাদ্য, প্ৰসাধন সামগ্ৰী উভৈনদী হৈ পৰিল। কল-কাৰখানাত তৈয়াৰী কাণ, নাক, ডিঙিত, হাতৰ খাৰু পদূলিতে সহজলভ্য হ'ল। ইয়াৰ ফল মিচিং সমাজতো নপৰাকৈ নাথাকিল। ফলস্বৰূপে সমাজত প্ৰচলিত কৌটিকলীয়া সম্পদবোৰৰ আদৰ কমি আহিবলৈ ধৰিলে। নতুন পুৰুষৰ সমাজত সম্পদসমূহ মূল্যহীন হৈ পৰিল বিদেশৰ বহুজাতিক কোম্পানীবোৰৰ উৎপাদিত সামগ্ৰীৰ প্ৰতি আগ্ৰহ বাঢ়িবলৈ ধৰিলে। পূৰ্বপুৰুষৰ আপুৰুগীয়া সম্পদ য়ক্চা, লেন-মাৰবাং, দী-তাদ্‌গ অৱহেলিত হ'ল। অসমৰ সকলো জনগোষ্ঠীৰ উমৈহতীয়া সম্পদ জাংফাই, মাদলি, গলপতা, জোনবিৰি আদি নানা তৰহৰ সামগ্ৰী অনাদৰ- অৱহেলাত বাকচৰ চুকত চকুপানী টুকিবলৈ ধৰিছে। এইবোৰৰ ঠাইত নেক্‌লেচ, ইয়েৰিং (কাঁফুলিয়ে) শুৱনি কৰিছে। গামখাৰু প্ৰায় নকল। কেল বিহুৱতী গাভৰুৰ হাতত এৰি দিয়া হ'ল। আধুনিক মিচিং যুৱতীক যদি তাপ' বা তামি-তামাং কি বুলি প্ৰশ্ন কৰা যায় তেতিয়া তেওঁলোকে বত্ৰিশটা দাঁত উলিয়াই হাঁহিব। এইবোৰ আক' কি বস্তু। তেনে অৱস্থাত সমাজৰ চিন্তাশীল ব্যক্তিসকলে সম্পদৰ সংৰক্ষণ ব্যৱস্থা গ্ৰহণ কাৰ একান্ত প্ৰয়োজন । ইয়াৰ অবিহনে মিচিং জাতীয় গহনা-গাঠৰি বুলিবলৈ একোৱেই নাথাকিব আৰু আমি বিশ্বৰ ক্ষুদ্ৰতম জনগোষ্ঠীসমূহৰ মাজতো নিশকতীয়া জাতিত পৰিগণিত হ,ম৷



# 'মিবু'-মিচিং ধৰ্ম্ম আৰু লোক-বিশ্বাসৰ অবিচ্ছেদ্য অংগ।।

**ৰাতুল বৰা**

মানৱ সমাজ সৃষ্টিৰ কালৰে পৰা মানুহৰ মনত কিছুমান নজনা বিষয়ক লৈ আশংকা আৰু আতংকৰ ধাৰণাই ঠাই লৈছিল। লগে লগেই ভগৱান, দেৱতা, ভূত-প্ৰেত আদিৰ ধাৰণাই মানুহৰ মনত দৃঢ় ভাবে স্থান দখল কৰিছিল।

আৰম্ভ হ'ল পূজা-অৰ্চনা আদি। এই পূজা-অৰ্চনা আগবঢ়াবৰ বাবে সৃষ্টি হ'ল পুৰোহিত শ্ৰেনীৰ। দৈহিক বা মানসিক অসুয়া বোৰৰ কাৰণ কিছুমান দেৱতা বা অপদেৱতা বুলি মানুহে ভাৱিবলৈ আৰম্ভ কৰিলে। ইয়াৰ প্ৰতিকাৰৰ উপায় বিছাৰি চাওঁতেই গনক, দৈবজ্ঞ, মঙ্গলতি আদিৰ সৃষ্টি হ'ল।

অসমৰ অন্যতম জনগোষ্ঠী মিচিং সকলে অতীতৰে পৰা দঞিঃ পঃ ল অৰ্থাৎ চন্দ্ৰ-সূৰ্য্যক তেওঁলোকৰ আৰাধ্য দেৱতা হিচাপে জ্ঞান কৰি আহিছে। আহোম সকলৰ দেওধাই সকলৰ দৰে মিচিং সকলৰ 'মিবু'সকল হৈছে দৈবশক্তি সম্পন্ন আৰু পৰম্পৰাগত ভাবে চলি অহা এক শ্ৰেনীৰ পুৰোহিত। 'মি' শব্দৰ অৰ্থ মানুহ আৰু 'আবু' শব্দৰ অৰ্থ পিতৃ। এটা পৰিয়ালত পিতৃৰ অধিকাৰৰ দৰেই মিচিং জাতিৰ লোক সকলৰ ওপৰত মিবুৰ অধিকাৰ গণ্য কৰা হয়। মিবু সকল এনে এক ঐশ্বৰিক গুণসম্পন্ন শ্ৰেণীৰ লোক যি অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ কথা ক'ব পাৰে। অতীত কালৰে পৰা 'মিবু' সকল মিচিং জন-জীৱনৰ কল্যান সাধক ৰূপে স্বীকৃত হৈ আহিছে।

'মিবু' উৎপত্তি সম্পৰ্কে বেলেগ বেলেগ ধাৰণা আছে যদিও 'চেউকাৰী' বোলা দেৱতা গৰাকীয়েই 'য়ুংগৃঙ' ক সৃষ্টি কৰে আৰু য়ুংগৃঙ'ৰ পৰাই 'মিবুৰ উৎপত্তি হোৱা বুলি নিশ্চিত বিশ্বাস আছে। অৱশ্যে আন আন দেৱতাৰ পৰাও মিবু' হোৱা বুলিও কথিত আছে। এই দেওধাই বা 'মিবু' সকল পুৰুষ সকলৰ মাজৰ পৰাহে হয়। 'মিবু' জন্মৰ আগত অৰ্থাৎ মাতৃগৰ্ভত থকা অৱস্থাৰ পৰাই কিছুমান অলৌকিক লক্ষণ স্পষ্ট বা অস্পষ্ট ৰূপত পৰিস্ফুত হয়। শুনা যায় 'মিবু' সকল শিশু হৈ থকা অৱস্থাত কেতিয়াবা মানুহৰ মাজৰ পৰাই অদৃশ্যহৈ অন্য কোনো ঠাইত আবিৰ্ভাৱ হয়। এওঁলোক খাদ্য গ্ৰহণ কৰিব পৰা হোৱা অৱস্থাৰ পৰাই অভক্ষ্য তথা ভক্ষন নকৰে। উকহে খোৱা মাছ, বোন্দাই ঘা লগোৱা কুকুৰা বা শিয়ালে কামোৰা ছাগলী, গাহৰি আদিৰ মাংস সৰু অৱস্থাৰ পৰাই ভক্ষণ নকৰে। এনে অভক্ষ্য গ্ৰহণ কৰিলে 'মিবুৰ সমস্ত লক্ষণ লোপ পায় বুলি কোৱা শুনা যায়।

' মিবু'সকলে তেওঁলোকৰ 'য়কচা'ৰ জৰিয়তে দেও



উঠাৰ পৰা আৰম্ভ কৰি মঙ্গল চোৱা, পূজা-অৰ্চনালৈ সকলোবোৰ কাৰ্য সম্পন্ন কৰে বুলিব পাৰি। 'য়কচা' হৈছে দেৱপ্ৰদত্ত এক তৰোৱাল, যিখন তৰোৱাল একোজন মিবুৰ বাবে এক বিশেষ স্থানত সংৰক্ষিত থাকে। যেতিয়া দেওধাই বা মিবুৰ গাত দেওধাইৰ

লক্ষণসমুহ সম্পূৰ্ণভাৱে পৰিস্‌ফুট হয়। তেতিয়াই তেওঁক সপোনত দেখুৱাই তেওঁৰ বাবে 'য়কচা' খন ক'ত সংৰক্ষিত হৈ আছে। সেই মতে দূৰ্গম ঠাইতে নাথাকক মিবুজনে উদ্ধাৰ কৰে। ইয়াৰ পিছত তেওঁ পূৰ্ণ পৰ্যায়ৰ মিবু হৈ পৰে। দেৱদত্ত এই 'য়কচা' খনে তেওঁক সকলো আপদ-বিপদৰ পৰা নিষ্কণ্টক কৰি ৰাখে। 'য়কচা' সুমুৱাবৰ বাবে কাঠেৰে তৈয়াৰ ফাকটোক 'বক কৰ্', ডিঙিত ওলোমাই লোৱা ফিটা চতাক 'চই" আৰু 'য়কচা'ত থকালোৰ আঙঠিটোক 'চাপৰেং' বোলা হয়। তাৰোপৰি গোটেই 'য়কচা'খন সুসজ্জিত কৰাৰ বাবে লগোৱা বাঘৰ দাঁতক 'ঞব ঞয়িং বুলি কোৱা হয়।

মিবু সকলৰ সাজ-পোছাকৰ এক বিশেষত্ব আছে। সাধাৰণ লোকৰ পোছাকতকৈ অলপ বেলেগ পোছাক তেওঁলোকে পৰিধান কৰে। মিবু সকলে হাতে বোৱা কপাহী সুতাৰ আৰু বিশেষ ধৰণৰ ফুলাম সাজ-পোছাক ধাৰণ কৰে। মিবুৱে পিন্ধা চোলাক 'গন্দলুক্ তং',চুৰিয়াক 'গন্ ৰগন্ চল' আৰু পাগুৰিৰ দৰে ব্যৱহাৰ কৰা গামোছাক 'লীঃনিদুমী' বোলা হয়।

'মিবু' দ্বাৰা মঙ্গল চোৱা কাৰ্য অৰ্থাৎ "মিবুদাগ্‌লা"ৰ বাবে মিবুৰ বাবে ছাই-আপং, এমুঠি চাউল, দুটা কুকুৰা কণী, এটুকুৰা আদা, আৰু এলোটা পানী (পাতেৰে মুখ ঢাকি বাওঁহাতে ঘূৰাই বান্ধি ৰাখিব লাগে) আগবঢ়োৱাতো নিয়ম। দেও উঠাৰ আগতে 'মিবুৱে চন্দ্ৰ, সূৰ্য, মেঘ, তৰা আদি ওপৰ দেৱতা সকলক অতি কৰুণ ভাৱে স্তুতি কৰে। এই স্তুতিৰ কিছুমান গীত গাৱলৈ আৰম্ভ কৰে। এই গীত সমূহক মিবু আঃবাং বুলি জনা যায়। আঃবাং গোৱাৰ বাবে কেইগৰাকীমান জীয়ৰী ছোৱালীৰ আৱশ্যক হয়। কীৰ্ত্তনত ঘোষা আৰু পদ গোৱাৰ দৰে মিবুৱে ঘোষা লগাই দিয়ে আৰু জীয়ৰী সকলে গায় যায়। মিবুৱে আঃবাং কাৰো পৰা শিকা নহয় সেইবিলাক আপোনা-আপুনি মুখৰ পৰা ওলাই আহে। আঃবাংৰ বহুবোৰ শব্দৰ অৰ্থ বুজা টান যিহেতু এনে শব্দ বোৰৰ কোনো আক্ষৰিক অৰ্থ পোৱা নাযায়। গোটেই ৰাতি আঃবাং গোৱাৰ পিছত পুৱতিনিশা 'পাঃ' নামৰ এক দেৱতাই মিবুক লগ ধৰে। বহু সময়ত মিবু গৰাকী অচেতন হৈ পৰে। এই সময়ত উত্তেজনাপূৰ্ণ আঃবাং গায়। এই সময়ত চাৱলৈ দিয়া মঙ্গলৰ সকলো কথা বিৱৰি কয়। কোনো এঘৰত মঙ্গল চাবলৈ হ'লে প্ৰথমে স্তুতিমুলক আঃবাং আৰু পিছত বংশ পৰিয়ালৰ 'গুঃম্‌নৰ' নামলৈ অৰ্থাৎ পূৰ্বপুৰুষ নাম গোত্ৰৰ নামলৈ প্ৰাৰ্থনাসুচক আঃবঃ গাব লাগে। 'মিবুদাগ নাম' বা মঙ্গলচোৱা কাৰ্য কৰোতে টকা পইছা লোৱাৰ নিয়ম নাই। মিবু চিনাক্তৰ নিমিত্তে 'দগনী' নামৰ এক পকামনি বান্ধি দিয়া হয়। তেতিয়া দেওধায়ে তেওঁৰ ভাগ্যৰ বিষয়ে কয়।

দেওধাই বা মিবু সকলে মিচিং জাতিৰ সমাজ জীৱনত তেওঁলোকৰ স্বকীয় বৈশিষ্ট্যৰে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। অৱশ্যে এই কথা স্পষ্ট যে সময় আৰু ধ্যান-ধাৰণাৰ পৰিবৰ্তন তথা বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে জনবিশ্বাসৰ ঠাই বিজ্ঞানে দখল কৰিলে। মানুহৰ বিশ্বাস ধৰ্ম্মীয়ভাব, ৰীতি-নীতি আদিৰ ক্ষেত্ৰতো পৰিৱৰ্ত্তিত সমাজ ব্যৱস্থাৰ প্ৰতিফলন পৰিস্‌ফুত হ'ল। ইয়াৰ ফলশ্ৰুতিত মিবু অৰ্থাৎ মিচিং দেওধাইৰ সংখ্যাও কমি আহিবলৈ ধৰিলে।

**(এই প্ৰবন্ধটি যুগুতাওতে কৰা সহায়ৰ বাবে অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক সুৰেন্দ্ৰ নাথ দলেদেৱলৈ কৃতজ্ঞতা থাকিল।)**
**(লেখক এগৰাকী সাংবাদিক আৰু লাখেৰাজ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক।)**

# বাঁহফলা বাকৰিত বাঃনী কৌবাঙৰ এভূমুকি

দিলীপ পেগু
বাঁহফলা গাঁও

কৃষ্টিৰ পথাৰত সৃষ্টিৰ শলিতা জ্বলাই যিসকল মহান ব্যক্তিয়ে-বাঁহফলাৰ সংস্কৃতিৰ বৰঘৰ সাজিবৰ বাবে বটবৃক্ষ ৰোপণ কৰিছিল, যিসকল স্বৰ্গীয় পুৰুষে- এই বটবৃক্ষডালক সাৰ পানী যোগাই ফুলে ফুলে জাতিষ্কাৰ কৰি তুলিছিল, তেখেত সকলৰ ৰঙীন সপোনবোৰ আজিও বাস্তৱ হৈ নুঠিল। পূৰ্বপুৰুষৰ এই ৰঙীন স্বপ্ন, কৃষ্টি সংস্কৃতিৰ বটবৃক্ষডাল আজি মৰহি যোৱাৰ উপক্ৰম। নৱ প্ৰজন্মই তাক আগুৱাই নিয়াৰ বাস্তৱ সন্মত পদক্ষেপ, ঘুণেধৰা সংস্কৃতিৰ বৰঘৰৰ লাই খুঁটাডাল ঢোকা দিয়াৰ প্ৰচেষ্টা কৰা ব্যক্তিৰ আজিৰ বাঁহফলা গাঁৱত প্ৰতিফলিত হোৱা নাই ।

কেতিয়াবা কেতিয়াবা সময়ৰ উতনুৱা বৰ যৌৱনত দুই একে এপাচি শাকত এটা জালুকৰ দৰে ভুমুকি মাৰেহি, কিন্তু সংস্কৃতিৰ বিশাল সাগৰত হাবু ডুবু খাই অসীমত হেৰাই যায়। মৰুভূমিত মৰীচিকা বিছৰাৰ দৰে আজিৰ বাঁহফলাত, তাহানিৰ নিগৰি নিগৰি অহা ঐনিঃতমৰ কলিবোৰ, কঃনেঙৰ খোপাত পাঃমে আল্‌গুন, ৰিঃ বি গাছেঙৰ ৰঙানীলা পখিলাবোৰ, আলি আই লৃগাং, গুমৰাগ চঃমান, পঃৰ আপং, তৰাপাতৰ পূৰাং আপিনবোৰ স্মৃতিৰ গৰ্ভত বিলীন হৈ যোৱাৰ পথত।

সময় থাকোঁতে উত্তৰ পুৰুষে যদি গুনে ধৰা সংস্কৃতিৰ বৰঘৰৰ লাইখুটাডাল ঢোকা দিয়াৰ প্ৰচেষ্টা নকৰে, তেতিয়া হলে হয়তো বাঁহফলা গাঁৱৰ কৃষ্টি সংস্কৃতিৰ বৰ পথাৰখন পশ্চিমীয়া ঢঙৰ অপসংস্কৃতিয়ে নিশ্চয় এদিন গ্ৰাস কৰি পেলাব।

বাঁহফলা ! যত ৩৫ তম্ মিছিং জাতিৰ জাতীয় মহাসভা, বাঃনী কৌবাংৰ কেন্দ্ৰীয় সাধাৰণ অধিবেশন দ্বিতীয় বাৰৰ বাবে অনুষ্টিত কৰা হৈছে, এইয়াই বাঁহফলা মিছিং গাঁও। মহাবাহু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে ভাষা সংস্কৃতিৰ বৰঘৰ স্বৰূপ যোৰহাট নগৰৰ পশ্চিম চুকত অৱস্থিত এখনি মিছিং গাঁও বাঁহফলা। বাঃনী কৌবাংৰ স্বনাম ধন্য ব্যক্তিসকল, মিছিং জাতিৰ জাতীয় কাণ্ডাৰি সকলৰ মহামিলনে এখনি  পূণ্যভূমিলৈ পৰিণত কৰিছে।

বাঁহফলা নামটি উৎপত্তিৰ এটি প্ৰবাদ আছে। এদিন কাষতে থকা অনামিছিং গাঁৱৰ লোকৰ লগত বাঁহফলা মানুহৰ মাটি বাৰী সীমাক লৈ কাজিয়া লাগিছিল আৰু এই কাজিয়াত বাঁহফলাৰ মানুহে হাতেৰে ভলুকা বাঁহ ফালি টোকোন হিচাপে ব্যৱহাৰ কৰিছিল। এইয়ে গাঁৱৰ নাম বাঁহফলা হল। এই যুজত বাঁহফলাৰ মানুহৰে জয়ী হৈছিল বুলি আজিও মুখে মুখে চলি আহিছে।

বাঁহফলা গাঁৱৰ সৃষ্টিৰো এক অলিখিত অতীত বুৰঞ্জী আছে। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে, বালিচৰত সিঁচৰিত হৈ থকা ইকৰা-খাগৰি, ঝাউবনৰ মাজে মাজে দুই এঘৰকৈ গাঁৱখন গঢ়ি উঠিছিল। ধান, মাহ, সৰিয়হ, গৰু মহৰ খুটিৰে নদন বদন বাঁহফলা গাঁৱৰ মানুহবোৰৰ ব্ৰহ্মপুত্ৰৰ কোঁবাল সোঁতে প্ৰতিবছৰে চকুলো বোঁৱাই আহিছিল। সেয়ে ওখ ঠাই বিচাৰি প্ৰতিবছৰে স্থান সলনি কৰিব লগীয়া অৱস্থাৰ সৃষ্টি হৈছিল। এনেদৰে এদিন হয়তো ওখ ঠাইত এঘৰ এঘৰকৈ ঘৰ সাজি বসবাস আৰম্ভ কৰিলে। এয়াই চাৰিঘৰীয়া চুবুৰি। এই চাৰিঘৰৰ আশে পাশে বসবাস আৰম্ভ কৰি কালক্ৰমত সৃষ্টি হ'ল আজিৰ বৃহৎ বাঁহফলা মিছিং গাওঁ ।

বাঁহফলাৰ এক স্বকীয় বৈশিষ্ট্য কৃষ্টি সংস্কৃতি, পৰম্পৰা ৰীতি-নীতিৰে ভৰপুৰ এখনি পুৰণি মিছিং গাঁও। কঁহুৱা ঝাউবনৰ চাপৰিত ধনবৰ মনবাংহঁতৰ ঐনিঃতমৰ ৰিনিকি ৰিনিকি সুৰবোৰ গাঁওখনক মুখৰিত কৰি ৰাখিছিল । কোনোবা মনবাংহঁতৰ ঢোলৰ গুম গুমনি শব্দই ঝন্ ঝনাই তুলিছিল। কি যে অপূৰ্ব প্ৰাকৃতিক সৌন্দয্যৰে ভৰা মনোৰম ঠাই বাঁহফলা। এইখন গাঁৱতে বসবাস কৰিছে ৫০০ ত কৈ অধিক গাখীৰ খিৰোৱা গাই মহৰ খুটিৰে নদন বদন নন্দী পেগুৰ বংশৰ বংশধৰ সকল। ২০১৪ চনৰ বাঃনী কৌবাংৰ কেন্দ্ৰীয় অধিবেশন, যাৰ নামেই পৰিচয় " ময়িং পেগু লত্তা সেয়াও আছিল নন্দীপেগুৰে বংশৰ ডাঙৰ বংশধৰ সকল।

স্বৰ্গীয় ময়িং পেগু তীক্ষ্ণবুদ্ধি মস্তাৰে সমাজৰ উন্নয়নৰ হকে সদায় কাম কৰি ভাল পোৱা এজন অসাধাৰণ ব্যক্তি যি জন ব্যক্তিয়ে নিজৰ দক্ষতাৰে সমাজৰ সকলো বিচাৰবোৰত নেতৃত্ব বহন কৰি নিৰপেক্ষ ভাৱে সমাজক পৰিচালনা কৰি আহিছিল। পঞ্চায়তৰ দৰে গুৰুত্বপূৰ্ণ সভাপতি পদত এবাৰ নিৰ্বাচিত হৈও বাঁহফলাৰ লগতে সমগ্ৰ লাখোজ অঞ্চলৰ আৰ্থসামাজিক উন্নয়ন, বাট-পথ নিৰ্মাণ, চৰকাৰী বিভিন্ন অনুদান বিতৰণ আদি জনহিতকৰ কাম কৰি আহিছিল । বাঁহফলা কীবাং গঠনতো তেখেতৰ বিশেষ ভূমিকা অনস্বীকাৰ্য।

স্বাধীনতাৰ পৰৱৰ্তী কালচোৱাত ১৯৭০ চনত ব্ৰহ্মপুত্ৰ এৰাঁসুতি বালিচৰত, বৰ্ত্তমানৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়খন নিজে প্ৰতিষ্ঠাৰ অগ্ৰণি ভূমিকা পালন কৰি, প্ৰতিষ্ঠা কালৰে পৰা মৃত্যুৰ দিনালৈকে সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰি আহিছিল। তেখেত নিজে উচ্চ শিক্ষাৰে শিক্ষিত নহলেও গাঁৱৰ অঞ্চলৰ সকলো লোককে শিক্ষাৰ প্ৰতি আগ্ৰহি হবলৈ পথ প্ৰদৰ্শন কৰি আহিছিল ।

অতীতৰ বাঁহফলা প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ, শস্য শ্যামলাৰে নদন বদন আছিল, যদিও ব্ৰহ্মপুত্ৰৰ উতনুৱা বৰ যৌৱনে কেতিয়াও ৰেহাই দিয়া নাছিল। বানপানী, দুৰ্ভিক্ষ অভাৱ অনাটনৰ চকুলোৰে প্ৰতিবছৰে উপচাই পেলাইছিল । খাদ্যৰ তাড়নাত ওচৰে পাজৰে থকা অনা মিচিং গাঁওবোৰত ধান-চাউল বিচাৰি যাব লগা অৱস্থাৰ সৃষ্টি হৈছিল । আজিৰ দৰে গাড়ী মটৰ, চাইকেল যাতায়তৰ সু-ব্যৱস্থা নাছিল । নাও, ঘোঁৰা, গৰুমহৰ গাড়ী নাইবা ভাৰ বান্ধিয়েই খাদ্য বস্তু অনা নিয়া কৰিব লাগিছিল। ১৯৫০ চনৰ বৰভূঁইকপে বাঁহফলা গাঁৱৰো প্ৰাকৃতিক অৱস্থা ওলট পালট কৰিলে। দ মাটি বাম হ'ল, বাম মাটি দ হ'ল। থান্ থিত্ লগাওঁতে কিছুবছৰ অতিক্ৰম কৰিলে । সেয়ে নতুন ঠাই বিচাৰি কিছুলোক গোলাঘাটৰ দৈয়াং ৰিজাৰ্ভ গমাৰিলৈ গুচি গ'ল। ভোগদৈ নদীৰ পাৰৰ মালৌ পথাৰতো দুই এঘৰ থাকি গ'ল। এনেদৰে ন ন ওখ ঠাইৰ সন্ধানত বৰ্তমান নামবৰ ৰিজাৰ্ভৰ টেঙানি অঞ্চলত কেইবাঘৰো বসবাস কৰি আছে।

সময়বোৰ পাখি লগা কাড়ৰ দৰে আগবাঢ়ি গ'ল। সমাজৰ মাজত ন ন পুৰুষৰ আৱিৰ্ভাৱ ঘটিল। বাঁহফলাৰ বিশিষ্ট ব্যক্তি সমাজ কৰ্মী সকলক আজিৰ শুভ মুহূৰ্ত্তত স্বগীয় সকলক শ্ৰদ্ধাৰে সুঁৱৰিব লাগিব। ময়িং পেগু, ছবিলাল পেগু, কলম্বোধৰ দলে, নীলমনি গাঁওবুঢ়া, গম্ভীৰ দলে, কমিচন দলে পূবে ধনপুৰ পশ্চিমে মনপুৰ ভূগিৰাম দলে, সুৰেন দলে বগীৰাম পেগু, গোপীৰাম পেগু, লিমাং পেগু, চুল্লাক পেগু মেঘনাথ দলে, পদ্ম দলে, গাম পেগু, লক্ষ্যমিং পেগু, সুৰেণ দলে, বগীৰাম পেগু, গোপীনাথ পেগু, লিমাং পেগু, চুল্লাক পেগু, মেঘনাথ দলে, পদ্ম দলে আৰু লক্ষসিং পেগু ইত্যাদি। জীৱিত সকলৰ ভিতৰত অনেক আছে। তেওঁলোকৰ দাবীতেই নিৰ্মাণ কৰা হ'ল ১৯৭০ চনত খুটিয়া পোতা ৰঙা গড়া বান্ধ। যাৰ অবিহনে আজিৰ বাঁহফলা সমগ্ৰ লাখেৰাজ অঞ্চলৰপ্ৰতিচ্ছবিয়ে নোহোৱা হৈ গ'লহেতেন যি আজিও বাঁহফলা মিছিং অধ্যুষিত অঞ্চলৰ নিৰাপত্তাৰ প্ৰাচীৰ হিচাপে থিয় দি ৰৈ আছে।

অৰ্থনৈতিক দিশেৰে আজিৰ বাঁহফলাত কিছু উন্নত বুলিয়েই কব পৰাৰ থল আছে। তাতে আকৌ কৃষি প্ৰধান অঞ্চল বাঁহফলা। আহুধান, বাওধান, শালি, বড়ো, ৰবি শস্য কবি, বেঙেনা, লাও, জিকা, লাই, পালেং পটল কি যে নাই বাঁহফলাত। তাহানিৰ কেকোঁৰা নাঙলৰ সলনি যুৱ প্ৰজন্মই উন্নত কৃষি পদ্ধতিৰে স্বাৱলম্বিতাৰ দিশেৰে আগুৱাই গৈছে। চৰকাৰী চাকৰিৰ আশা বাদ দি নিজে নিজে উৎপাদন কৰা বস্তুবোৰ নগৰ চহৰত বিক্ৰি কৰি আহিছে। দিনক দিনে গাড়ী মটৰ, বাইক, চাইকেল, টেলিভিছন, ম'বাইলৰ সংখ্যা বাঢ়িব ধৰিছে। পুৰণি কলীয়া বাঁহ খেৰৰ ঘৰবোৰ পকীবেৰ টিনপাতেৰে জিলিকি উঠিছে। পথাৰলৈ যোৱা লুং লুঙীয়া বাটবোৰ পি, ডব্লিউ, ডি পথলৈ উন্নীত হৈছে। শস্য চপোৱা তাহানিৰ ঘোঁৰা, গৰুমহৰ গাড়ীবোৰৰ ঠাইত এচি, টাটা মেজিক, ডি আই গাড়ীবোৰে স্থান লৈছে। সৰুবৰ চৰকাৰী চাকৰিয়ালৰো অভাৱ নাই। জনসংখ্যাৰ হিচাপেৰে আজিৰ বাঁহফলাত পুৰুষ মহিলা অনেক লোক। জখলাৰ লেখেৰে প্ৰায় ৫০০ ৰো অধিক ঘৰ। সৰু ডাঙৰ মিলি ৪০০০ ওপৰত বসবাস কৰিছে। বি. এচ. এফ, চি. আৰ. পি., এক আসাম পুলিচৰো সীমা সংখ্যা নাই। নাই মাথো কুৰি শতিকাৰ সন্মানীয় ডাক্তৰ, ইঞ্জিনিয়াৰ।

তাহানিৰ শিক্ষাগ্ৰহণৰ ব্যৱস্থাবোৰতো পৰিবৰ্ত্তন ঘটিছে। যি দুই একে স্কুলৰ দেওনা অতিক্ৰম কৰিছিল, তেওঁলোকে নৈ বিল সাতুৰি পাৰ হৈ কাঁইটিয়া বাটেৰে আগুৱাই গৈছিল। তেনে শিক্ষা গ্ৰহণতো বহুতৰ সামৰ্থই নাছিল। স্বাধীনতাৰ পৰবৰ্তী কালৰ পৰা আজিৰ বাঁহফলাত বহুতো স্কুল কলেজ হ'ল। প্ৰাথমিক বিদ্যালয়, উচ্চতৰ মাধ্যমিক, শ্ৰীশ্ৰী বিষ্ণুদেৱ জনজাতি মহাবিদ্যালয় বাঁহফলাৰ বাকৰিতে প্ৰতিষ্ঠা কৰা হ'ল। যত আজি বাঃ নী কীবাঙৰ ৩৫ তম কেন্দ্ৰীয় অধিবেশন চাৰিদিনীয়া কাৰ্যসূচীৰে সাফল্যমণ্ডিত উদযাপন হ'ব। সেয়াই হৈছে বাঁহফলাৰ বাকৰিত শ্ৰীশ্ৰী বিষ্ণুদেৱ মহাবিদ্যালয়ৰ খেলপথাৰ।

যিদৰে শিক্ষানুষ্ঠানবোৰ আগুৱাই আহিছে ঠিক তেনেদৰে আজিৰ বাঁহফলাৰ যুৱপ্ৰজন্মই শিক্ষাৰ প্ৰতি ইমান গুৰুত্ব দিয়া যেন দেখা নাযায় । যি দুই একে অলপ বাট কৰি বাইছে তেওঁলোওে কাঁইটিয়া বাটত উজুটি খাইছে। শিক্ষাৰ সলনি আধুনিকতাৰ পৰশত নিজকে বিলিন কৰি দিবলৈ মাদ কুণ্ঠাবোধ নকৰে। আজিৰ যুৱচামে যদি উচ্চ শিক্ষাৰে শিক্ষিত হৈ গাঁৱৰ সুনাম অক্ষুন্ন নাৰাখে, তেতিয়াহলে হয়তো এদিন দহে হাঁহিব

পুৰ্বপুৰুষ সকলে দেখুৱাই থৈ যোৱা কৃষ্টি সংস্কৃতি, পৰম্পৰা ৰীতি-নীতি, আলি আই লৃগাং, গুমৰাগ চঃমানবোৰ আজিৰ বাঁহফলাত কলৈ গতি কৰিছে? আধুনিকতাৰ মাজত নিজ জাতিৰ কৃষ্টি সংস্কৃতি বাদ দি পশ্চিমীয়া ঢঙৰ অপসংস্কৃতি বোৰ আঁকোৱালি লৈছে। তাহানিতে কোনোৱা মনবাংহঁতে ঢোলৰ চাপৰ মাৰিলেই ৰচকি কনেংহঁতে দৌৰি দৌৰি আহিছিল আলি আই লৃগাং, গুমৰাগ চমানৰ চতালবোৰলৈ। তাতে আকৌ ৰিঃবিঃ গাছেং, মিবু গালুক, ডেকাহঁতৰ অন্তৰ দহি যোৱা ঐনিঃতমৰ সুৰবোৰে ৰজন জনাই তুলিছিল বিহুৰা তলিবোৰ। কিন্তু আজিৰ বাঁহফলাত কি হৈছে। কিহৰ বাবে ইমান অনিহা! ডেকা গাভৰুহঁতে বিহুমৰা ধান্দা নকৰা হ'ল । বোৱাৰী-জীয়ৰিবোৰে ককাঁল ভাঙি নাছিবলৈ লাজ কৰা হৈছে। লংপেণ্ট, লুঙি পিন্ধি আজিৰ যুৱচামে বিহুমাৰিবলৈ যায়। ঐনিঃতমৰ সুৰবোৰেও শুকান জেওৰাৰ ৰস চেপাৰ দৰে ৰসহীন। মুঠতে সকলোতে অৱনতি ঘটিছে।

সমাজ ব্যৱস্থাত বাঁহফলা গাঁৱৰ এক স্বকীয় সুনাম আজিও বৰ্তি হৈ আছে। পূৰ্ব পুৰুষ সকলে গঠন কৰি থৈ যোৱা "বাঁহফলা কীবাঙে" অতীজৰে পৰা সকলো সামাজিক কামকাজ বিভিন্ন সমস্যাসমূহ নিয়াৰিকৈ পৰিচালনা কৰি আহিছিল। বিচাৰৰ প্ৰধান স্থান বাঁহফলা মূৰং ঘৰ আজিও গাঁৱৰ সোঁ মাজত সাক্ষী হৈ জিলিকি আছে। কালক্ৰমত পৰৱৰ্তী দিনবোৰত বাঁহফলা কীবাঙে "বাঁহফলা গাঁও উন্নয়ন সমিতি" লৈ ৰূপান্তৰিত হ'ল। সম্ভৱ কোনো এখন মিছিং গাঁৱতে এনে উন্নয়ন সমিতি গঠন হোৱাৰ নজিৰ নাই । আজিৰ দিনটো বাঁহফলা উন্নয়ন সমিতিয়ে নিজা লিখিত নীতি নিয়মৰ মাজেদি সুচাৰুৰূপে সমাজক পৰিচালনা কৰি আহিছে। সৰু সুৰা বিচাৰ, ল'ৰা ছোৱালীৰ বিচাৰবোৰ, ক'ট কাছাৰিলৈ পোনে পোনে যোৱাৰ ব্যৱস্থা বাঁহফলা গাঁৱত আজিও নাই।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সমাজৰ আৰু দেশৰ ৰাজনৈতিক দিশতো উত্থান পতন আহিল। ছবছৰীয়া বিদেশী খেদা আন্দোলনৰ ঐতিহাসিক পটভূমিত "অসম গণ পৰিষদ" আঞ্চলিক দলৰ জন্ম হ'ল। ১৯৮৫ চনত পোন প্ৰথমবাৰৰ বাবে অসমৰ শাসনৰ বাঘজৰি ডাল আঞ্চলিক দলৰ হাতলৈ গুচি গ'ল। চৰকাৰৰ বিভিন্ন বিভাগ নিকায় নিগমৰ দায়িত্ব লবলৈ আগবাঢ়ি আহিল গাম পেগু, পদ্মদলেৰ দৰে সমাজকৰ্ম্মী সকলে। স্বাধীনতাৰ পৰৱৰ্তী কালৰে পৰা বাঁহফলা গাঁওখনত ৰাজনৈতিক দিশত সক্ৰিয়ভাৱেকাম কৰা লোকৰ অভাৱ নাছিল। ময়িং পেগু, ছবিলাল পেগু, লম্বোধৰ দলেৰ দৰে মহান ব্যক্তি সকলে সৰ্বভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰি আহিছিল। সত্তৰৰ দশকত তেখেত সকলৰ নেতৃত্বতেই তেতিয়াৰ ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমেদ দেৱৰ আদৰ্শৰ ব্যক্তিক দৰে ভিতৰুৱা অঞ্চলৰ বালিচৰত হেলিকপ্তাৰেৰে নমাই, সমগ্ৰ মিছিং জাতিৰ পৰিচয় মিৰিজিম কাপোৰ দি সৰ্বভাৰতীয় পৰ্যায়ত দাঙি ধৰিবলৈ সক্ষম হৈছিল। এই একে দশকতে তেখেতসকলৰ লগতে অনেক জীৱিত লোকৰ সহযোগত ১৯৭৮ চনত প্ৰথমবাৰৰ বাবে বাঁহফলাৰ বাকৰিত মিছিং বাঃ নী কীবাঙৰ অধিবেশন অনুষ্ঠিত হৈছিল । ৰাজনৈতিক — দিশেৰে চাবলৈ গলে আজিৰ বাঁহফলাৰ আৰ্থসামাজিক উন্নয়ন আঞ্চলিক দলৰ চৰকাৰৰ দিনৰে পৰা কিছু পৰিবৰ্ত্তন হোৱা যেন দেখা যায়। পদ্ম দলেৰে দৰে সমাজ হিতৈষী সকলে চৰকাৰৰ বিভিন্ন নিকায় নিগমত কাৰ্যনিৰ্বাহকৰি ঘৰে ঘৰে টিনপাত বিতৰণ, সুতা, ঠেলা, দমকল, ৰাস্তা পদূলি নিৰ্মাণ কৰি গাঁৱৰ উন্নয়নৰ অশেষ ভূমিকা পালন কৰি আহিছিল। বাঁহফলাৰ সমগ্ৰ লাখেৰাজ অঞ্চলৰ মেৰুদণ্ড স্বৰূপে খুটিয়া পোতা ৰঙাগড়া বান্ধটো ব্ৰহ্মপুত্ৰৰ সোঁতে দুবাৰকৈ ছিঙি নিয়াৰ পাছতো তেখেতসকলৰ দৰে নেতাবোৰে চৰকাৰৰ ওচৰত দাবী জনাই পুনৰ নিৰ্মাণৰ কাম সমাপ্ত কৰিবলৈ সক্ষম হৈছিল।

সাম্প্ৰতিক কালত বাঁহফলা গাঁওখনত সকলো ৰাজনৈতিক দলৰে নেতা কৰ্মীৰ অভাৱ নাই । বৰ্তমান চৰকাৰৰ বিভিন্ন নিকায় নিগমত দায়িত্ব লব পৰা যুৱ প্ৰজন্মৰ উত্তৰণ ঘটিছে। পঞ্চায়তৰ দৰে বিভিন্ন পদবীত কাৰ্যনিবাহ কৰা ব্যক্তি, ৰাজনৈতিক ভাৱে মানুহৰ মাজত সচেতনতা বৃদ্ধি পাইছে, যদিও পুৰ্বপুৰুষ সকলৰ ৰঙীন সপোনবোৰ বাস্তৱ হবলৈ এতিয়াও বহুদূৰ বাকী। ধনে জনে উভৈনদী গাঁওখনত ডাক্তৰ ইঞ্জিনিয়াৰ হোৱাৰ যুৱ প্ৰজন্মৰ মাজত হাবিয়াস নাই। কৃষ্টিৰ পথাৰ খন শস্য শ্যামলাৰে সুন্দৰ কৰি তুলিবলৈ যুৱ প্ৰজন্মৰ মনত ইচ্ছা নাই। নহলেনো নদন বদন গাঁওখনত আজিৰ চামে কিয়, নিজ জাতিৰ কৃষ্টি সংস্কৃতি, আলি আই লৃগাং, গুমৰাগ চঃ মানবোৰ, বিহু মৰা নিশিকা হ'ল। ঐনিঃতমৰ মিঠা মিঠা সুৰবোৰ পুৰাং আপ্নিন, পঃৰ আপং, মিছিং জাতিৰ কৃষ্টি সংস্কৃতিবোৰ আজিৰ যুৱপ্ৰজন্মই ৰক্ষা কৰি নচলে তেতিয়াহ'লে নিশ্চয় এদিন পাহৰনীৰ গৰ্ভত স্মৃতি হৈ ৰবগৈ। সেয়ে নিয়তিৰ ওচৰত একান্ত প্ৰাৰ্থনা আজিৰ যুৱ প্ৰজন্মক নিজজাতিক ভাল পাবলৈ সুমতি দিয়ক। চাঃ ৰঙামা, অৰীই।

# বিৱৰ্ত্তনৰ পথত মিচিং সভ্যতা-সমাজ আৰু মিচিং সায়ত্ব শাসিত পৰিষদ (এম. এ. চি)

দেবেন্দ্ৰ নাথ দলে
যোৰহাট

জনসংখ্যাৰ ফালৰ পৰা অসমৰ সৰ্ববৃহৎ জনগোষ্ঠী বড়োসকলৰ পিছতেই মিচিংসকলৰ স্থান। অস্তিত্ব ৰক্ষাৰ যুঁজত বড়োসকলৰ সমকক্ষ নহলেও আৰ্থ-সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক দিশত মিচিং সকল কোনোপধ্যেই পিছপৰি থকা নাই। আশীৰ দশক মানলৈ মিচিংসকলৰ অসমৰ আটাইতকৈ শান্তিপ্ৰিয় জনগোষ্ঠী হিচাপে চিহ্নিত কৰিব পৰা গৈছিল। নিঃস্বাৰ্থ, পৰোপকাৰী কৰ্ম প্ৰাপ্তিত সন্তুষ্টহ'ব পৰা গুণৰ কাৰণে মিচিং সকল শান্তিপ্ৰিয় আছিল বুলি ক'ব পৰা যায়। এটা সময়ত মিচিংসকলৰ বসতি স্থলত পুলিচ - মিলিটেৰীৰ ছাঁটোকে দেখা পোৱা নগৈছিল বা কেনেবাকৈ কোনোবাজন ওলালেও মানুহবিলাক জোপোহাৰ আঁৰত লুকাইছিল। সমাজৰ সৰু-সুৰা সমস্যাবিলাক সমাধান কৰিবলৈ গাঁও সমিতিৰ তিৰিবড়া, ডেকাবড়া বা গাঁওবুঢ়াই যথেষ্ট আছিল । সময় বাগৰি গ'ল । মিচিং সমাজত শিক্ষিত লোকৰ সংখ্যা বাঢ়িল, চিকিৎসক, ইঞ্জিনিয়াৰ, প্ৰশাসনিক বিষয়া, মহৰি, কেৰানী অসংখ্য হ'ল। প্ৰয়োজনীতাত নতুবা পৰিয়াল চহৰমুখী হ'ল। এচামে সংবিধান প্ৰদত্ত অধিকাৰ বিচাৰি আন্দোলন কৰিলে। জন্মহ'ল টি. এম. পি. কে., এম. এম. কে., টি. এম. এম,কে। চোক বাঢ়িল চালুকীয়া অৱস্থাত থকা "বাঃনীকৗবাং" আৰু আগম কীৰাং"ৰ। গাঁৱে গাঁৱে প্ৰসাৰ হ'ল সংগঠন সমূহৰ শাখা। মুঠতে ক'ব পাৰি এয়া মিচিং নৱজাগৰণ । মিচিং ঐক্য, শান্তি জাগ্ৰত হ'ল । ঘৰে ঘৰে শিক্ষাৰ বন্তি জ্বলিল। জ্ঞানৰ পোহৰ উজলি উঠিল। সেয়েহে স্বায়ত্তশাসন অধিকাৰ বিচাৰি মিচিং ঐক্য শক্তি ওলাই আহিল ৰাজপথলৈ।

সকলো ঠিকেই আছিল ১৯৯৫ চনৰ ২০ এপ্ৰিললৈ । ২১ এপ্ৰিলৰ দিনটোলৈ মিচিং সকলৰ ইতিহাস সেউজীয়া হৈ নাথাকিল। সেউজী বুকুত উমলি-জামলি সেউজীয়া সপোন দেখা মিচিংসকলৰ হেঁপাহৰ, পোৱা-নোপোৱাৰ বেদনা প্ৰকাশৰ স্থল বিলমুখৰ বাঃনী কৗবাঙ পোন প্ৰথমবাৰৰ বাবে তেজৰ নৈ বৈ গ'ল। মিচিং ঐক্য শক্তিৰ ওচৰত শংকিত হৈ চতুৰ ৰাজনীতিজ্ঞ তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াই তেতিয়াৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী ভৰত চন্দ্ৰ নৰহক কাড় হিচাপে নিক্ষেপ কৰি বিভাজনৰ যি ষড়যন্ত্ৰ ৰচনা কৰিছিল, সেয়া সফল হ'ল। বিভাজনৰ পকীবেৰ নিৰ্মাণ কৰি মিচিং শক্তিক দুভাগ কৰিলে। মিচিংসকলৰ আশা- আকাঙ্খাত ধূলিসাৎ কৰি এইবছৰেই অৰ্থাৎ ১৯৯৫ চনৰ ১৪ জুনত প্ৰয়াত হিতেশ্বৰ শইকীয়াই মিচিংসকলক ভুৱা স্বায়ত্ত শাসন দিয়ে । যাৰফলত মিচিংসমাজত সৃষ্টি হ'ল দুটা শ্ৰেণী- শোষক আৰু শোষিত । এম. এ. চি লৈ কোটি কোটি টকাৰ অনুদান ভাগ-বাটোৱাৰ হ'ল, হৈছে আৰু হ'ব নিৰ্বাচনী চুক্তিমতে। এম. এ. চি. এতিয়া কেৱল ৰাজনৈতিক নেতা আৰু ছাত্ৰ নেতাৰ সোণৰ কণীপৰা হাঁহ । এম. এ. চি. ৰ বয়স আজি ১৮ বছৰ। যিহেতু জন্মলগ্নৰ পৰা এম. এ. চি. খন পয়ালগা আছিল আৰু নামত মিচিংসমাজত আৰ্থ-সামাজিক দিশত কোনো লক্ষনীয় অৱদান দিব নোৱাৰিলে যোৱা ১৮ বছৰে। সুদীৰ্ঘ ১৮ বছৰৰ মুৰত মিচিং স্বায়ত্ত শাসিত পৰিষদ চমুকৈ এম এ চিৰ নিৰ্বাচন ঘোষণা কৰি এই বছৰ অৰ্থাৎ ২০১৩ চনৰ যোৱা ৩ আৰু ৭ অক্টোবৰত প্ৰথম বাৰৰ বাবে অনুষ্ঠিত নিৰ্বাচনত মুঠ ৩৪ খন আসনৰ ৩১ খনতেই সন্মিলিত গণশক্তি, অসম দলৰ প্ৰাৰ্থীয়ে জয়লাভ কৰে আৰু এই পৰিস্থিতিত সন্মিলিত গণশক্তি, অসম দললৈ আহিছে এটা সোণালী সুযোগ। বহুপ্ৰতীক্ষাৰ অন্তত মিচিং স্বায়ত্ত শাসিত পৰিষদ নিৰ্বাচন পতা আৰু নিৰ্বাচিত গৰিষ্ঠ সংখ্যক সদস্য সন্মিলিত গণ শক্তিৰ হোৱা হেতুকে মিচিং জনগোষ্ঠীৰ বহুতেই অতি আগ্ৰহেৰে অপেক্ষা কৰিছে-তেওঁলোকৰ সংগ্ৰামী নেতাসকলে মিচিং সমাজৰ উত্তৰণৰ বাবে আগন্তুক পাঁচ বছৰীয়া কাৰ্যকালত বহু অনেক জনহিতকৰ কাম কৰিব। নতুনকৈ জয়লাভ কৰা একাংশ কাৰ্যবাহী সদস্য ৰাজনীতিত পুৰণি; অভিজ্ঞ । তদুপৰি মিচিং অধুষ্যিত এলেকাৰ

বায়ুপানীৰ লগত তেখেতসকলৰ বহুপৰিমাণে চিনাকী ও অভ্যস্ত। তেনে অভিজ্ঞৰাজনীতিকে সচাকৈয়ে জনগোষ্ঠীটোৰ উন্নয়ণ সম্ভৱ কৰি তুলিব পাৰিবনে ? হাজাৰ হাজাৰ লোকৰ বাবেই এইটোৱেই লাখটকীয়া প্রশ্ন। তেন্তে এম এ চি য়ে কৰিব কি? এম এ চিৰ প্রতিজন কার্যবাহী সদস্যই পোন প্রথমে কৰিবলগা কামটো হ'ল-স্বায়ত্ত শাসন সম্পৰ্কীয় যিখন আইনৰ জৰিয়তে পৰিষদৰ নির্বাচন অনুষ্ঠিত হৈছে, সেই আইনখন পুনৰ এবাৰ খৰচিমাৰি পঢ়া উচিত। আইনৰ দফাসমুহ সকলো মিচিংলোকে জনাটো অতিব প্রয়োজন। আইনখনৰ প্রস্তাৱনাত যিখিনি কথা আছে সেইখিনি প্রতিজন সদস্যই হৃদয়ঙ্গম কৰিব পাৰিলে অথবা তেওঁলোকৰ অন্তৰাত্মাক জোকাৰি গ'লে সেইমৰ্মে পদক্ষেপ ল'লে আমি ভাবো মিচিং সমাজৰ আৰ্থসামাজিক আৰু সাংস্কৃতিক জীৱন সুন্দৰভাৱে বিকশিত হ'ব।

সমগ্র জনগোষ্ঠীৰ মূল সমস্যা কি, সেয়া পৰিষদ বৰ্গৰ বাবে অচিনাকী প্রশ্ন নহ'ব। মূল সমস্যাৰ ভিতৰত আটাইতকৈ স্পৰ্শকাতৰ সমস্যাটো কি? কোনটো সমস্যাক এম এ চিয়ে প্রাধ্যান্য দিব আগন্তুক সময়ছোৱাত মিচিং সচেতন মহলৰ লগতে সংবাদ মহলেও এই বিষয়ে চকু ৰাখিব । বান গঢ়াখহনীয়াই গৰিষ্ঠ সংখ্যক নৈপৰীয়া মিচিংক ইতিমধ্যে যথেষ্ট দুৰ্বল কৰি তুলিছে। নিৰক্ষৰতাৰ হাৰ তুলনামূলক ভাৱে মিছিং সমাজতেই বেছি। তদুপৰি মানবিশিষ্ট শিক্ষাৰ বুনিয়াদ গঢ়াৰ ক্ষেত্রত মিচিংসকল বহু পিছপৰি আছে। ব্রহ্মপুত্রৰ পাৰত থকা মিচিং অধ্যুষিত অঞ্চলবোৰত এই সমস্যা অধিক প্রকট। মানৱ সম্পদ বিকাশৰ বাবে সুবিবেচনাৰে এম. এ. চিৰ নৱনির্বাচিত সদস্যসকলে এই দিশতো পর্যবেক্ষণ কৰিব পাৰে । লগতে স্বাস্থ্যৰ ওপৰতো গুৰুত্বপূৰ্ণ পদক্ষেপ গ্রহণ কৰাৰ প্রয়োজন আছে বুলি ভাবো। আজি বিশ্বায়িত ধৰাত প্রকৃত অৰ্থত শিক্ষিত নহ'লে নিজকে কঠিন সংগ্রামত যোগ্যৱান বুলি পৰিচয় দিব নোৱাৰিব। চীনদেশীয় প্রবাদ অহা এশ বছৰৰ কথা চিন্তা কৰিলে শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগে, আনহাতে এবছৰৰ চিন্তা কৰিলে খাদ্য শস্যৰেৰ উৎপাদন আৰু বিশ বা ত্রিশ বছৰৰ চিন্তা কৰিলে বৃক্ষ ৰোপনত গুৰুত্ব দিব লাগে । শিক্ষাৰ গুৰুত্ব অধিক বুলি ভাবো। প্রকৃত শিক্ষাই সু-স্বাস্থ্য সাধনৰ বিষয়ে জনসাধাৰণক সজাগ কৰি ৰাখিব বুলি আশা কৰিব পৰা যায়।

যোৱা ১৮ বছৰে এম. এ. চিক অসম চৰকাৰৰ বিত্তীয় নীতি-নিয়ম সম্পূৰ্ণকৈ মানি চলাৰ দৃষ্টান্ত নাই বুলিব পাৰি। বৰঞ্চ দুনীতিৰে ভূতে জন্মলগ্নৰ পৰাই বাহ লৈছিল বুলি ক'ব পাৰি। ২০০৯ চনৰ সংগ্ৰামী যুৱনেত্ৰাসকলৰ নেতৃত্বত পৰিচালিত এম. চি খনকো দুৰ্নীতিৰ অভিযোগৰ আধাৰতেই ভংগ কৰা হৈছিল। এই নৱ নির্বাচিত আটাইবোৰ সদস্যৰ বাবেই মৌলিক বিত্তীয় নীতি নিৰ্দেশনাৰ সৈতে পৰিচয় কৰাবলৈ পৰিষদ গঠন কৰাৰ লগে লগে প্রয়োজন ভিত্তিক তিনদিন বা এসপ্তাহৰ প্রশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। নৱ-নিবাচিত সদস্যসকল নৱ-প্রজন্মৰ সেয়ে এনে বিত্তীয় প্রশিক্ষণে তেওঁলোকক আজীৱন কৰ্মক্ষম হোৱাত সহায়ক হয়। এইক্ষেত্রত অসম চৰকাৰৰ বিত্তমন্ত্রালয়ে দায়িত্ব সহকাৰে সহায় সহযোগ আগবঢ়াব লাগে। দ্বিতীয়তে, প্ৰশাসনীয় কার্যালয় সুচাৰুৰূপে চলাবলৈ যিমানবোৰ বিষয়া কৰ্মচাৰীৰ প্রয়োজন, সোখিনি মানৱ সম্পদৰ ব্যৱস্থাও অবিলম্বে কৰিব লাগে।

প্রসংগক্রমে উল্লেখ কৰিব খোজা-এম. এ. চি এলেকাত ৰাজ্য আৰু কেন্দ্রীয় চৰকাৰৰ দ্বাৰা পৰিচালিত অলেখ আঁচনি গাঁৱে-ভূৱে চলি আছে, লগতে এম এ চি এলেকাত পঞ্চায়তীৰাজ ব্যৱস্থাৰ আঁচনিবোৰ এম এ চি এলেকাত পঞ্চায়তীৰাজ ব্যৱস্থাৰ আঁচনিবোৰ ৰূপায়িত হৈ ৃাছে। গ্ৰামাঞ্চলৰ আঁচনিৰ প্রয়োভৰ ঘটিছে আৰু পুঁজিৰ অভাৱ হোৱা নাই। গতিকে এম এ চি লৈ এনেকৈ পুঁজি আৱণ্টন হ'ব বুলি আশা কৰা নাযায়। সেয়ে যিখিনি পুঁজি হাতলৈ আহিব, পুঁজিৰ উপযুক্ত ব্যৱহাৰ কৰিব লাগে। ইমানবোৰ আঁচনি প্রচলনৰ মাজতো সজাগতাৰ অভাৱত অথবা বিভাগীয় হেমাহিৰ বাবে প্ৰায়বোৰ গাঁৱতে কিছুমান পৰিয়াল বাদ পৰিব পাৰে। সেয়ে নৱগঠিত এম এ চি আঠখন জিলাত সিঁচৰিত হৈ থকা মিচিং গাঁওবোৰত জৰীপ কৰিব লাগে। যি সকল লোক আঁচনিৰ পৰা বঞ্চিত হৈছে, সেইসকলৰ বাবে বিশেষ ব্যৱস্থা গ্রহণ কৰা প্রয়োজন। সেইদৰে হয়তো কৃষি, পশু পালন, মীণ, ৰেচম আদি বিভাগবোৰতো মন দিব লগা দিশ ওলাব।

ভূমি-ৰাজহ সম্পৰ্কীয় অধিকাৰ নাথাকিলেও এম এ চি য়ে আগন্তুক পাঁচ বছৰত লাভ কৰা দপ্তৰসমূহ সঠিক পৰিকল্পনাৰে আগবঢ়াই নিলে মিচিং জনগোষ্ঠীৰ প্রভূত উন্নতি হ'ব। তাকে নকৰি আত্ম প্রতিষ্ঠাৰ দৌৰত, ঐশ্বৰ্যৰ লালসাত এম এ চি য়ে হাজাৰ ঠিকাদাৰৰ সৃষ্টি কৰিলে কুটুমে কুটুমক কাটি বাচি খোৱাৰ বাদে আন কিবা হ'ব বুলি আশা কৰিব নোৱাৰি।

নতুন এম এ চি য়ে মিচিং সমাজক নেতৃত্ব দিয়ক, আনহাতে মিচিং সমাজে প্রতি নিয়ত এম এ চিৰ লেকাম নিয়ন্ত্রন কৰক। এয়া হ'ব জনগোষ্ঠীটোৰ উন্নতিৰ দৌৰত অৱশ্যে পালনীয় কৰ্ত্তব্য।

# মিচিং ভাষা সাহিত্যত ওমলা গীতৰ (কঃনিনাম) ৰেঙনি

**মিনতি পেগু (দলে)**
**যোৰহাট**

অসম এখন বৈচিত্ৰ্যময় ৰাজ্য। ই লোক-সংস্কৃতি তথা লোক গীত সমূহতো অতিকৈ চহকী, বিভিন্ন জাতি আৰু সমাজ সংস্কৃতিৰ বাহক হিচাপে বিভিন্ন স্তৰত পৰিচয় দিয়ে। লোকগীত সমূহ সমাজৰ দাপোন স্বৰূপ। ই মৌখিকভাৱে চলি অহা চহা মানুহৰ প্ৰাণত সঞ্চাৰিত এক অকৃত্ৰিম বহিঃপ্ৰকাশ। ইয়াত মানুহৰ সুখ-দুখ, আনন্দ-বিষাদ, জাতীয় সমস্যা আদিৰ এক সামাজিক প্ৰতিচ্ছবি ফুটি উঠে। এই লোকগীত সমূহ হৈছে নিচুকনি গীত, বিহুগীত, বিয়ানাম আদি ।

উত্তৰ পূৱ ভাৰতৰ এখন উল্লেখযোগ্য ৰাজ্য। ইয়াত বিভিন্ন জাতি-উপজাতিৰ স্বঃ স্বঃ বৈশিষ্ট্য অটুট ৰাখি বসবাস কৰি আছে। মিচিং জনজাতি সকল ইয়াৰ এটা অন্যতম অঙ্গ । মিচিং জনজাতি সকলৰ ধৰ্মীয় পৰম্পৰা, নিজস্ব সংস্কৃতি, ৰীতি-নীতি, উৎসৱ-পাৰ্বন আদিৰে ভৰপুৰ। এনে নিজস্ব পৰম্পৰাগত লোকগীত, নিচুকনি কঃনিনামৰ গুৰুত্বপূৰ্ণ স্থান আছে। এই নিচুকনি কঃনিনাম গীতবোৰ ভিন্ন সুৰেৰে শিশুৰ বাবে গোৱা দেখা যায়। এই গীতবোৰ অতীতৰ পৰা প্ৰচলিত হৈ আহিছে যদিও বৰ্তমান দিনক দিনে হেৰাই যোৱা যেন অনুভৱ হৈছে। এই গীতসমূহত গ্ৰাম্য বিশ্বাস তথা গ্ৰাম্য মনৰ ৰসাল সৃষ্টিধৰ্মিতা নিদৰ্শন স্বৰূপাৰ্থত প্ৰকাশ কৰা দেখা যায় । নিচুকণী গীত মিচিংত কঃনিনাম। এই গীত সমূহ শিশুক চোৱা-চিতা কৰা বা কেঁচুৱাক পিঠিত লোৱা নীবৃং’ আৰু শিশুৰ মাতৃয়ে গোৱা গীত। শিশুৰ মনক খোৰাক যোগাবৰ বাবে মাতৃ বা নীবৃং সকলে বিভিন্ন সময়ত বিভিন্ন গীত মাত সৃষ্টি কৰি আহিছে।

শিশু সদায় কল্পনা বিলাসী। কল্পনাৰ অনুভূতিক গুণৰ বাবেই শিশুসকল কিছু অসংলগ্ন কথা ভাবি ভাল পায় । এনে মানসিকতা বুজি মিচিং সমাজত মাক আৰু নীবৃং সকলে সময়ৰ স্তৰে স্তৰে এইআপুৰুগীয়া নিচুকনি গীত সমূহ সৃষ্টি কৰিছে।

অতীতৰ পৰা নিচুকনি কঃনিনামত আছে শিশু মনৰ মনস্তাত্তিক দিশ ফুটি উঠাৰ উপৰিও ইয়াত আছে শিশুৰ কলাসুলভ উপাদান আৰু মাতৃভাষাৰ অভিব্যঞ্জনা অন্তনিৰ্হিত হৈ আছে। শিশু মনৰ গুণ, স্বভাৱ, তত্বজ্ঞান, সমৃদুভাৱ, অনুভূতি স্ফুলিত হৈ থকা এক নিবিড় সমাজ। শিশুৰ অশান্ত মন জয় কৰে এই কঃনিনাম গীতেৰে। বাটত বা ঘৰৰ চোতালত পিঠিত বন্ধা অৱস্থাত শিশুৰ মনস্তত্ব অধ্যয়ন কৰি এটি শ্ৰুতিমধুৰ সুৰৰ ধাৰাৰে শিশুৰ অন্তৰ জয় কৰে। এনেবোৰ গীতেৰে শিশুৰ জটিল দুৰ্বোধ সাথৰ ভাঙে। শিশুৰ প্ৰতিকীস্বৰূপ মননশীল ব্যঞ্জনাময় ভাষা জগাই তোলা হয়।

শিশুৱে কথা কোৱাৰ আগতে কান্দিবলৈ শিকে। মাতৃগৰ্ভৰ পৰা ভূমিষ্ঠ হৈয়ে শিশুৱে কান্দে, অনুভৱ কৰে মাতৃ বা নীবৃংৰ হাতৰ পৰশত কন্দা-হহাঁ সকলো শিকে । ব্যস্ত মাতৃ বা নীবৃঙে বুকুত বা পিঠিত সংলগ্ন বোকোচাত মুৰ গুজি শুৱলৈ শিকাৰ পৰাই সাংস্কৃতিক সপোন দেখে, কথা কবলৈ শিকে তেতিয়াইনীবৃং বা মাতৃয়ে “আৰই” শব্দ উচ্চাৰণ কৰি মধুৰ সুৰৰ বিমল আনন্দদায়ক কৰি তুলিবলৈ নিচুকনি গীত গায় ।

নিচুকনি কঃনিনাম সমূহ উল্লেখ কৰিবলৈ প্ৰয়াস কৰিছো।

১।

**কউৰৱা কাপপঃয়ক**
**পীক্ কাউৱী দীঃমাদা**
**দীদঃ দম কাপলাংকা দীৱৰই**

ইয়াত মইনাক সম্বোধন কৰি নাকান্দিবলৈ কৈছে কপৌ চৰাই উৰা নাই উৰিলেহে কান্দিবা এনে শুভাশীষ সিজ স্নেহেৰে কামনা কৰি শিশুক ওমলোৱা হয়। এনেদৰে শিশুৰ বাৎসল্য প্ৰেম জাগি তুলায় ।

২/

**কৰউ কী বাঃবুবু বজাৰ কী গৃকানী**
**গালু গীম ৰীৰম বিল গায়কুপ অই**

মৰমৰ মইনাৰ বাবে দেউতাই বজাৰলৈ গৈ নতুন চোলা-কাপোৰ আনি দিয়াৰ প্ৰলোভন শুনাই আমনি নকৰিলে বাবে বুজনি দিয়ে ।

৩/ অ লৌ লী পী লী লী
বৰগালি মিতুবা দীম
চিৰাম্বু 'কমনা
দুক্কাঃনী না—

ইয়াত বৰতীয়া উদে বৰালি মাছৰ মাথা মুখত কামোৰ মাৰি উধাতু খাই লৰি যোৱা কামোদ লগা কথাৰে নীবৃঙে সপোন দেখুৱাৰ বিচাৰে ।

৪/ পঃল কীত দীন দীন্তা
তাকাৰ কীত দীন দীন
নীচুবকী নীয়ুবকী দম বি কু—

অৰ্থাৎ চন্দ্ৰ দৰে পোহৰ, তৰাৰ দৰে জিলিকি জ্যোতিষ সকলতকৈ দিপ্তীমান হৈ অপৰিষ্কাৰ বোৰ লুকাই পৰাৰ কথা কয়।

৫/ তীলী চিন মুককাণ্ডী বীলীচিন মুকু কাঙা
পী গদদা মুকচুবী য়াৰিআঁ
মুকচুব কী অয়ীদ গোকায়ী আপপুনী
পুনদেৰী পুনৱেৰ ৰা দুং।

উধঃ অধঃ চাৰিওফালে ডাৱৰে ঢাকি আছে। নৈৰ দাঁতিত কুঁৱলি সেই কুঁৱলিৰ মাজতে বিজুলীও মাৰিছে । তাৰ মাজত ডাৱৰ ফালি এপাহ ৰঙাফুলৰ দৰে ৰ'দ কাঁচলি ওলাই অহাৰ কথাৰে মধুৰ টোপনি নিয়াবলৈ নীবৃঙে নিচুকনি গীতৰ জোৰ টানে।

৬/ আ-ত্ম-অই আ-অ-ৰ-অই
কুংগক পী ইতেইকা
কক্ কুপং পাঁই ইতেইকা
অৰ অৰ অই—।

মৌ ৰসৰ দৰে ৰসাল হওক, মিঠাহঁতক মইনাক মৌ বিচনীৰ লগতো তুলনা কৰি প্ৰতিকী ৰূপত মননশীল বাক্য ব্যঞ্জনাময় ভাষা জগাই তুলিব বিচাৰিছে।

৭/ অইয়উবা কাপ্ পয়ক কাপিলা কাপ্দুনী
য়ুঃমী য়ঃৰাল মেনদাৰুং গৃগদাগ
তাত বেগলা গামবম কুপীকী দীৱই।

আন্ধাৰ ৰাতি শিয়ালী ঘুৰি ফুৰি থাকে তোমাৰ কন্দা শুনি পালে শিয়ালী আহি নিবগৈ এইদৰে গীতৰ সুৰেৰে মইনাক শান্তনা দিয়ে।

৮। উলুক্ কী ক ৰউব্ য়ুবপয়ীপ দাই
বাৰিয়ল বুগাৰি লেয়ী পী
কৰাদক বুগাৰি মিননা অৰিয়াপ
কৰউবৃ অঃলা দয়ীপী অই।

মইনাই শুব। বাৰীত বগৰি ৰুব, বগৰি ৰুই পকি সৰিলে মইনা বুতলি খাব। ডাঙৰ হৈ এনে কল্পনা প্ৰৱনতাৰে মইনাক নিচুকায়

৯/ আঃনী ৰুয়িদ তাক্ কৃৰী আম্ংক
জাঙ্কপলা জালাপলা দুঙ অই
তাক্ কৃৰ কী তায়ীদঃবৃৰীম তাঃবৃকঃ
অকুবলা জ্বলাবলা দঙ অই
তলপী অপীয়ী বলপী অপীয়ী
তাক কীকী তনি নায় ।

নৈ গড়া কাষত ডিমৰু গছজোপাত ডাল-পাত জিলিকি আছে। তাতে অজগৰ এটা উঠি ইফাল-সিপাল কৰি উজাই যাবনে ভটিয়াই যাব তাৰ কোনো দিশ ল'ব নোৱাৰা অস্থিৰ অৱস্থাক কল্পনাৰ মাজেৰে নিচুকাব বিচাৰিছে ।

১০/ আ-ৰী-ৰী ৰূক্কয়া বী-ৰী-ৰী বৃক্কয়া
দাক্তক বগ চম্পাফুলি আঁ।
কউৱউকী আনীদী আগেৰীম গেৰামমাং
গেৰাবমূল লাঃয়ীকুব দীই।

মিঠাগোন্ধৰ চম্পাফুলৰ কথাৰে চঞ্চল মনক মাৰ্জিত কৰিবলৈ মাক কামৰ আজৰি হ'লেই কোলাত লোৱাৰ লোভেৰে নিচুকনি দিবলৈ বিচাৰে ।

মিচিং ভাষা সাহিত্যত লোকগীতত কংনিনামৰ এক বহল ক্ষেত্ৰ আছে। ইয়াত থুলমূল আভাসেৰে মিচিং ভাষা সাহিত্যৰ লগতে লোক সংস্কৃতিৰ এক সামান্য উদাহৰণ। মিচিং ভাষা সাহিত্যত প্ৰচাৰ, প্ৰসাৰ পৰিবৰ্দ্ধনৰ বাবে সমাজৰ দৃষ্টি আকৰ্ষণ মাত্ৰভা মিচিং লোক গীত, লোক সাহিত্য আপুৰুগীয়া সম্পদ স্বৰূপ। এই নিচুকনি গীত বা কঃনিলাম কালৰ বুকুত হেৰাই নোযোৱাৰ আগলৈ ।

# "গণতান্ত্ৰিক দেশত ছাত্ৰ-ছাত্ৰী আৰু ৰাজনীতি"

**বীৰেন দলে**
**চাৰিঘৰীয়া গাঁও**

দেশৰ জনসাধাৰণে নিজে নিজক শাসন কৰিব পৰা ব্যৱস্থাই হ'ল গণতান্ত্ৰিক চৰকাৰ। আব্ৰাহাম লিংকনৰ মতে "গণতন্ত্ৰ চৰকাৰ হ'ল জনসাধাৰনৰ বাবে জনসাধাৰনে গঠন কৰা জনসাধাৰনৰ চৰকাৰ। ইয়াৰোপৰি এৰিষ্ট'টলৰ সংজ্ঞাত কৈছে যে-"গণতন্ত্ৰ চৰকাৰ হ'ল বহুতো দুখীয়া চৰকাৰ"। গণতন্ত্ৰ দেশ এখনৰ ৰাজনীতিত ছাত্ৰৰ ভূমিকা আৰু কৰ্ত্তব্য সম্পৰ্কে সম্যকভাৱে চিন্তা কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীৰ দায়িত্বজ্ঞান আৰু কৰ্ত্তব্যবোধ, গণতান্ত্ৰিক দেশৰ বৈশিষ্ট্য আৰু ৰাজনীতিৰ তাত্বিক আৰু প্ৰায়োগিক উভয় দিশৰ বিষয়ে বিশদ আলোচনা কৰা প্ৰয়োজন হৈ পৰে। এখন ৰাষ্ট্ৰৰ সভ্যতা- সংস্কৃতি, উন্নতি অৱনতি, ৰাজনীতি-সমাজনীতি আৰু অৰ্থনীতিৰ বিৱৰ্তন নিৰ্ভৰ কৰে। ৰাষ্ট্ৰৰ নাগৰিক সকলৰ ওপৰত । আজিৰ ছাত্ৰ-ছাত্ৰীকালিলৈ দেশৰ নাগৰিক হোৱা হেতুকে ছাত্ৰ-ছাত্ৰীৰ জীৱনতো তেওঁলোকে, গণতান্ত্ৰিক দেশৰ নাগৰিকৰ দায়িত্ব, কৰ্তব্য আৰু অধিকাৰ সম্পৰ্কে উপযুক্ত জ্ঞান লাভ কৰি সু-শিক্ষাৰে শিক্ষিত হৈ ব্যক্তিত্বৰ বিকাশ সাধন কৰিব পাৰিলেহে গণতান্ত্ৰিক চৰকাৰ সম্পূৰ্ণভাৱে কৃতকাৰ্য হোৱাৰ কামনা কৰিব পাৰি। বৰ্ত্তমান যুগত ছাত্ৰ-ছাত্ৰীৰ ওপৰত ৰাজনীতিৰ প্ৰভাৱ অতি বেছিকৈ পৰা হেতুকে তেওঁলোক গণতন্ত্ৰ চৰকাৰ খনত কেনেধৰণৰ ভূমিকা লোৱা উচিত, সেই বিষয়ে শুদ্ধ ভাৱে জনাৰ আৱশ্যক হৈ পৰিছে। মানুহৰ জীৱনটো যে নিজৰ সুস্থিৰ জ্ঞানেৰে শৃংখলাবদ্ধভাৱে উন্নতি পথত আগবাঢ়িব লাগে সেই কথা মনত ৰখাটো নিতান্তই প্ৰয়োজন। এজন দাৰ্শনিকে সংজ্ঞা দি থৈ গৈছে যে "গণতন্ত্ৰ হ'ল এনে এক প্ৰকাৰৰ চৰকাৰ য'ত শাসকীয় গোটটো তুলনামুলকভাৱে জনসাধাৰণৰ এটা বৃহৎ অংশ"। গতিকে যিবোৰ নীতি-নিয়মৰ ওপৰত ভিত্তি কৰি গণতান্ত্ৰিক সমাজ এখন বৰ্তি থাকে নাইবা গণতান্ত্ৰিক চৰকাৰ এখনে কাৰ্য পৰিচালনা কৰে তাকে গণতন্ত্ৰৰ মূল বৈশিষ্ট্য বুলি জনা যায়। গণতান্ত্ৰিক চৰকাৰ খনত ৰাজনৈতিক সমতা আৰু স্বাধীনতা, সহনশীলতা, সংখ্যাগৰিষ্ঠৰ শাসন, জনপ্ৰিয় সাৰ্বভৌমত্বৰ শাসন, মুক্ত সমাজ ব্যৱস্থা চৰকাৰ পৰিৱৰ্ত্তনৰ সাংবিধানিক উপায় আদিয়েই প্ৰধান বৈশিষ্ট্য বুলি কব পাৰি । "ৰাজনীতি" নামটো প্ৰথম ব্যৱহাৰ কৰিছিল গ্ৰীক দাৰ্শনিক এৰিষ্টটলে নগৰ ৰাষ্ট্ৰ পৰিচালনা নীতি সম্বলিত বিষয়টোক ৰাজনীতি বোলা হৈছিল। ৰাজনীতি এটা কলাহে। "ৰাজনীতি" চৰকাৰী নীতি তৈয়াৰ কৰা এটা প্ৰক্ৰিয়াহে। যি শাস্ত্ৰই ৰাষ্ট্ৰ আৰু চৰকাৰ গঠন কাৰ্য, ইয়াৰ অতীত বৰ্তমান আৰু সম্ভাব্য ভৱিষ্যত সম্পৰ্কে ক্ৰম আৰু শৃঙ্খলা ৰক্ষা কৰি বিশ্লেষণ আৰু আলোচনা কৰে সেই শাস্ত্ৰকে ৰাজনীতি বিজ্ঞান বুলি কোৱা হয়। ইংৰাজী শব্দ "Politics" শব্দটো গ্ৰীক শব্দ "Polish" ৰ পৰা নিৰূপণ হৈছে আৰু ইয়াৰ অৰ্থ হল নগৰ। গ্ৰীক দাৰ্শনিক এৰিষ্ট্ৰট'লে ৰাষ্ট্ৰৰ শাসন প্ৰণালী আলোচনা কৰা বিষয়ক Politics বুলি কৈছিল। কিন্তু বৰ্তমান যুগত দেশৰ উদ্যোগিক সমস্যা, নিয়োগ সমস্যা, ভাষা সমস্যা, সাম্প্ৰদায়িক সমস্যা, ওচৰ-চুবুৰীয়া ৰাষ্ট্ৰৰ লগত হোৱা সম্পৰ্কত অৱনতিৰ সমস্যা ইত্যাদি সমস্যাৱলীক ৰাজনৈতিক সমস্যা বুলি গণ্য কৰা হৈছে। বিখ্যাত চিন্তাবিদ বাৰ্নাৰ্ডশ্বই এইবুলি মন্তব্য কৰিছিল যে "কেৱল ৰাজনীতি বিজ্ঞানেহে মানৱ সভ্যতাক নিৰাপদ কৰি ৰাখিব পাৰিব।" ৰাজনীতি বিজ্ঞানে আন্তঃৰাষ্ট্ৰীয় ঘটনাৱলী, ৰাজনীতি আন্দোলন এখন ৰাষ্ট্ৰীয় বিভিন্ন সমস্যাৱলী আৰু ৰাজনৈতিক দলবিলাকৰ নীতি আৰু কাৰ্যক্ৰমনিকা আদি বিষয়সমূহৰ নাগৰিকসকলে সম্যকৰূপ জনাত সহায় কৰে। গতিকে ছাত্ৰসকলে ছাত্ৰ জীৱনতে ৰাজনীতি অধ্যয়নৰ মাধ্যমত সুস্থ সৰল উন্নত ধৰণৰ ৰাষ্ট্ৰ গঢ়াৰ কৌশল শিকি লব লাগে যাতে তেওঁলোকে ভৱিষ্যতে দেশৰ

উপযুক্ত নাগৰিক হৈ দেশৰ উদ্ভৱ হোৱা সকলো সমস্যাকে সমাধান কৰিবলৈ সামৰ্থ হয় । পণ্ডিত ৰজনীকান্তদেৱে কৈছে- "ছাত্ৰনাং অধ্যয়ন তপঃ অৰ্থাৎ ছাত্ৰ সকলৰ অধ্যয়নেই তপস্যা। অধ্যয়ন বুলিলে কেৱল লিখা পঢ়াকে নুবুজায় ছাত্ৰ-ছাত্ৰীয়ে যি অধ্যয়নৰ মাধ্যমত শাৰীৰিক মানসিক আৰু আধ্যাত্মিক দিশৰ বিকাশ সাধন কৰিবলৈ সক্ষম হয়, সেইটোহে প্ৰকৃত শিক্ষা। ছাত্ৰ জীৱন অমূল্য মানৱ জীৱনৰ এটা গুৰুত্ব পূৰ্ণ অঙ্গ। শিক্ষা ওপৰত নিৰ্ভৰ কৰে ভৱিষ্যত জীৱনৰ সুখ দুখ মান সন্মান, হৰ্ষ বিষাদ। প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে জীৱনত পৱিত্ৰ সাধক স্বৰূপে একাগ্ৰতাৰে মৌ মাখিৰ দৰে ফুলৰ মৌ আহৰণ কৰি মধু চক্ৰ নিৰ্মাণ কৰিব লাগে। ভৱিষ্যতে দেশৰ উপযুক্ত নাগৰিক হিচাপে চিনাকী দিবলৈ ছাত্ৰ জীৱনতে ৰাজনীতি, সমাজনীতি, অৰ্থনীতি সকলো বিষয়তে অধ্যয়ন কৰি সেই বিষয়ে গভীৰ জ্ঞান অৰ্জন কৰিব লাগে আৰু তাকে নকৰি যি ছাত্ৰই কৰবাৰ সামান্য জ্ঞান লাভ কৰিয়েই মই সকলো জানো বুলি ভাবিলে নিজৰ জীৱনটোকে ধ্বংস কৰাৰ লগতে ৰাষ্ট্ৰৰ উন্নতিৰ পথটো নানা বিপদ বিঘিনি সৃষ্টি কৰায় ।

**ছাত্ৰ-ছাত্ৰী আৰু ৰাজনীতিৰ মাজৰ কেনে সম্বন্ধ হোৱা উচিত** : ছাত্ৰ-ছাত্ৰী আৰু ৰাজনীতিৰ মাজত আপাত দৃষ্টিত নিবিড় সম্পৰ্ক নাথাকিলেও বৰ্ত্তমানৰ গণতান্ত্ৰিক দেশসমূহত পৰোক্ষভাৱে হলেও ছাত্ৰ-ছাত্ৰী আৰু ৰাজনীতিৰ মাজত এটি সম্পৰ্ক গঢ়ি উঠা দেখা যায়। বৰ্ত্তমান যুগৰ শিক্ষা পদ্ধতিয়ে আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰীক পূৰ্ণ জ্ঞান যোগাব পৰা দেখা নাযায়। বাস্তৱ জগতৰ ভিন ভিন ক্ষেত্ৰত যোগ্যতাৰে নিজৰ দায়িত্ব পালন কৰিব লাগিলে আমি ছাত্ৰ-ছাত্ৰী সকলক প্ৰধানকৈ তিনিটা কথাৰ ওপৰত গুৰুত্বাৰোপ কৰিবলৈ কব লাগিব। সেইখিনি হ'ল শৃংখলাবদ্ধ, সেৱাৰ মনোভাৱ আৰু নেতৃত্বৰ ভিত্তি গঠন। ৰাষ্ট্ৰৰ উন্নতি কামনা কৰা ছাত্ৰ-ছাত্ৰীৰ বিদ্ৰোহাত্মক মনোভাৱ জগাই তোলাৰ পৰিবৰ্তে সংস্কাৰ মূলক মনোভাৱ জগাই তুলিব লাগিব। কিন্তু অতি পৰিতাপৰ কথা বৰ্তমান যুগত ঘৰ-পঢ়াশালি, মহাবিদ্যালয় বিশ্ববিদ্যালয় চাৰিবেৰৰ মাজত কিছুমান ছাত্ৰ-ছাত্ৰীৰ অসংযত আচৰনে কোনো কোনো সময়ত শিক্ষক আৰু অভিভাৱক সকল কিংকৰ্ত্তব্য বিমুঢ় কৰি তোলা দেখা যায়। দেশ বিদেশৰ অশান্ত অৱস্থা, অতীতৰ জাতীয় আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰি মনোভাৱ আৰু দলীয় ৰাজনীতিৰ অন্যায়ৰ প্ৰভাৱত বৰ্তমান ছাত্ৰ-ছাত্ৰী সমাজৰ উশৃংখলতাৰ মনোভাৱ গঢ় লৈ উঠে। নিৰ্বাচন আৰু সু-শাসন ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকলে মনোভাৱ গঢ়ি উঠে। নিৰ্বাচন আৰু সু-শাসন ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীলে মনোযোগ দিলেওঁ দলীয় ৰাজনীতিত সক্ৰিয় অংশ গ্ৰহণ কৰাটো অবাঞ্চনীয় আৰু অনিষ্টকৰ। কিছুমান মানৱতাহীন আৰু কূটনৈতিক পৰায়ন ৰাজনৈতিক নেতাৰ প্ৰৰোচনাত পৰি ছাত্ৰ-ছাত্ৰীসকলে ধ্বংসাত্মকাৰ্যত লিপ্ত হৈ সমাজত অশান্তিৰ সৃষ্টি কৰে। বৰ্ত্তমান গণতন্ত্ৰ দেশত সৰল জটিলতা হীন সাম্প্ৰদায়িকহীন মনোভাৱৰ ব্যক্তিক বিভিন্ন দলৰ ৰাজনৈতিক নেতাসকলে নিজস্বাৰ্থৰ সিদ্ধিৰ কাৰণে ব্যৱহাৰ কৰা দেখা যায়। ছাত্ৰ-ছাত্ৰীয়ে নিজৰ কৰ্ত্তব্য পাহৰি ৰাজনীতি চৰ্চাত লাগিলে তেওঁলোকে ভৱিষ্যত মহান ব্যক্তি হৈ কেতিয়াও দেশৰ উন্নতি সাধন কৰিব নোৱাৰিব। সেয়েহে উপযুক্ত বিবেচনাৰে হৈ ছাত্ৰ-ছাত্ৰী সকলে ৰাজনীতিত অংশগ্ৰহণৰ ক্ষেত্ৰত এটি নিৰ্দিষ্ট গণ্ডীৰ ভিতৰত থকাটোক বাঞ্চনীয়। কিন্তু ৰাজনীতি ছাত্ৰ-ছাত্ৰীৰ অস্পৃশ্য বস্তু নহয়। শিক্ষা আহৰণ কালছোৱাত ছাত্ৰ-ছাত্ৰীয়ে ৰাজনীতি অধ্যয়ন কৰিব লাগে আৰু পিছত নেতাসকলৰ কাৰ্যকলাপলৈ সুক্ষ্ম দৃষ্টি ৰাখি বিভিন্ন ৰাষ্ট্ৰৰ মাজত ৰাজনৈতিক পৰিস্থিতিসমূহ সম্যকভাৱে আলোচনা কৰিব লাগে যাতে ভৱিষ্যতে তেওঁলোকে উপযুক্ত নাগৰিক হৈ প্ৰয়োজন অনুসৰি নেতৃত্ব গ্ৰহণ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা আহৰণ কৰি থকা বা অধ্যয়ন কৰি থকা কালছোৱাতে নিৰৱ সাধনাৰে অশেষ কষ্ট স্বীকাৰ কৰি নিজৰ ব্যক্তিত্বৰ পৰিবৰ্ত্তন ঘটাব নোৱাৰিলে ভৱিষ্যত জীৱনত উপযুক্ত মানুহ হিচাপে চিনাকি দি দেশৰ প্ৰগতিৰ পথত অৰিহনা যোগোৱাটো কঠিন হৈ পৰে।

ছাত্ৰী-ছাত্ৰীয়ে সমাজত সু-শিক্ষাৰে শিক্ষিত হৈ গুণী জ্ঞানী আৰু চৰিত্ৰবান হৈ উঠিলে ভৱিষ্যতে নিশ্চয় এখন সুন্দৰ ৰাষ্ট্ৰ গঢ়িব পাৰিব তাত কোনো সন্দেহ নাই। প্ৰয়োজন অনুসৰি ছাত্ৰ-ছাত্ৰী আৰু ৰাজনীতিৰ মাজত এটি মধুৰ সম্পৰ্ক ৰক্ষা কৰাৰ লগতে প্ৰত্যেক জন ছাত্ৰ-ছাত্ৰীয়ে শাৰীৰিক মানসিক আৰু আধ্যাত্মিক তিনিটা দিশৰে উন্নতি সাধন কৰি

প্ৰকৃত **শিক্ষা**ৰে শিক্ষিত হৈ মানৱ হিচাপে নিজকে প্ৰতিষ্ঠা কৰি নিজৰ জীৱনটো ধন্য কৰাৰ লগতে গনতান্ত্ৰিক দেশৰ জনসাধাৰণৰ মঙ্গল কামনা কৰা জনকে বৰ্ত্তমানৰ প্ৰকৃত মানুহ বুলি কব পৰা যায়

**ৰাজনীতিৰ লগত ৰাষ্ট্ৰৰ সমন্ধঃ-** মনিষী এৰিষ্ট্ৰ টলে কৈছে মানুহ মাত্ৰেই ৰাজনীতিৰ প্ৰতি স্বাভাৱিক আকৰ্ষণ আছে। আৰু প্ৰতিজন লোকৰ জাতীয় প্ৰবৃত্তি আছে, যিটোৱে তেওঁলোকৰ সমাজিক জীৱন পৰিৱৰ্ত্তন কৰি যায়।" এইটো অনস্বীকাৰ্য যে দেশৰ ৰাজনৈতিক পৰিবেশত অংশগ্ৰহণ নকৰিলে শিক্ষা অসম্পূৰ্ণ হৈ থাকে। কিছুমান দাৰ্শনিকে মত পোষণ কৰে যে ছাত্ৰসকলে তেওঁলোকৰ আনন্দময় আৰু শান্তিময় জ্ঞান সাধনাৰ পৰা বিৰত হৈ ৰাজনীতিৰ দৰে বিপদ জনক পৰিৱৰ্ত্তনৰ মাজত প্ৰৱেশ নকৰাটোৱে শ্ৰেয় কিন্তু বৰ্তমান যুগত এই দৃষ্টিভংগী সমৰ্থনযোগ্য নহয় যেন পৰিগণিত। পাঠৰ কাল্পনিক অনুমানিক জ্ঞান ৰাজনীতিৰ বাস্তৱ ক্ষেত্ৰত সক্ৰিয় অংশ গ্ৰহনৰ দ্বাৰা পুৰন কৰা উচিত। দেশৰ সকলো ছাত্ৰই যুদ্ধত লিপ্ত হৈ মাতৃভূমিৰ সন্মান ৰক্ষাৰ্থে কৰা আন্দোলন, বহিৰাগত সমস্যা আন্দোলন আদিতো ছাত্ৰ-ছাত্ৰীৰ বুকুৰ কেঁচা তেজ দিবলৈ কুণ্ঠাবোধ কৰা নাই কাৰণেই অসমী আইৰ শিৰৰ সেন্দুৰ ফুট শত্ৰুৱে মোহাৰিব পৰা নাই । গতিকে ছাত্ৰ-ছাত্ৰী আৰু ৰাজনীতিৰ মাজত তথা ৰাজনীতি আৰু ৰাষ্ট্ৰৰ মাজত নিবিড় সমন্ধ নাথাকিলেওঁ বৰ্তমান গণতান্ত্ৰিক দেশসমূহত পৰোক্ষভাৱে হলেওঁ এটি মধুৰ সম্পৰ্ক থকা দেখা যায়।

**প্লেটোৱে কৈছিল** : "এখন সুস্থ সৰল সমাজ গঢ়িবলৈ হ'লে ৰাষ্ট্ৰৰ শাসকসকলে দাৰ্শনিক হ'ব লাগিব" অৰ্থাৎ অতিজ্ঞানী লোক সকলৰ দ্বাৰা ৰাষ্ট্ৰখন পৰিচালিত কৰা অতীৱ প্ৰয়োজন। ৰাজনীতিয়ে ৰাষ্ট্ৰৰ মাথোন ক্ৰিয়াত্মক বা ব্যৱহাৰিক দিশটোহে সামৰি লয়। ৰাজনীতি ৰাজ্যৰ কাৰ্যাৱলীৰ সঞ্চালনৰ ভিতৰত সীমাবদ্ধ আৰু পৰিসৰ সীমিত।

প্লেটো, এৰিষ্ট'টল হেগেল, পিনোজা আদি মনিষীসকলে ৰাজনীতি শাস্ত্ৰক নীতি শাস্ত্ৰৰ অঙ্গ বুলি বিবেচনা কৰি কৈছিল যে "সৰ্ব্বসাধাৰণ লোকৰ ইচ্ছা-আকাংখ্যাই কোনো এখন ৰাষ্ট্ৰৰ নৈতিক ভেটি হ'ব লাগে শাসকৰ স্বেচ্ছাচাৰী নহয়।" সেয়েহে গণতান্ত্ৰিক ৰাষ্ট্ৰত জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত সদস্যসকলে নিৰ্ব্বাচনত অংশ গ্ৰহণ কৰাৰ আগতে নাগৰিকৰ সকলো সমস্যাৱলীসমাধান কৰিম বুলি আন্তৰিকতাৰে প্ৰতিজ্ঞাবদ্ধ হোৱাটো বাঞ্চনীয়। ছাত্ৰ-জীৱন অমূল্য মানৱ জীৱনৰ এটা গুৰুত্বপূৰ্ণ অঙ্গ। স্বাধীনতাৰ সময়ত ভাৰতবাসীৰ ছাত্ৰ-ছাত্ৰীসকলে ৰাজনীতিত অংশ গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল যদিওঁ স্বাধীনতাৰ পৰৱৰ্তী কালত দৃষ্টিভংগীৰ পৰিৱৰ্তন হ'ল । এতিয়া ৰাষ্ট্ৰৰ উন্নতি কামনা কৰা ছাত্ৰ-ছাত্ৰীৰ বিদ্ৰোহাত্মক মনোভাৱ জগাই তোলাৰ পৰিবৰ্তে সংস্কাৰমূলক ভাৱ জগাই তুলাই দেশৰ জনসাধাৰণৰ কাম্য।

## মহৎ লোকৰ বাণী

# শিক্ষাই হৈছে মূল উপায় যি মানৱ জীৱনলৈ সুখ শান্তিৰে নিজৰা বোৱাই আনিব পাৰে।

## – এৰিষ্টটল

# নগৰীয়া মিচিং সমাজ আৰু সংস্কৃতি

**মনোজ কুমাৰ মিলি**

মিচিং সকল উজনি অসমৰ আঠখন জিলাৰ উপৰিও অৰুণাচল প্ৰদেশত বাস কৰে। নদী-উপনদী সমূহৰ কাষৰীয়া অঞ্চলত মিচিং গাঁওসমূহ দেখা যায়। বাঁহ, বেত, খেৰ, কাঠ আদিৰে নিৰ্মান কৰা চাংঘৰেই হ'ল মিচিং সকলৰ বাসগৃহ। তেওঁলোক প্ৰধানকৈ কৃষিৰ ওপৰত নিৰ্ভৰশীল। নৈৰ পলসুৱা উৰ্বৰা মাটিত আহু ধান, বাওঁ ধান, মাহ, সৰিয়হ, শাক-পাচলি আদি শস্যৰ খেতি কৰি তেওঁলোক জীৱন নিৰ্ব্বাহ কৰে। গৰু, ম'হ, ঘোঁৰা, হাতী, গাহৰি, কুকুৰা, ছাগলী, হাঁহ, পাৰ আদি পালন কৰি তেওঁলোক অৰ্থনৈতিক ভাৱে স্বাৱলম্বী হোৱা দেখা যায়। তেওঁলোকৰ স্বকীয় ভাষা, কলা সংস্কৃতি, ৰীতি-নীতি, জীৱন-যাপনৰ প্ৰণালী, ঘৰ-বাৰী আৰু খাদ্যাভাস সুকীয়া। মিচিং মহিলা সকল নিজে হাতে বোৱা কাপোৰৰ সাজ-পাৰ পৰিধান কৰে। অসমৰ ভিন্ন জাতি-উপজাতিৰ ভিতৰত মিচিং সকলেও নিজা ভাষা-কৃষ্টি সংস্কৃতি জীয়াই ৰখাৰ লগতে অসমীয়াভাষা আৰু জাতি গঠনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে আৰু বৈচিত্ৰতাৰ মাজত ঐক্য সংহতি ৰক্ষা কৰি আহিছে।

বৰ্তমান শিক্ষিত লোক সকল গাওঁ এৰি নগৰমুখী হোৱাৰ প্ৰৱনতা দেখা গৈছে। নগৰত বাস কৰাৰ পাছতেই গাঁৱৰ ৰীতি নীতি সমূহ প্ৰায়েই সলনি হয়। নগৰীয়া সমাজ আৰু পৰিবেশৰ প্ৰভাৱত নিজ ভাষা আৰু সংস্কৃতি ও ক্ৰমান্বয়ে পাহৰি যাবলৈ লৈছে। মিচিং লোক সকল নগৰমুখী হ'লে মিচিং তথা ভাষা সংস্কৃতি প্ৰগতিৰ পথত আগবাঢ়িব নে ধ্বংস হ'ব এয়া আলোচ্য বিষয়। এইখিনি বিচাৰ কৰিবলৈ যাওঁতে মিচিং লোক সকল নগৰমুখী হোৱাৰ কাৰক সমূহ পৰ্য্যালোচনা কৰা হওঁক।

**১। চাকৰি সূত্ৰে** ঃ বৰ্তমান মিচিং সকলৰ মাজত শিক্ষিতৰ হাৰ যথেষ্ট বৃদ্ধি পাইছে, যদিও চৰকাৰী চাকৰিয়ালৰ সংখ্যা তেনেই নগন্য। ২০০১ চনৰ লোক পিয়ল মতে, মিচিং সকলৰ সাক্ষৰতাৰ হাৰ ৩৭.৬৬ শতাংশ। তাৰে চৰকাৰী বা বে-চৰকাৰী চাকৰিত নিয়োগৰ সুবিধা পোৱা প্ৰায় আনুমানিক ১০ শতাংশহে হ'ব। চাকৰিৰ স্থান প্ৰায়েৰেই নগৰত । অৱশ্যে শিক্ষক কৰ্মচাৰীৰ বেচি সংখ্যাকেই গাঁৱত নিয়োজিত। আজি কালি গাঁৱৰ শিক্ষক সকলেও নগৰত মাটি-বাৰী লৈ সংস্থাপিত হোৱা দেখা গৈছে। নগৰত চাকৰি কৰা লোকসকলে নগৰতেই থাকি যায় আৰু গাঁৱৰ লগত সম্পৰ্ক কমি যোৱা দেখা যায়।

**২। বানপানী আৰু গড়াখহনীয়া** ঃ যিহেতু মিচিং লোকসকল নৈ পৰীয়া অঞ্চলত বাস কৰে। গতিকে বানপানী আৰু গড়াখহনীয়া তেওঁলোকৰ বাবে চিৰ শতৰু। মাজুলী, ঢকুৱাখানা, লক্ষীমপুৰ, ধেমাজি আদি অঞ্চল সমূহত বছৰি বানপানীয়ে খেতি পথাৰ, পশুধন আৰু ৰাষ্টা ধ্বংস কৰি আহিছে। তাৰোপৰি খহনীয়াৰ ফলত মাটি সম্পত্তি সৰ্বস্ব হেৰুৱাই বহুতো পৰিয়াল মাথাউৰি কাষে কাষে অস্থায়ী জুপুৰী ঘৰ সাজি থকা দেখা পাওঁ। এনে কাৰণতে চাকৰীয়াল বা আৰ্থিক ভাৱে টনকিয়াল লোকসকলে নগৰমুখী হ'বলৈ বাধ্য হৈছে।

**৩। অনুন্নত যাতায়ত আৰু যোগাযোগ ব্যৱস্থা** : মিচিং অধ্যুষিত অঞ্চল সমূহত এতিয়াও উন্নত ৰাষ্টা ঘাট আৰু যোগাযোগৰ ব্যৱস্থা হোৱা নাই। হাবি তলীয়া পথেৰে বোকা পানী গচকি গাঁৱৰ মানুহে এতিয়া অহা যোৱা কৰি আছে। জন প্ৰতিনিধি সকলেও সেই অঞ্চল সমূহক অৱহেলিত কৰি আহিছে। বহুতো মিচিং গাওঁ এতিয়াও বিদ্যুতৰ পোহৰ দেখা নাই। ফলত ল'ৰা ছোৱালী পঢ়া শুনা কৰা, বেপাৰ বানিজ্যকৰা আৰু বহি-জগতৰ লগত যোগাযোগৰ পৰা বঞ্চিত হৈছে। সেয়েহে সচেতন ব্যক্তিসকলে গাঁও ত্যাগ কৰি নগৰমুখী হোৱা দেখা যায়।

**৪। উন্নত শিক্ষা ব্যৱস্থা** : বৰ্তমান গাঁওসমূহতো উন্নত শিক্ষাৰ প্ৰতি সচেতন হোৱা দেখা যায়। কিন্তু গাঁৱৰ চৰকাৰী বিদ্যালয়সমূহত উন্নত মানদণ্ড শিক্ষা প্ৰদানত ব্যৰ্থ হোৱা যেন অনুমান হয় । কাৰণ গাঁও কি নগৰসমূহতো শিক্ষক

সকলে চৰকাৰী বিদ্যালয়ত নিজৰ ল'ৰা ছোৱালী নপঢ়াই ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহত পঢ়োৱা দেখা গৈছে। মিচিং গাঁৱৰ বিদ্যালয় সমূহ প্ৰায়বোৰতেই এজনীয়া শিক্ষকে পাঠদান কৰে। বৰ্তমান সৰ্বশিক্ষাৰ দ্বাৰা পৰিচালিত বিদ্যালয় সমূহত শিক্ষকে কাৰ্যালয়ৰ কামত বেচি সময় নিয়োজিত হোৱা দেখা যায়। ফলত ছাত্ৰ-ছাত্ৰীসমূহ শিক্ষা সম্পূৰ্ণ আহৰণ নকৰাকৈয়ে ওপৰ শ্ৰেণীলৈ পঠিয়াব লগীয়া হয়। ফলত শিক্ষাৰ মানদণ্ড নিম্নমানৰ হোৱাত সচেতন অভিভাৱক সকলে গাওঁ এৰি নগৰত থাকিহে ল'ৰা-ছোৱালীক পঢ়াবলৈ লৈছে।

**৫। স্বাস্থ্য আৰু উন্নত চিকিৎসা পদ্ধতি** : মিচিং লোকসকল জনস্বাস্থ্যৰ প্ৰতি সচেতন নহয়। বিশুদ্ধ খোৱা পানী আৰু পায়খানা, প্ৰস্ৰাৱগাৰ আদি বিজ্ঞান সন্মত কোনো ব্যৱস্থা হোৱা নাই। গাঁৱৰ পাৰিপাৰ্শ্বিক তথা সামাজিক পৰিবেশ এতিয়াও স্বাস্থ্য সন্মত হোৱা নাই। ফলত গাঁও সমূহত বহুতো অচিন ৰোগে দেখা দিয়ে। ইয়াৰ প্ৰতিকাৰৰ বাবে গাঁওসমূহত কোনেও উপযুক্ত ব্যৱস্থা লোৱা দেখা নাই। চিকিৎসাৰ অভাৱত সাধাৰণ বেমাৰতে ৰোগীক বহুদূৰ নিবলগীয়া হয়। অনুন্নত যাতায়তৰ বাবে কেতিয়াবা ৰোগী আধাবাটতে মৃত্যুক আকোৱালি ল'বলগীয়া হয়।

**৬। সামাজিক পৰিবেশ** : মিচিং গাঁও সমূহত সামাজিক পৰিৱেশ বিনষ্ট হোৱাৰ প্ৰধান কাৰণ হ'ল- মদ। খেতিৰ মাটি নথকাৰ অজুহাততে বহুতো লোকে ঘৰুৱাভাৱে মদ, চুলাই উৎপাদন কৰি ঘৰতেই বিক্ৰী কৰাত আত্মনিয়োগ কৰিছে। তাৰোপৰি সস্তীয়া বিলাটি মদ গাঁও সমূহত সহজ লভ্য হৈ পৰিছে। আগম কৌবাং, বাঃনী কীবাং আদি অধিবেশন সমূহত খাদ্য সংস্কৃতি প্ৰদৰ্শনৰ নামত অতি অশোভনীয় ভাবেই মদৰ বটল দেখুৱাই বিক্ৰী কৰা দেখা যায়। মদ বিক্ৰী কৰাটো মিচিং সমাজৰ কোনো কালতেই ৰীতি-নীতি নাছিল আৰু ভৱিষ্যতেওঁ ই সংস্কৃতি হ'ব নোৱাৰে। আনহাতে অন্ধ বিশ্বাস আৰু কু-ৰীতি নীতিসমূহৰ প্ৰভাৱত ডাইনী, মৰুনাম আদি কাৰ্যই সভ্য সমাজত মিচিং জাতিটো হাঁহিয়াৰ পাত্ৰ হৈছে। এনে অসামাজিক আৰু অনীতি কাৰ্যই মিচিং সমাজক পংঙ্গু কৰিছে।

**নগৰবাসী মিচিং লোকৰ জীৱিকা** :

১। নগৰ বাসী মিচিং লোকসকল সাধাৰণতে চৰকাৰী বা বে-চৰকাৰী খণ্ডৰ চাকৰিয়াল। তেওঁলোকৰ সৰহ সংখ্যকেই স্থায়ীকৈ ঘৰ বাৰী লৈ সংস্থাপিত হৈছে। তেওঁলোকৰ জীৱন যাপন পদ্ধতি গাঁৱৰ সাধাৰণ মিচিংলোক সকলতকৈ বহুতো উন্নত। ঘৰ-দুৱাৰ, থকা-মেলা আৰু ল'ৰা- ছোৱালী পঢ়া শুনাৰ ক্ষেত্ৰতো আগবঢ়া দেখিবলৈ পাইছো।

২। কিছু সংখ্যক শিক্ষিত লোক নগৰত বিভিন্ন বেপাৰ-বানিজ্য, ঠিকা-কাম, গেলামালৰ দোকান, শাক-পাচলি আৰু তামোল-পানৰ দোকান দি জীৱন নিৰ্ব্বাহ কৰিছে। তেওঁলোকৰ কম সংখ্যক লোকে স্থায়ীকৈ থকাৰ সুবিধা কৰিছে। বাকী কিছুলোকে ঘৰ-ভাড়ালৈ থকা দেখা যায় ।

৩। অৰ্ধ শিক্ষিত আৰু অশিক্ষিত ভালে সংখ্যক লোকে গৃহ নিৰ্মাণকাৰী ৰাজ মিস্ত্ৰী, কাঠ মিস্ত্ৰী আদি কামত নিয়োজিত হোৱা দেখা যায়। ৰাষ্টা নিৰ্মাণ, মাটি কটা, ঘৰুৱা হাজিৰা আদি কামত শ্ৰমিক হিচাপে জীৱিকা উলিয়াইছে। তেওঁলোকে প্ৰায়েই নগৰৰ বাহিৰৰ। অৰ্থাৎ গাঁৱৰ পৰা আহি নগৰত অস্থায়ী ভাৱে থাকি শ্ৰম কৰি অৰ্থ উপাৰ্জন কৰা দেখা যায়।

৪। শিক্ষিত আৰু অশিক্ষিত বহুতো যুৱকে ৰিক্সা অৰ্থাৎ মালিকৰ ৰিক্সা ভাড়াত চলায়। মালিকক প্ৰতি দিনে ৪০ টকাৰ পৰা ১০০ টকা ভাড়া আদায় দিবলগীয়া হয়। খোৱা খৰচ বাদ দি দিনে গড় হিচাপত ২০০ টকাৰ পৰা ৪০০ টকালৈকে উপাৰ্জন হয়। বহিৰাগত বহিষ্কাৰ আন্দোলনৰ ই এক পদক্ষেপ স্বৰূপ হৈ পৰিল। মিচিং বা স্থানীয় যুৱক সকল ৰিক্সা বা শ্ৰমিক হিচাপে আগবাঢ়ি অহাৰ লগে লগে বাহিৰৰ পৰা অহা মিঞা বা বাংলাদেশীয় ভাত কাঢ়ি লোৱা হ'ল আৰু তেওঁলোক অসম এৰি যাবলৈ বাধ্য হ'ল।

৫। বে-চৰকাৰী গৃহৰক্ষী হিচাপেও কিছু সংখ্যক শিক্ষিত যুৱক নিয়োজিত হৈ নগৰ সমূহত বাস কৰি আছে। তেওঁলোক মাহে ১২০০ টকাৰ পৰা ৫০০০ টকালৈকে মাহেকীয়া দৰমহা পায়। থকা-খোৱা নিজৰ। তেওংলোক প্ৰায়েই ভাড়া ঘৰত থাকিয়েই সেৱা আগবঢ়ায়। হোটেল বয়, বিক্ৰেতা হিচাপেও বিভিন্ন ব্যৱসায় প্ৰতিষ্ঠান সমূহত মিচিং যুৱক নিয়োজিত হোৱা দেখা গৈছে।

**নগৰীয়া সমাজ সংস্কৃতি আৰু সংহতি** ঃ নগৰ সমূহত বিভিন্ন জনগোষ্ঠীৰ মাজত মিচিং সকল বাস কৰি আহিছে। নগৰ বাসী মিচিংসকলৰ পৰিচয় হিচাপে নগৰসমূহত মিচিং কৌবাং নামে এখন কমিতি গঠন কৰা হৈছে। মিচিং লোকৰ বিভিন্ন সমস্যা সমূহ মিচিং কৌবাংঙে সমূহীয়াকৈ চোৱা-চিতা কৰে। মিচিং কীবাঙৰ নেতৃত্বতে জাতীয় বিভিন্ন উৎসৱ পাৰ্বন সমূহ সহিয়াকৈ উদযাপন কৰা হয়। গাঁৱৰ স্বকীয় ৰীতি-নীতি সমূহ সকলো ধৰি ৰাখিব পৰা নাই যদিও

একেবাৰে এৰিবও পৰা নাই। আলি আই লিগাং উৎসৱ মুৰং ঘৰত বা ৰাজহুৱা স্থানত আনুষ্ঠানিক ভাৱে পালন কৰা হয়।

গাঁৱৰ পৰম্পৰা মতে আলি আই লিগাংৰ দিনা ওচৰ- চুবুৰীয়া আৰু গৰখীয়া ল'ৰাক মাতি আনি ভাত খুৱায়। ডেকা গাভৰুবোৰে ৰাতি প্ৰতি ঘৰত গোমৰাগ চঃমান কৰাৰ নিয়ম এতিয়াও অসমৰ প্ৰতি গাঁৱতে চলি আছে। কিন্তু নগৰ-চহৰ সমূহত সেই পৰম্পৰা ৰক্ষা কৰিব পৰা নাই যদিও ওচৰ চুবুৰীয়া বা বন্ধু-বান্ধব আমন্ত্ৰন জনাই পুৰাং আপিন, পঃৰ আপং আদিৰে আপ্যায়ন কৰা দেখা যায়।

মিচিংসকলৰ আন এটা ধৰ্মীয় উৎসৱ হ'ল দৰ পূজা। গাঁৱৰ ডেকা বুঢ়া সকলোৰে সহযোগিতাত জেঠ মাহত এই উৎসৱ পালন কৰা হয়। কিন্তু নগৰ সমূহত এই উৎসৱ পালন কৰা দেখা নেযায়।

দদগাং, মিদাং, সকাম, আদি সমূহতো কিছু এৰা ধৰা ৰীতি-নীতিৰ মাজেদি নগৰ সমূহত সম্পন্ন কৰা দেখা যায়। মিচিংসকলৰ পৰম্পৰা অনুযায়ী গাঁৱত চাংঘৰ নিৰ্মাণ কৰা হয়। যদিও নগৰ সমূহত সাধাৰণ পকী ঘৰ বা অট্টালিকা নিৰ্মাণ কৰা দেখা যায়। কিছুলোকে পৰম্পৰা ৰক্ষা কৰিবলৈ গৈ পকী ঘৰৰ পাচফালে পাকঘৰ চাঙেঁৰে সজা দেকা যায়।

অতীতত কিছুমান জনগোষ্ঠীৰ বাদে, অনামিচিং লোকক মিচিং ঘৰত প্ৰবেশ নিষেধ আছিল। অৰ্থাৎ যি সকল অনামিচিঙে মিৰি বুলি ঘৃনা কৰিছিল। তেওঁলোককো মিচিং সকলে মিপাক বুলি ঘৃনা কৰিছিল। কিন্তু আজি কালি নগৰ কি গাঁও সমূহতো তেনে আচৰণ দেখা নাযায়।

বৈবাহিক ক্ষেত্ৰতো মিচিং লোকসকলৰ মন তুলনামুলক ভাৱে উদাৰ যেন দেখা গৈছে। এসময়ত অসমৰ্ণ বিয়া হ'লে সেই পৰিয়ালৰ লগত গাঁওবাসী জুই-পানী নিষেধ আছিল। দৰা-কন্যাক পৰাচিত কৰি জাতত তোলাৰ পাছতেই সমাজে গ্ৰহণ কৰিছিল। কিন্তু বৰ্তমান নগৰ কি গাঁওসমূহতো বিনা সংকোচে জাত-পাত বিচাৰ নকৰাকৈ ল'ৰা ছোৱালীৰ স্বভাৱ চৰিত্ৰ আৰু যোগ্যতা চাই বিয়াৰ সমন্ধ কৰা দেখা পাইছো।

নগৰীয়া সমাজ ব্যৱস্থাত মিচিং লোকসকল কিছু সংস্কাৰমুখী হৈছে যদিও গাঁও সমূহত এতিয়াও মৰুনাম বা ডাইনী অন্ধবিশ্বাস সমূহ আঁতৰা নাই। গাঁওবাসী মিচিং সমাজক পৰিবৰ্ত্তন কৰাৰ দায়িত্ব আৰু কৰ্তব্য নগৰ বাসী আৰু শিক্ষিত লোকসকলৰ। নগৰ তথা গাঁও সমূহৰ সকলো লোক উন্নত হ'লেহে মিচিং জাতি জীয়াই থাকিব। নিজৰ সংস্কৃতিৰ সৈতে উন্নত জাতি-জনগোষ্ঠী হিচাপে চিনাকী দিয়াৰ লগতে ভাৰত তথা অসমৰ বিভিন্ন সংস্কৃতিৰ সৈতে উন্নত জাতি-জনগোষ্ঠী ভাৰত আৰু অসমৰ বিভিন্ন সংস্কৃতিৰ লগত সংহতি ৰক্ষা কৰি বৰ্ণ আৰু শ্ৰেণীবিহীন এক মানৱ জাতি গঢ় দিয়াত নিশ্চয় অৰিহনা যোগাব

৭৯

# অন্ধবিশ্বাস, বিশ্বাস আৰু বিজ্ঞান

**জ্যোতি প্ৰসাদ কামান**
**শদিয়া**

আজিৰ তথ্য-প্ৰযুক্তি ও আধুনিক চিকিৎসা বিজ্ঞানৰ যুগত অসম তথা ভাৰতৰ চুকে কোণে থকা ভিতৰুৱা গাঁওবোৰত পৌৰাণিক চিকিৎসা পদ্ধতিৰ নামত ও এচাম ভুৱা বেজ-জ্ঞানী এচাম তথাকথিত ভণ্ড জ্যোতিষী, সমাজখনক ভূল পথেৰে পৰিচালিত কৰা ভূত-প্ৰেতৰ কাহিনী, অন্ধবিশ্বাসী, অপ-সংস্কৃতি আৰু অপ্ৰপ্ৰচাৰ আদিৰ ভূমিকা বহুতো অন্ধবিশ্বাস বিভিন্ন ৰূপত মানুহৰ মুখে মুখে চলি অহা আদি অন্যান্য বেজ-জ্ঞানী, গ্ৰহ ভাল-বেয়া, বেমাৰ-আজাৰ বিপদ-আপদৰ সময়ত ভণ্ড চিকিৎসকে সাধাৰণ মানুহৰ ওপৰত লুণ্ঠন, ঠগ-প্ৰবঞ্চকৰ চিকাৰৰ বলি হোৱা আদি তথ্যসমূহ সংগ্ৰহ কৰি চমুকৈ তলত তুলি দিয়া হৈছে।

মঙ্গলবাৰে শনিবাৰে গুইৰ, নেউলৰ, বাদুলিৰ মাংস ভক্ষণ কৰিলে ৰোগমুক্ত হোৱা, ডিঙিত কাইট লগা মানুহক উতনুৱাৰ হাত দুখনেৰে ডিঙিত লাহেকৈ আচুৰি দিলে কাইট আতৰ হোৱা, মচোৱা গোম সাপে গৰুৰ গাখীৰ কোৱা, বাঘৰ নখ বা অস্থি পিন্ধিলে বল বৃদ্ধি হোৱা বা ৰোগমুক্ত হোৱা, কাছৰ চলং ভঁৰালত ৰাখিলে ধন ধান হোৱা, হাতীৰ অস্থি ভঁৰালত ৰাখিলে লক্ষ্মীয়ে বাস কৰা আদি অন্ধবিশ্বাস সমূহ দূৰ কৰিলে বন্য-জীৱ সম্পদৰ সংৰক্ষণটো সহায় হ'ব আৰু বিভিন্ন সম্পদৰ জনসংখ্যা বৃদ্ধি পোৱাৰ লগতে দেশৰ অৰ্থনৈতিক দিশো সবল হ'ব। বৰুণ দেৱতা তুষ্ট হ'লেহে বৰষুণ দিয়া, ভেকুলীৰ বিয়া পাতিলে বৰষুণ দিয়া, গণেশে গাখীৰ খোৱা, মাটিৰ তলত বুটমাহ তিয়াহো দেৱতাৰ সৃষ্টি কৰা, ধন ঘটাৰ কৌশল, মানুহক চমক খুৱাবলৈ মেজিচিয়ানে ৰং বিৰঙৰ সাজ পিন্ধা, ঘৰৰ চালত শগুন পৰাটোও বেয়া কোৱা কথা, কেঁচুৱাক মৃত্যুৰ মুখৰ পৰা বচাবলৈ ভূটীয়াক বিক্ৰী কৰা, চকু লৰিলে ভৱিষ্যতৰ সংকেত দিয়া, সংখ্যা একোটাক লৈ ভূত-প্ৰেতৰ পৰা সাৰিবলৈ তাবিজ পিন্ধা, মৃত পিতৃ-মাতৃ ভূত হয় বুলি বিশ্বাস কৰা, আপুনি কেনিবা গৈ থাকোতেই মেকুৰীয়ে বাট পাৰ হ'লে, কেতিয়াবা ভয়ত উদকে বাঘ বুলি ভবা, আন্ধাৰতে ভূত ওলোৱা, সকলো কথাতে গ্ৰহৰ ওপৰত দোষ জাপি দিয়া, একে সময়তে জন্ম গ্ৰহণ কৰা সকলো মানুহৰে সকলো কথা একেনে? সকলো কথাতে গ্ৰহৰ ওপৰত দোষ জাপি দিয়াতো দুৰ্বল মনৰহে পৰিচায়ক, জ্যোতিষী শাস্ত্ৰত ৰাহু আৰু কেতু দুটা গ্ৰহবুলি কোৱা হয়। পুৰাণৰ মতে ৰাহু আৰু কেতু কোনোবা এজন অসুৰৰ মূৰ আৰু দেহ। কিছু জ্যোতিষীসকলে প্ৰায়েই ৰাহু আৰু কেতুৰ কু-প্ৰভাৱৰ কথা কৈ মানুহক ভয় খুৱায়। তেওঁলোকে কব খোজে যে ৰাহু বা কেতুৰ দশা পৰিলে নানা ধৰণৰ বিপদ বিঘিনিয়ে বেৰি ধৰে আৰু তাৰ পৰা পৰিত্ৰাণ পাবলৈ দুই এক ধৰ্ম্মীয় কাম কাজ কৰিব লগা হয়। কিন্তু আচৰিত কথা সৌৰজগতত ৰাহু আৰু কেতু নামৰ কোনো গ্ৰহই নাই। জ্যোতিষী শাস্ত্ৰৰ মতে, বুধ, শুক্ৰ, মঙ্গল, বৃহস্পতি আৰু শনিৰ লগতে সূৰ্য আৰু চন্দ্ৰকো গ্ৰহ বুলি ধৰা হয়। কিন্তু ৰাহু আৰু কেতু কি? ইউৰেনাচ বা নেপচুন হবই নোৱাৰে । কাৰণ সেই দুটা গ্ৰহ অষ্টাদশ শতিকাৰ শেষৰফালে আৰু উনৈশ শতিকাৰ আৰম্ভনিতহে শক্তিশালী দূৰবীক্ষণ যন্ত্ৰৰ সহায়ত ধৰা পেলোৱা হৈছে। কিন্তু দূৰবীক্ষণ যন্ত্ৰ আৱিষ্কাৰ নৌহওঁতেই ৰাহু আৰু কেতুৰ কথা জ্যোতিষীত উল্লেখ আছিল। সেই সময়ত খালী চকুৰে জ্যোতিষ্ক দেখা পাইছিল সেইবোৰৰ ওপৰত ভিত্তি কৰিয়েই জ্যোতিষ্ক সাস্ত্ৰ ৰচনা কৰা হৈছিল। গতিকে ৰাহু আৰু কেতু, ইউৰেনাচ বা নেপচুন গ্ৰহ হোৱাৰ প্ৰশ্ন নুঠে । ৰাহু আৰু কেতু আচলতে কাল্পনিকহে।

সন্তান জন্মত পলম হ'লেও প্ৰসৱ বেদনাত চটফটাই থকা মহিলা গৰাকীক নানা ধৰণৰ প্ৰশ্ন কৰি, জীয়ৰী কালত পাপ বা অপকৰ্ম শাওঁ বুঢ়া-বুঢ়ী বা গিৰিয়েকৰ ভৰি ধোৱা লেতেৰা পানী খাবলৈ দিয়া, ঘৰখনৰ অপায় অমংগল, ভূত খেদিবলৈ ঘৰৰ চাৰিওফালে ডেকা লৰাই লাঠিৰে ে কোবোৱা ইত্যাদি, গৰ্ভাৱতী অৱস্থাত ৰচী বা গৰুৰ পথাৰ ওপৰেদি পাৰ হ'লে কেচুৱাৰ ভিত্তিত নাড়ী পাক খায় বুলি

বিশ্বাস আহে। চিকিৎসা বিজ্ঞানৰ মতে, সন্তান জন্মত পলম হোৱাৰ Hypotonic Interia, Hypertonic uter- ine Dysfunction, Constriction Ring, Cervice Dystocia, Caesarean Section ইত্যাদি চিকিৎসাৰ যোগেদি ইয়াৰ সম্পূৰ্ণ নিৰাময়ৰ উপায় আছে।

শুভ বিবাহৰ দিনা বাঁৰী বা বন্ধ্যা তিৰোতাক ন-দৰা কন্যাৰ মুখ চাবলৈ নিদিয়া, দূৰলৈ যাত্ৰা কৰাৰ সময়ত বাৰী বা বন্ধ্যা তিৰোতাক দেখিলে যাত্ৰা নষ্ট হয় বা শুভ নহয় বুলি বিশ্বাস কৰে ।

মানুহৰ ৰোগ আৰু স্বাস্থ্যৰ লগত জড়িত গড়ৰ খৰ্গ সম্পৰ্কীয় অন্ধবিশ্বাস বিলাকৰ কু-প্ৰভাৱৰ ফলতে তাহানি কালৰে পৰা গড় হত্যা চলি আহিছে। গ্ৰীচৰ অহিত বিশ্ববিদ্যালয়ৰ লাউৰেন্স উইটমাৰ (Lawrence Witmer) আৰু ৰায়ান ৰিগেলী (Rayan Ridgely) এ গড়ৰ ৰাসায়নিক গঠনৰ ওপৰত গৱেষনা চলাইছিল। তেওঁলোকৰ গৱেষণাৰ ফলাফল ২০০৬ চনৰ অক্টোবৰ মাহৰ (Journal of Morphology) ত প্ৰকাশ পাইছিল। গৱেষণাৰ সিদ্ধান্ত মতে গড়ৰ খৰ্গটো মূলতে কেৰাটিন (Keratin) মেলানিন (Melanin) আৰু কেলছিয়ামেৰে গঠিত। চুইডেনৰ বিখ্যাত ঔষধ প্ৰস্তুতকাৰী কোম্পানী হফমেন লা ৰ'চে (Hoffman La Roche) চলোৱা বৈজ্ঞানিক অনুসন্ধানৰ অন্তত এইটো প্ৰমানিত হৈছে যে মানুহৰ দেহত ক্ৰিয়া কৰিব পৰা ভাল অথবা বেয়া, কোনো ধৰণৰ ঔষধীয় গুণ গড়ৰ খৰ্গত নাই। অৰ্থাৎ গড়ৰ খৰ্গ ঔষধ নহয় (Rhino horn is not Medicine)। আমি এতিয়া এই অন্ধবিশ্বাস বলি হোৱা গড়কেইটাৰ সংৰক্ষণৰ প্ৰচেষ্টাত প্ৰত্যেকেই অৱদান আগবঢ়াওক ।

অৱশ্যে এই সমাজ বিৰোধী অন্ধবিশ্বাসৰ বিৰুদ্ধে যুক্তি প্ৰদৰ্শন কৰি বহুতো ব্যক্তিয়ে সমাজৰ দ্বাৰা বহিষ্কৃত হব লগাত পৰিছে। আনকি অনেকে মৃত্যুকো আকোঁৱালি লৈছে। কিন্তু তথাপিও সত্য উৎঘাটন বা সত্য প্ৰতিষ্ঠাৰ ক্ষেত্ৰত কেতিয়াও পিছ হুহুঁকি যোৱা নাই। সেয়েহে এই পৃথিৱীত চক্ৰেটিছ, যীশুখৃষ্ট, গেলিলিও আৰু কোপাৰনিকাচৰ দৰে বহুতো মহান মনীষীৰ নাম চিৰ অম্লান।

**মাটিৰ তলত বুটমাহ তিয়ায়ো দেৱতাৰ সৃষ্টি কৰিব পাৰি** ।

অলৌকিকভাৱে ভগৱানৰ সৃষ্টি কৰি মানুহৰ চকুত ধূলি দিয়া আৰু দুই এটা কাহিনী আছে। কোনো কোনোৱে মাটি ফুটি দেৱ-দেৱতাৰ সৃষ্টি হয় বুলিও ক'ব খোজে। প্ৰকৃততে সিও এক বিজ্ঞানভিত্তিক কৌশলহে। অনুসন্ধান কৰি জানিব পৰা হৈছে যে তেওঁলোক মাটিৰ তলত গাত একোটা খান্দি তাতে বহু পৰিমাণৰ বুটমাহ তিয়াই থয়। সেই বুটখিনিৰ ওপৰতে কোনোৱা দেৱী বা দেৱতাৰ সৰু মূৰ্ত্তি এটাও থৈ দিয়া হয় । পাছত সেই গাঁতটোৰ ওপৰত মাটি দি ওপৰখন এনেকুৱা কৰা হয় যে সেইখিনি ঠাইত কিবা আছে বুলি কোনেও গম নাপায় বা আনকজানিবলৈ দিয়া নহয়। কেৱল যিজন এই পৰিকল্পনাটো কৰে, তেওঁহে জানে। দুদিনৰ পাছত যেতিয়া গাঁতৰ ভিতৰত বুটমাহবোৰ পানী পাই ফুলি উঠে, তেতিয়া মূৰ্ত্তিটোও লাহে লাহে এপৰলৈ উঠি আহে। এটা সময়ত মাটি ফুটি ওপৰ পায়হি। সেইখিনি সময়তে চাৰিওফালে হৈ চৈ কৰি প্ৰচাৰ কৰি দিয়া হয় যে মাটি ফুটি দেৱতা ওলাইছে । তাৰ তলত যে পানী তিওৱা বুটমাহ আছে, . সেই কথা কোনেও নাজানে । পাছত পুৰোহিত সেই মূৰ্ত্তিটোক স্থাপন কৰি পূজা-সেৱা কৰিবলৈ লয়। এনেকৈয়ে দেৱ- দেৱতাৰ মহাত্ম্য বৃদ্ধি পায়। ধন ঘটাৰ কৌশল ওলায়।

**তান্তিক নেমুটেঙাৰ ভিতৰতো ভূত বন্দী কৰি থয় ।**

বেজ বা তান্ত্ৰিকজনে প্ৰথম অৱস্থাত ৰোগী থকা ঘৰটোৰ ইফালে সিফালে এনেকৈ দপ-দপাই ঘূৰি ফুৰে যেন ভূতটো তেওঁ দেকাহে পাইছে। কেতিয়াবা আলমাৰি, কেতিয়াবা বাকচ আৰু কেতিয়াবা কাপবোৰ্ড তো হাত সোমোৱাই যেন ভূতটো সেইবোৰত পাব। এটা সময়ত হয়তো চিয়ৰি উঠে ‘পাইছো’। তেওঁ এনে এটা ভাৱ দেখুৱাই যেন তেওঁ সঁচাকৈয়ে ভূতটো পালেই। তেওঁ হাতত নেমুটেঙা এটা লৈ ঘোষণা কৰে যে তেওঁ ভূতটো নেমুটেঙাটোৰ মাজতেই সোমোৱাই থৈছে। পাছত বেজ বা তান্ত্ৰিকজনে হাতত কটাৰী এখন লৈ নেমুটো কাটি পেলায়। নেমুৰ ভিতৰৰ পৰা তেজ ওলাবলৈ ধৰে। তেতিয়া তান্ত্ৰিকজনে দাবী কৰে যে এইখিনি তেওঁ আবদ্ধ কৰি থোৱা ভূতটোৰ তেজ। এই ঘটনাটোৰেই প্ৰকৃততে এক সাধাৰণ ৰাসায়নিক কৌশল। নেমুটেঙাটো ৰাগীৰ ঘৰৰ পৰা লোৱা হয় যদিও কটাৰীখন তেওঁৰ নিজৰ । কটাৰীখনৰ দুয়োফালে মিথাইল অৰেঞ্জ নামৰ এবিধ পদাৰ্থ বিধেই নেমুটেঙাত থকা চাইট্ৰিক এচিডৰ সংস্পৰ্শলৈ আহিলে ৰঙা হৈ পৰে। এই কৌশলটোকে আন এক ধৰণেৰেও কৰিব পাৰি। নেমুটেঙাৰ ভিতৰলৈ ইনজেকচনৰ সহায়ত ফেৰিক ক্ল'ৰাইড সোমোৱাই দিয়া হয়।

আনহাতে কটাৰীখনৰ দুয়োকাষে ছুডিয়াম ... সানি লোৱা হয়। ফেৰিক ক্ল'ৰাইড আৰু ছড়িয়াম ছালফায়েনাইডৰ মাজত বিক্ৰিয়া ঘটিলেই ৰং ৰঙা হয়। এনেবোৰ কৌশলকে ৰোগী বা ৰোগীৰ পৰিয়ালে ম নোপোৱাকৈ কৰিব পাৰিলে বেজ, তান্ত্ৰিক আদিৰ ওপৰত মানুহৰ বিশ্বাস বৃদ্ধি পায় আৰু বঢ়া মানে তান্ত্ৰিক সকলে অধিক পৰিমাণে শোষণ কৰিবলৈ সুবিধা পায় ।

**অন্ধবিশ্বাসৰ ওপৰত পৰীক্ষা-নিৰীক্ষা হোৱা উচিত**

অন্ধবিশ্বাস সম্পৰ্কে পদাৰ্থ বিজ্ঞানৰ বঁটা বিজয়ী পি. কুহে (P. Kush) এটি সুন্দৰ মন্তব্য দাঙি ধৰিছিল এনেদৰে- আজিৰ বিশ্বাসসমূহ হয়তো কালিৰ জ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত। কেৱল এটা কথাই ক'ব পাৰি এইবিলাকৰ ওপৰত কোনো ধৰণৰ পৰীক্ষা বা প্ৰমাণ আদি কৰা হোৱা নাই। 'প্ৰশ্ন হ'ল- কোনো এজন বা কেইজনমান লোকে কোনো মূহুৰ্তত লাভ কৰা জ্ঞানৰ ওপৰত ভিত্তি কৰিয়েই যদি কোনো এক বিশ্বাস বা সিদ্ধান্ত গ্ৰহণ কৰা হয়, সি বিজ্ঞানসন্মত হ'ব পাৰেনে? বিজ্ঞানসন্মত তেতিয়াহে হ'ব, যেতিয়া এই বিশ্বাসসমূহ বৈজ্ঞানিকভাৱে পৰীক্ষা-নিৰীক্ষা কৰি ইয়াৰ গ্ৰহণযোগ্যতা প্ৰমাণিত কৰিব পৰা হ'ব।

পৃথিৱীৰ প্ৰায় সকলো ঠাইতে ভিন ভিন জনগোষ্ঠীৰ মাজত এই অন্ধবিশ্বাস ঘটনামূৰ বেলেগ বেলেগ। আমাৰ সমাজত প্ৰচলিত কেইটামান অন্ধবিশ্বাসৰ কথাকে ক'ব পাৰি । আমাৰ সমাজত প্ৰসুতি অৰ্থাৎ কেঁচুৱাৰ জন্ম দিয়া মাকগৰাকীক প্ৰথম অৱস্থাত আন্ধাৰ কোঠা এটাত ৰখা হয় । তেনে কোঠাৰ দুৱাৰ মুখত বগৰী কাঁইট আঁৰি দিয়া হয়। উদ্দেশ্য হ'ল-ভূত-প্ৰেত যাতে সেই কোঠালৈ সোমাব নোৱাৰে। কিন্তু স্বাস্থ্য বিজ্ঞানৰ ফালৰ পৰা বায়ু আৰু পোহৰ সোমাব নোৱাৰা আন্ধাৰ কোঠা এটাত কেঁচুৱাৰ সৈতে প্ৰসূতি এগৰাকীক ৰখাটো উচিতনে? আচৰিত কথা জন্ম হোৱাৰ পাছতে কেঁচুৱাটোক কলপাত এখনতে থোৱা হয়। অথচ মাতৃ গৰ্ভত কেঁচুৱাটো যথেষ্ট উত্তাপত থাকে। হঠাতে হোৱা উপৰ এনে তাৰতম্যই কেঁচুৱাটোৰ ক্ষতি সাধন নকৰেনে ? এনেকুৱা অস্বাস্থ্যকৰ পৰিবেশত থাকি যেতিয়া মাক কেঁচুৱা অসুখ হয়।

**বিশ্বাসেই কাম দিয়ে**

বুঢ়ালোকৰ কথা, কিছুমান মানুহৰ চকুত হেনো জুই থাকে। সেইসকল লোকে যদি লোদোৰ-পোদোৰ স্বাস্থ্যবান ল'ৰা বা ছোৱালী এটিলৈ চাই কয় ল'ৰাটো বা ছোৱালীজনী বৰ ধুনীয়া হৈছে, তেন্তে পাছ মূহুৰ্ত্তৰ পৰাই সেই ল'ৰা ছোৱালীয়ে খাব ব'ব নোৱাৰে হ'ব দিনে দিনে ক্ষীণাই যাব । আপোনাৰ বাৰীত থকা পূৰঠ কলথোক লৈ চাই যদি কয়- কলথোক বৰ ভাল হৈছে, তেন্তে তেওঁ যোৱাৰ পাছতে কলথোক ভাগিবই। আপোনাৰ শাক-পাচলিৰ বাৰীখনলৈ চাই যদি কয় শাক-পাচলিবোৰ ইমান লহপহকৈ গজিছে, তেন্তে তেওঁ যোৱাৰ লগে লগে সেই শাক-পাচলি জঁই পৰি যায় এনেবোৰ কথা বিজ্ঞানে মানি নল'লেও যুগ যুগ ধৰি জন সমাজত চলি আহিছে। ঠিক তেনেকৈ মুখ লাগিলেই লেঠা,পানী জাৰি খুৱালে প্ৰসৱ সোনকালে হয়।

বিজ্ঞানৰ বহু তত্বৰ মূলতওঁ কিছুমান বিশ্বাসেই আছে। যাদুবিদ্যাক কোনো কোনোৱে বিজ্ঞানৰ বাটকটীয়া বুলিও ক'ব খোজে। বিজ্ঞানৰ বহুতো কথা পোন প্ৰথম কাল্পনিক ধাৰণা বা বিশ্বাসৰ পৰাই সৃষ্টি হয়। এলকেমি আৰু জ্যোতিষ বিজ্ঞানতে তা উমান পোৱা যায়। আনহাতে এই দুই শাখাৰ ওপৰত ভিত্তি কৰিয়েই গঢ়ি উঠিল ৰসায়ন, জ্যোতিবিদ্যা আৰু গণিত। কাল পম্পাৰেও (Corl papper) এনে এক মতকে দাঙি ধৰিছে। তেওঁ কৈছে যে বিশ্বাসৰপৰাই গঢ় লৈ উঠিছিল। বিজ্ঞানৰ প্ৰতিটো তত্ব বা তত্বই কেৱল বিশ্বাসৰ ভিত্তিতেই গঢ় লৈ উঠা নাই। বিজ্ঞানী সকলেহে বৈজ্ঞানিক বিশ্লেষণৰ সহায়ত বিশ্বাসবোৰৰ কোনটো সত্য আৰু কোনটো অসত্য নিৰ্ণয় কৰি ৰাইজৰ আগত দাঙি ধৰা উচিত। মোৰ মতে এই কাম তিনিটা পৰ্য্যায়ত হব পাৰে। প্ৰথমতে বিভিন্ন ঠাইৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত বিশ্বাসসমূহ সংগ্ৰহ কৰিব লাগিব। দ্বিতীয়তে এই বিশ্বাসমূহ বৈজ্ঞানিকভাৱে বিশ্লেষণ কৰি কোনটো আচল আৰু কোনটো নকল উলিয়াব লাগিব। তৃতীয়তে বিজ্ঞানীসকলৰ শুদ্ধ সিদ্ধান্তসমূহ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিব লাগিব ।

কেৱল প্ৰচাৰ কৰাই নহয়, প্ৰয়োজন হ'লে জনসাধাৰণক পতিয়ন নিয়াবলৈ পৰীক্ষা-নিৰীক্ষা কৰি দেখুৱাব লাগিব। এই আটাইখিনি কাম নিয়াৰিকৈকৰিব পাৰিলেহে কিছুমান বিশ্বাস মানুহে আদৰি ল'ব আৰু আন কিছুমান বিশ্বাস চিৰকালৰ কাৰণে বিসৰ্জন দিব ।

আমাৰ জনমানসত শিপাই থকা কিছুমান লোক বিশ্বাস আৰু এই অন্ধবিশ্বাসবোৰৰ পৰা আঁতৰি আহিবলৈ আমাৰ নৈতিক জ্ঞান আৰু মানৱতাবোধ। কু-সংস্কাৰ অন্ধবিশ্বাস দূৰীকৰণত প্ৰতিজন ব্যক্তিৰে থকাতো দৰকাৰ। আজিৰ বিজ্ঞানৰ প্ৰগতিৰ যুগত আমাক প্ৰয়োজন সংস্কাৰমুখী মানসিকতা আৰু আদৰি ল'ব লাগিব নতুন বৈজ্ঞানিক দৃষ্টি ভঙ্গীক।

**সহায়ক পুস্তিকা ঃ**

১। ডাঃ নীলকান্ত পেগুৰ – মিচিং সমাজৰ অন্ধবিশ্বাস আৰু নাৰী “আইচিৰি” আলোচনী-

২। ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ তিনিচুকীয়া জিলা বিজ্ঞান বীথিকা।

স্মৃতি গ্ৰন্থৰ-মুক্তি নাথ শইকীয়া-অন্ধবিশ্বাস আৰু আমি।
৩। ডিম্বেশ্বৰ চলিহাৰ, বিজ্ঞান, বিশ্বাস আৰু অন্ধবিশ্বাস গ্ৰন্থৰ পৰা।



# মিচিং সমাজত বহাগ বিহু

✉ ইন্দিৰা পাৱ গগৈ

মিচিং সকলেও অন্যান্য জনগোষ্ঠীৰ দৰে অন্তকৰনেৰে বহাগ বিহুক আদৰি আহিছে আৰু বিহুৰ আনন্দত আত্মহাৰা হৈ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত বিশেষ ভাবে অৰিহনা যোগাই আহিছে। মিচিং সকলে বিশেষকৈ নদীৰ পাৰত, সংগমস্থলীৰ কাষৰীয়া অঞ্চলবোৰত বসবাস কৰি আহিছে। তেওঁলোক ঘাইকৈ কৃষিজীৱি। ধান খেতি বিশেষ কৈ বাওঁধান, শালিধান, আহুধান আদিৰ খেতিৰ উপৰিও মাহ, সৰিয়হ, আলু, কচু আদি খেতি তেওঁলোকে কৰে। পৃথিৱীৰ অন্যান্য নদী সভ্যতাৰ দৰে মিচিংসকলেও নদী কেন্দ্ৰিক এক বৈশিষ্ট্যপূৰ্ণ সভ্যতা সংস্কৃতি গঢ় দি আহিছে আৰু অসমীয়া সংস্কৃতিৰ ভড়াল চহকী কৰিছে। মিচিং সকলে তেওঁলোকৰ নিজা উৎসৱ আলি আই লৃগাং, পঃৰাগ, দঃবোৰ আদি পালন কৰিলেও তেওঁলোকৰ মাজত বহাগ বিহুৰ জনপ্ৰিয়তা কোনো গুণে কম নহয়। তেওঁ লোকৰ মনলৈ বিহুৱে কঢ়িয়াই আনে অফুৰন্ত আশা । প্ৰকৃতিৰ সন্তান হিচাপে প্ৰকৃতিৰ বিনন্দীয়া পৰিবেশত নিজকে বিলীন কৰি দি বিহু উদ্্যাপন কৰে। গৰু বিহুৰ দিনা গো-পূজাৰ অংশ হিচাপে মিচিংসকলেও লাওখা, বেঙেনাখা, বছৰে বছৰে বাঢ়ি যা, মাৰ সৰু বাপেৰ সৰু তই হবি বৰ বৰ গৰু বুলি লাও, বেঙেনা, হালধি, কেৰেলা, ঠেকেৰা আদি টুকুৰাৰে দলিয়াই মাখিলতী, দীঘলতীৰে কোবাই নদী বা পুখুৰীৰ পাৰলৈ নি পুৱাতে গা- ধুৱাই সন্ধিয়া গোহালি লৈ আনি তৰা গছৰ নতুন পঘাৰে প্ৰত্যেকটো গৰুৰ ডিঙিত গলপতাৰ দৰে পিন্ধাই দিয়ে। আৰু গৰুৰ বাবে নিমখ দি ডাঙৰ ডাঙৰ কৈ বনোৱা পিঠা খাবলৈ দিয়ে। মানুহৰ বিহুৰ দিনা নতুন কাপোৰ, গামোচা, অৰিহনা আৰু আপঙৰ টেকেলিৰে জ্যেষ্ঠজনক সেৱা জনায়। গধূলিৰ পৰা হুঁচৰি গোৱাৰ আৰম্ভ কৰে। গাঁৱ খনৰ গণ্যমান্য বা গাঁওবুঢ়া বা মূৰব্বীজনৰ ঘৰৰ চোতালৰ পৰা আৰম্ভ কৰি ধনী-দুখীয়া নিৰ্বিশেষে প্ৰত্যেক গৃহস্থৰ চোতালত হুঁচৰি আৰু বিহু মৰাতো নিয়ম। নিজৰ গাঁৱত মৰাৰ উপৰিও ডেকা গাভৰু বিহুৱা দলে আন গাঁৱতো বিহু মাৰে । এনেদৰে অন্য গাঁৱৰ পৰা অহা বিহুৱা দলক গাঁৱৰ ৰাইজে আপং, চাউল, শাক-পাচলি আদি সংগ্ৰহ কৰি খোৱা বোৱাৰ ব্যৱস্থা কৰি দিয়ে। সৰু সৰু লৰাছোৱালী বোৰেও ভাগে ভাগে হুঁচৰি টকা বিহু আদিত ভাগ লৈ গাঁৱত এনেদৰে গায় ।

**গাং ঐ গাং গাঁও বুঢ়াৰ ঘৰতে গাঁং**
**উপৰে বৰষুণ তলে বোকা পানী**
**গাঁও বুঢ়াৰ ঘৰতে গাং**
**হুঁচৰি ঐ গাং মহাজনৰ ঘৰতে গাং**
**ওলাই আহ ওলাই আহ ঘৰৰে গৃহস্থ**
**মহাজনৰ ঘৰতে গাঁং**

..............................................................

দেউতাৰ পদুলিত গোন্ধাইছে মাধুৰী
কেতেকী মলেমলায় ঐ গোবিন্দাই ৰাম।
ডেকা গাভৰু সকলে বিহুতলীত, গৃহস্থৰ চোতালত

বৃত্তাকাৰ ভাৱে হাতত ধৰা ধৰি কৰি এক নিৰ্দিষ্ট পদ চালনাৰে হুঁচৰি গোৱা দেখা যায়। পিন্ধনত পুৰুষ বা ডেকাসকলে মিবু গালোক, ধুতি, হাতত ছাতি আৰু গাভৰু সকলে নিজে বোৱা 'এগে' গাচৰ পৰিধান কৰি হুঁচৰি বা বিহুত অংশ গ্ৰহণ কৰি তেওঁলোকৰ ঐনিতমৰ যোগেদি বেলেগ বেলেগ সময়ত, বেলেগ বেলেগ সুৰেৰে, ডেকা গাভৰু সকলে ব্যক্তিগত প্ৰেমৰ হা-হুমুনিয়াৰ প্ৰকাশ কৰাৰ উপৰিও তাত মিচিং জাতিৰ জীৱন ধাৰাৰ এটি স্পষ্ট ছবি প্ৰতিফলিত হোৱা দেখা যায়। বিহুত ডেকা গাভৰুসকলে পৰিবেশন কৰা হুঁচৰি গীত আৰু ঐনিতম বোৰ এনেধৰণৰ-

**হুঁচৰি :-**

**শদিয়া তলকে বুৰুলি বলপে**
**আনে ৰুয়িলক ঙলুক মিচিং**
অৰ্থাৎ : (শদিয়াৰ পৰা ধুবুৰীলৈকে নদী
কাষৰীয়া আমি মিচিং সকল)
মিচিঙা ৰেগামা
দকিন তিংকিন মালা
অপান পান কাং
অৰ্থাৎ : মিচিং ৰাইজসকল যাব লবলৈ নেজানে দুখীয়া হৈ গৈছে

ঐনিতম ঃ

**আচাঃ জিলি জিলিকঃ**
**মিক্চি জিলি জিলিকঃ**
**আচীঃ জিলি পীনয়েপীঃ**
**মিক্চি জিলি পৌনপেমাং**
অৰ্থাৎঃ পানীৰ নিজৰাও নিজৰা চকুৰ পানীৰ নিজৰাও নিজৰা কিন্তু পানীৰ নিজৰা শুকাই যাব পাৰে, চকুৰ পানীৰ নিজৰা কেতিয়াও নুশুকায়।

**লীকঃ পাপুক পুগ্ গেলাঃ**
**লীকঃপুক্তেন লাংকুমাং**
**লীকঃ আচিন বিগেলা**
**লীকঃ বিতেন কুলামাং**
অৰ্থাৎ : এবাৰ কলগছত কলডিল হোৱাৰ পাছত যেনেকৈ দুৱাৰ হব নোৱাৰে । তেনেকৈ এবাৰ হিয়া দিয়াৰ পাচত দুনাই হিয়া দিব নোৱাৰে।

বিহুত" বিহু চাকি" নামৰ এক মাঙ্গলিক কাৰ্য্য প্ৰত্যেক ঘৰতে সম্পাদন কৰে। কেৱলীয়া প্ৰথাৰে সম্পাদন কৰা এই মাঙ্গলিক কাৰ্য্যত ভকতক চপাই শলিতা এগচি লগাই দান দক্ষিনাৰে গৃহস্থই সেৱা লয়। যাতে আগন্তক দিনবোৰ সু-কলমে শান্তিৰে মাৰি মৰক নোহোৱাকৈ বছৰৰ মূৰত বিহুক আদৰিব পাৰে।ভকতৰ লগতে গাঁৱৰ জ্যেষ্ঠসকলক নিমন্ত্ৰণ কৰি পিঠাপনা, আপং, মাছ মাংসৰে আপ্যায়ন কৰে। এনেদৰে বিহুচাকি আৰু হুঁচৰি গোৱা শেষ হলে বহাগৰ শেষৰ ফালে বিহুৰ উৰুৱাটো নিয়ম। বিহু উৰুৱাৰ দিনা গাঁৱৰ এঘৰত বা মুকলি পথাৰত গছৰ তলত সমুহীয়া ভোজভাতৰ আয়োজন কৰা হয়। দিনৰ ভাগত ভোজভাতৰ পৰ্ব্ব শেষ কৰি আবেলি লৈ শেষবাৰৰ বাবে হেঁপাহ পলুৱাই বিহুমাৰি আনন্দ কৰে। সন্ধিয়ালৈ কাঁহৰ কাঁহি এখনত কেচা পিঠাগুৰি ৰাখি তাৰ ওপৰত পাঁচ গছিকৈ শলিতা লগোৱা হয়। মাক বাপেক থকা গাঁৱৰ ছোৱালী এজনীৰ মূৰত কাঁহিখন লবলৈ দি ঘৰখনৰ ভিতৰত সকলোৱে পাঁচবাৰ ঘূৰাৰ অন্তত ঘৰৰ পৰা ওলাই আহি ঢোল তাল লৈ বিহুমাৰি নদী বা বিলৰ কাষলৈ যায়। নদী বা বিলখনৰ দাঁতিতে ঘঁৰিয়ালৰ এটি প্ৰতিকৃতি মাটি বা বালিৰে সাজি তাৰ ওপৰত চাকি জ্বলাই পাঁচবাৰ কৈ ঘুৰি ঘূৰি বিহু মৰা হয়।

ঔৰুৱাইল ধনশিৰি বাই, আমাৰ বিহু নহয়। বৈৰাগীৰ বিহু ভাটি লৈ ভটিয়াই যা বুলি হুঁচৰি গায়। বিহু মাৰোতে কৰবাত অপৰাধ কৰিছিলো যদিও সেইবোৰ আপোন মনে মৰিষণ কৰিব লাগে বুলি সেৱা জনায় আৰু আজিৰ পৰা তুমি আমাৰ টোপনী আৰু ভাগৰবোৰ লৈ যোৱাগৈ বুলি বিহুৱা সকলে হাতত থকা বাঁহৰ মাৰি এডোখৰ নদীলৈ দলিয়াই বিহুটি

ভটিয়াই যাগৈ বুলি পিচলৈ ঘূৰি নেচাই দৌৰ মাৰি গুচি আহে। সেইদিন ধৰি আহ্লধানৰ খেৰ নেমেলা পৰ্য্যন্ত ঢোলত চাপৰ নেমাৰে।

আন কিছু অঞ্চলত গছ এজোপাৰ তলত বিহুমাৰি গছজোপাৰ চাৰিওফালে পাঁচবাৰ ঘূৰাৰ পাচত দাইদোষ নধৰিবৰ বাবে সেৱা প্ৰাৰ্থনা জনাই লগত নিয়া টকাবোৰ দুহাতেৰে ভাঙি তাতে গুজি থৈ গুচি আহে। এনেদৰে মিছিং সমাজত বিহু সংস্কৃতি পালন কৰে আৰু বিহু বিদায় দিয়ে।

৮৪

# মিচিং সমাজ আৰু সংস্কৃতিক উজ্বলাই ৰাখিব বিচৰা এজন ব্যক্তি প্ৰয়াত ভীমলাল দলে (দেউতা)ৰ সোঁৱৰণত ঃ

**ৰঙিলী দলে পেগু**
**এম.এ.বি.এড.**
**প্ৰবক্তা, শ্ৰীশ্ৰী বিষ্ণুদেৱ জনজাতি মহাবিদ্যালয়**

মিচিং আগম কৌবাং আৰু মিচিং বানী কৌবাং এই দুয়োখন সভাই মিচিং জাতিৰ অতিকে অপোন। এই দুয়োখন সভাৰ বাবেই তেওঁৰ ব্যস্ততাৰ সীমা নাই। মানুহৰ বাবে, জাতিৰ বাবে কিবা এটা কৰাৰ হেঁপাহ অনবৰতে জাগি থাকে। আগম কৌবাং, ২০১৪ চনৰ ৩০ জানুৱাৰীৰ পৰা চাৰিদিনীয়াকৈ ধেমাজিত অনুষ্ঠিত হোৱাৰ কথা । আগম কৌবাংৰ স্মৃতিগ্ৰন্থৰ বাবে লিখনীও পঠালে । সভালৈ যাবলৈ সাজ-পোছাক তথা যাৱতীয় বস্তুবোৰ সাজু কৰি ৰাখিছে। আনহাতে, মিচিং বানী কৌবাং । উত্তৰ পশ্চিম যোৰহাটৰ বাঁহফলাত ২০১৪ চনৰ মাৰ্চত অনুষ্ঠিত হোৱাৰ যো-জা চলিছে। এই সভাৰ স্মৃতি গ্ৰন্থৰ তেখেত নিজেই সভাপতি। যিকোনো কামকে অন্তঃকৰণেৰে লোৱা আৰু কৰা তেওঁৰ চাৰিত্ৰীক বৈশিষ্ট্য। স্মৃতিগ্ৰন্থ উলিয়াবৰ বাবে বিভিন্ন পৰামৰ্শৰ উপৰিও নিজেও লিখনি লিখি হাতে কামে লাগি গৈছিল। বহুত হেঁপাহ তেখেতৰ এই সভাখনলৈও । কিন্তু! নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস। নিয়তিয়ে তেওঁক আগম কৌবাং, বানী কৌবাং কোনোখনকে চাবলৈ নিদিলে । তেওঁৰ হেঁপাহবোৰ, সপোনবোৰ সামৰি কোনোদিনে সভালৈ নহাৰ প্ৰতিশ্ৰুতি দি তেখেত গ'লগৈ এক নেদেখা অজান দেশলৈ ।

সময়তকৈ আগত প্ৰতিটো কাম শেষ কৰাৰ সময়ানুবৰ্ত্তিতা তথা উদ্যমতা তেখেতৰ জীৱনৰ এটা উল্লেখনীয় দিশ । জীৱনটো কৰ্মৰ স'তে সুন্দৰভাৱে যাপন কৰিছিল। সহজ-সৰল, সাধাৰণ জীৱন- যাপন অথচ এক উচ্চ আকাংক্ষা মনেৰে আবৃত এই ব্যক্তিজন আছিল মোৰ শ্ৰদ্ধাৰ আদৰ্শ পিতৃ প্ৰয়াত ভীমলাল দলে। তেখেতৰ জীৱনৰ কৰ্মময় সময়বোৰৰ কথা লিখিবলৈ লৈ মই বহুবাৰ থমকি

দেউতা আছিল নীৰৱ সাহিত্য সাধক। জ্ঞানৰ সাগৰত সাঁতুৰি নাদুৰি জীৱনৰ মানিক বিচাৰি ফুৰিছিল। শিক্ষকতাৰ উপৰিও তেখেত বিভিন্ন সামাজিক কাম কাজৰ লগতে সাহিত্য সংস্কৃতিৰ চৰ্চা কৰি গৈছিল।

দেউতা এজন মুকলিমূৰীয়া, সমাজপ্ৰিয় আৰু ৰঙীয়াল স্বভাৱৰ ব্যক্তি আছিল। ১৯৮১ চনৰপৰা মিচিং আগম কীবাঙৰ লগত জড়িত আছিল। অসমীয়া আৰু মিচিং দুয়োটা ভাষাতে মৃত্যু পৰ্য্যন্ত লেখা মেলাতে নিজক নিয়োজিত কৰিছিল ।

তেওৰ অসমীয়া ভাষাৰ লিখ্নী সমূহ বিভিন্ন বাতৰি কাকত “দৈনিক জনমভূমি”“অগ্ৰদূত”, “অসমীয়া প্ৰতিদিন”, “আমাৰ অসম” , আদি বাতৰি কাকতত প্ৰকাশিত হৈছিল। মিচিং ভাষাৰ লিখনিসমূহ MAK LUSAR, ANU AGOM, SILO-MELO, PRO- MISING, DAKOR আদিত প্ৰকাশিত হৈছিল।

ৰৈছো। বুকুখন বেদনাৰে ভৰি পৰিছে। দেউতাৰ ন্যায়পৰায়ণতা তথা সৎ আদৰ্শ জীৱন সঁচাই অনুকৰণীয়।

মৃত্যুৰ স'তে জীৱনৰ চিৰবিলুপ্তি আৰু চেতনাৰ চিৰ সমাপ্তি কোনো মানুহৰেই কাম্য নহয়, অথচ্ জীৱনৰ অনিবাৰ্য কৰুণ পৰিণতি হ'ল মৃত্যু। আকস্মিকভাৱে এই আপোন ব্যক্তিজনৰ পৰা মোৰ চিৰ বিচ্ছেদ ঘটিল। ১৯ জানুৱাৰী, ২০১৪ চনৰ দেওবাৰে সন্ধ্যা ৫-৩০ মান বজাত জীৱনৰ সুখ-দুখ, মায়া-মোহ সকলোবোৰ সামৰি মৃত্যুৰ শীতল কোলাত চিৰদিনৰ বাবে শুই পৰিল। তেখেতৰ জন্ম হৈছিল নামনি মাজুলীৰ কে-কে মিচিং গাঁৱৰ ১৯৪৬ চনৰ ২২ নৱেম্বৰত । পিতৃ প্ৰয়াত জাৰ্মান দলে আৰু মাতৃ প্ৰয়াত মেণ্টনী দলে। সৰুৰেপৰাই গাঁৱৰ ধূলি-বালিৰে ডাঙৰ-দীঘল হ'লেও শিক্ষাৰ পোহৰৰ ৰেঙনি অনুভৱ কৰিবলৈ শিকিছিল। ১৯৫৭ চনত প্ৰাইমেৰী শিক্ষা কে-কেৰ প্ৰাথমিক বিদ্যালয়ৰপৰা উত্তীৰ্ণ হৈ আঁহতগুৰি এম.ই. স্কুলত নামভৰ্ত্তি কৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষা ১৯৬৫ চনত আঁহতগুৰি উচ্চ ইংৰাজী বিদ্যালয়ৰপৰা সুখ্যাতিৰে উত্তীৰ্ণ হয়। ১৯৬৯ চনত মাজুলী মহাবিদ্যালয়ৰপৰা বি.এ. ডিগ্ৰী লাভ কৰে । ঘৰৰ আৰ্থিক অসুবিধাৰ বাবে অনিচ্ছা সত্তেও তেখেত চাকৰিমুখী হ'বলগা হৈছিল। ১৯৭০ চনত নামনি মাজুলীৰ S.S.B Govt. Aided H.E. School ত সহকাৰী শিক্ষক হিচাপে যোগদান কৰে। ইয়াত এবছৰ শিক্ষকতা কৰি পুনৰ ধুনাগুৰি উচ্চ ইংলিচ স্কুলত শিক্ষকতা কৰিছিল। এই সময়ছোৱাতে ১৯৭১ চনত গহপুৰ, লোহিতমুখৰ শ্ৰীমতী কাম্পুদৈ পেগুৰ সৈতে বিবাহ পাশত আৱদ্ধ হয় । ১৯৭২ চনত উত্তৰ পশ্চিম যোৰহাটৰ বাঁহফলা - ললিতিমুখ গাঁৱত আদৰ্শ জনজাতি হাইস্কুল প্ৰতিষ্ঠা হয় । তেখেত এইখন বিদ্যালয়তেই প্ৰতিষ্ঠাপক শিক্ষক হিচাপে ১৯৭২ চনত শিক্ষকতা জীৱনৰ পাতনি মেলে। সাংসাৰিক সমস্যা তথা বিভিন্ন ব্যস্ততাৰ মাজতো তেখেতৰ শিক্ষাৰ প্ৰতি থকা প্ৰবল ইচ্ছাক জাগ্ৰত কৰি ৰাখিছিল। ১৯৭৫ চনত যোৰহাট প্ৰশিক্ষণ মহাবিদ্যালয়ৰপৰা বি.টি. ডিগ্ৰী লাভ কৰে। ১৯৮৫ চনত তেখেতৰ বিদ্যালয়খনে উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হয়। ১৯৮৬ চনত বুৰঞ্জী বিষয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা এম.এ. ডিগ্ৰী লাভ কৰে। ১৯৯৭ চনৰ পৰা বিষয় শিক্ষকৰ অনুপস্থিতিত তেখেতেই বুৰঞ্জী বিষয়ত পাঠদান কৰিছিল। ১৯৮৬ চন, বাঁহফুলাত শ্ৰীশ্ৰী বিষ্ণুদেৱ জনজাতি কণিষ্ঠ মহাবিদ্যালয় প্ৰতিষ্ঠা হয়। মহাবিদ্যালয়তো তেখেতে প্ৰতিষ্ঠাপক শিক্ষক হিচাপে পুৱাবেলা বুৰঞ্জী বিষয়ত ১৯৯৭ চনলৈকে পাঠদান দিছিল। শিক্ষকতাৰ জীৱনতো তেখেতে বৰ অন্তঃকৰণেৰে ছাত্ৰ-ছাত্ৰীক পাঠদান দি জীৱনত জ্ঞানৰ গৰাকী হ'বলৈ, বিভিন্ন কিতাপ পত্ৰ পঢ়ি ভাল মানুহ হ'বলৈ অনুপ্ৰাণিত কৰিছিল। ২০০৪ চনৰ নৱেম্বৰ মাহত আদৰ্শ জনজাতি উচ্চত মাধ্যমিক বিদ্যালয়ৰপৰাই অৱসৰ গ্ৰহণ কৰে।

দেউতা আছিল নীৰৱ সাহিত্য সাধক।জ্ঞানৰ সাগৰত সাঁতুৰি নাদুৰি জীৱনৰ মানিক বিচাৰি ফুৰিছিল। শিক্ষকতাৰ উপৰিও তেখেত বিভিন্ন সামাজিক কাম কাজৰ লগতে সাহিত্য সংস্কৃতিৰ চৰ্চা কৰি গৈছিল । তেখেত এজন বিখ্যাত অথবা অসাধাৰণ গুণৰ অধিকাৰী নাছিল যদিও মানুহ হিচাপে যিবোৰ গুণে মানুহক সুন্দৰ আৰু পৃথিৱীত মহীয়ান কৰি তোলে, সেই গুণবোৰে তেখেতক সদায় মহীয়ান কৰি ৰাখিব। মনৰ উদ্যম চিৰ তাৰুণ্যৰে ভৰা। যিমান আগ্ৰহেৰে কিতাপ পঢ়িছিল, সিমান উলাহেৰে মানুহৰ সংগও উপভোগ কৰিছিল। দেউতা এজন মুকলিমুৰীয়া, সমাজপ্ৰিয় আৰু ৰঙীয়াল স্বভাৱৰ ব্যক্তি আছিল। ১৯৮১ চনৰপৰা মিচিং আগম কীবাঙৰ লগত জড়িত আছিল। অসমীয়া আৰু মিচিং দুয়োটা ভাষাতে মৃত্যু পৰ্য্যন্ত লেখা মেলাতে নিজক নিয়োজিত কৰিছিল। তেওঁৰ অসমীয়া ভাষাৰ লিখনি সমূহ বিভিন্ন বাতৰি কাকত “দৈনিক জনমভূমি”, “অগ্ৰদূত", “অসমীয়া প্ৰতিদিন”, “আমাৰ অসম” আদি বাতৰি কাকতত প্ৰকাশিত হৈছিল। মিচিং ভাষাৰ লিখনিসমূহ MAK LUSAR, ANU AGOM, SILO-MELO, PRO- MISING, DAKOR আদিত প্ৰকাশিত হৈছিল। ইয়াৰোপৰি, তেখেতৰ প্ৰৱন্ধ সমূহ বিভিন্ন সময়ৰ বিভিন্ন স্মৃতিগ্ৰন্থত প্ৰকাশিত হৈছিল।

১৯৮৭ চনত বাঁহফলাত অনুষ্ঠিত মিচিং আগম কীবাঙৰ অষ্টম বাৰ্ষিক অধিবেশনৰ স্মৃতিগ্ৰন্থৰ মুখ্য সম্পাদক আছিল। ২০০১ চনত তেখেতৰ মিচিং কবিতা পুথি "DO: MIR APPUN " প্ৰকাশিত হয় আৰু ২০০৩ চনত মিচিং সকলৰ বৰেণ্য ব্যক্তিসকলৰ জীৱনীক লৈ লিখা গ্ৰন্থ MIGANG GANE MISING TANI:LOK TURNE AGOME প্ৰকাশিত হয়। ইয়াৰোপৰি, তেখেতৰ এখন প্ৰৱন্ধ সংকলন পুথি আৰু মিচিং ভাষাৰ গল্প সংকলন পুথি প্ৰকাশ হোৱাৰ পথত আছিল । ২০১৪ চনত অনুষ্ঠিত হ'বলগা বাঁহফলাৰ মিচিং বানী কীবাঙতে উন্মোচন কৰাৰ কথা। কিন্তু! তেখেতে সেই দুখন পুথি চপাৰ আকাৰত দেখিবলৈ নাপালে ।

মিচিং ভাষাৰ উন্নতিৰ কাৰণে তেখেতে সদায় চিন্তা কৰিছিল। মিচিং জাতিৰ, সমাজৰ উন্নতিৰ কাৰণে কিবা এটা কৰাৰ আগ্ৰহ সদায় আছিল। ১৯৯৬ চনত প্ৰতিষ্ঠা হোৱা উত্তৰ- পশ্চিম যোৰহাট বাংকে আগম কীবাঙৰ তেখেত প্ৰতিষ্ঠাপক সভাপতি আছিল। ১৯৯২ - ১৯৯৬ চনলৈ আৰু ১৯৯৯ - ২০০১ চনলৈ তেখেত MAKৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্য্যকৰী সদস্য আছিল। তাৰোপৰি MAKৰ আলোচনী প্ৰকাশন সমিতিৰ সদস্য হিচাপেও আছিল। ১৯৮৬ চনৰপৰা ১৯৯০ চনলৈ মিচিং ভাষাৰ শিক্ষক নিযুক্তি বৰ্ডৰ সদস্য হিচাপে অসম চৰকাৰে তেখেতক নিযুক্তি দিছিল। ১৯৯২ চনৰপৰা ১৯৯৭ চনলৈ যোৰহাট মহকুমাৰ বাংকে আগম কীবাং সমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ২০০৫ চনত উত্তৰ- পশ্চিম যোৰহাটৰ বৰমুকলিত অনুষ্ঠিত হোৱা মিচিং আগম কীবাঙৰ সপ্তদশ মুকলি অধিবেশনত তেখেত ২০০৫-০৭ চনৰ বাবে MAKৰ উপ- সভাপতি হিচাপে নিৰ্বাচিত হৈছিল। এই অধিবেশনত প্ৰকাশিত স্মৃতি গ্ৰন্থৰো তেখেত সভাপতি আছিল। ২০১৩ চনৰপৰা মৃত্যুপৰ্য্যন্ত তেখেত যোৰহাট বাংকে আগম কীবাঙৰ সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছিল বিভিন্ন আলোচনা চক্ৰত আলোচক হিচাপে অংশ গ্ৰহণ কৰি বহুতো চিন্তা-গধূৰ লিখনী আগবঢ়াইছিল। ইয়াৰোপৰি ২০০০ চনৰ পৰা ২০১৩ চনলৈকে যোৰহাট I-CARD এ অনুষ্ঠিত কৰা আলোচনা চক্ৰত প্ৰতিবছৰে অংশ গ্ৰহণ কৰি বহুতো মূল্যবান লিখনী মিচিং ভাষা সংস্কৃতিলৈ অৱদান আগবঢ়াই গৈছে।

প্ৰতিটো পল, প্ৰতিটো দিন নতুন কৰ্ম প্ৰেৰণাৰে, নতুন উদ্যমেৰে তেখেত সদা ব্যস্ত আছিল। দৈনিক বাতৰি কাকত পঢ়া, বিভিন্ন বিষয়ৰ কিতাপ অধ্যয়ন কৰা আদিৰ মাজতো বাৰীত শাক-পাচলিৰ খেতি কৰা, পথাৰত খেতি কৰা কামবোৰেৰেও জীৱনত কাম কৰাৰ আনন্দ উপভোগ কৰি গৈছিল। জনপ্ৰিয় সু- সাহিত্যিক, সাংবাদিক, লেখক হোমেন বৰগোহাঞিদেৱ আছিল তেখেতৰ প্ৰিয় লেখক । তেখেতৰ লিখনিসমূহ পঢ়ি জীৱনটোক নতুন নতুন অনুপ্ৰেৰণাৰে অনুপ্ৰাণিত কৰিছিল আৰু আমাকো সদায় ভাল ভাল মানুহৰ জীৱনী সম্পৰ্কে পঢ়িবলৈ দি জীৱন পথত আগবাঢ়ি যাবলৈ উৎসাহিত কৰিছিল। তেখেতৰ সাধাৰণ জীৱন যাপন, কিন্তু উচ্চ চিন্তা ধাৰাৰ ব্যক্তিত্বই মোক সদায় আকৰ্ষিত কৰিছিল। দেউতাৰ ন্যায়পৰায়নতা, সত্যবাদিতা, সময়ানুৱৰ্ত্তিতা আদি গুণবোৰ সকলোৰে বাবে অনুকৰণীয়।

তেখেত মৃত্যুৰ সময়ত যোৰহাট গড়মুৰৰ কাৰপুমপুলিৰ স্থায়ী নিবাসী আছিল । মৃত্যুৰ সময়ত তেখেতে পত্নী, দুজন পুত্ৰ, দুগৰাকী জী, বোৱাৰী, নাতি-নাতিনীৰ লগতে বহুতো ইষ্ট-কুটুম্ব এৰি থৈ গৈছে । তেখেতৰ আকস্মিক মৃত্যু সমাজৰ বাবে পুৰাব নোৱাৰা এক ক্ষতি । তেখেতৰ ৰঙীয়াল মনটোৱে আমাক সদায় আনন্দত ৰাখিছিল। তেখেতৰ জীৱনৰ স্মৃতিবোৰে মোৰ মন সদায় সেমেকাই ৰাখে। তথাপিও জীৱনৰ মৃত্যুৰ লগে লগে সকলো শেষ হৈ নাযায়। কবিৰ ভাষাত "মৃত্যুওটো এক শিল্প, জীৱনৰ কঠিন শিলত কটা এক নিৰ্লোভ ভাস্কৰ্য্য" । তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক – তাৰেই কামনা কৰিলো। দেউতাৰ প্ৰিয় এফাঁকি উক্তিৰে এই লেখাটি সামৰিব বিচাৰিছো – "**Man lives in deeds, not in years**."

### প্ৰকৃতিপ্ৰেমৰ অনন্য নিদৰ্শন

# ভাৰতৰ অৰণ্য মানৱ' যাদৱ পায়েং

**ক্ষীৰধৰ বৰুৱা**

১৯৭৯ চনৰ মেই মাহ। জেঠৰ বাৰ-খৰত বৰলুইতৰ চাপৰিটোৰ দাঁতিকাষৰীয়া পানীবোৰ শুকাই গৈছিল। তাৰ ফলত সাপ-বেং সকলো শুকান গৰম বালিত ছটফটাই মৰি গৈছিল। সেই কৰুণ দৃশ্য দেখি ষোল্ল বছৰীয়া মুলাইৰ প্ৰাণে কান্দি উঠিছিল। তেওঁ এটা এটাকৈ মৰা সাপবোৰ গণি গৈছিল। সৰু-ডাঙৰ মিলাই প্ৰায় এশটা সাপ মৰিছে। কিছুমানে তেতিয়াও মৃত্যুৰ ক্ষণ গণি আছিল। সেই দৃশ্য দেখি মুলাইৰ মনটো উচুপি উঠিল। সি আৰু ৰ'ব নোৱাৰিলে। গাঁৱৰ বৃদ্ধসকলক কথাটো জনালে আৰু কেনেকৈ প্ৰাণীবোৰ ৰক্ষা কৰিব পাৰি, তাৰ উপায় বিচাৰিলে। তেওঁলোকে তাক প্ৰচুৰ বাঁহ ৰুবলৈ উপদেশ দিলে। সি শুকান বালিত জীপাল মনেৰে বাঁহ আৰু লগতে অন্যান্য গছ ৰুই যাবলৈ ধৰিলে। আৰম্ভ হ'ল লুইতৰ বালিময় বগা চাপৰিক সেউজীয়া ৰূপ দিয়াৰ এক অনন্য অভিযান। কালক্ৰমত তাতেই গঢ়ি উঠিল আজিৰ সকলোৰে চিনাকি এই ‘মুলাই কাঠনি।

এই মুলায়েই হ'ল আজিৰ ‘অৰণ্য মানৱ’ যাদৱ পায়েং। ব্ৰহ্মপুত্ৰৰ বালিচৰত ৩০ বছৰৰো অধিক কাল একক প্ৰচেষ্টাৰে এখন অৰণ্য সৃষ্টি কৰি বৃক্ষপ্ৰেম তথা পৰিৱেশ সংৰক্ষণৰ বিৰল নিদৰ্শন দাঙি ধৰা যাদৱ পায়েং আজি অকল অসম তথা ভাৰতৰে প্ৰকৃতিপ্ৰেমীসকলৰ চিনাকি নাম নহয়, গোটেই পৃথিৱীতে তেওঁৰ কৃতকৰ্মৰ খিয়াতি বিয়পি পৰিছে ।

যোৰহাটৰ এজন ডেকা সংবাদসেৱী, প্ৰকৃতি- লেখক, আলোকচিত্ৰকৰ জিতু কলিতা। তেওঁ ২০০৭-০৯ চনৰ কালছোৱাত যাদৱ পায়েঙৰ সংস্পৰ্শলৈ আহি তেওঁৰ সেই কোনেও মন নকৰা অৰণ্যখনৰ অধ্যয়ন কৰি সেই বাৰ্তা জনমানসলৈ আনিবলৈ প্ৰয়াস কৰে। তেওঁ ২০১০ চনৰ ২৫ জানুৱাৰিৰ ‘দৈনিক জন্মভূমি' এটা বাতৰিৰ জৰিয়তে প্ৰথমবাৰৰ বাবে মূলাই অৰণ্যৰ কথা সংবাদ মাধ্যমৰ পোহৰলৈ আনে । তাৰ পাছত ২০১১-১২ চনৰপৰা বিভিন্ন সৰ্বভাৰতীয় বাতৰিকাকত, আলোচনী আৰু ইণ্টাৰনেট মাধ্যমৰ জৰিয়তে যাদৱ পায়েঙৰ কৃতিৰ সংবাদ বিশ্বত বিয়পি পৰে। এতিয়া মুলাই কাঠনি দেশ-বিদেশৰ প্ৰকৃতিপ্ৰেমী ব্যক্তি, দল-সংগঠন, পৰ্যটকৰ তীৰ্থভূমিত পৰিণত হৈছে।

যাদৱ পায়েঙৰ এই মহান কামক কেন্দ্ৰ কৰি কেইবাখনো তথ্যচিত্ৰ নিৰ্মাণ কৰা হৈছে। কানাডাৰ উইলিয়াম ডগলাছ মেকমাষ্টাৰৰ ৰচনা আৰু পৰিচালনাৰে নিৰ্মাণ কৰা এখন তথ্যচিত্ৰই ২০১৩ চনত লছ এঞ্জেলছত অনুষ্ঠিত হোৱা ‘ছিনেমেটিক আৰ্টছ’ৰ আন্তৰ্জাতিক ফিল্ম মহোৎসৱত শ্ৰেষ্ঠত্বৰ সন্মান লাভ কৰিছে। সেই তথ্যচিত্ৰত জিতু কলিতাৰো কিছু ছবি সংযোজিত হৈছে।

### ক'ত আছে সেই মুলাই কাঠনি?

যোৰহাটৰপৰা উত্তৰে জে.বি. ৰ'ডেৰে প্ৰায় ১০ কিল'মিটাৰ গ'লে ব্ৰহ্মপুত্ৰৰ পাৰতে পোৱা যায় ককিলামুখ। তাৰ কাষৰে ২ নং মিছিং গাঁৱত থাকে মুলাই ওৰফে যাদৱ পায়েং। তেওঁৰ পুৰণি ঘৰ মাজুলীত। তাৰপৰা তেওঁ জীৱিকাৰ সন্ধানত ঔৱনা চাপৰিলৈ আহে। ২০০৮ চনত হাতীয়ে ঘৰ ভঙাত, আৰু বিশেষকৈ ল'ৰা-ছোৱালী তিনিটাৰ পঢ়াৰ সুবিধাৰ কাৰণে তেওঁ এতিয়া থকা ঠাইলৈ উঠি আহিছে। ব্ৰহ্মপুত্ৰৰ পাৰৰপৰা তিনিটা সুঁতি পাৰ হৈ এটা কিছু ওখ দীৰ্ঘাকৃতিৰ ক্ষুদ্ৰাকৃতিৰ দ্বীপ। সেই দ্বীপৰ পূবৰ অংশৰ নাম কাৰ্তিক চাপৰি আৰু পশ্চিমৰ খণ্ডক ঔৱনা চাপৰি বোলা হয়। মানুহে ভুলকৈ ইয়াক ‘অৰুণা’ চাপৰিও বোলে। এই ঔৱনা চাপৰিৰ এটা প্ৰধান অংশ আগুৰি আছে মুলাই কাঠনিয়ে। দ্বীপটোত কেইবাঘৰো মিছিং সম্প্ৰদায়ৰ লোকে বাস কৰে। কিছুমানৰ ঘৰত সৌৰশক্তিৰ ব্যৱহাৰো চকুত পৰিছিল। কাৰ্তিক চাপৰি গাঁৱত মেকাহীচাপৰি প্ৰাথমিক বিদ্যালয় (স্থাপিত ১৯৭০) নামৰ এখন বিদ্যালয়ো আছে।

মূলাই কাঠনিৰ মাটিকালি প্ৰায় ৫৫০ হেক্টৰ (প্ৰায় ৫.৫ বৰ্গ কিল'মিটাৰ; ৪১০৮ বিঘা)। এই অৰণ্যত ঘাইকৈ শিমলু, আজাৰ, শিশু, কহিৰ, নিম, জৰী, চেগুন, চতিয়না, ঔটেঙা, অৰ্জুন, গমাৰি, আহত, বগৰী, চজিনা প্ৰভৃতি বিভিন্ন প্ৰজাতিৰ গছ, বাঁহ আৰু কেইবা প্ৰকাৰৰ ঘাঁহ আছে। তেওঁ কয় যে এতিয়া আৰু গছ ৰুবলৈ প্ৰথম অৱস্থাৰ দৰে কঠিন নহয়। আগতে তেওঁ দূৰৈৰপৰা গছৰ সঁচ (গুটি বা পুলি) আনিবলগা হৈছিল । এতিয়া কিন্তু তাতে থকা গছৰ গুটি বা পুলিৰপৰাই বংশ বৃদ্ধি কৰাব পৰা যায়। "আগতে মই গুটি সিঁচি বগৰী ৰুইছিলোঁ; কিন্তু এতিয়া চৰায়ে ৰোৱে, পহুৱে ৰোৱে, আটায়ে গছ ৰুব পাৰে, মানুহেহে গছ নোৰোৱে।"- সন্তুষ্টি আৰু আক্ষেপ মিহলি সুৰত তেওঁ কথাবোৰ কৈছিল।

মুলাই কাঠনি বহুতো বন্য প্ৰাণী আৰু চৰাইৰ বিচৰণ ভূমি। এই অৰণ্যলৈ বছৰি কেইবাটাও গঁড়, হাতী, আৰু বনৰীয়া মহ অস্থায়ীভাৱে বাস কৰিবলৈ আহে। বহুতো হৰিণ আৰু পোৱালীৰে সৈতে তিনিটা বাঘ স্থায়ীভাৱে থাকে। বাঘে এতিয়ালৈকে তেওঁৰ প্ৰায় ৮৫ টা গৰু খাইছে। তাৰ প্ৰতি মুলাইৰ আক্ষেপ নাই। "হাবিত বাঘ পুহিছোঁ যেতিয়া মোৰ গৰু খাবই।" — ৰস লগাই তেওঁ কয়। অৰণ্যখন অসংখ্য শগুনৰ বাসভূমি !

**মুলাই কেনেকৈ ভাৰতৰ অৰণ্য মানৱ' হ'ল?**

"সৰুৰেপৰাই মোৰ গছৰ প্ৰতি মৰম আৰু খেতি কৰাৰ প্ৰতি আগ্ৰহ আছিল। এই বিষয়ত মই দুজন ব্যক্তিৰপৰা প্ৰেৰণা পাইছিলোঁ। তেওঁলোক আছিল অনিল বৰঠাকুৰ আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ বিজ্ঞানী ড° যদুনাথ বেজবৰুৱা ।"— আমাৰ এটা প্ৰশ্নৰ উত্তৰত মূলায়ে এইবুলি কৈছিল। ১৯৬৩ চনত মাজুলীত জন্ম লাভ কৰা মুলায়ে সৰুতে কেকোৰাতলিৰ বামুণগাঁৱৰ অনিল বৰঠাকুৰ নামৰ ব্যক্তিৰ ঘৰত থাকি বালিগাঁও হাইস্কুলৰ দশম শ্ৰেণীলৈকে পঢ়িছিল, আৰু ড° বেজবৰুৱাক তেওঁৰ বালিগাঁৱৰ ঘৰত লগ পাইছিল। তাৰ পাছৰ কালত তেওঁ কাৰ্তিক চাপৰিত গৰু-মহ পুহি, খেতি- বাতি কৰি থাকিবলৈ ধৰে। সেই সময়ত চৰকাৰৰ বন বিভাগে কাৰ্তিক চাপৰিত প্ৰায় ২০০ হেক্টৰ মাটিত পুলিবাগান খোলাৰ কাম আৰম্ভ কৰাত মুলায়ে তাত দিন হাজিৰাৰ কাম কৰিবলৈ ধৰে। বন বিভাগৰ আঁচনি সিমানতে সমাপ্ত হোৱাত সকলো কৰ্মী আঁতৰি যায়, কিন্তু মুলাই তাতে থাকি যায়। লাহে লাহে তেওঁ কাষৰে ঔৰনা চাপৰিত নিজাববীয়াকৈ গছ-গছনি ৰুই এখন নতুন অৰণ্যৰ জন্ম দিবলৈ সমৰ্থ হয়। বৰ্তমান যুগত বিজ্ঞান-প্ৰযুক্তিৰ অপপ্ৰয়োগে সৃষ্টি কৰা প্ৰাকৃতিক পৰিৱেশৰ ভাৰসাম্যহীনতাৰ প্ৰতি সচেতন যাদৱে অৰণ্যৰ গুৰুত্বৰ কথা ভালকৈ উপলব্ধি কৰে। সেয়ে, তেওঁ নিজে গঢ়া অৰণ্যখন অটুট ৰূপত ৰাখিব খোজে, যাতে এই অৰণ্য নৱপ্ৰজন্মৰ বাবে অনুকৰণীয় আৰ্হিৰূপে পৰিগণিত হয়।

যাদৱ পায়েঙে সুদীৰ্ঘ ডেৰ কুৰি বছৰৰো অধিক কাল কৰি অহা সাধনাৰ যথাযোগ্য স্বীকৃতি পাইছে। ২০১২ চনৰ ২০-২৫ এপ্ৰিলত নতুন দিল্লীৰ 'জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ স্কুল অৱ এনভাইনমেণ্টেল ছাইন্সেছে উদযাপন কৰা ধৰিত্ৰী দিৱসৰ কাৰ্যসূচীলৈ যাদৱ পায়েঙক আমন্ত্ৰণ জনাই তেওঁক সেই বিশ্ববিদ্যালয়ে 'ভাৰতৰ অৰণ্য মানৱ' (Forest Man of India) সন্মানেৰে বিভূষিত কৰিছে। সেই বছৰৰে ১৭ জুলাইত তেওঁক অৰণ্য সৃষ্টি কৰাৰ দৰে মহান কাম কৰাৰ বাবে মুম্বাইৰ 'শ্ৰীসন্মুখানন্দ' (Sri Shanmukhananda) নামৰ সুকুমাৰ কলা আৰু সংগীত সাধনাত ব্ৰতী অনুষ্ঠানটোৱে আগ বঢ়োৱা 'সন্মুখানন্দ ডায়েমণ্ড বঁটা' ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি এ. পি. জে. আব্দুল কালামে প্ৰদান কৰে। তেওঁক ২০১২ চনৰ ২৯ নৱেম্বৰত মুম্বাইত 'ছেংচুৱাৰি এছিয়া ৱাই ল্ডলাইফ বঁটা' (Sanctuary Asia Wildlife Award) প্ৰদান কৰা হয় ।

যাদৱ পায়েঙে ২০১২ চনৰ ২৪-২৬ ছেপ্টেম্বৰত ফ্ৰান্সৰ এভিয়ানত অনুষ্ঠিত হোৱা 'প্লেনেটৱৰ্ক ছপছ' (Planetworkshops) নামৰ অনুষ্ঠানে আয়োজন কৰা 'বহনক্ষম বিকাশৰ আন্তৰ্জাতিক ফ'ৰামৰ সপ্তম গোলকীয় অধিবেশন'ত (The Global Conference - 7th edition International Forum for a Sustainable Development) যোগদান কৰে, আৰু তাত তেওঁক বিশেষ সন্মান প্ৰদৰ্শন কৰা হয় ।

**যাদৱ পায়েঙৰ জীৱন-দৰ্শন আৰু কেইটামান উক্তি**

প্ৰৱেশিকা স্তৰলৈকে শিক্ষা লাভ কৰা যাদৱ পায়েং এজন অতি সহজ-সৰল, বিনয়ী, আৰু শিশুসুলভ স্বভাৱৰ ব্যক্তি। ৰাতিপুৱাৰ আগে আগে ৩ বজাতে শোৱাৰপৰা উঠি তেওঁ নদীৰ পাৰৰ ঘৰৰপৰা প্ৰায় ৭ কিল'মিটাৰ খোজ কাঢ়ি

কাঠনিলৈ যায়। তাত গৰু-মহ খীৰাই ত্ৰেতাক গাখীৰৰ যোগান ধৰে। তেওঁৰ জীৱিকা গাখীৰৰ ব্যৱসায় আৰু কিছু পৰিমাণে কৃষি। বছত একৰপৰা ডেৰ লাখ টকা তেওঁৰ আয় হয়; তাৰেই তেওঁৰ পাঁচজনীয়া সংসাৰখন চলি যায়। দুই পুত্ৰ আৰু এজনী কন্যাৰ পঢ়াৰ খৰচো ওলায়। তেওঁ কয় "মোৰ কোনো অভাৱ নাই।" পত্নী বিনীতাই ঘৰুৱা কামৰ উপৰিও তেওঁক কৃষিকাৰ্যত সহায় কৰে, দেশী-বিদেশী পৰ্যটকসকলক চাহ-জলপানেৰে অভ্যৰ্থনা জনায়। দুই পুত্ৰই পঢ়াৰ লগতে পিতৃকো অৰণ্যৰ কামকাজত সহায় কৰে। আচৰিত কথা, খাদৱ পায়েঙে নিজৰ অৰণ্যৰ কাঠ-বাঁহ কেতিয়াও বেচা নাই, আৰু নিজৰ ঘৰৰ কামতো খৰচ কৰা নাই। তেওঁ ঘৰৰপৰা কিছু আঁতৰৰ দেউৰী গাঁৱৰপৰা বাঁহ- কাঠ আনিহে নিজৰ ঘৰুৱা কামত লগায়।

আমি যাদৱৰ সৈতে প্ৰায় চাৰি ঘণ্টা সময় আন্তৰিকতাৰে কথা পাতি মানুহজন তৰ্ক-তৃণ-জীৱজন্তুৰ প্ৰতি অকৃত্ৰিম প্ৰীতি আৰু প্ৰকৃতি সংৰক্ষণ সম্পৰ্কে সুস্থ ধাৰণাৰে পুষ্ট এটা বহল মনৰ অধিকাৰী বুলি নিশ্চিত হৈছিলোঁ। তেওঁ প্ৰকৃতি সংৰক্ষণ সম্পৰ্কে নিজৰ অভিজ্ঞতা, সুস্থ ধাৰণা আৰু মতামত সলসলীয়াকৈ দৃঢ়তাৰে আৰু দ্বিধাহীনভাবে প্ৰকাশ কৰিব পাৰে। কথাই কথাই তেওঁৰ মুখৰপৰা স্বভাবসুলভ আৰু স্বতঃস্ফূৰ্তভাবে ওলাই অহা কিছুমান শাস্ত্ৰত ধাৰণাসমৃদ্ধ উক্তি আমি টুকি লৈছিলোঁ। তেওঁৰ বৈশিষ্ট্যপূৰ্ণ বক্তব্যবোৰ স্পষ্ট, বলিষ্ঠ আৰু যুক্তিনিষ্ঠ আৰু সেইবোৰৰ ভাষা আৰু উচ্চাৰণ শুদ্ধ। কেইটামান উদাহৰণ দিয়া হ'ল ।

@পৃথিৱীখন সেউজীয়া হৈ থাকিলেহে আমিও জীয়াই থাকিম

@ "পৃথিৱীত প্ৰথমে গছ-গছনিৰহে সৃষ্টি হৈছিল, সেয়ে আমি গছ-গছনি তথা অৰণ্যক ৰক্ষা কৰা উচিত।"

@"উশাহ ল'বলৈ বিশুদ্ধ বায়ুৰ প্ৰয়োজন, যাৰ বাবে প্ৰয়োজন বৃক্ষৰোপণ।"

@"এজোপা গছে দহজনৰ উপকাৰ কৰে, সেয়ে গছ- গছনি কাটিলে হাজাৰজনৰ ক্ষতি হয়।""গ্ৰীষ্মৰ প্ৰখৰ ৰ'দ আৰু বায়ুমণ্ডলৰ প্ৰচণ্ড উত্তাপ

@ কেবল গছৰ শীতল ছাঁ আৰু বতাহে আঁতৰাব পাৰে।" "কেৱল গছেহে গোলকীয় উষ্ণতা বৃদ্ধিৰ নিচিনা ভয়াবহ সমস্যাৰ সমাধান কৰিব পাৰিব।"

@"বানৰ ধ্বংসলীলা আৰু গৰাখহনীয়া কেৱল বৃক্ষৰোপণৰৰ্দ্ধৰাহে নিয়ন্ত্ৰণ কৰিব পাৰি।

@"অসমৰ বানপানী আৰু গৰাখহনীয়া নিয়ন্ত্ৰণৰ বাবে মথাউৰি আৰু পৰ্বপাইনৰ প্ৰয়োগ বিজ্ঞানসম্মত নহয়।

@"একোখন নদী একোটা জাতিৰ পৰিচয়। সেয়ে নদীৰ জলসম্পদ প্ৰদূষণমুক্ত কৰি সুৰক্ষিত কৰিব লাগে।"

@ "চৰাই-চিৰিকটি আৰু বন্য জীৱ-জন্তুৰ আশ্ৰয়স্থল হ'ল বনাঞ্চল, সেয়ে বনাঞ্চল ধ্বংস কৰি সিহঁতক গৃহহীন কৰা অনুচিত।"

@"যিসকলে (ৰাজনীতিকে) প্ৰকৃতিক বেড়া পায় আৰু সুৰক্ষা দিব নোৱাৰে, তেওঁলোকে দেশৰ ৰাইজৰ মংগল কেনেকৈ সাধিব

@"আমি নৱ প্ৰজন্মক কি দিব বিচাৰিছোঁ – এখন জীৱন্ত সেউজীয়া ধৰণীনে এখন নিৰ্জীৱ শুকান মৰুভূমি।"

@"পৃথিৱীখন সেউজীয়া কৰি ৰাখিবলৈ আমি শিশুসকলক শিক্ষাৰ প্ৰাথমিক স্তৰৰপৰাই পৰিৱেশবিজ্ঞানৰ ব্যৱহাৰিক (কাৰ্যভিত্তিক) শিক্ষা প্ৰদান কৰিব লাগিব। প্ৰতিজন শিশুৱে ৰোৱা প্ৰতিজোপা গছ যেন তেওঁ আগলৈয়ে চোৱাচিতা কৰি থাকিব পাৰে, তাৰ বাবেও তেওঁক শিক্ষাদান কৰি সজাগ কৰি ৰাখিব লাগিব।

তেওঁ তেনে ধৰণৰ অৰণ্য ব্ৰহ্মপুত্ৰৰ অন্যান্য বালিচৰতো গঢ়ি তোলাৰ পৰিকল্পনা কৰা বুলি আমাক জনায়। বিশেষকৈ ডিব্ৰুগড়ৰ পিনে তেনে অৰণ্য সৃষ্টি কৰাৰ প্ৰতি তেওঁ বেছি আগ্ৰহী। কেৱল প্ৰচুৰ বৃক্ষৰোপণৰ জৰিয়তেহে ব্ৰহ্মপুত্ৰৰ বানপানী নিয়ন্ত্ৰণ কৰিব পৰা যাব বুলি পায়েঙে দৃঢ় এ মত প্ৰকাশ কৰে। অনাহাতে, বিশ্বৰ বৃহত্তম নদী দ্বীপ

মাজুলীকো কেৱল বৃক্ষৰোপণৰ সহায়তহে বিলুপ্তিৰ গৰাহৰপৰা মুক্ত কৰিব পৰা যাব বুলি তেওঁ নিজৰ সুস্থ আৰু সুচিন্তিত মন্তব্য প্ৰকাশ কৰে।

মানুহৰ মনত বৃক্ষপ্ৰীতি সৃষ্টি তথা বৃদ্ধি কৰাৰ উদ্দেশ্যে ১৯৫৩ চনত জাঁ গিন' (Jean Giono) " নামৰ এজন ফৰাছী লেখকে 'দি মেন হু প্লেন্টেড ট্ৰিজ' (The Man Who Planted Trees) নামৰ এখন গ্ৰন্থ ৰচনা কৰিছিল। বিশ্বৰ বহু ভাষালৈ অনূদিত হোৱা সেই জনপ্ৰিয় গ্ৰন্থখনৰ লেখকৰ কল্পনাপ্ৰসূত কেন্দ্ৰীয় চৰিত্ৰ আছিল



এলজিয়াৰ্ড বুফিয়াৰ (Elzeard Bouffier)। আমাৰ আজিৰ যাদৱ পায়েং যেন এজন জীৱন্ত বাস্তৱ বুফিয়াৰ!

(লেখকে যোৱা ১৫-০১-২০১৪ তাৰিখে যাদৱ পায়েঙক লগ ধৰি মুলাই কাঠনি দৰ্শন কৰি সংগ্ৰহ কৰা তথ্যপাতিৰ ভিত্তিত যুগুতোৱা এই নিবন্ধ ‘প্ৰান্তিক’ত পূৰ্বে প্ৰকাশিত)

(লেখক পৰিচিতি : বিশ্বনাথ কলেজৰ ৰসায়নবিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক, বিজ্ঞান-জনপ্ৰিয়কৰণৰ বাবে ২০০৪ চনৰ ৰাষ্ট্ৰীয় বঁটা প্ৰাপক,
বিজ্ঞান জেউতিৰ প্ৰাক্তন সম্পাদক, বিশিষ্ট বিজ্ঞান লেখক, আৰু আকাশ বিজ্ঞান আৰু পৰিৱেশ শিক্ষা কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সভাপতি।
ঠিকনা : বিদ্যাপুৰ, হাটখোলা, বিশ্বনাথ চাৰিআলি, পিন-৭৮৪১৭৬, ফোন : ৯৪৩৫১৮৩৮৮৮, ই-মেইল : baruahkd@gmail.com)

# অনুসুচিত জনজাতিঃ প্ৰাপ্যৰ সন্ধানত ভূমিসন্তান

দেবব্ৰত শৰ্মা

Assam is the tract where the Indo-Mongoloid elements are present in their largest numbers in India. In Assam they dominated the scene, politically mostly and to some extent culturally also (although in the matter of culture including religion, the composite culture of the Ganges valley has always outward victory). Excepting members of a few of the he higher caste castes from the west (and these are as much mixed Austric Dravidian-Aryan as any) most of the people are Indo-Mongoloid, with some Austric and Dravidian stratum. The Indo-Mongoloid inheritance therefore belongs in a manner to the peoples of Assam.'- Dr. S.K.Chattarjee.

এই মংগোলীয় জনজাতিসকলৰ মাজত আছে বড়ো, মিচিং, দেউৰী, ৰাভা, সোনোৱাল, ঠেঙাল, তিৱা, ডিমাচা, বৰ্মন, হোজাই, মেচ, (সকলো ভৈয়ামৰ) আৰু ডিমাচা, কাৰ্বি, হাজং, চাকমা, হ্মাৰ, লাখেৰ, মান, মিজো, নাগা, পাবি, কুকি, চিংতে, আৰু খাচি,(সকলো পাহাৰৰ)। এই জনজাতীয় উপাদানে অসমীয়া জনজীৱনৰ ভাষা, সংস্কৃতি, আৰু জীৱনযাত্ৰাক সামগ্ৰিকভাৱে প্ৰভাৱান্বিত কৰিছে।

আজি কিছুদিনৰ আগলৈকে এই জনজাতিসকলৰ বহুতেই নিজকে অসমীয়া বুলি গণ্য কৰিছিল। অসমৰ ভৈয়াম জনজাতিসকলৰ উপৰিও পাহাৰৰ আংগামি, আও, চাখেচাং, চাং, কাবুই, খিয়াংগাম, কন্যাক, লোখা, ফম, পচুৰি, ৰেংমা, চাংতাম, চেমা, য়িমচাংগাৰ, জেলিয়াং, (সকলো বৰ্ত মান নাগালেন্দৰ) সকলে নাগামিজ কয়। সেইদৰে অৰুণাচলৰ মিলং, মিয়ং, পদলম, পালিলিব, পাংগি, পাবি, টাংগাগাম, আপাতানি, বাগনি, খামিয়াং, খোৱা, বুগুন, মিজি, হিল মিৰি, মিচিমি, মনপা, চেদুকপেন, চিংফৌ, আনি আৰু তাংচাসকলেও নেফামিজ বা অৰুণামিজ কয়। নাগামিজৰ দৰে ইও অসমীয়াৰে এটা মিশ্ৰিত ৰূপ | (১৫২)

অসমৰ ভৈয়াম এলেকাৰ বাসিন্দা জনজাতিসকলে এহেজাৰ বছৰৰো বেছিকাল অসমীয়া জনজীৱনৰ লগত সংহতি আৰু ক্ৰমাগত আত্মীকৰণৰ প্ৰক্ৰিয়াত চামিল থকাৰ বিপৰীতে পাহাৰীয়া জনজাতিসকল নিৰ্মীয়মান বৰ অসমৰ স্বেচ্ছামূলক অংশীদাৰ আছিল। পাচে পৰবৰ্তী সময়ত কিহে এই সম্পৰ্ক লণ্ডভণ্ড কৰিলে? কিহে বিগত দিনৰ বিশ্বস্ত বন্ধুক ক্ষুব্ধ, ক্ৰুদ্ধ কৰি তুলিলে ? কিয় এতিয়া অসমৰ ভৈয়াম জনজাতিসকলকো অসমৰ জাতি গঠন প্ৰক্ৰিয়াৰ অপৰিহাৰ্য অংশীদাৰ বুলি গণ্য কৰাত বাধা আহি পৰিছে? তেওঁলোকক এই প্ৰক্ৰিয়াৰ প্ৰান্তিক সত্তাহে বুলিব পাৰি। এই নেতিবাচক বিকাশবোৰ নিশ্চয় চিন্তাৰ বিষয়। তাৰ পম খেদি আমি প্ৰথমতে কেতবোৰ তথ্য দাখিল কৰিছোঁ। কটন কলেজৰ পৰা প্ৰকাশিত জনজাতীয় মুখপত্ৰ 'নায়ক'ৰ লগত সক্ৰিয়ভাৱে জড়িত ৰজনীকান্ত হাজৰিকাই বৰ্ণনা কৰিছে কেনেকৈ সোনোৱাল কছাৰীসকলে আউনীআটীৰ সত্ৰাধিকাৰ লীলাকান্ত দেৱগোস্বামীৰ লগত উত্তপ্ত তৰ্কত লিপ্ত হৈছিল। ১৯২০ৰ দশকৰ প্ৰথমৰ ছোৱাত উক্ত সত্ৰাধিকাৰ জনে সোনোৱালসকলক শূদ্ৰ হিচাপে আখ্যা দিব খুজিছিল। সোনোৱাল কছাৰীসকলে এনে আখ্যাৰ প্ৰৱল বিৰোধিতা কৰাত গোস্বামীও ক্ষুব্ধ হৈ উঠে। তেওঁ বোলে সোনোৱাল কছাৰীসকলক এমাহৰ ভিতৰত মৰাৰ বাবে শাও দিয়ে। তেওঁলোকেও বোলে গোঁসাইক এমাহৰ ভিতৰত

মৰিবৌলে শাও দিয়ে।(১৩) এজন গুৰু আৰু তেওঁৰ শিষ্যসকলৰ মাজত তৰ্ক বিতৰ্কৰ এই চৰমতাই বিষয়টোৰ বিস্ফোৰক চৰিত্ৰ, আৰু নিম্নত জাতি-বৰ্ণ-সম্প্ৰদায় সমূহৰ প্ৰতি সত্ৰ সমূহৰ নিতান্ত অৱহেলাৰে সাক্ষ্য ডাঙি ধৰে।

বিশিষ্ট তিৱা নেতা বলাইৰাম সেনাপতিয়ে অভিযোগ কৰিছিল যে, শংকৰী বৈষ্ণৱ ধৰ্মৰ জৰিয়তে জনজাতিসকলক কোচত পৰিণত কৰাৰ প্ৰক্ৰিয়া চলোৱা হৈছিল, যাৰ ফলত

১৫১) হেমন্ত বৰ্মন সম্পাদিত শ্ৰীময়ী, নেপালী বিশেষ সংখ্যা, ১-১৫ দিচেম্বৰ, ১৯৯৪

152) K.S. Singh & S. Monohoran: Languages and Scripts, (People of India series, Vol IX, A.S.I., O.U.P., Delhi, 1993)

১৫৩) মংগোল কছাৰী গুপ্ত ইতিহাস, পৃষ্ঠা ১৮৭



জনজাতিৰ সংখ্যা কমি গৈছিল উদ্বেগজনকভাৱে। তেওঁ তিনিটা ক্ৰমাগত লোকপিয়লত তিৱা সকলৰ জনসংখ্যা দেখুৱাই তাৰ প্ৰমাণ ডাঙি ধৰিছে।

তালিকা ঃ ২

| ১৮৭২ | ১৮৯১ | ১৯০১ |
|---|---|---|
| ৩৪,৮৫৯ | ৫২৪২৩ | ৩৫৫১৩ |

১৮৯১-১৯০১ সময়ছোৱাত তিৱাসকলৰ সংখ্যা স্বাভাৱিক ভাৱে বৃদ্ধি পোৱাৰ পৰিৱৰ্তে ১৬,৯০১ জন তিৱা ব্যক্তি নিৰুদ্দেশহে হোৱা আমি ইয়াত দেখা পাইছো। এয়া বৈষ্ণৱ ধৰ্মান্তৰণৰে প্ৰভাৱ বুলি সেনাপতিয়ে কৈছে। ইয়াৰ ফলত জনজাতি জনগোষ্ঠীটো সংখ্যালঘিষ্ঠ হৈ বিলুপ্ত হোৱাৰ উপশম হয়। এখন বিধান সভাৰ আসনো তেওঁলোকে নিজৰ জোৰত লাভ কৰিব নোৱৰা হয়। ১৫৪)

বিশিষ্ট মিচিং নেতা তথা মিচিং বাঃনী কীবাঙৰ তিনি দশক জোৰা সভাপতি (১৯৫৫-৮৫) মালচন্দ্ৰ পেগুৱে জনায় যে প্ৰথমজন মিচিং গ্ৰেজুৱেত চাৰুচন্দ্ৰ দলেও, যি মিচিং বাঃনী কৌবাংএজন প্ৰতিষ্ঠাপক আছিল, মিচিংসকলক সত্ৰাধিকাৰে শৰণ দিয়াৰ বিৰোধী আছিল। তেওঁৰ মতে এনে শৰণে মিচিংসকলক পতনৰ ফালেহে ঠেলি দিয়ে। তেওঁ সত্ৰাধিকাৰসকলে মিচিংসকলক জাতিগতভাৱে বিভাজন কৰাৰ আৰু অন্ধবিশ্বাসৰ বলি কৰাৰ অভিযোগো তোলে। ১ (sea)

সাহিত্য অকাদেমি বিজয়ী বিশিষ্ট সাহিত্যিক মেদিনী চৌধুৰীৰ দেউতাক, তথা শৰণীয়া কছাৰী সম্প্ৰদায়ৰ বিশিষ্ট নেতা হিতৰাম চৌধুৰী কেনেকৈ জীৱনৰ শেহৰ ফালে বৰ্ণহিন্দু আৰু সত্ৰাধিকাৰসকলৰ বিভাজনবাদী নীতিত অতীষ্ঠ হৈ উঠিছিল সেই বিষয়ে মেদিনী চৌধুৰীয়ে লিখি গৈছে। তেওঁৰ দেউতাকে সত্ৰীয়াসকলৰ লগত যিকোনো সংস্পৰ্শ পৰিত্যাগ কৰিছিল, তেওঁ আনকি বামুনীয়া আচাৰ অনুষ্ঠানৰ পৰাও আঁতৰি আহিছিল । (১৫৬)

...এনেবাৰ উদাহৰনে আমাক বুজাই দিয়ে অসমীয়া ধৰ্মীয় পন্থাবোৰৰ লগত বড়োসকলৰ সম্পৰ্ক নাই কিয়। আজি বড়ো সকলৰ ১০ শতাংশও অসমীয়া কোনো ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত নহয়। গুৰুদেৱ কালীচৰণ ব্ৰহ্মৰ নেতৃত্বত তেওঁলোকৰ এটা ডাঙৰ অংশই বংগৰ স্বামী শিৱ নাৰায়ণ পৰমহংসৰ দ্বাৰা প্ৰৱৰ্তিত ব্ৰহ্ম ধৰ্মত (ব্ৰাহ্ম নহয়) দীক্ষা ল'লে ৰংগৰেই অনুকুল চন্দ্ৰৰ শিষ্য হ'ল আৰু বহু বড়ো লোক। তৃতীয় এটা গুৰুত্বপূৰ্ণ অংশ খৃস্তান হ'ল আৰু চতুৰ্থ এটা বুজন অংশই তেওঁলোকৰ প্ৰাচীন জড়বাদী বাথৌ পূজাকেই কৰি থাকিল। একেদৰে কাৰ্বিসকল বিভক্ত হ'ল খৃস্তান ধৰ্ম আৰু আদি জড়বাদী বিশ্বাস হংহাৰী পন্থাৰ মাজত, মিচিংসকল খৃস্তিয়ান ধৰ্ম আৰু ডক্ৰি পল' জড়বাদী বিশ্বাসৰ মাজত...। এই সকলো ক্ষেত্ৰতে এটা কথাৰ মিল আছে। সেয়া হ'ল জনজাতি সকলৰ এই ধৰ্মীয় আন্দালনো এহাতেদি অসমীয়া উগ্ৰজাতীয়তাবাদ আৰু আনহাতে ব্ৰাহ্মণ্যবাদী জাতি বৰ্ণবাদৰ বিৰুদ্ধে এক প্ৰতিবাদ আছিল। ইয়াৰ ফলত সামাজিক, সাংস্কৃতিক আৰু ভাষিক ক্ষেত্ৰত বিৰাজ কৰা বিভাজন ধৰ্মীয় ক্ষেত্ৰলৈয়ো সম্প্ৰসাৰিত হৈছিল।

এইখিনিতে উল্লেখযোগ্য যে মিচিং আৰু তিৱাসকলৰ একাংশ অসমীয়া বৈষ্ণৱ বাদৰ প্ৰতি এসময়ত আকৰ্ষিত হৈছিল। তাতোকৈ গুৰুত্বপূৰ্ণ কথা হ'ল মিজো, গাৰো, নাগা, খাচি সকল সামগ্ৰিক ভাৱেই খস্তান হৈ পৰিছিল। অৱশ্যে সোণোৱাল কছাৰী আৰু ঠেঙাল কছাৰীসকল বিগত তিনি শতিকামান জুৰি অসমীয়া বৈষ্ণববাদৰ লগতে সাঙোৰ খাই পৰিলেও তাতো যে ভিতৰৰ পৰাই প্ৰত্যাহ্বান আছে, তাৰ প্ৰমাণ হৈছে ৰজনী হাজৰিকাৰ সোনোৱাল কছাৰী সম্পৰ্কীয় সাক্ষ্য।

এই সুগভীৰ সামাজিক, ধৰ্মীয়, সংস্কৃতিক বিভাজনে শিক্ষাক্ষেত্ৰখনকো ৰেহাই নিদিলে। জনজাতিসকলৰ শৈক্ষিক অনগ্ৰসৰতাৰ কথাটোত কোনো বিতৰ্ক নাই। অনগ্ৰসৰতাৰ কাৰক কি, সেই সম্পৰ্কে বিতৰ্ক থাকিব পাৰে। উদাহৰনস্বৰূপে ১৯৪৭ চনত আচাম প্লেইনচ ট্ৰাইবেল লিগে দাখিল কৰা এখন স্মাৰকপত্ৰত সেইসময়ত জনজাতিসকলৰ

সাক্ষৰতা ৫ শতাংশৰ বেছি নহয় বুলি কোৱা হৈছিল। ১৫৭) সঁচাকৈয়ে ১৯৩১ চনতো পাঁচ বছৰৰ ওপৰৰ ল'ৰাৰ সাক্ষৰতাৰ হাৰ আছিল ৩.১ শতাংশ আৰু ছোৱালীৰ ০.৪ শতাংশ। ১৯২১ চনত সেই পৰিসংখ্যা আছিল ক্ৰমে ১.৯ শতাংশ আৰু ০.২শতাংশ। ১৯২১ চনত ইংৰাজী সাক্ষৰ জনজাতিৰ সংখ্যা আছিল ০.১ শতাংশ। একদশকৰ পাচত, অৰ্থাৎ ১৯৩১ চনতো আখৰ চিনা জনজাতি ০.১ শতাংশই থাকিল। ১৯৩১ চনত বড়ো-কছাৰীসকলৰ হিচাব বেলেগকৈ উলিৱাত দেখা গৈছিল যে তেওঁলোকৰ পুৰুষসকলৰ সাক্ষৰতাৰ হাৰ ৬.২ শতাংশ আৰু নাৰীৰ মাত্ৰ ৩ শতাংশ। ১৯৩১ চনৰ লোকপিয়ল প্ৰতিবেদনে এইটোও দেখুৱাই দিয়ে যে কেতবোৰ জাতি-জনজাতিৰ অৱস্থা আৰু শোচনীয় আছিল।

১৫৪) তিৱা মাথনলাই তথ্ৱাৰ ১৯৯৫ চনৰ জাগীৰোদ অধিবেশনৰ স্মৃতিগ্ৰন্থ্ গৱানেথলাৰত প্ৰকাশিত প্ৰবন্ধ
১৫৫) মিচিং বাঃনী কৌবাং১৯৮৯ চনৰ কঠালগুৰি অধিবেশনৰ স্মৃতিগ্ৰন্থঃ মিংমাঙত প্ৰকাশিত
১৫৬) নায়ক, ভীমবৰ দেউৰী বিশেষ সংখ্যা, নবেম্বৰ, ১৯৪৯
১৫৭) Bodo (Kachari ) p. 34-38



উদাহৰনস্বৰূপে কাৰ্বি সকলৰ কথাই ক'ব পাৰি। তেওঁলোকৰ শিক্ষাৰ বাবে চৰকাৰে প্ৰকৃতাৰ্থত একোৱেই কৰা নাই বুলি মন্তব্য কৰি উক্ত পিয়লৰ প্ৰতিবেদনত দেখুৱা হৈছিল যে কাৰ্বি পুৰুষৰ সাক্ষৰতা মুঠেই ১.৩ শতাংশ; ২৬,০০০ কাৰ্বি মহিলাৰ ভিতৰত মাত্ৰ ৫ গৰাকীহে সাক্ষৰ । (১৫৮)

আমি যদি এই পৰিসংখ্যাসমূহক ব্ৰাহ্মণ আৰু বৈদ্য সম্প্ৰদায়ৰ তথ্যৰে সৈতে তুলনা কৰি চাওঁ, তেতিয়া দেখো যে সেই সময়ছোৱাতে ব্ৰাহ্মণ পুৰুষ আৰু নাৰীৰ সাক্ষৰতাৰ হাৰ আছিল ক্ৰমে ৭২.১ শতাংশ আৰু ১৯.৪ শতাংশ। (এই ক্ষেত্ৰত বয়স আছিল সাত আৰু তাৰ ওপৰৰ। সেইদৰে বৈদ্য সকলৰ মাজত ৮৬.৮ শতাংশ পুৰুষ আৰু ৬৫.৯ শতাংশ নাৰী সাক্ষৰ আছিল। ১৯৩১ চনৰ লোকপিয়ল আয়ুক্তই সেয়েহে এইবুলি মোখনি মাৰিছিল :

**আন কথাত ক'বলৈ গ'লে পাম্পৰা জাতি বিলাকৰ পুৰুষতকৈ ব্ৰাহ্মণ পুৰুষৰ সাক্ষৰতা দহগুণ বেছি আৰু সেই বিলাক সম্প্ৰদায়ৰ নাৰীতকৈ ব্ৰাহ্মণ নাৰীৰ ৪০ গুণ বেছি। (১৫৯)**

কিন্তু এই দহ গুণৰ পৰা চলিচগুণ পাৰ্থক্যৰ ব্যাখ্যা কি? তাক ব্যাখ্যা কৰাৰ আগতে আমি আৰু কিছু তথ্য বিচাৰ কৰি লওঁহক। যথাঃ

১৯৪৭ চনলৈকে মাত্ৰ তিনিজন অনুঃজনজাতি ছাত্ৰইহে মেদিকেল পঢ়াৰ বাবে বৃত্তি লাভ কৰিছিল। তেওঁলোক আছিল ক্ৰমে খগেন্দ্ৰ নাথ ব্ৰহ্ম, চন্দ্ৰমোহন ব্ৰহ্ম আৰু ফণীধৰ বৰা । ( ১৬০ ) ১৯৫৫ চনলৈকে মিচিঙৰ মাজত গ্ৰেজুৱেত আছিল মাত্ৰ ১৯ জন। (১৬১)
আমাৰ আলোচ্য সময়ছোৱাৰ সামৰনিতো বিভিন্ন জনজাতি গোষ্ঠীবিলাকৰ সাক্ষৰতা এনেধৰণৰ আছিল :

**তালিকা ৩**

| | |
|---|---|
| ১ দেউৰী | 33.5% |
| ২ মেচ | 27.12% |
| ৩.সোনোৱাল | 25.12% |
| 8. লালুং (তিৱা) | 20.94% |
| ৫ মিচিং | 20.80% |
| ৬। বড়ো | ১৯.৮৩% |
| ৭/ ৰাভা | 22.69% |

এতিয়া এই পৰিসংখ্যাক ৰাজ্যখনৰ গড় সাক্ষৰতাৰ (১৯৬১ চনত ২৭.১৪%) লগত তুলনা কৰি কৰি চাওক। দেখা পাব যে শিক্ষাৰ ক্ষেত্ৰত জনজাতি আৰু বৰ্ণহিন্দুসকলৰ মাজত বিৰাজ কৰিছিল এক বিৰাট ব্যৱধান ।
১৯৩০ বা '৪০ ৰ দশকৰ কথা বাদেই দিলো, কুৰি শতিকাৰ শেহলৈকেও জনজাতিসকলে শিক্ষাৰ ক্ষেত্ৰত তেওলোকৰ প্ৰাপ্য পোৱা নাছিল। এজন গৱেষকে দেখুৱাইছে কেনেকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্মলগ্নত গোপীনাথ বৰদলৈয়ে ই সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ জনজাতিসকলক উপকৃত কৰিব বুলি ঘোষণা কৰিছিল, তথাপিও প্ৰকৃতাৰ্থত জনজাতিসকলৰ এজনেও বিশ্ববিদ্যালয়ৰ শিক্ষক হ'বলৈ বহু বছৰ অপেক্ষা কৰিব লগা হৈছিল। এক প্ৰতিবেদন অনুসৰি আনকি কুৰি শতিকাৰ আশীৰ দশকতো বিশ্ববিদ্যালয়খনৰ ২৬৭ জনীয়া অধ্যাপকমণ্ডলীৰ মাজত মাত্ৰ এজন আছিল জনজাতীয়। (১৬৩)

শীৰ্ষ শিক্ষানুষ্ঠান সমুহৰ শিক্ষকমণ্ডলীত জনজাতিসকলৰ এনে অনুপস্থিতি আৰু উচ্চবৰ্ণৰ লগত তেওঁলোকৰ শিক্ষাৰ হাৰৰ দহগুনৰ পৰা চল্লিচগুণ পাৰ্থক্যৰ বিষয়ে জনজাতিসকলে নিজেই ব্যাখ্যা আগবঢ়াইছে। উদাহৰনস্বৰূপে কটন কলেজৰ পৰা প্ৰকাশিত জনজাতিসকলৰ মুখপত্ৰ 'নায়ক'ৰ অন্যতম নায়ক ৰজনীকান্ত হাজৰিকাই যুক্তি দিছিল যে স্কুল-কলেজ আৰু ছাত্ৰাবাসবিলাকত কছাৰী জনজাতিসকলক অনা-হিন্দু বা শূদ্ৰ বুলিয়েই প্ৰবেশাধিকাৰ দিয়া নহয়। যিসকলে তাৰ মাজেদিও সৰকি শিক্ষা ল'বলৈ সক্ষম হৈছে, সেয়া তেওঁলোকে কৰিছে নিজৰ জনজাতীয় পৰিচিতি গোপন কৰিহে । তেওঁলোকে কলিকতালৈ গৈছে শিক্ষা ল'ব পাৰিছিল। তেওঁৰ মতে অস্পৃশ্যতাই আছিল জনজাতিসকলক শিক্ষাৰ পৰা বঞ্চিত কৰা বৃহত্তম কাৰক। তেওঁ সেই দিনবোৰক 'জাতীয় ট্ৰেজেদিৰ দিন' বুলিও বৰ্ণনা কৰিছে।(১৬৪)
মিচিং নেতা তথা মিচিং আগম কীবাঙৰ এসময়ৰ প্ৰধান সম্পাদক শিবৰাম পেগুৰেও মিচিংসকলৰ শৈক্ষিক অনগ্ৰসৰতাৰ বাবে অস্পৃশ্যতাকে প্ৰধানতঃ দায়ী কৰিছে। তেওঁলোকক বিদ্যামন্দিৰ, টোল, সত্ৰ আদিত প্ৰৱেশাধিকাৰ দিয়া হোৱা নাছিল। বৰ্ণহিন্দু ছাত্ৰসকলে তেওঁলোকৰ লগত আনকি বৃষ্টিচ- প্ৰতিষ্ঠিত বিদ্যালয়তো বহিবলৈ অস্বীকাৰ কৰিছিল বুলি পেগুৱে কৈছে। ১৯৩৪ চনতো জনজাতি ছাত্ৰবৃন্দক ছাত্ৰাবাসত থাকিবলৈ দিয়া নহৈছিল বুলি তেওঁ সাক্ষ্য আগবঢ়াইছে। তেওঁ ইয়াত এটি

(১৫৮) (bid ১৫৯) 1931 Census Report, Chapter on Literacy, p. 158 ১৬০) নায়ক, চতুৰ্থ খণ্ড, দ্বিতীয় সংখ্যাত প্ৰকাশিত বন্ধুৰাম কছাৰীৰ প্ৰৱন্ধ । ১৬১) মিচিং বাঃনৌ কীবাংস্মৃতিগ্ৰন্থঃ মিংমাং, কঠালগুৰি, ১৯৮৯ ৰ সম্পাদকীয়।
১৬২) ১৯৬১ চনৰ লোকপিয়ল।
১৬৩) Dr. M. Hussain: Assam Movement: Class, Ideology and Identity, p.178 ১৬৪) মংগোল কছাৰী গুপ্ত ইতিহাস, পৃ. ১৭৪



চমৎকাৰ তথ্য উদ্ঘাটন কৰিছে। সেয়া হৈছে সত্ৰৰ শিষ্য হোৱা কোনো মিচিঙেই প্ৰৱেশিকা পৰীক্ষা পৰ্যন্ত উত্তীৰ্ণ হ'বলৈ সক্ষম হোৱা নাই |(১৬৫)
ভীমবৰ দেউৰীৰ অভিজ্ঞতায়ো একেই কথা কয়। প্ৰাক্- স্বাধীনতা কালৰ বিধান পৰিষদৰ সদস্য, তথা মন্ত্ৰী ভীমবৰ দেউৰীয়ে ৰাজ্যিক বিধান পৰিষদত এনেকৈ কৈছিলঃ 'চৰকাৰে অনুগ্ৰহ কৰি ক'বনে, অসম উপত্যকাৰ জিলাসমূহৰ কোন কোন চৰকাৰী আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত হাইস্কুলৰ ছাত্ৰাবাসৰ ভোজন কক্ষত জনজাতি ছাত্ৰক প্ৰৱেশ কৰিবলৈ দিয়া হয় আৰু ক'ত কত নহয় ?'
দেউৰীয়ে এই কথাও উদঙাই দিছিল যে জনজাতি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা গৰিষ্ঠতা থকা বিদ্যালয়ৰ বাবে নিৰ্ধাৰিত অনুদান অবৈধভাৱে ৫ শতাংশতকৈয়ো কম অনুঃজনজাতি থকা বিদ্যালয়ত বিলাই দিবলৈ দিছিল। সংশ্লিষ্ট বিভাগৰ কংগ্ৰেচ মন্ত্ৰী ৰোহিণী কুমাৰ চৌধুৰীয়ে বিধান পৰিষদৰ মজিয়াত এই কথা স্বীকাৰ কৰি ক'ব লগা হৈছিল যে অসমৰ তেতিয়াৰ কংগ্ৰেচী প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈৰ মৌখিক নিৰ্দেশমতে সেই ধন তেনেকৈ ব্যয় কৰা হৈছিল। শিক্ষা বিভাগৰ মন্ত্ৰীজনে জে.বি. কলেজৰ ছাত্ৰাবাসত জনজাতি ছাত্ৰক ভৰ্তি কৰা হয় বুলি কোৱাৰ পাচতো দেউৰী পতিয়ন যোৱা নাছিল।
দেউৰীৰ এই আশংকা অমূলক নাছিল। আমাৰ সৰ্বোৎকৃষ্ট সৰ্বাগ্ৰগণ্য উচ্চ শিক্ষানুষ্ঠান কটন কলেজৰ ছাত্ৰাবাসত থাকিবলৈ গৈ দেউৰী নিজেই অতিশয় তিক্ত অভিজ্ঞতাৰ সন্মুখীন হৈছিল। তাৰ জনজাতি ছাত্ৰসকল নিকৃষ্টধৰণৰ অস্পৃশ্যতাৰ বলি হৈছিল। তেওঁলোকক ৰাজহুৱা ভোজন ঘৰত খাবলৈ দিয়া নহৈছিল ।(১৬৬) এই জঘন্য বৰ্ণবাদৰ বিৰুদ্ধে দেউৰী আৰু তেওঁৰ সতীৰ্থ সকলে কঠোৰ সংগ্ৰাম কৰিব লগা হৈছিল।
কছাৰী সম্প্ৰদায়ে চাইমন কমিচনৰ ওচৰত দাখিল কৰা এখন স্মাৰক পত্ৰতো এই সামাজিক বৈষম্যৰ প্ৰসংগটোৱেই আগ তাই পাইছিল। ১৯২৮ চনৰ আগস্তত যোৰহাট জিলাৰ তিতাবৰত অনুষ্ঠিত কছাৰী সম্প্ৰদায়ৰ সন্মিলনত এনেকৈ প্ৰস্তাব লোৱা ছিল, যেঃ
Resolved that as the Kachari students are not allowed to live together with other stu- dents, this meeting is of the opinion that sepa- rate living rooms be provided in each ME School, High school and College. (১৬৭)
এয়া বিশিষ্ট জনজাতীয় বুদ্ধিজিৱী মেদিনী চৌধুৰীৰ অভিজ্ঞতাৰ লগতো সংগতি পূৰ্ণ। নিজৰ বিদ্যালয়ৰ অনুষ্ঠান এটাত মঞ্চৰ ওপৰত থিয় হৈ কিবা ক'ব খোজোঁতেই চৌধুৰীয়ে শুনিছিল। তলৰপৰা এটা চিঞৰ, কাৰী, মাতব' নাগে'। আন জনজাতীয় ছাত্ৰসকলৰ লগতে চৌধুৰীকো বিদ্যালয়ত অনুষ্ঠিত সংকীৰ্তন অনুষ্ঠানৰপৰা নিলগাই ৰখা হৈছিল। এই অপমানৰ বাবেই চৌধুৰীয়ে তেওঁৰ অপমানকাৰী বিলাকতকৈ ভাল অসমীয়া ক'বলৈ আৰু এদিন ভাল অসমীয়া লিখিবলৈ প্ৰতিজ্ঞা কৰিছিল।(১৬৮) সময়ত এই প্ৰতিজ্ঞাৰ পৰিণতিতে চৌধুৰীয়ে সাহিত্য অকাদেমি বঁটা জিনিবলৈও সমৰ্থ হৈছিল।
এনে পৰিস্থিতত পৰিয়েই ভীমবৰ দেউৰীয়ে এদিন অসম বিধান পৰিষদৰ মজিয়াত কৈ উঠিছিল জনজাতিসকলৰ শিক্ষাৰ বাবে যদি চৰকাৰৰ টকাৰ অভাৱ, তেনেহ'লে জনজাতিসকলৰ ওপৰত কৰ লগায়েই সেই ধন সংগ্ৰহ কৰা হওক । প্ৰধান মন্ত্ৰী চাৰ চৈয়দ চাদুল্লাই সেই প্ৰস্তাৱতে ভেজা দি মাটিৰ খাজনা ৰেহাই দিবলৈ জনজাতিসকলে কৰা দাবি খাৰিজ কৰিছিল। (ভাৱটো এনেকুৱাঃ যে শিক্ষাৰ কাৰণে বেলেগে কৰ দিবলৈ তোমালোকৰ যদি ইমানেই ধন, খাজনা ৰেহাই লাগে কিয় ?) উত্তৰত দেউৰীয়ে কৈছিল, : জনজাতিসকলেই হৈছে অসমৰ আটাইতকৈ দুখীয়া আৰু পাচপৰা সম্প্ৰদায়। তেওঁলোকৰ মাজত নিৰক্ষৰতা হৈছে ভয়ংকৰ আৰু উচ্চ শিক্ষিত লোকো অতি বিৰল। চৰকাৰৰ সাহায্যত তেওঁলোকৰ সন্তান-সন্ততিৰ শিক্ষাৰ

বাবে এক বিশেষ পুঁজি গঢ়ি তুলিলে তেওঁলোক পাচ পৰিয়েই থাকিব। তেওঁলোকৰ এই দাৰিদ্ৰইহে তেওঁলোকক এনে (কৰ আৰোপৰ) প্ৰস্তাৱ দিবলৈ বাধ্য কৰিছে। (১৬৯) (গুৰুত্ব প্ৰদান আমাৰ)
জনজাতিসকলৰ শৈক্ষিক অনগ্ৰসৰতাৰ বাবে অগ্ৰসৰ সম্প্ৰদায়বোৰক প্ৰত্যক্ষভাৱে দোষী সাব্যস্ত কৰি দেউৰীয়ে কয় যে যিসকলে ইতিমধ্যে বহু সুবিধা উপভোগ কৰিলে, এতিয়া সি সকলে আনৰ বাবে ত্যাগ কৰা উচিত।
এইখিনি আলোচনাৰ পৰা আমি নিশ্চয় এনেকৈ মোখনি মাৰিব পাৰোঁ যে বৃতিচ সাম্ৰাজ্যবাদ জনজাতি তথা আন পাচপৰা সম্প্ৰদায়বোৰক শিক্ষা দিয়াত বিশেষ উৎসাহী নাছিল আৰু সি নিজৰ প্ৰশাসন যন্ত্ৰ চলাব পৰাকৈ এমুঠিমান স্থানীয় শিক্ষিত মানুহহে বিচাৰিছিল। বৰ্ণহিন্দুসকলৰ যিহেতু ঐতিহাসিকভাৱেই পঢ়া শুনাৰ লগত সম্পৰ্ক আছিল সেয়েহে

১৬৫) মিচিং আগম কীৰাঙৰ দশম অধিবেশনৰ স্মৃতিগ্ৰন্থত প্ৰকাশিত প্ৰবন্ধ, জনাই,১৯৮৯
১৬৬)জীবৰ দেউৰীৰ পঞ্চাচতম মৃত্যু বাৰ্ষিকীত প্ৰকাশিত স্মৰণিকাত ইন্দিবৰ দেউৰীৰ প্ৰবন্ধ
১৬৭) Memorandum of the Kachari Community before the Simon commission, 14-09-1928.
১৬৮) The Assam Tribune ত মেদিনী চৌধুৰীৰে সাক্ষাৎকাৰ, ২৫-৭-১৯৯৮
১৬৯) Assam Legislative Council Debates, 1940, pp. 102-107



তেওঁলোক বৃতিচৰ প্ৰথম পচন্দ আছিল, তেহেলৈ জনজাতি- দলিতসকল আন্ধাৰতে পৰি থাককক্ক বৰ্ণহিন্দুসকলো বৃত্তিচৰ বদান্যতাৰ বাবে ব্যগ্ৰ আছিল। তাৰ বাবে তেওঁলোকে বিদ্বেষ- বৈষম্যৰ নীতি বলবৎ কৰাত বৰঙনি যোগাবলৈও পাচ হোঁহকা নাছিল। এই নীতিয়ে জনজাতিসকলক অজ্ঞতা আৰু নিৰক্ষৰতালৈ ঠেলি দিছিল। ফলত শিক্ষা-আলোকিত আৰু শিক্ষা-বঞ্চিত, সমাজৰ এই দুয়োটা অংশৰ বাবে একেটা অসমীয়া জাতিতে ঐক্যবদ্ধ হোৱাটো কঠিন হৈ পৰিছিল।

ভূমি বিচ্ছিন্নতা আছিল জনজাতিসকলক অসমীয়া সমাজৰ পৰা বিচ্ছিন্ন কৰা আন এটা কাৰক। জনজাতি সকল যিহেতু মুলতঃ কৃষিজীৱী আছিল, তেওঁলোকৰ হাতৰ মাটি কাঢ়ি নিয়া মানে তেওঁলোকক জীৱন মৰণৰ সীমালৈ ঠেলি দিয়াটোৱেই আছিল। নামত ভূমি সন্তান হ'লেও তেওঁলোকৰ সাতামপুৰুষীয়া মাটিৰ পৰা ম্যাদী পট্টা নাই বুলিয়েই জনজাতি সকলক উচ্ছেদ কৰা হৈছিল। বৰ্ণহিন্দু আমোলা-কোনিৰে পৰিপূৰ্ণ ভূমি খতিয়ান বিভাগৰ বৰ্ণহিন্দু আমোলাতন্ত্ৰই এনেকৈয়ে জনজাতি আদিবাসী সকলৰ পৰা সাতামপুৰুষীয়া মাটি কাঢ়ি আনি উকিল, কোনি, মহৰি, মাটি হাকিমহঁতৰ নামত আইনী পট্টা তুলি দিছিল। চৰকাৰে গুৱাহাটী চিৰিয়াখানা, বঙাইগাঁও শোধনাগাৰ, জাগীৰ 'দ কাগজ কল, গুৱাহাটী কমাৰ্চ কলেজ, বৰঝাৰ বিমান বন্দৰ, নুনমাটি শোধনাগাৰ, কপিলী আৰু ধনশিৰি জলসিঞ্চন প্ৰকল্প, সাতগাওঁ সামৰিক শিবিৰ, আনকি বৰপেটা কোকলাবাৰীত বাঘ প্ৰকল্পৰ বাবেও জনজাতিৰ বসতি মাটিকে নিৰ্দ্বিধাই আবন্টন দিছিল। আনহে নালাগে গুৱাহাটীৰ কাষৰীয়া অঞ্চলত অসম সাহিত্য সভাৰ বাবেও আবন্টন দিয়া হৈছিল জনজাতিৰ মাটি, আৰু সভায়ো সেয়া নিৰ্লজ্জৰ দৰে গ্ৰহণ কৰিছিল। এই গোটেই প্ৰক্ৰিয়াটোত হেজাৰ ৰিজা ৰ জনজাতি লোকৰ ঘৰ ভাঙি ধূলিত মিলাই দি তেওঁলোকক পথৰ ভিক্ষাৰীত পৰিণত কৰা হৈছিল, কেৱল সিমানেই নহয়, নিজৰ সাতামপুৰুষীয়া মাটিৰ পৰা উচ্ছেদিত ভূমি সন্তান সকলক ওলোটাই আইন ভংগকাৰী আৰু বেদখলকাৰী সজোৱা হৈছিল। আইন অৱশ্যেই সুবিধাভোগী শ্ৰেণী-জাতিবোৰৰ একচেতিয়া স্বত্বাধিকাৰ

এই কথা প্ৰমাণিত হয় অসম চৰকাৰৰ নিজৰেই এক উপসমিতিৰ প্ৰতিবেদনৰ পৰা । প্ৰতিবেদনখনত ওলাই পৰে যে অসম ভূমি আৰু ৰাজহ বিধিৰ দশম অধ্যায়ৰ ব্যৱস্থাৱলী ক'তোৱেই নিষ্ঠাসহকাৰে কাৰ্যকৰী হোৱা নাই। উপসমিতিটিয়ে লক্ষ্য কৰে যে উক্ত দফাৰ কাৰ্যকৰীকৰণৰ দায়িত্বত থকা চৰকাৰী বিষয়া কৰ্মচাৰীবৃন্দই জনজাতীয় বেল্ট-ব্লকবোৰ সুৰক্ষা দিয়াৰ বিপৰীতে বেদখলকাৰীৰ লগত সহযোগ কৰি অজনজাতি লোকলৈ জনজাতি ভূমি হস্তান্তৰৰ চক্ৰান্ততহে লিপ্ত হৈছে । (১৭০)

মেদিনী চৌধুৰীয়ে দেখুৱাইছিল যে ৰাজ্যখনৰ ৩৭ টা জনজাতি বেল্ট-ব্লকে অসমৰ মুঠ জনজাতি জনসংখ্যাৰ ৬৫ শতাংশকহে সামৰি লৈছে। তৎসত্বেও এই বেল্ট-ব্লকবোৰ লংঘন কৰা হৈছে। ১৭১) দক্ষিণ কামৰূপ জনজাতি ব্লকৰ অন্তৰ্গত দিচপুৰ নামৰ নিৰিবিলি গাওঁখন মিশ্ৰ জনবসতিৰ অসমৰ ৰাজধানীত পৰিণত হোৱাটোও তেনে এক কাহিনীয়েই। এনেকৈয়ে আধুনিকীকৰণ আৰু নগৰীকৰণৰ বেদীত জনজাতিৰ স্বাৰ্থক জলাঞ্জলি দিয়া হৈছে। কালীপূজাৰ যুপ কাঠত ছাগলীটোৰ লগতে কোমোৰাটোও বলি যোৱাৰ দৰে জনজাতি স্বাৰ্থৰ লগতে অসমীয়া জাতিগঠন প্ৰক্ৰিয়াও বিধ্বস্ত হোৱাটো খাটাং।

বৰ্ণহিন্দু প্ৰভাৱাধীন ৰাজ্যিক প্ৰশাসনৰ কাণ্ডকাৰখানাৰ ফলত অসমীয়া সমাজৰ পৰাই জনজাতি সকলৰ বিচ্ছিন্নতা ঘটিবলৈ ধৰে। অভিযোগ উঠে যে; ৰাজ্যখনৰ 'ভৈয়াম জনজাতিসকলক পৰিকল্পনামাফিক, প্ৰণালীবদ্ধভাৱে তেওঁলোকৰ নিজৰ মাটিৰপৰা উৎখাৎ কৰা হৈছে আৰু তেওঁলোকৰ প্ৰতি অসমীয়াসকলৰ মাহীআই সুলভ ব্যৱহাৰে জনজাতি সকলক দ্বিতীয় শ্ৰেণীৰ নাগৰ্কিত পৰিণত কৰিছে। (১৭২)

এনে ধৰণৰ জাতীয় বা অৰ্থনৈতিক শোষণ সম্ভৱ নহ'লহেঁতেন যদিহে তাৰ বাবে প্ৰয়োজনীয় ৰাজনৈতিক গাঁথনি এটা নাথাকিলেহেঁতেন। ভাৰতৰ কমিউনিস্ত পাতিয়ে ঠিক এই ৰাজনৈতিক প্ৰশ্নটোকে তুলিছিল আৰু জনজাতীয় স্বাৰ্থৰ অৱহেলা কৰা বাবে বৰ্ণহিন্দু সকলক দায়ী কৰিছিল। যদিও সকলোবোৰ জনজাতিয়েই অত্যন্ত পাচপৰা আছিল; কি স্বৰাজী, কি জাতীয় মহাসভা, কি কংগ্ৰেচ, কোনেও তেওঁলোকৰ কৰ্মসূচীত ১৯৩৬ চনলৈকে জনজাতিসকলৰ একো সুনিৰ্দিষ্ট দাবি অন্তৰ্ভুক্ত কৰা নাছিল। অবিভক্ত চি পি আই দলে কংগ্ৰেচক এই কথা জাহিৰ কৰিবলৈ প্ৰত্যাহ্বান জনাইছিল যে, জনজাতিসকলৰ বাবে বহুত কিবাকিবি কৰাৰ সেই দলৰ দাবি সত্বেও মাত্ৰ ২ শতাংশ জনজাতিহে ১৯৪৪ চনলৈক সাক্ষৰ কিয়। কংগ্ৰেচৰ পৰা আৰু জবাব বিচৰা হৈছিল, কিয় মাত্ৰ ৪০ জন জনজাতিহে তেতিয়ালৈকে স্নাতক হৈছে? কিয় শিক্ষা, আৱকাৰি, গড়কাপ্তানি আৰু কৃষি বিভাগবিলাকত এজনো জনজাতি কৰ্মচাৰী নাই ? চিপিআইৰ দলিলত এইবুলিও কোৱা হৈছিল যে জনজাতি

১৭০) Report of the Sub-Committee to Study Settlement in Tribal Belt, Block and Forests, 1974.
১৭১) ভ্ৰাইবেল সংঘৰ স্মৃতিগ্ৰন্থত মেদিনী চৌধুৰীৰ প্ৰৱন্ধ, ১৯৮৮ চন।
১৭২) প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীলৈ ভৈয়াম জনজাতি পৰিষদৰ স্মাৰক পত্ৰ, 22/11/92



কুকেই হৈছে দৰিদ্ৰতম আৰু ভূমিহীনতাৰ সমস্যা বৰ্ণহিন্দুতকৈ জনজাতিৰ মাজত বেছি তীব্ৰতৰ হৈ উঠিছে।(১৭৩) সেয়াই আছিল অসমৰ জনজাতিসকলৰ পৰিস্থিতি। অসম প্ৰদেশ কংগ্ৰেচ সমিতিয়ে অসমীয়া বৰ্ণহিন্দু স্বাৰ্থৰ প্ৰতিনিধিত্ব কৰিবলৈ গৈ জনজাতীয় স্বাৰ্থৰ বিৰোধিতা কৰিছিল। কংগ্ৰেচ সংবাদ মাধ্যম মাৰু হিন্দু মহাসভাৰ মৰ্চায়ো যে একেই শ্ৰেণীস্বাৰ্থৰ পোষকতা কৰিছিল, সেই কথা তলৰ উদাহৰনৰ পৰাও স্পষ্ট হয়।

অসমৰ জনজাতিসকলৰ মাজৰপৰা এটা দাবি উত্থাপিত হৈছিল যে তেওঁলোকক লোক পিয়লত জনজাতি বুলিয়েই মণিবদ্ধ কৰাৰ লাগে যাতে তেওঁলোকে নিজৰ পৰিসংখ্যা জানিব পাবে। তেতিয়াৰ অসমৰ প্ৰধান মন্ত্ৰী চাৰ চৈয়দ চাদুল্লায়ো ১৯৪১ চনৰ লোকপিয়লৰ আগে আগে এই দাবি মানি লৈছিল। তেওঁ নিৰ্দেশ দিছিল যে লোক পিয়লত ধৰ্মৰ সলনি সম্প্ৰদায় শিতানতহে শ্ৰেণীবদ্ধ কৰিব লাগে। সেইমতেই পূৰ্বতে হিন্দু, বৌদ্ধ বা খৃস্তান বুলি নাম লিখোৱা বহুসংখ্যক জনজাতীয় লোকেই এতিয়া নিজকে 'জনজাতি' বুলি অন্তৰ্ভুক্ত কৰালে । ফলত হিন্দু জনসংখ্যা ভালেখিনি কমি গ'ল। হিন্দু সভা, হিন্দু মহাসভা, , দি আচাম ত্ৰিবুন, আৰু অসম কংগ্ৰেচক হিন্দুৰ সংখ্যা লোকপিয়লত এনেদৰে হ্ৰাস পোৱাৰ ঘটনাত সমানেই ক্ষিপ্ত হৈ উঠা দেখা গ'ল। এনেদৰে অসমীয়া সংবাদ মাধ্যম আৰু অসম কংগ্ৰেচৰ স্থিতি হিন্দু সাম্প্ৰদায়িক সংগঠন বিলাকৰ সৈতে সম্পূৰ্ণ একাকাৰ হৈ যোৱাটো নিশ্চয়েই লক্ষ্যণীয় কথা আছিল। 'নায়ক'ৰ এটা সম্পাদকীয়ত সেয়েহে অভিযোগ কৰা হৈছিল যে, ১৯৪১ চনৰ লোকপিয়লৰ সময়ৰপৰা ১৯৪৬ চনৰ জুলাই মাহলৈকে ভীমবৰ দেউৰী আৰু তেওঁৰ সতীৰ্থ সকলৰ ওপৰত এই প্ৰশ্নকে লৈ যি পৰিমাণৰ গালি শপনি, শাওপাত বৰ্ষিত হৈছিল, সি সঁচাই সহ্যৰ অতীত আছিল। মেদিনী চৌধুৰীয়ে পুনৰ সোঁৱৰাই দিছে যে অসম প্ৰদেশ হিন্দু মহাসভাৰ অধিবেশন বহিছিল পাণ্ডুত সৰ্বভাৰতীয় কংগ্ৰেচৰ ৰভাতলত। তেতিয়াৰপৰাই সামাজিক সংস্কাৰৰ নামত জনজাতি সকলক হিন্দু কৰা প্ৰক্ৰিয়া চলি থাকিলেও সেয়া প্ৰকৃততে এক ৰাজনৈতিক অভিযানহে আছিল। জনজাতিৰ সংখ্যা কেনেকৈ হ্ৰাসহে হৈছিল, কেনেকৈ জনজাতিসকলক (হিন্দু) ধৰ্মান্তৰিত কৰা হৈছিল, তাকো চৌধুৰীয়ে দেখুৱাইছে। এনে ধৰ্মান্তৰকৰণৰ জৰিয়তে জনজাতিসকলৰ পৃথক সত্তা মুছি পেলাবৰ দিহা কৰা হৈছিল। (১৭৪) প্ৰকৃততে অসম প্ৰদেশ কংগ্ৰেচৰ দুই নেতা গোপীনাথ বৰদলৈ আৰু বিষ্ণুৰাম মেধিয়ে যুক্তি দেখুৱাইছিল যে এটা সম্প্ৰদায়ৰ কেৱল ধৰ্মৰ ভিত্তিতহে গণনা হ'ব লাগে আৰু তাৰ বাবে আন কোনো মাপকাঠি থাকিব নালাগে। ভীমবৰ দেউৰীয়ে দেখুৱাইছিল যে কংগ্ৰেচী নেতাদ্বয়ৰ কথাত হিন্দু সভাৰ আহ্বানৰ অনুৰণন ঘটিছে। উল্লেখযোগ্য যে হিন্দুসভাই জনজাতিসকল কেৱল হিন্দু হিচাপে নথিবদ্ধ কৰিবলৈ আহ্বান জনাইছিল।

দেউৰীয়ে হিন্দুসভাৰ সেই আঁচনিৰো গোমৰ ফাক কৰি দিছিল, যাৰ জৰিয়তে অসমলৈ ঘটা মুচলমান প্ৰব্ৰজনৰ লগত সমতা প্ৰতিষ্ঠা কৰিবৰ বাবে ভাৰতৰ আন ঠাইৰ পৰা হিন্দু প্ৰব্ৰজনৰ পোষকতা কৰা হৈছিল। বিশিষ্ট কংগ্ৰেচ নেতা (তথা পাচলৈ ভাৰতৰ ৰাষ্ট্ৰপতি) বাবু ৰাজেন্দ্ৰ প্ৰসাদৰো সদৃশ প্ৰস্তাৱৰ সম্পৰ্কে আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ। মন কৰিবলগীয়া যে তেওঁৰ প্ৰস্তাবৰ প্ৰতি অসমীয়া নেতৃত্বই আদৰনি জনাইছিল বুলি ৰাজেন্দ্ৰপ্ৰসাদে লিখি গৈছে ।(১৭৫)

অসমীয়া বৰ্ণহিন্দু কংগ্ৰেচী নেতৃত্বই এনেকৈ অসমলৈ ব্যাপক হিন্দু প্ৰব্ৰজন ঘটাবলৈ চেষ্টা কৰাৰ বিপৰীতে কাঢ়া স্থিতি লৈছিল জনজাতি নেতৃত্বই। তেওঁলোকে কৈছিল যে তেনে হিন্দু প্ৰব্ৰজনে অসমীয়া হিন্দু, মুচলমান, জনজাতি সকলোৰে স্বাৰ্থ বিপন্ন কৰি তুলিব । (১৭৬) প্ৰহসনৰ কথা এইটোহে যে তৎসত্বেও অসমীয়া বেচৰকাৰী অনুষ্ঠান-সংবাদ মাধ্যম আদিয়ে জনজাতি নেতৃত্বকহে বিশ্বাসঘাতক, পাকিস্তানী এজেন্ত আদি আখ্যা দি গৈছিল।

পাচে প্ৰকৃত তথ্যৰ পৰ্যালোচনাই আমাক আন এক ছবিহে দেখুৱায়। তেতিয়াৰ অসমৰ কংগ্ৰেচী প্ৰধান মন্ত্ৰী গোপীনাথ বৰদলৈ আৰু অসম কংগ্ৰেচৰ সভাপতি বিষ্ণুৰাম মেধিয়ে ১০.৯.১৯৩৮ তাৰিখে আসাম প্লেইনচ ট্ৰাইবেল লিগৰ লগত এক চুক্তিত আবদ্ধ হৈছিল, যে যি সকল জনজাতিয়ে হিন্দু বা খৃস্তান ধৰ্ম গ্ৰহণ কৰিছে, কিন্তু নিজকে অহা লোক পিয়লত জনজাতি বুলি চিনাকি দিব বিচাৰে, তেওঁলোকক জনজাতিৰ শিতানতে অন্তৰ্ভুক্ত কৰা হওক । (১৭৭)

ইয়াৰ পৰা স্পষ্ট যে কংগ্ৰেচ নেতৃত্বইহে চুক্তি ভংগ কৰিছিল; তাৰ ওলোটাটো নহয়। তথাপিও অসমীয়া সংবাদমাধ্যমে এই সত্যটো মানি লোৱা নাছিল আৰু জনজাতি নেতৃবৃন্দৰ বিৰুদ্ধে বিষাক্ত প্ৰচাৰ অব্যাহত ৰাখিছিল। তাৰ পৰিণতিত জাতি গঠন প্ৰক্ৰিয়াত আহি পৰা বিভাজন এতিয়া স্পষ্ট।

১৭৩) 'Whither Assam ? Drifting to Civil War, CPI ৰ দলিল, গুৱাহাটী, ৮-১২-১৯৪৪

১৭৪) সংহতিৰ বুনিয়াদ জননায়ক ভীমবৰ দেউৰী গ্ৰন্থৰ দ্বিতীয় খণ্ড (পৃ. 40- -১) ত প্ৰকাশিত মেদিনী চৌধুৰীৰ প্ৰবন্ধ ।

১৭৫) Dr. Rajendra Prasad Autobiography, (Bombay 1957) pp 259-60

১৭৬) মটক সন্মিলনত ভীমবৰ দেউৰীৰ ভাষণ, সংহতিৰ বুনিয়াদ জননায়ক ভীমবৰ দেউৰী, খণ্ড ২, পৃষ্ঠা ১৪-১৫

১৭৭) ট্ৰাইবেল লিগৰ প্ৰচাৰপত্ৰ নং ২, ১৯৪০



দেখাত কথাটো সৰু যেন লাগিলেও ইয়াৰ তাৎপৰ্য আছে। কাৰণ ই গোষ্ঠীগত পৰিচিতিৰ লগত সম্পৰ্কিত এটা প্ৰশ্ন। অসমীয়া মধ্যশ্ৰেণীৰ সংগঠন আৰু পত্ৰ-পত্ৰিকাবোৰে এনে এটা অসমীয়া জাতি গঠনৰ স্বপ্ন দেখিছিল, য'ত সকলো অংশীদাৰ জনগোষ্ঠীৰ নিজ অস্তিত্ব বিলীয়মান হৈ যাব। কিন্তু তাৰ বিপৰীতে জনজাতীয় নেতৃত্বই ভাল জনজাতি হৈ থাকিও ভাল অসমীয়া হ'ব পাৰি বুলি বিশ্বাস কৰিছিল। সেয়েহে অসমীয়া নেতৃবৃন্দই যেতিয়া দ্বৈত পৰিচিতিৰ ধাৰণা নাকচ কৰি একক (অসমীয়া) পৰিচিতি দাবি কৰিলে, তেতিয়া জনজাতি নেতৃবৃন্দয়ো একক (জনজাতীয়) পৰিচিতি ঘোষণা কৰিলে।

জনজাতিৰ আত্ম পৰিচিতি সাব্যস্তকৰণৰ এই সংগ্ৰাম বিফল কৰিব নোৱাৰি এইবাৰ অসমীয়া নেতৃবৃন্দ উঠিপৰি লাগিল জনজাতিসকলক বিভক্ত কৰিবলৈ, তেওঁলোকৰ একাংশক আন একাংশৰ বিৰুদ্ধে, জনজাতিসকলক অজনজাতিৰ বিৰুদ্ধে, অ- জনজাতিক জনজাতিৰ বিৰুদ্ধে লগাই দিবলৈ। ‘নায়কে’ অভিযোগ কৰিছিল যে কোনো অসমীয়া সংগঠনে কেতিয়াও জনজাতিসকলৰ সপক্ষে কোনো দাবি তোলা নাছিল। তাৰ বিপৰীতে কংগ্ৰেচে জনজাতি বিধায়কসকলৰ কিনা-বেচা কৰি তেওঁলোকক বিভাজন কৰাতহে ব্যস্ত হৈ পৰিছে।(১৭৮) এই অভিযোগ অসত্য নাছিল।

অসমৰ বিশিষ্ট কংগ্ৰেচ নেতা দেৱেশ্বৰ শৰ্মাই স্বয়ং সেই অভিযোগৰ সত্যতা স্বীকাৰ কৰিছে। বিভিন্ন সময়ত অসম কংগ্ৰেচৰ সভাপতি, বিধানসভাৰ অধ্যক্ষ, কেবিনেত মন্ত্ৰী আদিৰ দায়িত্ব বহন কৰা শৰ্মা একে সময়তে যোৰহাটৰ পৰা প্ৰকাশিত জনমভূমি নামৰ সাপ্তাহিক কাকতৰো প্ৰকাশক আছিল সত্তৰৰ দশকৰপৰা দৈনিক সংস্কৰণো প্ৰকাশ পায়)। শৰ্মাই মুকলিকৈয়ে স্বীকাৰ কৰিছে তেওঁ আৰু তৰুণৰাম ফুকনে খৰসিং তেৰাং নামৰ কাৰ্বি নেতা জনক কংগ্ৰেচৰ পক্ষে আনিবলৈ অভাৰ তাইম কৰিছিল। তেওঁ লগতে এইবুলিও স্বীকাৰ কৰিছে কেনেকৈ বৈদ্যনাথ মুখাৰ্জী আৰু ৰামেশ্বৰ শৰ্মাৰ দৰে চাহ মালিক, মোহিনী গোস্বামীৰ দৰে দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ আৰু নবীন আগৰৱালাৰ দৰে মাৰোৱাৰী ব্যৱসায়ীয়ে এই (জনজাতি) বিধায়ক ক্ৰয় অভিযানৰ বাবে টকা-পইচা, গাড়ী-মত আদি যোগান ধৰিছিল। ক'লা টকাৰ এই দিয়া-লোৱাত কংগ্ৰেচে ভাল মধ্যস্থতাকাৰীৰ (নে মধ্যভোগী?) ভূমিকা পালন কৰিছিল বুলিও শৰ্মাই কৈছে । (১৭৯)

ইতিমধ্যে অসম কংগ্ৰেচৰ বৰ্ণহিন্দু গোষ্ঠীয়ে বিভিন্ন সামাজিক গোটৰ লগত মৰ্চা কৰি এটাক আনটোৰ বিৰুদ্ধে উচতাই দিছিল। এটা সময়ত কংগ্ৰেচে অসমৰ গ্ৰুপিঙৰ প্ৰশ্নত ট্ৰাইবেল লিগৰে মৰ্চা কৰিছিল কিন্তু আন এটা সময়ত কংগ্ৰেচ ইয়াৰ অনুগত সংগঠন আৰু পত্ৰ-পত্ৰিকাবোৰ জনজাতি নেতৃত্বক বিশ্বাসঘাতক, পাকিস্তানৰ এজেন্ত বুলি গালি গালাজ কৰিবলৈও পাচহোহঁকা নাছিল। আন একোটা সময়ত কংগ্ৰেচে আকৌ মুচলিম নেতৃত্বৰ লগতো মৰ্চা কৰিছিল। কংগ্ৰেচৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই উজনি অসমৰ আহোম অধ্যুষিত আমগুৰি সমষ্টিত পৰাজিত হোৱাৰ পাচত বৰাক উপত্যকাৰ বাঙালী মুচলমান অধ্যুষিত বদৰপুৰৰ পৰা নিৰ্বাচিত হৈ আহিছিল। উদয়াদিত্য ভৰালীয়ে সেয়েহে সঠিকভাৱেই কৈছে যে কংগ্ৰেচে ইয়াৰ অসমীয়া বৰ্ণহিন্দু মধ্যশ্ৰেণী নেতৃত্বৰ শ্ৰেণী-জাতিগত স্বাৰ্থৰ লগত সংগতি ৰাখি বিভিন্ন সম্প্ৰদায়ৰ লগত মৰ্চা গঢ়িছিল আৰু ভাঙিছিল। (১৮০)

তাৰ বিপৰীতে জনজাতি সকলে অসমৰ বিভিন্ন নিপীড়িত জনগোষ্ঠীৰ লগত সামাজিক শ্ৰেণী গঢ়ি তুলিছিল। আসাম প্লেইনচ ট্ৰাইবেল লিগে কেৱল মৰাণ, মটক, চুতীয়া আৰু আহোমসকলৰে নহয়, চাহ বাগিচাৰ আদিবাসীসকলৰো অনুসূচীকৰণৰ দাবি সমৰ্থন কৰিছিল। ভীমবৰ দেউৰীয়ে চেণ্ট্ৰেল অৰ্গেনাইজেচন অৱ আচাম ট্ৰাইবচ্, আচাম ট্ৰাইবচ্ এন্দ ৰেচেজ ফেদাৰ্চেন, সৰ্বদল আদি গঠনত নেতৃত্ব দিছিল। এই সংগঠনবোৰে বড়ো-কছাৰী, ৰাভা, তিৱা,

কার্বি, মিচিং, খামতি, চিংফৌ, দেউৰী, আহোম, চুতীয়া, মৰাণ, মটক, নাথ, যোগী, কৈৱৰ্ত, বনিয়া, আদিৰ উপৰিও বিহাৰ, উৰিষ্যা, মধ্যপ্ৰদেশ, বংগ আদিৰ পৰা অহা জনজাতিসকল, অৰ্থাৎ ঝাৰখণ্ডী আদিবাসীসকলৰ অনুসূচীকৰণৰ পক্ষেও থিয় দিছিল। তাতোকৈ তাৎপৰ্যপূৰ্ণ কথা এই যে ট্ৰাই বেল লিগে ঝাৰখণ্ডী আদিবাসীসকলৰ দাবি কেৱল সমৰ্থন কৰা নাছিল, ই তেওঁলোকক নিজৰ মাজত সামৰিও লৈছিল।

এইছোৱা সময়ত বিভিন্ন জনজাতি সংগঠনে পৃথক লোকগণনা, অনুসূচীকৰণ, স্বায়ত্ত শাসন, আনকি সাৰ্বভৌম অসমৰ দাবিও তুলিছিল। ইয়াত আমি কালক্ৰম অনুসৰি জনজাতি আন্দোলনৰ ৰূপৰেখা আকিছোঁ ।

১৯২৯ চনৰ ৪ জানুৱাৰি তাৰিখে বড়ো নেতা কালীচৰণ ব্ৰহ্মাই চাইমন কমিচনৰ সমুখত দাখিল কৰা স্মাৰক

১৭৮) ৰজনী হাজৰিকাৰ প্ৰবন্ধ, নায়ক, চতুৰ্থ খণ্ড, দ্বিতীয় সংখ্যা, চেপ্তেম্বৰ -অক্টোবৰ ১৯৪৭, পৃষ্ঠা ১৭
১৭৯) (ক) হেৰাই যোৱা দিনবোৰ, পৃ. ১৯৭-৯৮, (খ) আমাৰ অসমৰ ৫/৮/১৯৯৯ সংখ্যাত প্ৰকাশিত তপন কুমাৰ মজিন্দাৰ বৰুৱাৰ প্ৰৱন্ধ, য'ত গোপীনাথ বৰদলৈয়ে দুৰ্নীতিগ্ৰস্ত গোস্বামীয়ে ঘৰত দি যোৱা মাছ খাবলৈ অস্বীকাৰ কৰিছিল বুলি উল্লেখ আছে।
১৮০) উদয়াদিত্য ভৰালীৰ প্ৰৱন্ধ 'গঢ়িছে নে ভাঙিছে'; আদিতে দৰ হীদে গোঁহাই সম্পাদিত কলাখাৰত প্ৰকাশিত, পাচত দেৱব্ৰত শৰ্মা, অমৰজ্যোতি গগৈ সম্পাদিত একলব্যৰ ১৫ মে' ১৯৮৮ সংখ্যাত পুনৰ মুদ্ৰিত।



পত্ৰখনেই ভাসমৰ জনজাতি সকলে দাখিল কৰা এনেধৰণৰ প্ৰথম স্মাৰক পত্ৰ আছিল। এই স্মাৰক পত্ৰখনে আমি বড়োসকলে নিজকে অসমীয়া ভিন্ন আন কিবা বুলি কেতিয়াও পৰিচয় দিব নোৱাৰোঁ বুলি কোৱাৰ পাচতো বড়োসকলৰ বাবে পৃথক নিৰ্বাচকমণ্ডলীৰ দাৰি কৰিছিল। ই গোৱালপাৰাক অসমৰ লগত সংলগ্ন কৰাৰো দাবি কৰিছিল, যিটো অসমীয়া সংগঠনবোৰৰো প্ৰিয় আছিল। এই দাৰিবোৰৰ লগত কানখন টানিলেই মুৰটো অহাৰ দৰে স্বায়ত্ত শাসনৰ দাৰিটোও সাঙোৰ খাই আছিল।
এই সম্প্ৰদায়বোৰক নতুন সংবিধানত পৃথক ৰাজনৈতিক অস্তিত্বৰ নিশ্চয়তা দিব লাগিব। সেয়া কৰিব লাগিব পাহাৰীয়া জনজাতিসকলৰ ক্ষেত্ৰত স্বায়ত্ত শাসন প্ৰদান কৰি আৰু আন সকলৰ ক্ষেত্ৰত পৃথক নিৰ্বাচক মণ্ডলীৰ যোগেদি। তেওঁলোকক হিন্দু বা মুচলিম কাৰো হস্তক্ষেপ অবিহনেই নিজা আচাৰ-অনুষ্ঠান, কৃষ্টি-সংস্কৃতিৰ সৈতে নিজা জীৱন যাপনৰ অধিকাৰ দিবই লাগিব (29)
১৯৪৭ চনৰ ট্ৰাইবেল লিগৰ স্মাৰক পত্ৰখন আৰু কেইটামান কাৰণত তাৎপৰ্যপূৰ্ণ আছিল। স্বীকৃত জনজাতিসকলৰ বাহিৰেও মৰাণ মটক আনকি (কাৰখণ্ডী) আদিবাসীসকলকো ই নিজৰ জনজাতিৰ সংজ্ঞাৰ ভিতৰত সুমাই লৈছিল। সেয়েহে এই স্মাৰক পত্ৰখনো আনসকলৰ লগতে আদিবাসীসকলৰ নেতাদ্বয় পি. এম. চাৰোৱান আৰু বিনোদ কুমাৰ জে. চাৰোৱান, আৰু মৰাণ-মটক লিগৰ লংকেশ্বৰ গোহাঁইৰ দ্বাৰা স্বাক্ষৰিত আছিল। স্মাৰকপত্ৰখনে ২৫ শতাংশ সংৰক্ষণ, প্ৰাথমিক পৰ্যায়ত জনজাতীয় ভাষাত শিক্ষা প্ৰদান, জনজাতীয় ভূমিৰ সংৰক্ষণ, পৰম্পৰাগত অস্ত্ৰধাৰণৰ জনজাতীয় অধিকাৰৰ স্বীকৃতি আদিও দাবি কৰিছিল। কিন্তু পৃথক নিৰ্বাচকমণ্ডলীৰ পক্ষে ইয়াৰ যুক্তি বৰ আকৰ্ষণীয় আছিল। ই দাবি কৰিছিল যে জনজাতি মানুহৰ অনগ্ৰসৰতাৰ কাৰণ হৈছে সংখ্যাগৰিষ্ঠতাৰ (অজনজাতি) বাধা। সেই সংখ্যাগৰিষ্ঠই সংখ্যালঘিষ্ঠৰ আত্মনিৰ্ধাৰণৰ অধিকাৰ, পৃথক নিৰ্বাচক মণ্ডলীৰ দাবি বিৰোধিতা কৰে। স্মাৰক পত্ৰত সেই সময়ৰ অবিশ্বাস, আস্থাহীনতাৰ পৰিবেশ বিৰাজ কৰি থকালৈকে পৃথক নিৰ্বাচকমণ্ডলীও থাকিবই লাগিব বুলি দাবি কৰা হয় ।(১৬) অৱশ্যে এই সেই দিনটোৰো কামনা কৰে যিদিনা পৃথক নিৰ্বাচক মণ্ডলীৰ প্ৰয়োজন আৰু নাথাকিব।
এনেকৈয়ে জনজাতি আন্দোলনে এক সুদীৰ্ঘ পথ পৰিক্ৰমা কৰে। অথচ ১৯২৯ চনলৈকে (নিখিল বড়ো ছাত্ৰ সন্থাৰ দশম বাৰ্ষিক অধিবেশন সেই বছৰতে অনুষ্ঠিত হয়।)জনগোষ্ঠীটোৰ দাবি আছিল কেৱল শিক্ষানুষ্ঠানৰ আসন সংৰক্ষণ। কিন্তু দুই দশকৰ ভিতৰতে আন্দোলনটোৱে নতুন পৰ্যায় লাভ কৰিলে। আসাম ট্ৰাইবচ্ এন্দ ৰেছেজ ফেদাৰেচনৰ প্ৰথম অভিবৰ্তনে ঘোষণা কৰিলে যে ঐতিহাসিক, জনগোষ্ঠীগত আৰু সাংস্কৃতিকভাৱে অসম আৰু ইয়াৰ সংলগ্ন পাহাৰ এলেকা কেতিয়াও ভাৰতৰ অংগ নাছিল। ই ভাৰত বা পাকিস্তানৰ লগত অসমৰ চামিলকৰণৰ বিৰোধিতা কৰি তাৰ বিপৰীতে এখন পৃথক স্বাধীন অসম দাবি কৰিছিল (১৮৪)
চমুকৈ মোখনি মাৰিবলৈ হ'লে ক'ব লাগিব যে অসমৰ জনজাতি আন্দোলনৰ ইতিহাস হৈছে বঞ্চনা আৰু তাৰ বিৰুদ্ধে প্ৰতিৰোধৰ ইতিহাস। প্ৰথম অৱস্থাত ই এটা ৰাজনৈতিক আন্দোলন নাছিল। বৰং ই আৰম্ভ হৈছিল এক সামাজিক, জনকল্যাণমূলক, শিক্ষা আন্দোলন হিচাপে। আন্দোলনটোৰ বিকাশৰ আমি এনেকৈ ৰূপৰেখা আকিব পাৰোঁ।

ধৰ্মীয় সংস্কাৰ আন্দোলন (১৯০৩ চনৰ পৰা)

সমাজসংস্কাৰ জনকল্যাণ জনশিক্ষা মাদকদ্ৰব্য নিবাৰণী
(১৯২০ চনৰ পাচৰপৰা)

সাংস্কৃতিক পুনৰ জাগৰণ, পৰম্পৰাৰ পুনৰ প্ৰতিষ্ঠা
সংৰক্ষণ, পৃথক নিৰ্বাচকমণ্ডলীৰ দাবি (১৯২৯ চনৰপৰা)

নিজৰ পছন্দৰ লিপি বিচাৰি ভাষা আন্দোলন
(১৯৫০ চনত আৰম্ভ, ১৯৬০ আৰু '৭৪ চনত তুংগত উঠে।)

অসমৰ ভিতৰতে স্বায়ত্ত শাসনৰ দাবি
(১৯৪০ৰ দশকৰ শেহৰপৰা, কিন্তু '৬০ দশকৰ শেহত তুংগত)

অসমৰ বাহিৰত স্বায়ত্ত শাসন (১৯৭০ দশকৰপৰা)
ভাৰতৰ বাহিৰত সাৰ্বভৌমত্ব (১৯৯০ দশকৰপৰা

এই খিনিতে কেইটামান কথা স্পষ্ট কৰি দিয়া প্ৰয়োজন। যথা

এই ৰূপৰেখা মূলতঃ বড়ো আন্দোলনৰ ওপৰত ভিত্তি কৰি যুগুতোৱা হৈছে, কাৰণ অসমৰ জনজাতি আন্দোলন সমূহৰ

১৮১) ১৯২১ চনৰ ৪ জানুৱাৰি চাইমন কমিচনৰ  সমুখত বড়োসকলৰ স্মাৰকপত্ৰ,
গুৰুদেৱ কালীচৰণ ব্ৰহ্মাৰ ৫৫-৫৬ পৃষ্ঠা চাওক
১৮২) Tribal League Memorandum, 1947
১৮৩) The Bodos, p.36
১৮৪) Politics of Regionalism in North East India, p.9



ভিতৰত বড়ো আন্দোলনেই আটাইতকৈ আগতীয়া আৰু শক্তিশালী বুলি গণ্য কৰা হয়। বাকী জনগোষ্ঠী বিলাকৰ ক্ষেত্ৰত এই ৰূপৰেখা হুবহু নিমিলিব পাৰে ।

এই ৰূপৰেখাৰ পৰা এইটো পৰিলক্ষিত হয় যে সমাজ সংস্কাৰ আন্দোলনৰ আগতে ধৰ্মীয় সংস্কাৰ আন্দোলন সংগঠিত হয়। আনহাতে সাংস্কৃতিক পুনৰুত্থান আন্দোলনৰ বোকোচাত উঠি আহে সংৰক্ষণ আৰু পৃথক নিৰ্বাচক মণ্ডলীৰ দৰে ৰাজনৈতিক আন্দোলন। ইয়াৰ পাচতে আহে ভাষা আন্দোলন। দেখাত অৰাজনৈতিক হ'লেও প্ৰকৃতাৰ্থত ই এক ৰাজনৈতিক আন্দোলনেই কাৰণ বিভিন্ন ভাষাৰ মৰ্যাদা সদায়েই ৰাজনৈতিকভাৱে নিৰ্ধাৰিত হয়। ভাষা আন্দোলনে জনজাতি সংগ্ৰামক আৰু বেছি সংহত কৰিলে। ই উচ্চতৰ ৰাজনৈতিক আন্দোলন, স্বায়ত্ত শাসন, তথা ৰাজনৈতিক ক্ষমতাৰ বাবে প্ৰয়োজনীয় সুগভীৰ ৰাজনৈতিক প্ৰেৰণাও প্ৰদান কৰিলে। জনজাতিসকলৰ পৰা মধ্যশ্ৰেণী নহ'লেও এটা মধ্যস্তৰৰ বিকাশে এই আন্দোলন সমূহ ত্বৰান্বিত কৰি তুলিলে। আনহাতে ইতিবাচকভাৱেই হওক বা নেতিবাচকভাৱেই হওক, অসমীয়া মধ্যশ্ৰেণীৰ সংগঠনবোৰেও এই আন্দোলনলৈ বৰঙনি যোগালে।

কিন্তু এই আন্দোলনবোৰ জনজাতিসকলৰ নিজৰেই এলানি সংগঠনৰ অবিহনে সম্ভৱ নহ'লহেঁতেন। ইয়াত আমি প্ৰতিটো জনজাতি গোষ্ঠীৰ তেনে সংগঠনবোৰৰ এখন তালিকা কালক্ৰম অনুসৰি প্ৰস্তুত কৰিছোঁ।

**বড়ো:** ১. ১৯১৮-১৯ বড়ো ছাত্ৰ সন্মিলনী
২. ১৯২১ কছাৰী সন্মিলন
৩. ১৯২২ কছাৰী দেন্তচ এচ চিয়েচন
৪. ১৯২৪ বড়ো মহা সন্মিলন
৫. ১৯৫১ বড়ো সাহিত্য সভা

কাৰ্বি : ৬. ১৯৪৫ কাৰ্বি আ দৰবাৰ

দেউৰী : ৭. ১৯৫১ দেউৰী সন্মিলন
৮. ১৯৫১ সদৌ অসম দেউৰী ছাত্ৰ সন্থা

মিচিং : ৯. ১৯২৪ মিৰি সন্মিলন (পাচলৈ মিৰি ৰায়ত সন্মিলন, বৰ্তমান মিচিং বাঃনী কীবাং)
১০. ১৯৩৮ মিৰি ছাত্ৰ সন্মিলনী (পাচলৈ তাকাম মিচিং পৰিন কীবাং)
১১. ১৯৪০ মিৰি যুৱক সন্মিলন
১২. ১৯৪৩ মিৰি মহিলা সন্মিলন (পাচলৈ তাকাম মিচিং মিমে কীবাং)
১৩. ১৯৪৫-৪৭ উত্তৰ-পূব সীমান্ত মিৰি আৱৰ সন্মিলন।

সোণোৱাল কছাৰী :
১৪. ১৯২১ সোনোৱাল কছাৰী হিসাধিনী সভা
১৫. (১৯২১- ৰ পাচত) সদৌ অসম সোনোৱাল
কছাৰী সন্মিলন

তিৱা :
১৬. ১৯৩৫-৩৬ সদৌ লালুং সন্মিলন

ৰাভা ঃ
১৭. ১৯৪৭ ৰাভা যুৱক সংঘ (পাচলৈ অসম ৰাভা জাতীয় সেৱা সংঘ)

আন জনজাতি :

১৮. ১৯৪৬ গাৰো নেচনেল কাউন্সিল।
১৯. ১৯৪৬ খাচি জয়ন্তীয়া পলিতিকেল এচ চিয়েচন
২০. ১৯৪৬ মিজো ইউনিয়ন
২১. ১৯৪৭ ইউনাইতেদ মিজো ফ্রিডম অৰ্গেনাইজেচন সকলো জনজাতিৰ (অথবা সম্প্ৰদায়ৰে) যুক্তমঞ্চ :
২২. ১৯৩৩ ত্ৰাইবেল লিগ
২৩. ১৯৪২ ত্ৰাইবেল সংঘ
২৪. ১৯৪৪ ত্ৰাইবেল স্তুদেন্তচ্ ফেদাচেন
২৫. ১৯৪৫ আচাম হিল সুদেন্তচ্ এচ চিয়েচন (কলকাতা ভিত্তিক)
২৬. ১৯৪৫ আচাম হিলচ্ স্তুদেন্তচ ফেদাৰেচন (আসাম ভিত্তিক)
২৭. ১৯৪৫ অল আচাম হিলচ্ এন্দ প্লেইনচ্ ত্ৰাইবেল সুদেন্তচ্ সন্মিলনী
২৮. ১৯৪৫ আচাম ত্ৰাইবচ্ এন্দ ৰেচেজ ফেদাৰেচন
২৯. ১৯৪৫ চেন্ট্ৰেল অৰ্গেনাইজেচন অৱ আচাম ত্ৰাই বচ্
৩০. ১৯৪৬ কনফাৰেঞ্চ অৱ লিদাৰ্চ অৱ ত্ৰাইবেল কমিউনিতিজ
৩১. ১৯৪৮ অল পিপল্‌চ পাতি (সৰ্বদল)।

এই তালিকাখনত লক্ষ্যণীয় এটা কথা হ'ল এই যে দুটা বিশেষ সময়ত জনজাতি সংগঠনসমূহৰ জন্মৰ প্ৰক্ৰিয়া জোৰদাৰ হৈছিল। তাৰে ভিতৰত প্ৰথমটো আছিল ১৯২১ চনৰ ঠিক আগে পাচে। মন কৰিবলগীয়া যে এই বছৰটো আছিল অসহযোগ আন্দোলনৰ বছৰ। আনহাতে দ্বিতীয় সময়টো আছিল ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সময়। এই তালিকাৰ ৩১ টা সংগঠনৰ মাত্ৰ চতুৰ্থ সংগঠনটোহে এই দুইছোৱা সময়ৰ অন্তবৰ্তী সময়ত জন্ম হৈছিল। সেয়েহে স্বাধীনতা আন্দোলনত প্ৰত্যক্ষভাৱে জড়িত থাককেই বা নাথাকক, অন্ততঃ জনজাতি



সংগঠনৰ জন্মলগ্ন যে স্বাধীনতা আন্দোলনৰ প্ৰভাৱমুক্ত নাছিল, সেইটো খাটাং।

আগতেই কৈ অহা হৈছে যে এনে সংগঠনবিলাকে প্ৰথমে প্ৰথমে ৰা নৈতিক দাবিতকৈ সামাজিক বিষয়হে উত্থাপন কৰিছিল।আনকি সামাজিক বিষয়বোৰো আন্দোলনৰ দাবিৰে নিচিনা নহৈ জনকল্যাণমূলকহে আছিল। উদাহৰণস্বৰূপে নিখিল বড়ো ছাত্ৰ সন্থাই (প্ৰথম অৱস্থাত বড়ো ছাত্ৰ সন্মিলনী) অন্ততঃ ১৯২৯ চনৰ দশম অধিবেশনলৈকে কোনো ৰাজনৈতিক দাবি তোলা নাছিল। ইয়াৰ সেই সময়ৰ সাতটা ঘোষিত লক্ষ্যৰ ভিতৰত আছিল : ১। বড়ো-কছাৰীসকলৰ মাজত ঐক্য ২। শিক্ষা বিকাশ ৩। নৈতিক প্ৰমূল্য ৪। স্বাস্থ্য, শৰীৰচৰ্চা ৫। গ্ৰাম্য বিকাশ ৬। জাতীয় ঐতিহ্য ৰক্ষা ৭। কল্যাণ ইত্যাদি।

১৯২৯ চনৰ আৰচুৰ অধিবেশনত বড়ো নাটক, তাঁত বোৱা, চিলাই, ছবি আঁকা, খেলা-ধূলা, লাঠিখেল, তৰোৱাল চালনা আদি অনুষ্ঠিত হৈছিল। (১৮৫) বিশিষ্ট বড়ো নেতা কালীচৰণ ব্ৰহ্মায়ো (১৮৬০-১৯৩৮) ধৰ্মীয়, সামাজিক বিষয়বিলাকত অধিক গুৰুত্ব আৰোপ কৰিছিল। (১৮৬) তেওঁৰ দ্বাৰা প্ৰতিষ্ঠিত বড়ো মহাসন্মিলনে এলানি বিদ্যালয় প্ৰতিষ্ঠাৰ জৰিয়তে শিক্ষা বিস্তাৰ, মদ-গাহৰি নিবাৰণৰ লগতে ব্যৱসায় আৰু আন অৰ্থনৈতিক কাম- কাজত গুৰুত্ব দিছিল। মিচিং বাঃনী কীবাঙেও ইয়াৰ আৰম্ভনিৰ সময়ছোৱাত এইবোৰ কথাত গুৰুত্ব দিছিল : ১। শিক্ষা ২। চাংঘৰৰ তলখন সাৰি-পুছি থোৱা ৩। নিমন্ত্ৰণ অবিহনে আন সম্প্ৰদায়ৰ লগত ভাওনা আদিত অংশগ্ৰহণ নকৰা, ৪। পৰম্পৰাগত পোচাক পিন্ধা ৫। অত্যধিক মদখোৱাৰ পৰা বিৰত থকা । (১৮৭)

আন জনজাতিসকলৰ সংগঠনবোৰৰ ক্ষেত্ৰতো এইখিনি কথা প্ৰযোজ্য। সিবিলাকে সাংস্কৃতিক পুনৰুত্থান আৰু সামাজিক সংস্কাৰৰ মঞ্চৰূপে কাম কৰিছিল। এই সময়ছোৱাত জনজাতি আৰু অসমীয়া নেতৃত্বৰ মাজত কোনো তীব্ৰ সংঘাতো নাছিল। সেয়েহে জনজাতি (তথা আন জনগোষ্ঠীৰ) সংগঠনবোৰৰ বাৰ্ষিক অধিবেশনবোৰলৈ বৰ্ণ হিন্দুনেতা / বুদ্ধিজীৱীসকল সঘনে আমন্ত্ৰিত হৈছিল। বেণুধৰ শৰ্মাই সোনোৱাল কছাৰীৰ অধিবেশনত সভাপতিত্ব কৰিছিল। নীলমণি ফুকনে মিচিং, কৈৱৰ্ত আৰু সূত্ৰৰ অধিৱেশনত সভাপতি/ বিশিষ্ট অতিথিৰ আসন পূৰাইছিলগৈ। অম্বিকাগিৰী ৰায়চৌধুৰী, দ সূৰ্যকুমাৰ ভূঞা আৰু মহাদেৱ শৰ্মা আদিয়ে নিখিল বড়ো ছাত্ৰ সন্থা আৰু বড়ো মহা সন্মিলনৰ বিভিন্ন অধিবেশনলৈ গুৰুত্ব সহকাৰে আমন্ত্ৰণ পাই ছিল। পীতাম্বৰদেৱ গোস্বামীয়ে সোনোৱাল, মিচিং, সূত, কৈৱৰ্ত আদি বিভিন্ন সম্প্ৰদায়ৰ সভালৈ সাদৰ আৱাহন পাইছিল। চন্দ্ৰধৰ বৰুৱাই কোচ আৰু চুতীয়াসকলৰ অধিবেশনত ভাষণ দিছিল। বিমলা প্ৰসাদ চলিহা, কুলধৰ চলিহা, সিদ্ধিনাথ শৰ্মা, হৰেন্দ্ৰনাথ তালুকদাৰ, সৰ্বেশ্বৰ বৰুৱা, ৰজনীকান্ত বৰদলৈ, চৈয়দ চাদুল্লা আদিয়ে মিচিংসকলৰ বিভিন্ন অনুষ্ঠান/ অধিবেশনত আসন শুৱাইছিলগৈ । ভুৱনচন্দ্ৰ গগৈ আৰু সতীশ চন্দ্ৰ গগৈ নামৰ দুজন অনা-মিচিঙে মিচিং ছাত্ৰ সন্থাৰ দুখন অধিবেশনত সভাপতিত্ব কৰিছিল।(১৮৮) দেৱেশ্বৰ শৰ্মায়ো কামৰূপ জিলা জনজাতি ছাত্ৰ সন্থাৰ অধিবেশনত ভাষণ দিছিল। এনেকৈ অসমীয়া নেতৃবৃন্দক তেওঁলোকৰ সকলো সভা-সমিতিলৈ মতাৰ উপৰিও জনজাতি সংগঠনবোৰে অসম আৰু অসমীয়াৰ পক্ষে কেতবোৰ স্পষ্ট আৰু সাহসী স্থিতি গ্ৰহণ কৰিছিল। তেওঁলোকে তেতিয়া বংগৰ অন্তৰ্ভুক্ত হৈ থকা গোৱালপাৰা জিলাক অসমৰ অন্তৰ্ভুক্ত কৰাৰ দাবি তুলিছিল আৰু তাৰ হকে যুঁজ দিছিল। তেওঁলোকে অসমক পাকিস্তানৰ লগত জাপি দিয়া গ্ৰুপিং আঁচনিৰ বিৰুদ্ধে দৃঢ়ভাৱে যুঁজিছিল। তেওঁলোকে প্ৰব্ৰজন তথা লাইন প্ৰথাৰ বিৰুদ্ধে যুঁজিছিল, যিকেইটা আছিল অসমীয়া বৰ্ণহিন্দু বুদ্ধিজীৱীৰ প্ৰাণৰ বিষয়। কিন্তু ইমানখিনি কৰিও জনজাতিসকলে বৰ্ণহিন্দু মধ্যশ্ৰেণীৰ অন্তৰ আৰু পেট পাব নোৱাৰিলে। ওলোটাই জনজাতিসকলৰ স্বকীয় অস্তিত্ব মচি পেলাবৰহে দিহা কৰা হ'ল। এনেবোৰ অধিবেশনত উপস্থিত থাকি নীলমণি ফুকনৰ দৰে ব্যক্তিয়ে জনজাতিসকলৰ মাজত বিভাজনৰ বীজ সিঁচাৰহে ব্যৱস্থা কৰিলে। উদাহৰনস্বৰূপে তেওঁ কৈৱৰ্ত (আৰু আন দলিত সম্প্ৰদায়) সকলক নিজৰ নেতৃত্বৰ বিৰুদ্ধেহে উচতাই দিলে। (১৬৯) একেদৰে মিৰি সন্মিলনত দিয়া তেওঁৰ ভাষণত ফুকনে জনজাতিসকলক মুচলিমসকলৰ বিৰুদ্ধে উচতালে।(১৯০) তেওঁ আনকি মিচিং শিশুবিলাকৰ পৰম্পৰাগত নামকৰণৰ বিৰোধিতা কৰি তেওঁলোকক কেৱল অসমীয়া নাম দিয়াৰহে পোষকতা কৰিলে। (১৯১) জনজাতিসকলে অৱশ্যেই তেওঁৰ এই 'সুমহান'উপদেশবোৰ স্পৰ্ধাৰে প্ৰত্যাখ্যান কৰিলে । তাৰ বিপৰীতে মিচিং সকলে তেওঁলোকৰ জনগোষ্ঠীগত সংগঠনবোৰৰ নামো অসমীয়াৰ পৰা মিচিঙলৈ ভাষান্তৰ কৰিহে ল'লে। মিৰি সন্মিলনৰ নতুন নাম হ'ল মিচিং বাঃনী কৌবাং।

১৮৫) আসাম বড়ো ছাত্র সন্মিলনীৰ কাৰ্যবিৱৰণী, বৌমাৰী, ১৯২৯, পৃষ্ঠা ১৩
১৮৬) ব্ৰহ্ম আছিল একাধাৰে সমাজ সংস্কাৰক, ধৰ্ম প্ৰচাৰক, শিক্ষা প্ৰসাৰক আৰু ৰাজনৈতিক নেতা ; চাইমন কমিচনক তেওঁ দিয়া স্মাৰকপত্ৰই প্ৰথম বড়ো ৰাজনৈতিক দলিল।
১৮৭) মিচিং বাঃনী কৌবাঙৰ স্মৃতিগ্ৰন্থঃ বদতি (১৯৯২) ত মালচন্দ্ৰ পেগুৰ প্ৰৱন্ধ
(১৮৮) Autobiography of Nameswar Pegu in Prominent Mising Personalities of Assam (Guwahati, 1993), 87
১৮৯) কৈৱৰ্ত সন্মিলনত নীলমণি ফুকনৰ ভাষণ (অপ্ৰকাশিত ), ১৯৩৮, পৃষ্ঠা ৩৮
১৯০) মিৰি সন্মিলনত নীলমণি ফুকনৰ ভাষণ, ১৯৪০, পৃষ্ঠা ২০
(১৯১) ঐ, পৃষ্ঠা ৩০



মিচিং সাহিত্য সভাৰ নাম হ'ল মিচিং আগম কৌবাং। একেদৰে তিৱা সাহিত্য সভাৰ নাম হ'ল তিৱা মালাই তখা; তাই সাহিত্য সভা হ'লগৈ 'বান অক্ পাপলিক ম্যুং তাই'।

ইমানেই যেন যথেষ্ট নহয়হে হেন ভাবি বড়োসকলে তেওঁলোকৰ ব্যক্তিগত নামবোৰো বড়োকৰণ কৰিব ধৰিলে। সতীশ কুমাৰ বসুমতাৰী হ'লগৈ চাঞ্চুমা খুংগুৰ বিচ্‌মুতিয়াৰী, বিনয় কুমাৰ বসুমতাৰী হ'লগৈ বিনাই খুংগুৰ বিচমুতিয়াৰী, আনকি কৃতী আৰু জনপ্ৰিয় অসমীয়া ঔপন্যাসিক লেখক মেদিনী চৌধুৰীয়েও মাজতে খঙে-ক্ষোভে মেদিনী 'নাৰ্জি' চৌধুৰী লিখিবলৈ লৈছিল । (১৯২) এইদৰেই নীলমণি ফুকনৰ প্ৰস্তাৱ বুমেৰাঙত পৰিণত হ'ল।

কিন্তু কঠোৰপন্থী বুলি জনাজাত নীলমণি ফুকন এইক্ষেত্ৰত অকলশৰীয়া নাছিল; উদাৰপন্থী বুলি জনাজাত পীতাম্বৰদেৱ গোস্বামীৰ মতামতো এইবিষয়ত একেই আছিল। তেঁৱো মিচিংসকলক কিছুমান প্ৰায়শ্চিত্ত কৰি কেতবোৰ মিচিং ৰীতি-নীতি চিৰদিনৰ বাবে এৰি দিবলৈ আৰু অসমীয়া নাম ল'বলৈ আহ্বান জনাইছিল। (১৯৩) তিনি দশক জুৰি মিচিং বাঃনী কৌবাংসভাপতিৰ দায়িত্ব পালন কৰা মালচন্দ্ৰ পেগুৱেও জনাইছে কেনেকৈ সত্ৰাধিকাৰসকলে মিচিংসকলৰ নিজা সাজ-পোছাক, কৃষ্টি-সংস্কৃতি, আচাৰ-ব্যৱহাৰ আদি এৰি দিব লাগে বুলি জোৰ দিছিল। (১৯৪) আন সময়ত (বিশেষকৈ লোকপিয়লৰ সময়ত) উচ্চবৰ্ণৰ সংগঠন/নেতৃত্বই আকৌ জনজাতিসকলক হিন্দু আৰু অসমীয়া বুলি নথিবদ্ধ কৰাবলৈ তৎপৰ হৈ পৰিছিল। নক'লেও হয় যে এনেবোৰ পদক্ষেপ জনজাতিসকলৰ কঠোৰ বিৰোধিতাৰ সন্মুখীন হৈছিল। এনে পদক্ষেপবোৰ জনজাতিসকলৰ অসমীয়া সমাজৰ পৰা পৰৱৰ্তী কালত বিচ্ছিন্ন হৈ পৰাৰ বাবে বহুলাংশে দায়ী

এই বিচ্ছিন্নতাত সংবাদ মাধ্যমেও এক ঘাই ভূমিকা লৈছিল। লাইন প্ৰথা, প্ৰব্ৰজন আদিৰ প্ৰসংগবোৰ এইক্ষেত্ৰত আহি পৰে। আৰম্ভনিৰ পৰাই অসমীয়া প্ৰচাৰ মাধ্যম আৰু বৌদ্ধিক সমাজে মূলতঃ পূববংগ/পূৰ্বপাকিস্তান/বাংলাদেশৰ পৰা অসমলৈ হোৱা প্ৰব্ৰজনৰ বিৰুদ্ধে প্ৰবলভাবে সোচ্চাৰ হৈ আহিছে। তেওঁলোকে দাবি কৰে যে কেৱল তেওঁলোকেইহে প্ৰব্ৰজনৰ বিৰোধী আৰু লাইনৰ সমৰ্থক। সেয়েহে তেওঁলোকে জনজাতি নেতৃত্ব প্ৰব্ৰজনৰ সমৰ্থক আৰু লাইনৰ বিৰোধী বুলি অপপ্ৰচাৰ চলাবলৈ ধৰে। ভীমবৰ দেউৰীৰ বিৰুদ্ধে চলা অপপ্ৰচাৰতে ই চৰম ৰূপ পায়গৈ। ইয়াত আমি কিছু তথ্য-প্ৰমাণ ডাঙি ধৰিছোঁ ঃ বিশিষ্ট জাতীয়তাবাদী সাংবাদিক হৰেন্দ্ৰনাথ বৰুৱা সম্পাদিত অসমীয়া কাকতে ইয়াৰ এটা সম্পাদকীয়ত ভীমবৰ দেউৰী আৰু ৰূপনাথ ব্ৰহ্মাক আক্ৰমণ কৰিছিল। অসমীয়াৰ মতে তেওঁলোক দুজনে জনজাতি আৰু অসমীয়াৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ ব্যৰ্থ হৈছিল যিহেতু তেওঁলোকে লাইন প্ৰথাৰ বিৰোধী চাদুল্লা চৰকাৰৰ লগত হাত মিলাইছিল। ১৯৫) কাকতখনৰ আন এটা সম্পাদকীয়ত চাদুল্লা চৰকাৰৰ লাইন সম্পৰ্কীয় নীতিৰ আলোচনা কৰিবলৈ গৈ অভিযোগ কৰা হৈছিল যে ভীমবৰ দেউৰী আৰু তেওঁৰ সহযোগী জনজাতীয় নেতৃবৃন্দ অসমীয়া বিৰোধী, লাইন বিৰোধী গুৰুতৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। তেওঁলোকৰ কামক অন্যায়, অপকাৰী আৰু ঠেকমনা বুলি গৰিহনা দিয়া হৈছিল, যাৰ ফল সমগ্ৰ অসমীয়া জাতিয়ে বেয়াকৈ ভুগিব । (১৯৬)

এই সম্পাদকীয় ব্যতিক্ৰম নাছিল, আছিল নিয়মহে। অস্পৃশ্যতাৰ অভিশাপৰ বিষয়ে লিখিত অসমীয়াৰ এটা সম্পাদকীয়ত অসমীয়াই জনজাতি নেতৃত্বক নিৰ্মমভাবে আক্ৰমণ কৰিছিল। ভীমবৰ দেউৰীৰ সকলো সহযোগী এই কথাত একমত আছিল যে অসমীয়াৰ বাহিৰেও আচাম ত্ৰিবুন, তৰুণ অসম, হিন্দুস্তান স্তেন্দাৰ্দ আদিয়েও সামান্যতম অজুহাততে জনজাতি নেতৃবৃন্দৰ বিৰুদ্ধে আক্ৰমণত জঁপিয়াই পৰিছিল। এই কাকতবিলাকে দেউৰী আৰু তেওঁৰ সতীৰ্থসকলক প্ৰায়ে 'দেশদ্ৰোহী' 'পাকিস্তানৰ এজেন্ত' আদি গালি-গালাজ কৰিছিল । (১৯৭) কিন্তু প্ৰকৃত সত্যটো কি ?

বিধান পৰিষদত প্ৰদত্ত এক ভাষণত দেউৰীয়ে গৰ্জি উঠিছিল যে অসম এক দাতব্য প্ৰতিষ্ঠান নহয়, য'ত সমগ্ৰ ভাৰতৰ দুখীয়া আৰু ভূমিহীনলোকক আদৰনি জনোৱা হ'ব আৰু মাটি যচা হ'ব। দ্ব্যৰ্থহীন কণ্ঠেৰে লাইন প্ৰথাৰ কাৰ্যকৰীকৰণ দাবি কৰি দেউৰীয়ে চাৰ চাদুল্লাৰ একাধিকবাৰ গঠিত চৰকাৰ আৰু ১৯৪০ চনৰ আগৰ কংগ্ৰেচ মৰ্চা চৰকাৰৰ ৰাজহমন্ত্ৰীৰ নীতিক গৰিহনা দিছিল। তেওঁ তেনে নীতিক নতুন পমুৱা আৱাহনৰ নীতি বুলিহে আখ্যা দিছিল । (১৯৮)

অসমীয়াৰ উক্ত বিধ্বংসী সম্পাদকীয়বিলাকৰ আগতেই অথবা আগৰে পৰা দেউৰীয়ে তেনে স্থিতি লোৱাৰ পৰা বুজা যায় যে অসমীয়া তথা অসমৰ সংবাদ মাধ্যমৰ যি কুৎসাৰ্টনাৰ অভিযান, তাত কোনো সত্য-সন্ধানৰ প্ৰয়াস নাছিল, আছিল বিশুদ্ধ উগ্ৰজাতীয়তাবাদহে।

১৯২) চৌধুৰীয়ে পাচত এই উপাধিটো উঠাই লয়।
১৯৩) ৰাধানাথ হাজৰিকালৈ গোস্বামীৰ চিঠি, আসাম হিতৈষীৰ প্ৰথম বছৰ ষষ্ঠ সংখ্যাত প্ৰকাশিত।
১৯৪) মিচিং বাঃনৌ কৌবাংস্মৃতিগ্ৰন্থ মিংমাওুত পেগুৰ প্ৰৱন্ধ, ১৯৮৯
১৯৫) অসমীয়া কাকতৰ ক্ৰমে ১/৬/১৯৪০ আৰু ৬/৭/১৯৪০ সম্পাদকীয়
১৯৬) অসমীয়া কাকতৰ ক্ৰমে ১/৬/১৯৪০ আৰু ৬/৭/১৯৪০ সম্পাদকীয়
১৯৭) সংহতিৰ বুনিয়াদ জননায়ক ভীমবৰ দেউৰী, খণ্ড ১, পৃ. ৫১
১৯৮) ২৬২-১৯৪৬ আৰু ১৪-৩-১৯৪১ ত অসম বিধান পৰিষদত দেউৰীৰ বক্তব্য, Assam Legislative Council Debates, 1949.



তালিকাখনত আৰু বহু কথাই যোগ দিব পাৰি। উদাহৰনস্বৰূপে আচাম ট্ৰাইবেল লিগৰ দ্বিতীয় অধিবেশনৰ নৰম প্ৰস্তাৱত পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামীৰ অসমত কছাৰী জাতি নামৰ কিতাপখনৰ কেইবাটাও গুৰুতৰ ভুল আঙুলিয়াই দিয়া হৈছিল। কছাৰী জাতিক হেয় প্ৰতিপন্ন কৰাৰ বিশেষ উদ্দেশ্যেৰে লিখিত বুলি অভিযোগ উঠা এইখন কিতাপৰ বিৰুদ্ধে ট্ৰাইবেল লিগৰ প্ৰতিনিধিসকল উত্তেজিত হৈ উঠিছিল। তেওঁলোকে ততালিকে ইয়াৰ নিষিদ্ধকৰণৰ দাবি অধিবেশনৰ প্ৰস্তাৱমৰ্মে উত্থাপন কৰিছিল। ১৯৯)

ঘটনাক্ৰমে কামৰূপ অনুসন্ধান সমিতিৰ অন্যতম প্ৰতিষ্ঠাপক পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামী নলবাৰী সত্ৰৰ সত্ৰাধিকাৰ হোৱাৰ উপৰিও তেওঁ আছিল অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীৰো জ্যেষ্ঠ ভাতৃ । ভায়েকতকৈ ককায়েক ডাঙৰ পণ্ডিতৰূপে প্ৰখ্যাত আছিল। পাচে ভায়েক গোস্বামীয়েও কছাৰীসকলৰ ক্ষোভৰ মুখা-মুখি হ'ব লগা হৈছিল যেতিয়া তেওঁ উপযুক্ত প্ৰমাণ নেদেখুৱাকৈয়ে ডিমাপুৰৰ সুমহান আৰু গৌৰৱোজ্জ্বল ভাস্কৰ্যবোৰ কছাৰীসকলৰ নহয় বুলি মন্তব্য কৰিছিল। কামৰূপ অনুসন্ধান সমিতিৰ ১৯৩৪ চনৰ বাৰ্ষিক অধিবেশনৰ সভাপতিৰ অভিভাষণত তেওঁ মন্তব্য দিছিল যে সেইবোৰ প্ৰাচীন কালৰ লিংগ-যোনি পূজাৰ অৱশেষহে হ'ব পাৰে। এইকথাত বড়ো-কছাৰীসকল টিঙিৰি-তুলা হৈ জ্বলি উঠিছিল। বড়ো সম্মিলনে গোস্বামীক তেওঁৰ এই উগ্ৰ জাতীয়তাবাদী প্ৰত্নতত্ত্বৰ বাবে কঠোৰ ভাষাৰে গৰিহনা দিছিল কাৰণ তেওঁ কেৱল এজন ব্যক্তিয়েই নাছিল, (২০০) আছিল কামৰূপ অনুসন্ধান সমিতি আৰু অসম সাহিত্য সভাৰ দৰে দুটা প্ৰধান অসমীয়া সংগঠনৰ মুখপাত্ৰও।

একেদৰে ভীমবৰ দেউৰীক অতিৰিক্ত সহকাৰী আয়ুক্ত পদ এটাৰ পৰা বঞ্চিত কৰাৰ ক্ষেত্ৰত ৰায় বাহাদুৰ কনকলাল বৰুৱাই লোৱা ভূমিকায়ো ব্যাপক বিক্ষোভ আৰু তিক্ততাৰ সৃষ্টি কৰিছিল। কাৰণ বৃতিচ গভৰ্নৰ লৌৰি হেমন্দৰ তলত 'লোকেল চেল্‌ফ' চৰকাৰৰ (১৯২৯-৩৭) এজন মন্ত্ৰী হোৱাৰ উপৰিও বৰুৱা আছিল অসম সাহিত্য সভাৰ অন্যতম সভাপতি, অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা আৰু কামৰূপ অনুসন্ধান সমিতিৰ অন্যতম প্ৰতিষ্ঠাপক, জাৰ্নাল অৱ আচাম ৰিচাৰ্চ চচাইতিৰ সম্পাদক, আৰু বহু কিবাকিবি । অৰ্থাৎ তেওঁ অসমীয়া মধ্য শ্ৰেণী আৰু ইয়াৰ অনুষ্ঠান প্ৰতিষ্ঠানবোৰৰ এজন সাৰ্থক প্ৰতিনিধি আছিল। এই অধ্যায়ৰ অনুসূচিত জাতি খণ্ডত দেখুৱাৰ দৰে বৰুৱাই অসমৰ বিশিষ্ট দলিত নেতা সোণাধৰ দাস সেনাপতিকো অপমান কৰা কথাই বিষয়টো সম্পূৰ্ণ কৰি তোলে।

এনেবোৰ কথাৰ কাৰণেই জনজাতিসকলে নিজৰ কেতবোৰ সংগঠন গঠনতে ক্ষান্ত নাথাকি নিজৰ ক্ষোভ-ক্ৰোধ উগাৰি দিবলৈ আৰু আশা-আকাংক্ষা সাব্যস্ত কৰিবলৈ এলানি কাকত-আলোচনী প্ৰকাশ কৰিবলৈ ল'লে। অসমীয়া মূলসুঁতিৰ প্ৰচাৰ মাধ্যমত আস্থা হেৰুৱাই তেওঁলোকে গঢ়ি তুলিলে নিজৰ মাধ্যম। তেওঁলোকৰ কাকত-আলোচনীবোৰ দীৰ্ঘজীৱী নহ'ব পাৰে, সেইবোৰ আকাৰত সৰু, পুঁজিৰ নাটনিত ভোগা আৰু বেয়া ছপা-বন্ধাৰ হ'ব পাৰে, তথাপি সেইবোৰেইহে তেওঁলোকৰ সপোন প্ৰতিফলিত কৰিছিল। এই গ্ৰন্থৰ শেষত আমি বহুবোৰ জনজাতীয় কাকত-আলোচনীৰ এক সুদীৰ্ঘ তালিকা পেচ কৰিছোঁ। ইয়াত তাৰে কেইখনমানৰ মাত্ৰ উল্লেখ কৰিম ।

পৰিশিষ্টত থকা তালিকাখনত ২০ খন খাচি আৰু ১০ খন গাৰো আলোচনীৰ নামো আছে। পদ্মনাথ গোহাঞিবৰুৱাৰ মতে ১৯১১ চনতেই সাতখন খাচি ভাষাৰ মাহেকীয়া আলোচনী আছিল যাৰ মুঠ প্ৰচালন আছিল ৫,৮০০ কপি (তেতিয়া খাচি

জয়ন্তীয়া আৰু গাৰোপাহাৰ জিলা অসমৰ ভিতৰুৱা আছিল)। এই সময়ছোৱাত প্ৰকাশিত বড়ো পত্ৰিকাৰ ভিতৰত আছিল **বিবাৰ** (১৯২৩-২৮), **প্ৰভাতী** (১৯২৬), **অলংবাৰ** (১৯৩৮), **হামখি হালা** (১৯৪০), **বড়ো লিথুম বিলাই** (৫০ৰ দশক) ইত্যাদি। তাৰ পাচত ওলায় মিচিংসকলৰ **আৰোহণ** (১৯৪৭) আৰু **মিৰ 'মিগল**' (১৯৫৭), দেউৰীৰ **জিমছায়া চয়' চ্চাগো, জিমছায়া চ'** (প্ৰাক্ স্বাধীনতাকালৰ আলোচনী), মণিপুৰীসকলৰ **নাহাৰল** (১৯৫৯) আৰু **সংযুক্ত জনজাতিৰ মুখপত্ৰ নায়ক** (১৯৪১, কটন কলেজৰ পৰা প্ৰকাশিত)। আমাৰ গৱেষণাৰ সময়সীমাৰ ভিতৰত আমি এতিয়ালৈকে ৪১ খন কেৱল জনজাতি পত্ৰিকাৰে সন্ধান পাইছোঁ। অথচ অসমৰ সংবাদপত্ৰৰ সমসাময়িক ইতিহাস এইবোৰ সংবাদপত্ৰৰ বিষয়ে সম্পূৰ্ণ নিশ্চুপ। তৎসত্বেও অৱশ্যে এই সমান্তৰাল ধাৰাটো বাহাল আছিল আৰু সি ক্ৰমাগতভাবে শক্তিশালী হৈহে উঠিছিল। সি প্ৰকৃতাৰ্থত এক সমান্তৰাল জাতিগঠন প্ৰক্ৰিয়াৰো বাৰ্তাবহন কৰিছিল, অসমীয়া জাতিৰ পৰা স্বতন্ত্ৰ এক বড়ো জাতি ইত্যাদি ইত্যাদি।

(১৯৯) গোস্বামীৰ কিতাপখন বোধহয় ১৯৩৮ চনত প্ৰকাশ হৈছিল। এই সম্পৰ্কীয় যাদৱচন্দ্ৰ খাখলাৰী প্ৰস্তাৱিত আৰু নন্দীৰাম শইকীয়া সমৰ্থিত প্ৰস্তাৱটোৰ বাবে চাওক, ব্ৰাইবেল লিগ বুলেভিন নং -২ (ডিব্ৰুগড়, ১৯৪০ )
২০০) অতুল চন্দ্ৰ বৰুৱা ঃ **শৰৎ**চন্দ্ৰ গোস্বামী, (যোৰহাট - ১৯৮৭), পৃষ্ঠা ১৬২



# সুখ-দুখ আৰু অনুভৱৰ কিছু কথাৰে

**> দীপক কুমাৰ পেগু**

সুখ আৰু দুখৰ সমষ্টিয়ে হ'ল জীৱন। ক'ব পাৰি, প্ৰত্যেক জীৱই জীৱন আৰম্ভ কৰা মুহূৰ্তৰপৰাই অতি সংগোপনে কঢ়িয়াই লৈ ফুৰে সুখ আৰু দুখ। সুখ-দুখ যদিও এক জটিল জৈৱিক প্ৰক্ৰিয়া, মানসিক অনুভূতি অথচ দুয়োটাৰে ৰসায়ন একেখন হৃদয়ত থাকিও আচৰিত ধৰণে বিপৰীত। এয়া এখন হৃদয়ৰ বিস্ময়কৰ দুটা ভিন্ন অভিব্যক্তি । এক স্বৰ্গীয় সুখ অনুভূতিৰ বাবে এখন হৃদয়ৰপৰা যদি বিমল আনন্দ আৰু তৃপ্তিৰ নিজৰা বৈ আহে— সেই একেখন হৃদয়ৰপৰা আকৌ কেতিয়াবা ওলাই আহে অন্তহীন চকুলোৰ বন্যা, হৃদয়ৰ ফাল ফাল হোৱা হুমুনিয়াহ ! কেৱ, এয়াইনে— জীৱন মোহত মোহগ্ৰস্থ হোৱা এজনেও দুখত ম্ৰিয়মান হৈ জীৱনৰ প্ৰতি বাসনা হেৰুৱাই পেলায় লৈ কশ্মিন কালেও নভবা কঠোৰ সিদ্ধান্ত, জীৱন হয় বিপৰ্যস্ত। জীৱনৰ তুলাচনীত সুখ যদি দুৰ্লভ তেন্তে দুখ সুলভ! সুখৰ চকুলো যদি হিম চেচাঁ— তেন্তে দুখৰ চকুলো তপত অগ্নিপিণ্ড! চকুৱে কয় সুখ-দুখ চকুলোৰে হৃদয় খুলি। এক কথাত চকুলোৰ দুটা ভিন্ প্ৰকাশেই হ'ল—'সুখ আৰু দুখ'— কি যে অভিন্ন সত্তা—পৃথিৱীত ইয়াতকৈ মধুৰ আৰু যন্ত্ৰণাদায়ক বস্তু আন কি থাকিব পাৰে! মানুহৰ বাবে এয়া অনিবাৰ্য বাস্তৱ-নিম বাস্তৱ-জন্ম-মৃত্যুৰ দৰেই....

হয়, জন্ম-মৃত্যুৰ দৰেই
একেটা সত্তাত তুমি আৰু মই
ইমান আপোন ইমান প্ৰভেদ
অলক্ষিতে হওঁ মুখামুখি
মোৰ ওঁঠত তুমি
তোমাৰ ওঁঠত মই
এই হাঁহি এই কান্দোন
কিমান যে লুকা-ভাকু
পোহৰ আৰু আন্ধাৰৰ দৰেই
দিন আৰু ৰাতি
চিনাকি বাটতো ক'ত যে অচিনাকি মুখ,
তথাপি তুমি আৰু মই
কি যে বিচিত্ৰ গৰ্ভত সুমেৰু-কুমেৰু
হায়! সুমেৰু-কুমেৰু

হ'লেও মায়াময় আৰু ৰহস্যৰে ভৰপূৰ জীৱনত মানুহে সদায় সুখ আৰু আনন্দ বিচাৰে। জীৱনত দুখ নাহক বুলি মনে প্ৰাণে কামনা কৰে। দুখৰ পৰা পৰিত্ৰান পাবৰ বাবে ভগৱানক প্ৰাৰ্থনা কৰে। তথাপি জানো মানুহৰ জীৱনত দুখ নহাকৈ থাকে?

সুখ বিচৰাতো মানুহৰ এক সহজাত প্ৰবৃত্তি। সুখময় আনন্দময় জীৱন প্ৰত্যেক মানুহে বাঞ্চা কৰে আৰু ইয়াৰ প্ৰাপ্তিৰ বাবে দৈনিক শ্ৰম কৰে। কিন্তু মানুহে ওৰেটো জীনৱ কায়িক আৰু মানসিক শ্ৰম কৰি জানো সেই ঈপ্সিত আশা-আকাংক্ষাক এশ শতাংশ পূৰণ কৰিব পাৰে ? বিনাদ্বিধাই ক'ব পাৰি-নোৱৰে। আচলতে বাঞ্ছিত সুখ পোৱতো দূৰৰ কথা, সুখৰ সন্ধান কৰি ফুৰাৰ ব্যৰ্থ চেষ্টাই মানুহৰ জীৱনক বিষময় আৰু অধিক যন্ত্ৰণাদায়ক কৰি তোলে। কবিয়ে সেইবাবেই ক'লে নেকি—

সুখ সুখ বুলি মানুহ বলিয়া
নেদেখে সুখৰ মুখ
সুখ বিচাৰি পায় সংসাৰত
দুখৰ উপৰি দুখ

তেন্তে মানুহৰ জীৱনত সুখ ক'ত? সুখৰ সংজ্ঞা কি? বাস্তৱ জীৱনত মানুহে সুখ পোৱাটো অসম্ভৱ নেকি? নে চৰম অজ্ঞতাৰ বাবে বাৰে বাৰে মুখামুখি হৈও মানুহে সেই বিৰল সুখৰপৰা নিজকে অতি কৰুণভাৱে বঞ্চিত কৰে ?

সুখ-দুখৰ প্ৰতি মানুহ আটাইতকৈ বেছি সংবেদনশীল সেইটো নহয় যে অন্য জীৱৰ গাত এই আবেদন সমূলি নাই। বৰং বিচিত্ৰ ৰূপত শৃংখলিতভাৱে প্ৰত্যেক জীৱৰ দেহত সুখ-দুখৰ প্ৰতিক্ৰিয়া অতি পৰিস্ফুট। কিন্তু মানুহৰ



বাদে ইমান দৃষ্টিকটুভাৱে সুখ বিচাৰি ফুৰা আন প্ৰজাতিৰ জীৱ এই পৃথিৱীত নাই বুলিয়েই ক'ব পাৰি। শান্ত-শিষ্ট অথচ বৃহদাকাৰ বুলি বিবেচিত হাতীয়ে যিদৰে নৱজাত সন্তানৰ মৃত্যুত চকুলো টোকে, ঠিক একেদৰে আটাইতকৈ হিংস্ৰ জন্তু বাঘেও সন্তানৰ সুখত সুখী আৰু দুখত কাতৰ হয়। এককোষী প্ৰাণী এমিবাৰ বাবে সুখত অনুকুল আৰু দুখত প্ৰতিকূল বুলি ক'ব পাৰি। গতিকে আটাইতকৈ বেছি সংবেদনশীল জীৱ হিচাপে সুখ-দুখৰ সংজ্ঞা, ইয়াৰ উৎস আৰু প্ৰাপ্তিৰ উপায় সম্পৰ্কে গৱেষণা কৰাটো মানৱ জীৱনৰ এক প্ৰধান কৰ্তব্য আৰু দায়িত্ব ।

সুখ আৰু দুখ হ'ল পৰস্পৰ বিপৰীত এটা মানসিক অৱস্থা । ইয়াৰ লগত জীৱদেহত সংঘটিত হোৱা নানান জটিল ৰাসায়নিক ক্ৰিয়াকলাপ, ভৌতিক আৰু পৰিৱেশৰ প্ৰত্যক্ষ প্ৰভাৱ জড়িত হৈআছে। সুখৰ সংজ্ঞা দিয়াতো যিদৰে কঠিন, ঠিক সেইদৰে দুখৰ উৎস আৰু ইয়াৰ ব্যাপ্তি সম্পৰ্কে সঠিক ধাৰণা অবিহনে সুখৰ পৰিধি নিৰ্ণয় কৰাটো অসম্ভৱ। এতেকে সুখৰ সন্ধান দুখেৰে আৰম্ভ কৰো—

দুখ দুখ বুলি মানুহ বলিয়া....?

হয়, যিজন ব্যক্তিয়ে জীৱন পথত এবাৰো দুখৰ যন্ত্ৰণা পোৱা নাই, বিন্দুমাত্ৰাও জটিল সমস্যাৰ মুখামুখি হোৱা নাই, সি অতি দুৰ্ভগীয়া নহ'লেও এনে ব্যক্তিক ৰোমাঞ্চকৰ অভিজ্ঞতাৰ অধিকাৰী বুলি কেতিয়াও ক'ব নোৱাৰি। চৰম দুৰ্ভাগ্য আৰু যন্ত্ৰণাৰ বিৰুদ্ধে জীৱন যুঁজত বীৰদৰ্পে যুঁজ দি অপৰাজেয় শক্তিৰ অধিকাৰী হোৱা এজনেহে প্ৰকৃততে স্বৰ্গীয় সুখৰ মাদকতা উপভোগ কৰিব পাৰে। গতিকে জীৱনৰ লগত সুখ- দুখৰ সম্পৰ্ক জন্ম-মৃত্যুৰ দৰেই। প্ৰকৃতাৰ্থত ইয়াৰ মাজৰ জীয়াই থকা কালছোৱাত হ'ল জীৱন।

সুখ-দুখৰ মাত্ৰা আপেক্ষিকভাৱে নিৰ্ভৰ কৰে শৰীৰতত্ব বা শৰীৰ ৰসায়নৰ (Body Chemistry) ওপৰত। সমগ্ৰ মানৱ শৰীৰ কেবাটাও প্ৰধান তন্ত্ৰৰ (Major Systems) সন্তুলিত সম্বন্ধয় (Co-ordination) জটিল জৈৱ ৰাসায়নিক বিক্ৰিয়া আৰু পৰিচালনাৰ মাজেদি জীৱন প্ৰক্ৰিয়া সম্পন্ন হয়। সেই জীৱন প্ৰক্ৰিয়াত (Life Processes) ক্ৰমবৰ্দ্ধমান বৃদ্ধি আৰু বিকাশৰ ফলত শৰীৰত দেখা দিয়ে কিছুমান চাৰিত্ৰিক বৈশিষ্ট্য আৰু পৰিৱৰ্তন। সেই চাৰিত্ৰিক বৈশিষ্ট্য আৰু পৰিৱৰ্তনৰ ভাগ লয় শৰীৰৰ বিভিন্ন অংগত থকা গ্ৰন্থি (Glands) উৎসেচক (Enzyme), সহ উৎসেচক (Co-enzyme) আৰু বিভিন্ন প্ৰকাৰৰ হ'ৰমনবোৰে (Hormone)। হ'ৰমনৰ ৰাসায়নিক ক্ৰিয়াকলাপ ইমানেই বিচিত্ৰ আৰু সময় নিৰ্ধাৰিত যে জীৱ বিজ্ঞানীসকলৰ বাবে ই এতিয়াও ৰোমাঞ্চকৰ গৱেষণাৰ হৈ আছে। ভয়-শংকা (Feardoubt), হতাশা-উদ্বিগ্নতা (Frustration-anxiety), বিৰহ-বেদনা (Mental agony) মানসিক চাপ, হিংসা-ঈৰ্ষা, (Malice-envy)

বিষণ্নতা (Depresion) ইত্যাদি সকলোবোৰ যিদৰে হ'ৰমনৰ বিক্ষিপ্ত ক্ৰিয়া প্ৰক্ৰিয়াৰ ফল, ঠিক একেদৰে আনন্দ-উল্লাস, হাঁহি, ৰং-তামাচাৰ ক্ষেত্ৰতো হ'ৰমনৰ প্ৰভাৱ অপৰিসীম।

সুখ-দুখৰ সৃষ্টি, বিস্তৃতি আৰু ব্যাপকতাৰ ক্ষেত্ৰত হৰমনৰ লগতে মানুহৰ মন, মগজু আৰু স্নায়ুৰ (Nerve) ভূমিকা অতি উল্লেখনীয়। সিহঁতৰ মাজৰ পাৰস্পৰিক সম্বন্ধ আৰু স্নায়ুৰিক সম্পৰ্কই মানুহৰ বাহ্যিক আচৰণ, আৱেগ, অনুভূতি উত্তেজনা ইত্যাদিৰ বহিঃপ্ৰকাশ ঘটায়।

সুখ-দুখৰ অনুভূতি উল্লিখিত জটিল জৈৱ- ৰাসায়নিক ক্ৰিয়াকলাপৰ বৈজ্ঞানিক বিশ্লেষণৰ উপৰি বৈদিক যুগৰ ঋষি -মুনিৰ পৰা আৰম্ভ কৰি বিশিষ্ট সাহিত্যিক, কলাকাৰ, বৰেণ্য দাৰ্শনিক-পণ্ডিতসকলো অতি প্ৰাচীন কালৰেপৰা সুখ-দুখৰ উৎস আৰু ব্যাপ্তি সম্পৰ্কে সন্ধান কৰি আহিছে। তেখেতসকলে ঘাইকৈ মানুহৰ ইন্দ্ৰিয় (Instinct ) , সত্তা ( Identity) আৰু ধাৰণাৰ (Concept) ওপৰত যথোচিতভাৱে ব্যাখ্যা আগ বঢ়াইছে। প্ৰত্যেক ব্যক্তিৰ সত্তা যেনেকৈ বেলেগ বেলেগ, সেইদৰে সুখ-দুখৰ ক্ষেত্ৰতো মানুহৰ ধাৰণা ভিন ভিন হয়। যিকোনো এটা বিষয়বস্তু এজন ব্যক্তিৰবাবে সুখ-দুখৰ অনুভূতি কেনে হ'ব পাৰে বা ধাৰনাই কেনে ভিন্ন ৰূপ বা অভিজ্ঞতাৰ জন্ম দিব পাৰে এই উদাহৰণৰপৰাই স্পষ্ট হ'ব। শৰতৰ নীলিম আকাশৰ কুণ্ডুলী পকোৱা শুকুলা-চঞ্চল মেঘৰ নৈসৰ্গিক দৃশ্যই এজন উদ্যোগী বা পৰিশ্ৰমী ব্যক্তিৰ মন ব্যাকুল নকৰিলেও কিন্তু সেই একে অনিবাচনীয় প্ৰাকৃতিক সৌন্দৰ্যই এজন কবিৰ সুপ্ত হৈ থকা মনক তীব্ৰ আকৰ্ষণ বা জাগ্ৰত কৰিব পাৰে, আনন্দত বিভোৰ কৰিব পাৰে। নিয়মিতভাৱে পৰিশ্ৰম কৰি থকা এজন ব্যক্তিৰ বাবে শ্ৰমবিহীন ক্ষন্তেকীয়া সময়ো চৰম উদ্বিগ্নতাৰ কাৰণ হ'ব পাৰে। অৰ্থাৎ কৰ্ম হ'ল তেওঁৰ জীৱনৰ বাবে শান্তি বা সুখৰ নিজৰা । কৰ্মবিহীন জীৱন তেওঁৰ বাবে কাৰাগাৰত বন্দিত্ব



জীৱন কটোৱা, ঠিক সাধাৰণ কয়দীৰ দৰে যিটো তেওঁৰ কাম্য নহয়। ভয়াবহ নিঃসংগতা কাৰোবাৰ বাবে হ'ব পাৰে জীৱনক নিৰ্মোহভাৱে বিশ্লেষণ কৰাৰ উপযুক্ত সময়, কিন্তু কেইজনৰ বাবে ?

সুখ-দুখৰ ধাৰণা (Concept) আৰু দৰ্শন (Phi- losophy) সম্পৰ্কে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিপ্লৱৰ সূচনা কৰা বিখ্যাত তিনিটা সূত্ৰক বাদ দি যেন ইয়াৰ সংজ্ঞা সম্পূৰ্ণ নহয়। বিখ্যাত বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনৰ বিশেষ আপেক্ষিকতবাৰ সূত্ৰ (Law of Ralativity), হাইচেনবাৰ্গৰ অনিশ্চয়তাৰ সূত্ৰ (Heisenberg's Un- certainty Principal) আৰু নিউটনৰ গতিৰ তৃতীয় সূত্ৰ (Newton's Third Law of Motion) এই তিনিটা সূত্ৰ বিজ্ঞানৰ সূত্ৰ যদিও অতি ব্যতিক্ৰম। সেই তিনিটা সূত্ৰ জীৱন যাত্ৰাৰ প্ৰতিটো স্তৰতে যেন অংগাংগী ৰূপত প্ৰকট হয়।

আইনষ্টাইনৰ বিশেষ আপেক্ষিকতাবাদৰ তত্ত্বৰ আধাৰত ক'ব পাৰি বিশ্বব্ৰহ্মাণ্ডৰ বৰ্তি থকা প্ৰত্যেক বস্তুৱেই আপেক্ষিত মাত্ৰ। ইটো-সিটোৰ আপেক্ষিক। যেনে-ভাল- বেয়া, সুখ-দুখ, মিঠা-তিতা, দিন-ৰাতি, জন্ম-মৃত্যু ইত্যাদি। সমাজত যেনেকৈ ভাল গুণ আছে অনুৰূপ বেয়া গুণো আছে। অৰ্থাৎ ভাল আৰু বেয়া গুণ সমাজত এক জীৱন্ত লক্ষণ আৰু ই আপেক্ষিক। দিনক বাদ দি ৰাতিৰ কথা নাহে। সুমেৰু- কুমেৰুত থকা এজন ব্যক্তিয়ে প্ৰকৃততে দিন-ৰাতিৰ আপেক্ষিকতা সৰ্ম্পকে অধিক অনুভৱ কৰিব, য'ত ছমাহ দিন আৰু ছমাহ ৰাতি হয়। হাইচেনবাৰ্গ অনিশ্চয়তাৰ সূত্ৰত ইলেকট্ৰ'ন আৰু নিউটনৰ দৰে মৌলিককণাৰ পক্ষে যিদৰে একে সময়তে সিহঁতৰ অৱস্থান আৰু বেগৰ নিৰূপন সম্ভৱ নহয়, ঠিক সেইদৰে একে মুহূৰ্ততে সুখ-দুখৰ অৱস্থান, সময় বা সিহঁতৰ স্থায়িত্ব নিৰূপন অসম্ভৱ। নিউটনৰ গতিৰ তৃতীয় সূত্ৰৰ আধাৰতো ক'ব পাৰি-মানুহৰ কৰ্মৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ চূড়ান্ত বহিঃপ্ৰকাশেই হ'ল সুখ আৰু দুখ ।

এনেধৰণৰ মৌলিক ৰচনাত সুখ-দুখৰ বিস্তৃতত্ব বিৱৰণ দিয়াতো কেতিয়াও সম্ভ নহয়। ই এক প্ৰয়াস মাথোঁ—সুখ- দুখৰ ধাৰণা সম্পৰ্কে কেইজনমান বিশিষ্ট দাৰ্শনিক আৰু সাহিত্যিকৰ মতামতকে এবাৰ জুকিয়াই চাওঁ—

সকলো প্ৰকাৰৰ আনন্দৰ ভিতৰত আনক সুখী কৰিবলৈ চেষ্টা কৰাটোৱেই সৰ্ব্বোৎকৃষ্ট আনন্দ । —লা ৰুইয়াৰ সকলোদুখ-কষ্টৰ মাজতো মনৰ শান্তি নেহেৰুৱাৰা । সেই শান্তিক বাহ্যিক একোৱে স্পৰ্শ কৰিব নোৱাৰে। মনৰ শান্তি নিজে সৃষ্টি কৰা এক মধুৰ জগত।
-হোম্‌ছ

সুখ নিৰ্ভৰ কৰে ঘাইকৈ সন্তুষ্টিৰ ওপৰত। সন্তুষ্টি আৰু আনন্দ দুয়োটা সম্পূৰ্ণ বেলেগ বস্তু। যি মানুহে কেৱল আনন্দৰ অন্বেষণ কৰে, তেওঁৰ সেই অন্বেষণ কোনোদিনেই অন্ত নপৰে। অৱশেষত সি পৰ্যবসিত হয় চৰম অৱসাদ আৰু হতাশাত। আনহাতে, সন্তুষ্টি হ'ল এনে এটা হৃদয়ানুভূতি, যিটোৱে মানুহে কৰা সকলো কামৰ এটা অৰ্থ দিয়ে।

-হোমেন বৰগোহাঞি

কৰ্ম আৰু সুযোগৰ মিলনেই হ'ল সৌভাগ্য।

পালবাক

প্ৰকৃত সাধুতা হৈছে মানুহক ভাল পোৱাটো আৰু প্ৰকৃত জ্ঞান হৈছে মানুহক জনাটো ।

কনফুচিয়ান

গতিকে আমি ক'ব পাৰো—মনেই হ'ল সুখ-দুখৰ।

প্ৰধান কাৰণ । সুস্থ বা ভাল মনৰ অধিকাৰী হ'লেহে ভাল কাম আশা কৰিব পাৰি । ভাল কামে মানুহক শান্তি দিয়ে, সুখ দিয়ে। জ্ঞান, দয়া, ক্ষমা, প্ৰেম আৰু ত্যাগ মানুহক মহান কৰি তোলে সততাই চৰিত্ৰ বল আনে; উদাৰতাই মনৰ বিশালতা আনে; ধৈৰ্যই মনৰ গভীৰভা আনে; উদাৰতাই মনৰ বিশালতা আনে; ধৈৰ্যই মনৰ গভীৰতা আনে; পৰিশ্ৰম মানুহৰ মনৰ সৌন্দৰ্য, প্ৰফুল্লতা আৰু নিৰ্মলতা আৰু এই সকলোবোৰ মিলি সংপৃক্ত হয় সুখ, জীৱনে গতি লয় এক অনন্ত প্ৰক্ৰিয়ালৈ। অৰ্থাৎ মূল্যবোধ থকাপৰিশ্ৰমে মানুহক সুখ দিয়ে। বিশিষ্ট সাহিত্যিক হোমেন বৰগোঞিয়ে কোৱাৰ দৰে 'দুখৰ কাৰণে দুখ কৰি লাভ নাই, কাৰণ দুখ অবিহনে সুখৰ ধাৰণা কৰা অসম্ভৱ।' 'হ' লমাৰ্ক' ছেটেলাইট চেনেলত দেখুওৱা এটা দৃশ্যত এগৰাকী গাভৰুৱে তেওঁৰ প্ৰেমিকক কোৱা কিয়দংশ- যিটো বাৰ্তাই বৰেণ্য সাহিত্যিকগৰাকীৰ সত্তাক শিহৰিত কৰি তুলিলি —'জীৱনত সুখী হ'বলৈ তিনিটা বস্তুৰ দৰকাৰঃ ভাল পাবলৈ এজন মানুহ; কৰিবলৈ ভাল লগা কাম এটাক; আৰু আশাৰে বাট চাই থাকিবলৈ ভৱিষ্যতৰ এটা আনন্দময় সম্ভাৱনা'।

জীৱনত সুখ পাবলৈ বা সুখী জীৱন যাপন কৰিবলৈ বা দুখৰ পৰা পৰিত্ৰান পাবলৈ সেই তিনিটা বস্তুৱেই যথেষ্টনে ? নে সেই তিনিটাতেই নিহিত হৈ আছে সুখৰ সমগ্ৰ সত্তা। চকু মুদি এখন্তেক নীৰৱে ভাবি চাওঁ। কিজানি মন সুখেৰেই ভৰি পৰে!



# মিচিং সংস্কৃতিৰ গতিধাৰা

**>সূৰুয কুমাৰ পাতিৰি**
**কাংকান নগৰ, শিৱসাগৰ**

'মিচিং সংস্কৃতিৰ গতিধাৰা' বিষয়টো এটা বিশাল পৰিসৰ থকা বিষয় লগতে বিষয়টো বৰ গভীৰতাপূৰ্ণ । ইমান বিশাল আৰু ইমান গভীৰতা থকা বিষয়ৰ ওপৰত আলোচনা সমালোচনাৰে নিজস্ব মন্তব্য আগবঢ়াব পৰা জ্ঞান মোৰ নাই, ই ধুৰুপ তথাপি কিঞ্চিৎ জ্ঞানেৰে মিচিং সংস্কৃতিৰ মাথোন এটি উপাদানৰ ওপৰত অকণমান আলোকপাত কৰিবলৈ চেষ্টা কৰা হৈছে।

মোৰ নমস্য শিক্ষাগুৰু নাহেন্দ্ৰ পাদুনেৰ 'মিচিং সংস্কৃতিৰ আলেখ্য' নামৰ পুথিখনিত 'সংস্কৃতি' মানেকি ? তাৰ ওপৰত এটা বহল প্ৰবন্ধ লিখিছে, তেখেতে উল্লেখ কৰিছে যে-ই, বি, টেইলৰে দিয়া সংস্কৃতিৰ সংজ্ঞাকে এতিয়ালৈকে ধ্ৰুপদ বুলি ধৰি লোৱাহয়, গতিকে ই, বি, টেইলৰ মতে “সংস্কৃতি এনে এটা জটিল ৰূপ য'ত জ্ঞান, বিশ্বাসে নীতি- নিয়ম, আচাৰ-ব্যৱহাৰ অন্যান্য সামৰ্থ্য আৰু সমাজৰ লোক হিচাপে মানুহে আহৰণ কৰা অভ্যাস আদি সকলোকে সামৰি লয়।”গতিকে কোনো জাতিৰ সংস্কৃতি বুলি কলে সেই জাতিৰ ভাষা-সাহিত্য, আচাৰ নীতি, সংগীত, চিত্ৰকলা মুঠতে জীৱন ধাৰণা প্ৰণালীত আৱশ্যক হোৱা সকলো বিষয়বস্তু সমূহেই সংস্কৃতিৰ উপাদান আৰু সেইজাতিৰ জাতীয় সংস্কৃতি; গতিকে মিচিং সংস্কৃতি বুলি কলে মিচিং সকলৰ ভাষা সাহিত্য ধৰ্মীয় আচাৰ নীতি চিত্ৰকলা সংগীত আকৌ সংগীত বহলি কোৱাৰ লগে লগে গীত নৃত্য বাদ্যৰে সমাহাৰ সংযুক্ত হ'ব। লগতে জীৱন ধাৰণ প্ৰণালী বুলি কোৱাৰ লগে লগে বসবাস কৰা স্থান কাল পৰিবেশ ধৰ্মীয় আচাৰ নীতি, বয়ন শিল্প আদি সকলো বিষয়বস্তু সংস্কৃতিৰ উপাদান হিচাপে মিচিং সংস্কৃতিৰ ভিতৰত সোমাই পৰিব। ইমানবোৰ বিষয়ৰ ওপৰত আলোকপাত কৰাৰ হাবিয়াস ত্যাগ কৰি কেৱল মিচিং সংস্কৃতিৰ এটা উপাদান আনহাতে সংগীতৰোএটা মাথোন মুখ্য অংগ গীত মানে ইয়াতে মিচিং লোকগীতৰ ওপৰত চমু আলোচনী আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে ।

অসমৰ অন্যান্য জনগোষ্ঠীৰ ভিতৰত মিচিং সকল লোকগীতত বৰ চহকী জাতি। মিচিং সকলৰ কেইবা প্ৰকাৰৰো লোকগীত আছে যিবিলাক লোকগীতৰ কথা আৰু সুৰৰ আন কোনো জাতিৰ লোকগীতৰ লগত মিল বা সাদৃশ্য নাই। মিচিং লোকগীত স্বকীয় বৈশিষ্ট্যৰে মহীয়ান; ইয়াৰ গীতৰ কথা আৰু সুৰে সকলোকে আকৰ্ষণ কৰিব পৰা, সকলোৰে পৰা সমাদাৰ পাব পৰা সাংগীতিক গুণ থকা এটা নিজস্ব ঐতিহ্য আছে যাৰ কাৰণে বৰ্তমান অনামিচিং লোকে মিচিং লোকগীতৰ সুৰক নিজা কৰি লবলৈ পাকে-প্ৰকাৰে চেষ্টা চলাই থকা পৰিলক্ষিত হয়। মিচিং লোক-গীত বুলি ক'লে আমি এই গীত সমূহ উল্লেখ কৰিব পাৰো - ১। আঃবাং ২। কাবান ৩। তীব-তীকাং বা দঃয়িং নিঃতম ৪। চূঃলুং নিঃতম (বিশ্লেষণ কৰিলে ইও একপ্ৰকাৰ কাবানেই) ৫। মিদাংনিঃতম ৬। বৃনি নিঃনমে, বা বৃনি-নিঃতম ৭। অইনিঃতম ৯। ভৰলী অঞ্চলৰ লুপ্তপ্ৰায় অৱস্থাত থকা ‘দূৰকবে’ গীতবোৰো আমি লোকগীতৰ মাজলৈ আনিব পাৰি । ১০। বৰ্তমান জনপ্ৰিয়তা লাভ কৰা আনুনিঃতম বোৰে লোকগীত নহলেও মিচিং গীত সংস্কৃতিৰ ভিতৰত ধৰি লোৱাটো ভাল হ'ব বুলি ভাবো।

১। আঃবাং ঃ- প্ৰথম কথা হ'ল আঃবাংবোৰ যদিও লোকগীত বুলি কৈ থকা হৈছে প্ৰকৃততে ‘আঃবাং’গীত হয়নে নহয় ই বিশ্লেষণ বিষয়, কাৰণ আঃবাঙক হিন্দু সকলৰ ধৰ্মশাস্ত্ৰৰ ধৰ্মীয় শ্লোকৰ লগতহে তুলনা কৰিব পাৰি, আনহাতে আঃবাং ৰচনা শৈলীৰ ফালৰপৰা চৰ্যপদৰ লগতহে সাদৃশ্য থকা দেখা যায়। আঃবাঙক মিচিং জাতিৰ সৃষ্টি তত্বৰ পৰা আৰম্ভ কৰি ধৰ্মীয় সমাজনীতি, পৰম্পৰা, মাংগলিক বিধি- বিধান আদি সকলো বিষয়ৰ উল্লেখ পোৱা যায়, মুঠতে মিচিং জাতিৰ যি আছে সেই সকলোবোৰেই আঃবাঙত আছে, যি আঃবাঙত নাইই মিচিং সমাজতো নাই। আঃবাঙৰ মুখ্য ভাগ দুটা হ'ল মিবু আঃবাং আৰু মিৰু আঃবাং। আঃবাং গাৱৰ কাৰণে কোনো বাদ্যযন্ত্ৰৰ প্ৰয়োজন নাই; মিবু বা পুৰোহিতে ব্যৱহাৰ



কৰা য়ক্চা নামৰ ধৰ্মীয় দীঘল তৰোৱাল খনৰ নালেৰে গুৰিত কেইটা মান কাঁহৰপাত থাকে যাক চাপীৰীং বোলে । য়চাখন জোকাৰিলে ইয়ে সঞ্জৰীৰ দৰে শব্দ কৰি তাল লয় ধৰি ৰাখে । আঃবাং গীতক মিচিং জাতিৰ গীতি বুৰঞ্জী বুলিও ক'ব পাৰি ।

(ক) মিবু আঃবাঃ দংকী লীবৃঙী ৰুম্নী বুলুৱা
তাঃবী লীবৃঙী আঃবুম বুলুৱা
কাজু ঙমী লীনিঅ মইকা
তাঃবী দায়িগীম যুগৰ মইকা
গৰদু-বৃৰনী বৃৰনা নলুৱা
গৰপ' য়ৰনী য়ৰনা নলুৱা
গৰদু তাতুং লাৰুং মইকা
জীতু তাপুং লীঃন মইকা...

(খ) মিৰু আঃবাংঃ দৌৰমি চিঃতুঙী তৃৰ্মীক তৃমাঙা, কম্বং আঙ্গুনী ৰীয়ুবক ৰীয়াবা দিঃতী দঃয়িঙী তৃমীক ৰীয়াবা দিঃত দঃয়িঙী তৃমীক'তৃমাঙা, কম্বং আল্গুনী ৰীয়ুবক ৰীয়া বা ........

২। কাবানঃ কাবানৰ অৰ্থ হৈছে বিননি। সংসাৰত সকলো মানুহৰে দখ বেজাৰ হৰ্ষ বিষাদ থাকে। মিচিং সকলৰ দুখ- বেদনা, হৰ্ষ বিষাদ, হতাশা হুমুনিয়াহ, অতীত স্মৃতি ৰোমন আদিৰ গীতিময় প্ৰকাশেই হ'ল কাবান গীত। গতিকে ই ব্যক্তিগত হৈয়ো সাৰ্বজনীন, সাময়িক যদিও চিৰন্তন তাৰ আবেদন সেয়ে কাবান গীত সমূহ মিচিং সমাজত বৰ জনপ্ৰিয় । আৰু ইয়াৰ সুৰ হৃদয়বিদাৰক। বেলেগ বেলেগ কথা আৰু সুৰ থকা তিনি প্ৰকাৰৰ কাবান বৰ্তমান পোৱা গৈছে।

(ক) কম্জিং লক্কীব' ৰাইয়' লক্কীব'
পিত্তৃপা লক্কীব, জীয়াঙ লক্কীব' অই.....অইয়া
অইয়া দীঃপ'ঙীম পঃমান বচুতাই অহ-অইয়া

(খ) জীঃয়িদ লক্কীব' ৰীইয় লক্কীব' অই......অইয়া
আজন ঙলু চঃমান্না গৃমান বচুদাম
অদৃ লঙীকল মিপানয়াঃকুনী অই.. ....... অইয়া

(গ)অঃবৃ অনাবৃ অমুৰই তনেয়া অই... চঃলাগ পাগদ'দীম পাগুৰ অই তনেয়া
কিঃনি জিনদ 'দীম জিনমেৰা অই তনেয়া নীৰ অদ'দীম অম্ৰ অই তনেয়া অই......

(৩) তীবতীকাংঃ তীব-তীকাং বা দঃয়িং নিঃতম হ'ল কথোপ কথন মূলক এটি মিচিং লোকগীত। তীব তীকাং সাধাৰণতে এহাল ডেকাগাভৰুৰ প্ৰণয়ৰ কথোপকথনমূলক গীত । এজন প্ৰেমিক প্ৰেমৰ বলত সাহিয়াল হৈ সমাজ স্বীকৃত নিদিয়া কল্পনাৰো অতীত প্ৰেমৰ নতুন পথ হাতীৰ দগ'লেদি, মহৰ দগ'লেদি চৰাই উৰা পথেদি অৰ্থাৎ আকাশ মাৰ্গেদি আনকি বিপদ সংকুল চনকা মেগেলা গছৰ সাঁকোৰেদি পাৰ হৈ যাওঁ আহা বুলি প্ৰেমিকাক আহবান কৰিছে কিন্তু প্ৰেমিকাই সেইবোৰ পথেদি গৈ পোৱা জীয়ৰী নহও বুলি প্ৰত্যুত্তৰ দিছে তথাপি প্ৰাণভৰি প্ৰেমিকক ভাল পায়। তীব'-তীকাং হ'ল এনে এটা মিচিং লোকগীত য'ত একেটা গীতকে দুজন ব্যক্তিয়ে গাই যায় আৰু তাৰ মাজেদিয়ে সুন্দৰকৈ গীতৰ বিষয়বস্তুৰ প্ৰকাশ পায় আৰু গীত আগবাঢ়ি যায়। প্ৰথম অৱস্থাত এই গীতটিক মুকলিকৈ গাবলৈ ৰাইজে অনুমতি দিয়া নাছিল কাৰণ এটা সময়ত তীব'-তীকাং চিবেঃদংকুং বুলি কোৱা হৈছিল।

য়াঃমে——অইয়া তীকাঃ)লক তীব'কী তীকাঃলক
অমুমা তীকাঃলক গৃকুনী লাজুকা
অমুম নম্‌দানী কাংলঙ' নম্‌দানী
মৃমবৃৰ–অইয়া তীকাঃলক গৃকুনী অমীমাং
মেঃবই নম্‌দানী কাঃলৃঙ' নম্‌দানী...

(৪) চূঃলুং নিঃতম ঃ- চূঃলুং নিঃতম শব্দানুবাদ কৰিলে ই অসমীয়া বনগীতৰ সমাৰ্থক যদিও অসমীয়া বনগীতৰ লগত ইয়াৰ সাদৃশ্য নহৈ চিঃলুং নিঃতমত প্ৰকৃতিৰ বৰ্ণনা মুখ্যৰূপত থাকে আৰু প্ৰকৃতিক ৰিজনি দি গৌণৰূপত কোনো প্ৰেমিক প্ৰেমিকাৰ বিৰহ-বিচ্ছেদ প্ৰতিছবি ইয়াত ফুটি উঠে সেয়ে চিঃলু নিঃতম নামটো সাময়িক ভাৱে যদিও নামকৰণ কৰা হৈছে প্ৰকৃততে বিশ্লেষণ কৰিলে ইও এক প্ৰকাৰ কাবান গীতৰেই ভাগ বুলি কব পাৰি ।

চিঃলু নিঃতমঃ
তঃদৃবৃঃগী অইয়া পৃঙাঙৰী দাকুচল
তঃদৃ কুৰকুৰী অইয়া কাপতাদঃঅ দুংকুচল
বাৰবি এক্ৰিঙী অইয়া ৰিঃতাদঃঅ বিদাগচল
তাকম তায়িঙী অইয়া দীঃতাদঃঅ দুংকুচলে

(৫) মিদাং নিঃতমঃ- মিচিং মিদাং নিঃতম দুই প্ৰকাৰ পোৱা যায়। শব্দানুবাদ কৰিলে ই অসমীয়া বিয়ানামৰ দৰে স্মৃতি শাস্ত্ৰৰ নীতিৰ অন্তৰ্ভূক্ত দুটিপুৰুষ-প্ৰকৃতিৰ পৱিত্ৰ মিলনৰ কথা আৰু সুৰ মিদাং নিঃতমৰ নাই তাৰ পৰিৱৰ্তে কন্যাই ইমান দিনে পিতৃ-মাতৃৰ ঘৰত মৰম আৰু আদৰেৰে লালিত পালিত হোৱাৰ পিছত ভাই-ভনী, ককাই-ভাই পিতৃ-মাতৃ আৰু সমন্ধীয় সকলোকে এৰি থৈ আন এঘৰলৈ যাব লগা হোৱাৰ কাৰণে



কন্যাৰ হৃদয় বিদাৰক কৰুণ ক্ৰন্দনৰ অনুকৰণতহে মিচিং মিদাং নিঃতমৰ সৃষ্টি হৈছে যিহেতু ইও একপ্ৰকাৰৰ কাবান গীতৰ দৰেই বিননি গীত সেয়ে কোনো কোনো শুনা যায়। মিদাং নিঃতমৰ অাটো প্ৰকাৰ হ'ল কোনো কোনো অঞ্চলত মিচিং পৰম্পৰা মতে ন-কণ্যাক আদৰিবৰ কাৰণে পমা গছৰ নতুন জখলা আৰু পীৰা অত্যাৱশ্যকীয় গতিকে কন্যা আদৰা দুটি সম্পদ যোগাব হোৱা নাই "হে ন-কণ্যা তুমি এতিয়াই দৰা ঘৰত নুঠিবা বুলি ৰং ৰহস্য কৰি মিদাং নিঃতম গোৱা দেখা যায়।

(ক) প্ৰথম প্ৰকাৰ মিদাং নিঃতম
য়উবী য়উবী অলুমী নীঃবৃ (অমীব) কামঙী বংঅ অংচি
য়উবী য়উৱা নীঃবৃ অকপী অকানী..

(খ) দ্বিতীয় প্ৰকাৰ মিদাং নিঃতমঃ
তীৰীৰী তাঁৰীৰী তাৰী ৰীতীৰা
মাঃম কাম্পুং চাঃপয়কা তীৰী ৰীতীৰা
তাৰীৰী তাৰীৰী তাৰী ৰীতীৰা
বান্‌জিকঃবাং পামাদীকা তীৰী ৰীতীৰ.........

(৬) বৃনি নিঃনাম ঃ ই অসমীয়া নিচুকনি গীতৰ সমাৰ্থক বৃি নিঃনামৰ দুটা প্ৰকাৰ দেখা যায় তাৰে এটা হ'ল মিচিং সকলে ভৈয়ামলৈ প্ৰব্ৰজন নকৰাৰ আগৰ নিজস্ব কথা আৰু সুৰৰ বৈশিষ্ট্যপূৰ্ণ নিচুকনি গীত যাক কিছুলোকে আদি বা অৰুণাচলৰ নিচুকনি গীত বুলি কব বিচাৰে। আনটো হ'ল ভৈয়ামলৈ নামি অহাৰ পিছত বৃহত্তৰ অসমীয়া সংস্কৃতিৰ সমন্বয়ত ভকতীয়া সুৰৰ আধাৰত প্ৰতিষ্ঠিত মিচিং নিচুকনি গীত যেন—

(ক) কৰঃআ কাপপঃয়ক পীক্কাৰ' দীঃমাদা
দীঃয়ীমূল কাবয়ীপী দাঁই
ক'ৰঃকী কাবনামচা পিঃলি তাপুঙী (বিকুলই-বাজনা
তামাননা দুংকানী দাই। (

খ) প্ৰথমবিধ নিচুকনি গীত –
অ...অ.........অ......অ.....

অ ঙক্কী আঃজিঅ কাঃল্ঙ' নীচিনা
চিনা ৰঃৰংঙী গৃমান' বিদুনীয়া
আঃজিচি ৰঃৰঙী গৃমান' বিদুনীয়া ...........

ইয়াত মৰমৰ কেচুৰাটি ভোকত কান্দিছেনে নাইবা ভোকত পেট বিষাই হাত ভৰি আচাৰি খংতেই কান্দিছে একো ক'ব পৰা নাই বুলিছে নিচুকনি গীতটি কেচুৰা ৰখীয়া নীবৃঙে (ধাই) গাইছে। নীবৃঙী তাৰোপৰি কেচুৰাৰ মাতৃক তাৰ উৎকৃষ্টআহাৰ স্তনযুগল সোনকালে কেচুৰালৈ "আগবঢ়বলৈ আহবান কৰিছে। সবাতোকৈ গীতৰ কথাৰ গভীৰতা প্ৰকাশ পাইছে শেষৰ চাৰিটা শাৰীত য'ত নীবৃঙী মনত আশংকা প্ৰকাশ কৰিছে—

অ ঙকী আঃজিঅ' কাঃলঙ' নীচিনী
দগয়'পীয়া তাকাৰী বাতুম' বিতু নেয়া
আঁ দগয়'পীয়া তাকাৰী বাৰতুম' বিতুনেয়া
দুম্দীপীয়া তাকাৰী বাতুম' বিতুনেয়া........... অৰ্থাৎ

"মোৰ মৰমৰ কেচুৰাটিৰ জীৱন খন্তেকীয়া হ'বনে দীঘলীয়া হ'ব একোকে কব পৰা নাই। মিচিং নিচুকনি গীতৰ কথাৰ গভীৰ তত্ব বা দৰ্শন বেলেগৰ সৈতে নিমিলে তাৰোপৰি মন কৰিব লগীয়া কথাটো হ'ল মিচিং নিচুকনি গীত নীবৃঙেহে গায় মাতৃয়ে নাগায় ।

(৭) অইনিঃতমঃ- অইনঃতম হ'ল মিচিং সকলৰ আটাইতকৈ জনপ্ৰিয় লোকগীত। ল'ৰা, ডেকা, বুঢ়া আদি সকলো বয়সৰ মানুহে অইনিঃতম অন্তৰ ভৰি ভাল পায়। বিষয়বস্তুৰ ফালৰপৰা অইনিঃতমত প্ৰেম, ভালপোৱা, বিৰহ-বেদনা, বিচ্ছেদ, প্ৰকৃতি বৰ্ণনা প্ৰকৃতিৰ লগত তুলনামূলক চিত্ৰকল্প আৰু সমাজ-জীৱনৰ সকলো চিত্ৰই অইনিঃতমত প্ৰতিফলিত হয় । তাৰোপৰি অইনিঃতমৰ স্বকীয় সুৰৰ ধাৰায়ো সকলোকে আপ্লুত কৰাত বিশেষ ভূমিকা পালন কৰে।

(৮)মিচিং লোকনৃত্য গুমৰাগ, চল্লিয়া, লীৰীলি আদি নৃত্য বিলাকত প্ৰয়োগ কৰাগীতবোৰো আমি লোকগীতৰ মাজত ধৰিব পাৰি কাৰণ সেই গীতবোৰো ব্যক্তিগত হিচাপে কাৰো ৰচনা নহয় মুখে মুখে চলি অহা অৰ্থাৎ পৰম্পৰাগত গীত আৰু প্ৰত্যেকৰে এটা নিজস্ব ৰচনা শৈলী, সুৰ আৰু ভাৱাৰ্থ
আছে।

(৯) মিচিং গীতি সংস্কৃতিৰ বিষয়ে আলোচনা কৰা হৈছে যেতিয়া বৰ্তমান নৱ প্ৰজন্মই ভাল পাই আদৰি লোৱা আনুনিঃতমকো বিষয়বস্তুৰ মাজত ৰাখিব পাৰি । মিচিং গীতি সংস্কৃতিৰ নৱ সংযোজন আনুনিঃতমৰ পৰিধি বহুখিনি বহুল হৈ আধুনিক সমাজ ব্যৱস্থাৰ প্ৰতিছবি ইয়াত প্ৰতিফলিত হৈছে। স্বাধীনোত্তৰ কালৰ পৰাই মিচিং আনুনিঃতমৰ জন্ম হৈছিল আৰু আনুনিঃতমে সমাজৰ সংস্কাৰ, উৎসাহ-উদ্দীপনা প্ৰেম, দয়া-মমতা, ঐক্য সম্প্ৰতি আদি গঠনৰ দিশটো বহুখিনি অনুপ্ৰেৰণা যোগাইছে।



যি কি নহওঁক আমাৰ আলোচ্য বিষয়টো আছিল "মিচিং সংস্কৃতিৰ গতিধাৰা" আমি ইয়াৰে কেৱল মিচিং গীতি সংস্কৃতিৰ গতিধাৰাৰ কথাহে ইয়াত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। মানুহে কয় সংস্কৃতি সদায় প্ৰবাহমান বোঁৱতী সোঁতিৰ নিচিনা সময়ে সময়ে সমাজৰ পৰিবেশ পৰিস্থিতি পৰিৱৰ্ত হোৱাৰ লগে লগে সংস্কৃতিৰো পৰিৱৰ্তন হয়। মিচিং লোকগীত বিলাকৰ গতিধাৰা একেবাৰে বন্ধ হৈ যোৱাৰ নিচিনাই কেবল অইনিঃতমৰ গতিহে প্ৰবাহিত হৈ আছে। বৰ্তমান সময়ত । আঃবাঙৰ ভষা, সাধাৰণ মানুহে বুজি নাপায় বা বুজিবলৈ চেষ্টা নকৰে, সচাঁ অৰ্থত অপম আচি অনাম ঐশ্বৰিক গুণ বা অলৌকিক গুণ সম্পন্ন মিবুৰো বিলুপ্তি হৈছে গতিকে দেৱভাষা স্বৰূপ সংস্কৃত ভাষাৰ বৰ্তমান যি অৱস্থা আঃবাঙৰো তাৰেই অৱস্থা হৈছে। কাবান তীব- তীকাং চিঃলুং নিঃতম, মিদাং নিঃতম, বৃনিনিঃনাম আদি লোকগীত বোৰৰ গতিধাৰা একেবাৰেই স্তব্ধহ'ল। পুৰণি গীতবোৰৰ গীতৰ কথা বুজিনোপোৱাৰ দোহাইদি আমাৰ মিচিং শিল্পীসকলে সেইবোৰ মূল্যবান গীত একেবাৰেই চৰ্চ্চা কৰিবলৈ এৰিলে । লীৰীলি চল্লিয়া আদি লোকনৃত্য বিলাকৰ প্ৰচাৰ বৰ নগন্য হোৱাৰ লগে লগে তাত প্ৰয়োগ হোৱা গীত মাতবোৰো লুপ্তপ্ৰায় হ'ল। গুম্াগ নাচটো জীয়াই আছে যদিও তাত প্ৰয়োগ কৰা 'লঃলঃলে লঃলে........ গীতটিও শুদ্ধৰূপত কোনো গুৰাগ নৃত্যদলে প্ৰয়োগ নকৰে, গতিকে মিচিং গীতি- সংস্কৃতিৰ গতিধাৰা পশ্চাদমুখীহে হৈছে ই ভাল লক্ষণ নহয়, এনে বিপৰীত সোঁতে সমাজ সংস্কৃতি আৰু মিচিং জাতিক বিনষ্ট কৰিব। অৱশেষত থাকিল অইনিঃতম আৰু আনুনিঃতম। গীতিসংস্কৃতিৰ এই দুটিৰ ধাৰা ইমানেই প্ৰবল হৈছে যে একেবাৰে নিজৰ ঐতিহ্য আৰু ভেটি মোচন হোৱাৰ আশংকাহে প্ৰকট হৈ পৰিছে। সংস্কৃতিত পৰিৱৰ্তন নালাগে য'ত নেকি নিজস্ব বৈশিষ্ট্য হেৰুৱাই মূল ভেটিৰ পৰা আঁতৰি আহি নিজস্ব বৈশিষ্ট্য হেৰুৱাই মূল ভেটিৰ পৰা আঁতৰি আহি ধাৰ কৰা সংস্কৃতিৰে পোতগৈ নিজস্ব ঐতিহ্যখিনি একেবাৰে শেষহৈ যায়। সংস্কৃতিৰ এনে পৰিৱৰ্তন আমাৰ কাম্য নহয় ।

আনুনিঃতমৰ অৱস্থাও একেই হৈছেগৈ। মোৰ ব্যক্তিগত ধাৰণা আনুনিঃতম বোৰেও মিচিঙত্ব বজাই ৰাখিব পাৰিলে ভাল হয় কিন্তু বৰ্তমান মিচিং আনুনিঃতমে ভাৰতীয় গীতি সংস্কৃতিৰ সীমাৰো পৰিধি ভাঙি নিজকে নিচিহ্ন কৰাৰ ধাৰণা বহন কৰিছে। আমাৰ সংস্কৃতিৰ বাহক সকলে স্বকীয় সংস্কৃতি জীয়াই ৰাখিবৰ কাৰণে সকলো দিশ গভীৰ ভাৱে চিন্তা চৰ্চ্চা কৰি সংস্কৃতিৰ সাধনাত ব্ৰতী হ'বলাগে কাৰণ এটা জাতি হিপে চিনাকীদিয়াৰ মূল উপাদানটোৱেই হ'ল ভাষা আৰু সংস্কৃতি, গতিকে সেই দুটা উপাদানেই যদি শুদ্ধৰূপত নাথাকে আমাৰ পৰিচয় মিচিং বুলি কেনেকৈ দিম। আচল কথা হ'ল আমাৰ জাতীয় সংস্কৃতি জীয়াই ৰাখিবৰ কাৰণে মোৰ ব্যক্তিগত অভিমত Patent কৰিব লাগে অৰ্থাৎ আইনগত ভাৱে স্বত্ব পঞ্জীয়ন কৰা (Protected by an official document) তেতিয়া হলে আমাৰ পৰা অনুমতি লব লাগিব আৰু ভৱিষ্যতে তেতিয়াহে ই মিচিঙৰ হৈ থাকিব।

বিঃদ্রঃ - এই লেখাটিত মিচিং লোকগীতৰ ভাৱাৰ্থ দাঙি ধৰোতে মোৰ নমস্য শিক্ষাগুৰু নাহেন্দ্ৰ পাদু চাৰৰ পৰা বহুখিনি পৰামৰ্শ লোৱা হৈছে।

লেখক



# মিচিং জনগোষ্ঠীৰ পৰম্পৰা সাজপাৰ আৰু লোকবাদ্যৰ ডুখৰীয়া ছবি।

**>মিগাং বিৰিঞ্চি পেগু**
**জাঁজী মুখ**

পূৰ্বতে মিচিং জনগোষ্ঠীসকলেও আহোম সকলৰ দৰে অসমৰ আদিম অধিবাসী নাছিল- বুলি ইতিহাসবিদ্ সকলে মতপোষণ কৰি আহিছে। কিন্তু কোন শতাব্দীত কেতিয়া কেনেকৈ কৰপৰা আহি অসম ভূমিত বসতি আৰম্ভ কৰিছিল তাৰ সঠিক সমল পাবলৈ নাই। যিহেতু মিচিং সকলৰ নিজা লিখিত বুৰঞ্জী নাই। অৱশ্যে গাৰ গঠন, মুখৰ আকৃতি অনুযায়ী মিচিং সকলক, তিব্বত ধৰ্মীয় গোষ্ঠীৰ বংশধৰ বুলি বুৰঞ্জীবিদ সকলে মতামত দি আহিছে । আকৌ আন কিছুমান পণ্ডিতৰ মতে, মিচিং সকল অতীতত মধ্যচীনৰ বাসিন্দা আৰু মঙ্গোলীয় গোষ্ঠীৰ লোক আছিল বুলি দাবী কৰে। সম্ভৱত ১২২৭ খ্ৰীঃ ত আহোম সকলে অসমত আহোম ৰাজ্য প্ৰতিষ্ঠা কৰাৰ বহু বছৰৰ আগতে বৰ্তমানৰ অৰুণাচল প্ৰদেশৰ পাছিঘাটৰ আশে-পাশে বসতি কৰাৰ তথ্য পোৱা যায়। ইয়াৰ পাছত ছিয়াং নদী অৰ্থাৎ ভৈয়ামলৈ নামি আহি ব্ৰহ্মপুত্ৰ আৰু সোৱণশিৰি নদী কাষৰীয়া অঞ্চল সমূহৰ সূচল ঠাই আৰু সাৰুৱা ভূমিত বসবাস কৰি অহাৰ কিছু সমল-মিবুৰ আঃ বাঃং গীত আৰু জনশ্ৰুতি সমূহৰ পৰা পোৱা যায়। ইয়াৰ উপৰি অসমৰ আদিম অদিবাসী চুতীয়া, বৰাহী, কছাৰী আদি ৰাজ্যৰ লগত মিচিংসকল চেগা চুৰুকাকৈ সংঘৰ্ষ আৰু মিলামিচাৰ বিষয়ে কিছু তথ্য ইতিহাসবোৰত পোৱা যায়। পূৰ্বতে মিৰি বুলি সেই জাতিটোক জনা গৈছিল। যদিও নিজকে মিচিং বুলিহে চিনাকি দি ভাল পায় আৰু বৰ্ত্তমান মিচিং বুলিয়েই চিনাকি আছে। আগৰে পৰাই মিচিং সকল ত্ৰিভাৰী যুঁজাৰু আৰু চিকাৰী জাতি হিচাপে নিজস্ব এক স্বকীয় বৈশিষ্ট্য থকাৰ উপৰি কৃষিজীৱি জাতি হিচাপেও বিশেষ পৰিচয় আছে । আনহাতে মিচিং মহিলা সকলে পৰিশ্ৰমী আৰু বোৱা কটাত সুনিপুণ শিপিনী হিচাপে নিজস্ব স্বকীয় গৰিমা আছে।

কৃষি ব্যৱস্থা আৱিস্কাৰ হোৱাৰ আগতে চিকাৰ কৰি জীৱিকা নিৰ্বাহ কৰিছিল । আৰু চিকাৰত পোৱা খাদ্য বস্তু সমূহক লৈ আদিম মিচিং সকলে স্বতস্ফুত ভাৱে বিভিন্ন অঙ্গী- ভঙ্গীৰে আনন্দ উলাহ কৰি গীত মাত জুৰিছিল আৰু ইয়াৰ তালে তালে বিভিন্ন বস্তু হাতত লৈ তুং তুং থাং থাং কৈ মাৰি ছন্দ সংঘত কৰিছিল। আৰু তাৰ ফলতে সম্ভৱত কালক্ৰমত মিচিং বাদ্য সমূহৰ সৃষ্টি হৈছিল। আনহাতেদি কৃষি পদ্ধতি আৱিস্কাৰ হোৱাৰ লগে লগে কপাহ খেতিও কৰিবলৈ শিকিলে আৰু এৰীপলু পুহিবলৈ মিচিং মহিলা সকলে শিকিলে কপাহৰ পৰা সুতা তৈয়াৰ কৰি কাপোৰ ববলৈ শিকিছিল আৰু বিভিন্ন ধৰণৰ সাজপাৰ সমূহ তৈয়াৰ কৰি লৈছিল। কালক্ৰমত মিচিং সমাজৰ পুৰোহিত বা মিবুৰ যোগেদি বৰ্ত্তমান পৰম্পৰাগতভাৱে চলি অহা বিভিন্ন উৎসৱ পাৰণ আৰু ধৰ্মীয় মাঙ্গলিক ক্ৰিয়াসমূহত বিভিন্ন লোক বাদ্য আৰু বিভিন্ন পদ্ধতিৰে তৈয়াৰ কৰা সাজপাৰ সমূহ উক্ত কাৰ্য্যসূচী সমূহত কেনেকৈ পৰিধান আৰু ব্যৱহাৰ কৰিব লাগে ইয়াৰ শৃংখলিত বিধানো কৰিছিল। যিকি নহওঁক আমাৰ আলোচ্য বিষয় হ'ল মিচিং সমাজৰ আপুৰুগীয়া লুপ্ত প্ৰায় আৰু চলি থকা "সাজপাৰ আৰু লোকবাদ্য" সমূহক পাঠক সমাজক সংক্ষিপ্ত বৰ্ণনাৰে পৰিচয় কৰি দিবলৈ প্ৰয়াস কৰিছো।

**-: সাজপাৰ :-**

**মিবু গালুক :-** মিচিং পুৰুষ সমাজত পৰিধান কৰা আটাইতকৈ মূল্যবান চোলাখন হ'ল মিবু গালুক। যাক সাধাৰণতে পূৰ্বতে গাঁৱৰ মুখীয়াল ব্যক্তি বা গাম জন আৰু মিবু বা পুৰোহিত জনহে পৰিধান কৰাৰ উদাহৰণ আছে।এইখন গালুক পৰিধান কৰাৰ সূত্ৰে তেওঁলোকক সৰ্বসাধাৰণ লোকেচিনি পাইছিল মিবু বা গাম বুলি। অৱশ্যে গাঁৱৰ প্ৰত্যেক ঘৰতে মিবু গালুক থকাটো নিতান্ত বাঞ্চনীয় । যিহেতু ঘৰখনৰ মুৰব্বীজনে এইখন চোলা পৰিধান কৰিহে বিভিন্ন ধৰ্মীয় মাংগলিক কাৰ্য্যসূচী সমূহ সম্পাদন কৰিব লাগে। তদুপৰি লিঃ গাং বিহুৰ দিনা এইখন গালুক আৰু গনৰঃ উগন পিন্ধিয়ে গুটি বা বীজ ৰোপণ পৰ্ব সম্পাদন কৰা হয়। এই গালুক বা চোলা খন সাধাৰণতে বগা কপাহী সুতাৰে



তাঁত শালত তৈয়াৰ কৰি বেজীৰে সী হাতেৰে প্ৰস্তুত কৰে। চোলাখনৰ কান্ধত পিঠিৰ পিনে থকাৰ অংশত বিশেষ ধৰণে চানেকি তোলাথাকে । চোলাখনৰ পিছফালে আঠুৰ তল আৰু আগফালটো আঠুৰ ওপৰত থকাকৈ চিলোৱা হয়। অৱশ্যে আজি কালি ইয়াৰ ব্যতিক্ৰম দেখা গৈছে। সাধাৰণতে চোলাখনৰ হাত নেথাকে।

**মিচিং গালুক :** মিবু গালুক বা চোলা আলম লৈ আধুনিক শিপিনী সকলে বজাৰত ওলোৱা বিভিন্ন-কলা, বগা, নীলা, সেউজীয়া হালধীয়া, ৰঙা ৰঙৰ বাৰেৰহনীয়া উন্নত ধৰণৰ-সূতাৰ সমাহাৰেৰে তাঁত বয়-ধুনীয়াকৈ চানেকি বাচি মিচিং গালুক প্ৰস্তুত কৰি উলিয়াইছে। আধুনিক সময়ত ফেশ্বনৰ বাবে উপযোগী মিচিং গালুকে যতে-ততে সমাদৰ লাভ কৰাৰ উপৰিও-বজাৰ সমূহত ইয়াৰ চাহিদা বঢ়া পৰিলক্ষিত হৈছে। অৱশ্যে ইয়াৰ চানেকি সমুহ মিবু গালুক চানেকিৰ লগত কিছু পাৰ্থক্য আছে। এই মিচিং গালুকৰ হাত নথকাকৈ চিলোৱাৰ ওপৰিও হাত ছুটি দীঘলকৈয়ো প্ৰস্তুত কৰে। সাধাৰণতে এই চোলাক উৎসৱ পাৰ্বণ আদিতো ব্যৱহাৰ কৰে।

**গনৰ উগন (চুৰিয়া)** ঃ পুৰুষে পৰিধান কৰা গৰ উগন বগা কপাহী সূতাৰ তৈয়াৰ কৰা হয়।
ইয়াক মিবু গালুকৰ যুৰীয়া সাজ হিচাপে ব্যৱহাৰ কৰে। ইয়াৰ দুই মূৰত ৰঙা সূতাৰে, পাৰিৰ দৰে পাতলকৈ চানেকি বচা থাকে।

কিছুমানে ইয়াৰ দীঘৰ দুই পাৰিত চানেকি বচা থাকে। কিছুমানে ইয়াৰ দীঘৰ দুই পাৰিত ৰঙা ৰঙৰ সূতা পাতলকৈ পাৰি হিচাপে দি প্ৰস্তুত কৰে । ধৰ্ম্মীয় উৎসৱ আৰু পৰম্পৰা মাঙ্গলিক ক্ৰিয়া সমূহত গনৰ উগন সাধাৰণতে পৰিধান কৰে।

**Mosa: nam Ege (চানেকি তোলা মেখেলা)**ঃ মিচিং সমাজৰ মহিলা সাধাৰণতে পৰিশ্ৰমী আৰু কামিলা হিচাপে জনাজাত৷ তেওঁলোক পৰিশ্ৰমীয়েই নহয়-তেওঁলোক কাজি শিপিনীও। কাজি মিচিং মহিলা সকলে কলা, ৰঙা, নীলা, সেউজীয়া-হালধীয়া ৰঙৰ সূতাৰে বৰ আটক ধুনীয়াকৈ নানা, ধৰণৰ চানেকি তুলি- বুটা কৰি-নানা ৰঙৰ

মেখেলা তৈয়াৰ কৰি জীয়ৰী বোৱাৰী সকলোৱে পৰিধান কৰে। মিমাং গামিক, কংগাৰ আৰু পুনজেৰ গামিক দি-চানেকি বা বুটা তোলাটোৱেই হ'ল- Mosanam (মচানাম) Ege (এগে)
ইয়াক বৰ্ত্তমান বিভিন্ন জনগোষ্ঠীয়ে আদৰি লৈছে আৰু আধুনিক বজাৰ সমূহত কিঞ্চিৎ ঠাই দখল কৰিবলৈ সক্ষম হোৱা পৰিলক্ষিত হৈছে। মচানাম এগেক-মিচিং মহিলা সকলে সমাজৰ বিভিন্ন উৎসৱ পাৰ্বণ আদিত পৰিধান কৰাটো নীতি-নিয়মৰ আধাৰত ।

**Gérung Ege : (বাহি ব্যৱহাৰিক মেখেলা) : গীৰুংএগে** ঃ সাধাৰণতে কপাহী সূতা বা বজাৰত ওলোৱা-অন্যান্য সূতাৰ পৰা এই মেখেলা বিধ তৈয়াৰ কৰা হয় । এই মেখেলাত ফুল বা চানেকি তোলা নহয়। ইয়াক শুদ্ধ এটা ৰঙৰ পৰা তৈয়াৰ কৰি লব পাৰে বা বিভিন্ন সূতাৰ সংমিশ্ৰনেৰে মেখেলা প্ৰস্তুত কৰি সকলো বয়সৰ মিচিং মহিলাই সকলো সময়তেই ব্যৱহাৰ কৰে।

**Tongani Gasor (তঙানি গাচৰ)** ঃ এই গাচৰ বা চাদৰখন প্ৰায় এহাত বানি আৰু পাঁচহাত দীঘেৰে বগা কপাহী সূতাৰে তৈয়াৰ কৰা হয় । উক্ত চাদৰ খন মিচিং পুৰুষ সমাজে বিবাহ আৰু ধৰ্মীয় মাঙ্গলিক কাৰ্য্যত-মূৰত পাগুৰি মাৰি- পৰিধান কৰে। অৱশ্যে ইয়াক কেতিয়াবা ককাঁলত বন্ধাত দেখা যায়।

**Niseg (নিচেগ) :** প্ৰায় চাৰি হাত দীঘ আৰু ডেৰহাত বানিৰে-কপাহী বা অন্যান্য সূতাৰে প্ৰস্তুত কৰা এই কাপোৰ বা চাদৰ খন বিশেষকৈ কেচুৱাৰ ক্ষেত্ৰতহে বেছিকৈ ব্যৱহৃত হয়। এই চাদৰ খনেৰে মিচিং মহিলা বা কিশোৰী সকলে কেচুৱাক বোকোচাত বৈ ওমলা গীত গায় ।

**Ségreg (দুপি বা দুৰঃগাচৰ )** ঃ দুপি দূঃৰৰ অৰ্থ হ'ল- চাৰি বা পাঁচ হাত । অৰ্থাৎ এইখন কাপোৰ প্ৰায় চাৰি হাতৰ পৰা পাঁচহাত জোখাৰে তৈয়াৰ কৰি বিবাহিত মিচিং মহিলা সকলে ৰিহা হিচাপে ব্যৱহাৰ কৰে। কাপোৰখনক বগা সূতাৰে দীঘ আৰু বানি লগায় আৰু ইয়াৰ চাৰিও ফালে-নীলা ৰঙা বা সেউজীয়া ৰঙৰ সূতা পাৰি হিচাপে ব্যৱহাৰ কৰে ।

অৱশ্যে আজিকালি ফুল বচা মেখেলাৰ লগত ৰিহা হিচাপে পিন্ধিবলৈ মেখেলাৰ ৰঙৰ ৰং মিলাই ৰিহা কাপোৰ বয় লৈ তাত মিমাং গামিক, কংগাৰ, পুনজেৰ আদি চানেকি বা ফুল বাচি লৈ Segreg গাচৰ তৈয়াৰ কৰি পৰিধান কৰা পৰিলক্ষিত হৈছে।

**Gero Gasor (গেৰ গাচৰ) :** গেৰ গাচৰ মিচিং সমাজৰ মহিলা সকলৰ বৰ আৱশ্যকীয় কাপোৰ। মিচিং সমাজত ইয়াৰ সামাজিক মূল্য বহুত। কাৰণ সেই কাপোৰ



খন মিচিং সমাজৰ উৎসৱ পাৰ্বণ ধৰ্মীয় মাঙ্গলিক কাৰ্যত মহিলা সকলে ৰিহাৰ ওপৰত মেথনি মাৰি পৰিধান কৰে। উক্ত কাপোৰ খনক বগা কপাহী সূতাৰে দীঘে চাৰে চাৰিহাত আৰু বানি প্ৰায় আঢ়ৈহাও জোখাৰে প্ৰস্তুত কৰে। ইয়াৰ বানিৰ ঠিক মাজ অংশত প্ৰায় এক হাত বহলকৈ মিমাং গামিগৰ লগত কিঃবুং গামিগ আৰু ইয়াৰে দুই ফালে প্ৰায় আঠ দহ ইঞ্চি আঁতৰত পাতলকৈ আঁচৰ দৰে মিমাং গামিগ কৰি-খালী থকা ঠাই সমূহত ফুট ফুটীয়াকৈ পুনজেৰ গামিগ অৰ্থাৎ সুন্দৰকৈ ৰঙা সূতাৰে মাজে মাজে কলা আৰু সৰিয়হ ফুলিয়া সূতা দি গেৰ গাচৰ প্ৰস্তুত কৰি পৰিধান কৰা ব্যতিক্ৰম দেখিবলৈ পোৱা গৈছে।

**Tapum Gasor (এৰী চাদৰ) :** তাপুম গাচৰ বা এৰী চাদৰ খন মিচিং সমাজৰ বৰ আদৰৰ। এই চাদৰ খন এৰী পলু পুহি তাৰপৰা তাকুৰীৰে হাতে সুতা কাটি উলিয়াই তাঁতশালত বৈ তৈয়াৰ কৰে। ইয়াৰ দীঘ প্ৰায় চাৰে ছয়ৰ পৰা চাৰে সাত হাত আৰু বানি তিনিহাত কৰি প্ৰস্তুত কৰে। প্ৰত্যেক মিচিং মানুহৰ তাপুম গাচৰ থকাটো এক সামাজিক নিয়ম। মিচিং সমাজত কথিত আছে যে- প্ৰত্যেকজন ঘৰৰ জোঁৱায়েকক এখনকৈ এৰী চাদৰ দিয়াৰ নিয়ম আছিল। বৰ্ত্তমান ইয়াৰো ব্যতিক্ৰম দেখা গৈছে।

**Tapum Galuk, élang Ege: (এৰী চোলা আৰু মেখেলা)** ঃ এৰী সূতাৰ পৰাই কাপোৰ তৈয়াৰ কৰি মিচিং পুৰুষ সমাজত এৰী চোলা বা গালুক প্ৰস্তুত কৰি পৰিধান কৰে আৰু মহিলা সকলেও নিজৰ কাৰণে মেখেলা তৈয়াৰ কৰি ব্যৱহাৰ কৰে। বিশেষকৈ উৎসৱ পাৰ্বন আৰু ধৰ্মীয় ক্ৰিয়া সমূহত এৰী চাদৰ, গালুগ, মেখেলা সমূহক পৰিধান কৰাৰ নিয়ম আছে।

**Dumér (গামোচা)** ঃ দুমীৰ বা গামোচা মিচিং সমাজৰে নহয়- অসমীয়া সমাজৰো আদৰৰ কাপোৰ। প্ৰায় তিনি হাত দীঘ আৰু দুইহাত বানিৰে দুমীৰ খনক বগা সুতাৰে দীঘ-বানি দি তৈয়াৰ কৰে। দীঘৰ দুই কাষত ৰঙা

সুতাৰে পাৰি দি বানিৰে এটা মূৰত মিমাংগামিগ, কংগাৰ নতুবা পাকচাং গামিগ অৰ্থাৎ চানেকিৰ সমাহাৰেৰে সুন্দৰকৈ বৈ লৈ ব্যৱহাৰ কৰে ।

**Kebrég (<u>মেথনি মৰা কাপোৰ</u>) ঃ** এই কাপোৰ খন সাধাৰনতে আদহীয়া মিচিং মহিলা সকলে বুকুত মেথনি মাৰি পৰিধান কৰে। এই কাপোৰ খনৰ দৈৰ্ঘ্য প্ৰায় চাৰে তিনি হাত মান জোখাৰে প্ৰস্তুত কৰি লয়। বিভিন্ন ৰঙৰ সূতাৰে সৰু সৰু চেকৰ নমুনাৰে কাপোৰখন বৈ লয় ।

**Ri: bi : Gaséng : (<u>ৰিঃ বিঃ গাচেং</u>) :** ৰি : বিঃ গাচেং চাদৰখন আলিয়াই লিগাং, পঃৰাগ উৎসৱ আমৰাগ পঃৰূগ আদি উৎসৱত মিচিং গাভৰুসকলে মচানাম গামিগ তীনাম-ক'লা মেখেলা ওপৰত ৰিহা হিচাপে ব্যৱহাৰ কৰে। প্ৰায় চাৰে পাঁচ হাত দৈৰ্ঘ্যৰ এই চাদৰখনক বগা কপাহী সুতাৰে দীঘ দি ৰঙা সুতা বানিৰে তৈয়াৰ কৰে। বানিৰ মাজে মাজে কলা সুতা আৰু বগা সুতাৰে পতি দি লয় । পাতিৰ দুই কাষত কম বেছি পৰিমানে গামিগ দিয়া হয়। অৱশ্যে এইখন গাচৰ বা চাদৰৰ ক্ষেত্ৰতো আধুনিকতাৰ পৰশ পৰা পৰিলক্ষিত হৈছে।

**Pe:rerumbung (<u>পেৰেঃৰুম্বুং</u>) ঃ** ৰিং বিং গাচেঙৰ ঠিক সম দীঘ বানিৰে নানা ধৰণৰ- ৰঙা, বগা, হালধীয়া, নীলা, সেউজীয়া আৰু কমলা ৰঙৰ সুতাৰ সংমিশ্ৰণেৰে পেৰেৰুম্বুং চাদৰ খন মিচিং গাভৰু সকলে প্ৰস্তুত কৰি উৎসৱ পাৰ্বণ আদিত ব্যৱহাৰ কৰে অৱশ্যে ইয়াৰ দীঘত বগা সুতা পৰিৱতে ৰঙা সুতা ব্যৱহাৰ কৰে। এই খনক মিমং গামিগ, গবীগে গামিগ আদি চানেকি অলংকৃত কৰা হয়। এই কাপোৰ খনক বিভিন্ন ৰঙৰ সুতাৰ সমাহাৰেৰে প্ৰস্তুত কৰাৰ বাবে ই ৰিঃ বি গাচেঙত কৈ জাকজমকীয়া।

**Gadu Gasor (<u>মিৰিজিম কাপোৰ</u>)** : মিচিং সমাজত, হাতে কটা কাপোৰৰ ভিতৰত গাদু বা মিৰি জিম কাপোৰ খনেই হ'ল আটাইতকৈ মূল্যবান আৰু দুস্পাপ্য। মিৰিজিম কাপোৰ তৈয়াৰ কৰাটো কষ্ট সাধ্য কাম। পূৰ্ঠ কপাহৰ শাহসমূহ বুটলি আনি Ko:red বা নেওঠনিত কপাহ গুটিবোৰ প্ৰথমতে আঁতৰাই লয়। ইয়াৰ পাছত পাগি (Pagi) ৰে ধুনি লয়। আৰু ঠাকুৰি (Po:pi) ৰে-ধুনা কপাহবোৰ মোটাকৈ কাটি লয়। ইয়াত মহুৰা ব্যৱহাৰ নকৰে । পঃপি বা ঠাকুৰিৰ পৰা সুতাবোৰ উলিয়াই ৰবাব টেঙাতকৈ অলপ ডাঙৰ আকাৰৰ বলৰ দৰে গোলকৈ সুতাবোৰ ৰাখি যায়। ইয়াৰ পাছত তাৰ পৰাই গাদু বা মিৰিজিম কাপোৰৰ দীঘ খিনি বৈ লয়। ইয়াৰ পাছত উক্ত সুতাৰে দুই ইঞ্চি দীঘল জোখকৈ কাটি লোৱা হয়। দুলুমৰ পৰা দীঘল সুতা বানি ববৰ বাবে বানিতকৈ দুইতিনি ইঞ্চি দীঘল গোটা মাৰি এডালতে দীঘ হৈ পৰাকৈ অকোৱা পকোৱাকৈ মেৰিয়াই লোৱা হয়। বাজ আমি গোৱং বুলি কওঁ ইয়াক মাকু হিচাপে ব্যৱহাৰ কৰে।



মিৰিজিম কাপোৰ ববলৈ ৰাচ ব্যৱহাৰ নকৰে। কাৰণ ইমান ডাঙৰ সুতাৰ ৰাচ পাবলৈ নাই। ৰাচৰ পৰিৱৰ্তে এচতা ভাল টান কাঠ পাঁচ আঙুল জোখত বহলকৈ কাটি পাতল মিহি কৈ চাঁছি লয়। ইয়াৰ পাছত বানি প্ৰায় ডেৰ ইঞ্চি মান বৈ লোৱাৰ পাছত চুটিকৈ কটা সুতা সমূহ দীৰ্ঘ সুতাত দুইমুৰ ওপৰলৈ মুখ কৰাকৈ অৰ্থাৎ কাপোৰ খনৰ ওপৰ ফাল নোম হৈ পৰাকৈ দি লয় আৰু বানি সুতা দি কাঠ চটা বা চুমপদ (Sump)ৰে ডাঠ কৰা হয়। ইয়াৰ দীঘ প্ৰায় সাত হাত কৰাৰ পৰিৱৰ্তে বানি পৰিয়ালৰ সদস্য অনুযায়ী পাঁচৰ পৰা আঠ হাত পৰ্য্যন্ত বহল কৰা হয়। উল্লেখ্য যে গুজি দিয়া নোম সদৃশ চুটি সুতা সমূহ বেচিকৈ ডাঠ কৰিবৰ বাবে বেংলং (Be:long) অৰ্থাৎ হাতীৰ হাড়ৰ পৰা প্ৰস্তুত কৰা প্ৰায় আঠ ইঞ্চি জোখৰ আগ অংশ অলপ জোঙাকৈ সজোৱা সঁজুলি ব্যৱহাৰ কৰে। এই কাপোৰখন ঠাণ্ডা দিনত লোৱা হয়। গাঁৱৰ প্ৰত্যেক ঘৰতে এখনৰ পৰা দুই তিনিখন গাদু গাঁচৰ বা মিৰিজিম কাপোৰ থাকে যদিও বৰ্ত্তমান ইয়াৰ ব্যতিক্ৰম দেখা গৈছে।

## <u>লোক-বাদ্য</u>

**Tu:sang Tapung/Jegréng tapung (<u>পেঁপা</u>) ঃ** জনপ্ৰিয় এই বাদ্যবিধ-গোনা মহৰ, শিঙৰ আগ অংশ বা পাঠা ছাগলীৰ শিঙৰ পৰা তৈয়াৰ কৰা হয়। ইয়াৰ উপৰি এডাল আঙুলি জোখৰ গড়ৰ সুৰুঙা থকা আগবাহ প্ৰায় ৬ ইঞ্চিকৈ কাটি তাত ছটাকৈ সৰু ফুটা কৰি আৰু তাৰ এটা মুৰত সুমুৱাব পৰা এডোখৰ সৰু নলৰ গোটা টুকুৰা এটা মুৰত গাঠি থকাকৈ কাটি এইবিধ বাদ্যক সজোৱা হয় । যাক চুপহি পেঁপা বুলি কোৱা হয়। ফুটা কৰা বাহ আৰু চুপি পেঁপাক শিঙৰ পৰা সজা পেঁপাৰ লগত সংযোগ ঘটাই চুপহি পেঁপাক মুখৰ ভিতৰত সুমুৱাই লৈ ফু-মাৰি বাহৰ ফুটাত ছটা আঙুলিৰে বাই বিভিন্ন সুৰ টানি এই বাদ্য বজোৱা হয় । বাদ্য বিধক দলীয় বিহু, ৰাকতুপ চঃমান

জেং বিহু আৰু বেদনা ভৰা অন্তৰক পাতলাবৰ বাবে আৰু নিজান পথাৰ আদিত অকলশৰে থকা লোক সকলে ব্যৱহাৰ কৰে।

**Derki Tapung (মুৰুলী) :** এইবাদ্যবিধক এবিধ সৰু পাহাৰীয়া নল জাতীয় বাহৰ পৰা তৈয়াৰ কৰা হয়। এই বাহ বিধক আদি মিচিং সকলে দেকি (Derkia) বাহ বুলি কোৱা হয়। দেকি বাহৰ পৰা তৈয়াৰ কৰাৰ কাৰণে হয়তো এই বাদ্যবিধৰ নাম দেকি তাপুং ৰাখিলে । প্ৰায় দহবাৰ ইঞ্চি দীঘৰ এই বাদ্যবিধৰ এটা মূৰত সামান্য চাপখোৱাকৈ কাটি তাত অলপ ফুটা ৰাখি কাঠ বা অন্য বস্তুৰে বন্ধ কৰা হয়। ইয়াৰ ওপৰ ফালত ছটাকৈ ইয়াৰ চাপ খোৱা অংশৰ মুখত দি তললৈ হাউলি ফু-মাৰি বজোৱা হয় বাৰে ইয়াক তুঃ তক তাপুং বুলিও কোৱা হয় ।

**Ketpong tapung (বাঁহী) :** এই জনপ্ৰিয় বাদ্যবিধক পাব দীঘল জাঠি বাহৰ আগৰ পৰা সজোৱা হয়। দেকি আপুংতকৈ প্ৰায় তিনি ইঞ্চি মান দীঘল আৰু মোটা। ইয়াৰ আধা অংশত সমসংখ্যক ফুটা থাকে। আৰু আনটো মূৰত এটা সামান্য ডাঙৰ ফুটা কৰা হয় ইয়াৰ কাষতে পিছলৈ বতাহ ওলাই যাব নোৱাৰকৈ কাপোৰেৰে সম্পূৰ্ণ বন্ধ কৰা থাকে। পথালিকৈ মুখেৰে ফু-মাৰি আঙুলি বাই-বজোৱা জনপ্ৰিয় বাদ্যবিধক কাবান, ঐনিতম, আনুনিঃতম, দঃ ব কাবান আদিত সুৰৰ লগত সংগতি ৰাখি তাল মিলাই বজোৱা হয়।

**Éjug Tapung (এলাড বা তিতালাউৰে সজোৱা বাদ্য) ঃ** এই বাদ্য, তিতা লাও বা লাওৰে তৈয়াৰ কৰা হয়। লাওটো সম্পূৰ্ণ শুকুৱাই লোৱা পাছত লতা থকা মূৰত এক ইঞ্চি, কাটি পেলোৱা হয়। ইয়াৰ পাছত ভিতৰত থকা শাঁহসমূহ সম্পূৰ্ণ আঁতৰাই পেলোৱা হয়। ইয়াৰ বহল হৈ যোৱা ঠিক গুৰিতে অংশত দুটা ফুটা কৰি ফুটাতে প্ৰায় পাঁচ ছয় ইঞ্চি- দীঘল নলীচা বা পুঃ ৰে (Pure) সংযোগ কৰা হয় । জনামতে পূৰ্বতে তিনিডাল নলীচা ব্যৱহাৰ হৈছিল। কিন্তু বজোৱাত প্ৰতিকূলতাৰ বাবে পিছত দুডাল নলীচা ব্যৱহাৰ কৰা দেখা যায়। ইয়াকো মুখেৰে ফু-মাৰি সুৰ সংযত কৰে। ইয়াক তুম্ব কাবান, য়ামনী কাবান, আনুনিঃতম, ঐনিঃতম, আদিত ব্যৱহাৰ কৰা দেখা যায়। সাম্প্ৰতি হেৰাই যাব ধৰা এই জনপ্ৰিয় বাদ্যক মিচিং সাংস্কৃতিৰ প্ৰতীক চিহ্ন হিচাপে ব্যৱহাৰ কৰিছে।

**Pi:li: (চুপহি পেঁপা) ঃ** পিঃলিঃ বা চুপহি পেঁপা দুবিধ । এটা নল খাগৰিৰ পৰা সজোৱা হয়, আনটো বাওঁধানৰ শকত কেচা নৰাৰ পৰা সজা হয়। আগতে উল্লেখ কৰি আহিছো যে নল খাগৰি চুপহি পেঁপাক ম'হৰশিঙৰ পেঁপাত স্থাপন কৰি বজোৱা হয়। আনহাতে বাঁওধানৰ শকত কেচা নৰা এডাল এটা মূৰত গাঠি থৈ প্ৰায় দুই ইঞ্চি দৈঘ্যকৈ কাটি- গাঠিৰ ওচৰত মোহাৰি ভাঙি লয়। এই বাদ্য পথাৰত ভূঁই গোটোৱা সময়ত সৰু ল'ৰা ছোৱালীয়ে ব্যৱহাৰ কৰে। ইয়াৰ ওপৰি সৰু কেঁচুৱাক ধাইজনীয়ে নিছু কাবৰ বাবেও এই নৰাৰ চুপহি পেঁপা ব্যৱহাৰ কৰে ।



**Gungang (গগনা) :** গগনাক জাতি বাহৰ পাতল আগ অংশৰ পৰা তৈয়াৰ কৰা হয়। এচটা শুকান জাতি বাহৰ আগৰ প্ৰায় ছয় ইঞ্চি মান দীঘল আৰু আঙুলিৰ সমান ব্যাসৰ কাটি এই বাদ্য তৈয়াৰ কৰা হয়। ইয়াক মুখত ভৰাই-উশাহেৰে সুৰ টানি তৰ্জনী আঙুলি বুলাই বজোৱা হয়। এই বাদ্য বিশেষকৈ বিহু আৰু ডেকা গাভৰুৰ অন্তৰৰ প্ৰকাশ কৰিব নোৱাৰা বেদনাৰ কথা প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰে। আগৰে ডেকা-গাভৰুৰ ভাল পোৱাৰ কাহিনী গগনাৰ যোগেদি প্ৰকাশ কৰাৰ বহু কথিত কাহিনী আছে।

**Dendun/ Piséng Dumdum :** এই বাদ্যবিধক আটাইতকৈ পুৰণি বাদ্য হিচাপে ঠাৱৰ কৰা হৈছে। ইয়াৰ জন্মৰ বিষয়ে সঠিক সময় কোনেও ক'ব নোৱাৰে। কিন্তু ইয়াৰ জন্ম মুখে মুখে বাগৰি অহা মতে মিচিং সমাজৰ দৈৱিক গুণৰ অধিকাৰী মিবুৰ জন্মৰ সমসাময়িক বুলি ক'ব খোজে। এই বাদ্যবিধক শকত তথা পূৰঠ গছৰ ঠাৰিৰ পৰা সজোৱা হয়। ইয়াৰ নিৰ্মাণ বা তৈয়াৰ পদ্ধতিও Dentulung ৰ দৰে একেই কিন্তু ইয়াৰ মাজ অংশৰ চাল ছাঁচি আঁতৰোৱা নহয় আৰু ফুটা কৰা নহয়। ম'হ বা গৰু ৰখীয়া গোৱাল বা অকলশৰে পথাৰত ভূঁই ৰখা লোক সকলে কাবান, অইনিঃতম আদি গীতত তাল মিলাই ব্যৱহাৰ কৰে।

**Dentulug (বাহৰ বাদ্যযন্ত্ৰ) :** Dentulug বাদ্যৰ নিৰ্মান পদ্ধতি Dendun ৰ দৰে সাদৃশ্য আছে যদিও কিছু পাৰ্থক্য পৰিলক্ষিত। ইয়াক অলপ কুমলীয়া বাঁহৰ পৰা তৈয়াৰ কৰা হয়। বাহডাল দুইমূৰে গাঁঠি থকাকৈ কাটি ইয়াৰ মাজ অংশৰ ওপৰ ভাগত প্ৰায় এক ইঞ্চি মান ছাল আতৰোৱা হয়। ইয়াৰ দুইকাষে এডালকৈ ছালৰ পৰা ঢোলৰ বৰটি দৰে জৰী উলিয়াই লয়। দুইমূৰে অলপ ওখ হোৱাকৈ জৰীৰ তলত সৰু মাৰি দিয়া হয়। ইয়াৰ মাজ অংশত তিনিকোণীয়া বা চাৰিকোণীয়াকৈ প্ৰায় এক ইঞ্চি পৰিমানৰ ফুটা কৰি লোৱা হয়। ইয়াক বজাব পৰাকৈ সৰু খৰিকাৰ

দৰে মাৰি সাজি বৰটি বা জৰী দুডালত সংগত কৰে। ইয়াৰ পৰা দেনতুলুক দেনতুলুক ঢোলৰ দৰে শব্দ সৃষ্টি হয়। ইয়াক যিকোনো গীতৰ লগত তাল মিলাই বজাব পাৰি ।

**Yoksa (য়কচা)** : য়কচাক সাধাৰনতে মিচিং সমাজৰ পুৰোহিত বা মিবুৰ দৈৰিক তৰোৱাল বুলি জনা যায়। ইয়াক পকা লোহাৰেৰে নিৰ্মিত। ইয়াৰ দৈঘ্য প্ৰায় তিনিৰ পৰা চাৰিফুট লৈ থাকে । য়কচাৰ নালৰ গুৰিত এচটা লোহাৰ পাত দিয়া থাকে। য়কচাডাল নিৰাপদে আবুৰ থবৰ ব্ৰাবেমজবুত ফাক থাকে। এই য়কচা বা তৰোৱাল পাতত ফাঁকৰ পৰা মিবুৰ অবিহনে সৰ্বসাধাৰণ মানুহে টানি বাহিৰ উলিয়াই নোৱাৰে। এইয়া ইয়াৰ দৈৰিক গুণৰ বৈশিষ্ট্য বুলি ঠাৱৰ কৰিব পাৰি। তদুপৰি মিবুৱে যেতিয়া দন্দাই কৰ্মৰ বাবে ডেকা-গাভৰুক লগত লৈ আঃ বাঃ গীত গায়, বিশেষ ছন্দায়িত ভংগীমাত নাচে আৰু সেই নাচ আৰু আঃ বাং গীতৰ তালে তালে য়কচা বা তাৰোৱাল পাত চিৰিং-চিৰিংকৈ জনজননি তুলি বাদ্যহিচাপে ছন্দায়িত কৰে। কথিত আছে যে মিবুৰ এই দৈৰিক তৰোৱালৰ যোগেদিহে অতীত, কমান আৰু ভৱিষ্যতৰ সম্বন্ধ ৰক্ষা কৰিব পাৰি।

**Lénong :** কাঁহেৰে নিৰ্মিত এই বাদ্যবিধ- সাধাৰনতে বিপদ আৰু বিজয়ৰ সংকেত হিচাপে ব্যৱহাৰ হয়। গাৱত কিবা অপায় অমংগল হলে বা কাৰোৱাৰ ঘৰত কিবা বিপদে দেখা দিলে বা গাৱৰ মুৰব্বী নতুবা বয়সীয়াল লোকৰ মৃত্যু হলে-গাঁৱৰ ৰাইজক সংবাদ দিয়াৰ হেতু এই বাদ্যবিধ বজোৱা হয়। সংকেত ধ্বনি শুনাৰ লগে লগে গাঁৱৰ ৰাইজে কাম বন সামৰি বিপদ হোৱা ঠাই বা মূৰুং উকুমত সমবেত হয়হি। ইয়াৰ ওপৰি মিচিং লোকগীত, দলীয় লোকগীত, দলীয় লোক নৃত্য আদিত তালৰ লগত সংগতি ৰাখি এই বাদ্যবিধ বজোৱা হয়।

**Marbang: (মাৰবাং) :** সাধাৰণতে বাৰবাং হ'ল-কাঁহেৰে নিৰ্মিত তাল আকৃতিৰ এবিধ পুৰণি বাদ্য। ইয়াক মিচিং সমাজত আপুৰুগীয়া সম্প্ৰতি হিচাপে গণ্য কৰা হয় । মাৰবাংক দুটা আকৃতিত পোৱা যায়। এটাৰ বেৰ থাকে আনবিধৰ বেৰ নাথাকে-ই তালৰ দৰে। Le:nong আৰু Marbang এই দুয়োবিধ বাদ্যকে প্ৰায় এক ফুট দীঘল কাঠ বা বাহৰ এটা মূৰত গোটা হৈ পৰাকৈ কাটি নতুবা কাপোৰ মজবুতকৈ বান্ধি লোৱা মাৰিৰে বজোৱা হয় । অংশ Lénong বজোৱা মাৰি ডালৰ দৰে এৰে।

মাৰবাংক মিদাং, (বিবাহ) পঃৰাগ উৎসৱ, আৰু আলিয়াই লিঃগাং উৎসৱত বজোৱা হয়।

**Dumdum (ঢোল) :** অৰ্থাৎ ঢোল মিচিং সমাজৰ লোক কৃষ্টিৰ প্ৰধান জনপ্ৰিয় বাদ্য। এই বাদ্য বিধক কঠাল কাঠ বা অন্য ভাল কাঠৰ পৰা সজা হয়। প্ৰায় ডেৰ ফুট দীঘৰ আৰু ৩০/৪০ ইঞ্চি গোলকৈ কাঠডাল কাটি লোৱা হয়। ইয়াৰ ভিতৰ অংশক সম্পূৰ্ণ খোলা কৰি লোৱাৰ পাছত



জন্তুৰ ছালেৰে তৈয়াৰ জৰী বা বৰটি দি আৰু দুইমূৰে জন্তুৰ ছাল দি চেউৰা হয়। ৮/১০ দীঘল বাহৰ সৰু মাৰিৰে এই বাদ্যবিধক বজোৱা হয় । গোমৰাগ নৃত্য, পঃৰাগ উৎসৱ, জ্ঞাতি ওৰম আৰু অন্যান্য লোক নৃত্য সমূহত এই বাদ্যক ব্যৱহাৰ কৰে।

**Lupi (তাল) :** ঢোল যেনেকৈ মিচিং সমাজৰ জনপ্ৰিয় বাদ্য ঠিক তেনেদৰে তালো এবিধ অপৰিহাৰ্য্য বাদ্য । ঢোলৰ লগত তাল সংগত নকৰিলে ই ছন্দায়িত নহয় । বৰঞ্চ নিৰস হৈ পৰে। কাঁহেৰে নিৰ্মিত এই বাদ্য বিধক ঢোলৰ ওপৰি খোল আৰু অন্যান্য বাদ্যৰ লগত সংঘত কৰাৰ উপৰি বিভিন্ন গীততো তাল সংগত কৰা হয়। অৱশ্যে ইয়াৰ সৰু বৰ বিভিন্ন প্ৰকাৰৰ তাল পোৱা যায়।

**Bu:bu (বাঘধেনু)** : এইবাদ্যবিধ বাহৰ পৰা তৈয়াৰ কৰা হয়। এইবাদ্যক যতে ততে বজাব নাপায় বুলি কয়। কাৰণ ইয়াক বজালে হেনো আকস্মিক প্ৰাকৃতিক দুৰ্য্যোগ বতাহ, বৰষুণ, বিজুলি, ঢেৰেকনি হঠাতে আহে বুলি লোক বিশ্বাস আছে। ইয়াক কিন্ত প্ৰাকৃতিক দুৰ্য্যোগ বতাহ বৰষুণ নাহি খৰাং হলে বতাহ, বৰষুণ আনিবৰ বাবে এই বাঘধেনু বা বু-বুক ৰচী লগাই-মূৰৰ ওপৰেদি ঘূৰাই বজায় । ইয়াৰ বু বু শব্দৰ ধ্বনিৰে মেঘ সৃষ্টি কৰি বতাহ-বৰষুণ আনিব পাৰে বুলি জন বিশ্বাস আছে।

বৰ্তমান বিশ্বত সকলো সমাজতে পশ্চিমীয় সংস্কৃতিয়ে গ্ৰাস কৰি পেলাইছে। পশ্চিমীয়া সংস্কৃতিৰ অন্ধ অনুকৰণে বিভিন্ন জনগোষ্ঠীৰ লোক সংস্কৃতিৰো বিৰূপ প্ৰভাৱ পৰিছে। ই মিচিং জনগোষ্ঠীৰ ক্ষেত্ৰতো ব্যতিক্ৰম নহয়। ই জাতিটোৰ সংস্কৃতিৰ এক বিয়োগাত্মক দিশ আৰু জাতিটোৰ বাবে ভৱিষ্যৎ অশুভ ইংগিত। আধুনিক পশ্চিমীয়া সংস্কৃতিৰ মুক্ত প্ৰভাৱে জনগোষ্ঠীটোৰ মাঙ্গলিক কাৰ্য্য সমূহত ব্যৱহৃত পৰম্পৰাগত সাজপাৰ আৰু প্ৰায় ভাগ লোক

বাদ্যই অব্যৱহৃত হৈ পাহৰণিৰ গৰ্ভত বিলীন হব ধৰিছে। ই এক মিচিং জনগোষ্ঠীৰ বাবে ভৱিষ্যৎ অশুভ ইংগিতে বহন কৰা নাই, ই-গভীৰ উদ্বেগৰ বিষয়। আমাৰ নতুন প্ৰজন্মই-সেইবোৰ পৰম্পৰা লোকবাদ্য আৰু সাজপাৰৰ কথা কলে হয়তো সাধুকথাৰ দৰে চিন্তা কৰিব ই লগাও ধ্ৰুব সত্য। সেয়েহে উক্ত সাজপাৰ আৰু লোক বাদ্য সমূহ পুনৰ সজীৱ কৰি সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ আমি প্ৰত্যেকে আগবাঢ়ি আহি লাগিব। তেতিয়াহে সদূৰ ভৱিষ্যতে জনগোষ্ঠীটোৰ সংস্কৃতি বৰপেৰাখন টনকিয়াল হব।

## *"কনেঙৰ চিন্তা"*

> **জয়ন্তী বালা বৰা (সংশিঃ)**
আদৰ্শ টাইবেল উঃ মাঃ বিদ্যালয়।

সামাজিক দায়িত্বৰ সচেতনতা।
এই অঞ্চলৰ দায়িত্বৰ আৱশ্যকতা।।
কথা বতৰাত মিঠামুখীয়া হোৱা।
আনৰ বস্তুৰ প্ৰতি লোভ নোহোৱা ।।
সময়ৰ কাম সময়মতে কৰা।
নিজৰ আৰু আনৰ সম্পত্তি হানি নকৰা।।
ওচৰ-চুবুৰীয়াৰ সৈতে মিলি জুলি থকা।
স্থান কাল পাত্ৰ ভেদে নিজক প্ৰস্তুত কৰি ৰখা।।
বাটে ঘাটে পৰচৰ্চ্চা, নিন্দা নকৰা।
চাফ-চিকুন কৈ থাকি নিজৰ কাম নিজে করা।।
সমাজৰ প্ৰতি দায়বদ্ধতা।
এইয়ে হৈছে মিচিং কনেঙৰ চিন্তা।।



## MOMAN NI: TOM

> **Kesob pait**
**Gugamukh**

পৃথিৱীত প্ৰচলিত ভাষাসমুহৰ স্বকীয়তা প্ৰকাশ পায় সেই ভাষাসমুহত প্ৰচলিত লোককথা লোকগীত, নাইবা ফকৰা যোঁজনা, জতুৱাঠাচ, প্ৰবচন, সাঁথৰ আদিৰ জৰিয়তে । ইয়াৰোপৰি সৰু সৰু লৰা ছোৱালীৰ উদ্দেশ্য গোৱা ছন্দবদ্ধ পদসমুহ বা চলক এনে পদসমুহৰ চুটি চুটি খণ্ড ৰূপসমুহেও সেই ভাষাটোক অধিক সমৃদ্ধিশালী কৰি তুলিব পাৰে। মিচিং ভাষাতো তেনে বহু উপাদান আছে যিসমুহে উপযুক্ত চৰ্চা কৰিলে মিচিং ভাষাটোক অধিক সমৃদ্ধিশালী কৰি তুলিব বুলি আশা কৰিব পাৰি । আমাৰ ইয়াত মুল আলোচ্য বিষয় হৈছে মিচিং MOMAN NI:TOM MOMAN সমুহক বহুক্ষেত্ৰত NI:TOM ৰ দৰেই গোৱা হয় যদিও সকলো বিলাক MOMAN এই নিঃতম নহয়। আচলতে MOMAN ক নিঃতম ৰূপ দিলেও ইয়াৰ বৈশিষ্ট্য সমানেই হ'ব। MOMAN সমুহ কেতিয়া সৃষ্টি হ'ল বুলি কলে ইয়াৰ কোনো উত্তৰ পোৱা নাযায়। MOMAN অৰ সৃষ্টি হৈছে। কিন্তু বৰ্তমান MOMAN ৰ আধুনিক সৃষ্টিও নোহোৱা নহয় । আদিতে যিবোৰ MOMAN সৃষ্টি হৈছিল সেইবোৰৰশব্দ প্ৰয়োগ আজিও প্ৰজন্মৰ বাবে দুৰ্বোধ্য। কাৰণ প্ৰায়বিলাক শব্দই সমাজজীৱনত অব্যৱহৃত হৈ পৰিছে। উদাহৰণ স্বৰূপে।

Apin Koliya pingkolo pi:ma:lo
Rindang dang bilongoniya.
Diyingé Kankané Disangé Kangkané
Rindang dang bilongoniya.

Dumrék abbodumsungko
Dumoni Kangki Kangada
Du:re dungkod Kamtiya.
Péríkpé yabboteika
Pésinpé yabboteika
Rindang dang bilongoniya.

মিচিং ভাষাত প্ৰচলিত MOMAN সমুহক লৈ আজিলৈকে বিশেষ চৰ্চা হোৱা নাই। এয়েই ইয়াৰ বৈশিষ্ট্য বা উদ্দেশ্যক লৈ বহল আলোচনা কৰাৰ থল আছে। প্ৰাচীন কালৰে পৰাই MOMAN সমুহ প্ৰচলিত হৈ আহিছে আৰু আজিও চলিয়েই আছে। গতিকে এনে ন-পুৰণি সমাহাৰৰ প্ৰতি লক্ষ্য ৰাখি প্ৰাচীন আৰু আধুনিক এই দুটা সাধাৰণ ভাগ কৰিব পাৰি। ইয়াৰোপৰি ইয়াৰ বৈশিষ্ট্য আৰু উদ্দেশ্যক লক্ষ্য কৰি তিনিটা ভাগত ভগাই লোৱাটো সমীচিন হ'ব। যেনে- সাধাৰণ বা ধেমেলিয়া, উপদেশ বা নীতি বচন মুলক, বৰ্ননা ত্মক বা প্ৰকৃতি কেন্দ্ৰিক।

লক্ষ্য কৰা যায় যে সাধাৰণ বা ধেমেলিয়া MOMAN সমুহত বিশেষ উদ্দেশ্য নাথাকে। কেৱল ল'ৰাছোৱালীক গাই শুনাবৰ বাবে বা আজৰি সময়ত, কামত ব্যস্ত থকা মাক বাপেকৰ কাষৰ পৰা তেওঁলোকক আঁতৰাই ৰাখিবৰ উদ্দেশ্যে ককাক আইতাক নাইবা জ্যেষ্ঠসকলে উদ্দেশ্যহীন ছন্দবদ্ধ MOMAN সমুহ গাই শুনায়। এনে
MOMAN হ'ল যেনেঃ

Pémilikiya pémilikiya
Sa:dunéi Sa:ma:néi
Kiringkorong.

Ríbí pakin parínoi
Tang Kané tatigoi

Po:lo lédankiya
Takaré lédankiya
Do:mírtém Ka:yoka
Tumbo minna.

এনে MOMAN সমুহত বিশেষ উদ্দেশ্য নাথাকিলেও ইয়াৰ যেন এক ঐতিহ্য আছে। ইয়াৰোপৰি বৰ্তমান জনজীৱনত অব্যৱহৃত প্ৰাচীন শব্দ সমাহাৰেৰে MOMAN সমুহ গোৱা হৈছিল। এনে MOMAN সমুহত ব্যৱহৃত শব্দসমুহ আঃবাং বা কাবান সমুহত ব্যৱহৃত দুৰ্বোধ্য



হৈ পৰা শব্দ সমুহৰ দৰেই। যেনেঃ-

(a) Donggol pédongol do:bo:né
Ngookké nanaubí
Tapiyé pi:borbí
Reliyaubí
Reliyaubí
(b) Po:laka den den
Takaraka den den
Nesupké néyuba
Ki-Kiri-Ki
(c) Ékiléki bai
Longmai songmai gakso:lo
Ki:sor Ki:yor podumai dompai
Itoli itoka.

এনে MOMAN সমুহত বিশেষ উদ্দেশ্যতকৈ সাধাৰণভাৱে আমোদৰ বাবে গোৱা হয়। উপৰুক্ত MOMAN সমুহ অতীজৰ পৰাই আমাৰ সমাজত চলি আহিছে। এনে বহু উদাহৰণ আছে যিবোৰ আজিৰ প্ৰজন্মই একেবাৰে পৰিত্যাগ কৰিছে আৰু আমাৰ ভাষাত নিহিত হৈ থকা উপমা আৰু ঐতিহ্যক হেৰুৱাই পেলাইছে।

MOMAN NI:TOM অৰ জৰিয়তে দৈনন্দিন জীৱনত এজন সু-নাগৰিক হবৰ বাবে বা সামাজিক দায়বদ্ধতাৰ বিষয়েও লৰা ছোৱালীক সজাগ কৰি দিবলৈ চেষ্টা কৰা হয়। যেনে –

Narén asi tilangka
Aro agom lulangka

Ésang anpol du:langka.
Ísing iling lela:jé
Péyyi péttang so:man:yé
Anné néngan ngannen-yé
Ísing ugyum ansí:yé

সাধাৰণতে এনে MOMAN সমুহ গাৱৰ বাবে জ্যেষ্ঠসকলেই শিশু বা কনিষ্ঠ সকলক গাই শুনায়। ইয়াত বিশেষতঃ বয়ঃসন্ধিৰ কাৰণ এটা জৰিত হৈ আছে যেন লাগে। সাধাৰণতে MOMAN সমুহ মধ্যবয়স্ক লোকসকলে প্ৰায়ে গোৱা দেখা নাযায়। যিসকল বেছিকৈ শিশুসকলৰ লগত জড়িত হৈ থাকে যেনেঃ ল'ৰাছোৱালীৰ ৰখীয়া, ককাক, আইতাকসকলেহে লৰাছোৱালীসকলক আমোদ দিবৰ বাবে গোৱা হয়। বয়স্কসকলে গোৱা MOMAN সমুহকে শিশুসকলে গাই আমোদ পায় আৰু গাই গাই খেলে। কেতিয়াবা এনেকুৱাও হয় যে, বয়স্কসকলক অনুকৰণ কৰি শিশুসকলেও জ্যেষ্ঠ বা ককাক আইতাক উদ্দেশ্যি গোৱা হয়। যেনেঃ-

(a) Ta:toi to:línga
Na:ré nammur géyuma
Épo do:lak poge:la
Ngolum porainalangka.

(b) Ngolukké ya:yo nangkoli
Ígí:dé aipé tungkuli
Payegém jamdag sab-sab-sab.

MOMAN ৰ জৰিয়তে শিশু এটাই কেনেকৈ মাকৰ ওচৰত কাতৰ অনুৰোধ কৰিছে আৰু মাকক আমনি নকৰো বুলি প্ৰতিশ্ৰুতি দিছে। যেনে-

Qué oua Kénongé oua
Du:mílo apionko bi:
Ti:lingé ti:lingé oua
Ansín asikoi bi:
Doge:tingge:la so:manna du:pébo
Muriyém ri:ma:bo ngo
Ba:bubí gíyékum su:gam mayékum
Lomdanna goglanku ngom
Igo-siroge:mabong nom.

বৰ্ণনাত্মক বা প্ৰকৃতি কেন্দ্ৰিক MOMAN সমুহত প্ৰাকৃতিক বৰ্ণনা সু-স্পষ্ট। ইয়াৰ সমাজ জীৱনৰ কৰ্ম ব্যস্ততা, প্ৰকৃতিৰ বিভিন্ন উপাদান যেনে- নৈ বিল, গছ গছনি, তৰা সূৰ্য আদিক উদ্দেশ্যি MOMAN গীতসমুহ ৰচনা কৰা হয়। যেনেঃ-

Tung tung tang tang
Lo:dém donam ído
Kappusi Kappusi Kappu:do ampém
Ampém apong Ké:nado
Gugusse gugusse a:mém gu:do
Pé:sugém íkodla dodo.

এনে MOMAN সমূহতে মিচিং নাৰীসকলৰ কৰ্ম ব্যস্ততা প্ৰতিফলিত হৈছে। ইয়াৰোপৰি প্ৰকৃতিৰ বিভিন্ন উপাদানক লৈ গোৱা MOMAN NI: TOM হ'ল। যেনে-



1. Ginmur po:lo a:du:bong
Néiyé néngan ngandu:bong
So:yo: pakkom Kabdu:bong
Gun ag so:man mandu:bong.

2. Lé:bang Ko:bang barka:yé
Barsa:la tayétém Kangki:yé
Do:mugé dongkang yariyem
Yirra luposul Kangkiyé

এনেদৰে প্ৰকৃতিৰ নৈ বিল, জীৱ, জন্তু, গছ গছনি সকলো উপাদান হিচাপে লৈ MOMAN NI: TOM অ ৰচনা কৰাৰ বহু উদাহৰণ আছে। চুটি চুটিকে গোৱা MOMAN NI TOM অব ৰচনা কৰাৰ বহু উদাহৰণ আছে। চুটি চুটিকে গোৱা MOMAN NI TOM সমূহৰ জৰিয়তে সীমিত আৰু সবল শব্দৰে বহু বিষয়ৰ বৰ্ণনা পোৱা যায়। এনে বৰ্ণনা সমূহৰ ভিতৰত শৰীৰৰ অঙ্গ প্ৰত্যঙ্গৰ পৰা আৰম্ভ কৰি ঘৰবাৰী, যানবাহন, উৎসব পাৰ্বন সকলোকে সামৰি লোৱা হৈছে। সময়ৰ পৰিৱৰ্ত্তনৰ লগে লগে বিষয়বস্তুৰ পৰিৱৰ্তন হৈছে। প্ৰকৃতিৰ পৰিৱৰ্তনৰ লগে লগে সকলোবিলাক বস্তুৰেই পৰিৱৰ্তন হোৱাৰ দৰে MOMON NI TOM সমূহৰো পৰিৱৰ্তন হৈছে। কিন্তু পৰিৱৰ্তনৰ ধামখুমিয়াতো মিচিং সমাজ আৰু মিচিং ভাষা জীয়াই থকালৈকে MOMAN NI: TOM সমূহ জীয়াই থাকিব। এয়েহে

আমাৰ প্ৰধান দায়িত্ব হোৱা উচিত * পৰিৱৰ্তনৰ সোঁতত আমাক আৰু আমাৰ মাতৃভাষাক ৰক্ষা কৰা। ভাষা থাকিলেহে জাতিৰ অস্তিত্ব থাকিব। উৎস- a) Ngoluk Moman-CIL, Myshor.

b) Poman Moman-T. R. Taid.

# তোমাক বিচাৰে মনে

**কবিশ্মা পেগু**
**কাৰেং চাপৰি গাঁও**

**মোৰ মনে তোমাক বিচাৰে**
**তুমি নাই মোৰ কাষত**
**পূৱা-গধূলি তোমাক নেদেখো-**
**উচুপি উঠিছে মোৰ মন।**
**আকৌ, আহিল ফাল্‌গুন**
**আলি আই লৃগাঙৰ বতৰালৈ,**
**যাক শিমলু, মদাৰ ফুলে আদৰি আনিছে।**
**বৈছো মই মছাং এগে গাছৰ**
**পিক্ষিম বুলি আলি আই লৃগাঙত**
**নাচিমনো মই কাৰ লগত**
**তুমিয়েই দেখোন নাই মোৰ কাষত**
**লৃগাঙৰ 'পুৰাং আপিন**
**এবাটি 'পৰা আপং খাবলৈ**
**আহিবানে তুমি আমাৰ ঘৰলৈ ।**
**আহিবানে তুমি ?**
**মোৰ মন আলোড়িত কৰিবলৈ**
**বাট চাই থাকিম পদুলিতে বৈ।।**



# "মিছিং সমাজত নাৰীৰ স্থান"

**বিজয়া দলে**
**কলবাৰী**

নাৰী আৰু পুৰুষৰ সমষ্টিৰে সমাজ গঠিত। অকল পুৰুষ বা নাৰীৰ দ্বাৰাই সমাজ গঠিত হ'ব নোৱাৰে । নাৰী আৰু পুৰুষৰ সৰ্বতো প্ৰকাৰৰ উন্নতি আৰু নেৰা নেপেৰা চেষ্টাৰ দ্বাৰাহে সুস্থ সবল এখন সমাজৰ সৃষ্টি হব পাৰে। অসমীয়াৰ জনক মহাপুৰুষ শংকৰদেৱেও কৈছিল..

পুৰুষ প্ৰকৃতি দুয়ো হৈব একমতি
তেবেসে সিজিব হৰিত ভকতি।।

মিচিং সমাজৰ কথা বিশ্লেষণ কৰি নাচালে নাৰীৰ স্থান বিতং ভাৱে নিৰ্ণয় কৰি দিয়াটো সহজ নহয়। এইসমাজৰ নাৰীৰ নামগুণ বহিজগতত নাথাকিলেও অসমৰ অসমীয়াই কৃষ্টি সংস্কৃতিৰ ক্ষেত্ৰত মিছিং নাৰীৰ কথা পাহৰিব নোৱাৰে। বেচিভাগ মিচিং নাৰী অশিক্ষিত অথচ কৰ্মপটু। অসমৰ প্ৰতিগৰাকী মিচিং নাৰীয়ে পথাৰত কোৰ মাৰি শস্য উৎপাদন কৰে। ধান ৰোৱা, মৰণা মৰা,খেতি বাতিৰ অনিষ্ঠকাৰী বস্তুৰ প্ৰতি চকু ৰখা ইত্যাদি কামত তিৰোতাৰ ভাৰ অধিক। দৈনন্দিন জীৱনৰ কৰ্তব্যৰপ্ৰতি পুৰুষৰ বেছি গুৰুত্বতা আছে যদিও মিচিং সমাজত নাৰীয়ে অধিক গুৰুত্বতা দিব লগা হয়। তেওঁলোকৰ কৰ্তব্যৰ বিৰতি নাই। পুৱা প্ৰথম কুকুৰা ডাকত উঠি বুকুৰ কেচুৱাটি

বুকুত বান্ধি লৈ উৰালত ধান বানে। নৈৰ পৰা পানী দুকলহ আনে, ঘৰুৱা কাম যি হয় সকলো খিনিকে কৰে। প্ৰথম কুকুৰা ডাকতে শোৱা বিছনা ত্যাগ নকৰিলে আলৰ বুঢ়ীৰ আগত হাঁহিয়াতৰ পাত্ৰ হয়। বেলিয়ে ভুমুকি মৰাৰ ভিতৰৰ আৰু বাহিৰৰ কাম শেষ কৰি পথাৰ মুৱা হ'বৰ নিমিত্তে সাজু হয়। সময় অপব্যয় কৰাটো মিচিং তিৰোতাৰ লজ্জাৰ বিষয়। পথাৰত দিনটো কাম কৰি আজৰি সময়খিনিত হাবিৰ পৰা শাক-পাচলি, ফল-মুল, খৰি লুৰা আদি কামত ব্যস্ত থাকে। এনেকৈ নাৰীয়ে কৃষিৰ ক্ষেত্ৰতো উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে।

প্ৰতিগৰাকী তিৰোতা বোৱা কটা শিল্পত পাকৈত । নিজৰ নিজৰ ছোৱালীক মাকেই কাম শিকায়। মিছিং সমাজত কাপোৰ বব নজনা তিৰোতাৰ স্থান অতি নীচ বুলি স্বীকৃত। মিচিং নাৰীৰ ফুলাম আৰু ৰং বিৰঙৰ সাজ পোছাক আজি আন বহিজগতৰ লগত চকুত চমকপদ হৈ পৰিছে। এই বয়ন শিল্পৰ মিচিং নাৰীৰ নিজা ঐতিহ্য আছে। যি ঐতিহ্যই অসমৰ কলা সংস্কৃতিৰ বৰ চৰাত বৰঙনি যোগাব পাৰে। এৰি, মুগা, আৰু পাটৰ কাপোৰ তৈয়াৰ কৰাটো মিছিং নাৰীৰ একপ্ৰকাৰৰ পৰম্পৰা বুলি ক'ব পাৰি। তাৰোপৰি প্ৰতিজনী তিৰোতাই কুকুৰা, গাহৰি, পাৰ, ছাগলি আদি পোহাটো মিছিং নাৰীৰ এক বৈশিষ্ট্য। ই বিলাক বিক্ৰী কৰি নিজৰ প্ৰয়োজনীয় আহিলা পাতিৰ যোগান ধৰে ।

মিচিং নাৰী কৰ্মপটু আৰু ধৈৰ্য্যশীল। মিচিংৰ সামাজিক উৎসৱ আলিয়াই লিগাং, (কেঠিয়া সিচা উৎসৱ) আৰু পৰাগ (নৰাছিঙা বিহু) আদি কৃষ্টিমুলক উৎসৱাদিত নাৰীৰ কাৰ্য প্ৰণালি অতি প্ৰশংসনীয়। প্ৰতিটো উৎসৱত নাৰীয়ে বিশেষ ধৰণৰ একো একোটা ভাৰ বহন কৰে। আলিয়াই লিগাংৰ মুকলি মুৰীয়া গুমৰাগ, কেচিপৰাগ আদি নৃত্যই এক নৃত্যপুৰি সৃষ্টি কৰে। মিম্বিৰ য়ামে (ডেকা-গাভৰু ৰ প্ৰেম প্ৰীতিৰ মাজত সম্প্ৰীতিৰ বীজ সিচে। লগে লগে মিচিং নাৰীৰ নাচত অসীম সৌন্দৰ্য্যৰ সমাবেশ হয়। ফাগুণৰ বলিয়া বতাহৰ নৱ ৰং সময়তে পতা কাৰণেই এই উৎসৱৰ সৈতে অসমৰ ৰঙালী বিহুৰ লগত হুবহু সাদৃশ্য বিচাৰি নাপালেও প্ৰায় ক্ষেত্ৰত সাদৃশ্য মন কৰিবলগীয়া। ঐনিতম, কাবান, (বিননি গীত) নিচুকনি গীত আদিত মিচিং নাৰীৰ ভূমিকা উল্লেখযোগ্য।

পৰাগ আৰু ঐনিতমতো নাৰীয়ে সম্বন্ধ ৰাখে । তদুপৰি ঐনিতমবোৰৰ ভাবাৰ্থৰ উপৰিও ছান্দোময়ী ভাষাৰ লালিত্য অতি আকৰ্ষণীয়। পৰাগ সাধাৰণতে আহিন-কাতি অথবা ফাগুণ চ'তত পতা এটি অনুষ্ঠান । নাৰী আৰু পুৰুষ সমানে মিম্বিৰ য়ামেৰে অনুষ্ঠানত বিষয়বাব পায়। ইয়াক পৰিচালনা কৰা নীতি সম্পূৰ্ণ ধৰণে গনতান্ত্ৰিক ভিত্তিত।



মিম্বিৰ(গাভৰু) হঁতৰগুৰিতে থাকে এজনী তিৰি বৰা আৰু বৰাগী, ঠিক তেনেকৈ য়ামে হঁতৰ গুৰি হ'ল ডেকা বৰা আৰু সিহঁতৰ তলতীয়া বহুতো বিষয়ববীয়া মৃন্তুৰ-য়ামে থাকে। বিহু নচা ঐনিতম গোৱা তেওঁলোকৰ কৰ্তব্য আৰু এইবোৰ জনাটো গৌৰৱৰ বিষয় বুলিয়েই ভাৱে। প্ৰতিজনী গাভৰুৱে গগণা বজাব পাৰে। বাৰিষাত সোৱনশিৰি নৈৰ বুকুত নাঁওবাই ঐনিতমৰ সুৰ তুলি গীতগাই আত্মহাৰা হৈ নৈৰ পাৰ হৈ ইপাৰৰ পথাৰলৈ যায়। নৈৰ সৈতে মিচিঙৰ নিবিড় সম্বন্ধ সৌ তাহানিৰ পৰাই আছে। স্বৰ্গীয় ৰজনীকান্ত বৰদলৈৰ "মিৰিজিয়ৰী" য়ে মিৰি জীয়ৰীৰ জীৱনৰ কথাই কলে। এঠাইত তেখেত লিখিছে : মিৰি জীয়ৰী মৰা নাই অথবা মৰিও অমৰ।" মিচিং সমাজৰ 'মিতিৰ পতা' ক্ষেত্ৰত বাপেকেই সসেবা বুলি ক'ব নোৱাৰি। কিয়নো প্ৰায়বোৰ বিয়াত ছোৱালীয়ে যাক ভাল পায় গন্ধৰ্ব প্ৰথা (Elopment) ৰে বিবাহ হোৱা সংখ্যাত সৰহ। এই নীতিৰ প্ৰায়বোৰ গাঁৱতে ব্যাপক প্ৰচলন আছে। মিছিং সমাজত বহুতো খেল বা উপাধি আছে। যেনেঃ পায়েং, মিলি, গাম, টাইড, তায়ে, পগাগ, পেগু, দলে, পেৰমে আদি। দৰা পায়েং ঘৰৰ হ'লে কন্যা পগাগ অথবা আন উপাধি হ'ব লাগিব। একে খেল বা জাতৰ মাজত বিয়া কৰোৱা একেবাৰে নিষিদ্ধ। বিয়া কৰোৱাৰ লগে লগে দাৰ জাতকেই কন্যাই মানি লব লাগিব। মিচিং সমাজত বিধবা বিবাহৰ প্ৰচলন আছে। স্বামীৰ অকাল বিয়োগ হ'লে সকাম নিকাম সাং কৰাৰ পাচত নতুনকৈ সংসাৰ কৰিব পাৰে ।

মিচিং নাৰীৰ এটা মহৎগুণ হৈছে অতিথি পৰায়ন । অতিথিক আপ্যায়ন কৰাটো মিচিং নাৰীৰ ধৰ্ম। বিশেষকৈ বিহু উৎসৱ পৰ্ব আদিত প্ৰতি ঘৰতে আলহীক মাতি আনি ‘আপং আপিন’ (আপং ভাত) খুৱায়। আলহীক দোৱানত “মিনম” বুলি কোৱা হয়। মিচিং নাৰীৰ আন এক বিশেষত্ব হৈছে সামাজিক মনোভাৱ । গাভৰুহঁতে একেলগে হাঁহি মুখে কিৰীলি পাৰি সমদলে মাছ মাৰি ভাল পায় ।

নাৰী শিক্ষা যে সমাজৰ উন্নতিৰ অবিচ্ছেদ্য অঙ্গ এই কথাও বৰ্তমান সময়ত মিচিং সমাজে বুজি উঠিছে। শিক্ষিতা নাৰীৰ সংখ্যাও বাঢ়ি আহিছে। তথাপিও পুৰুষৰ তুলনাত অতি কম। নাৰী অশিক্ষীত হোৱাৰ কাৰণ আছিল আগেয়ে স্কুলৰ অভাৱ আছিল আৰু যোগাযোগৰ অসুবিধা । অৰ্থনৈতিক দিশটো টনকিয়াল নোহোৱাৰ কাৰণেই তেনেই কম সংখ্যক নাৰীয়ে নগৰ চহৰে থাকি শিক্ষা লাভ কৰিছিল ।

শিক্ষাৰ অবিহনে সমাজৰ অথবা দেশৰ উন্নতি আশা কৰিব নোৱাৰি। সেয়ে বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগত সমানে খোজ মিলাই যাবলৈ মিচিং নাৰীৰ আত্মাক জাগ্ৰত কৰা আৰু বিশ্ব দৰবাৰত মানুহ হিচাপে থিয় কৰোৱাৰ আৱশ্যক হৈ পৰিছে। শিক্ষাই মানৱক হিংসা, কলুষ-কালিমা আৰু অজ্ঞানতাৰ পৰা মুক্তি পথৰ সন্ধান দিয়ে । তদুপৰি মাতৃ হিচাপেও নাৰী শিক্ষাৰ প্ৰয়োজনীয় এই কথা নতুনকৈ কোৱাৰ আৱশ্যক নাই।

শিক্ষাৰ ক্ষেত্ৰত যদি মিচিং নাৰী পিচপৰি থাকে, তেনেহলে সমাজৰ উন্নতিতো নহয়েই দেশৰো উন্নতি আশাতীত। বিশেষকৈ আজিৰ গণতান্ত্ৰিক যুগত নাৰী পুৰুষ সমান নহ'লে বিপদ গতিকে মিচিং নাৰীয়েই আধুনিক সমাজৰ বিভিন্ন কাৰ্যাৱলীত অংশ গ্ৰহণ কৰাটো বিধিগত আৰু তাৰ বাবে পুৰুষ আৰু নাৰী সমানেই তৎপৰ হব লাগিব।

121

# মিচিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যলৈ শদিয়াৰ মুকলি চিঠি বিষয় : স্বায়ত্ত পৰিষদ সন্দৰ্ভত এক নতুন চিন্তাধাৰা

**হিৰণ্য কুমাৰ টায়ে**
**শদিয়া**

জয় জয়তে শদিয়াবাসী মিচিং ৰাইজৰ হৈ আপোনাৰ লগতে আপোনাৰ দলৰ সকলো নব-নিৰ্বাচিত সদস্যসকলৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰিলো। এইটো সৰ্বজন বিদিত যে অন্য জনগোষ্ঠীবোৰৰ দৰে আমাৰ মিচিং সকলৰো স্বকীয় সপোন, ইতিহাস, আশা-আকাংক্ষা আছে। আপোনাৰ নিৰ্বাচিত প্ৰতিনিধি সকলে নিজৰ জনগোষ্ঠীটোৰ উন্নয়ণৰ মনোনিৱেশৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। যিহেতু জনগোষ্ঠীটোৰ ৰাইজৰ সপোন সাৰ্থক কৰাৰ মানসেৰে মিচিং স্বায়ত্ত শাসিত পৰিষদ গঠন কৰা হৈছে। পৰিকল্পনাৰ বৰ্হিভূত ধনসমূহ সঠিক ব্যৱহাৰ কৰি সকলো এলেকাক সমানে আগবঢ়াই নিবৰ বাবে অধিক পদক্ষেপ ল'ব লাগিব। আপোনাৰ বিজয়ী দলে

ৰাজনৈতিক প্ৰাৰ্থী বুলি নেভাবি এও বিজেপি, এও কংগ্ৰেছ, এই এলেকা বিৰোধী দলৰ বুলি দাবী নকৰি সকলো মিচিং গোষ্ঠীৰ এলেকাৰ প্ৰতিনিধি বুলি ভাবিব লাগিব। থিসকল জনগোষ্ঠীয়ে নিজকে অতি পিছ পৰি আছে বুলি ভাবিছে তেওঁলোকৰ উন্নয়নত চৰকাৰে যথোপযুক্ত ব্যৱস্থা নকৰি মাহী আইৰ চকুৰে চোৱা বুলি ভাবিছে। সেইসকলে আজি নিজৰ উন্নয়নত নিজে গুৰুত্ব দিম বুলি স্বায়ত্ত পৰিষদৰ দাবী জনালে আৰু সেইমতে চৰকাৰে সঁহাৰি জানাই পৰিষদীয় গঠনত সহযোগ কৰি আগবঢ়াই নিলে । ফলত তেনে ৰাইজৰ আশা-আকাংক্ষাবোৰ মনত ৰাখিয়েই আপোনাৰ দলে আগবাঢ়িব লাগিব। সচাকৈয়ে আমাৰ জনগোষ্ঠীটোৰ শিক্ষিতলোকৰ সংখ্যা তেনেই কম, সেই অনুপাতে প্ৰশাসনিক দিশতো তেনেই নগন্য। মুঠৰ ওপৰত আৰ্থ-সামাজিক, স্বাস্থ্য, শৈক্ষিক অৱস্থাৰ লগতে প্ৰশাসনীয় আৰু ৰাজনৈতিকভাবে প্ৰভাৱশালী লোকৰো পিছ পৰি আছে। এটা জাতিৰ উন্নতিত ৰাজনৈতিক, প্ৰশাসনিক, শৈক্ষিক, স্বাস্থ্য আদিত বিশেষভাৱে নিৰ্ভৰ কৰে। তেহে সেই জাতিৰ উন্নতিৰ তুলাচনীখন জুখিব পৰা হয়।

সৰ্ব ভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাবোৰ যাতে জনগোষ্ঠীটোৰ ল'ৰা-ছোৱালীবোৰে সুফল পাব পাৰে, তাৰবাবে যত্ন কৰি আগুৱাই যোৱাত চেষ্টা কৰি দিব লাগিব। এই ক্ষেত্ৰত পাৰিলে আই.এ.এচ. আই.পি.এচ ডাক্তৰ, ইঞ্জিনিয়াৰিং আদি সৰ্ব ভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতাৰ প্ৰস্তুতিৰ বাবে যত্ন কৰি সহায় কৰিব পাৰে। ৰাইজৰ সমস্যাসমূহ চিনাক্ত কৰি সমস্যা সমাধানত গুৰুত্ব দিব লাগিব। দীৰ্ঘদিনৰ ৰাইজৰ সংগ্ৰামৰ পৰিণতিত গঠন হোৱা পৰিষদখন প্ৰথমবাৰৰ বাবে ৰাইজে শাসন ভাৰ নিজৰ হাতলৈ আনিছে আৰু আপোনাৰ দলক গোষ্ঠীটোৰ উন্নতিত আগুৱাই লৈ যাবলৈ দায়িত্ব অৰ্পণ কৰিছে। গণতান্ত্ৰিকভাৱে নিৰ্বাচিত হৈ আপোনাৰ দলটি ৩৬ টা সমষ্টিত দখল কৰি ইতিহাস ৰচিলে। তাৰ অৰ্থ ৰাইজে নিজৰ সমস্যাসমূহ নিজৰ হাতলৈ আনিলে । আপোনাৰ দল মাথো ৰাজনৈতিকভাৱে পৰিচালিত ভূমিকাহে অৰ্থাৎ ৰক্ষকহে। ১৯৮৫ চনত অসম গণ পৰিষদ দলকো অসমৰ ৰাইজে নিজৰ বুলি হৃদয়ৰে আঁকোৱালি লৈছিল। ঠিক সেইদৰে এইবাৰো মিচিং জনগোষ্ঠিটোৱে আপোনাৰ দলৰ নেতৃত্বক এক দীৰ্ঘদিনীয়া সংগ্ৰামৰ পৰিণতিত নিজৰ আশা-আকাংক্ষাবোৰ পূৰণৰ অৰ্থে আপোনাৰ দলক নিৰ্বাচন কৰি বাচি লৈছে। ফলত আপোনাৰ দলে সমস্যাসমূহৰ দায়িত্ব চম্ভালি লৈ গণশক্তি প্ৰতিনিধি বুলি নেভাবি সমূহ মিচিং জনগণৰ প্ৰতিনিধি বুলি ভাবি সেৱা আগবঢ়াব লাগিব। বৰ্তমানৰ অসম কংগ্ৰেছ চৰকাৰৰ নেতৃত্বত এক প্ৰভাৱশালী ৰাজনৈতিক ছাত্ৰ সংগঠন থকাৰ দৰে আপোনাৰ এক প্ৰভাবশালী ছাত্ৰ সংগঠন আছে। ক্ষমতাৰ অপব্যৱহাৰ কৰি



এই সংগঠনটোৱে যাতে হকে বিহকে গণ্ডগোলীয়া পৰিস্থিতি সৃষ্টি কৰি নেথাকে তাৰবাবে আপুনি সচেতন হৈ থাকিব লাগিব। নহ'লে কেইজনমান উঠি অহা চেঙেলীয়াৰ সামান্য ভুলৰ বাবে আপোনাৰ দলৰ বদনাম হ'ব পাৰে। অন্যথা ইতিহাসত অসম গণ পৰিষদ দলটো যেনেদৰে ৰাইজৰ পৰা জনপ্ৰিয়তা হেৰুৱাই চিন্ন ভিন্ন হৈ পৰিল ঠিক তেনেদৰে আপোনাৰ দলটোত মিচিং জনগোষ্ঠিটোৰ ইতিহাসৰ পৰা চিৰকালৰ বাবে বিদায় ল'ব পাৰে।

আমি সকলোৱে জানো আপোনালোকতকৈ আগৰ পৰিষদখনৰ তদৰ্থ কমিটিখনে দুৰ্নীতি ভ্ৰষ্টাচাৰেৰে জৰ্জৰিত হৈ ৰাইজৰ সমূহীয়া উন্নয়নৰ পৰিৱৰ্তে নিজ নিজ বংশ পৰিয়াল তথা ব্যক্তিগত মুনাফা আদায় কৰাবোৰহে পৰিলক্ষিত হৈছিল। পৰিষদৰ সময়ত চুকে-কোণে থাকা প্ৰতিটো মিচিং এলেকাক সমান চকুৰে চোৱা নাছিল। ফলত শদিয়া অঞ্চলৰ অমৰপুৰৰ একাংশই অৰুণাচলত চামিল হোৱাৰ উপক্ৰম হ'ল। শিক্ষা, বিজুলী, স্বাস্থ্য, খোৱাপানী আদিৰ বিশেষ ব্যৱস্থা নহ'ল। ৰাজীৱ গান্ধী বৈদ্যুতিকৰণ আঁচনিবোৰেও তেওঁলোকক ঢুকি নেপালে। দীৰ্ঘদিন অসম চৰকাৰ কিম্বা মিচিং স্বায়ত্ত পৰিষদেই তেওঁলোকক বাঞ্চনা কৰি আহিছে। ফলত তেওঁলোকে অৰুণাচলত চামিল নহবই বা কিয়। অৰুণাচল চৰকাৰে তেওঁলোকক বিজুলী, স্বাস্থ্য, খোৱাপানী, ৰাষ্টা-ঘাট নিৰ্মাণ

আদিত সা-সুবিধা দিব পাৰে তেন্তে অসম চৰকাৰে বা মিচিং পৰিষদে তেওঁলোকক সা- সুবিধা দিব নোৱাৰাৰ কি কাৰণ থাকিব পাৰে ? এনেদৰে এখন এখনকৈ কেইবাখনো গাঁও যদি চামিল হৈ গৈ থাকে তেন্তে এটা সময়ত অসমৰ মেপৰ এছোৱা অংশ বা মিচিং পৰিষদৰ নামৰ বুৰঞ্জীৰ পৰা কিছু এলেকা চিৰদিনলৈ মচি যাব।

সদৌ শেষত মিচিং স্বায়ত্ত পৰিষদৰ নৱ-নিৰ্বাচিত মুখ্য কাৰ্যবাহী সদস্য আপোনাৰ প্ৰতি অনুৰোধ আপোনাৰ কাৰ্যকালত গোষ্ঠীটোৰ বাবে এনে আঁচনিসমূহ ক্ষিপ্ৰতাৰে চিনাক্ত কৰি ৰূপায়ন কৰক যিবোৰ সমস্যাই জাতিটোৰ উন্নতিত বাধাৰ প্ৰাচীৰ হিচাপে থিয় দি আছে। এনে আঁচনি ৰূপায়ন কৰক যি আঁচনিয়ে আপোনাৰ জনপ্ৰিয়তাক আৰু অধিক গাঢ় কৰি তুলিব আৰু আপোনাৰ সেই আসনখন দীৰ্ঘদিনৰ বাবে ৰাইজৰ পৰা মৰম আদায় কৰিব পাৰিব। আপুনি সীমাহীন সম্পত্তিৰ মালিক হোৱাতকে গোষ্ঠীটোৰ ত্ৰাণকৰ্তা হিচাপে আগবাঢ়ি আহক। আপোনাৰ প্ৰতিটো আঁচনিয়েই উন্নয়নমুখী নহে আগৰ পৰিষদৰ দৰেই টকাবোৰ বস্তাই বস্তাই গাড়ীত ভৰাই ফুৰিলে আপোনাৰো যে একেই নহ'ব তাৰ কোনো মানে নাই। তেতিয়া কিন্তু দীৰ্ঘদিনৰ গোষ্ঠীটোৰ সংগ্ৰামৰ পৰিণতিত পোৱা স্বায়ত্ত পৰিষদ নামৰ শব্দটোৰ অৰ্থহীন হৈ আপোনাৰ দলকো গোষ্ঠীটোৰ ইতিহাসৰ পৰা বিদায় দিব পাৰে ।

অমৰপুৰৰ যিবোৰ অংশ অৰুণাচলত চামিল হল তেওঁলোকক ঘূৰাই আনি পৰিষদীয় এলেকাৰ অধীনত সা- সুবিধাবোৰ প্ৰদান কৰি উন্নতিৰ শীৰ্ষলৈ আগুৱাই নিয়কহি । পৰিষদীয় নিৰ্বাচন এলেকাৰ মেপখন সুৰক্ষা কৰি পৰিষদৰ বুৰঞ্জীৰ পৰা এছোৱা অংশ ঘূৰাই আনক, নহ'লে এটোপ এটোপকৈ ডাৱৰৰ পানী পৰি ভৰি যাব অৰুণাচলত। যোৱা নিৰ্বাচনত শদিয়াক কেইবাখনো মিচিং গাঁও ভোটাধিকাৰৰ পৰা বঞ্চিত হল তাকো যিবোৰ বাধা বিঘিনি আছে সেইবোৰ আলোচনাৰ আঁতৰাই মাধ্যমেৰে পুনৰ অন্তৰ্ভুক্তিলৈ আনিব লাগে। কাৰণ ভোটাধিকাৰৰ লগত জাতিটোৰ আৱেগ- অনুভূতি জড়িত হৈ থাকে। নহলে এই অঞ্চলৰ মিচিং লোকসকল ভোটাধিকাৰৰ পৰা বঞ্চিত হৈ আপোনাৰ প্ৰতি উমি উমি জ্বলিব পাৰে। যিটো জুয়ে এদিন আপোনাৰ ওপৰত প্ৰকাণ্ড ৰূপ ল'ব পাৰে।

শেষত মিচিং জনগোষ্ঠীটোক এনেদৰে স্বকীয় ৰূপত সজাই আগবঢ়াই লৈ যাওক যাতে ই এদিন বিশ্ব দৰবাৰত জাতিটোৰ পৰিচয় দিব পাৰে লগতে বিভিন্ন জনগোষ্ঠীৰ মিলনভূমি বৃহত্তৰ অসমীয়া সমাজখনৰ এনাজৰীডাল চিৰস্থায়ী কৰি ৰাখিব পাৰে।

123

# মিচিং জনজাতিৰ চমু ইতিবৃত্ত

**বাচাৰাম দলে**
**বিষ্ণুপুৰ, যোৰহাট**

**আৰম্ভণিঃ** ভাৰতীয় (সংস্কৃতিৰ) বাৰেৰহনীয়া কৃষ্টি- সংস্কৃতিৰে ভৰা প্ৰধান বৈশিষ্ট্যবোৰৰ ভিতৰত উত্তৰ পূৰ্বাঞ্চলৰ পাহাৰে-ভৈয়ামে সহজ সৰল ভাৱে জীৱন নিৰ্বাহ কৰা জনজাতিসকলৰ কৃষ্টি সংস্কৃতিয়ে স্বকীয় বৈশিষ্ট্য বহন বা নিদৰ্শন দাঙি ধৰিছে। উত্তৰ পূৰ্বাঞ্চলৰ বাৰে ৰহনীয়া কৃষ্টি- সংস্কৃতিয়ে প্ৰধানকৈ আমাৰ সেই অসম ভূমিত সুন্দৰ ভাৱে প্ৰতিবিম্ব হৈছে।

অসমক যেনেকৈ নদীৰ মাতৃকা বুলি কোৱা হয; তেনেকৈ উত্তৰ পূবাঞ্চলৰ বাৰে ৰহনীয়া কৃষ্টি- সংস্কৃতিৰে ভৰা দেশ বুলিব পাৰি। কাৰণ যদিও পুৰনি অসমৰ পৰা বৰ্তমানলৈকে নানা জাতি (Race) উপ-জাতিৰে আৰু বিশাল সংস্কৃতিৰ বিনিময়েৰে গঢ়ি উঠা আমাৰ জনজাতিয় সংহতি সততে দৃঢ় হৈ আজিও আছে। অসমৰ

ভূখণ্ডৰ মাজেৰে চিৰ প্ৰবাহমান হৈ থাকিব যেনেকৈ নদীবোৰ চিৰ প্ৰবাহমান, তেনেকৈ জনজাতিয় বাৰে- বৰনীয়া কৃষ্টি- সংস্কৃতিৰে চিৰ প্ৰবাহমান হৈ থাকিব আৰু লগতে এই ক্ষুদ্ৰ অসমখনক চিৰ কাললৈ এনে সমন্বয় সুদৃঢ় হৈ ৰ'ব ই ধুৰুপ ।

আমাৰ বিষয়বস্তু হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতি সকলৰ কাৰ বংশধৰ; প্ৰবজনন কৰ পৰা হ'ল। বাসস্থান আৰু অৱয়ক আদি গৱেষণামূলক ভাৱে নহয়-যদিও ই সম্পূৰ্ণ প্ৰণালীবদ্ধ হ'ব।

**পটভূমিঃ** উত্তৰ-পূবাঞ্চলৰ জনজাতীয় পৰিবেশৰ ক্ষেত্ৰখন নিজ চকুৰে নেদেখালৈকে বোধগম্য হোৱাকৈ বৰ্ণনা কৰা বৰ জটিল বা কষ্ট সাধ্য কাম।

প্ৰাক্-স্বাধীনোত্তৰ কালৰ পাদুৰী চাহাব সকলে বিভিন্নজনে বিভিন্ন ধৰণেৰে মতামত দাঙি ধৰিছিল। প্ৰাক্- স্বাধীনোত্তাৰ ১৮৮৪ চনতে ৰেভাৰেও এঞ্জেলে অসমৰ বহু ভাষী পৰিস্থিতি দেখি অসমক জাতি তত্ব (Athnology) আৰু তুলনামূলক ভাষাতত্বৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষকৈ ভাষাবিদৰ ভূ-স্বৰ্গ বুলি অভিহিত কৰিছিল

আজি কুৰি শতিকাৰ মাজ ভাগতো আমি নিঃসন্দেহে ক'ব পাৰো যে ওপৰত উল্লেখ কৰাৰ দৰে উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষেত্ৰখন ভাষাবিদৰ ভু-স্বৰ্গ। অসম অকল ভাষাবিদৰে নহয়; নৃতাত্বিকৰো, অনুসন্ধিৎসু আৰু তত্বজিজ্ঞাসু মাত্ৰাৰে বহল প্ৰাকৃতিক গৱেষণাগাৰ ক্ষেত্ৰফল। এইখন ৰাজ্যৰ মনোমোহা প্ৰাকৃতিক দৃশ্য ৰাজিৰে ভৰপুৰ হোৱা বিবিধ সম্পদ, জীৱ- জন্তু, গছ-বিৰিখ, ৰঙ-বিৰঙৰ চৰাই চিৰিকতি, বুৰঞ্জী, ভূগোল, ভাষা, উপ-ভাষা, জনজাতি, উপজনজাতিৰ বিস্তাৰিত ক্ষেত্ৰৰখন কথা প্ৰকিত পক্ষে বৰ্ণনা কৰিছে কেইজনমান বৃটিছ চাহাবে। এইসকল পণ্ডিতে লিখি থৈ যোৱা কিছুমান সম্বলৰ পৰা উত্তৰ পূৰ্বাঞ্চলৰ বৰ্ণনীয় সৰ্বস্ব নহয়; আমাৰ পাহাৰে ভৈয়ামে, গাৱে-ভূঞে, চহৰে-নগৰে, চিনাকী-অচিনাকীভাৱে তত্বৰ সম্পদ-সম্বল, ভিন, ভিন কাৰু কাৰ্য, স্মৃতি চিহ্ন, কলা- কৃষ্টিৰ নিদৰ্শন আৰু সবাতোতকৈ আকৰ্ষনীয় হৈছে পূৰ্ব- পুৰুষৰ লিখিত অলিখিত ঐতিহ্য সম্ভাৰ বোৰে। মানুহৰূপে জীয়াই থকাৰ জাননী দিয়া জনগণ শক্তি। এই জনগণৰে কিছুমান আমাৰ সাংবিধানিক ভাষাৰে জনজাতি বা ট্ৰাইব বোলোঁহক এনে জনজাতিবোৰক অনুসূচিত জনজাতি (Schedultribe) বুলিও চৰকাৰে নথি পত্ৰত আখ্যা দিয়া দেখা যায়। অনুসুচিত সম্প্ৰদায় আৰু পিচপৰা শ্ৰেণী ৰূপেও কিছুমান মানুহক সংবিধান সন্মতভাৱে বেলেগ ভাগ কৰা হৈছে।

**জাতি-জনজাতি খেল বা ফৈদ** : জনজাতিৰ (Tribe)কথা লিখিবলৈ লোৱাৰ আগতে বহুত ক্ষেত্ৰত উপযুক্ত তথ্য-পাতি নথকাত লেখক-লেখিকা, সংকলক, সম্পাদনাত কিছুমান শব্দ আৰু ইবোৰৰ বৈজ্ঞানিক পৰিসূত্ৰটো বিমোৰত পৰা দেখা যায়। নৃত্বাত্ত্বিকসকলে যি অৰ্থই নকৰক কিয়-পৰিসূত্ৰৰে জাতি, (Race) জনজাতি, (Tribe) উপজনজাতি, (Sub-tribe) ফৈদ বা জাতিগোষ্ঠী (Clan) আদিৰ ব্যাখ্যাদি আহিছে। এই সমন্বেয় সাহিত্য-সেৱী সংস্কৃতি



চৰ্চাকাৰীসকলে সিমান বৈজ্ঞানিক বা জ্যামিতিৰ উপ-পাদ্যৰ দৰে বিশ্বাসযোগ্য ভাৱে প্ৰমাণৰ অভাৱ।

অসমীয়া সমাজ বা ভাষাত বহু কালৰে পৰা চলি থকা ফৈদ খেল আদি শব্দবোৰৰ সুকীয়া অৰ্থ পৰিবেশ গঢ় দি উঠিছে/ অন্যহাতেদি সংস্কৃত ভাষাত আকৌ "গোত্ৰ" বুলি অনুৰূপ অৰ্থ পৰিধিৰ এটি শব্দ সঘনে চলিত হৈ আহিছে। পৰাশৰ, গৌতম, ভৰদ্বাজ আদি ঋষিৰ নামেৰে গোত্ৰৰ প্ৰচলন হৈ আছে। গোত্ৰৰ বিশেষ গুণ আছে যে প্ৰায়ে স্বগোত্ৰৰ মাজত বিবাহ নিষিদ্ধ হয়। বৰ্তমান নৃত্বাত্বিক আৰু কিছু পৰিমাণে ভাষাতাত্বিক চৰ্চ্চাই নিৰূপিত বৈজ্ঞানিক পৰিভাষা গ্ৰহণ কৰা সময়ত আমাৰ সমাজৰ সাহিত্য- সংস্কৃতিসেৱী যে বিজ্ঞান সন্মত শব্দমালাৰ ব্যৱহাৰ কৰিবলৈকে অনুশীলন কৰা প্ৰধানকৈ পৰিলক্ষিত। পাৰ্য্যমানে, জনজাতি শব্দটি নৃতত্ব সমৰ্থিত ইংৰাজী ট্ৰাইব শব্দৰ লগত সঙ্গতি ৰাখি ব্যৱহাৰ কৰা দেখা পাঁও।

পুৰনি কালত "উপজাতি" শব্দটিয়ে আজিকালিৰ জনজাতিকে সাধাৰণ অৰ্থত বুজাইছিল, উপজনজাতি শব্দটিছাব(Sub-tribe) ট্ৰাইবৰ অৰ্থত বুজায়।

**জনজাতি আৰু ভাগ** ঃ সংস্কৃত সাহিত্যত উল্লেখ আছে যে নিষাদ, এই শবৰ, পুলিন্দ, ভিন্ন (ডীল) কোল্লা (কোল) আদি নামেৰে অষ্টিক গোষ্ঠী জনজাতিলোক আৰু দ্ৰাবিড়ী ভাষা-ভাষীসকলক বোধহয় দাস, দস্যু আদি অভিধাৰে আৰ্যসকলক অভিহিত কৰিছিল। কিৰাত শব্দটিয়ে ব্যাপকভাৱে মঙ্গোলীয় লোককে বুজোৱা হৈছিল।

যি সকল লোকে আৰ্য বুলি নিজকে আখ্যা দিয়া এই নৰ্দিক জাতিৰ লোক সকল এসময়ত এটি জনজাতিৰূপে ভাৰতৰ বাহিৰত বাস কৰি একালত মাজে সময়ে ভাৰতত চিৰপ্ৰবাহ ঘটিছিল। ড° সুনীতি কুমাৰ চট্টোপধায়ে নৰ্দিক আৰ্যসকল একালত অসভ্য জনজাতিন আছিল বুলিয়ে অভিমত আগবঢ়াইছিল। ভাৰতীয় প্ৰাচীন সাহিত্যই ভাৰতীয় সমাজক চাৰিটা ভাগ কৰা হৈছিল। যদিও বহুলভাৱে ছয় ভাগত।

ড° সুনীতি কুমাৰ চট্টেপধায়ে মাত্ৰ জাতিগত ছয়টা বিভাগত ভাগ কৰিছে। (১) নেগ্ৰিটো জাতি (২) প্ৰট অষ্ট্ৰলয়ড (৩) মঙ্গলয়ড (৪) মেডিট্ৰোনীয়ান (৫) ৰেষ্টান ব্ৰেকীচেফাল (৬) নৰ্দিক

**(১) নেগ্ৰিটো জাতি** :- অসমৰ অৰ্থাৎ নগালেণ্ডৰ নগা জনজাতি আৰু দক্ষিণ ভাৰতৰ কেইটামান জংঘনী জনজাতিৰ মাজত নেগ্ৰিটো জাতিৰ সাঁচ থকা কিছুমান পণ্ডিতে ক'ব বিচাৰে ।

**(২) প্ৰট অষ্ট্ৰলয়ত** ঃ- প্ৰট অষ্ট্ৰলয়ডৰ ভিতৰত অষ্ট্ৰিক ভাষী কোন মুণ্ডা, চাওতাল আদি অসমৰ ঘাইকৈ খাছি আৰু জয়ন্তীয়া লোকসকলক ধৰা হয়।

**(৩) মঙ্গলয়ত** : মঙ্গলয়ত জাতিয়ে কিৰাত বুলি যৰ্জুবেদ মহাভাৰত, ৰামায়ন আদি প্ৰাচীন গ্ৰন্থত উল্লেখ আছে। যোগীনীতন্ত্ৰ আৰু কালিকা পুৰাণতো প্ৰাচীন কামৰুপৰ ধৰ্ম কিৰাতভূমি আৰু এই পূৰ্বোত্তৰ সীমান্ত অঞ্চল কিৰাত ভূমি বুলি স্পষ্টকৈ বনোৱা আছে বা পোৱা যায়। অসমৰ প্ৰায়ভাগ জনজাতিয়েই মঙ্গলয়ত চীন-তিব্বতীয় আৰু তিব্বত বৰ্মী, খাছি আৰু জয়ন্তীয়া, ভাষা-ভাষী, বড়ো, ডিমাছা, লালুং, সোনোৱাল কছাৰী, ৰাভা, গাৰো, মিৰি (মিছিং), মিকিৰ (তিৱা) আদি জনজাতিয়েই মঙ্গোলীয় জনজাতিৰ লোক।

**(৪) মেডিটৰিয়ান** ঃ মেডিটেৰিয়ান জাতিৰ ভিতৰত দ্ৰাবিড়ী ভাষা-ভাষীৰ আৰু অসমৰ চাহ বাগিছাৰ বনুৱাসকল।

**(৫) ৰেষ্টান ব্ৰেকীচেফাল** : ৰেষ্টান ব্ৰেকীচেফাল গাৰ ৰঙবোৰ তথা দেহৰ গঠনবোৰ হ'ল নাক-চুটি বা বহল মুৰৰ মানুহ। মেডিডটেৰিয়ানীয়ান আৰু নৰ্দিক সকলে পশ্চিমৰ পৰা ভাৰতলৈ আহিছিল। বৰ্তমান গুজৰাট, মহাৰাষ্ট্ৰ আৰু বঙ্গদেশৰ বাস কৰা সকল। অন্যহাতেদি নৰ্দিক লোক সকল প্ৰাক্ ঐতিহাসিক কালতে পশ্চিম গিৰি পথেদি ভাৰতত প্ৰৱেশ কৰাৰ নিদৰ্শন কৰাৰ নিদৰ্শন পোৱা যায়।

**(৬) নৰ্দিকঃ**নৰ্দিক জাতিৰ অন্তৰ্গত জনজাতিবোৰে ভাৰতত প্ৰৱেশ কৰাৰ আগতে শ শ বছৰ ধৰি ভ্ৰমি ফুৰি খ্ৰীষ্টপূৰ্ব ১৫০০ চন মানত ভাৰতত প্ৰৱেশ ঘটাই। উক্ত ছয় জনজাতিয়ে বৰ্তমান ভাৰতত বাস কৰি আছে আৰু অসমত ঘাইকৈ প্ৰথম চাৰিটা আৰু শেষৰটো জাতিৰ লোক আছে।

**মিৰি বা মিছিং** ঃ মিৰিসকল বৰ্তমান ভৈয়ামত বাস কৰা অসমৰ এটা জনজাতি। আদিতে এওঁলোক অসমৰ উত্তৰ-পূৰফালে থকা পাহাৰত আছিল বুলি জনস্ৰোত আছে। বৰ্তমান আবৰ পাহাৰত (অৰুণাচলত) থকা “মিয়ং” আৰু দাম্ৰ নামৰ দুই জাতিৰ মানুহৰ পৰাই এওঁলোক ফালি আহিছে বুলি অনুমান কৰা হয়। কিন্তু জনপ্ৰবাহ আছে-চিকাৰ বা কৃষিজীৱি হোৱাৰ স্বভাৱ থকাৰ বাবে সাৰুৱা অঞ্চল বিচাৰি



যাওঁতে যাওঁতে ভৈয়ামৰ সমভূমিত থাকি যায়। অসমৰ উত্তৰফালে থকা পাহাৰত বাস কৰা মিৰি জনজাতিসকলৰ লগত বৰ্তমান ভৈয়ামত বাস কৰা মিছিং সম্পূৰ্ণ সাদৃশ্য আছে ছেহেৰা, ভাষাৰ ক্ষেত্ৰত ।

মিৰি আৰু মিছিঙক একে অৰ্থ বুলি বা একেই জাতি বুলি প্ৰায় মানুহেই ভাৱে। কিন্তু মিৰি হ'ল- পাহাৰত থকা আদি পাহাৰীয়া পিতৃপুৰুষ আৰু যিসকল আবৰ পাহাৰৰ পৰা চিকাৰৰ বৃত্তিতেই হওঁক বা কৃষি বৃত্তিতেই হওঁক বা মাসি আৰু মাংকং নামৰ দুডাল লতাৰে বগাই আহি বৰ্তমান ভৈয়ামত থাকি যোৱা সকলেই মিছিং।

যিসকলক মিৰি বুলি ভাৱে এইসকলে নিজকে মিছিং বুলি পৰিচয় দিয়ে। অভিধানৰ প্ৰকৃত অৰ্থ নাপালেও আমাৰ প্ৰচলিত ভাষা মতে-মি মানে মানুহ আৰু ছিঙ মানে পানীৰ দৰে ঠাণ্ডা-মানে বহল মনৰ

মানুহ। মিৰি শব্দৰ অৰ্থ হ'ল মি মানে মানুহ আৰু ৰি মানে ছুটী মনৰ মানুহ। আদিতে মিৰিসকল পুৰোহিতৰ কাম কৰিছিল। এয়ে দেওধাইসকলক মিৰি বোলা হয় ।

**প্ৰবজন** ঃ মিছিং সকলে নিজকে চন্দ্ৰ বংশধৰ বুলি চিনাকি দিয়ে। সামাজিক দিশত চন্দ্ৰক পুৰুষ আৰু সূৰ্যক প্ৰকৃতি। এইমতে পূজা পাৰ্বনতোও বা যিকোনো পৰ্ব বা সকাম পোন প্ৰথমেই আনে দগ্রি (মাতৃসূৰ্য) আৰু আৰু প ল-ৰ (পিতৃচন্দ্ৰ) নাম লয়। সেইসকল জনগোষ্ঠীটোৱে পোনে পোনে ৰূপৰ জখলাই স্বৰ্গৰ পৰা নামি আহিছিল বুলি নিজকে সাক্ষ্য প্ৰদান কৰে। ধাৰনা কৰা হয়-পাহাৰৰ পৰা নামি অহাটোকে স্বৰ্গ বুলি কোৱা হ'ল সম্ভৱ। পাহাৰৰ পৰা নামি আহোতে বাটতে এটা প্ৰকাণ্ড জিলি পাইছিল। সেই জিলি মাসি আৰু মাংকং নামৰ লতাৰে ওপৰেদি বগাই পাৰ হৈ আহিছিল। ওপৰত উল্লেখ কৰাৰ দৰে- মিছিং সকলে লতা দুডালকে সোন-ৰূপৰ জখলা বুলি ক'লে; কাৰণ লতাৰ এডাল সোণবৰণীয়া আৰু আন ডাল ৰূপবৰণীয়া আছিল ।

**বৰ্তমান বাসস্থান** : বৰ্তমান মিছিংসকল শদিয়াৰ পৰা তেজপুৰলৈকে বিয়পি আছে। মিছিংসকল সৰ্বসাধাৰণতেনৈৰ পাৰত সাৰুৱা অঞ্চলত বাস কৰা দেখা যায়। সোৱণশিৰি আৰু ব্ৰহ্মপুত্ৰ নৈৰ বাহিৰেও সৰুসুৰা বহুতো নৈ-উপনৈৰ পাৰত মিছিং গাঁও দেখা যায়। বাৰিষা কালত প্ৰকৃতিৰ পৰিবেশৰ পৰা নিজকে অভিযোজনত ৰক্ষা কৰিবৰ বাবে মিছিংসকলে চাংঘৰ সাজি থাকে। বাসস্থান আৰু জেগা অনুসৰি ভৈয়ামত থকা মিছিংৰ ভাষা-ভাষীবোৰে অলপ হ'লেও লৰ হোৱা দেখা যায়। যিসকলে নিগাজিকৈ ভৈয়ামত নাথাকি ঘূৰি ফুৰি থকাসকলক অৰ্থাৎ শদিয়াৰ পৰা ভটিয়াই গৈ ভৰলীৰ পৰা আকৌ উজাই আহি সোৱণশিৰি নৈৰ পাৰত থাকিবলৈ ললে। সেইকলক চালাত (উলটি অহা) বা চায়াং (উজাই গৈ থকা) শব্দৰ পৰা "দেলু" (দক্ষিণ) বুলি কোৱা হ'ল। ময়িং নামে ঠেক ঠাইত বাস কৰাৰ পৰা "ময়িং'বা ময়েঙ্গীয়া খেলৰ উৎপত্তি হ'ল। আগত কোৱাৰ দৰে অঞ্চল বা ঠাই ভেদে মিছিংবোৰ বাস কৰাৰ ফলত বিভিন্ন খেলৰ মাজত মাত-কথা, আচাৰ-ব্যৱহাৰ লৰ হৈ পৰিল যদিও, মুলতে মৌখিক ভাষা আৰু বাসস্থান যে একে আছিল তাক সহজে অনুমান কৰিব পাৰি।

**বিভিন্ন খেল আৰু গোত্ৰ** : আগত উল্লেখ কৰাৰ দৰে বাসস্থান আৰু বিভিন্ন কাৰনবশত বা ঠাই ভেদে মিছিংসকলক প্ৰধানকৈ আঠোটা খেলত ভাগ কৰিব পাৰি । যেনেঃ ১। চায়াং বা চায়েঙ্গীয়া ২। অয়ান বা অয়েঙ্গীয়া ৩। মায়ং বা ময়েঙ্গীয়া ৪। দেলো বা তায়োতায়ে ৫। পা ৬। দাম্বুক ৭। চামুগুৰীয়া ৮। তামাৰ। অনুমান কৰা যায় যে, চামগুৰীয়া আৰু তামৰ খেলৰ মানুহেই পোন প্ৰথমে পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহিছিল। তেওঁলোকে ভৈয়ামলৈ অহাৰ সময়ত অন্যান্যমিছিং মানুহ নাছিল কাৰণে অনা-মিছিং সম্প্ৰদায়ৰ লগত ভাবৰ আদান-প্ৰদান কৰিব লগা হোৱাত অতীতত নিজৰ কথিত ভাষাবোৰে বা মৌখিক ভাষা পাহৰি গ'ল। বৰ্তমান তেওঁলোকে অসমীয়াতেই কথা-বতৰা কয় যদিও নিজস্ব জাতি সত্বা মিছিঙৰ লগত সম্পূৰ্ণ মিল থকা দেখা যায়। বিভিন্ন ভৌগোলিক কাৰণ বা ব্যৱধান থাকিবলেও বা কিছুমান খেলে আন খেলৰ লগত থাকিব বা মিল থাকে । যেনে- "বামি" গোত্ৰৰ মানুহ ময়েঙ্গীয়া খেলতো সোমাই পৰিব পাৰে। ঠিক সেইদৰে "মিয় পাংকং" গোত্ৰৰ মানুহে আয়েঙ্গীয়া খেলতো দেখা যায় বা দাম্বুক খেলতো থকা দেখা যায়। মিছিং সকলৰ মাজত, একে গোত্ৰৰ ভিতৰত চন্দ্ৰ-দিবাকৰ থকালৈকে কেতিয়াও বিয়া বাৰু হ'ব নোৱাৰে। একে গোত্ৰৰ মাজত সদায় ভাই-ককাই হৈয়েই থাকিব। পেগুৱে পেগুক, পায়েঙে পায়েঙক যুগ যুগ পাৰহৈ গলেও কেতিয়াও বিয়া কৰিব নোৱাৰে। মিছিং সকলৰ মাজত আৰু গোত্ৰ আছে। সেইদৰে বিভিন্ন গোত্ৰৰ পায়েঙ, পায়েং, পোৰতিন, পেৰমে "দলে"পেগু আদি বহুতো গোত্ৰ পোৱা যায়।



**দেহৰ গঠন** ঃ সাধাৰণতে মিছিংসকল তিব্বত বৰ্মা বা মঙ্গোলীয় জাতিৰ মানুহ। মিছিঙৰ দেহৰ গঠনবোৰ অন্যান্য মঙ্গোলীয় জাতিৰ লগত প্ৰায় মিল বা একেই বৰ ওখ বা বৰ চাপৰো নহয়। শুধা বগা নহলেও শৰীৰৰ বৰণ প্ৰায় বগা। হাত ভৰী নোদোকা আৰু শৰীৰ হৃষ্ট পুষ্ট। নাক সাধাৰণতে চুটি আৰু গাল উঠঙা, মিছিংৰ শাৰীৰিক গঠন বা দেহৰ গঠন বৈজ্ঞানিক দৃষ্টিভঙ্গিৰ ফালৰ পৰা চালেও শাৰীৰিক গঠন প্ৰনালী বেলেগ অন্যান্য জাতিৰ দেহৰ গঠন প্ৰণালীটোটকেও অলপ হ'লেও বেলেগ। কাৰণ সৰু কালৰ পৰা জখলাত উঠা নমা আৰু কঠোৰ টান কামবোৰ পৰিশ্ৰম কৰাৰ বাবে ভৰিৰ কলাফুল আৰু হাত দেহৰ গঠন নোদোকা। দেহৰ গঠন বোৰ চাই গম পাব পাৰি মিছিং জাতিৰ মানুহ ।

**সামাজিক জন জীৱন** : মিছিং সকল সাধাৰণতে কৃষিজীৱি । মিছিং সকল এক পৰিয়াল হিচাপে নাথাকে-বহুতো পৰিয়াল লগ লাগি থাকে অৰ্থাৎ যৌথ পৰিয়াল হিচাপে বাস কৰে। মিছিংসকলে সহজ সৰল হিচাপে জীৱন নিৰ্বাহ কৰে। ঘৰৰ সকলো মানুহেই মুৰব্বীজনৰ নিদ্দেৰ্শানুসাৰে চলে আৰু সন্মানো কৰে। কৃষি-কৰ্মও মুৰব্বীজনৰ পৰামৰ্শমতে কৰা হয় যদিও ঘৰৰ তিৰোতাসকলে বা লৰা ছোৱালীবোৰে ঘৰৰ কামৰ আজৰি সময়ত বেলেগ কাম যেনে-কুকুৰা, গাহৰি, পুহি, কাপোৰ বৈ আৰু সৰিয়হ আদি খেতি অৰ্থাৎ ৰিকছেঙৰ যোগেদি নিজৰ পঢ়া-শুনা বা যাৱতীয় খৰছ পাতি উলিয়াই লয়। মিছিংৰ তিৰোতা সকল পুৰুষতকৈ বেছি কঠোৰ পৰিশ্ৰমী পুৱাৰ পৰা গধুলিলৈকে ঘৰুৱা কামত ব্যস্ত থাকিও তিৰোতাসকলে নিজে বৈ কাঢ়িনিজৰ পচন্দ অনুসাৰে ৰঙ-বিৰঙৰ পোছাক আৰু প্ৰিয়জনক উৎসৱ পাৰ্বনত উপহাৰ যাচে। ঘৰখনৰ মানুহে যেনেকৈ ঘৰৰ মুৰব্বীজন সন্মান কৰি চলে তেনেকৈ বয়োবৃদ্ধ সকলক সমাজে সন্মান কৰে। গাঁৱত হাইকাজিয়া হলে বা কোনো বাইদায় জগৰ লগালে কেবাং চাপে অৰ্থাৎ সমাজ গোট খায়। সমাজত বয়োবৃদ্ধ সকলেই বিচাৰ কৰি ৰায় দান কৰে। অতীজত বিচাৰ-বিচাৰপতি আছিল গাম সকলেই।

মিছিংসকলৰ সমাজ জন-জীৱন বৰ শান্তিপূৰ্ণ । গাঁৱৰ বয়োবৃদ্ধৰ দিহা-পৰামৰ্শ আৰু উপদেশ মতেই ই সমাজখন মানি চলে। মিছিং সকলে অতিথি শুশ্ৰূষা বৰ ভাল পায়। ভাতেৰে নিজে তৈয়াৰ কৰা “আপং” নামৰ পানীয় খাদ্য ব্যৱহাৰ কৰে আৰু তাৰেই সকলো সময়ত অতিথি শুশ্ৰূষা  কৰে। মিছিং সমাজ আদিতে হিন্দু ধৰ্ম নাছিল। প্ৰাক প্ৰবজনন সময়ত ভাৰতত প্ৰৱেশ কৰি স্থায়ী বস-বাসৰ পাছৰ পৰাই হিন্দু ধৰ্ম গ্ৰহণ কৰে। সম্প্ৰতিক কালত মিছিং সকল খ্ৰীষ্টধৰ্মত দীক্ষিত হৈছে।

**পূজা-পাতল আৰু উৎসৱ** ঃ মিছিং সকল হিন্দু ধৰ্মীয় যাদিও কিছুমান নিজা পূজা সেৱা আৰু উৎসৱ আছে। মিছিংসকলে লোক বিশ্বাসত বেছি গুৰুত্ব দিয়ে। এইমতে “তালেং উদয়” বুলি ওপৰৰ দেৱতা, “দংমিৰ ” “দংবা মগলিং” তাকাৰ-দঞিত পল আদিক পূজা কৰে। মৃত আত্মাবোৰক সন্তুষ্ট কৰিবৰ বাবে আৰু গিয়াতি বুলিও ন- পুৰণিয়া সকাম পাতে। তাৰোপৰি বছৰি দুবাৰকৈ দৰ বুলি পৃথিৱীৰ পৰা পোক-পৰুৱা নিৰাপত্তা পাবৰ বাবে দৰ পূজা কৰা হয়। দবৃৰ দুইবিধ আছে।

১। সামাজিক ২। ব্যক্তিগত, ১ । সামাজিক দৰটো শস্য নিৰাপত্তাৰ কাৰণে বছৰত দুবাৰ কৰে। ব্যক্তিগত দৰ হ'ল পৰিয়ালৰ কোনো এজনে সমাজে ঘৃণ বা অপকৰ্ম কৰে । তেতিয়া তাৰ পৰা পৰিত্ৰান পাবৰ কাৰণে সেই সকাম কৰা হয়।

মিছিং সকলে কাতি, মাঘ, আৰু বহাগ বিহু পালন কৰাৰ উপৰিও আহিন কাতি মহীয়া আহুধান চপাই শেষ কৰি পৰাস (নৰাছিগা বিহু) উসৱ পাতে। ফাগুন মাহত আহুধান সিঁচিবৰ সময় সমাগতহ'লে অৰ্থাৎ ফাগুনৰ পহিলা বুধবাৰৰ দিনা “আলি আয়ে-লৃগাং উৎসৱ পাতে । এই লৃগাং উৎসৱত বছৰতোৰ কাৰণে শস্য সিঁচাৰ পৰ্ব শুভাৰম্ভ কৰে। উৎসৱৰ সময়ত প্ৰকৃতিয়ে প্ৰায় খৰাং অৱস্থাত থাকে। লৃগাং উৎসৱত প্ৰাকৃতি উৰ্বৰতা অনাৰ উদ্দেশ্যৰে উৎসৱত একতাৰে সকলোৱে বৰকাঁহ বজাই সজাগ কৰে আৰু নাচি নাচি আকাশৰ পৰা পানী নমাই আনি প্ৰাকৃতিক শস্য-শ্যামলা কৰিবলৈ সন্তুষ্ট কৰে ।

**গীত-মাত** ঃ মিছিং সমাজ গীত মাতটো পিছ পৰি ৰোৱা নাই। কামৰ সময়তে যেতিয়া দেহ বোৰ অৱস হৈ পৰে; তেতিয়া জিৰণি লোৱাৰ চলেৰে বা কাম কৰি থকা সময়তে বনগীতৰ দৰে গীত-জোৱাই। সেইগীতবোৰ কেতিয়াবা যুৱক-যুৱতীয়েও প্ৰেমৰ আৱেগিক প্ৰবনতাৰে গীত-গাই।সোত্তৰ শতিকাত পশ্চিমীয়া দেশৰ বেলাড কাব্যবোৰ দৰে। বনগীতবোৰ দুশৰীয়া-যেনে-বা-বা দমতুমতেই না-না দতুমতেই দতুম-মামিল-বনা বা গেম



গিয়েপে” পিতৃ-মাতৃ-যিমান লাগে ধন ভৰি হলেও ছোৱালীজনীক ৰাখি দিয়া নহলে মই বনবাস খাটি সন্ন্যাসী হ'ব। মাইকীবোৰক কাম কৰাৰ সময়ত কেচুৱাটোৱে আমনি কৰিলে কেচুৱাটো শুৱাবৰ বাবে গীত জোৰে-কউবা কায়ক পেকাউৱে দেমাদা-দেদ্ দং কাল্লাকউ দেঐ। বাসত চৰাই পোৱালীবোৰ-উৰা নাই, উৰিলে কান্দিবি।

**ধৰ্মীয় জন-বিশ্বাস** : মিছিং সমাজৰ কিছুমান ধৰ্মীয় জন-বিশ্বাস প্ৰচলিত হৈ থকা দেখা যায়। কুকুৰাই যদি কাণে কাণে কথা পতা নিচিনা কৰি থাকে তেন্তে ঘৰলৈ আলহি অহাৰ সম্ভাৱনা থাকে। বৰঘৰৰ মুধচত যদি কপৌৱে অকলশৰেৰে বেদনা দায়ক সুৰেৰে ৰুণদিয়ে-বিশ্বাস কৰে যে সেইঘৰৰ কোনো ওপৰিপুৰুষ মৃতকৰ

আত্মাই ভোকত থাকি কিবা এটা খোৱাৰ আশাত কপৌৰ ৰূপ ধৰি ৰুণ দিয়ে। এইমতে চাউল এমুঠি পেলাই দিয়ে আৰু খাই যাবলৈ কোৱা হয়। কাউৰীয়ে ঘৰৰ চোতালত কা কা কৰি থাকিলেও আলহি আগমনৰ সংকেত কৰে বা বিশ্বাস কৰা হয়। ভঁৰালত যদি ঘনচিৰিকা চৰাই নাথাকে তেতিয়া বিশ্বাস কৰে যে কিবা বেমাৰ আজাৰ হোৱাৰ আশংকা আছে বা সম্ভাৱনা আদি বহুতো এনেধৰণৰ জনবিশ্বাস মিছিং জনজাতি সমাজত আছে।

**ভাষা আৰু চুবুৰীয়াৰ লগত সম্পৰ্ক** : আদিতে মিছিং সকলৰ লিখিত নিজস্ব নিজা ভাষা নাই। কথিত আছে যে হ'ল জন মানসত জন বিশ্বাস যে ঈশ্বৰে দৃষ্টিৰ পাছত সকলো জাতিকেই সৃষ্টিকৰ্তাই আখৰ লিখি দিওঁতে মিছিং সকলেকে পহুছালত লিখি ল'লে। পিছত পহুছালখনত লিখি থোৱা কথাটো পাহৰি পহু ছালখন সিজাই খাই পেলোৱাত মিছিংসকলৰ আখৰ নোহোৱা এটা সুকীয়া মৌখিক ভাষা  আছে। মিছিংসকলৰ লিখিত বাযা নাথাকিলেও ওচৰ-চুবুৰীয়া যিকোনো জাতি বা উপজাতিৰ লগত বিভিন্ন খেলৰ মাজত সামান্যভাৱে ভাষাৰ লৰ-চৰ থাকিলেও প্ৰত্যেক খেলেই প্ৰত্যেক খেলৰ লগত সেই ভাষাৰে ভাৱৰ আদান-প্ৰদান কৰিব পাৰি। জাতি বা উপজাতিৰ লগত অসমীয়া ভাষাৰ যোগেদি ভাৱৰ আদান-প্ৰদান কৰে আৰু পঢ়শালীয়া শিক্ষাও লাভ কৰে। বৰ্তমান মিছিং সকলৰ ইংৰাজী বৰ্ণমালাৰ জৰিয়তে মিছিংসকলৰ লিখিত ভাষা বহুল প্ৰচাৰিত হৈছে।

মিছিংসকলৰ নিজাববীয়াকৈ ৰীতি-নীতি, আচাৰ- ব্যৱহাৰ, পূজা-উৎসৱ আৰু নিজা ভাষা থাকিলেও অন্যান্য জাতি বা জনজাতিৰ লগত আপোন সম্পৰ্ক ৰাখি চলিবলৈ ভাল পায়। আন সমাজৰ লগত খোৱা লোৱা, বিবাহ আদিত সম্পৰ্ক ৰাখিব নুখুজিলেও ওচৰ-চুবুৰীয়াৰ যিকোনো জাতি বা উপজাতিৰ লগত ঘনিষ্ঠভাৱে ভ্ৰাতৃভাৱৰ সম্পৰ্ক ৰাখি চলিব পাৰে বা চলে।

ভাৰতৰ উত্তৰ পূব-প্ৰান্তৰ সেউজীয়া পাহাৰ এৰি অতি পুৰণি কালতে চিকাৰ আৰু কৃষি বৃত্তিধাৰী হিচাপে সাৰুৱা উপত্যকা বিচাৰি নৈ বিলাকৰ পাৰে পাৰে চাপৰিৰ আৰে আৰে মিছিংসকল ভৈয়ামত আজিলৈকে সিঁচৰিত হৈ পৰাত বাসস্থানৰ কোনো ভৌগোলিক পৰিসীমা নাই। যেতিয়ালৈকে অসমৰ লুইত-সোৱণশিৰি বা নদ-নদীবোৰ চিৰ প্ৰবাহ মান হৈ থাকিব, “নৈ শুৱনি মিছিং”-জনজাতিও অসমীয়াৰ বিভিন্ন ভাষা-সাহিত্য আৰু কৃষ্টি সংস্কৃতিৰ সৃষ্টিৰ মাজতে এটা অসমীয়া সমাজৰ প্ৰধান অবিচ্ছেদ্য অঙ্গ হৈ অসমৰ চিৰ প্ৰবাহমান নদ-নদীৰ বুকুত চিৰদিন জিলিকি থাকিব।



# ডাৰেয়ী

জ্যোতি প্ৰসাদ পেগু

পূৱাৰ কাঁচিয়লি ৰ'দ পাই ৰিম ৰিমাই উঠিল মোৰ সমষ্ট গা। ফেকুৰী হৈ থকা আঙুলিবোৰ ক্ৰমান্বয়ে পোন হৈ আহিল। ৰঙা চাহ এঢোক মুখত দিলো। তৃপ্তিৰ লগতে আকাশত ফৰকালৰ দৰে হৈ উঠিল মনটো। ঢাপলি মেলিছো অৱচেতন মনত আৱদ্ধ হৈ থকা শৈশৱৰ পৰা আৰম্ভ কৰি কৈশোৰ তথা প্ৰাপ্তবয়স্কৰ কত

কথা, কত ঘটনাৰ স্মৃতিৰ ৰোমানত। শৈশৱ বোলোতে যোৰহাট জিলাৰ মাজুলী মহকুমাৰ অন্তৰ্গত প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ ব্ৰহ্মপুত্ৰৰ নিচেই কাষত লাগি থকা তেকেলী গাঁৱৰ কথাই মনলৈ আহে। ব্ৰহ্মপুত্ৰৰ বুকুৰ পাৰত বালিময় সজা দৰা কইনাৰ খেল খেলা, খেৰৰ পথাৰত খেৰ কাটি ওখ ওখকৈ শৃংগৰদৰে ড'ম বনোৱা খেৰবোৰত লুকাই লুকাভাকু খেলা, আইতাৰ কোলাত বহি আপঙৰ তৃপ্তি লোৱা, দুষ্ট কৰিলেই মায়ে গাত এছাৰি দিয়া, আবেলি হ'লেই ঘৰৰ আগফালৰ খেল পথাৰত ফুটবল খেলাৰ আমেজ লোৱা, এটা ৰাতিৰ ভিতৰত গৰাৰ খহনীয়া চুমাত ঘৰ-বাৰী পানীত জাহ যোৱা ইত্যাদি কথাবোৰ দোলা দি যায় কোনোৱা মনৰ এচুকত । অস্তিত্ব আৰু স্থায়ী শব্দৰ পাৰ্থক্যৰ উমান বিচাৰি কেতিয়াবা উমাল হৈ যাওঁ। পৰিৱৰ্তনৰ আচল শব্দ বিচাৰি অভিধানৰ পাত লুটিয়াও । আপুনি কোন মই চিনি নাপাওঁ । হলেও আপোনাক সুধিছো। আপুনি বাৰু কোনটো পৰিবৰ্তনৰ সংজ্ঞাৰ ....... চৌপাশৰ মাটি, পানী, বায়ুৰ লগতে পৰিৱেশ সমাজৰ বাবে সুৰক্ষিত হৈ ন ন প্ৰযুক্তিবিদ্যাৰ জৰিয়তে আধুনিকতাৰ পৰিবৰ্তনে মোৰ চৌপাশত বসবাস ভেকেলী গাঁওখন ব্ৰহ্মপুত্ৰৰ গৰা খহনিয়াৰ আক্ৰমণত ছিন্ন ভিন্ন হৈ বৰ্তমান এটা দ্বীপৰ মাজত বসবাস কৰি থকা গাঁৱৰ পৰিবৰ্তন। (অৱশ্যে আপোনাৰ দৃষ্টিত বিভিন্ন ধৰণৰ পৰিবৰ্তন হ'ব পাৰে। ভেকেলী গাঁওখন মাত্ৰ এটা উদাহৰণ)

পাৰ হৈ অহা দিনবোৰৰ কত কথা আৰু ঘটনাবোৰৰ হিচাপ বিচাৰি মোৰ দিনপঞ্জীত লিপিবদ্ধ হৈ থকা দিনপঞ্জীৰ প্ৰতিটো পাঠৰ সৈতে মিতিৰালি পাতিছো। মাজে মাজে মুখৰ পৰা এপলক হাঁহি, অলপ চকুলো, অলপ হুমুনিয়াহ আৰু কেতিয়াবা অনাবিল সুখৰ মাজত নিমজ্জিত হওঁ। প্ৰতিটো পাঠৰ হিচাপৰ অন্তত বেছিকৈ আত্মীয়তা সম্বন্ধৰে থিতাপি লাৱা এটা কথাই বাৰে বাৰে আমনি দি গলহি মোৰ মনৰ পৃথিৱীত ।

২৬-০১-১১ তাৰিখ। ৰাতিপুৱা সাতমান বজাত বিমান খুড়াই জাঁজীমুখলৈ মৃদুল দলৈৰ নেতৃত্বত লায়ন্স ক্লাৱৰ সহযোগত N.G.O ৰ উদ্যোগত আয়োজন কৰা বিনামুলীয়া স্বাস্থ্য শিবিৰলৈ লগ ধৰিলে ময়ো ভালেই পালো। যিহেতু N.G.O ৰ লগত জড়িত হোৱাৰ সপোন এটা পুহি ৰাখিছিলো। বিমান খুড়া, লক্ষী মামা, নয়ন দা, দেৱ আমি সকলোৱে প্ৰশান্তদাৰ ইণ্ডিকা গাড়ীখনৰে মৰিয়নী সোণোৱালৰ পৰা টীয়ক জাঁজীমুখ অভিমুখে ৰাওনা হ'লো । গন্তব্য স্থান পাওতে অলপ দেৰিয়েই হৈছিল। হয়তো সেইকাৰণেই ৰোগীৰ সংখ্যাও সেৰেঙা হোৱা দেখিছিলো। স্বাস্থ্য শিবিৰত সোমায়েই প্ৰথমতে লক্ষ্য কৰিছিলো ৰোগী আৰু ৰোগীৰ লগত অহা মানুহবোৰৰ মুখমণ্ডলবোৰ। বিনামুলীয়া স্বাস্থ্যসেৱাৰ পাইয়ো তেওঁলোকৰ মুখমণ্ডলত ফুটি উঠা নাছিল আনন্দ উল্লাস অথবা নাপাইও পোৱাৰ বাবে অলপ সকাহ। তাৰ বিপৰীতে সকলো সময়তে দেখা দিছিল শুকান মুখমণ্ডলবোৰত নৰকৰ পৃথিৱীৰ পৰা উদ্ধাৰ পোৱাৰ যন্ত্ৰণা। হয় তেওঁলোকৰ কথাই কৈছো, ব্ৰহ্মপুত্ৰৰ কাষে কাষে বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠিৰ সহজ-সৰল মানুবোৰৰ কথা। আজি উন্নতিৰ জয় গান গাই ফুৰা ৰাজ্যখনত এচাম মানুহ কিদৰে বসবাস কৰি আছে। ইয়াৰ পৰাই প্ৰমাণ হয় যে এই ৰাজ্যখনৰ বিকাশৰ জখলাডাল কিমান ওপৰত। যোৰহাট জিলাৰ নিচেই কাষতে লাগি থকা জাঁজীমুখ অঞ্চলৰ ৰাস্তা-পদুলিৰ দুৰৱস্থা দেখিলে আপুনিও ভাবিবলৈ বাধ্য হ'ব যে আমি কোনখন ৰাজ্যত বসবাস কৰি আছো। সেইমানুহবোৰৰ জীৱিকা নিৰ্বাহৰ একমাত্ৰ সম্বল খেতি পথাৰবোৰ। ৭০-৮০ শতাংশই খেতিৰ পথাৰবোৰ বৰ্তমান বালিৰ তলত পুত গৈছে। যি বাকী আছে এটা বানপানীয়ে সময়ত প্ৰায় কাঢ়ি লৈ যায়। এইবোৰ সমস্যাৰ সমাধান নহ'বনেকি? সেইবোৰ সমস্যাৰ সমাধানৰ সূত্ৰই নাইনেকি? নে সমস্যা সমাধানৰ সূত্ৰ থাকিও সমস্যাৰ যন্ত্ৰণাত ককবকাই থকা সেইমানুহবোৰৰ ৰং চায়েই সন্তুষ্টি লভিম। তাৰ কাৰণে জগৰীয়া কোন? আমি সকলোৱে নে আন কোনোৱা এইবোৰ কথাকে ভাৱি ভাৱি নৈৰ কাষতে N.G.O ৰ সকলো মানুহবোৰক ভোজ খুওৱাৰ উদ্দেশ্যে আয়োজন কৰা স্থানলৈ সকলোৱেই আগবাঢ়িলো। কেইটামান ব্যঞ্জনেৰে তৃপ্তি লগাকৈ বনোৱা তৰকাৰি খাই ভাল লাগিল যদিও বাবে বাৰে তেওঁলোকৰ শুকান মুখবোৰ ভাঁহি আহিছিল মোৰ চকুৰ আগত। চাৰিটামান বজাত বুজাব নোৱাৰা অবুজন মন এটা লৈ ঘৰলৈ উভতিলো। এই খিনিতে N.G.O ৰ মানুহবোৰক ধন্যবাদ জ্ঞাপন কৰিছো এইখিনি পদক্ষেপ লোৱাৰ বাবে।



# মিচিং বাঃনৗ কৗবাংইতিহাস
# আৰু
# কুলাজান বাঃনৗ কৗবাংঙৰ ৰেঙণি

ৰূপনাথ পেগু
ডিব্ৰুগড়

শদিয়াৰ পৰা বুৰৈ-বুৰুলী-(ভৰলী)লৈকে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে সিঁচৰিত হৈ থকা মিছিংসকল বৰ্তমান অসমৰ দ্বিতীয় সৰ্ববৃহৎ জনজাতীয় জনগোষ্ঠী। প্ৰায় ১২ শ শতিকা মানতে পুৰণি অসমৰ উত্তৰ পূবৰ পাহাৰীয়া অঞ্চলৰ পৰা ভৈয়ামলৈ নামি আহি তেতিয়াৰ চুতীয়া ৰাজ্যৰ প্ৰজা হিচাবে থিতাপি লৈছিল। সেই সময়ত ভৈয়ামৰ মানুহে মিছিংসকলক মিৰি বুলিহে জানিছিল। কিন্তু মিছিং সকলে নিজকে “মিছিং” বুলিহে চিনাকি দিছিল। সেয়েহে ভাষাবিদ জে.এফ. নিধামে "The shaiyang Mirigram- mar" খনত এইদৰে উল্লেখ কৰিছে— "The Miris called themselves Mishings"। কিন্তু মিৰি শব্দই ভৈয়ামত ইমানেই প্ৰচাৰ লাভ কৰিছিল, যাৰ ফলত মিছিঙৰ বংশগত “মিছিং” শব্দ বহুদিনলৈ তল পৰি ৰবলগীয়া হৈছিল। আনকি ভাৰতীয় সংবিধানতো “মিৰি” শব্দই স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। এতিয়া বাঃনে কেবাঙে ইয়াৰ শুধৰণিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাটো সময়ৰ আহ্বান আৰু মিছিং ৰাইজে ইয়াক আন্তৰিকতাৰে কামনা কৰে। মিছিং আগম কেবাঙে উদ্যোগ লোৱা বুলি গম পাইছো ।

চুতীয়া ৰাজ্য আহোম ৰাজ্যৰ অন্তৰ্ভূক্ত হোৱাৰ পাচত “**চুতীয়া মিৰি**” নামেৰে মিছিংসকল আহোম ৰাজ্যৰ প্ৰজা হিচাবে বৃটিছ শাসনৰ সময়লৈকে নিজৰ কথিত ভাষা আৰু কৃষ্টি-সংস্কৃতি বৰ্তাই ৰাখি শান্তিপ্ৰিয় জনগোষ্ঠী হিচাবে বসবাস কৰি আছিল। এই সমস্ত সময়ছোৱাত অসমৰ অন্যান্য জনগোষ্ঠীৰ লগত মিছিংসকলো অনাক্ষৰি অৱস্থাতে জীৱন-যাপন কৰিছিল। আনকি বৃটিছ শাসনৰ শেষলৈকে মিছিং সমাজত পঢ়া-শুনাৰ বাবে কোনো ধৰণৰ পৰিবেশ গঢ়ি উঠা নাছিল। যি কি নহওঁক ১৯৪৭ চনত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ সময়লৈকে ৭ গৰাকী মিছিং যুৱকে স্নাতক ডিগ্ৰী লাভ কৰিছিল আৰু শ্ৰীমতী পাৰ্বতী পেগু (দলে) সহ ১২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে মেট্ৰিকুলেট হৈছিল বুলি ডাঃ নুমল পেগুৱে “মিছিংসকলৰ ইতিবৃত্ত আৰু সংস্কৃতি”ত উল্লেখ কৰিছে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনে মিছিংসকলৰো জাতীয় চেতনা জাগৃত কৰিলে। সংখ্যাত তাকৰ হ'লেও সেইসময়ৰ মিছিঙৰ শিক্ষিত চামে ব্ৰহ্মপুত্ৰ উপত্যকাত সিঁচৰিত হৈ থকা অশিক্ষিত মিছিংসকলক একত্ৰিত কৰি শিক্ষাৰ পোহৰ বিলাবলৈ যথেষ্ট কষ্ট স্বীকাৰ কৰিছিল। সেইসকল মিছিঙৰ চিৰনমস্য অগ্ৰজসকলৰ দূৰদৰ্শী চিন্তাৰ ফচল আজিৰ চাম মিছিঙে ভোগ কৰিছে। অকল শিক্ষাৰ ক্ষেত্ৰতে নহয়, ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতিৰ উত্তৰণৰ ক্ষেত্ৰতো চিন্তা-চৰ্চা আৰম্ভ কৰিছিল। পিচপৰা মিছিং জনগোষ্ঠীটো সকলো দিশত আগবঢ়াই নিবলৈ এখন জাতীয় মঞ্চৰ প্ৰয়োজনীয়তাৰ কথা উপলব্ধি কৰিছিল। সেয়েহে চাৰু চন্দ্ৰ দলে আৰু মুহিচন্দ্ৰ মিৰি (পাটিৰ) দেৱৰ উদ্যোগত আৰু বহুতো শিক্ষিত- অশিক্ষিত নিঃস্বাৰ্থ কৰ্মীৰ উদ্যমত ১৯২৪ চনত “সদৌ মিৰি সন্মিলন” নামে এটা জাতীয় মঞ্চ গঠন কৰা হৈছিল। ইতিহাসৰ পাতত সেইখনেই মিছিঙৰ প্ৰথম জাতীয় সংগঠন। সেই সন্মিলনৰ প্ৰথমখন অধিবেশন মাজুলীৰ গেজেৰা গাঁৱত গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হৈছিল। সেই সময়ত স্থায়ী সভাপতি নোহোৱাত অধিবেশনবোৰৰ মুকলি সভাৰ সভাপতি হিচাবে সন্মানীয় ব্যক্তিসকলক আমন্ত্ৰণ কৰি অনা হৈছিল। দ্বিতীয়খন অধিবেশন ১৯২৮ চনত চাৰি বছৰৰ পাছত ডিব্ৰুগড়ৰ নামঘৰীয়া মিৰি গাঁৱত অনুষ্ঠিত হৈছিল। মুকলি সভাৰ সভাপতিত্বৰ আসন শুৱনি কৰিছিল মিছিঙৰ সুযোগ্য সন্তান মুহিচন্দ্ৰ মিৰি (পাটিৰ) দেৱে । তাৰ পৰৱৰ্তী অধিবেশনবোৰত মি. এচ. চি. টলষ্টয়, ম. মহিবুদ্দিন, সৰ্বেশ্বৰ বৰুৱা, বাগ্মীবৰ নীলমণি ফুকন, চাৰ ম. ছাদুল্লা, কুলধৰ



চলিহা আদিয়ে সদৌ মিৰি সন্মিলনৰ সভাপতিৰ আসন শুৱনি কৰিছিল। এইদৰে ৩১ বছৰত ১৮ বাৰ সদৌ মিৰি সম্মিলনৰ অধিবেশন অনুষ্ঠিত হৈছিল ।

১৯৫৫ চনত পুনৰ মাজুলীৰ গেজেৰা গাঁৱত অনুষ্ঠিত ১৯ তম অধিবেশনত "মিৰি সন্মিলন"ৰ নাম মিছিং নামকৰণেৰে “মিছিং বানে কেবাং” নামেৰে নামকৰণ কৰা হয়। সেইখন অধিবেশনতে বানে

কেবাঙৰ সংবিধান (নিয়মাৱলী প্ৰস্তুত কৰি গ্ৰহণ কৰা হৈছিল। নিয়মাৱলী অনুসৰি স্থায়ী সভাপতিৰ নিয়ম প্ৰচলন কৰে আৰু প্ৰথম সভাপতিৰূপে শ্ৰীযুক্ত মাল চন্দ্ৰ পেগুক নিৰ্বাচন কৰে। ১৯৫৫ চনৰ পৰা ১৯৬৬ চনলৈ ১১ বছৰত ৩ টা অধিবেশন অনুষ্ঠিত হৈছিল। ২২ তম অধিবেশনত তৰুণ চন্দ্ৰ পামে গাম সভাপতি হিচাবে নিৰ্বাচন কৰা হৈছিল। বিভিন্ন কাৰণত তেখেতৰ কাৰ্য্যকালত বহুবছৰ বানে কেবাঙৰ কাম-কাজ স্থবিৰ হৈ পৰিছিল। তেনে অৱস্থাৰ পৰা উদ্ধাৰ কৰিবলৈ আৰু বানে কেবাক আগৰ ৰূপত গতি দিবলৈ ১৯৬৬ চনত বৰ্তমান ধেমাজী জিলাৰ কুলাজান গাঁৱত বানে কেবাঙৰ ২৩ তম অধিবেশখন অনুষ্ঠিত কৰিবলৈ তেতিয়াৰ অসম বিধান সভাৰ উপ-মন্ত্ৰী লিলিত কুমাৰ দলে দেৰে বিশেষভাৱে উদ্যোগ লৈছিল।

**ঐতিহাসিক কুলাজান অধিবেশন** : ১৯৬৬ চন। ফেব্ৰুৱাৰী মাহ। ২৩ তম অধিবেশন মিছিং বানে কেবাং স্থান বৰ্তমান ধেমাজী জিলাৰ কুলাজান গাঁও। অধিবেশন ১৯৬৬ চনৰ ৪ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱাৰ কথা। উপ- মন্ত্ৰী ললিত চন্দ্ৰ দলেক সভাপতি, পুষ্পধৰ পেগুক উপ- সভাপতি, শঙ্খনাথ দলেক সাধাৰণ সম্পাদক আৰু *আতৰ সিং দলে আৰু ভুগোল চন্দ্ৰ টায়েক যুটীয়া সম্পাদক হিচাপে লৈ ৮৬ জনীয়া বিশাল সভ্যদ্বাৰা গঠিত এখনি শক্তিশালী অভ্যৰ্থনা কমিটি গঠন কৰা হৈছিল। লগতে ২০ জনীয়া বিত্ত উপ-কমিটি, ৩০ জনীয়া প্ৰদৰ্শন, প্ৰচাৰ, সাংস্কৃতিক আৰু ভি, আই পি অভ্যৰ্থনা কমিটিৰ উপ-কমিটি, ২৬ জনীয়া পেণ্ডেল আৰু পানী যোগান উপ-কমিটি ১৭ জনীয়া খাদ্য আৰু বিতৰণ উপ-কমিটি আৰু ৫ জনীয়া বিজুলী যোগান আৰু স্থানীয় প্ৰচাৰ উপ-কমিটি গঠন কৰা হৈছিল। ৬ তাৰিখৰ মুকলি অধিবেশনত প্ৰয়াত ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহেৰৰ সুযোগ্যা তনয়া ৰাজ্যসভাৰ সদস্যা তথা কেবিনেট মন্ত্ৰী (ইনফৰমেশন এণ্ড ব্ৰডকাষ্টিং ইন্দিৰা প্ৰিয়দৰ্শনী গান্ধী মুখ্য অতিথি হিচাপে যোগদান কৰাৰ কথা। অভ্যৰ্থনা সমিতিয়ে সভাৰ গুৰুত্ব আৰু গাম্ভীৰ্যৰ প্ৰতি লক্ষ্য ৰাখি একোতে সুৰুঙা ৰাখিবলৈ বিচৰা নাছিল। কাৰণ ইন্দিৰা গান্ধীৰ যোগদানৰ বাতৰিয়ে গোটেই পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ গুৰুত্ব বঢ়াই তুলিলে। অসম, নেফা, নগালেণ্ড আদি চুবুৰীয়া ৰাজ্য কেইখনৰ প্ৰশাসনৰো থৰকাচুটি হেৰুৱা অৱস্থা। বিশেষকৈ নেফাৰ পাঃদাম, গালং আৰু মিঞংসকলে বঙহৰ ঘৰত অৰ্থাৎ মিছিঙৰ অধিবেশন, তাকো ইমান ডাঙৰকৈ হ'ব বুলি জানি উবুৰি খাই পৰিল। ভাৰত চৰকাৰৰ গৃহ দপ্তৰৰ সংসদীয় সচিব আৰু নেফা অঞ্চলৰ অবিসম্বাদী নেতা, মিছিং সম্প্ৰদায়ৰ অতিকে আপোন বুলি জনাজাত দায়িং ইৰিঙৰ নেতৃত্বত নেফাবাসীয়ে অ-কৃপনে সহায়ৰ হাত আগবঢ়াইছিল। তেনে প্ৰস্তুতিৰ মাজতে স্থবিৰতা। কাৰণ ভাৰতৰ প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ আকস্মিক দেহাৱসানৰ পাচত ইন্দিৰা গান্ধীক প্ৰথম মহিলা আৰু ৰাজ্যসভাৰ সদস্যৰ পৰা প্ৰধানমন্ত্ৰী হিচাবে নিৰ্বাচন কৰা হৈছিল। এতিয়া প্ৰধানমন্ত্ৰী হিচাবে অধিবেশনলৈ আহিব নে নাই। হেজাৰজনৰ হেজাৰ প্ৰশ্ন। স্বয়ং অভ্যৰ্থনা সমিতিৰ সভাপতি ললিত কুমাৰ দলেৰ দুদুল্যমান অবস্থা। কিন্তু সেই স্থবিৰ অৱস্থা বেছি দিন নাথাকিল। হেজাৰ জনৰ হেজাৰ প্ৰশ্নৰ উত্তৰ আহিল । সেই উত্তৰে অভ্যৰ্থনা সমিতিক বাৰুকৈ সকাহ দিলে। উত্তৰ আহিল, ভাৰতবৰ্ষৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী ইন্দিৰা প্ৰিয়দৰ্শনী গান্ধী ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাবে ২৩ তম মিছিং বানে কেবাঞ্জৰ মূল অধিবেশনৰ মুকলি সভাত যোগদান কৰিবলৈ আহিব। ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে যোগদান কৰিবলগীয়া মুকলি সভাৰ সভাপতিৰ আসন শুৱনি কৰিব মিছিং বানে কেবাঙৰ স্থায়ী সভাপতি, মিছিং সমাজৰ সুযোগ্য সন্তান, একেৰাহে কবি, নাট্যকাৰ, চিন্তাশীল লিখক তথা সমাজসেৱক তৰুণ চন্দ্ৰ পামেগামে। তেনে ঐতিহাসিক দিন আৰু কেতিয়াও নাহে।অভ্যৰ্থনা সমিতিৰ কাম পূৰ্ণ উদ্যমেৰে চলিল। সকলোৰে সন্মানৰ প্ৰশ্ন জড়িত হ'ল। মিছিং সমাজৰ সন্মান প্ৰশ্ন। গোটেই সমাজখনেই জড়িত হ'বলগীয়া হ'ল। শদিয়াৰ পৰা ভৰলীলৈকে মিছিংসকল উধাতু খাই লৰি আহিল। প্ৰধানমন্ত্ৰী আহিব। অসম প্ৰদেশৰ সন্মানৰ কথা।
জড়িত হ'বলগীয়া হ'ল অসমৰ প্ৰশাসন যন্তোও । উত্তৰ পূবাঞ্চলৰ



সন্মানৰ প্ৰশ্নও আহিল। উধাতু খাই লৰি আহিল নগালেণ্ড, মিজোৰাম, নেফা আদি চুবুৰীয়া প্ৰশাসন যন্ত্ৰৰ লগতে নেফা আৰু নাগালেণ্ডৰ জনসাধাৰণে সহায়ৰ হাত আগবঢ়াবলৈ । গণ শিল্পী ভূপেন হাজৰিকা আহিল সাংস্কৃতিক সন্ধ্যা তদাৰক কৰিবলৈ। মিছিং ডেকাটি হৈ পেম্পা বজায় কুলাজানৰ নিশা সুৰেৰে সজাবলৈ। বিশাল পেণ্ডেল তৈয়াৰ কৰা হ'ল। হেজাৰ হেজাৰ মানুহ খাব পৰাকৈ খোৱা যোগাৰ কৰিলে। বিজুলী চাকিৰ পোহৰেৰে গোটেই

অঞ্চল ৰাতিক দিন কৰিলে। প্ৰধানমন্ত্ৰীৰ হেলিকেপ্টাৰ অৱতৰণ কৰিবলৈ যুদ্ধকালীন প্ৰস্তুতিৰ হেলিপেড় নিৰ্মাণ কৰিলে। উপস্থিত ৰাইজক খুৱাবলৈ ছাই মদ, গাহৰি মাংস, কুকুৰা, ছাগলী মাংস আৰু মাছ উভৈনদী কৰা হ'ল। নেফা প্ৰশাসনৰ পৰা সহায় হিচাবে দিয়া মেঠুন বিশাল ৰভাতলিৰ কাষত বান্ধিলে। সেইদৰে প্ৰস্তুতি তুঙ্গত আগবাঢ়িল। অপেক্ষা মাথোন ঐতিহাসিক ৪ ফেব্ৰুৱাৰী দিনটোলৈ।

২ ফেব্ৰুৱাৰীৰ পৰাই দূৰ-দূৰণিৰ প্ৰতিনিধিসকল নিজৰ নিজৰ বিচনা পত্ৰ লৈ হাজিৰ হ'ল অধিবেশন থলিত। ট্ৰাকে ট্ৰাকে মানুহ, কেৱল মানুহ। অওঁহী-বওঁহী থকাসকলে আগৰ পৰাই কুলাজান, মাথুৰা কান্দুলি গাঁৱৰ প্ৰতিটো ঘৰত থকা খোৱাৰ ব্যৱস্থা কৰিলে। ৩ আৰু ৪ ফেব্ৰুৱাৰী দুয়োটা দিনেই অকল মানুহ অহাৰ দিন। কুলাজান গাঁও, মথুৰা কান্দুলি, চৰদাৰ চুক গাঁও, টঙানী মাজগাঁও, পাতিৰি গাঁও, গেলুৱা গাঁও, দীঘলী চাপৰি গাঁও, পিয়াং গাঁও, চিতলমাৰী আদি গাঁওবোৰত মানুহৰ ভীৰ দি বাট নোপোৱা অৱস্থা। আনকি ভঁৰালৰ চাঙৰ তলতো ঠাই নোজোৰা হ'ল। তেনেধৰণৰ অভূতপূৰ্ব জনসমাগম দ্বিতীয়বাৰৰ বাবে ভূপেন হাজৰিকাৰ মৃত্যুৰ সময়ত দূৰদৰ্শনৰ পৰ্দাত প্ৰত্যক্ষ কৰিছিলো। ভূপেন হাজৰিকাৰ মৃত্যুৰ সময়ত হোৱা জনসমাবেশ পৃথিৱীৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰিছিল বুলি বাতৰিত পৰিবেশন কৰা হৈছিল। দ্বিতীয় স্থানত ইংলেণ্ডৰ যুৱৰাণী লেডী ডায়নাৰ মৃত্যুৰ সময়ত হোৱা জনসমাবেশ বুলি জনা গৈছে। কিন্তু কোনে সাক্ষী দিব কুলাজান বানে কেবাঙৰ জনসমাবেশ। কাৰণ ই এক মানুহৰ যেন মহাসাগৰ।

কুলাজান বানে কেবাং আৰু এটা দিশত তাৎপৰ্য্য বহন কৰে। সেইটো হৈছে, কুলাজান বানে কেবাঙতে বোধহয় পোন প্ৰথমবাৰৰ বাবে এখনি আটকধুনীয়া স্মৃতি গ্ৰন্থ প্ৰকাশ কৰিছিল। তাৰ আগতে কোনো এখন বানে কেবাঙৰ অধিবেশনত তেনেধৰণৰ স্মৃতি গ্ৰন্থ প্ৰকাশ কৰাৰ কথা শুনা নাযায়। ভাৰতৰ ৰাষ্ট্ৰপতি ড০ এছ ৰাধাকৃষ্ণনৰ দৰে মনিষীৰ শুভেচ্ছা বাণী সমৃদ্ধ আৰু মিছিং সমাজৰ উত্তৰণৰ বাবে স্বাৰ্থ ত্যাগ কৰা মিছিং উত্তৰ-পুৰুষসকলৰ ফটো সম্বলিত স্মৃতি গ্ৰন্থখনত স্বনামধন্য সৰ্বানন্দ ৰাজকুমাৰ, ইন্দিৰা মিৰি, মাল চন্দ্ৰ পেগু, তৰুণ চন্দ্ৰ পামেগাম, মনেশ্বৰ পাঞ্চাং, কটকী, চকভাল কাগয়ুং ৰঘুনাথ পামেগাম, নন্দেশ্বৰ পামেগাম আদিৰ গৱেষণামূলক প্ৰৱন্ধ, ভূপেন পেগুৰ সুন্দৰ এটি কবিতা আৰু ভূপেন হাজৰিকাৰ কালজয়ী গীত "দিচাংমুখৰ নিশা" আদিয়ে ঠাই পাইছিল। ৰাষ্ট্ৰপতিয়ে তেখেতৰ বাণীত এইদৰে কৈছিল— "মই শুনি সুখী হৈছো যে সদৌ অসম মিৰি সন্মিলনৰ ত্ৰয়োবিংশ অধিবেশন নতুন বছৰত কুলাজান মিৰি গাঁৱত অনুষ্ঠিত হ'ব আৰু এই অধিবেশনত নগালেণ্ড, মণিপুৰ, নেফা আদি অঞ্চলৰ প্ৰতিনিধিসকল সমবেত হৈ পূৰ্বাঞ্চলৰ বিভিন্ন জনজাতি আৰু সম্প্ৰদায়ৰ সন্মুখত বৰ্তমান জাতীয় জৰুৰীকালীন পৰিস্থিতিৰ কঠিন সময়ছোৱাত দেখা দিয়া সমস্যাৱলী আলোচনা কৰিব। মোৰ এইটো নিশ্চিত ধাৰণা যে বানে কেবাঙৰ আগন্তুক অধিবেশন সেই অঞ্চলত থকা আমাৰ ৰাইজৰ মাজত অধিক মিলা-প্ৰীতিৰেই সূচনা কৰিব এনে নহয়, পূৰ্বাঞ্চলৰ জনজাতীয় ৰাইজে আমাৰ মাতৃ-ভূমিৰ প্ৰতিৰক্ষাৰ নিমিত্তে কেনে বৃহৎ বৰঙণি আগবঢ়াব পাৰে সেই বিষয়েও বিবেচনা কৰাৰ সুবিধা আগবঢ়াব ।

**এই সন্মিলনত যিসকলে যোগদান দিব সেইসকললৈ ওলগ জনালো; আৰু তেওঁলোকৰ আলোচনা কৃতকাৰ্যতাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিলো।**

**—স্বাঃ এছ. ৰাধাকৃষ্ণন।**

১৯৬২ চনৰ চীন-ভাৰত যুদ্ধৰ কেঁচা তেজৰ গোন্ধ তেতিয়াও মাৰ যোৱা নাই। চীনৰ লুলোপ দৃষ্টিৰ বাবেই ৬২ চনৰ যুদ্ধ। পৰিণাম পূৰ্বাঞ্চলৰ ৰাজনৈতিক পৰিস্থিতি বৰ বেয়াকৈ বিধ্বস্ত হৈ পৰিছিল। সেয়েহে তাৰ পৰা পৰিত্ৰাণ পাবলৈ পূৰ্বাঞ্চলৰ জনগোষ্ঠীসমূহৰ একতা আৰু ভাৰত ৰাষ্ট্ৰৰ প্ৰতি থকা চেনেহৰ এনাজৰি দাল অতিকৈ প্ৰয়োজন হৈ পৰিছিল। তেনে পৰিবেশ আৰু পৰিস্থিতিত কুলাজানত বহা অধিবেশনে সঁচাকৈ তাৎপৰ্য্যপূৰ্ণ আছিল। সেয়েহে সকলোৱে গুৰুত্ব সহকাৰে সহায়ৰ আগ বঢ়াইছিল।



তেতিয়াৰ অসমৰ ৰাজ্যপাল বিষ্ণু সহায়, মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা, প্ৰতিৰক্ষা মন্ত্ৰী ৱাই. বি. চৱন, প্ৰাক্তন কংগ্ৰেছ সভাপতি ইউ. এন. দেৱৰ, পাৰ্লিয়ামেন্টৰী সচীব ডাইং ইৰিং, অসমৰ ৰাজহ মন্ত্ৰী সিদ্ধি নাথ শৰ্মা, অসমৰ স্বাস্থ্যমন্ত্ৰী বৈদ্যনাথ মুখাৰ্জী, যোগান মন্ত্ৰী ৰূপনাথ ব্ৰহ্ম, কৃষিমন্ত্ৰী মইনুল হক চৌধুৰী, ৰাজ্যিকমন্ত্ৰী গিৰীন্দ্ৰ নাথ গগৈ,

পঞ্চায়ত উপমন্ত্ৰী যোগেন্দ্ৰ নাথ হাজৰিকা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা মাদ্ৰাজৰ প্ৰাক্তন ৰাজ্যপাল বিষ্ণু ৰাম মেধী, শিক্ষা উপ-মন্ত্ৰী কমল কুমাৰী বৰুৱা, ৰাজ্যিক মন্ত্ৰী ই.এম.চাংমা, উদ্যোগ মন্ত্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, অসম বিধান সভাৰ অধ্যক্ষ মহেন্দ্ৰ মোহন চৌধুৰী আদিৰ শুভেচ্ছা বাণী ফটোসহ স্মৃতি গ্ৰন্থখনি সন্নিৱিষ্ট কৰা হৈছিল। ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সেই সময়ত কুলাজান অধিবেশনৰ গুৰুত্ব যে কিমান আছিল সেই মহান ব্যক্তিসকলৰ শুভেচ্ছা বাণীয়ে তাকেই প্ৰতিপন্ন কৰিছিল। সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিয়ে মিছিংজন গোষ্ঠীৰ দৰে পিচপৰা সমাজৰ জাতীয় অধিবেশনৰ গুৰুত্ব বহু গুণে বঢ়াইছিল আৰু ৰাষ্ট্ৰীয় শাসক গোষ্ঠীয়েও গুৰুত্ব দিবলৈ বাধ্য হৈছিল।

যাহওঁক, মিছিং সমাজৰ নেতৃস্থানীয় লোকসকলৰ নিঃস্বাৰ্থ ত্যাগ, ৰাজ্য প্ৰশাসনৰ অকুণ্ঠ সহায়-সহযোগ আৰু নেফাৰ নিজৰ বঙহসকলৰ অকৃপন বৰঙণীৰে ৪ ফেব্ৰুৱাৰী পৰা আৰম্ভ হ'ল অধিবেশনৰ মূল কাৰ্যসূচী। পুৱা পতাকা উত্তোলনেৰে আৰম্ভ হোৱা সভাখন সেইদিনা চাফাই কাম, অতিথি আপ্যায়ন আৰু গধূলিলৈ প্ৰতিনিধি সভা। ৫ ফেব্ৰুৱাৰীৰ দিনাও গতানুগতিক কাৰ্য্যসূচীৰে অধিবেশনৰ কাম আগবাঢ়িছিল। ৰাতিলৈ সাংস্কৃতিক কাৰ্যসূচী। মিছিং ডেকা-গাভৰুসকলে নিজৰ স্বকীয় সাজ-পোচাক পৰিধান কৰি গুমৰাগ নৃত্য প্ৰদৰ্শন কৰিছিল। অসম ৰত্ন ভূপেন হাজৰিকা সাংস্কৃতিক সন্ধ্যাৰ মূল মানুহ। সুৰেৰে সজাই তুলিছিল কুলাজানৰ সেই নিশাটি। মিছিং ডেকাটি হৈ মিবুগালক পিন্ধি গোৱা গীতৰ সুৰত উপস্থিত ৰাইজ আত্মহাৰা হৈছিল। অই আপ্‌পুন গনেশ পেগুৰ কথাই সুকীয়া। ভূপেন হাজৰিকাৰ অতিকৈ প্ৰিয়, মিছিংৰ ভূপেন হিচাবে জনাজাত গনেশ পেগুৱে মঞ্চত উঠি এপাক নাচিলে। আনন্দতে হেজাৰ হেজাৰ উপস্থিত জনতাৰ হাত চাপৰি। ৰাতি দুভাগলৈ চলিল কাৰ্যসূচী। নচলিবইবা কিয় ? জনতাই তেনেকৈ গোটে ৰাতি কটাব লাগিব। কাৰণ শুবলৈ ঠাই নাই। আগতেই উল্লেখ কৰিছো অঞ্চলৰ চাৰি পাঁচখন গাঁৱৰ ভঁৰাল ঘৰৰ চাঙৰ তলতো শুবলৈ ঠাইৰ অভাৱ হ'ল। হাজাৰ হাজাৰ জনতা বিশাল ৰভাতলিতে বিনিন্দ্ৰ ৰজনী কটাই দিছিল। তেতিয়া এটা কথা মন কৰিছিলো, তেনে জনস্ৰোতৰ মাজতো মিছিংসকলে শৃঙ্খলাবদ্ধতা বৰ সুন্দৰকৈ বজাই ৰাখিছিল। অতীতৰ পৰা গণতান্ত্ৰিক পদ্ধতিৰে জীৱন- যাপন কৰা সহজ-সৰল মিছিংসকলৰ সেই সময়ৰ একতা আৰু শৃঙ্খলাবদ্ধতাই সকলোকে বাৰুকৈ আচৰিত কৰিছিল। ৬ ফেব্ৰুৱাৰী। পূব আকাশত দিনটোৰ শুভবাৰ্তা কঢ়িয়াই বেলিটো ন-বোৱাৰীৰ কপালৰ ৰঙা ফোটটোৰ দৰে ওলাই আহিছিল। আকাশত এটুকুৰা ডাৱৰৰ চিন নাছিল। ফেব্ৰুৱাৰী মাহৰ ফৰকাল বতৰ। সেইদিনাই বানে কেবাঙৰ মুকলি অধিবেশন। পুৱাৰ পৰাই মিছিং ডেকা-গাভৰুৱে স্বকীয় সাজপাৰ পিন্ধি ৰভাতলিলৈ যাবলৈ যো-জা চলাইছিল। ৯ বজাৰ পৰা সভাৰ কাৰ্যসূচী আৰম্ভ হোৱাৰ কথা। সময় আগবাঢ়িল। মঞ্চত উপবিষ্ট হ'ল, সন্মানীয় আমন্ত্ৰিত অতিথিসকল। সভাপতি আসন শুৱনি কৰিছিল সু- সাহিত্যিক তৰুণচন্দ্ৰ পামে গামে। মঞ্চৰ ওচৰতে বিৰাট আকাৰৰ প'বৰ আঁৰি থোৱা হৈছিল। ৰভাতলি মানুহৰ মহাসমূদ্ৰ। সময় প্ৰায় ১২ বাজিছিল (সঠিক সময় মনত পৰা নাই) উপস্থিত সকলো আকাশলৈ চাইছিল। সভাৰ কাৰ্যসূচী স্থগিত ৰাখিলে। হেলিকেপ্টাৰৰ শব্দ। সভাথলী এৰি তৰা-নৰা চিঙি ৰাইজৰ মাৰাথান দৌৰ। লক্ষ্য দুই কিলোমিটাৰ দূৰত থকা হেলিপেডৰ পিনে। বহুতৰে হেলিকপ্টাৰ খন ওচৰৰ পৰা প্ৰত্যক্ষ কৰাৰ। হেলিকেপ্টাৰ অৱতৰণ কৰিছিল। বিপুল হৰ্ষধ্বনীৰে আদৰা হ'ল ভাৰতৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক। জয় ইন্দিৰা গান্ধী কি। জয় মিছিং বানে কেবাং কি। মিছিং ৰেঙাম কি জয় আদি ধ্বনিৰে দুই কিলোমিটাৰ মুখৰিত কৰি মুখ্য অতিথি প্ৰধানমন্ত্ৰীক আদৰা হৈছিল। গুমৰাগ নৃত্যৰে নাচি নাচি আদৰা হৈছিল। বিশেষ বিশেষ ব্যক্তিসকলৰ গাত ত নাইকীয়া অৱস্থা। সুৰক্ষা বেষ্টনী ভাঙি প্ৰধানমন্ত্ৰী জনতাৰ মাজত সোমাই পৰিছিল আৰু এটা সময়ত বিশাল মঞ্চত থিয় হৈ সাগৰ সদৃশ জনতাক হাত জোকাৰি জোকাৰি অভিনন্দন জ্ঞাপন কৰিছিল। মঞ্চত মুহূৰ্তৰ ভিতৰতে আইসকল ঘেৰি ধৰিছিল। পিন্ধোৱা হ'ল মিছিং তামুলি তাকাৰ খচিত এগে-গেৰু ইত্যাদি। সজোৱা হ'ল এজনী



দিপলিপ মিচিং ন-বোৱাৰীৰ দৰে। প্ৰধানমন্ত্ৰীৰ সাক্ষাত্তত  প'বৰৰ পঃৰ (ছাইমদ) আপং চাকি উলিওৱা হৈছিল।(অৱশ্যে খালেনে নাই জনা নগ'ল)। সকলোবোৰ আনুষ্ঠানিকতা শেষ কৰি থিয় হ'ল বক্তৃতা দিবলৈ। আৰম্ভ

কৰিছিল— ২৩ ম কুলাজান অধিবেশনৰ সভাপতি মহোদয় আৰু ... । কি অপূৰ্ব স্পষ্ট মাত । লাখ লাখ উপস্থিত ৰাইজ নিমাত । ৰভাতলি কাঁহ পৰি জীন যোৱা অৱস্থা । প্ৰধানমন্ত্ৰীৰ সুললিত কণ্ঠস্বৰ প্ৰথম আৰু বহুতে শেষবাৰৰ বাবে শুনিবলৈ মুখ মেলি নিথৰ হৈছিল। হয়তো বহুতে বুজা নাছিল বক্তৃতাৰ সাৰমৰ্ম । কিন্তু বুজাসকলে ভালকৈ বুজি পাইছিল। কাৰণ ২৩ ম মিছিং বানে কেবাঙখন দেশৰ এক জৰুৰীকালীন সময়ত অনুষ্ঠিত হৈছিল। ৬২ চনৰ চীন- ভাৰত যুদ্ধ আৰু ৬৫ চনৰ ভাৰত পাকিস্তান যুদ্ধ দুয়োখনেই মানুহৰ মনত সতেজ হৈ আছিল। চীনৰ সীমামূৰীয়া ৰাজ্য হিচাবে অসম আৰু নেফাৰ গুৰুত্ব বৰ বেছি আছিল। ভাৰত ৰাষ্ট্ৰই স্বাধীনতা লাভ কৰাৰ সময়ৰ পৰাই নেফাৰ জনসাধাৰণৰ মন বুজাত কঠিন আছিল। সদায় সন্দেহৰ ভাৱ পোষণ কৰিছিল। জানোচা নেফাৰ জনসাধাৰণৰ মন চীনৰ ফালে যায়েই বা। নেফাৰ আধাতকৈ বেছি লোক মিছিংসকলৰ গোষ্ঠীগত ভাবে অতিকৈ আপোন। মিছিংসকলৰ দ্বাৰা তেওঁলোকৰ মন জয় কৰাত গুৰুত্ব দিছিল। সেইয়েহে প্ৰধানমন্ত্ৰী হৈয়ো ইন্দিৰাগান্ধী কাৰ্যসূচী বাতিল নকৰি ব্যস্ত কাৰ্যসূচীৰ মাজতে অধিবেশনত যোগ দিছিল। মিছিংসকলক সন্তুষ্ট কৰিব পাৰিলে নেফাৰ লোক সকলো সন্তুষ্ট হ'ব। প্ৰায় ১ ঘণ্টাতকৈয়ো অধিক সময় অধিবেশনত অগনন মিছিং তথা পূৰ্বাঞ্চলৰ প্ৰতিনিধিসকলৰ লগত কটায় গুচি গৈছিল, সকলোৰে নয়নৰ মণি জনতাৰ মুখ্য আকৰ্ষণ ইন্দিৰা প্ৰিয়দৰ্শনী গান্ধী। লগে লগে সভাথলী নিজম পৰিল। আৰম্ভ হ'ল দূৰদূৰণীৰ জনতাৰ উভতনি যাত্ৰা।অধিবেশন শেষ হোৱা নাছিল। মিছিং সমাজৰ আৰ্থ-সামাজিক সমস্যাবোৰ আলোচিত হৈছিল। কৃষ্টি- সংস্কৃতি উত্তৰণৰ বাবেও আলোচনা হৈছিল। দেশৰ প্ৰতিৰক্ষাৰ দিশত নেফা আৰু অসমৰ জনতাই বিশেষকৈ মিছিংসকলে কেনে বৰঙণি যোগাব পাৰি সেইবোৰৰ বিষয়েও গুৰুত্ব সহকাৰে আলোচনা কৰিছিল। দেশৰ এই দুৰ্যোগপূৰ্ণ পৰিস্থিতিত সকলোৰে ঐক্য-সংহতি বজাই ৰাখিবলৈ আহ্বান জনাই বহুতো বক্তৃতা দিছিল। সভা শেষ হ'ল। ৰাতি সাংস্কৃতিক কাৰ্যসূচীৰে অধিবেশনৰ সামৰণী  মৰা হৈছিল, কবিৰ ভাষাত

**"ভাগি গ'ল বীণখনি**
**চিগি গ'ল তাঁৰ**
**ৰৈ গ'ল অৱশেষ**
**অমিয়া ঝংকাৰ।**

অধিবেশন শেষ হ'ল। অধিবেশনৰ মধুৰ স্মৃতি বুকুত কঢ়িয়াই জনতা ঘৰাঘৰি হৈছিল। সদৌ মিৰি সন্মিলনৰ পৰা মিছিংবানে কেবাং হোৱালৈকে সমগ্ৰ ২২ বছৰে তেনে ধৰণৰ অভূতপূৰ্ব অধিবেশন হোৱা নাছিল। পৰৱৰ্তী ৪৭ বছৰতো তেনে অধিবেশন হোৱা নাই। ইয়াৰ কাৰণ নিষ্ঠাৱান কৰ্মীৰ অভাৱ। আজিৰ তাৰিখত বানে কেবাঙক ৰাজনৈতিক লাভালাভৰ আহিলা হিচাবে ব্যৱহাৰ কৰা হৈছে বুলি বহুতে মন্তব্য কৰা শুনা যায়। আজিৰ পৰা ৯০ বছৰৰ আগত যি উদ্দেশ্য আৰু লক্ষ্যৰে সদৌ মিৰি সন্মিলন পৰৱৰ্তী সময়ত মিছিং বানে কেবাং গঠন কৰা হৈছিল, সেই উদ্দেশ্য আৰু লক্ষ্যৰ পৰা বানে কেবাং বহু দূৰলৈ গুচি গ'ল। মুঠ কথাত বানে কেবাং সম্পূৰ্ণ নিষ্ক্ৰিয় বুলিয়ে কব লাগিব। এখন প্ৰথম জাতীয় সংগঠন হিচাবে মিছিং সমাজৰ ওচৰত যিমান দায়বদ্ধ হ'ব লাগিছিল কাৰ্য্যত সেইয়া হৈ উঠিব পৰা নাই। বানে কেবাঙে যি ধৰণে মিছিং সমাজৰ কু-সংস্কাৰ ও অন্ধ বিশ্বাসৰ দৰে সামাজিক ব্যাধিৰে বিধ্বস্ত সমাজখনক সঠিক দিশত পৰিচালিত কৰি আগুৱাই নিব লাগিছিল, তেনে কৰা একেবাৰে দৃষ্টিগোচৰ হোৱা নাই। মিছিং সমাজত ডাইনী কাণ্ডৰ দৰে ভয়াবহ সমস্যা/ঘটনা নিতৌ ঘটি থকা সময়ত ৯০ বছৰীয়া পুৰণি জাতীয় সংগঠনটোৰে নিশ্চুপ হৈ থকাটো অতি পৰিতাপৰ কথা। আজি মিছিং অঞ্চলৰ শিক্ষানুষ্ঠান বিলাকৰ যি বিধ্বস্ত অৱস্থা, বানে কেবাঙে কেনেকৈ চকু মুদা কুলিৰ ভাও ধৰি থাকিব পাৰে, আচৰিত লাগে। নৈ- পৰীয়া মিছিং ৰাইজ গৰাখহনীয়াৰ কবলত পৰি দিগ্‌ভ্ৰান্ত। নিজৰ পৈতিক মাটি ভেটি হেৰুৱাই অঘৰী জীৱন-যাপন কৰিবলৈ বাধ্য হৈছে। একমাত্ৰ পুৰণি জাতীয় সংগঠন হিচাবে ৰাইজৰ তেনেবোৰ সমস্যাৰ বাবে বানে কেবাঙে আগভাগ লৈ সমস্যাবোৰ সমাধানৰ পথ উলিওৱাটো প্ৰতিজন মিছিং ৰাইজে কামনা কৰে। কেবাংখন জীয়াই ৰখাৰ নামত আৰু কিছুমান লোকৰ ব্যক্তি স্বাৰ্থ পূৰণৰ উদ্দেশেৰে কেবাং খন বৰ্তাই ৰাখিবলৈ অধিবেশন পতাৰ কোনো প্ৰাসঙ্গিকতা নাই বুলি বহুতে মতামত ব্যক্ত কৰে।

**বিঃদ্ৰঃ সহায় লৈ** –

১। মিছিংসকলৰ ইতিবৃত্ত আৰু সংস্কৃতি ঃ ডাঃ নুমল পেগু
২। কুলাজান বানে কেবাঙৰ স্মৃতিগ্ৰন্থ। (১৯৬৬)



# মাতৃভাষাৰ যোগেদি বিজ্ঞান শিক্ষা

বিষ্ণু পেগু
বি. এ

মানুহে ইজনে সিজনক মনৰ ভাব প্ৰকাশ কৰিবলৈ ভাষা ব্যৱহাৰ কৰে। এজন শিশুৱে জন্ম হোৱাৰ পাছত মাক- বাপেকে কোৱা ভাষাতে কথা কবলৈ লয়। মাক-বাপেকে যি ভাষা কয় শিশুজনৰ কাৰণে সিয়েই মাতৃভাষা। অসমত অসমীয়া বড়ো, মিছিং, ডিমাছা আদি ১২০ টা মাতৃভাষা আছে। ভাৰতীয় সংবিধানৰ মতেও যি কোনো শিশুৱে প্ৰাথমিক স্তৰত মাতৃভাষাতে শিক্ষা লাভ কৰিবলৈ সুবিধা পাব পাৰে। মাতৃভাষাত লিখা পঢ়া শিকিলেহে সকলো বিষয় খৰচি মাৰি বুজিব পাৰে

প্ৰাথমিক স্তৰতে পঢ়াশালিত বিজ্ঞান শিক্ষা আৰম্ভ কৰা হয় । এনে স্তৰত শিকোৱা বিজ্ঞানৰ বিষয়সমূহত প্ৰকৃতি আৰু পৰিবেশৰ বিষয়ে ছাত্ৰৰ মনত উদয় হ'ব পৰা কথাত জোৰ দিয়া হয়। আমাৰ চাৰিওফালে থকা গছ-লতা, নৈ, জান, জুৰি, পৰ্বত-পাহাৰ আদি প্ৰকৃতিৰ বিচিত্ৰতাৰ মাজতে বিজ্ঞান শিক্ষাৰ আদি পাঠ হয়।

আমাৰ আশে-পাশে থকা ঘৰচীয়া আৰু বনৰীয়া জীৱ-জন্তু, চৰাই-চিৰিকতি, সাপ-বেং সকলোৰে মাজেদি বিজ্ঞানৰ বিষয়সমুহ জানিব পাৰি । খেতি কৰা, শস্য চপোৱা, ঘৰ সজা, মেৰামতি কৰা, খোৱা-বস্তু ৰন্ধা, সাঁচি থোৱা, ঘৰত ব্যৱহাৰ কৰা নানা ধৰণৰ বস্তু এই সকলোৰে মাজতে বিজ্ঞানৰ বহুতো কথা সোমাই আছে। বিভিন্নধৰণৰ চেতন জীৱ আৰু অচেতন পদাৰ্থসমুহৰ লগত মাতৃভাষাত থকা নামেৰেই আমি পৰিচিত। সেই কাৰণেই মাতৃভাষাত এইবিলাক কথা ছাত্ৰই সহজে বুজিব পাৰে।

প্ৰকৃতিক ৰহস্যৰ পদ্ধতিমূলক অনুসন্ধানেই বিজ্ঞান। প্ৰাক-ঐতিহাসিক যুগৰ মানুহেই শিলৰ অস্ত্ৰ-শস্ত্ৰ জুইৰ ব্যৱহাৰ, তাম আৰু লৌহ ধাতুৰ ব্যৱহাৰ কৰিব শিকিছিল। পৰীক্ষাগাৰত পৰীক্ষা কৰি যিবোৰৰ আধাৰত তথ্যসমূহৰ সিদ্ধান্তলৈ আহি বৈজ্ঞানিক নীতি-নিয়ম উলিওৱাৰ বৈজ্ঞানিক গৱেষণা আৰম্ভ হয় । সপ্তদশ শতিকাৰ পৰাহে। বিজ্ঞান শিক্ষাৰ যোগেদি মানুহে লাভ কৰে বৈজ্ঞানিক মানসিকতা। বৈজ্ঞানিক মানসিকতাই মানুহক সত্য-সন্ধান কৰি গঢ়ি তোলে সুস্থ মানসিকতা মানৱ জীৱন সুখ আৰু সমৃদ্ধিৰে চহকী কৰিবলৈ বিজ্ঞানৰ ধাৰাবাহিকতা গৱেষণাৰ প্ৰয়োজন । বিজ্ঞানৰ চিন্তা- চৰ্চা, আলোচনাই মানৱ প্ৰগতিৰ সোপান। সেই কাৰণেই বিজ্ঞানৰ শিক্ষা লাভ, আৰু জ্ঞান আহৰণ প্ৰতিজন মানুহৰ বাবে অতি প্ৰয়োজন। এই শিক্ষা আৰু জ্ঞান লাভৰ ফলতে বিজ্ঞানৰ নতুন নতুন আৱিস্কাৰৰ পথো মুকলি হয়। কিবা এটা নতুন চিন্তা কৰিবলৈ হ'লে বৈজ্ঞানিক ইতিহাস বুজি লব লগা হয়। এইবোৰ কথা শুদ্ধভাবে বুজি পাবলৈ মাতৃভাষাই আটাইতকৈ উপযুক্ত মাধ্যম। আমি যি ভাষাত কথা কওঁ, সেই ভাষাতে আমি চিন্তাও কৰো। সেই কাৰনে মাতৃভাষাত বিজ্ঞান শিক্ষাৰ দিহা কৰা বৰ আৱশ্যক। বিজ্ঞানৰ জটিল নীতি-নিয়মবোৰ মাতৃভাষাত শিকিবলৈ সহজ হয়। মাতৃভাষাত জ্ঞান-বিজ্ঞান লভিলেহেন ন চিন্তাৰ পথ মুকলি হয়।

বিজ্ঞান সাৰ্বজনীন। বিজ্ঞানৰ নীতি আৰু তত্বসমুহ প্ৰকৃতিৰ নিয়ম।

ভাৰতীয় শিক্ষাবিদসকলে মাতৃভাষাত বিজ্ঞান শিক্ষাৰ মাধ্যম হিচাপে গঢ়িবলৈ পৰামৰ্শ দেখা গৈছে। ভাৰতৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত মাতৃভাষাক প্ৰাথমিক শিক্ষাৰ মাধ্যম হিচাপে গঢ়িবলৈ পৰামৰ্শ দিয়া হৈছে। নিজক প্ৰতিষ্ঠা কৰিবলৈ লগা দৰকাৰ হোৱা আত্মবিশ্বাস আৰু দক্ষতা বিজ্ঞান শিক্ষাৰ যোগেদিহে সম্ভৱ হয়। সেই কাৰণেই বিজ্ঞানৰ সকলো বিষয়ৰ পুথি, বিজ্ঞান সম্পৰ্কীয় আলোচনা, বৈজ্ঞানিক আলোচনী আদিৰ যোগেদি মাতৃভাষাক বিজ্ঞান শিক্ষা লাভৰ উপযুক্ত কৰা প্ৰয়োজন। জ্ঞানৰ আধাৰত মানৱ প্ৰগতিত বৰঙনি যোগাবলৈ মাতৃভাষাই বিজ্ঞান শিক্ষাৰ উপযুক্ত মাধ্যম।



# দক্ৰিপল' মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাৰ ইতিহাস

**দেহিৰাম পেগু**
**প্ৰধান শিক্ষক**

ইং ১৯৭৮ চন। ফাগুন মাহৰ প্ৰথম বুধবাৰ। শিমলু, মদাৰ, কেতেকী, তগৰ, মালতি ইত্যাদিৰ ৰঙা ফুলেৰে আবৃত পৃথিৱীৰ সেউজীয়া শোভা। মিচিং জনগোষ্ঠীৰ লোকসকলে ধুমধামেৰে 'আলি আয়ে লৃগাং উদ্‌যাপন কৰাৰ প্ৰস্তুতি। ইয়াৰ ১৫ দিনৰ পিছৰ পৰাই বিদ্যালয় এখন প্ৰতিষ্ঠা কৰাৰ মানসেৰে মই নিজেই অবৈতনিক আহবায়ক হিচাপে ৫ খন গাঁৱৰ ৰাইজৰ ঘৰে ঘৰে গৈ চিঠিপত্ৰ বিলোৱাৰ কামত লাগিলোঁ। গাঁও কেইখন হ'ল— ১। নেওল গাঁও ২। বৰ চাপৰি গাঁও ৩। খকন গুৰি গাঁও ৪। নিমগুৰি গাঁও ৫। গৰুখুঁটি গাঁও। উল্লেখ্য যে, উক্ত গাঁও সমূহত শিক্ষাৰ পোহৰ বৰ নিম্ন খাপৰ আছিল। গাঁওসমূহত হাবি, জংঘল, খেৰ-বাহেৰে, আবৃত, ৰাস্তা পদূলি নথকা, অন্ধকাৰত ডুবগৈ থকা, শিক্ষাৰ পোহৰ নপৰা অঞ্চল বুলি কলেও বঢ়াই কোৱা নহয়। উক্ত উল্লেখিত গাঁওসমূহ একত্ৰিত কৰি ইয়াৰ মধ্যস্থানত এখন ৰাজহুৱা বৈঠক আহবান কৰাৰ কথা চিন্তা কৰিয়েই গত ইং ২০/০২/৭৮ তাৰিখে এখনি ৰাজহুৱা বৈঠক আহবান কৰা হয়। মাননীয় সমাজকৰ্মী শ্ৰীযুত বগাচন পেগুদেৱৰ সভাপতিত্বত বহা ৰাজহুৱা সভাত মই নিজেই উদ্দেশ্য ব্যাখ্যা দাঙি ধৰি গাঁওসমূহৰ মধ্যস্থানত এখন মধ্য ইংৰাজী বিদ্যালয় খোলাৰ সন্দৰ্ভত আলোচনা কৰিবলৈ উপস্থিত ৰাইজক আহবান জনাওঁ ।

৫ খন গাঁৱৰ ৰাইজৰ উপস্থিতিৰ হাৰ আছিল শতকৰা ৯৫ ভাগ। বৈঠকত উপস্থিত হোৱা ৰাইজে মোৰ সপেক্ষে যুক্তি দাঙি ধৰি গাওঁসমূহৰ মধ্য স্থানত বিদ্যালয় এখন অনতি পলমে লাগে বুলি হাত চাপৰি মাৰি প্ৰস্তাৱ গৃহীত কৰে। গৃহীত হোৱা প্ৰস্তাৱসমূহ এনেধৰণৰ।

আজিৰ সভাই প্ৰস্তাৱ লোৱা হওঁক যে ৫ খন গাঁৱৰ ৰাইজৰ পৰা পুঁজি সংগ্ৰহ কৰি টনকিয়াল কৰিব লাগে। বিদ্যালয়ৰ বাবে মাটিৰ আৱশ্যক হোৱাত মাননীয় শ্ৰীযুত বগাচন পেগুৱে তেখেতৰ দখলিস্বত্বৰ মাটি ৮ বিঘা বিদ্যালয়ৰ নামত নামজাৰি কৰি দিয়াৰ কথাও উল্লেখ কৰে। উক্ত মৰ্মে তেখেতে ২০ দিনৰ পিছত মাটিৰ প্ৰমাণ পত্ৰত ৫০০/-টকা ডাক যোগেদি জমা দিয়াৰ কথাও উল্লেখ কৰে। লগতে বিদ্যালয়ৰ 'চিকিউৰিটিৰ' নামতো তেখেতে ৫০০/- টকা ডাক যোগেদি জমা দিয়াৰ কথাও উল্লেখ কৰে। উক্ত মৰ্মে তেখেতে ২০ দিনৰ পিছত মাটিৰ প্ৰমাণ পত্ৰত ৫০০/-টকাৰ "চিকিউৰিটি'ৰ বাবে ডাকত জমা কৰিবলৈ ৰাইজৰ আগত প্ৰতিশ্ৰুতি দিয়ে।

উক্ত সভাতেই দ্বিতীয় ৰাজহুৱা বৈঠক বহুৱাৰ কাৰণে ৪ জন ব্যক্তিক নিৰ্ব্বাচিত কৰে। ব্যক্তি কেইজন সৰ্বশ্ৰী বুধেশ্বৰ মিচং, মেম্বৰ দলে, দেহিৰাম পেগু, মঙ্গলা মিলি। উল্লেখিত ব্যক্তিসকলৰ আপ্ৰাণ চেষ্টাত ইং ২৮/০২/৭৮ তাৰিখে বৈঠক নেউল গাঁৱৰ মূৰং ঘৰত বহে। ৰাজহুৱা বৈঠকত সভাপতিত্ব কৰে সমাজকৰ্মী শ্ৰীযুত মদন চন্দ্ৰ দাসদেৱে। উদ্দেশ্য ব্যাখ্যা দাঙি ধৰি আহবায়ক শ্ৰীযুত বুধেশ্বৰ মিচঙে উল্লেখ কৰে যে, আজিৰ বৈঠকত ২১ জনীয়া কাৰ্য পৰিচালনা কমিটি গঠন কৰি ইয়াৰ অৰ্থাৎ বিদ্যালয়ৰ নামাকৰণ কৰিব লাগে। উক্ত মৰ্মে বিদ্যালয়ৰ নামাকৰণৰ প্ৰশ্ন আহে। নামকৰণৰ সন্দৰ্ভত উপস্থিত ৰাইজে তিনিটা নাম উল্লেখ কৰিছিল। সেই কেইটা হ'ল— ১। জ্ঞানোদয় ইংৰাজী বিদ্যালয়, ২। জ্ঞানজ্যোতি মধ্য ইংৰাজী বিদ্যালয়, ৩। প্ৰগতি মধ্য ইংৰাজী বিদ্যালয়।

উক্ত উল্লেখিত ৩ খনৰ ভিতৰত এখনৰ নাম ৰখাটো যুক্তিযুক্ত আছিল যদিও সভাৰ সভাপতিৰ ভাষণত সভাপতি শ্ৰীযুত মদন চন্দ্ৰ দাসদেৱে আমি যিহেতু 'সূৰ্য্য-চন্দ্ৰৰ বংশধৰ মঙ্গোলীয় গোষ্ঠীৰ অৰ্থাৎ দক্ৰিপ'ল নামটোকে উপযুক্ত বুলি ভাবি তেখেতে ৰাইজক নামকৰণ কৰিবলৈ উপদেশ দিয়ে। উক্ত মৰ্মে তেখেতৰ উপদেশ অনুযায়ী বিদ্যালয়খনিৰ নাম দিয়া হ'ল 'দক্ৰিপ'ল মধ্য ইংৰাজী বিদ্যালয়।

বিদ্যালয়খনিৰ নামকৰণ হোৱাৰ পিছত কাৰ্য পৰিচালনা সমিতিৰ নিৰ্বাচন। ৰাইজৰ সৰ্ব্ব সন্মতিক্ৰমে কাৰ্য পৰিচালনা সমিতিখন নিৰ্ব্বাচন কৰা হয়।

কাৰ্য পৰিচালনা সমিতিখনৰ বিষয়ববীয়াসকল—

**শ্ৰীবগাচন পেগু, সভাপতি**
**শ্ৰীমদন চন্দ্ৰ দাস, উপ-সভাপতি**
**শ্ৰীবুশ্বেৰ মিচং, সাধাৰণ সম্পাদক**
**শ্ৰীদেহিৰাম পেগু, সহঃসম্পাদক**
**শ্ৰীবৃকোৰাম মিলি, কোষাধ্যক্ষ**

**সদস্যসকল** ঃ সৰ্বশ্ৰী ভোগেশ্বৰ পাৰ্টিৰ, নাৰায়ণ পাৰ্টিৰ, ভূৱন চন্দ্ৰ দলে, মালৌ পাঠৰি (খকনগুৰি গাঁও) বগামূল পেগু, মথুৰা পেগু, (গৰুখুঁটি গাঁও) মেম্বৰ দলে, কোমল চন্দ্ৰ দলে, চয়েন পেগু, বগীৰাম পেগু, মুহিধৰ দলে (বৰচাপৰি গাঁও), পানীৰাম দলে, মালাই দলে, দ'কি পেগু, গাম কামান (নিমগুৰি গাঁও), মঙ্গলা মিলি, কদৌ মিলি, সোন পেগু, পপুল মিলি, দেউৰা মিলি, দেবেশ্বৰ মিলি, গোৱাল মিলি, গোপাল মিলি, আপুধৰ মিচং (নেউল গাঁৱৰ) ইত্যাদি।

ৰাজহুৱা বৈঠকৰ সিদ্ধান্ত অনুসৰি সভাপতি শ্ৰীযুত বগাচন পেগুৰ অস্থায়ী বাসভৱনত ২ মাহৰ কাৰণে ছাত্ৰ-ছাত্ৰীক শিক্ষাদান দিবলৈ প্ৰস্তাৱ গৃহীত কৰে। অবৈতনিক শিক্ষক হিচাপে ৩ জন ব্যক্তিক নিয়োগ কৰা হয়। প্ৰধান শিক্ষকৰ পদত শ্ৰীদেহিৰাম পেগুক, সহকাৰী শিক্ষকদ্বয় শ্ৰীগুবিন পেগু, শ্ৰীপ্ৰবীন দলে। আমি প্ৰথম অৱস্থাত ১৫ জন ছাত্ৰ-ছাত্ৰীক লগত লৈ ২ মাহ কাল ধৰি উল্লেখিত সভাপতিৰ বাসভৱনতে ছাত্ৰ-ছাত্ৰীক শিক্ষাদান দিওঁ। ৫ মশ্ৰেণীত ৫ জন, ৬ষ্ঠ শ্ৰেণীত ৫ জন, ৭ম শ্ৰেণীত ৫ জন, সৰ্বমুঠ ১৫ জন ছাত্ৰ-ছাত্ৰী। ২ মাহৰ পিছৰ পৰা ছাত্ৰ ছাত্ৰীৰ সংখ্যা যথেষ্ট বৃদ্ধি পোৱাত আৰু দুজন শিক্ষক যথাক্ৰমে শ্ৰীৰবীন্দ্ৰনাথ গুপ্তাক হিন্দী শিক্ষক হিচাপে আৰু সহঃ শিক্ষক হিচাপে নেউল গাঁৱৰ বিনোদ মিলিক কমিটিয়ে নিয়োগ কৰে । মাননীয় শ্ৰীযুত বগাচন পেগুৰ বাসভৱনৰ পৰা আঁতৰি আহি নেউল গাঁৱৰ মূৰং ঘৰত অস্থায়ীভাৱে ছাত্ৰ-ছাত্ৰীক উক্ত উল্লেখিত শিক্ষক সকলক লগত লৈ আমি শিক্ষাদান দিওঁ। ২৮/১১/৭৮ তাৰিখে তেতিয়াৰ যোৰহাট সংমণ্ডুলৰ অতিৰিক্ত ডি.আই. মাননীয় শ্ৰীযুত তৰুণ চন্দ্ৰ সভাপণ্ডিত মহোদয়ে বিদ্যালয় পৰিদৰ্শন কৰাৰ ২ মাহৰ ভিতৰত বিদ্যালয়খনে স্বীকৃতিপ্ৰাপ্ত (Recognised) পায়। তেতিয়াৰ সময়ত যোৰহাট জিলাৰ পৰিদৰ্শকৰ দায়িত্ব আছিল এম. চি. ভূঞা চাব। স্কুল পৰিদৰ্শক এম. চি. ভূঞা চাবে বিদ্যালয় খনিৰ কাৰণে যথেষ্ট সহায়-সহযোগ আগবঢ়াইছিল।

উল্লেখ্য যে, বিদ্যালয়খনিৰ পুঁজি মাত্ৰ ১,৫০০/- টকা উক্ত পুঁজিৰে নগৰ ৫০০/- টকা উলিয়াই সদস্য শ্ৰীযুত ভোগেশ্বৰ পাৰ্টিৰক লগত লৈ গুৱাহাটীৰ কাহিলিপাৰাত থকা ডি. পি. আই. অফিচলৈ আমি দুয়ো ৰাওনা হওঁ। ডি. পি. আই. অফিচলৈ গৈ অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালক মাননীয় শ্ৰীযুত আনন্দৰাম পেগুক লগ কৰি (Adhocgrant) ৰ সন্দৰ্ভত আলোচনা কৰিলোঁ। তেখেতে ১ বছৰৰ ভিতৰত (Adhocgrant) পোৱা যাব বুলি আমাক আশ্বাস দিয়ে। তেখেতৰ আশ্বাস দিয়াৰ ১ বছৰৰ ভিতৰত বিদ্যালয়খনে (Adhocgrant) পাওঁ। (Adhocgrant) পোৱাৰ ৪ বছৰৰ পিছত সদস্য শ্ৰীযুত মেম্বৰ দলেক লগত লৈ গুৱাহাটীৰ কাহিলীপাৰাত থকা ডি. পি. আই. অফিচলৈ যাবৰ কাৰণে পুঁজিৰ পৰা নগদ ৭০০/-টকা লৈ আমি দুয়ো ৰাওঁনা হলো । কাহিলীপাৰাত থকা ডি. পি. আই. অফিচত সোমাই অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালক মাননীয় শ্ৰীযুত টাবুৰাম টাইদচাৰক লগ কৰি (Adhocgrant) ৰ কপিৰ সৈতে তেখেতৰ হাতত প্ৰাদেশীকৰণ কৰি দিবৰ বাবে আবেদন পত্ৰ দাখিল কৰিলোঁ। আবেদনৰ ওপৰত ভিত্তি কৰি অনতি পলমে বিদ্যালয় খনিক প্ৰাদেশীকৰণ কৰি দিয়াৰ কথা উল্লেখ কৰে। উক্ত মৰ্মে ১৯৮৫ চনৰ ফেব্ৰুৱাৰী মাহত বিদ্যালয়খনে প্ৰাদেশীকৰণ পায়।

উল্লেখ্য যে, বিদ্যালয়খনে প্ৰাদেশী কৰণ নোহোৱাৰ আগতে ১৯৮২ চনত নেউল গাঁও মূৰং ঘৰৰ পৰা বিদ্যালয়খনে আঁতৰি আহি মাননীয় শ্ৰীযুত বগাচন পেগুৱে বিদ্যালয়খনিৰ নামত ৮ বিঘা মাটি নিজ স্বত্ব ত্যাগ কৰি দান কৰা হৈছিল। সেই ঠাইলৈ অৰ্থাৎ বৰচাপৰিত ১৯৮২-৮৩ চনত ৰাইজৰ সহযোগত বিদ্যালয়খনিৰ ৮ বিঘা মাটিতেই গৃহ নিৰ্মাণ কৰি ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰা হয়। ইয়াৰ ১ বছৰৰ পিছত হঠাতে বিদ্যালয়খনিলৈ কালধুমুহাই গ্ৰাস কৰিবলৈ ধৰিলে। ভূমিদাতা শ্ৰীযুত বগাচন পেগুৱে ৮ বিঘা মাটিত স্থায়ী গৃহ নিমাৰ্ণৰ কাম বন্ধ কৰি দিয়াত নেউল গাঁৱৰ মাননীয় শ্ৰীআপুধৰ মিচিঙৰ ৮ বিঘা মাটিত স্থায়ীভাৱে বিদ্যালয় গৃহটিক নিমাণ কৰা হয় । ভূমি দাতা শ্ৰীযুত আপুধৰ মিচিঙে নিজস্বত্ব ত্যাগ কৰি বিদ্যালয়খনিলৈ মুক্ত কণ্ঠে বৰঙনি আগবঢ়ায়। তেখেতৰ দান দিয়া মাটিতেই ১৯৮৩ চনৰ পৰা
বৰ্তমানলৈকে সুকলমে ছাত্ৰ-ছাত্ৰীক শিক্ষা দি থকা হৈছে। বৰ্তমান বিদ্যালয়খনিৰ শিক্ষক আৰু চতুৰ্থশ্ৰেণীৰ কৰ্মচাৰী সহ সৰ্বমুঠ ৮ জন— ১। শ্ৰীদেহিৰাম পেগু, প্ৰধান শিক্ষক, বি. কম., ২। শ্ৰীগুবিন পেগু, সহকাৰী শিক্ষক, মেট্ৰিক, ৩। শ্ৰীপ্ৰবীন দলে, সহকাৰী শিক্ষক, মেট্ৰিক, ৪। শ্ৰীৰবীন্দ্ৰনাথ গুপ্তা, হিন্দী শিক্ষক, উচ্চতৰ আৰু (হিন্দী) ৰত্ন, ৫। শ্ৰী বিমল কাকতি, সহকাৰী শিক্ষক, মেট্ৰিক, ৬। শ্ৰীঅৰ্নব ৰাজগুৰু, বিজ্ঞান শিক্ষক, বি.এচ. চি, ৭। শ্ৰীলীনা দলে, সহকাৰী শিক্ষয়িত্ৰী, উচ্চতৰ, ৮। শ্ৰী টুনিৰাম চিং চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী, এম. ই।

# মিচিঙৰ প্ৰয়াত বৰেণ্য ব্যক্তিৰ ব্যক্তিত্বত এভূমুকি

**দেৱীচৰণ ৰেগন**

ভাষা, সাহিত্য আৰু ইতিহাস এটা জাতিৰ দাপেন স্বৰূপ। বাষা, সাহিত্য তথা বুৰঞ্জীত লিপিবদ্ধ কৰিবকৰ বাবে লিপি বা আখৰৰ আৱশ্যক। লোক প্ৰবাদ অনুসৰি সৃষ্টি কৰ্ত্তাৰ নিদেশ মৰ্ম্মে জ্ঞানবিজ্ঞানৰ অধিকৰ্ত্তা দেৱতাই সকলো জাতিৰ মানুহকেই নিজৰ নিজৰ আখৰ বা হৰপ দিছিল। অন্যান্য জাতিৰ লোকসকলে নিজৰ নিজৰ লিপিবোৰ সংৰক্ষণ কৰি ৰাখি, ভাষা, সাহিত্য তথা বুৰঞ্জী লিপিবদ্ধ কৰি উন্নতিৰ জখলাত আগবাঢ়িল। মিচিং সকলে বেছি টেঙৰামী কৰি নিজস্ব হৰফ বা লিপি নষ্ট বা ধ্বংস কৰিলে। যাৰ ফলত মিচিংসকল অন্যান্য জাতিতকৈ বহু পিছ পৰি গ'ল।

ইতিহাসৰ অভাৱত স্মৰণাতীত কালৰ পৰা আমাৰ মিচিং সকলৰ পূৰ্ব্ব পুৰুষ সকলৰ সবিশেষ ইতিহাস পোৱা নাযায়। তথাপি বিস্মৃতিৰ কুঁৱলী পালি সোঁৱৰনীৰ জলঙাই দি আলোকপাত কৰিব খুজিছো। অতীতত দেশৰ কাৰণে, সমাজৰ কাৰণে ভাষা-সাহিত্য বুৰঞ্জী প্ৰণয়ন বিষয় অনুপম অনবদ্য অবদান দি থৈ যোৱা মিচিংঙৰ কেইগৰাকী মান বৰেণ্য ব্যক্তি সকলৰ বিষয়ে নিৰ্ভৰযোগ্য বুৰঞ্জীৰ অভাৱত মিচিং সকলৰ বিভিন্ন বিশিষ্ট প্ৰয়াত ব্যক্তি সকলৰ বিষয়ে সম্যক বৃত্তান্ত পোৱা নাযায়। তথাপি মুখে মুখে চলি অহা কিম্বদন্তী তথা কিছুমান আলোচনীও প্ৰকাশ পোৱা তথ্যৰ ওপৰত ভিত্তি কৰি মিছিং সমাজৰ প্ৰয়াত শ্ৰদ্ধাৰ বিশিষ্ট ব্যক্তিসকলৰ জীৱনালেক্ষ বিহঙ্গম দৃষ্টিৰে আলোকপাত কৰিব খুজিছো অজানিতে ভূলৰ বাবে ক্ষমা প্ৰাৰ্থী।

**১। দেশপ্ৰেমিক কমলা মিৰি** : মিচিং সমাজৰ ভিতৰত প্ৰথম দেশ প্ৰেমিক তথা প্ৰথম শ্বহীদ প্ৰয়াত কমলা মিৰি গোলাঘাট জিলাৰ অন্তৰ্গত দুসুতি মুখতৰ ওপৰ টেমেৰা গাঁৱৰ এক সম্ভ্ৰান্ত পৰিয়ালত জন্ম গ্ৰহণ কৰা এগৰাকী বিশিষ্ট ব্যক্তি। তাহানী প্ৰাইমেৰী, প্ৰৱেশিকা, মহাবিদ্যালয়ৰ দেওনা গৰকা নাছিল যদিও শাৰিৰীক, মানসিকভাৱে যথেষ্ট শক্তিশালী ব্যক্তি আছিল। প্ৰয়াত কমলা মিৰি সবাৰে ওপৰি  মহামানৱ মহাত্মা গান্ধীৰ অহিংস আন্দোলনত দেহে কেহে জপিয়াই পৰিছিল। সাত-সাগৰ তেৰ নদীৰ সিপাৰৰ বগা বঙালৰ কবলৰ পৰা ভাৰত মাতৃক স্বাধীন কৰাৰ বাবে তথা ভাৰত বৰ্ষক ৰামৰাজ্য প্ৰতিষ্ঠাৰ একান্ত পূজা কমলা মিৰি স্বাধীন অসমৰ প্ৰথম মুখ্য মন্ত্ৰী গোপীনাথ বৰদলৈ দেৱৰ লগত একেলগে যোৰহাট জেলত কাৰাবাস খাটিছিল। কমলা মিৰি গোপীনাথ বৰদলৈৰ দেৱৰ একান্ত সেৱক তথা অন্তৰক বন্ধু আছিল। শিক্ষাগত অৰ্হতা বেছি নাছিল যদিও কমলা মিৰি অতি সহজ সৰল তথা নিভাজ দেশ প্ৰেমৰ প্ৰতীক আছিল। সেই মহান দেশ প্ৰেমিক গৰাকীয়ে দেশৰ জাতিৰ তথা সমাজৰ হকে অনবদ্য অৱদান আগবাই যোৱাৰ বাবে তেখেতৰ ত্যাগৰ প্ৰতি সন্মান জনাই মিচিং বানে কেবাং, মিচিং আগ কেবাঙে জনপ্ৰিয় চৰকাৰৰ সাহায্যত সেইজন দেশপ্ৰেমিক গৰাকীৰ স্মৃতি চিৰযুগমীয়া কৰি ৰাখিবৰ বাবে তেখেতৰ জন্ম জিলা গোলাঘাটত তেখেতৰ আবক্ষ মূৰ্ত্তি প্ৰতিষ্ঠা কৰাটো নিতান্তই মানৱীয় ধৰ্ম্মও কৰ্ম্ম।

**২। কৰ্ম্মবীৰ বিমলা দলে** : কৰ্ম্মবীৰ বিমলা দলে এগৰাকী অপ্ৰতিদন্ধী সমাজ সংগঠক, সমাজ সেৱকেই নাছিল। তেখেত এগৰাকী ভাৰতবৰ্ষৰ স্বাধীনতা আন্‌্‌োলনৰ আগশাৰীৰ দেশ প্ৰেমিক আছিল। তেখেতৰ নামে কামে বিমল বা বিমলা তেখেত ১৯২৪ চনত মিচিং বানে কেবাঙৰ সক্ৰিয় সভ্য আছিল। তেখেত ভাৰতীয় কে্‌গ্ৰেছত যোগদান কৰি তেতিয়াৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ, কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, অমিয় কুমাৰ দাস, সিদ্ধিনাথ শৰ্ম্মা, বিমলা প্ৰসাদ চলিহা আদি কংগ্ৰেছৰ শীৰ্ষনেতা, সকলৰ সান্নিধ্যত বিমলা দলেই দেশৰ তথা মিচিং সমাজৰ বাবে বহুখিনি কাম কৰি থৈ গ'ল।

তেখেত সমাজৰ বাবে বৰঙনি আগবঢ়োৱা অৱদানৰ ভিতৰত আঠখন উচ্চ শিক্ষানুষ্ঠান, তিনিখন ডাকঘৰ তিনিখন ৰাজ্যিক চিকিৎসালয় উল্লেখযোগ্য। তাৰ উপৰিও যাতায়তৰ

উন্নতিৰ বাবে পথ নিমার্ণ, দলং নিমাণ আদি বিভিন্ন উন্নয়ন মূলক কামত অভূতপূর্ব বৰঙনি আগবঢ়াই থৈ গৈছে । তাৰো উপৰি তেখেতৰ যত্নত ১৯৫৫ চনত টেকেলী ফুটা মঠাউৰী বান্ধি খেৰকটা সুঁ। ই চিৰদিনৰ বাবে বন্ধ কৰি মাজুলীৰ লগত উত্তৰ লক্ষীমপুৰৰ যাতায়তৰ যোগাযোগ ফেৰী বা নাৱৰ বিকল্প স্থায়ী ব্যৱস্থা কৰি থৈ গ'ল, ওপৰত উল্লেখ কৰা বিভিন্ন সমাজ উন্নয়নৰ কামৰ উপৰিও তেখেতে উত্তৰ লক্ষীমপুৰ তথা মাজুলীৰ পৰা গোলাঘাট, বোকাখাটৰ লগত ফেৰী জাহীজৰ যোগে যাতায়তকে আদি কৰি বহুতো সামাজিক উন্নয়নৰ কাম কৰি প্ৰকৃত দেশ, জাতি, সমাজ সেৱক তথা নেতাৰ পৰিচয় দি থৈ গ'ল।

**৩। সোনাৰাম পায়াং কটকী** : মিচিং ভাষাত প্ৰথম বুৰঞ্জী প্ৰণয়ন কৰা ব্যক্তি গৰাকী হ'ল সোনাৰাম পায়া কটকী। তেখেতৰ জীৱন পঞ্জী অতিকণ্টকময়। সৰু কালৰ পৰাই তেখেত অতি মেধাবী ছাত্ৰ আছিল। তেখেতৰ ভাৱাদৰ্শ, দৰ্শন অতি উচ্চ খাপৰ আছিল। যি সময়ত উত্তৰ লক্ষীমপুৰ জিলাৰ সদৰ ঠাইত উচ্চ শিক্ষাৰ কোনো সুবিধা নাছিল, তেনে যুগত সোণাৰাম পায়াং কটকী উভটা অয়েঙীয়া গাঁৱৰ পৰা দেউতাকৰ লগত সাতদিন কোজ কাঢ়ি ডিব্ৰুগড়ত পঢ়িবলৈ গৈছিল। আজিৰ যুগত এইয়া বুঢ়ী আই সাধু তুল্য । হাইস্কুলত নৱম মান শ্ৰেণীলৈকে পঢ়ি বিভিন্ন প্ৰতিকুল অৱস্থাত পৰি শিক্ষা জীৱন ইমানতে সমাপ্ত কৰিবলৈ অগত্যা বাধ্য হ'ল। প্ৰকৃত গুণী তথা সাহসী ব্যক্তিৰ দুৰ্যোগ প্ৰতিকুল পৰিস্থিতিলৈ ভয় নকৰে।উদ্দেশ্য সাধনৰ বাবে অদম্য সাহস তথা অফুৰন্ত আশাৰে নিজৰ জন্ম স্থান গাঁৱতে প্ৰাইমেৰী স্কুল স্থাপন কৰি নিজে শিক্ষকতা কৰি গাঁৱৰ লৰা ছোৱালীক ভৱিষ্যত জীৱন নিৰ্ব্বাহৰ পথ প্ৰদৰ্শক কৰা। তেখেতৰ মূল উদ্দেশ্য আছিল। মিচিং সমাজত শিক্ষাৰ পোহৰ বিলোৱা তথা নিজে এখন মিচিং জাতিৰ বুৰঞ্জী প্ৰণয়ন কৰা। তেখেতে ভাৰত বুৰঞ্জী ইংলেণ্ডৰ বুৰঞ্জী অসম বুৰঞ্জী পঢ়ি শেষ কৰিলে। কিন্তু নিজৰ মিচিং বুৰঞ্জী কতো বিচাৰি নাপালে। মিচিং বুৰঞ্জী লিখাৰ প্ৰেৰণা জন্মিল। কিন্তু মিচিং বুৰঞ্জী লিখি শেষ কৰাৰ বাবে টকাৰ আৱশ্যক। গতিকে ইষ্ট ইণ্ডিয়া কোম্পানীৰ লগত যোগাযোগ কৰি কাঠৰ কাৰবাৰকে আদি কৰি বহু ধৰণৰ বেহা- বেপাৰত হাত দিলে । নিজৰ মনৰ কামনা পূৰ্ণৰ বাবে বিভিন্ন শ্ৰেণী, মিচিং সমাজ, গাঁও ভ্ৰমণ কৰি মিচিংৰ বিষয়ে বহু তথ্য সংগ্ৰহ কৰি পৰ্ব্বতৰ পৰা ভৈয়ামলৈ ঘূৰি আহিল। ১৯২১ চনৰ পৰা ১৯২৪ চনৰ ভিতৰত তেখেতে মিৰি জাতিৰ বুৰঞ্জীৰ পাণ্ডুলিপি লিখি শেষ কৰে। বহু ঘাত-প্ৰতিঘাট অতিক্ৰম কৰি বহু কষ্টৰ বিনিময়ত ১৯২৪ চনত মিৰি জাতিৰ বুৰঞ্জী প্ৰকাশ পায়। তেখেতে ডিব্ৰুগড়জিলাৰ স্কুল বিভাগৰ পৰিদৰ্শক বন্ধুৰাম কছাৰী আৰু চৰকাৰী উকীল ভীমবৰ দেউৰী দেৱৰ প্ৰচেষ্টাত মিৰি জাতিৰ বুৰঞ্জী কিতাপ খন অসমৰ এম. ভি. আৰু এম. ইস্কুলৰ পাঠ্যক্ৰম হিচাপে প্ৰৱৰ্ত্তন কৰিব লৈ আপ্ৰাণ চেষ্ঠা চলাইছিল। কিন্তু শিক্ষা বিভাগৰ গাফিলতিত সেই চেষ্টা ফলৱৰ্তী ন'হল।

অৰ্থৰ অভাৱত তেখেত লিখা কিতাপ ১। মিৰি দুৱান ২। ঐনিতম ৩। মানপৰাজয় আদি গ্ৰন্থ প্ৰকাশৰ মুখ নেদেখিলে।

বুৰঞ্জীৰ অবিহনে এটা জাতিৰ সুস্পষ্ট পৰিচিত পোৱাটো দুৰূহ। সেই কথা চিন্তা কৰিয়েই মিচিং সমাজৰ বৰেণ্য ব্যক্তি সোণাৰাম পায়াং কটকী দেৱে মিৰি জাতিৰ বুৰঞ্জী প্ৰণয়নত গুৰুত্ব আৰোপ কৰিছিল। কিন্তু তেখেতৰ সপোন সপোন হৈ ৰল। বাস্তৱত পৰিণত নহল।

১৯৫২ চনৰ ২০ অক্টেবৰ পূৰ্ণীমা তিথিত গন্ধীয়া গাঁৱত সকলো ওচৰ চুবুৰীয়া তথা বন্ধু-বান্ধৱক কন্দুৱাই ইহলীলা ত্যাগ কৰিলে ৬৭ বছৰ বয়সত।

মিচিং জাতিৰ ভাষা, সাহিত্য কৃষ্টি, সংস্কৃতি, সামাজিক, ৰাজনৈতিক আদি বিষয়ত দেশৰ ৰাজ্যৰ তথা সমাজৰ, মিচিং জাতিৰ বাবে অনুপম অৱদান দি থৈ যোৱা অলেখ বৰেণ্য ব্যক্তি প্ৰয়াত তৰুণ চন্দ্ৰ পামে গাম ভৃগুমুনি কাগয়ুং চন্দ্ৰমুহী মিৰি, ইন্দিৰা মিৰি ডাঃ নোমল পেগু, ড° দুগেশ্বৰ দলে, শ্ৰীযুত টাবু টাইদ নাহেন্দ্ৰ পাদুন, ড ° মৃণাল মিৰি ড° চপলা মিৰি আদি বৰেণ্য ব্যক্তিসকলৰ চমু জীৱনী তথা ড° বসন্ত দলে ইন্দ্ৰেশ্বৰ পেগু, চেঙাৰাম মৰাং, প্ৰয়াত দিবাকৰ মৰাং, নতুন চামৰ ভিতৰত শ্ৰীখগেন পেগুকে আদি কৰি বহু কবি সাহিত্যিক শিল্পীসকলৰ চমু জীৱন পঞ্জীৰ সংকলন বিশ্বকোষ স্বৰূপ এখন দলিল প্ৰকাশ কৰাৰ আঁচনি মিচিং আগম কেবাঙে হাতত লব পাৰে। প্ৰকাশ কৰিব লৈ মিচিং স্বায়ত্ত শাসিত পৰিষদে দায়িত্ব গ্ৰহণ কৰিব পাৰে। যাতে দেশৰ বাবে, ৰাজ্যৰ বাবে জাতিৰ বাবে সমাজৰ বাবে অমূল্য অৱদান আগবঢ়োৱা মিচিং বৰেণ্য ব্যক্তি সকলৰ চমু ইতিহাস চিৰযুগমীয়া হৈ ৰ'ব। যি আচনিৰ দ্বাৰা দেশৰ বাবে জাতিৰ বাবে বহুমূলীয়া অৱদান দি যোৱা বৰেণ্য ব্যক্তি সকলৰ মহান ত্যাগৰ বাবে প্ৰয়াত সকলক শ্ৰদ্ধাঞ্জলি তথা জীৱিত সকলক মহান সৃষ্টি কৰ্ম্মত অফুৰন্ত প্ৰেৰণা যোগোৱা হ'ব।

# বাঁহফলা গাঁৱৰ নামৰ উৎপত্তি আৰু মঃ য়িং পেগু

**মনোজ পেগু**
**বাঁহফলা**

জন্মলগ্নৰ পৰা উত্তৰ পশ্চিম অঞ্চলত মিছিং লোকসকল বসবাস কৰি আছে। এই অঞ্চল ব্ৰহ্মপুত্ৰৰ দাঁতি কাষৰীয়া তথা বালিময় অঞ্চল। একালত ব্ৰহ্মপুত্ৰৰ বানপানীয়ে বাঁহফলা অঞ্চল জুৰুলা কৰিছিল। বৰ্তমানেও সময়ে সময়ে এই ধ্বংস কাৰ্য চলাই থাকে। ইয়াৰ মাজতে বহু কষ্টৰে এই অঞ্চলৰ লোকসকলে কৃষিকৰ্ম আৰু পহুপালন কৰি জীৱন নিৰ্বাহ কৰিছে। এই অঞ্চলত শাক- পাছলি উৎপাদনৰ ক্ষেত্ৰত খেতিয়ক সকল যথেষ্ট স্বাৱলম্বী হৈছে। তেওঁলোকে উৎপাদন কৰা শাক-পাছলিৰে যোৰহাট নগৰৰ শাক- পাচলিৰ বজাৰ সমূহ দখল কৰিবলৈ সক্ষম হৈছে।

অতীতত বাঁহফলা গাঁৱত এজন বলবান লোক আছিল। তেখেতৰ নাম স্বগীয় লূঃতুং পেগু, দেখাত মানুহজন চাপৰ আছিল যদিও শৰীৰ সুঠাম আৰু পালোৱান আছিল। কথিত আছে যে এদিন লঃতুং পেগু আৰু লগৰীয়া সকলৰ মাজত এখন ধেমেলীয়া প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। প্ৰতিযোগিতাটো আছিল এডাল ভলুকা বাঁহ খালি হাতে ফালি কাৰ শক্তি কিমান পৰীক্ষা কৰা। প্ৰতিযোগিতাৰ দিন স্থিৰ কৰা হ'ল। লগৰীয়া সকলে এজন এজনকৈ বাঁহডাল ফালিবলৈ যত্ন কৰি সকলো বিফল হ'ল। কিন্তু শেষত লূঃতুং পেগুৱে বাঁহডাল বাউসীৰ কাষলতিত লৈ হাতৰ জোৰেৰে পকাই দুফাল কৰি নিজৰ শক্তি প্ৰদৰ্শন কৰিলে। দুই তিনিখন গাঁৱৰ দৰ্শক ৰাইজে তেখেতৰ গাৰ বাউসীৰ জোৰ দেখি আচৰিত মানিলে । বিচাৰক ৰাইজে তেখেতক বিজয়ী ঘোষমা কৰিলে। সেই প্ৰতিযোগিতাৰ পাচৰ পৰাই গাঁওখনৰ নাম বাঁহফলা হ'ল বুলি কিছু লোকে মন্তব্য কৰে। অন্য এক সূত্ৰ মতে পূৰ্বতে এই ঠাইডোখৰে বাঁহগছেৰে ভৰপূৰ আছিল বাবেই গাঁওখনৰ নাম বাঁহফলা হ'ল বুলি ঠাৱৰ কৰিছে। যি কি নহওক বৰ্তমান বাঁহফলা গাঁওখন যথেষ্ট জনবসতি পূৰ্ণ এখন ডাঙৰ গাঁও। গাঁওখনত শ্ৰী শ্ৰী বিষ্ণুদেৱ জনজাতি কণিষ্ঠ মহাগিবদ্যালয়, আদৰ্শ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগতে দুখন মধ্য ইংৰাজী বিদ্যালয় আৰু চাৰিখন প্ৰাথমিক বিদ্যালয় আছে। গাঁওখনৰ চাৰিওফালৰ পৰা যাতায়াতৰ সু-ব্যৱস্থা আছে। গাঁওখনৰ পছিশ শতাংশ লোক চৰকাৰী কৰ্মচাৰী আৰু বাকী পয়সত্তৰ শতাংশ লোকেই খেতিয়ক।

বাঁহফলা গাঁৱৰ লূঃতুং পেগুৰ বংশৰ আৰু এজন সাহসী সমাজকৰ্মী বিশিষ্ট ব্যক্তি এজন আছিল। তেখেতৰ নাম মঃয়িং পেগু । তেখেতৰ নামতেই বাঃনী কৌবাংৰ পয়ত্ৰিছ সংখ্যক অধিবেশন থলীৰ নাম মঃয়িং পেগু লতা নামকৰণ কৰা হৈছে। তেখেত অতি কম বয়সৰ পৰাই সামাজিক কামবোৰ কৰি ভাল পাইছিল আৰু বৰ সাহসী পুৰুষ আছিল। তেখেতৰ জন্ম হৈছিল ১৮৯৯ চনত আৰু পিতৃৰ নাম আছিল মিতুম পেগু। মিতুম পেগুৰ তিনিজন পুত্ৰ আছিল ক্ৰমে পানীৰাম পেগু, বগা পেগু আৰু মঃয়িং পেগু । মঃয়িং পেগুৱে পিছপৰা অঞ্চলটোৰ শিক্ষা দীক্ষাৰ বাবে বৰ চিন্তা কৰিছিল। তেখেত কম শিক্ষাৰে শিক্ষিত হৈয়ো ৰাইজৰ সহযোগত কেইবাখনো শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিছিল। ১৯৭০ চনত আদৰ্শ জনজাতি মধ্য ইংৰাজী বিদ্যালয় আৰু আদৰ্শ জনজাতি উচ্চ বিদ্যালয় স্থাপন কৰি তেখেত নিজে পৰিচালনা সমিতিৰ সভাপতি হৈছিল। আৰু বিদ্যালয় খন সুচাৰুৰূপে পৰিচালনা কৰিছিল। তাৰোপৰি তেখেত কেইবাবাৰো পঞ্চায়তৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি ৰাইজৰ জনহিতকৰ কাম কৰিছিল। তেখেত এজন ৰাইজৰ দায়িত্বশীল ব্যক্তি আছিল বাবে ভাৰতৰ ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমেদ আৰু তেতিয়াৰ যোৰহাট সমষ্টিৰ বিধায়ক জনতা পাৰ্টিৰ যোগেন শইকীয়াক ৰাইজৰ অভাৱ অভিযোগ বোৰ জনাইছিল। তেখেত যোৰহাট সমষ্টিৰ শ্ৰীযুত বিজয়কৃষ্ণ সন্দিকৈৰ লগতো মধুৰ সম্পৰ্ক আছিল।

মঃয়িং পেগুৰ দুগৰাকী পত্নী আছিল। প্ৰথম গৰাকী পত্নীৰ নাম লাদুমী পেগু তেখেত নামনি মাজুলীৰ বৰ আৰ্টি গাঁৱৰ জীয়ৰী আৰু দ্বিতীয় গৰাকী পত্নীৰ নাম বগীদে পেগু। লাদুমী পেগুৰ আঠগৰাকী ল'ৰা ছোৱালী আছিল। তেওঁলোক হ'ল মহেশ্বৰ পেগু, মনোমতী পেগু, দেবেশ্বৰী পেগু, ৰাজেন পেগু, হিৰানাথ পেগু, তচীল পেগু, সুভদ্ৰা পেগু আৰু সুমিত্ৰা পেশু।

দ্বিতীয় গৰাকী পত্নীৰ চাৰিগৰাকী ল'ৰা ছোৱালী আছিল । তেওঁলোক হ'ল-কণ্ট্ৰং পেগু, ৰেইগ্ পেগু, তুলসীপেগু আৰু বেটি পেগু। মঃয়িং পেগুৰ দুগৰাকী পত্নীৰ মুঠ সন্তান আছিল বাৰ গৰাকী। তেখেতে বাৰগৰাকী ল'ৰা ছোৱালীক পোহপাল দি ডাঙৰ দীঘল কৰাৰ লগতে সমাজৰ কামো নিয়াৰীকৈ কৰি গৈছিল। গাঁৱৰ সৰু ডাঙৰ সকলো বিচাৰ বা সমস্যা বোৰত সভাপতি হিচাপে আগভাগ লৈ মিমাংসা কৰিছিল। গাঁৱৰ মানুহে তেখেতক বৰ

সন্মান আৰু ভক্তি কৰিছিল। তেখেত ১৯৮৮ চনৰ ২৫ আগষ্ট তাৰিখে ইহলীলা ত্যাগ কৰে। তেখেতৰ মৃত্যুত পৰিয়ালৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

১৪০

# অসমীয়া
# কবিতা
# শিতান

# অতিথি

জীৱন নহৰ

বিহ্বত আহিবানে ’ মই ঠিকনা নিদিওঁ
বিচৰি আহিৱা আলুপোৰা গাওঁখনলৈ

তুমি কলহৰ ভাৰ লোৱা যিকোনো মানুহক লগ পালেই মোৰ ঠিকনা সুধিব পাৰা
তুমি নদীৰ পাৰত বালিঘৰ সজা নাওঁঠ ল'ৰাবোৰক মোৰ ঠিকনা সুধিব সুধিব পাৰা

যদি এজান গাভৰুৱে তোমাক দেখি খিলখিলকৈ হাঁহি দিয়ে
জানিবা সেইখনেই মোৰ গাঁও, মোৰ ঠিকনা
নহ'লেবা তুমি এটা কাম কৰিবা
গেলাবিল পাৰ হৈ যিটো ঘৰ পোনতে পাবা তাত মোৰ কথা সুধিবা
যদি ঘৰটোৰ ভিতৰৰ পৰা কোনোবা মহিলাই বেসুৰা মাত লগায় ।
তুমি উভতি আহিবা।
কাৰণ সেইখন চৰাইপুং অথবা লক্ষীপথাৰো হ'ব পাৰে
যদি ঘৰটোৰ ভিতৰৰ পৰা কোনোবা পুৰুষে দুৱাৰ খুলি মাত লগায়
তুমি উভতি নাহিবা
পালোঁ বুলি জোৰকৈ চিঞৰি দিব পাৰা

তোমাক প্ৰথমে এবাটি আপং দিব
কলপাতত পোৰা গৰৈ মাছ দুটামান, এটুকুৰা কাঠ আলু
অলপ নিমখ আৰু দুটামান কেঁচা জলকীয়াৰে অতিথি সুধিব
প্ৰথম বাটি শেষ হ'লে আকৌ এবাটি দিব
তাৰ পাছত আকৌ এবাটি ......
তাৰ পাছত আকৌ এবাটি .......
তুমি নেখাওঁ বুলি নক'বা- বেয়া পাব।
খাই মাতালো নহ'বা — বেয়া পাব।
এবাৰ বেয়া পালে তোমাক কেতিয়াও নামাতিব।
মই ঠিকনা নিদিওঁ
আহা যদি উৰুকাৰ দিনাই আহিবা

## কবিতা এটা কাহিনী

**বিমান কুমাৰ দলে**

আমি যেতিয়া নৈৰ পাৰত
আছিলো
নৈয়ে আমাক খেদিছিল
আমি আমাৰ প্ৰপিতামহৰ
ভেটি-মাটি হেৰুৱাই
অৰণ্য এখনলৈ ঢাপলি
মেলিছিলো
আমি যেতিয়া অৰণ্যত আছিলো
অৰণ্যত জুই লাগিছিল
জুই দেখি ভয় খাই
আমি আকৌ দলে দলে
নৈৰ পাৰলৈ উভতি আহিছিলো
আৰু কি সাংঘাতিক কাণ্ড
নৈৰ পাৰতো
জুই লাগি থকা দেখিছিলো
ইকৰা-খাগৰি কঁহুৱা-বিৰিণাৰ গাত
আৰু দেখিছিলো
পানীত ওপজা ল'ৰা-ছোৱালীবোৰ
জুইৰ সৈতে খেলি থকা

## যাত্ৰাৰ শেষ স্তৱত

**মনোজ কমাৰ পাঠৰি**

মোৰ বুকুৰ আমঠু
দিনবোৰ গৈ হ'লে
থৈ যাম বোকাৰ খোজত
সোণোৱালী আবেলিৰ ৰং
যাত্ৰা শেষ হ'লে
বাকি দিম ৰংবোৰ
আচিনাং ভৰি উঠক
কনেং নতুবা কৌৱাহঁতৰ উমত
আহাঁ অগ্ৰজহঁত
নতুবা কালৰাত্ৰি সমাগত
কণ্ঠস্বৰ খুলি দিওঁ
যাত্ৰাৰ শেষ স্তৰত।

## অনিশ্চিত

**নিপা মৰাং লইং**

আধা ৰাতিতে কুকুৰাই ডাক দিছে
এখিলা সৰাপাতে আত্ম কথা কৈছে
এটা নতুন বসন্তক
কাষতে শুই থকা খেতিয়কজনে
সাৰ পাই উঠি
পোনচাটে নাঙলত হাত বোলাইছে
মাটি চহাবলৈ আৰু বহুত বাকী
কেঁচা টোপনিৰ পৰা উঠিলেও
সাৱধান হ'বা
খেতি ডৰাৰ নাকৰ আলিতো
থাকিব পাৰে তেজসিক্ত বাৰুদ
যি নাঙলৰ সীলুত তাণ্ডৱ কৰে
এক অনিশ্চিত শাওণৰ অশ্রুধাৰাৰে

## বটালি

**গান্ধীৰাম বড়ি**

আজিৰ কিমান মানুহে বুজি পায় তোমাৰ দুখঙ্গ
তোমাৰ মূৰত প্ৰচণ্ড হাতুৰীৰ প্ৰচণ্ড নিবিড় কোব
তোমাৰ তীক্ষ্ণ মুখেৰে কাটি কাটি বিন্ধা কৰা
শিল যেন কাঠবোৰ.........
অথচ তোমাক লৈ বহুলোকৰ
অপমানসূচক বাক্যৰে উপমা
"বটালি যিমান চোকা হ'লেও
হাতুৰী লাগিবই"।
তুমি এচাম লোকৰ অন্যতম আহিলা
অৰ্থ উপাৰ্জনৰ আদিতম যাত্ৰা
হেৰুৱাই থাকা তুমি আনৰ হাতত
তোমাৰ স্বাধীনতা।
তোমাৰ দৰে আমিও
একো একোটা হেয় বটালি
আমাৰ মূৰতো কাৰ কিমান যে কোব পৰিছে
টলকিবই নোৱাৰো
আমি ক্ৰমশঃ হেৰুৱাই আহিছো

আপোন মাটিত মানুহৰ স্বাধীনতা
আমাৰ দেহত সম্প্ৰতি ৰক্তহীনতা....

143

**সপোন**

**নিপন লইং**

নদীখনে প্ৰতাৰণা কৰা দিনৰে পৰা
সপোন এটা বুকত সাৱটি শুই থাকো
খাওঁতে সপোন এটাৰ কথা ভাবো
বহোঁতে সপোন এটাৰ কথা ভাবো
তাহানিলে মনত পৰিলে
সপোনতে সপোনৰ ঘৰ এখন সাজু..
কোনে.........?
কোনে ভাৱিছিল বাৰু
বংকুৱাললৈ আকৌ ৰঙালী বিহু নাহিব বুলি
কোনে.........?
কোন জানিছিল বাৰু
পথাৰত গেঁৰধৰা ধানবোৰে দুনাই নাহাঁহিব
বুলি
এতিয়া সপোন দেখি দেখি গৈ থকা
বাটৰুৱাজনক সোধো
আপুনি বাৰু সপোন এটা লগ পাইছিল নেকি
গাওঁখন নদী হোৱা আগৰ সপোন
গাওঁখন নদী হোৱা আগৰ সপোন

**<u>ভাল লাগে মোৰ</u>**

মিগাং হিৰণ্য কুমাৰ টায়ে

উৰি যাওঁ মই
সৌ আকাশৰ বগা ডাৱৰ হৈ
সুদুৰ প্ৰান্তৰ এক অচিন দিগন্তলৈ
ঐনিতমৰ সুৰে সুৰে তালে তালে
সপোনৰ এক অচিন দিগন্তলৈ।
উৰি যাওঁ মই
নীৰৱে চকুলো বৈ
বগা ডাৱৰৰ আঁৰে আঁৰে কুমেৰু সুমেৰুলৈ
অকলে অকলে জয়গান গাঁও
প্ৰকৃতিৰ এই ৰহস্যময় লীলা মায়াৰ ।
ভালপাও মই
শৰতৰ এই ঘোৰ অন্ধকাৰৰ
জোনাকী পৰুৱাৰ সতে সেই ৰং ধেমালিবোৰ
আৰু ভালপাওঁ মই ৰাতিৰ আকাশত
তৰা হৈ ডাৱৰৰ সতে লুকা ভাকু খেলিবলৈ
তৰা হৈ ডাৱৰৰ সতে লুকা ভাকু খেলিবলৈ।
ভালপাওঁ মই
বহাগৰ কোনোৱা দুপৰ বেলাত
ৰিণিকি ৰিণিকি বাজি অহা গৰখীয়াৰ সেই

# বাহঁফলা

**মামনি বৰা**
**মালৌ-আলি, যোৰহাট**

বাহঁফলা বাহঁফলা
তুমি জাকত জিলিকা,
তোমাৰ বহল বুকু
নানা শস্য মৎ সৰে ভৰা ।
দেখি ভাল লাগে
ওখ ওখ চাংঘৰ,
চাংঘৰৰ তলত শিপিনীয়ে
ৰচে সাপোনৰ ঘৰ।
সহজ সৰল মিচিংসকল
কনেংজনী তাতোটকেও সৰল,
আলহী অতিথি গ'লে
কৰে আদৰ আপ্যায়ন।
বাইফলা নামটো
আপোন আপোন লাগে
, নামচিং বুলিলে
লোভৰ পানী পৰে।
আপঙৰ নাম শুনিলে
খাম খাম লাগে,
আপঙৰ মিঠা সোৱাদ
খোৱাজনেহে জানে।
মিচিং মহিলাই কেবৰেগ পিন্ধে
পুৰুষ সকলে দুমীৰ পিন্ধে,
ভমকা ফুলিয়া কেবৰেগ খনি
দেখি ভাল লাগে কনেংজনী।
ঐনিতম শুনিলে হিয়া জুৰ পৰে
বাইফলালৈ মন উৰা মাৰে,
পোৰা গাহৰিৰ মাংসৰ গোন্ধে
জিভাৰ পানী টপ টপ পৰে।

## বাঁহফলা

মীনাৰাণী ঘোষ
৪৯০ নং ধনখুলৈ প্ৰাঃ বিদ্যালয়

প্ৰকৃতিৰ অকৃত্ৰিম সৃষ্টি
বৰ লুইতৰ পাৰত
মাথাউৰিৰ নিচেই ওচৰত
মিছিং অধ্যুষিত এখন গাঁও
তুমি ! হৈছা বাঁহফলা।
বৰ লুইতৰ কোৱাল সোঁতত
চপৰা চপৰে খহিছে
তোমাৰ আবেষ্টিত ভূখণ্ড,
একালত তুমি আছিলা ভোগালী হৈ
শস্য মৎস্যৰে নদন বদন
সপোনৰ কাৰেং ঘৰত
বৰ লুইতে আশাৰ যৱনিকা পেলায়।
বহুতো সোনালী ইতিহাস
জাঁহ গৈছে পানীৰ বুকুত
তোমাৰ নিৰ্মল হৃদয়ত

বৰ্তমান হাহাকাৰ, মাথো হাহাকাৰ !!
সজীৱ কৰি ৰখাৰ নাই কোনো পৰিত্ৰান
হে! বাঁহফলা তুমি জিলিকি থকা
বৰ লুইতৰ সেউজীয়া প্ৰকৃতিৰ
শুভ্ৰ বালিৰ বুকুত।



# প্ৰাঞ্জল সাতোলাৰ সোঁৱৰণত

**মামনী মিলি**

আশাৰ ফুল জোপা ৰুইছিলো
ফুলাই চোৱাৰ দুৰ্বাৰ হেঁপাহেৰে
দুৰ্বৃত্তই চাটমাৰি মোহাৰি থৈ গ'ল
সাক্ষী প্ৰমাণৰ মিছা অজুহাতত ধৰা নপৰিল।
দেৱালৰ আৱাসিক হৈ গঢ়িলা শিক্ষা
নাজানিলা কোনো দিনে আত্মীয় স্বজন
তোমাৰ সততাত আজি কিহৰ লীলা
সু-সন্তান বুলি কোনোৱে চিনিকে নাপালে।
দেউতাই আজি তোমাক নিবলৈ ঘাটলৈ নাহে
মায়ে তোমাক দেখা নাপাই বুকুবেদী কান্দে
বিহুৰ বতৰত আজি সকলোৰে হাঁহি
তোমাৰ ঘৰত আজি বিষাদৰ বাঁহী
মহানলোকে কয় ভক্তিয়েই ধৰ্ম
তুমিতো পালিছিলা একে ধৰ্ম
তথাপিতো বিধাতাই নকৰিলে সুমতি
জ্যেষ্ঠ বুলি শত্ৰুক কৰিলা ভকতি।
কৃতিম বন্ধুত্বক দিলা তুমি আশ্ৰয়
তাৰে পৰিণতিত হেৰুৱালা পৰিচয়
এতিয়াও ক'বানে কোন সেই ধুৰন্ধৰ
বিশ্বাসঘাটক কৰি মানৱতাক কৰিলে হত্যা

# "তোমাৰ মৰম ও প্ৰেৰনাৰে"

**ৰঞ্জিতা পেগু দলে**
**বাঘমৰা গাঁও**

পৃথিৱীৰ অসীম শূণ্যতা জুৰি
মোৰ সমগ্ৰ হৃদয় মণ্ডল জুৰি,
ওপঙি আছে তোমাৰেই অনুভূতি।
বিজুলীৰ চোঁত কপি উঠা ইয়াৰৰ দৰে
তোমাৰ স্নেহ স্পৰ্শত
মোৰ আকুল হিয়াত উঠে
হেজাৰ তৰংগ,
মিঠা অনুভূতিৰ
তোমাৰ মৰমেইতো
জীয়াই ৰাখিছো মোৰ প্ৰান।
এটি অমূল্য ৰত্ন প্ৰাপ্তিৰ প্ৰান
, সেইয়া হ'ল তোমাৰ সুখ
হাঁহি ভৰা মুখ।
তোমাৰ ছবি—
মোৰ চকুৰ মণিত আৱদ্ধ
তোমাৰ মৰম ও প্ৰেৰণাৰে
অবক্ষয়ৰ আঁৰে আঁৰে মোৰ হৃদয় সঞ্চাৰিত

তুমি মোৰ মানসপটত চিৰপ্ৰজ্বলিত।

১৪৬

# আই

**ডাঃ মনোমোহন গগৈ**

আউলি বাউলি জপৰা জপৰি চুলি
মলিয়ন বস্ত্ৰ,
জীৱন যুদ্ধৰ দৈন্যতাত চকুলো নিগৰা
শেঁতাপৰা চকু
কুঁচিমুচি যন্ত্ৰনাময় জীৱন শৈলী
অধীৰ আগ্ৰহেৰে মৃত্যুৰ অপেক্ষাত
অতি সুখ আৰু আনন্দৰে জীৱনৰ এচোৱা
কালৰ নিষ্ঠুৰ আঘাত
ছিন্ন বিছিন্ন মধুৰ স্মৃতি
অকালতে হেৰুৱা স্বামী, পুত্ৰ
বিয়া দিয়া জীয়ৰী এতিয়া বোৱাৰী
আলহী দুদিনৰ,
উৰুখা পঁজাত সাপ বেঙৰ সহাৱস্থান
এসাজ খায় দুসাজ লঘোন
লোকৰ ঘৰৰ খোজা মগাৰ তুলাচনী
কোনোৱা নৰৰ আগমনৰ শব্দ
কুঁচি-মুচি বহি থকা বৃদ্ধা আইৰ
করুণ বিননি
হে ভগৱান-মোক মাৰি নিয়া ।
অ, বোপায়
কোন তুমি মানুহ নে দেৱতা ?
নে মানুহৰ অৱতাৰ মানুহ
মানুহৰ ব্যস্তময় জীৱন যাত্ৰাত
নাই কাৰো সঁহাৰি
যি সময়ত
ৰজা ঘৰৰ বৃদ্ধ পেঞ্চন, বৃদ্ধাশ্ৰম
আঁচনিৰ ফুটুকা ফেন
কৰাল গ্ৰাস
ঢোল বজাই দিয়া ঘোষনাৰ
এইয়া মাথো এক মিছা প্ৰয়াস।

# স্বাগতম বাঃনী কৌবাং

**মালবীকা পেগু মিলি**
**প্ৰবক্তা, শ্ৰীশ্ৰী বিষ্ণুদেৱ জনজাতি কনিষ্ঠ মহাবিদ্যালয়,**
**যোৰহাট**

২০১৪ বৰ্ষত বাঃনী কৌবাং জনাইছো স্বাগতম
সমবেত জনতাৰ ঐক্য সম্প্ৰীতিৰ এক মিলন তীৰ্থভূমি হওক ।
উত্তৰ-পশ্চিম যোৰহাট মঃয়িং পেগু লতা, বাঁহফলা।
সমন্বয়ৰ এনাজৰীৰে শান্তিৰ কপৌ উৰুৱাই
জন-জীৱনৰ সৃষ্টিৰ গীত গাই গোমৰাগ নৃত্যৰ ছেৱে
নতুন দিনৰ দৃঢ় সংকল্পেৰে
সময়ৰ গতিত মিচিং ৰীঙাম আগুৱাই যাওঁক।
ঐনিতমৰ প্ৰতিধ্বনিৰে...........
তাৰেই প্ৰতিশ্ৰুতিৰে চিৰযুগমীয়া হওঁক আজি
বাঁহফলা মঃয়িং পেগু লতাত স্মৃতি সৌধ।
জনসমুদ্ৰ জনতাৰ মহামিলনৰ চানেকিৰে
আকাশ বতাহ কপাই মুখৰিত হওঁক শান্তিৰ গান ।
সৃষ্টি হওঁক এক অভিনৱ আকাশ।

# মিচিং
# প্রবন্ধ
## শিতান

# Miglunémpé Kéné Asin

**Mg. Tulesor Pegu**

Ké:yum kolokké sé mo:píso pédong- ésar léndag ledído ngané-ngama:né lenkang émna bottan potin kídarro pobeksudag. Ngoluk Mising a:bangno:sin sé do:yingsém kí:tadbitag. Édé adídokké silopé kingabla:ma:namkoi bangki bangkin ngané ope:é lentídung. Aké ope:é turyarla:ma:la sigéka:bong. Turné takamésin mimag mola: turra dung. Mimag mola:turra du:né ope:ara:do:sin magyan kídardé sinan arungém munna du:némpé andag. Émdaggom turyarnam légangé mimagém motipa:yé.

Anbeg-ka:beg kampé sé ngané ope:ara:so tani:lusun ope:sé appingémyang totsun ope:ko. Sé mo:písém buluk méngampépag gerra dung. Kapila émyémílo tani: ope:log angken dungkampé angun ngané ope: kídarlokké angkené kamang. Kin-go kama:n kídarlokké angkén kamag. Kin-go:ki angkeném pa:daggom angken agerém kinsuge:la:sin lékoném germang. Tani ope:sé abaya:ngé kin-gel germurdag. Bulum aíké aíké asin kídaré luyirma:mílo kapésinei lutumna:mang. Lékoném lutum-luyirné kidaré asin miksém dípa:dag.

Tani:kidarlog asiné lékomang émnamdém sé:ko kinma:n? Sékkaiké méngkampé sé:kai mé:mang. I: bidbosunamnok asinéi lékomang. Sémpilai sé:kai kabyémíl sé:kai yirra du:dag. Angken kagela:sin sé mo:lungso sémpei tanié turra gídung odokké sémpei turyarpa:yé.

Asin kídaré lérégpé lékomanggom lékopékol lékomílo aido. Asin a:ko sé:kaimé asinang onamdé omurmang. Asinang okap gídodo ai-aima:namdém ansunamdé bíkké bíkké. Tanié taniém ategpésin aipé mé:do odokké lékoném édémmíng aima:pésin mé:do. Ainédém appíngei aidag émdo. Aima:nédém aidag émna lunam- mé:namdémpag mé:mi- sagmi pénampé idag. Kin-ge:la:sin kinsuma:némpé inamdé turbon agerém germang. Aro agomdém aima:n agerki mopidnamdé kabomang. Aima:n agerki arodém gétabdaggom réngamé aidag émna tolígmang. Réngam tolígma:namdém ang kanné émna mé:sunamdé mé:muré. Arodém turyamonam légangé ru:né-pínébulu lékoném aima:n agerkosin gerpénampé mé:do édé do:ying kídardé:sin angudag. Mo:pisog taniém turyarmonam légangé isorbí deg agomém mé:pénampé idag. Sémpin mé:lod agerém bottan potin (Mahabharat, Ramayan, Gita) atilo pobeksudag.

Kuruketro Mimagdo do:yíngékké sémpé anbegdag-Bhimkélang Dhurjudhonké do:yíngko. Durpodiké ege-bédu-gasorém pídga:log Bhimbí Dhuryudhonmé godangki démkéyé émna pesuto. Longékoném aropé bínyik ara:do mimagko lagimunsukang. Sé:kosin sé:komsin pakkula:mang. Annyidé ngago:sudung. Édé mimagdém Sri Kisnabí anmi-ka:mil dungai. Bík anbegkampé Bhimbí ngaya:dung. Bí

ígémpé do:yingko mé:bekto. Dhuryudhonké ané Gandharibí bím sé:kosin démkela:ma:nam bo:rko bitagai. Édé bo:rdém anédog lukam-méngkampé Dhuryudhonbi la:la:to-mang. Amír-alag-alé appí:dém ili pé idopé bo:rdém kobitagai. Anédé lutagai
১৪৯
appingém pítpaksugel bík ru:yi:dop gíadopé. Srikrishnok agomém tadla bí kopag annékoki anyi:pékodém takkapsukolo takkapsukodé ílí:pé itomang. Sé do:yí:sém Kishnobí kindagai. Sé lé:su agomém Kishnobí Bhimmé séukoki sutkanbito. Sutkandag lédído Bhimbí Dhuryudhonmé odog godangki démnígnammé Dhuryudhonbí otabkang. Bhimbí édémpépag demtapto. Su:pag sé agomsém aidag émyéne, aimang émyéne? Sé mo:píso arodém turmonam odokké du:yarmonam légangé ru:né-pínébí aima:n (oniti) mé:lodém la:pé ikang. Aro légapé lékoném aima:n asiném la:namdém aimang émna lugumanggom aima:n agerém gerto émnamdé do:pínno lédu-lamkupé du:tíkang. Sí:sang-sí:togné takamé sém sutkantíyépé.

Aima:n (oniti) émna ludaggom kinné takamdé Durpodik eggém bípíddodo miglun asiném génamdém okkomna lu:yen? Ka:la dunggela:sin lulama:namdém kapin asin émyen? Ang kané kídardé magyap ingabnamdém oko agomki lutusuyen? Sémpé kénamdokké arro du:lang?

Botta bottan bir kídarí:dé Orjunké ao obimoinumé "Sokro-Behu" ara:do mimag mola: mola: gía:mogel moketo. Ta:to, ba:boi, ka:kí, poyírné kídarí: dé opug-godangki apke- démketo. Oko arolog arrém pa:la buluk asin kídardé ajjouné ko:dém asinang ola:toman? Buluk ka:de ka:dep gernamdém aro légang gerto émna mé:yínsula:yélang? Buluk bir asin kídardé kin-ge:la:sin miglunémpé kénamdém oko asinki luyi:suyen? Appíngé lekogel mokénamdém siyum-sí:rosin takirém sutkaddag.

Soito jugdo télémpin deg agomém yelam légang la:lennam potin kídarro adlenbitag. Aro agomnokké arré dung émnamdém koli:jugsog tani:lo:pé ai-aima:nédém tadyí-ka:yísudopé adlentag. Su:pag koli:jugsog tani:asinnog agom ajjouko kí:pé lendung.

Lekeké Ramayan, Mahabharat atí bottan potin kídardog agom kídarí:ngém silopésin mémang. Sé potinkidarsog agom alangí:ngém tíkum-langksumsugel taniém angkeném bila gídung. Akedé aro asinno lígdung, akedé pésola la:dung, akedé kinsuma:p la:dung, akedé kin-ge:la:sin kinma:n agerém gernadung odokké akelokké péssoi kamang. Akedé ludung koli:jukso arro agerém germang. Aima:n asiném la:la:ma:mílo tani:pé badla:mang émnam agomkosin silo-mélo tadbegdag. Sémpin agom ésarki tanié símín-sikepé badamdung. Buluk nappang kídardo dhormo (yelam) dobomang émna lunamko lubomdung. Sé asin kídarsé amirrog koyyangémpé a:dung. Sé koyyang kidarsem oko sabon-sarapkokisin notpagla:mang. Sémpin yelam kama:n a:ngé silo agerém léngkandung. Yelam mé:né kídardé magya:pé ingabdung.

Taléngké yélam do:ying kingkampé kí:mílo arrom ménggémonam longangé ru:né-pínébí aima:n asiném langgel arodém turmodungai. Lékoném arrongkokisín arrom turmola:mang. Sémpilai Rambi Sugribmé turmogel Balimé aima:n asiném langgel apkepénampé ikang. Sémsin tanié aidag émmang. Émdaggom aro légangé agerdém gerpé ikang.

Silo koli:jukso sémpin agerém kinpékinma:pé gerbomdung. Aima:nédémsin bulu aidag émdung. Bulukképé germurdé:sin gergabé. Koli:juksog migang kídaré silo- mélok ru:né-píné bulu. Buluk ayangém pa:ma:mílo tani:pé ila:mang. Buluk agomém tadma:mílo isorké pelígnammémpé idag. Ope: turnam léga:log aima:n agerém gerdaggom

takam rengamé asin aséngém sé:lígdo. Atég légang aima:n agerém gernamdém tani:takampé lula:ma:nam appí:dém sagipé gilígdo. Kinobí atég légangé Kongbo, Jorakondo, Duryudhon atíbulum mokemangai, bulum moketo réngamé turyarnam légangé. Sémpin asiném la:ma:pé atég ager légangé réngamém agerro lígnamdém kaboné ageré émna sé:kosin sabma:yé. Koli:jukso sé:bulupag agerém gernamé appí:loi lígdu:bong.

Mahabharatdog Dronacharya, Korna, Bidur, Joydrath atíbuluk dungkampé silo koli:juksosin dung. Bulukémpé asin génné silo-mélok réngamso dekko lendung. Bulu amigki ka:begdag asinki ka:begmang. Asinki ka:begdaggom buluk asin kídarokké aro duksídag. Aro-aroma:nam kindaggom buluk asin kídaré képékolo:p kédagrung. So luyirpénam kamang. Aíké asinémpag aíé luyirsupa:yé. Kapila émyémílo luyirkap ginédé miksém ri:paksupa:dag. Atég asin génédém isorbí:sin lutumna:mang. Édébulu réngam agomki atég arígém gerdag. Silo-mélo sé asin kídarse:pag mo:tag, mo:dum, mo:rum atilo amaném pa:dung odokké asín díglígla gerné takamdé benamém pa:dung.

Léddarso miglum amig géné tani:dé ayangém ankindo, miglun asin génédé ayangém ankin-ge:la:sin ankinmang. Miglum asin génédé ma:nyíng keteré. Luposupé mé:daggom ngederdag. Buluk asin kídardé take arungé édílosin assém bi:mola:mang, sanné sulliyé assém píligdaggom jua:mang. Odokké yumngarné tanié urrobdaggom urrobla:mang. Miglun kéné asin kídardog agomé ti:do odokké ageré kodo. Sé asin kídarsé sémpei réngamém mosíl dung. Bulum lutumkap ginédé giníksudag. Addé luyirma:mílo bulum luyirpénné lenma:yé. Isormé lo:dém kunmanggom sé asin kidarsem lo:dém kumnangka.

## KA:PO KANGANÉ NGOLUK DO:LUNGÉ

**Diptirani Pe:gu, Doley**

**Ka:po Kangané ngoluk do:lungé**
**Ka:la ngo du:lí:dag.**
**Gjíg gerola arig ísíngé**
**A:né ru:yidog jaubon amingé**
**Geyom geyomla jarkub jarrobé**
**Bobi lolin ésaré Kouang appuné**
**Yukub yulabé**
**Télé do:nyi sa:lendung**
**Pétta Péying dé:robdung,**
**Nésin néyin ngannendung**
**yumdéng airdung**
**So:bo menjég Kabdubong,**
**Do:lung Ko:kangé so:man yirmandung**

## Nyi:mang

**Rupkonwar Mili**
**Gohpur, Sonitpur**

Oikoli bograngdok ipar-doparsula dola du:né Yi:rm (Hing-go) migommo appingei pésodungai. Lekelokkei bík do:lu: ring-ngongé aipé bím pésodungai. Bik réngamé bím aipé mé:tinsudagai. Migomdok mirum kéba:do airu:pé kinné-pa:né "Mi:rom" émnam ru:mi (mensarung) kosin dungai. Migomde bim aipé mé:líksudungai.

Edémpé ayiré longopé, long-ngo po:lope, po:lo ditagpé igékang. Yi:rom migombi mijing jinga:l gigékang. A:yé:dé:sin po:pékémpé jamna alang-adin dola:tokuma. Longo long-ngom bi odok légangé aipé mé:dir angkang. Ru:midé édém anna migomdém tatto. -"Kapidu:n Migoma no? Mola:manei? Kapila mé:dírdu:n?" Migomdé "ma! okosinma" émto. Donam-ti:nam légangé siloya yampoya mijing ji:la giddouém ajjouko mé:pénampé idung. Po:pékémpé Adin-alangko jambeg-dobeg tokuma! Ngo du:man! donam-ti:nam, adin- alangém sukké ngo bombiyékuna! Mé:pé lagima no! Ru:midé luto. Migomdé bi:nu okkom ngom bombi la:yékun émna Asinobokki mé:to. No sogab la:yén émna luge:la asin me:domilo nom tobad ligdung émna migomdé luto. Ru:midé "é" émna togésuge:la mirum kéba:dokkéd mekéd- meyédla gilenkangku.

Longkondo mé:misuge:la mensaru: ru:midé migomdok légangé apta mobikapė gikang. Gila gila bi a:néko pa:to. A:né gora ru:yi ru:yidok bi dagtokpé gito. Bik giko lambé dokké mo:téngong-gampé pa:tang ako ka:begto. Ru:midé notagém ka:milo aipé isor dido. Notagé ngésa:du:ji émna bi pata: ru:yido:pé gikang. Pa:ta talédo gigolo kadouém bi pa:tang kémigbo Sira adorko kédbudsula ursula du:dopé ka:begto. Bik aminém Yégbor émtagai. Siradém kang-ge:la mensaru: ru:midé asino:bo mé:to - "Bélé amibém ngo yadbomkumilo aiye." Edémpé méng-ge:la bi ka:pingong kolokké gombor- gampé aiém alé lusula gido - "Édéming ludo tupté émna." Siradé édém talla ru:midém tatto -"Okkom afém afé lusula gidu:n, migom rumiya? Ngo tadkinnama:péna idu:n?" Mensaru: ru:midé yadlayé émna asinbo mé:ng-ge:la Yégboromé luto- "Yégbora okkom lula pa:yen? Iddiné ngoluk simiin yumra:so:sin migomdokké mé:ligsunam katomang!" Bi mijing-ka:bong. Yampo-ro sidanyébo! Édémpila bi réngamsem ka:símosila:péné ka:ligsunam amiko pa:mails aipé mé:dir dung. Bi migom dola:ma:bong emna, anu migompé nom me:ligsula gokteika émna ngom toligtag. Edém talla Yégborbi aipé mé:bola "arroi" émna tatto.Ru:mide "élo émna tame danna pesula togésuto odokké aiyo:pé ursuge:la kajé ngok lédilo gimia tokuka émna luto. Yégborbi simiin migompe

dopa:yé émna mé:bola mé:yumsula ru:midok lédílo gímínku. Migomdok ru:bang (mirum+kébang) do píngang-kiramdo ru:midé luto "No migom dok ru:yido pí:do:do "kumrugsudung migoma" émnangka, odo migombí nom aipé kumrugsuyépé. No migjém-líglangka! Migombí nom appun abíko tulígla toyumyépé!" Yégborbí "sa" émna togésuto.

Ru:midé:la Yégborbí édémpé taru:dém ru:ng-ge:la migom ru:ba: do:pé gíku. Migomdé buluk gíangkunamdém anna régmosudanna ngom ru:midé mé:lígsunam aptaém bombitagku émna totursula toya:1 du:to. Migomdok ru:yido ping-ge:la Yégborbí ru:midok luyirkampé luto. Migomdé édém taddan-ge:1 sumrobl sumgab-ge:1 régkepé émna sumto. Migomdé émpige:la Yégbormo sumkalagto. Kapéji Yégborbí sumtab kodokké darobla yu:-yu: émna duglen kangku. "No ngom domopé émna idu:ngan! Nok agomém ngo tadma:bong" émna ru:midém aimang aima:pé Yégborbí luto. Ru:midé yírra yírra Yégbormo luto - Nom migombí dope mé:ya, mílo lékkolo sumgab-ge:1 régkeya:pai. Migombí yubtab-gamna dungapé! Lékoda migomdok ru:yido:pé no gíladkangkuka! Yégborbí mé:misuge:1 arro émna mé:to. "Migombí dope mé:namka:m ngom lékkol régkeya:pai! émna mé:ng-ge:la Yégborbí mirum kéba:do:pé lékoda gíangkangku.

Giladkunamdém andange:1 migomdé king-gí:pé totursul siradém toya:l du:to. Yégborbí po:péké lunamdémpé gíladge:kul luto. Migomdé sumgab-ge:1 lékkolo régketo. Yégbor émnam siradém régkedodo migomdok tuptado bík (Siradok) i:yé berkadkang. Mensaru: ru:midé édém an-ge:la migpomdém urpagge:1 kapé siradok adindém doppa:yéji émna asinbo mé:to odokké migomdém luto - Migoma! nok tuptadé siradok i:yé berkadkang; no siradém doponamdé kabopémang. A:né gíge:la írpu:supé lagiyé! Ékuma:mílo no siradém yadla gogge:1 rékkenamdok ale:(pap) akyé! Migomdé arro émna mé:suge:l dumpíkto. Migomdé siradok adin-amírdém ka:potoka émna ru:midém luge:laursukapé gipakkang. Migomdok ursukapé gíro:do mensaru: ru:midé siradok tukkudém dopagto.

Migomdé ursukolokké gíangku. Ka:name siradok tukkudé kamang. Migomdé siradok tukkudém ka:begma:la mensaru: ru:midém aglíng kuyagla tatto - Siradok tukkudé okolan? Sé:ko doton? Ru:yido du:né simín-siro kídaré pésokokki yallom ka:sula kinma émna aling ara:ngo:bo luto. Mensaru: ru:midé mekéd-meyédla aíké tukkudém oksuge:1 migomdém siradok tukkudé kamangai émto. Kapé tukké kamangan émna migomdé aglíng sa:la luddouém arro migoma siradokké tukké kamangai émna lubito. Migomdok agling kuyagnamdém ka:la ru:midé meké-meyédla péso-pésola luto - "Migoma méng-kika! Bikké tukké kanamka:milo nok po:péké gamkalag do:bong dugpagsul gipagya:kun! Bíkké tukké kama:la:míng lékoda gíladge:kul nom gamkosutokun!" Yi:rom migombí mé:misuto - "Aropésin bikké tukké kamangai."

# Mising agom éla dírbi-dirlamé Réngam ara:lo kapé idu:n?

**Jawaharlal Mili**
**Gohpur, Raonmukh**

Mo:písé tani: réngam ara:lo kíla- kingabla:ma:nam Opín kadung. Édé Opín kidí:dokké aí-aíké agom gomug dírbí-dírlam, gélod-bomlod, du:lod-daglod, dogod-ting-god angu angu munsudag. Tani:yé agom gomug kokki asin mé:namém lusarsudo, abíg kokki atsarsudo. Abíg kama:né agomém tani: Opínnok agom émna lupid sula:mang.

Silo mo:písém gígo:la ka:yémílo tani: agomlok appí:logyang mirém rémné agompé írga:ya:né agompé idung ingraji agomsé. Appí:tani: ope:kokki ingra:jipé lupo sula:dung odokké abígki bigla kinna:dung.

Ngoluk Osom amo:sok du:né Osomiya: Opín émna angkéng kíksula lusuné mipag agomsé:sin so amo:so turig-beng-go ma:né agompé ipag dungkubong. Mipag tani:lok bojéyangko botténé téréng kané mirémné kídíngé Osomiya agomém ao- ommangém poraima:bong. Taonnok amin giné ingraji iskul-kolejlo murko dorra porimodung. Édémpiné atí atí ngasod a:la Osomiya agomsé:sin Osom amo:sokké yoga:- siyala gidungkubong. Osomsok dírbí-dírlam, agom gomugésin ingraji kokki yellu- yedbarsudung, kapéné ingraji dírbí "Birth day, Ring ceremony, Celebration of new year, Valentaine day" kídí:dé ingraji dirbílokké kayisula isonsunam ilod-gílodé. Su:pag Osomso kort-kasarilo ingraji agomsé official language pé ipagdung. Mising agom gomugsé:sin ngoluk réngam ara:lo édíko pu:po-jarpo du:ji édém ngolu appíngei silok adíso ka:begdung. Silok longoso:pé Mising agom pobug iskullo abígpé pangkunam 28 dítagko gibadka:bong, su:lo:pé anéké aki:lok olennam ojíngopé itíladung. Mising agomsé jínga:-jínga:la o:rí:né asilo jí:buddung. Tani: réngamé mirém rémpé aríg-ísíng, among-asi, apping atta:r kidí:dé king-ging-ge:la:sin amír ru:su ma:pé ager gernésin airu:pé kíng-gí:pa:yé. Chek Édémí:pé Mising agom gomlabésin pu:po-jarponam légangé mirém rémboné agerém gerpa:ru:yé. Mising agomsém Mising taniyé asin dígla porima:, adma:mílo oko Opínésin adbi-pobipélang. Silok adísé sé:komsin toya:la du:nan amig-migyabkosin bérradsukunan ayiré kamang. Séko berpo:yéji édém sappénam adié pínga:dung.

Édémbulum ka:mi-mé:mila ngoluk Mising agomsé kapin ésar sarkolo sarbomna okebla dungka:bong. Mising agom gomlam mirém rémbopéné mé:jub-mé:roné migang ga:né kídíngé, sí:sa:né ope: kídíngésin kíng-gí:pé migtubki ainé agerém gerpa:ru:yé. Aíké nanké agom gomugsok léga:ngé airu:pé amír-angkir titsula ager gerpa:ru:yé. Tani: Opínnok agom gomug dírbi-dirlam kama:mílo édé Opíndém dagtu:la siya:né Opín émna lula:dag. Idé gomsarsém addílo ni:tom tomné abu ui Dr. Bhupen Hazorika ké ni:tom abangko mé:pang-kang, sémpé------ "Ami Ohomiya nohou dukhiya

buli antona lobhile nohobo, Ajir Ohomiyai nijok nisinile Ohom rohatole jabo" émna monam ni:tomdé airu:pé o:rí:né arjig kané ni:tomé. Ngolu Dr. Hazorika ké ni:tom tomnennam alang jém-jémné agom kídí:dém méng-gabla asin dígla agerém gerpa:yéku. Aogom mirémbopé réngamsé airu:pé angkir titsula agerékkém gerpa:ru:yé. Agom apirko dung sémpé-- Taniyé murkong kama:mílo mirémna:mang, ager gerné tani; odokké asin méng-gabnané ainé migtubkosin kapa:yé. Leke:lokkébo Mising réngamké atíkosin pí:rammangai, mibu a:bang, leke: ni:tom luli-lugod, kenne agom oi-kaban, oi-ni:tom, mida: ni:tom liga:ni:tom odokké lé:lo-marbang, dokné-doksiri, ri:bi gasor, gonro-ugon mibu galug, ga:m-karu atí atí dírbi-dirlam mirémboné atta:r kídí:dé dungai.

Édébulu silo yoga:la dírbi-dirlam tosula luyitsunané kama:pé idung. Ngoluk Mising tani: Opínsé Osom amo:sok du:yarra du:né mo:bug bugla du:po:né émna lusudung- gom arjíg kané agompé ima:yé.

Télé Sodiya tokké Boroli: bo:pé a:né ru:yilo pu:mu asi bityudkolo dung. Ansín asi ongo-opum mala a:né rago:ru:yilo du:douém okum-kumdangésin kabotokuma. Odok lédílo apong-asi tí:nam, aríg-ísíng ima:pé béng-go:la du:nam, iskul-kolej porima:pé motor saikel dugla mobile bomna ané-abu murkongém mose:-moyela pitpagdag. Silo-mélo dungko- dakko, aríg-ising ikko pí:ramna a:m- ambínésin odokké dogo-ting-gomsin pa:latokumang.

Édémpiné ayirso ngolu kapé imílo mirém rémbopé agerém gerra:yéji édém sappé iyé. Lekeké aíké agom gomlam dírbi-dirlam léngkansunané ati ati atta:r kídíngém aipé mosí:pa:yé. Su:pag ngoluk Mising réngamé amiké lí:né-gené kamponé í:rné dírbém mé:bo-ka:bola bélamém ibom-gíbomdung. Ngoluk Mising dírbí ilod-gilodém sé:kai ibiyéne? Aíém aíké asiném tausupé idung. Mising taniyé amiké angu angu Opinnok yélam ila aíké ilod-gílod, gélod-bomlod, dírbém mépagamtokubong. Édémpiné appí ngasod kídí:dokki Mising taniyém angu Opíné kítéma:yé odokké Mising Opín émna tosula:ma:yé! Édílo:sin angu Opínpé balla:ma:yé. Mising réngamké lekeké ila gínam dobír ui amrag-po:rag, Ali a:yé lígang kidíngém oko réngamésin ibila:pémang. Mising réngamé asiné o:rí:pé méngkíla ka:la amír kipé idung.

Mising réngamké alang jém-jémné, tatpo-tadanné agom-gomlab odokké í:r- pongkírné gélod-bomlod kídí:dém aso:aso:pé mépagmílo Mising Opínsé dong amo:sokké yogpagla giyékupébong. Édémpila Mising réngamsok airu:pé mé:jub-mé:roné migtub pítané tani: appíngei édé agomdém o:rí:pé mé:mila ka:dí ayíré pínga:du:bong.

Ékíma:mílo mising Opínsé mo:písokké yoga:-siya:la gipé abako adié kama:bong.

# Édébong -

**Mising Ba:né Kébang Irroi**

**Mising réngam Irroi!**

**Mising Agom Irroi!**

**Mising dirbi İrroi!**

# Aro Kusere:

**Tamalai Sudbong**

Ruhitbi Yapangkéla: Yamenké ame:né auwo. Guwahati University:lo poriné porin koué. Lu:ti:bí:sin Guwahati:lok Kolejlo poriné porin ko:néngé. Bí Yapoli:kéla: Yetkamké abí:né ommé. Ruhitkéla: Lu:ti:ké okumé kumrimanggom kolej akko:lok poribosujon ajoné.

Ommang onam léga:pé Lu:ti:ké ané- abu Yapoli:la: Yetkamké kinam ka:sumangkoi kamangai. Se:koi édémpiné o:kaiko lubimiloi odopé gídanna ommang onan kusereyém tí:dungai. Édémpé bínyi né:-milbo:dé abapakko kusereyém tí:to. Émpige:la:sin bínyi dítag angngokopé ommang kasumangai. Ommang onané kusere: kindag émné taniyém pa:dag émpige: la kusere: sunna ommang omoné taniyém pa:mangai. Édémpé dítag angngoko ommang onané kusere: tí:la:sin bínyi ommang akosin ka:pa:sumangai. Sagi gila: gila édémpé du:dodém Gamuni Mondirdok pujari:dé aro kusereyém kindag émna se:kaikolok lunamko tatpa:suto. Odo Yapoli:bí tauto-

'Gamuni Mondirdok pujari:dé aro kusere kinnamdé arrolang?'

Odo lubin tani:dé lulatsutoku-

É, agomdé arro. Kapila:né ngo aíké amikkokki ka:sunammé. Yapang la: Yamen né:-milbo:dé:sin nolugingkémpé dítag tagum- takpi:kopé ommang oma:pé dungge:la Gamuni mondirlok pujari:dok kusere: tí:la ao annyiko kakunamém ngo aíké amikkokki ka:sutag. Odo Yapoli né:-milbo:dé mé:mi:ge:la édé pujari:dok binyisin kusere:ko tíngkípé émna mé:to.

Yapoili: né:-milbo:dé Gamuni mondirdo gíla pujari:dém ríksula agom luposuto. Pujari:dé bínyi né:-milbo:dém angu angupé anka:la kangge:la luto-

'Nonyik kinamsé bottan kinammang. Kusere:ko tí:miloi aiyékupé.' Pujari:dok édémpé éssango:pé agom lupagnamdém tadla Yapoli: la Yetkambí mé:pola lékko:pé luto-

'Porbu, édémpéi; tí:yéna. Silokolokkéna tí:bomdannyéné. Kusere:dém sillung biboibi:pén.' Odo pujari:dé aso:pé luto-

'Éddiko lompo:yok. Ditag tangngoko toya:la:domílo po:lo apí pínyiko toya:la:yépéda.'

'É:, toya:la:dag. Porbu no ngoluk kinamo:sém ka:píttéi.' Odo pujari:dé lukang-

'Sa émpémílo. Agersém ngokkolo:pé tolíktoka odokké ngok lukam lukampé nonyi tatpé lagiyé.'

'Porbu, ngolu tadyé. No odok léga:pé ajjoukosin mé:moyok."

'Lékon po:lodo amír appun punna lo:yingko gidagdo nonyi lékoda giladlangku. Odokké botollo pígo aumlok naré:né a:né asiko tobomlang. Odopag nonyim tí:nam kusereyém jarila bila:yépé.' Yapoli: né:-milbo:dé 'sa' émna togésuge:la gikangku.

Píkon po:lodo pujari:dok lukam lukampé Yapoli: la Yetkambi pujari:dém ríksula luposuto. Pujari:dé luto-

'Nonyi bottan agerko gerpé émna:man lendu:n ayi? Édémpidag nonyi Ru:né-

pínékolo:pé tolígge:la bottan riskko la:pé lagiyé. Kapila:né appí:dé Ru:né-pínéké agomé. Ngo agerdém gerbila:dagminé. Édéi édéma:yé?'

'Arrona. Porbu arro agomdé. Ngonyi nok lukam lukampé gerpé.' Yapoli: né:- milbo:dé mé:pola agomdém lomna toríksuto. Pujari:dé Yetkammé luto-

'Nokké abako dipek kamang. Jarinam asiko botollo bikupé. Édé jarinam asidém nonyi annyipagé léumkopé tí:lang. Odokké nok né:dok dipegdé angugamdag. Ommang onané lambédé ajjauko gé:yodla dung. Édém moyinousubipé lagiyé.'

'Aiyé, aiyé Porbu, no moyinsugortéi' émna odosin Yapoli: né:-milbo:dé éssango:pé tolíkto. Pujari:dé Yapoli:mé sungken arangkolo amigém migjémmoge:la ommang onané lambédém moyinsubinam agerém gerbomkang. Agerdém ankin-ge:la:sin Yapoli:bí taukang-

'Porbu no okkom idu:n?'

'Nok ommang onané lambém moyinsubidung. No su:pag okkomsin lukin- lumínpo:yok.' Yapoli:késin sí:sang ímmé dorsangkang. Ommang olíngki édé ímídém bí momitsutomang. Ommang onané aro kusereyém bí pa:to. Odokké luma:pé du:la:tomang-

'Porbu, sillong ngo taniyémpé mé:sukang.' Pujari:dé édémpé Yapoli:ké ommang onané lambédém moyinsubidung émna moyinsubige:la luto-

'Ru:né-pínébí mé:yodma:mílo sukkolokké nonyi ommang oyékubong. Émpige:la sidaggom sé agomkídí:sém se:komsin kinmopé lagimang; Ru:né-pínébí mé:yotpéké.'

**A.** **Communitarianism**: The Misings have the communitarian living concept of life like other tribal of NEI. The Mising are homogenous people, living together, working together, earning together, sharing together, rejoicing together and in times of sorrow in mutual love and care for each other, that way the 'Mising' comes from two words 'Mi' (man) and 'Asi' (water).This means Mising root meaning is bright or good people and also humble people. As definition goes they love nature, wide open earth on the bank of the rivers and live in the pollution free world. The following are some more examples for explaining the communitarian concept. For instance Village Council (Do: lung Ké: bang) is the supreme authority body of the village or Village Assembly. This body consists of all the

elderly people of the village and every villager respects and gives importance to the village Ké: bang. This body is a strong concept of egalitarianism. So in the Mising cultural tradition, strong stress is placed on the value of egalitarianism. They also have a solid concept of the equality of all human beings. There is no caste, class divisions or gender discrimination in Mising culture.

All the ugly social stratifications we see today, they are either borrowed or imposed from outside. The communitarian living and fellow feelings was possible just because there was a strong concept of egalitarianism. So these cultural values have taken seriously for unity and love one another people and the Christian theological formation and interpretation. There is a possibility of bringing a healing touch to world fragmented by caste, color, class, religion, language and ideology. Another example is Murong (village institution) Murong is the original traditional village institution for the Mising society. The Murong has a greater significance for all aspects of life. This institution is the center of learning like today's schools and colleges, for moral formations and spiritual training, dancing, singing and martial training for young men and women. As a matter of fact, this institution stood as an element and the cultural values for the Misings. From this we can reorient the Mising society and the Christian Church building. This communitarian essentially suggested that their goal and ideas of development for a Christian holistic approach of reality for natural centered cultures and spirituality.

**B. Ali-A:yé Ligang (seed sowing festival):** It is seed sowing festival and literary meaning of Ali-A:yé Lígang is as follows 'Ali' as roots, 'A:ye' as fruits and 'Lígang' for sowing festival. They start sowing seeds during winter in 'Phagun' (February) month, on Wednesday, because the Mising people believe that Wednesday are Ru:tum longé (Lakshmi day) and on that day the head of the family marks the sowing of seeds in their respective fields, with a handful of seeds, Yopka. Apong, Purang, Ta:ke, Pi: ro, Si:pag, Onno, preferably carrying in an ígín, using the Yopka (dah), he clears a small patch of land in Eastern most part of the field and is decorated with Pee:ro and cotton threads in a square or a circular pattern. Then the seeds are sown over the area while chanting the forefathers name Sé:di-Mé:lo, Karsing Kartag, Do:nyi - Po:lo, etc, to bear witness of the sowing of seeds into the womb of mother earth for abundant crops, good harvest, etc. After the

feasting, merry making starts in the form of 'Gumrag-So:nam'. The boys and girls gather in groups and go round from house to house singing and dancing in circles. So from this Ali-A:yé Lígang celebration, we can rediscover some traditional cultural values. Because these silk-cotton trees are symbolic



as long life Onno (threads), Pi:ro (kind of tree leaves), Ta:ke (ginger) are symbolic as sources of blessing from the Supreme God. Apong (wine), Purang (kind of rice), are symbolic because they believe as God's satisfaction and gladness of their offerings, lastly this Festival is a prayer day for the Mising. Therefore we can interpret this to reaches the Mising original beliefs and practices the Christian theology and ethical formation for the reflection of human survival and sustains more blessing to peoples. This will be a great contribution to the tribal people's ethical formations and Theology.

**C.Régi-Régam (Household):** Régi- Régam is a household name and remembered with much reverence as the original dwelling place of their forefathers in one time of their journey spreading over centuries. As the myth goes, the Mising leaving, 'Régi- Régam', had to overcome a very strong rapid. But only after prayer to owner (god) deities, they finally found two very strong creepers climbing over a gigantic tree holding it erect near a crossing of the banks of the rapid snugly, like a bridge. These creepers are now referred as the 'Manying-Mangkor' meaning dream creepers or dream land of the Mising community. Therefore from this 'Régi Régam' or myth we can rediscover the traditional values. According to the Mising traditional beliefs Régi Régam is a dreaming of the heavenly kingdom of the Mising people. The original place of the Mising and also referred to as a place where God and humans have reconciliation for good works, hence Régi is God and Régam is man. That means it is a place of meeting God and his people, God's chosen people. And from this we claim that the Mising people are God chosen people, like the Bible said that the people of Israel are God chosen people. Lastly we can compare the 'Ark of the Covenant', like the people of Israel and it was a symbol of God's presence with His people (Israel) (2 Sam. 6:12-22). In the same way 'Régi' can also be referred to as a symbol of God's presence with the Mising above significance from the Régi Régam. we can draw the Biblical themes such as righteousness of God, holiness of God and seeking the kingdom of God, etc. Apart from the above-mentioned observations there are also many other traditional cultural values, which can be used for in depth study of the Mising community, as well as articulated for motivation for Mising and presenting the Gospel message to the Mising people. For instance, the Misings have a rich folklore, folk tales and folk songs. These songs are all composed in their own language and handed down from generation to generation from time immemorial. These folk songs

reflect the human feelings, sentiments, social norms and values. The folk tales are retold from centuries past and some tales are



related to their migration from the hills to the plains of Assam.

**D. The Mising 'A: bang' (Religious songs):** these songs are hymns of praise and worship to god or Goddesses. The A:bang or hymns contain descriptions of social binding and integration, the origin of the living creatures, such as animals, birds, plants, trees, etc. So, from these 'A:bang' we can rediscover the true philosophical and ethical concept of the Mising community and how they worshipped the supreme God (Sé:dí-Mé:lo) and different modes of prayers and songs to guide the true religious life of the Mising. Another song called 'Oi Ni: tom' (love songs), Oi Ni:tom is a combination of two words. The word 'io' in Mising language called love and affection. Another meaning for 'io' is an elderly person addresses a younger one with this word. The lovers also address each other with this word. The word 'Ni:tom' consists of two syllables. The 'Ni' means connotes or implies to consoleo or to lull and the 'Tom' means one who is consoled or lulled. Hence the word 'Ni:tom' signifies a song or a ballad to be sung with object of expressing one's love and affection to dear one and to God. So io Ni: toms are comparable with the Assames Bongeets and Bihu geets and the io Ni:tom are the most popular songs of the Mising people and the tunes are attractive, melodious, nobody can remain without appreciating them; they are meaningful for all creatures. The Mising Oi Ni:tom are created as parts of oral literature and directly or indirectly reflect some of their socio-cultural life and thinking. So from these Oi Ni:tom we can rediscover the sentiments of their loves, admiration of beauty and common joys, etc. this can be contributing to assimilation among the various sub-cultures and comparable to the Christian songs of Solomon, St. Paul's the gift of love, etc, (1 Corin. 13: 1ff.).

**E. Dress and Ornaments**: The Misings have their own colorful dresses and traditional ornaments which are most popular and valuable to all in the community. Because the Misings 'Egé' (Mekhela), Gero, 'Gadu' (Miri-Jim), Ribi-Gaséng' (traditional shawl), Ornaments are as the following- Dogné(Gold chain), Kentu (Earring),Golpota(Neckles) ete. From these Dresses and traditional Ornaments are refer to the wise, intellectual people, specially an empowerments of the Misings women's and economic life of the Misings. Today this can be use for as the remedy from world economic instability and transformations and also a new self-reliant income projects generating.

**F. Mibu (Priest):** The 'Mibu' is known as the Head Priest of the Society. They are recognized to have spiritual powers looking into the past and future. The Mibu can communicate with the souls of their departed forefathers. They are Shamans and act as how death descends upon the world and recite exhortations. Mibu for the Misings is comparable to the Biblical Prophets and pastors like -David Prays for God's protection his people and Moses lead people God's mercy and blessings. Therefore, we rediscovery that they are



spiritual leader for the Mising society. As a result the Mising are also identifying God children's.

In conclusion, we can say that the Mising tribe has rich traditional cultural values. If these Mising cultural values are followed it would be helpful for an economic instability and transformations in the society and also for a new self-reliant income projects generations. They can be oriented to the Mising society for rich economic, theology and ethical formation and interpretation as the Mising are wise and intellectual people. Their theology and ethics would be greatly enriched and it would also be a great contribution for the other tribal Cultures.

## You are capable of doing

Here's a story of George dantzig, the famed mathematician whose contributions to Operations Research and Systems Engineering have made him immortal.

As a college student, George studied very hard and aften late into the night. So late, that he overslept one morning, arriving 20 minutes late for prof. Neyman's class. He quickly capied the two maths problems on the board, assuming they were the homework assign- ment. It took him several days to work through the two problem, but finally he had a break- through and he dropped the homework on Neyman's desk the next day.

Six weeks later, on a sunday morning, George was awakened at 6 A. M by his excited professor. Since George was late for class. he hadn't heard the professor announce that the two unsolvable equations on the board were mathematical mind teasers that even Einstein hadn't been able to answer. But Geroge Dantzig working without any thoughts of limitation, had solved not one but two problems that had stumped mathematicians for thousand of years. ang Inboog bus notaiog bes

Simple put, Gerorge solved the probblems because he didn't know he couldn't.unl

You are not limited to the life you now live. It has been accepted by you as the best you can do at this moment. Any time you're ready to go beyond the limitations currently in your life, you're capable of doing that by choosing different thughts. All you must do, is figure out how you can do it, not whether or not you can. And once you have made your mind up to do it, it's amazine how your mind begins to figure out how. A person is limited only by the throughts that he-she choose.

**Collected: Mousum Pegu**
**Don Bosco, Baghchung, Jorhat**
**Class: X**

# BREIF REPORT ON ASSAM COMMUNITY SEMINAR

**Subject: Mega Dams and Our Future.**

**Organized by: Mising Bane Kebang (MBK), a partner of North East Peoples Alliance (NEPA)**

**Organized under a project of the Asia Indigenous Peoples' Pact (AIPP) for Strengthening the Network of Indigenous Peoples' Human Right Defenders for the Promotion of Human Rights of Indigenous Peoples in Asia.**

**Date: 24rth and 25th March 1012**

**Venue: Public Hall, Gogamukh, Dist. Dhemaji, Assam (India).**

**Day-1 (24/03/2012):**

Registration of participants started at 2.30pm. Total 118 participants mostly central leaders of TMPK, MMK, TMMK, MAK and MAK participated. After tea the Introductory Session started at 6 pm with video show on indigenous Peoples and Climate Change-Fever: explains what climate change is and why it is so important to indigenous peoples (22 minutes) and Impact: shows impacts of large projects changes on both the global climate as well as on indigenous communities (20 minutes).

At 7 pm Mg. Paramananda Chayengia President of Mising Bane Kebang welcomed all participants and explained the purpose of the Community seminar. Then, Mr. Ramananda Wangkheirakpam and Nandini was introduced and welcomed with missing traditional attire. In his introductory speech Mr. Wanghkeirakpam explained how this community seminar has come to be organized. He said how in the name of development violation of human rights such as non-recognition of land rights leading to forced displacement and widespread land grapping and militarization and its associated violence. They are denied political and social rights, who suffer from discrimination and with little access to political decision-making processes and justice systems. These are common phenomenon for indigenous peoples worldwide. The case is same in North-east India.

He stressed upon using HR mechanism by building capacities of indigenous people in documentation, vigilance on human right violations,

growing awareness, and, lobby and advocacy work at global, regional, national and local levels for protection and promotion human right.

Then, general secretary Mg. Prabhat Mili, in his brief speech explained the program of the community seminar.

Then, introduction of the participants was done.

**Day-2 (25/03/2012):**

After breakfast seminar started at 9.30 with sitting of Director of the seminar, Dr. Bidyeswar Doley, President of Mising Agom Kebang (Mising Literary Association).

Dr. Debajit Baruah, Asstt. Professor, North Lakhimpur Girls College, delivered his presentation on the subject: Mega Dams: Its' Social, Economic and Environmental Impact (In special reference to Subansiri Lower HE Project).

In his presentation Dr. Baruah explained how the Mega Dams are going to have a negative impact on our social, cultural and economic spheres. With sufficient information from his study in down-stream of river subansiri he pointed out that the livelihood of the people leaving along the river will have a severe impact as the natural water flow will be hampered ones the dam starts functioning. He said that the impact on bio-diversity will destroy natural habitat of fish, various insects, birds and large nr. of flora-faunas which is important for ecological balance. He also explained that decreasing of ground water level due to operation of dams will affect the agriculture sector, the only economic activity in the area. After a short tea break, Mg. Paramananda Chayengia, President, Msing Bane Kebang delivered presentation on the subject: Mega Dams: Rights of the Indigenous Peoples in the Perspective of United Nations Declaration On Right of the Indigenous People.

In his presentation Mr. Chayengia mainly focused the violation of human rights by big projects in general and construction of mega dams in particular in the perspective of UNDRIP. He also explained the socio- cultural, economic and political rights enshrined in the UNDRIP. Mr. Chayengia explained how these violations are threatening the very existence of the indigenous peoples, their land and identity,

Mg. Chayengia stressed upon strengthening the network of the indigenous people worldwide in general and north-east India in particular for protection and promotion of the rights of the indigenous peoples so that states could be pursued to abide by existing laws, policies and international human rights standard and also playing a role in pursuing policy decisions needed for the effective promotion of human rights. There Capacity building is very important for more systematic documentation of human rights violations leading to more awareness and vigilance of rights violations and better assertion of rights.

After lunch, the 2nd session started with a video show on Indigenous People and Climate Change on Organization: which gives examples of organizational tools and

strategies used by indigenous peoples to protect their cultures, territories and rights (21 minutes) and Resilience: shows indigenous people all over the world are increasing their resilience to climate change by strengthening their traditional knowledge and systems (21 minutes).

Then, Dr. Ranoj Pegu, President, Mising Mimag Kebang delivered his presentation on the subject: Mega Dams: Conflict of the People with the State, Corporate Sectors, and Our Future.

In his presentation Dr. Pegu has said that the violation of right of the indigenous peoples are alarming, specially in the perspective of globalization, which is completely a profit oriented policy of the capitalists. He explained how capitalism has developed and how it is violating the human rights. Dr. Pegu said that the governance is also serving the interests of the MNCs, because they take large amount of fund from them. So, the conflict with the state is increasing day by day. The state is trying to suppress the voice of the people by repressive actions. But, at the same time peoples resistance is also getting aggressive. So, the need of the hour is to raise a slogan by all indigenous people worldwide that- Unite all the Indigenous Peoples of the World. For that, we need to march with the positive development at the global and regional levels on the promotion and protection of human rights in general and indigenous people's rights in particular. The adoption of the UN Declaration on the Rights of Indigenous Peoples has greatly expanded the scope for advocacy and lobby work for the protection of indigenous peoples' rights.

Ex-MLA of Assam Legislative Assembly Mg. Bhuban Pegu supplemented on the anti people rule of the state on the issue of dam. He called for a sustained struggle against mega dams.

At last, in evaluation and interactive session participants asked questions and answered by the resource persons. Participants expressed that the community seminar program has enabled them to understand the issue HR violation by mega projects in a broader view.

At the end, Director of the seminar Dr. Bidyeswar Doley, said that the seminar must have benefited all the participants in understanding the issue of dam in larger perspective. He extended thanks to all for co-operating in proceeding of the seminar smoothly.

After tea at 5 pm all departed from the vanue.

# About two Friends

**There was a prince and a minister's son. They were very good friends and trust in each other. One day they went for hunting in the forest. After wandering whole day. they felt hungary and exhausted. They went under a cool shade of a tree and set down under to rest soon the prince fell asleep, while the minister's son was awake and Rept guard. After a moment a snake slithered towards the price. Furiously hissing and it was about to bite him. However the minister's son quickly took out his sward. But before he could kill the snake the snake spoke up. "This prince was my enemy in my previous life. I cannot rest until I suck his blood." The minister's son wanted to save his friends life. He was very clever.He said If give some of his blood to drink, wil that quench your thirst seeing the minister's son the snake knew he was saving the life of the prince. Because if the snake bites him for blood. If would at the same time spit poison that was seure to kill him. The snake agreed. He was only after the prince blood not after his life. The minister's son made a cup out of dry leaves. He climed upon his friend's cheek who was asleep. He took out his knife and made a small slit cut around his chest. The sharp cut suddenly shoked the prince awake. Now seeing that his friend, the minister's son was holding a knief, he closed his eyes again. The minister's son filled the cup with blood and offered it to the snake which satisfied him and went away. Mean while he collected some medicine and bandaged the wound. A few hoor later the price awoke and made preparation to proceed further. He said nathing and walked happily as if nathing happene. Even after spending two days in the forest. The minister's son began to be angry because the prince did not ask him about the event. He finally said, "friend you Know that I clim upon your check. drew blood and bandaged you. You even saw me do it. Still why haven't you ask me or for an explanation you are a friend of mine." The prince answered "I know that whatever you have done must been for my good. That is why I desire no explanation. I have foundless trust in you-That my friend shall never do any harm to me."**

**Collected: Digbjay Kaman**
**Class: VIII**
**School: Don Bosco, Lichubari**

# যোৰহাটৰ এটি স্মৃতি-ৰোমন্থন

পদ্মলাল পাতিৰি
গুৱাহাটী

২৯ ডিচেম্বৰ, ২০১১। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বয়সৰ প্ৰমাণ-পত্ৰই উনুকিয়াই দিলে ৬০ বছৰ পূৰ্ণ হোৱাৰ কথা। চৰকাৰী নীতি অনুযায়ী অৱসৰ লোৱাৰ সময় হৈছে। তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ পৰা। যোৰহাট শাখাৰ তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ (Head Geophysical Services Field Party) যিটো শাখাত ১৯৮৩ চনৰ পৰা কৰ্মৰত আছিলো) আৰু Assam and Assam Arakan Basin Basin Manager ৰে অতি আড়ম্বৰপূৰ্ণ অনুষ্ঠানত বিদায় দিলে আৰু সকলোৰে কামনা কৰিলে অৱসৰৰ পাছত পৰিয়ালবৰ্গৰ লগত জীয়াই থকা দিন কেইটাত আনন্দৰে কটায় ।

২০১১ বৰ্ষৰ ডিচেম্বৰত যোৰহাট মিচিং কীবাঙৰ দ্বি-বাৰ্ষিক সভাত ৰাইজ আৰু কীবাঙৰ সম্পাদক শ্ৰীদিবাকৰ টায়ে ডাঙৰীয়াই ক'লে, যিহেতু সময়ৰ অভাৱ, গতিকে আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ দিব নোৱাৰিছো। কিন্তু ২০১১ বৰ্ষৰ আলি-আয়ে-লৃগাং, ফেব্ৰুৱাৰী ১৫ তাৰিখত আপোনাক নিমন্ত্ৰণ কৰিম আৰু প্ৰাক্তন সভাপতি হিচাপে সেইদিনা সম্বৰ্ধনা জনাম। শ্ৰীদিবাকৰ টায়ে ডাঙৰীয়াই যোৰহাট মিছিং কীবাঙৰ হৈ তেখেতৰ ঘৰতে এসাজ খুৱাই বিদায় সম্ভাষণ দিলে। শ্ৰীমতী টায়েৰ জুতিৰে ৰন্ধা মাছ- মাংসৰে এসাজ খাই তৃপ্তি লভিলো।

৩১ ডিচেম্বৰ, ২০১১। যোৰহাট ৰাইজ আৰু ONGC ৰ পৰা বিদায় লৈ গুৱাহাটী বুলি নিজৰ গাড়ীখন পোনাই দিলো । গুৱাহাটী অভিমুখে।

জীৱনৰ প্ৰথম ইনিংছত চাকৰি আৰু কৰ্মসূত্ৰে ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰোতে চাকৰি জীনৱৰ ৩৭ টা বছৰ কেনেকৈ পাৰ হ'ল, ক'ব নোৱাৰিলো। এক ব্যস্ত জীবন তেলৰ অনুসন্ধানত আৰব সাগৰ, বংগপোসাগৰ, ভিয়েটনামৰ সাগৰ, গেলেকী, লাকুৱা, ৰুদ্ৰসাগৰ, পানীদিহিং, ত্ৰিপুৰা আদিত তেলৰ অনুসন্ধান চলালো। Field Party এটাৰ Party Chief হিচাপে কাম কৰি ন ন ঠাইত বহুতো প্ৰত্যাহবানৰ সন্মুখীন হ'বলগীয়া হৈছিল। শ্ৰীমতীৰ হাততে ঘৰ চলোৱা আৰু ল'ৰা পঢ়া-শুনা কৰা এৰি বিশাল সমুদ্ৰত দিনে-নিশাই কাম কৰা, ১৯৯১-৯২ চনৰ দিন কেইটাত উজনি অসমত তেলৰ অনুসন্ধান (Oil Exploration) কাম কৰা আৰু ত্ৰিপুৰাৰ নিচিনা উগপন্থীৰে ভৰা দুৰ্গম অৰণ্য আৰু পাহাৰত কাম কৰাৰ কথা ভাবিলে এতিয়া পেটতে হাত- ভৰি লুকায়। অৱসৰৰ দিন কেইটাত ভাবি থাকো, কেনেকৈ ইমানবোৰ প্ৰত্যাহবান আৰু বাধা অতিক্ৰম কৰি কাম কৰিছিলো। ভাবো কি এটা Drive Force হে মোক কাম কৰি যাবলৈ অনুপ্ৰেৰণা যোগাইছিল। হয়, লক্ষ্য দৃঢ়তা আৰু একাগ্ৰতাই মোক কাম কৰি যাবলৈ অনুপ্ৰেৰণা যোগাইছিল।

ONGC ৰ পৰা বিদায় পৰ্বত সকলোৰে প্ৰশংসা কৰিছিল। চাকৰি জীৱন সফলতাৰে সামৰাৰ বাবে আৰু এইটো উনুকিয়াই দিছিল দ্বিতীয় ইনিংছ ১ জানুৱাৰী ২০১২ চনৰ পৰা আৰম্ভ হ'ব আৰু প্ৰথম ইনিংছৰ নিচিনাই সফলতা হ'বৰ কাৰণে আশীৰ্বাদ সফলতা কামনা কৰিছিল। সেই দ্বিতীয় ইনিংছৰ আৰম্ভ হোৱাৰ লগে লগে জিৰণিৰ এক মুহূৰ্তত মনে উৰা মাৰে যোৰহাটলৈ। প্ৰদূষণ মুক্ত যোৰহাট নগৰ, তেল আৰু প্ৰাকৃতিক গেছ আৱাসিক ঠাই আৰু যোৰহাটবাসীৰ মৰমে পুনৰ হাত বাউল দি মাতে। প্ৰদূষণেৰে ভৰা গুৱাহাটী নগৰীত টকা-পইচা, মাটি-বাৰী, ক্ষমতা, এম এল এ, মিনিষ্টাৰ আৰু ডাঙৰ ডাঙৰ অফিচাৰৰ দপদপনিয়ে ক্ষন্তেক হ'লেও মনটো ভাৰাক্ৰান্ত কৰি তোলে। কৃষ্টি সংস্কৃতিৰ ৰাজধানী

যোৰহাট এটা Intelectual Society মাজত থাকি নিৰ্মল চিন্তা আৰু নিৰ্মল আনন্দ লভিবলৈ সৌভাগ্য হোৱা নাই গুৱাহাটী মহানগৰীত।

চাকৰি জীৱনৰ আধাভাগ সময়েই যোৰহাটত কটালো। তাহানি ১৯৬৮ চনত প্ৰি-ইউনিভাৰচিটী দি ইঞ্জিনিয়াৰিং আৰু অসম এগ্ৰিকালচাৰ কলেজত admission ৰ কাৰণে খা-খবৰ ল'বলৈ অহাৰ পাছত আৰু যোৰহাটত পদাৰ্পণ কৰিবলৈ সুযোগ পোৱা নাছিলো । চাকৰি সূত্ৰে আধা সময় যোৰহাটত কটাম বুলি কেতিয়াও কল্পনা কৰিব পৰা নাছিলোঁ ।

১৯৮৯ চনৰ কথা। মুম্বাইৰ পৰা বদলি হৈ যোৰহাটৰ ONGC, Geoscience Division ত যোগ দিলোহি। এটা অচিনাকী পৰিৱেশ। কিন্তু যোৰহাটখন আচহুৱা যেন নালাগিল। যেনেকৈ কলকতা, দিল্লী, চেন্নাই, মুম্বাই, বাৰ্লিন, পেৰিচ,হো-চি-মিন চিটী সোমাওঁতে লাগিছিল। দুই এজন চিনাকী মানুহ। যোৰহাট LIC অফিচত কাম কৰা ভতিজা ল'ৰা শ্ৰীঅনিল পাতিৰি। যোৰহাট ONGC ত শিৱসাগৰ কলেজৰ সমসাময়িক বন্ধু প্ৰয়াত বসন্ত বৰুৱা, অসম চৰকাৰৰ চাকৰিত কৰ্মৰত শ্ৰীকমল বড়ি আৰু ONGC, DVP ত কৰ্মৰত শ্ৰীঅজয় সিং নিপুনক আৰম্ভণিতে লগ পাইছিলো।

যোৰহাটত থকাৰ আৰম্ভণিৰ পৰাই যোৰহাট ৰাইজে বিশেষকৈ মিছিং কীবাঙৰ বিষয়ববীয়াৰ পৰা মিটিং, আলি- আই-লৃগাং আৰু বিভিন্ন ধৰণৰ আলোচনা-বিলোচনাত নিমন্ত্ৰণ পাইছিলো। বিশেষকৈ শ্ৰীকমল বড়ি আৰু শ্ৰীতৰাচন পেগু ডাঙৰীয়াক সেইবোৰ কামত প্ৰায়ে লগ পাইছিলো।

যোৰহাটবাসীৰপৰা বিদায় লওঁতে মনটো অতি ভাৰাক্ৰান্ত হৈ পৰিছিল। মিটিঙৰ শেষত নিমন্ত্ৰণ পালো শ্ৰীবীৰেণ টায়েৰ ঘৰত। তেখেতৰ ঘৰৰ পঃৰ আপং আৰু গাহৰি মাংসৰ সোৱাদে গোটেই ভাৰাক্ৰান্ত দেহটো সজীৱ কৰি তুলিছিল। মনত আকৌ নতুন উদ্যম পালো । গুমৰাগ নৃত্যত এপাক মন গ'ল।

যোৰহাটত ১৭ বছৰ চাকৰি সূত্ৰে থকাৰ সময়ত আনন্দ, হৰ্ষ-বিষাদ, সংগ্ৰাম যোৰহাটবাসীৰ লগত কাম কৰা স্মৃতিয়ে কেতিয়াবা জিৰণিৰ সময়ত ভুমুকি মাৰে।

২০১২ চনৰ ফেব্ৰুৱাৰী মাহ। যোৰহাট ৰাইজে ললাদ গাঁৱত আলি আই লৃগাং পাতিৰ কাৰণে যো-জা কৰিছে। কীবাঙৰ সম্পাদক শ্ৰীদিবাকৰ চায়ে ডাঙৰীয়াৰ এটি নিমন্ত্ৰণ। ১৫ ফেব্ৰুৱাৰী তাৰিখে আলি আই লৃগাঙত আহিব লাগিব। যোৰহাটবাসীৰ নিমন্ত্ৰণ । যাব লাগিব। ১৪ ফেব্ৰুৱাৰী যোৰহাট অভিমুখে গাড়ীখন পোনাই দিলো। অ' এন জি চি কলনি সোমোৱাৰ লগে লগে গুৱাহাটীৰ নগৰীৰ কোলাহলৰ কথা পাহৰি গ'লো । অ' এন জি চিৰ গেষ্ট হাউচত জিৰণি ল'লো। ঘৰুৱা জীৱনৰ সকলো জঞ্জালৰ পৰা মুক্ত হৈ স্বস্তিৰ নিশ্বাস পেলাই ৰাতি আৰামেৰে টোপনি গ'লো।

১৫ ফেব্ৰুৱাৰী, ২০১২। ফৰকাল বতৰ। যোৰহাট মিচিংবাসী ৰং বিৰঙৰ গালুক আৰু বোৱাৰী আৰু কনেঙহ'তে ৰং বিৰঙৰ ৰিবি গাচেং পিন্ধি ঢাপলি মেলিছে ললাদ গাঁৱৰ মুৰং ঘৰলৈ।

ঢোল আৰু পেপাৰ মাতত উৎসৱ মুখৰ পৰিৱেশ সৃষ্টি হৈছে / মুৰং ঘৰত সোমায়েই যোৰহাটত এৰি অহা দিনবোৰলৈ মনটো উৰা মাৰিছিল। ৰাইজে যোৰহাটৰ উপায়ুক্ত শ্ৰী ৰমেশ চান্দ জৈনৰ লগতে মোকো সম্বৰ্ধনা জনালে। শ্ৰীদীপক কুমাৰ দলে ডাঙৰীয়াই আঁত ধৰা মিটিংখনত কীবাঙৰ হৈ গামোচা আৰু এটা শৰাই যাঁচিলে। এই শৰাইত কি আছে? যোৰহাটবাসীৰ সকলো প্ৰীতি, মৰম-স্নেহেৰে ভৰাই দি যঁচা এটি স্নেহৰ টোপোলা। কীবাঙে বিদায় সম্বৰ্ধনাৰে এসাঁজ খুৱালে। আনুষ্ঠানিকভাৱে আলি-আয়ে- লৃগাঙৰ দিনা সুদূৰ গুৱাহাটীৰ পৰা নিমন্ত্ৰণ কৰি বিদায়ৰ সম্বৰ্ধনা দিয়াৰ মিচিং কীবাঙৰ সভাপতি, সম্পাদক, কীবাঙৰ সকলো কৰ্ম-কৰ্তা আৰু ৰাইজক অশেষ স্নেহ ভৰা ধন্যবাদ জ্ঞাপন কৰিলো।

যোৰহাটবাসীৰপৰা বিদায় লওঁতে মনটো অতি ভাৰাক্ৰান্ত হৈ পৰিছিল। মিটিঙৰ শেষত নিমন্ত্ৰণ পালো শ্ৰীবীৰেণ টায়েৰ ঘৰত। তেখেতৰ ঘৰৰ পঃৰ আপং আৰু গাহৰি মাংসৰ সোৱাদে গোটেই ভাৰাক্ৰান্ত দেহটো সজীৱ কৰি তুলিছিল। মনত আকৌ নতুন উদ্যম পালো । গুমৰাগ নৃত্যত এপাক মন গ'ল।

ৰাতি অ' এন জি চি অতিথি শালত আৰাম কৰি পিছদিনা গুৱাহাট অভিমুখে গাড়ীখন পোনাই দিলো। অ' এন জি চিৰ কলনি এৰি যোৰহাট টাউন হৈ বাইপাচ পাৰ হওঁতে যোৰহাটৰ স্মৃতিয়ে পুনৰ উক দিলে। যোৰহাটত থকা



সময়ছোৱা পাহৰিব নোৱাৰা স্মৃতি। বম্বেৰ পৰা বদলি হৈ আহি যোৰহাটত থকা দিনকেইটা, ৰাইজৰ লগত সভা সমিতি আলি-আয়ে-লৃগাং ৰাইজৰ কাম-কাজ কৰা দিনবোৰ মনত পৰে। প্ৰয়াত ডেম্বি বড়ি ডাঙৰীয়াই ৰাইজৰ মুৰং ঘৰ বনাবৰ বাবে সুচল কৰি দিয়া আৰু মিচিঙৰ বাবে অসম চৰকাৰে মৰিশালিৰ বাবে দিয়া অইনৰ বেদখলৰ পৰা মুক্ত কৰি ৰাইজৰ ব্যৱহাৰৰ বাবে বেৰ আৰু সৰু ঘৰ সজোৱা আদি দিনবোৰ মনত পৰে। এই কামবোৰ আছিল এটা বিৰাট প্ৰত্যাহবান। কাৰণ মৰিশালীৰ বাবে মোকদমাপৰ্যন্ত আগবাঢ়ি গৈছিল। যোৰহাটত থকা সময়ছোৱাত ONGC, Field Party All India SC/ST Employees Welfare Association, Jorhat Branch ৰ প্ৰতিষ্ঠাপক সভাপতি হিচাপে বহু প্ৰত্যাহবান সন্মুখীন হ'বলগীয়া হৈছিল।

যোৰহাটত থকা সময়ছোৱাত পৰিয়ালৰ বাবে কৰিবলগীয়া প্ৰায় সকলো কামেই সম্পূৰ্ণ হৈছিল বুলি ক'ব পাৰি। মোৰ ডাঙৰ ল'ৰা ডাঃ কাৰচিং পাতিৰি ডিব্ৰুগড . মেডিকেলৰ পৰা এম বি বি এছ আৰু কানপুৰ মেডিকেলৰ (GSVM) এম ডি (পেথলজীত) পাছ কৰা, বোৱাৰী ডাঃ ৰুলী বুঢ়াগোহাঁই, এম ডি (বায়কেমিষ্টি) ডিব্ৰুগড় মেডিকেল কলেজৰ পৰা দ্বিতীয় ল'ৰা শ্ৰীনৰৰঞ্জন পাতিৰি, বি এছ চি (বায়'টেকনলজী) পাছ কৰি অসম চৰকাৰৰ কো-অপাৰেটিভ চচাইটিত কনিষ্ঠ অডিটৰ হিচাপে নিয়োগ পোৱা আৰু মোৰ মানুহজনী শ্ৰীমতী মহেশ্বৰী পাতিৰি ল'ৰা পঢ়োৱা আৰু মই নথকা অৱস্থাত, (কাৰণ মই বহুত সময় ONGC, Field Party ত বাহিৰত থকা হয়) সেই সময়ত ঘৰখন চগুলা আদি কৰিও বি এ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ছ'চিঅ'লজিত এম এ পাচ কৰি District Adult Education Officer, Mongaldai, Darrang নিয়োগ পাইছিল। সেই দিনবোৰ বহুত সংঘৰ্ষময় জীৱন আৰু বহুত প্ৰত্যা হ্বান আৰু তাৰ মাজতে সমাজৰ কাম ।

যোৰহাটবাসীক মই কি দিব পাৰিলো ক'ব নোৱাৰো, কিন্তু যোৰহাটবাসীৰ পৰা বহুত পালো আৰু বহুত শিকিলো । যোৰহাট অ এন জি চিত সম্পাদনা হোৱা 'কেতেকীআলোচনীখনে কিছু লিখাৰ আগ্ৰহ জগাইছিল। আৰু মোৰ মনৰ কিছু কথা, কবিতা আদি লিখা দিশটোত অনুপ্ৰেৰণা যোগাইছিল শ্ৰীদীপক কুমাৰ দলে আৰু শ্ৰীকমল বড়িৰ সম্পাদনা কৰা 'আজন' আলোচনীখনে। এই অনুপ্ৰেৰণা দিয়াৰ বাবে দুয়োজনলৈ মোৰ কৃতজ্ঞতা যাচিলো।

যোৰহাটত সকলো সংগ্ৰামী বন্ধু, মিচিং ৰাইজৰ সামাজিক-সাংস্কৃতিক আৰু শৈক্ষিক দিশত স্মৰণীয় অৱদান আগবঢ়াই থৈ যোৱা ব্যক্তিসকলক আৰু যিসকল সুযোগ্য সন্তানে যোৰহাট নগৰত শিক্ষাৰত অৱস্থাত সমগ্ৰ মিচিং ভাষা- সাহিত্য-সংস্কৃতি আৰু আৰ্থ-সামাজিক দিশত এখোজ মিচিং জনগোষ্ঠীক আগবঢ়ালে আৰু সুযোগ্য সমাজকৰ্মী, যিসকলে যোৰহাট নগৰত বিভিন্ন চৰকাৰী বিভাগত সেৱা আগবঢ়াই মিচিংসকলৰ বাবে গঠনমূলক সামাজিক-সাংগঠনিক দিশত অনুমূল্য অৰিহনা যোগালে, সেই সকল ব্যক্তিৰ সান্নিধ্যত আহিবলৈ সুযোগ পাইছিলো আৰু জীৱনৰ বহুত কথা অনুধাৱন কৰিবলৈ সুযোগ পাইছিলোঁ।

যোৰহাট মিছিং কীবাঙে যোৰহাটবাসীক একেটা মঞ্চতে বান্ধি ৰাখিছিল। সেই কথা মোৰ যোৰহাটত থকা সময়ছোৱাত মৰ্মে মৰ্মে উপলব্ধি কৰিছিলো। মিচিং কীবাঙৰ কাৰণে কাম কৰা ব্যক্তিসকল, মিচিং ভাষা-সাহিত্য, কৃষ্টি- সংস্কৃতিৰ উন্নতিৰ অৱদান দিয়া ব্যক্তিসকল সঁচাকৈয়ে নমস্য। যোৰহাটত মোৰ সান্নিধ্যত পোৱা ব্যক্তিসকল নলিনীধৰ পাওগাম, মাণিক চন্দ্ৰ পেগু, ঘনশ্যাম টায়ে, মুঞ্চিৰাম পাংগিং, কমলেশ্বৰ পেগু, কমল বড়ি, বীৰেন টায়ে, লক্ষী টায়ে, খগেন পেগু, দীপক কুমাৰ দলে, মুক্তিনাথ পেগু, মনোজ কুমাৰ মিলি, দিবাকৰ টায়ে, উমাকান্ত দলে, কনকেশ্বৰ দলে, কল্যাণ কুমাৰ টাই, গোপীনাথ পাদুন, ললিত চন্দ্ৰ দলে, ভবেশ দলে, ডিম্বেশ্বৰ পেগু, সোমেশ্বৰ পেগু আৰু ডাঃ বসন্ত ৰাম য়েইন আদি বহুতো গণ্য মান্য ব্যক্তি।

যোৰহাটৰ স্মৃতিয়ে জুমুৰি ধৰিলেও অবিৰাম গাড়ী চলাই আহি থাকোঁতে যোৱাবাট হৈ গুৱাহাটীৰ হুলস্থূলীয়া পৰিবেশত সোমাই পৰিলোঁ। কিন্তু যোৰহাটৰ স্মৃতিয়ে এতিয়াও ৰিঙিয়াই মাতে।

# চমুকৈ আমাৰ গাওঁখন

**লক্ষ্মীনাথ টায়ে**

আমাৰ গাঁওখন। মথাউৰিটো পাৰ হৈ আমাৰ গাঁও সোমোৱাৰ লগে লগে মুকলি জন গাওঁ খেল পথাৰখনে আলহীসকলক অভ্যৰ্থনা জনাবলৈ যেন ৰৈ আছে। তাৰ পাছত সৰু জুৰি এটাৰ ওপৰত সৰু দলং। ওঠৰ-ঊনবিংশ শতিকা মানত বাপী পাহাৰৰ পৰা পাদাম পাংগিন পাচিঘাট পথেদি নামি ব্ৰহ্মপুত্ৰয়েদি ভায়েক লাচনক লৈ জন মিৰি কিছুদিন দিহিংমুখত থাকি, লাচনক তাতে এৰি অলপ উজাই যিটো ঠাইত বসবাস কৰি থাকিবলৈ ললে পিছলৈ, ই জন গাঁও নামেৰে পৰিচিত হয়। ইয়াণ্ডাবু সন্ধিৰ পৰিণতিৰূপে অসম ইংৰাজৰ অধীনলৈ অহাৰ পাছত ইংৰাজ শাসন ব্যৱস্থাৰ হস্তক্ষেপত জন মিৰি এইখন গাঁৱৰ গাম হয়। (উদ চাহাবৰ ডায়েৰীত এই কথা উল্লেখ আছে বুলি মিচিং আগম কেবাংৰ প্ৰাক্তন সভাপতি স্বৰ্গীয় চন্দ্ৰ লাচনদেৱে মোক কৈছিল।) বংশগত এই প্ৰথানুসৰি বৰ্তমানলৈকে জন মিৰিৰ টায়ে বংশধৰ সকলে গাম তথা গাওঁবুঢ়া হিচাপে কাৰ্যবাৰ পালন কৰি আছে।

সৰু জানটো পাৰ হৈ বুঢ়ীদিহিং নৈৰ পাৰে পাৰে গাঁৱৰ আলিবাটটো, শাৰী শাৰী চাংঘৰবোৰ, গাৱৰ পদূলিয়েদি একা-বেকাকৈ সকলোকে মাত লগাই যাব পৰা। গাঁওখনৰ উত্তৰেদি বুঢ়ীদিহিংখন প্ৰায় দুই কিল'মিটাৰমান হ'ব, বৰ্তমান ই খৰালি প্ৰায় এৰাসুতি হৈ থাকে। একালত এই বুঢ়ীদিহিংৰ সাৰুৱা-পলসুৱা মাটি আৰু পানীৰ সমলেৰে খেতি-বাতি, ঘৰ-বাৰীৰে উৰ্ভৈনদী হৈ থকা গাঁওখনৰ মানুহক এদিন এই নৈৰ বানপানী আৰু গৰাখহনীয়াই ঘৰ-মাটি উচ্ছন্ন কৰি গাঁও এৰি যাবলৈয়ো বাধ্য কৰাইছিল। বৰ্তমান জনাইৰ ৰ'তকে, ললাদ, জোনকাৰেং, বৈকুণ্ঠপুৰ আৰু অৰুণাচল প্ৰদেশৰ মেংকেন, লুংকন, চেলাতুং, জাগুন আদিত আমাৰ গাৱৰ মানুহে স্থায়ীভাৱে বসবাস কৰি আছে।

আমাৰ গাঁও খনত প্ৰধানকৈ টায়ে, বৰি, পাংগিং উপাধি লিখা মানুহেই বেছি। টাইদ, দলে আৰু দাও দুই এঘৰ আছে।

টায়েসকল জন মিৰিৰ বংশধৰ, বৰিসকল তিনি ঠাইৰ পৰা অহা চিয়মৰ পৰা অহা বৰি দীলু বৰি, দাম্বুকৰ পৰা অহা বৰী 'দাম্বুক বৰি' আৰু দিখৌমুখৰ পৰা অহা' দিখৌ বৰী' বুলি জনাযায়। পাংগীং সকলো এই গাৱৰ পুৰনি বাসিন্দা 'কপ্তাক পাংগিং'। বাকীসকল বিবাহসূত্ৰে প্ৰব্ৰজন কৰি অহা । ঘৰ সজ্জাৰ গাঁৱৰ বেছিভাগ মানুহৰে ঘৰবোৰ কাঠ, বাঁহ, বেত আৰু খেৰ আদি প্ৰাকৃতিক সামগ্ৰীৰে সজা। কিছুমানে লাহে লাহে পকা কোঠা, ইটা-বালি-চিমেণ্ট, ছালত টিনপাতৰ ব্যৱহাৰ কৰিবলৈ লৈছে। তথাপিতো কিন্তু দহ-তৰপীয়া চাংঘৰৰ মোহ যে এৰিব পৰা নাই এইয়া লক্ষ্যনীয়। আধুনিক সম্পদেৰে সাজিবলৈ পাকঘৰটো হলেও অকুমৰ (চাংঘৰৰ চাঙত আঁৰতক, জঃপং, বীনীৰ, পৰপিয়াম (কংকিলাং) আৰু পিচ আৰু ছালত বাংকু, ছঃয়িং, কুম্বাং, ছাল, ছাল-কামি আৰু ছেলাপ আদি প্ৰয়োগ কৰি ঘৰটো সাজে। পকাঘৰবোৰৰ বাহিৰে আমাৰ গাৱত বাকীঘৰবোৰ বনাওঁতে সাধাৰণতে গাৱৰ ৰাইজে সততে লাগি-ভাগি সহায় কৰে, বিশেষকৈ অভিজ্ঞ বয়োবৃদ্ধসকলে যাৱতীয় দিহা পৰামৰ্শ দি সহায় কৰে। নতুন ঘৰ বনোৱা শেষ হ'লে 'অকুম-গিচাং' (গৃহ প্ৰৱেশ) পাতি গাঁৱৰ প্ৰতিঘৰকে নিমন্ত্ৰণ কৰে ।

**ভাষা আৰু ধৰ্ম্ম** : মিচিং গাঁও হিচাপে আমাৰ গাৱত প্ৰধানকৈ মিচিং ভাষাৰ প্ৰচলনেই বেচি। অলপিয়াকৈ অসমীয়া ভাষাৰ ব্যৱহাৰো কৰে ।

আমাৰ গাঁওত সম্প্ৰতি হিন্দু ধৰ্ম্ম আৰু মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰভাৱেই সাধু-সাতোলা-ভকত সকলৰ দ্বাৰাই সকাম-



নিকাম কৰে যদিও কৰে যদিও মিচিং ধৰ্ম্ম বিশ্বাসৰ মূখ্য পুৰুহিত' মিবু'ৰ মহত্ত্বকো মানে। ফলত 'ডাঙৰীয়া','গুৰু ', য়ুমৰাং-উই', 'সাতজনীয়া', পীজাৰ-উই, 'ন-পুৰুষীয়া', কালিকা', 'কুমচুং-উই' (অকল দিখৌ বৰীসকলে কৰে), নাম-কীৰ্ত্তন পাঠ আদি অনেক সকাম কৰে। কোনো কোনোৱে আকৌ দেৱ-দেৱীৰ পূজা-পাতলো কৰে। নাম-কীৰ্তনৰ বাহিৰে এই সকলোবোৰতে গাহৰি-কুকুৰা আৰু আপঙৰ ব্যৱহাৰ কৰে

মুঠতে ৰামায়ণ, মহাভাৰত, ভাওনা, ৰাসলীলা আদিৰ বিশ্বাসেৰে আমাৰ গাঁওখন সংমিশ্ৰণেত ধৰ্ম্মালম্বীলোকৰ বাসস্থান ।

**শিক্ষা** ঃ গাঁওখনত প্ৰায়বোৰেই শিক্ষিত লোক। দুই- এজনৰ বাহিৰে প্ৰায়েই নিজৰ নামটো লিখিব পাৰে। এই হিচাপত শিক্ষিত হাৰ প্ৰায় ৯০ শতাংশ বুলিব পাৰি। কিন্তু মানদণ্ডফালৰ পৰা ইমান উন্নত বুলিব নোৱাৰি । তলৰ শ্ৰেণীৰ পৰা যিমান ওপৰলৈ গৈ থাকে ক্ৰমে ছাত্ৰ-ছাত্ৰীৰ সং্যা কমিযোৱা পৰিলক্ষিত হয়-যেনে-মেট্ৰিক যদি দহজনে দিছে তাৰ এবছৰৰ পিছত উচ্চতৰ মাধ্যমিক দিব ১৫ জনে।

ভিতৰুৱা গাঁও হিচাপে আমাৰ গাঁওখন সুবিধাজনক ঠাইতে আছে বুলি মই ভাৱো। কাৰণ, গাৱত দুখন প্ৰাথমিক বিদ্যালয় আছে-জোন গাঁও প্ৰাথমিক বিদ্যালয়আৰু জন মিৰি প্ৰাথমিক বিদ্যালয়, আধা কিলোমিটাৰ মান দূৰত আছে- পদুমনি জনজাতি উচ্চ মাধ্যমিক বিদ্যালয় আৰু পদুমনি জনজাতি মধ্য ইংৰাজী বিদ্যালয়, ওচৰতে হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়, ২-৩ কিল'মিটাৰ মান দূৰত নিতাইপুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, নিতাইপুখুৰী ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় আৰু নতুনকৈ প্ৰতিষ্ঠা কৰা শংকৰদেৱ বিদ্যা নিকেতন আদি।

বৰ্তমান বিশ্বায়নৰ যুগত আনুমাণিক শিক্ষা আহৰনেই যথেষ্ট নহয়। প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত বহিবৰ বাবে বাহিৰা কিতাপ-পত্ৰ, বাতৰি কাকত আদিৰো প্ৰয়োজন আছে। এয়েহে গাঁওখনত শিক্ষাৰ উন্নত পৰিবেশ গঢ়ি তুলিবলৈ এখন লাইব্ৰেৰীৰ প্ৰয়োজনীয়তা আছে। কাৰণ, বৰ্তমান আমাৰ গাৱত ৩০-৪০ জন স্নাতক, ডিগ্ৰীধাৰী, ৫০ ৬০ জন উচ্চতৰ মাধ্যমিক পৰ্যায় পাছ কৰি নিবনুৱা হৈ বহি আছে।

**জীৱিকা :** কৃষিয়েই আমাৰ গাঁওখনৰ প্ৰধান জীৱিকা । চাকৰিয়ালৰ ভিতৰত শিক্ষক আৰু প্ৰতিৰক্ষা বিভাগৰ কৰ্মচাৰিয়েই অধিক। দুই-এজন অন্যবিভাগৰ চাকৰিয়ালও আছে।

ব্যৱসায় ভিত্তিত কৰা প্ৰধান খেতিসমূহ হ'ল- সৰিয়হ, মাটি মাহ, আলু আৰু ৰঙা লাও। ঋতুকালীনভাৱে মূলা, লাইশাক, জলকীয়া, বেঙেনা, বিলাহী, কচু আদিও কৰে ।

ধান খেতি প্ৰধানকৈ নিজে খাবলৈ কৰে। তাৰে বাচিলে কিছুলোকে বিক্ৰিও কৰে।

গাঁৱৰ মহিলাসকলেও পৰিয়াল চলাত সহায় কৰিবলৈ তাঁত-বোৱা, গাহৰি, কুকুৰা, ছাগলী আদি পালন কৰে।

দুই এঘৰে সৰু-সুৰা দোকান দি, গাহৰি বেপাৰ তথা গাহৰি পোৱালী কিনা-বেচা কৰি পৰিয়াল চলাই আছে।

বাৰিষা মাছৰ উজান আহিলে কিছুমানে মাছ মাৰি বিক্ৰি কৰিও পৰিয়াল চলায় ।

কবলৈ অপ্ৰিয় হলেও এইটো সচাঁ যে আমাৰ গাৱৰ কিছুমান পৰিয়াল চুলাই মদৰ ব্যৱসায় কৰিও জীৱন ধাৰন কৰি আছে। ইয়াক পৰিস্থিতিয়ে বাধ্য কৰাইছে বুলি কব পাৰি ।

**উৎসৱ পাৰ্বন** : মিচিং জনগোষ্ঠীৰ জাতীয় উৎসৱ আলি-আই লৃগাং ফাগুনৰ প্ৰথম বুধবাৰে আৰু দবু পূজা (ঘেনা পূজা) জেঠ মাহৰ ১৫ তাৰিখে আমাৰ গাঁৱত প্ৰধানকৈ পালন কৰে। তাৰ ওপৰিও অসমৰ জাতীয় উৎসৱ বহাগ বিহু-বৰ উলহ-মালহেৰে পালন কৰে, গৰু বিহুত গৰু গা ধুৱায়, ঘৰে ঘৰে বিহু মাৰে, কাতি বিহুত-খেতি

পথাৰত তুলসী তলত চাকি জ্বলায় আৰু মাঘ বিহুত মেজি সাজে, ভোজ ভাত খায় আৰু ইয়াৰ ওপৰিও দেৱালীত চাকি জ্বলায়, আতজ বাজি কৰে, ৰাস উৎসৱ আদিত সহযোগ কৰে ।

**সামাজিক সংগঠন** : আমাৰ গাঁৱত দুখন নামঘৰ আৰু দুলুং কীবাং আছে। দলুং কীবাঙে গাঁৱৰ সামাজিক আলোচনা বিলোচনা, গাঁৱৰ সাধাৰণ কাজিয়াৰ মিলা-মিছা



কৰি সমাধান কৰি দিয়ে, লগতে ডেকা গাভৰুৱে বিহুত ঘৰে ঘৰে বিহু মাৰোতে তাক তদাৰক অন্যান্য ঘৰুৱা অনুষ্ঠান, শুচি, দদগাং, য়ামনী লাঃচাং, শৰাই-বিনাম আদি বিয়া সবাহত সহযোগিতা আগবঢ়ায়। তাৰ উপৰিও মিচিঙৰ জাতীয় সংগঠন মিচিং আগম কৌবাং, মিচিং মিমাগ কৌবাং, তাকাম মিচিং পৰিন কৌবাং, দূৰব্ব কীবাং আদিও আমাৰ গাঁৱত বৰ্তমান সক্ৰিয়।

তাৰ উপৰিও আমাৰ গাঁৱত সক্ৰিয় আত্মসহায়ক গোটৰ সংখ্যাও ৫-৬ টাকৈ অধিক হ'ব।

**যাতায়ত :** গাঁওখনৰ পৰা যাতায়তৰ ব্যৱস্থা নাই যদিও তিনি কিল'মিটাৰ দূৰত্বত নিতাইপুখুৰী বাছ/টেম্পু/অ'ট' আস্থান আৰু আন এটা শিলপোতা বাছ আস্থান আছে। কিন্তু গাঁৱৰ প্ৰৱেশদ্বাৰত যিটো দলং আছে আৰু গাঁওখনৰ সন্মুখেদি যিটো ৰাস্তা আছে ই চাৰিচকীয়া যান্ত্ৰিক বাহন চলাচলৰ সুবিধাজনক নহয় ।

গতিকে, গাৱৰ প্ৰায় ভাগ মানুহে দুচকীয়া বাহন অথবা চাইকেল, বাৰিষাৰ দিনত নাওঁ গাৱৰ পৰা ওলাই যাবলৈ বিশেষভৱে ব্যৱহাৰ কৰে।

**সামৰণি** ঃ এইখনেই আমাৰ গাঁও 'জন গাঁও'। কোনো কোনোৱে জোন গাঁও বুলি কব খোজে, তেওঁলোকৰ মতে গাঁওখন জোনৰ নিচিনা গতিকে জোন গাঁও । তাৰ কোনো সত্যতা নাই। কাৰণ সেইসময়ৰ গাঁওবোৰৰ নামকৰণৰ নিচিনাৰ পৰা দিয়া নাছিল, গাঁওবোৰ নামকৰণ কৰা হৈছিল কোনোৱা ৰজা-মহাৰাজাৰ নামত, কৃতি চিহ্ন অথবা পথাৰ, পুখুৰী, গছ- গছনি আদি বাস্তৱ বস্তুৰ ওপৰত ভিত্তি কৰি। কিন্তু 'অসম'ক 'আসাম', কলিকতা'ক কলকাতা', 'জ'নাই'ক..... জোনাই, 'বাংগালুৰ'ক... বেংলৰ কোৱাৰ দৰেই জোন গাঁও বুলিও কয় । জন গাঁৱেই "জোনগাঁও" আৰু জোন গাঁৱেই "জনগাঁও"।

**বিঃদ্ৰঃ— '৯০ বছৰত মিচিং বাঃনী কীবাং' শিৰোনামৰ দীপক কুমাৰ দলেৰ নিবন্ধত ২০১১ বৰ্ষত অনুষ্ঠিত ৩৪ সংখ্যক লক্ষীপথাৰ, জীয়াঢল মিচিং বাঃনৌ কৌবাংৰ উল্লেখ বিশেষ কাৰণত থাকি যোৱাৰ বাবে আমি দুঃখিত ।**

**-সম্পাদক**

# অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

মিচিং জনগোষ্ঠীৰ লগতে অসমৰ ঐক্য সম্প্ৰীতিৰ হকে ঐতিহাসকি ভূমিকা পালন কৰি অহা অতি জনপ্ৰিয় মহান জাতীয় অনুষ্ঠান তথা মিচিং জনগোষ্ঠীৰ অভিভাৱক সংগঠন "মিচিংবাঃনৌ কৌবাং"

(মহাসভা)ৰ ৩৫ তম্ কেন্দ্ৰীয় সাধাৰণ অধিবেশনখন যোৰহাট জিলাৰ অন্তৰ্গত বাঁহফলা গাঁৱত অনুষ্ঠিত কৰিবলৈ, কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে এখন অভ্যৰ্থনা সমিতি গঠনৰ প্ৰয়োজন আহি পৰে। সমগ্ৰ যোৰহাট জিলা, গোলাঘট জিলা আৰু শিৱসাগৰ জিলাক সামৰি অধিবেশনখন অভ্যৰ্থনা কৰাৰ বাবে শ্ৰীশ্ৰী বিষ্ণুদেৱ জনজাতি কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাৰ সিদ্ধান্ত মৰ্মে এই অভাজনক সম্পাদক হিচাপে এক গুৰু দায়িত্ব অৰ্পণ কৰে। এনে মহান জাতীয় অনুষ্ঠানৰ অধিবেশনখনত অভ্যৰ্থনা কৰাৰ কাৰণে এই অভাজনক সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰাত সমূহ শ্ৰদ্ধাশীল ব্যক্তি আৰু ৰাইজলৈ মোৰ চিৰকৃতজ্ঞ।

অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি শ্ৰী নন্দেশ্বৰ পেগু, উপ-সভাপতি দীপক কুমাৰ পেগু, শ্ৰী অনিল পেগু আৰু মোৰ সহযোগী সম্পাদক শ্ৰী ত্ৰিদীপ দলেৰ ওচৰতো চিৰকৃতজ্ঞ । মোৰ অনুভৱ হয় অভ্যৰ্থনা সমিতিৰ সমূহ বিষয়ববীয়াসকলৰ এক সৌভাগ্যবান আছিল। কাৰণত, ৩৫ তম্ মিচিং বাঃনী কৌবাংৰ কেন্দ্ৰীয় অধিবেশনখন অভ্যৰ্থনা কৰাৰ বাবে দুজন আই.এ.এচ বিষয়াক সভাপতি হিচাপে পাইছিলো। প্ৰথমজন আছিল ৰমেশ চান্দ জৈন আৰু দ্বিতীয় জন ছোলংকী বিশাল বসন্ত। দুয়োজনে আছিল যোৰহাট জিলাৰ প্ৰশাসনিক বিষয়া হিচাপে কৰ্মৰত। চাকৰি সূত্ৰে ৰমেশ চান্দ জৈন বদলিকৰণ হোৱাত পুনৰ ছোলাংকী বিশাল বসন্ত ডাঙৰীয়াক আমি সভাপতি হিচাপে পাওঁ। দুয়োজনেই অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে সহায় সহযোগ আৰু বিভিন্ন দিশত দিহা পৰামৰ্শ আগবঢ়াই অধিবেশনখনি সাফল্যমণ্ডিত কৰাত তেখেতসকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। অভ্যৰ্থনা সমিতিৰ কাম-কাজৰ অংশ হিচাপে মূল অধিবেশনথলী কাৰ নামত নামাকৰণ কৰা হ'ব ?এই বিষয়ে এক আলোচনাৰ প্ৰয়োজন আহি পৰে। কেন্দ্ৰীয় সমিতি আৰু অভ্যৰ্থনা সমিতিৰ যুটীয়া বৈঠকৰ সিদ্ধান্ত মৰ্মে মূল অধিবেশনথলীখন "মঃয়িং পেগু লত্তা" হিচাপে নামাকৰণৰ সিদ্ধান্ত লোৱা হয়। মোৰ অনুভৱ নিস্বাৰ্থ, আত্মত্যাগী, আদৰ্শ ব্যক্তি মোৰ আজুককা মঃয়িং পেগুৱে উপযুক্ত স্থানত ঠাই পাইছে। আজিৰ পৰা প্ৰায় ৫০ বছৰৰ আগতে সমগ্ৰ উত্তৰ পশ্চিম যোৰহাটৰ জনগোষ্ঠী অধ্যুষিত অঞ্চলবিলাক তেখেতৰ নেতৃত্বতে সুশৃংখলিতভাৱে জীৱন যাপন কৰাত বহুখিনি সহায় কৰিছিল। ময়িং পেগুৰ নেতৃত্বতে আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা হৈছিল। আজি আমি অনুভৱ কৰিছো মঃয়িং পেগুৰ উদ্যোগত গঢ় লৈ উঠা আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হাজাৰ হাজাৰ মানুহে শিক্ষাৰ জ্যোতি পাইছে। সেয়ে ২০, ২১, ২২ আৰু ২৩ মাৰ্চ, ২০১৪ তাৰিখে অনুষ্ঠিত হোৱা ৩৫ তম্ মিচিং বাঃনী কৌবাং

২১৯
কেন্দ্ৰীয় অধিবেশন থলীৰ পৰা তেখেতলৈ শ্ৰদ্ধাঞ্জলি জনাইছো।

অধিবেশনখনি সাফল্যমণ্ডিত কৰিবলৈ মঃয়িং পেগুৰ পৰিয়ালবৰ্গ সৰ্বশ্ৰী তচিল পেগু, কন্‌টু পেগু, মহেন পেগু, তুলসী পেগু, বিনন্দ পেগু, শিৱনাথ পেগু, বিশ্ব পেগু, বিদ্ৰেশ্বৰ পেগু, সুভদ্ৰা পেগু, পোণাকণ পেগু, দিলীপ পেগু, বিবৰ পেগু, সুনীল পেগু, নিমাই পেগু, ৰমেণ পেগু, এনিফ পেগু, প্ৰসাদ পেগু আদি উদাৰ ব্যক্তি সকলে বিভিন্ন সময়ত সু-পৰামৰ্শ দি বিভিন্ন কামত মোৰ ছাঁটোৰ দৰে লাগি থাকি সহায় কৰাত মই তেখেতসকলৰ ওচৰতো চিৰ ঋণী।

মই মাজে মাজে হতাশাত ভুগিছিলো। কাৰণ, আমি অধিবেশন অভ্যৰ্থনা কৰাৰ বাবে এক দীৰ্ঘদিনীয়া সময় পাইছিলো যদিও বিশেষ কাৰণবশতঃ অধিবেশনখনি অনুষ্ঠিত কৰাত দুবাৰকৈ সময় সাল- সলনি কৰিবলগা হৈছিল। কিন্তু মোৰ সহযোগী গোপাল মিলি, চিত্ৰ দলে, হেমন্ত মেদক, প্ৰণৱ পাতিৰ, ভোলানাথ দলে, প্ৰফুল্ল পেগু, মতিলাল টায়ে, প্ৰদীপ কুমাৰ টায়ে(কোই) আৰু বিনিতা চাৰঃ আদি দাদা বাইদেউ সকলৰ সৎ পৰামৰ্শ আৰু হাতে-কামে লাগি মোক মনোবল যোগাই অধিবেশনখন সাফল্যমণ্ডিত কৰিবলৈ সহায় কৰাৰ বাবে তেখেতসকলৰ ওচৰত মই চিৰঋণী। বিশেষকৈ অধিবেশনখন অনুষ্ঠিত কৰাত প্ৰয়োজন হোৱাকৈ মাটি আগবঢ়োৱা শ্ৰীশ্ৰী বিষ্ণুদেৱ কলেজ কৰ্তৃপক্ষ, গড়ে চেত্ৰী, গনেশ দলে, ৰামেশ্বৰ দলে, বঙাল দলে সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জনাইছো ।

বাঁহফলা দলুং, কলবাৰী দলুং, নেউল দলুং, গৰুখুটি ভেকেলী, খকন গুৰি, বৰচাপৰি, চাৰিগাঁও দলুং, উত্তৰ কলিয়া দলুং, কাকতিচুক দলুং, ললিতী দলুং, কাৰেং দলুং, চাৰিঘৰীয়া দলুং, বাঘমৰা দলং, বৰমুকলী দলুং, চেনাইচুক দলুং, চগুৰি দলং, ইপৰীয়া দলুং, বোকোৰা দলং আৰু জাঁজীমুখ অঞ্চলৰ সমূহ ৰাইজে বাঁহ যোগান দিয়াৰ উপৰিও বিভিন্ন দান-বৰঙণী দি অধিবেশনখনি সাফ্যমণ্ডিত কৰাত সমূহ ৰাইজলৈ আন্তৰিক অভিনন্দন জনাইছো ।

শেষত এই অভাজনে অধিবেশনখন অনুষ্ঠিত কৰাৰ স্বাৰ্থত কাম-কাজ কৰোতে নিশ্চয় ভূল ত্ৰুটি থাকি গৈছে। সেয়ে মোৰ অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা প্ৰাৰ্থী।

**Mising Rengam irroi**
**Mising Yelam irroi**
**Mising Barné Kébang irroi**

**— ভবেশ দলে**